অসমীয়া কাব্য সাহিত্য
আৰু
জাতীয় জীৱনত প্ৰগতিবাদী চিন্তা

২য় খণ্ড

১৯৪৭-৭০

শ্ৰীদীনেশ্বৰ ভট্টাচাৰ্য্য।
অধ্যাপক, নলবাৰী মহাবিদ্যালয়।

A Critical work on Assamese Poetry and national life,
by Dineswar Bhattacharyya

প্ৰথম প্ৰকাশ—১৯৮৫ ।

প্ৰকাশিকা—

হৰগোবিন্দ শৰ্মা পুথিভঁড়ালৰ হকে
শ্ৰীৱজোবালা দেৱী ।

মূল্য—২৫·০০ টকা ।

গ্ৰন্থ প্ৰাপ্তিৰ স্থান—
দত্তবৰুৱা এণ্ড কোঃ গুৱাহাটী ।
দত্ত ব্ৰাদাৰ্চ—গুৱাহাটী-পাণবজাৰ ।

ছপাশাল :
কাকলি প্ৰেছ,
মালিগাওঁ, গুৱাহাটী—১১

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে
তৎ স্বয়ং যোগ সংসিদ্ধঃ কালেনাত্মনি বিন্দতি ॥"

উৎসৰ্গ

মোৰ প্ৰথমা পত্নী মৃত যামিনীবালা দেৱীৰ পূজনীয় আতা আৰু মোৰ পৰম আৰাধ্য আতা শঙ্কৰ বাক্‌সিদ্ধ পুৰুষ সত্য নাথ দেৱশৰ্মাৰ পুণ্য স্মৃতি তৰ্পণৰ বাবে এই গ্ৰন্থ পুষ্পাঞ্জলি নিবেদন কৰা হ'ল। এই বাক্‌সিদ্ধ পুৰুষজনৰ সাহসী প্ৰেৰণাই জীৱনৰ চৰম আধ্যাত্মিক সঙ্কটত মোৰ আত্মা উদ্ধাৰ কৰিছে।

শ্ৰীদীনেশ্বৰ ভট্টাচাৰ্য্য
২১।১১।৮৪

DIRECTORATE OF LIBRARY SERVICES
ASSAM, GUWAHATI

আগকথা

'অসমীয়া কাব্য সাহিত্য আৰু জাতীয় জীৱনত প্ৰগতিবাদী চিন্তা' নাম দি প্ৰথম খণ্ড চতুৰ্দশ শতিকাৰ পৰা ১৯৪৭ চনলৈ আৰু ২য় খণ্ড ১৯৭০ চনলৈ সামৰি ১০১ জন কবিৰ কবিতাৰ আলোচনা ১৯৭০ চনতে লিখি শেষ কৰা হয়। ১৭৯ চনত প্ৰথম খণ্ড প্ৰকাশ কৰি সুদীৰ্ঘ বাৰ বছৰ কাল প্ৰকাশক বিচাৰি হতাশ হৈ ২য় খণ্ড প্ৰকাশ কৰা হয়। কিন্তু ২য় খণ্ডত গ্ৰন্থৰ কলেবৰ বৃদ্ধি হোৱা বাবে সকলো কবিকে সামৰি লব পৰা নহল। কৃষ্ণৰ কৃপা আৰু অসমীয়া পাঠক সমাজৰ সঁহাৰি পা'লে ৩য় খণ্ড প্ৰকাশ কৰাৰ আশা থাকিল।

গীতাৰ জ্ঞানে'ৰ আত্মাৰ ক্ষীণ জ্যোতি লাভ কৰি অসমৰ কাব্য জগতৰ কবি তথা ঋষিসকলৰ আত্মা পৰীক্ষা কৰি গীতাৰ কৰ্ম জ্ঞান ভক্তিৰ আদৰ্শৰ জ্যোতিত কাৰো আত্মা মুক্ত হোৱা দেখিছোঁ আৰু কাৰো কাৰো আত্মা তমো গুণত আবদ্ধ হৈ দেহবাদী তথা বন্ধন যুক্ত হোৱা দেখিছোঁ। সৃষ্টি আৰু সমালোচনাৰ মাজেৰে সত্যক বিচাৰিলে সত্যই ধৰা দিয়ে।

কবিসকলে জ্ঞাত সাৰে নাইবা অজ্ঞাতসাৰে আত্মাৰ মুক্তি-কেই বিচাৰি কলাৰ সাধনা কৰে। কলাৰ সাধনাই গীতাৰ মতে কৃষ্ণস্তুতি। কলা সংস্কৃতিৰ সাধনা শুদ্ধ হলে ৰাজনীতি আৰু জাতীয় জীৱন শুদ্ধ হব। গীতাৰ মুক্ত জীৱনৰ ক'লা সংস্কৃতিৰ আদৰ্শই দেহবাদী কবিৰ আত্মাক কামনাৰ পৰা আতৰাই পৰমাত্মাক চিনাব। নতুন ভাৰতীয় জীৱন গঢ়ি উঠিব। আত্মাৰ মুক্তিৰ আস্বাদ পোৱা কলাকাৰেহে জাতীয় জীৱনৰ মুক্তিৰ পথ দেখুৱাব পাৰে। সমালোচনা সাহিত্যয়ো আত্মাৰ মুক্তি আৰু জাতীয় জীৱনৰ মুক্তিৰ পথ দেখুৱাব পাৰে যদিহে দাৰ্শনিক দৃষ্টিযুক্ত সমা-লোচকৰ আত্মাই কবিৰ আত্মাক স্পষ্টভাৱে দেখা পায়। কবিৰ আত্মাই বিশ্বৰূপ দৰ্শন কৰিলে সেই আত্মাই পাঠকৰ আত্মা স্পৰ্শ

কৰি অমৃত খাই মৃত্যু বিজয়ী হোৱাৰ তৃপ্তি দিয়ে। অন্যথাই কবিৰ আত্মাই মায়ামোহত আসক্ত হৈ পাঠকৰো আত্মাক তমসাচ্ছন্ন কৰে।

এই দুয়োটা ধাৰাই স্বাধীনতাৰ পৰবৰ্তী কাব্য কবিতাত প্ৰবাহিত হৈছে। অমৃত আৰু বিহেৰে পৰিপূৰ্ণ অসমীয়া কাব্য সমুদ্ৰ গীতাৰ জ্ঞানেৰে মন্থন কৰি অমৃতৰ ৰসাস্বাদন কৰিব খোজা পাঠকৰ বাবে ৰসৰ সন্ধান দিছোঁ। বিভিন্ন আলোচনী আৰু কাব্য গ্ৰন্থৰ পৰা কবিতাসমূহ সংগ্ৰহ কৰি এই আলোচনা গ্ৰন্থ ৰচনা কৰা হৈছে।

আত্মাৰে কবিৰ আত্মাৰ ৰূপ ধ্যান কৰি যি সত্য আবিষ্কাৰ কৰিছোঁ তাত ক্যৰোবাৰ আত্মাত আঘাত কৰিব পাৰে। তাৰ বাবে ক্ষমা বিচাৰিছোঁ। মোৰ ব্যাখ্যাত যে ভুল ত্ৰুটি হৈছে এই বিষয়ে মই সজাগ। কিন্তু মুক্ত দাৰ্শনিক গণতান্ত্ৰিক চিন্তাধাৰাৰ পথ মুক্ত কৰা মোৰ লক্ষ্য। দাৰ্শনিক চিন্তা, সত্য আৰু সৌন্দৰ্য সাধনাৰ মাজেদি ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনত প্ৰেম সমন্বয় প্ৰতিষ্ঠাৰ বাবে কৰা অপ্ৰিয় উক্ত সমূহত কোনোবাই ক্ষুণ্ণ হৈ লিখনিৰ যোগেদি নাইবা আদালতৰ যোগেদি প্ৰতিকাৰ বিচাৰিলে মোৰ আপত্তি নাই।

এই গ্ৰন্থখনৰ ছপাশালৰ বাবে পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়া বাবে মৰোৱা আনন্দৰাম বৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীশশধৰ শৰ্মাৰ শলাগ লৈছোঁ। শ্ৰীনৃপেন্দ্ৰ নাথ শৰ্মাই ঋণ হিচাবে আৰ্থিক সাহায্য দিয়াৰ বাবে তেওঁৰো শলাগ লৈছোঁ।

মোৰ সহকৰ্মী শ্ৰীশশীনাথ শৰ্মা, শ্ৰীবসন্ত কুমাৰ ভট্টাচাৰ্য্য নলবাৰী মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিক শ্ৰীমহেন্দ্ৰ নাথ শৰ্মাক গ্ৰন্থখন প্ৰকাশ কৰাত প্ৰেৰণা দিয়া বাবে ধন্যবাদ দিছো। লগতে অন্যান্য সাহিত্য প্ৰেমীসকলে উৎসাহ উদ্দীপনা যোগোৱা বাবে কৃতজ্ঞতা জনাইছোঁ।

বন্ধুবৰ শ্ৰীভবেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা আৰু পত্নীয়ে সহযোগ আগবঢ়াই পুথিখন প্ৰকাশ কৰাত যথেষ্ট সহায় কৰিছে। দত্তবৰুৱা দম্পতীক শ্ৰদ্ধা জনাইছোঁ।

সদৌ শেষত কাকলি ছপাশালৰ কৰ্মীসকলে আৰু বিশেষকৈ পৰিচালকদ্বয় শ্ৰীযতীন চন্দ্ৰ চৌধুৰী আৰু শ্ৰীদীপক কুমাৰ বৰুৱাই যত্ন সহকাৰে গ্ৰন্থখন ছপাই দিয়াৰ বাবে তেওঁলোকক ধন্যবাদ জনাইছোঁ। সদৌ শেষত কাকলি ছপাশালৰ স্বত্বাধিকাৰী শ্ৰীগোপাল চন্দ্ৰ দত্তই নিষ্ঠাৰে কাম কৰি গ্ৰন্থখনৰ কাম সমাপ্ত কৰি দিয়াত তেওঁৰ ঋণ লৈছো। কিন্তু অশেষ যত্ন কৰা সত্ত্বেও ছপাৰ ভুল হৈ গৈছে। তাৰ বাবে পাঠকসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

শ্ৰীদীনেশ্বৰ ভট্টাচাৰ্য্য
২২।১১।৮৪ ইং

সূচী-পত্ৰ

		পৃষ্ঠা—
১।	অম্বিকাগিৰী ৰায়চৌধুৰী	২
২।	নলিনীবালা দেৱী	৫
৩।	নীলমণি ফুকন	৮
৪।	পদ্মধৰ চলিহা	১১
৫।	ইন্দ্ৰেশ্বৰ বৰঠাকুৰ	১৫
৬।	অতুল চন্দ্ৰ হাজৰিকা	১৭
৭।	মিত্ৰদেৱ মহন্ত	১৯
৮।	দণ্ডী নাথ কলিতা	২২
৯।	ধৰ্মেশ্বৰ ডেকা	২৪
১০।	যতীন্দ্ৰ নাথ দুৱৰা	২৬
১১।	মহেশ্বৰ নেওঁগ	২৯
১২।	নৱকান্ত বৰুৱা	৩০
১৩।	অমলেন্দু গুহ	৩৫
১৪।	মহেন্দ্ৰ বৰা	৪৬
	মহেন্দ্ৰ বৰা আৰু যতীন্দ্ৰ নাথ দুৱৰাৰ তুলনামূলক আলোচনা।	৬৯
১৫।	বীৰেন বৰকটকী	৭৩
১৬।	নীলমণি ফুকন (২)	৮২
১৭।	সিদ্ধাৰ্থ গোহাঁই	৮৭
১৮।	জমিৰুদ্দিন আহমদ	৯৬
১৯।	নিত্যা দত্ত	১০৩
২০।	মুক্তিনাথ বৰদলৈ	১১২
২১।	দিনেশ গোস্বামী	১২৪
২২।	নীলিমা দত্ত	১২৬
২৩।	নিৰ্মলপ্ৰভা বৰদলৈ	১২৮
২৪।	লক্ষহীৰা দাস	১২৯
২৫।	বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য	১৩১

২৬।	হোসেন ববগোহাঞি	১৩২
২৭।	হেম বৰুৱা	১৩৪
২৮।	চৈয়দ আব্দুল মালিক	১৫৪
২৯।	চৈইদুদ্দিন আহমদ	১৬১
৩০।	ভবানন্দ বাজখোবা	১৬১
৩১।	ভবপ্ৰসাদ বাজখোৱা	১৬২
৩২।	কেশৱ মহন্ত	১৬৪
৩৩।	প্ৰশান্ত কুমাৰ বৰুৱা	১৬৭
৩৪।	মহিম বৰা	১৬৭
৩৫।	হৰি ববকাকতি	১৭০
৩৬।	জগদীশ মেধি	১৭১
৩৭।	ভগগিৰী বায়চৌধুৰী	১৭৩
৩৮।	ৰাম গগৈ	১৭৬
৩৯।	আৰতি বৈৰাগী	১৮০
৪০।	আলিমুননিছা পিয়াৰ	১৮২
৪১।	কেশদা মহন্ত	১৮৩
৪২।	বিউটি মহন্ত	১৮৫
৪৩।	লক্ষ বুঢ়াগোহাঁই	১৮৭
৪৪।	দিলীপ বৰুৱা	১৮৯
৪৫।	পৰেশ মল্লবৰুৱা	১৯৪
	'কুৰি শতিকাৰ ছোভিয়েট কবিতা।'	১৯৮
৪৬।	শুচিব্ৰতা ৰায়চৌধুৰী	২০৩
৪৭।	মামণি গোস্বামী	২০৫
৪৮।	মায়াশ্ৰী ববকটকী	২০৬
৪৯।	গুণাভিৰাম চৌধাৰী	২০৭
৫০।	নলিনীধৰ ভট্টাচাৰ্য্য	২৪০
৫১।	হীৰেণ ভট্টাচাৰ্য্য	২৪৬
৫২।	ভিম্বেশ্বৰ নেওগ	২৪৮

অসমীয়া কাব্য-সাহিত্য আৰু জাতীয় জীৱনত প্ৰগতিবাদী চিন্তা।

(স্বাধীনোত্তৰ যুগ)

১৯৪৭—৭০

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে বৃটিছৰ অধীনৰ পৰা মুক্ত হোৱাৰ লগে লগে ভাৰতীয় জাতীয় জীৱনলৈ তথা অসমৰ জাতীয় জীৱনলৈ যি ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিৱৰ্ত্তন আহিল; আৰু সেই পৰিৱৰ্ত্তন অসমৰ কাব্য সাহিত্যৰ মাজেদি কিদৰে বিকাশ প্ৰাপ্ত হৈ জাতীয় জীৱন প্ৰগতিৰ পথত আগবঢ়াই নিছে, তাৰ বিচাৰৰ ওপৰতেই স্বাধীনোত্তৰ কাব্য সাহিত্যৰ স্বৰূপ নিৰ্ণয় হব।

চতুৰ্দ্দশ শতিকাত অসমৰ ৰাজতন্ত্ৰৰ দিনত বৰাহী ৰজাৰ নিৰ্দেশত 'সৰ্ব্বজন বোধে' কাব্য ৰচনা কৰা, অসমৰ 'অপ্ৰমাদী' কবি মাধৱ কন্দলিয়ে জন-জীৱনৰ বিভিন্ন দিশত গভীৰ ভাৱে প্ৰবেশ কৰি, যি আধ্যাত্মিক জাগৰণৰ সূচনা কৰিলে; সেই পথ অনুসৰণ কৰি পৰৱৰ্ত্তী বৈষ্ণৱ যুগ আগবাঢ়িল। সেইদৰে আহোম যুগ আৰু অৰুণোদয় যুগত প্ৰায় ছিন্ন হোৱা জন সংযোগ বেজ-বৰুৱাৰ যুগে প্ৰতিষ্ঠা কৰি সৰ্ব্বভাৰতীয় জাতীয়তাবাদী আন্দোলন সাৰ্থক কৰাৰ ফলস্বৰূপেই দেশে স্বাধীনতা লাভ কৰিলে।

সাম্প্ৰতিক যুগত কবি সকলে গণতান্ত্ৰিক চিন্তাধাৰা আৰু জনগণৰ সাংস্কৃতিক জীৱন প্ৰগতিবাদী কৰি গঢ় দিয়াৰ বাবে কেনেদৰে যত্নপৰ হৈছে; আৰু দাৰ্শনিক চিন্তাধাৰাই এই যুগৰ কবিসকলক কেনেদৰে পৰম্পৰা ৰক্ষা কৰি নতুন আদৰ্শৰ যোগেদি জাতীয় জীৱন প্ৰবাহিত কৰাত অনুপ্ৰাণিত কৰিছে বিচাৰ্য্য।

সাধাৰণতে এই কালছোৱাৰ কাব্য-কবিতাৰ ধাৰা দুটা, এটা ৰোমাণ্টিক যুগৰ চিন্তাধাৰাৰ প্ৰবাহ আৰু আনটো পূৰ্ব্বৰ ৰীতি-নীতিৰ পৰা মুক্ত হৈ নতুন সৃষ্টিৰ প্ৰয়াস।

সাহিত্যত সকলো যুগতে ন পুৰণিৰ আদৰ্শৰ সংঘাত থাকে, এই সংঘাতৰ মাজেদি জাতীয় জীৱনে গতি কৰোঁতে তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই কেনেদৰে সমাজ জীৱন আৰু ব্যক্তি জীৱন গতিশীল কৰি তোলে আৰু কোন বিধ শিল্পৰীতিয়ে গণতান্ত্ৰিক চিন্তাধাৰা তথা সৰ্ব্বজনৰ হিত-সাধন কৰে তাৰ দ্বাৰাই কাব্যৰীতিৰ মূল্য নিৰ্ণয় হব।

অসমীয়া কাব্য সাহিত্যৰ অপ্ৰমাদী কবিয়ে ৰামায়ণ ৰচনা কৰোঁতেই কৈ গৈছে যে দৈৱবাণী নোহেইটো' 'লৌকিক'হে কথা 'কবিসৰে নিৰক্ষৰ লোক ব্যৱহাৰে।' ধৰ্মগ্ৰন্থৰ প্ৰতি যোতয়া এই মন্তব্য; তেনেস্থলত অন্য কাব্যত কি? এইযাৰ কথা চতুৰ্দশ শতিকাত কোৱা হলেও, সৰ্ব্বকালৰ বাবে সত্য। ডক্তৰ মহেশ্বৰ নেওগ কৈছে "কন্দলি সৰস্বতীৰ পৰা বিংশৰ অপৰাহ্নৰ কবিতালৈকে বহুত দূৰৰ চিঞৰ।"

মানৱ সভ্যতাই প্ৰগতিৰ পথত গতি কৰোঁতে বহুদূৰ অতীতৰ চিঞৰৰ ধ্বনি শুনিয়েই ভৱিষ্যতৰ ফালে আগবাঢ়িছে। আজিৰ পৃথিৱীত মানুহে সত্য অন্বেষণৰ কাৰণে ব্ৰহ্মাণ্ডৰ বুকুত সৰ্ব্বত্ৰ বিচৰণ কৰিছে; পৰ্ব্বতৰ গুহাত নৰ-কঙ্কাল বিচাৰি ন-তত্ত্ব অধ্যয়ন কৰিছে। কিন্তু ছশ বছৰ পূৰ্ব্বে কবিৰাজ কন্দলিয়ে কোৱা কথা ডক্তৰ নেওগৰ বাবে বহু 'দূৰৰ চিঞৰ'। লোক জীৱনৰ বিভিন্ন দিশ অধ্যয়নৰ বাবে কন্দলিয়ে যি উক্তি কৰিছে সেই উক্তি প্ৰকৃততে সৰ্ব্ব-হাৰাৰ চৰিত্ৰ অধ্যয়নৰ উক্তি।

অম্বিকাগিৰী ৰায়চৌধুৰী

পুৰুষসিংহ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে স্বাধীনোত্তৰ কালত 'অনুভূতি' কাব্যত যি কেইটা কবিতা ৰচনা কৰিছে; তাৰ মাজেদি কবিৰ ভাৱৰাজি বিশ্লেষণ কৰিলে, শিল্পীৰ হৃদয় দ্বিধা বিভক্ত হৈ অন্তৰ্মুখী হোৱা দেখা যায়।

পৰাধীন কালত ৰচিত 'বেদনা বিজয়' (১৯৩২), 'জাগ ঢেকা তেজ জাগ' (১৯৪০) কবিতাত যি সিংহৰ নিনাদ ধ্বনিত হৈছিল, স্বাধীনোত্তৰ কালত ৰচিত 'অনুভূতি'ৰ 'জাগ বেথা মোৰ জাগ' (১৯৪৮) কবিতাৰ পৰা আৰম্ভ কৰি 'নিকাৰ নতুন সৃষ্টি গৰ্জক"

(১৯৫৫) কবিতালৈ সিংহৰ নিনাদত এটা গভীৰ বেদনাৰ ধ্বনি বাজিছে। এই বেদনাৰ ধ্বনিয়ে শেহত 'বেদনাৰ উল্কা' ৰূপ লৈ প্ৰকাশ পাইছে (১৯৬৪)।

এই বিপ্লৱী কবি গৰাকীৰ মনলৈ যে এটা বেদনাৰ ভাব আহিল; ইয়াৰ মূলত ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনৰ অধঃপতিত অৱস্থা। নতুন সমাজ ব্যৱস্থাৰ সপোন ৰচি; মুক্তি সংগ্ৰামত জীৱনৰ সম্বল সঁপি দি; সপোনৰ সমাজখন বাস্তৱত নেদেখি শিল্পীয়ে ক্ষোভ আৰু হতাশাত কিছু পৰিমাণে নিৰাশ হল। সেয়ে স্বাধীনতাৰ দিৱসটো মনৰ বেদনা দূৰ কৰিব পৰা নাই।

এই নৈৰাশ্যই মনত সাময়িক বিষাদ আনিলেও; পুনঃ বিপ্লৱী কবিয়ে তাণ্ডৱ-নৃত্যৰ যোগেদি ৰাষ্ট্ৰীয় জীৱন নিকা কৰাৰ চেষ্টা কৰিলে। কিন্তু বাৰ্দ্ধক্য পীড়িত কবিয়ে বুকুত যৌৱনৰ শক্তি সঞ্চয় কৰাৰ চেষ্টা কৰি কৰ্মক্ষেত্ৰত অগ্ৰসৰ হোৱা কল্পনা কৰিলেও সমাজত কোনো সহাঁৰি নাপাই নিঃসঙ্গ অনুভৱ কৰিলে।

স্বাধীনোত্তৰ কালৰ সমাজখনত জীৱনৰ পথত অগ্ৰসৰ হবলৈ কোনো সহযোগী নাপাই হৃদয় দগ্ধ কৰা বেদনাৰ যোগেদি সৃষ্টিৰ কালিমা দূৰ কৰাৰ চেষ্টা কৰিলে। সেয়ে কবিয়ে কৈছে—

'জাগ তেনেহলে জাগ ব্যথা মোৰ
আকাশ পাতাল বুৰাই জাগ
উটাই জড়তা, ক্লেদ, টানি তোল
নৱ-সৃষ্টিৰ অমল ভাগ।"

সাম্প্ৰতিক কালত সামাজিক জীৱন ৰুগ্ন হোৱাৰ মূলতে হৈছে শিল্প কলাৰ ক্লেদী ৰূপ। ৰাষ্ট্ৰীয় জীৱনৰ অৱনতিৰ লগে লগে শিল্পকলাৰ মানদণ্ড নিম্নগামী হোৱা বাবে কবিয়ে কৈছে—

'শিল্পীয়ে যদি ক্লেদী চিত্তেৰে
কলা সৃষ্টিত ধৰে,
ক্লেদৰ গ্লানিত শিল্পীৰ সংগে
কলাৰো জীৱন মৰে।"

—মোৰেই হব জয়—

শক্তিৰ আৰাধনাৰ মাজেদি পৰম পুৰুষৰ দৰ্শন লাভ কৰা শিল্পীয়ে গভীৰ আত্ম-বিশ্বাসেৰে কৈছে—

'সুন্দৰৰেই সৃষ্টিত এনে
কলুষৰ উৎপাত
সুন্দৰে নিজ ইঙ্গিতেৰেই
কৰিব নিপাত ।"

ধ্যানী কবিয়ে ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনত তথা বিশ্বত সত্য-অসত্য, পাপ-পুণ্য, হিংসা - অহিংসাৰ প্ৰতি মানৱ বিচাৰহীন হোৱাত আক্ষেপ কৰিলেও হৃদয়ৰ পবিত্ৰ শান্তি হেৰোৱা নাই। বৰং জগতৰ এই পৰিবৰ্তনৰ মাজেদি শিল্পীয়ে কেৱল স্ৰষ্টাৰ 'ৰহস্য ধাৰ' দেখিছে।

সেয়ে আত্মানন্দত অধীৰ হৈ 'মোৰ আনন্দময় অভিষেক' কবিতাত জীৱন্মুক্ত কবিয়ে এই পৃথিৱীতে বৈকুণ্ঠৰ অধিপতি ৰূপে আনন্দৰ মুকুট পিন্ধিছে। ৰায় চৌধুৰীৰ হৃদয়ত এই আত্মানন্দই এনেদৰে প্ৰবাহিত হৈ আছে যে, জীৱনৰ শত সহস্ৰ বাধা-বিঘিনি এই প্ৰবাহে উটাই লৈ গৈছে।

নাৰীৰ ৰূপৰ যোগেদি শান্ত সমাহিত ভাবে গাৰ্হস্থ্য জীৱনক কেন্দ্ৰ কৰি 'তুমি' কাব্যত যি অন্তজ্যোতি লাভ হল; সেই জ্যোতিয়েই কবিক এনেদৰে 'বীতৰাগ ভয়ক্ৰোধ' কৰি তুলিলে যে জীৱনৰ শেষ ভাগত কবিয়ে দৃঢ়চিত্তে কৈছে—"যা- যা সকলো শুচি যা।" জীৱনৰ সৰৱ ত্যাগী শিল্পীয়ে জ্ঞান বৈৰাগ্যৰ বলত কৈছে—

"এৰি দে শুচি যা আপচু, চোকোৰা জাবৰ বোজা অন্তৰায়,
মই মোক লৈ মোৰ মন আজি অজানা বিচাৰি উধাই যায়।"

এই অজানাক বিচাৰি পোৱাই সকলো শিল্প সাধনাৰ লক্ষ্য।

ৰায়চৌধুৰীয়ে ব্যক্তিগত জীৱনত ত্যাগৰ মাজেদি আনন্দ উপভোগ কৰিলেও; অসমীয়া জাতীয় জীৱনৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰূপ শক্তিশালী হৈ 'মই আছোঁ মই আছোঁ' কৈ জাতীয় শক্তিৰ প্ৰকাশ হোৱা কামনা কৰে।

স্বাধীনোত্তৰ কালত ৰায়চৌধুৰীয়ে কাব্যৰ মাজেদি ব্যক্তি আৰু ৰাষ্ট্ৰৰ জীৱনৰ বিভিন্ন সমস্যা অৱতাৰণা কৰি সমাধানৰো পথ দেখুৱাইছে। ৰায়চৌধুৰীৰ ধ্যান ধাৰণাই ইয়াকে বুজায় যে, ভগৱৎ আৰাধনা আৰু সৰ্ব্বহাৰাৰ উন্নতিৰ চিন্তা পৰস্পৰ বিৰোধী নহয়।

জাতীয়ে প্ৰগতিৰ পথত অগ্ৰসৰ হব লাগিলে, কবি শিল্পীয়ে সামাজিক সমস্যাবোৰৰ সম্যক ৰূপ নিৰীক্ষণ কৰি ব্যক্তি আৰু সমাজক কৰ্মক্ষেত্ৰত অগ্ৰসৰ হবলৈ অনুপ্ৰাণিত কৰিব লাগিব। ইয়াৰ বাবে শিল্পীৰ মানসিক পৰিপুষ্টি আৰু জীৱন স্পৃহা প্ৰয়োজন। এই জীৱন স্পৃহা আৰু সম্প্ৰেৰণা ৰায়চৌধুৰীৰ কাব্যত অবিৰল ধাৰে বৈ আছে।

ৰায়চৌধুৰীয়ে 'তুমি' কাব্যত আত্মদৰ্শন কৰি 'অনুভূতি' আৰু 'বেদনাৰ উল্কা' কাব্যত আত্মাৰ বহুমুখী প্ৰসাৰ সাধন কৰিছে। অসমীয়া সাহিত্যৰ ৰোমাণ্টিক কাব্যৰ ধাৰা গণতান্ত্ৰিক যুগলৈ প্ৰবাহিত কৰি; ৰায়চৌধুৰীয়ে চিত্তৰ স্ফুৰণ বিহীন শিল্প সাধনাক বৰ্টুক্তি কৰি; শুদ্ধ সত্ত্ব শিল্পৰ প্ৰসাৰৰ আহ্বান জনাইছে।

নলিনী বালা দেৱী

বেজবৰুৱাৰ যুগ তথা ৰোমাণ্টিক যুগৰ চিন্তাধাৰা স্বাধীনোত্তৰ যুগলৈ প্ৰবাহিত কৰা কবিসকলৰ ভিতৰত নলিনীবালা দেৱীও অন্যতম। নলিনীবালা দেৱীয়ে গণতান্ত্ৰিক যুগত 'পৰশমণি' (১৯৫৪) 'যুগদেৱতা' আৰু 'অলকানন্দা' (১৯৬৭) নামেৰে তিনিখন কাব্য প্ৰকাশ কৰে।

পৰাধীন ভাৰতত ৰচনা কৰা 'সন্ধিয়াৰ সুৰ' 'সপোনৰ সুৰ' নামৰ কাব্য দুখনত বিকশিত ভাৱৰাজি আৰু অভিজ্ঞতা সমূহৰ মাজেদি কবিৰ অন্তৰাত্মাৰ স্বৰূপ বিচাৰ কৰি; স্বাধীন ভাৰতত ৰচিত কাব্যসমূহৰ ভাৱৰাজিত প্ৰৱেশ কৰিলে, কবিৰ যি ঐক্য-বদ্ধ দৃষ্টিভঙ্গী, সৌন্দৰ্য্যস্পৃহা আৰু তত্ত্বজ্ঞান দেখা যায়; তাৰ মাজেদি বৈদিক ঋষিৰ আত্মা প্ৰকাশ পোৱা বুলি বিবেচিত হয়।

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে স্বাধীন ভাৰতত নৈৰাশ্য আৰু ক্ৰোধৰ ভাৱত আক্ৰান্ত হৈছে; কিন্তু নলিনী বালা দেৱীয়ে স্বাধীন ভাৰতত নৈৰাশ্য উপলব্ধি কৰা নাই। বৰং স্বাধীনতা লাভৰ আনন্দ

প্ৰকাশ কৰি নলিনী বালা দেৱীয়ে 'স্বাধীনতা' কবিতাত কৈছে—

"নকৰিবা খেদ
সাধনা নহয় ব্যৰ্থ
ৰচিব লাগিব তীৰ্থ
সাজিম মিলন দ'ল
পাহৰি বিভেদ।"

ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনত গ্লানিবোৰ দেখি অম্বিকা-গিৰীৰ যিদৰে ক্ষোভ প্ৰকাশ কৰিছে, নলিনী বালা দেৱীয়ে সেইদৰে ক্ষোভ প্ৰকাশ কৰা নাই। নলিনী বালা দেৱীয়ে অন্যপ্ৰ কৈছে—

"অমৃত জননী ঢাকি দিলে
পশ্চিমৰ পৰীয়া ধূলিয়ে
ভাৰতৰ প্ৰকৃত স্বৰূপ।"

ইয়াতেই পুৰুষ কবিৰ বজ্ৰসদৃশ প্ৰলয়ঙ্কৰী তাণ্ডৱ নৃত্য আৰু নাৰীৰ মাতৃ হৃদয়ৰ সৰল তিৰস্কাৰ যুক্ত আশ্বাস বাণীৰ প্ৰভেদ।

তদুপৰি, অম্বিকাগিৰী সক্ৰিয় ৰাজনীতিত জড়িত, নলিনী বালা দেৱী কলাৰ উপাসিকা। সেয়ে ৰাজনৈতিক কলাকাৰ আৰু ৰাজনীতিৰ পৰা আঁতৰি শিল্পসাধনা কৰা কলাকাৰৰ দৃষ্টিভঙ্গী প্ৰভেদ হোৱা স্বাভাৱিক।

নলিনী বালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' কাব্যৰ 'জন্মভূমি' কবিতাত প্ৰকাশ পোৱা মনৰ আশা—

'হিমালয় পৰ্বতৰ
শুকুলা টিঙত গৈ
ফুলি ৰম মানসী বিলত।'

সাৰ্থক হৈছে, হিমালয় পৰ্বতৰ শুকুলা টিঙ সমূহৰ মাজে মাজে বৈ থকা 'অলকানন্দা'ৰ পুণ্যসলিল বাগিত। স্বামী-পুত্ৰক হেৰুৱাই ব্যথিত হোৱা কবিৰ হৃদয়ে 'সমাধি'ৰ যোগেদি আত্ম সাক্ষাৎকাৰ হৈ 'অলকানন্দা'ৰ পুণ্যসলিল বাগিৰ মাজৰ পৰা সমাধি ভঙ্গ কৰি বাস্তৱ জগতলৈ আহি যিদৰে বাস্তৱৰ সন্মুখীন হ'ল তাৰ দ্বাৰাই কবিক এখন ভিন্ন জগতত প্ৰৱেশ কৰা বুলি কব লাগিব।

নলিনী বালা দেৱীয়ে পৰশমনিৰ সন্ধানত ব্ৰতী হৈ থাকোঁতে কৈছে-"মানুহৰ আত্মাৰ শক্তি অৱলম্বন কৰিবলৈ তপস্যা শক্তিয়ে মানুহৰ দুৱাৰত ভিখাৰীৰ দৰে দিনে শতবাৰ আহি প্ৰকাশৰ পথ বিচাৰি উলটি যায়।' সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্যৰ তপস্যা শক্তিৰ দৈন্যৰ যুগত নলিনীবালা দেৱীৰ উক্তি বিশেষ গুৰুত্বপূৰ্ণ।

সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্যত ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ বিকাশ আৰু দৰ্শন বিজ্ঞান শিল্পকলাৰ অপূৰ্ব্ব সমন্বয় সাধন ৰূপে প্ৰগতিৰ প্ৰতীক হিচাবে প্ৰকাশ পাইছে 'অলকানন্দা'। সঁচাকৈয়ে তপস্যা শক্তিৰ ৰশ্মিৰাশি এনেদৰে অলকানন্দা'ত বিকশিত হৈছে যে পূৰ্বৰ কাব্য সমূহত প্ৰকাশ নোপোৱা বিভিন্ন শিল্প কৌশল, আৰু বিশাল সৃষ্টিৰ প্ৰেৰণাই কবিক যি সাহস যোগাইছে, তাৰ দৃঢ়তাৰ প্ৰৰূপ 'মই ভাৰতৰ নাৰী' কবিতা।

নলিনীকাব্যই কিন্তু গতানুগতিকতাৰ দোষৰ পৰা মুক্ত হব পৰা নাই। কবিৰ চিন্তাধাৰাৰ আৰু অভিজ্ঞতাৰ বিস্তৃতিৰ লগে লগে শক্তি সঞ্চিত হ'লেও; একেটা বিষয়ে পুনঃ পুনঃ নলিনী কাব্যত ৰূপ পাইছে।

সাম্প্ৰতিক কালত বৈদিক সংস্কৃতিৰ তথা কৰ্ম্মকাণ্ড আৰু জ্ঞানকাণ্ডৰ প্ৰতি সামাজিক অৱজ্ঞা দেখি নলিনীবালা দেৱীয়ে 'মহাবাহ্নি মহাশয়া' কবিতা ৰচনা কৰি পৰলোকৰ বাতৰি আধুনিক কাব্য সাহিত্যলৈ আনিছে।

সেইদৰে নলিনীবালা দেৱীৰ মুক্ত আত্মাই 'এটি দীঘলীয়া বাতি' কবিতাত লোকালোকত বিচৰণ কৰি পুনঃ ধূলিৰ ধৰণীকে সাৱটি লৈছে 'সন্ধিয়াৰ সুৰ'ৰ 'জনমভূমি' কবিতাৰ ভাব—

> "মৰাৰ পিছতো যেন
>   পাওঁহি আকৌ ঠাই
>   চেনেহৰ শীতলী কোলাত।"

'এটি দীঘলীয়া বাতি' কবিতাতো প্ৰকাশ পাইছে।

সাম্প্ৰতিক কালৰ ৰাজনীতিয়ে, তথা ৰাষ্ট্ৰীয় জীৱনৰ দুৰ্যোগে জাতীয় জীৱন অন্ধকাৰ কৰি ব্যক্তি তথা সমাজক সংশয়াপন্ন কৰি

তোলা অবস্থাত নলিনীবালা দেবীৰ 'অলকানন্দা'ৰ তৰঙ্গমালাৰ যোগেদি প্ৰবাহিত গভীৰ জীৱনবোধে আৰু সৌন্দৰ্য স্পৃহাই নিশ্চয় জাতিৰ কৰ্মজ্ঞান ভক্তিৰ আদৰ্শ দাঙি ধৰি প্ৰগতিৰ প্ৰতীক ৰূপে জিলিকি থাকিব।

নলিনীবালা দেবীৰ চিন্তাধাৰাত 'সংশয়' ৰ স্থান নাই, আনকি অম্বিকাগিৰি ৰায়চৌধুৰীয়েও মাজে মাজে সন্দিহান হৈ 'সংশয়' কবিতাত এই ব্যগ্ৰতা প্ৰকাশ কৰিছে। সাম্প্ৰতিক যুগৰ সংশয়-বাদী ভাবে নলিনীবালা দেবীক স্পৰ্শ নকৰা বাবে মহিলা কবিয়ে হৃদয়ত পৰমানন্দ উপলব্ধি কৰি প্ৰেৰণাৰ স্ৰষ্টা হৈছে। ব্যক্তি আৰু সমাজৰ মনৰ পৰা সংশয় দূৰ কৰাই কলাকাৰৰ উদ্দেশ্য। স্বাধী-নোত্তৰ কালৰ সমাজখনক ৰায়চৌধুৰীৰ 'বেদনাৰ উল্কা'ৰ জুয়ে এফালে দাহন কৰি শোধন কৰিছে, আনফালে নলিনীবালা দেবীৰ কাব্যই অগ্নিদগ্ধ সমাজখনক শান্তিৰ বাণী শুনাইছে।

নীলমণি ফুকন—

বাগ্মীবৰ নীলমণি ফুকনৰ 'জ্যোতিকণা'ৰ (১৯৩৮) জ্যোতিয়ে আৰু 'মানসী' ৰ (১৯৪২) ৰূপে স্বাধীনতাৰ পূৰ্ব্বকালত প্ৰকাশ লাভ কৰা কালৰ পৰা, সাম্প্ৰতিক যুগত প্ৰকাশিত গুটি মালি' জিৰিজিৰি' 'সন্ধানী' শতধাৰা' (১৯৬২) আদি কাব্যসমূহৰ মাজেদি প্ৰকাশ পোৱা চিন্তাধাৰা বিশ্লেষণ কৰি ৰাজনৈতিক আন্দোলনৰ লগত জড়িত কলাকাৰ জনৰ প্ৰগতিবাদী ভাবধাৰাৰ স্বৰূপ নিৰ্ণয় কৰা প্ৰয়োজন।

'জ্যোতিকণা'ৰ ১০৮ টা কবিতাৰ মাজেদি প্ৰকাশ পোৱা কবি মানসৰ আদি স্তৰ আৰু 'শতধাৰা ৰ এশ কবিতাৰ মাজেদি প্ৰকাশ পোৱা শেষ স্তৰ বিচাৰ কৰিলে ফুকনৰ কাব্য জগতৰ দাৰ্শনিক চিন্তাৰ মূল্যাঙ্কণ কৰা হব। তদুপৰি ৰোমাণ্টিক যুগৰ চিন্তাধাৰা প্ৰবাহিত কৰা অন্যান্য কলাকাৰ সকলৰ দৃষ্টিভঙ্গীৰ লগতো ফুকনৰ চিন্তাধাৰাৰ তুলনা প্ৰয়োজন।

ভাৰতৰ স্বাধীনতা আন্দোলনে কোবোৱা সমাজখনত কবিৰ মন গভীৰ ভাবে অশান্ত হৈ পৰাত হৃদয়ৰ অন্ধকাৰ দূৰ কৰিবৰ বাবে

অশ্বৰ জ্যোতিয়ে কবিৰ হৃদয়ত ধৰা দিলে । সেয়ে ফুকনে কৈছে 'জ্যোতি নিজে স্বপ্রকাশ । মৰ আঁউসীৰ আন্ধাৰেও তাক একেবাৰে ঢাকি পেলাব নোৱাৰে ।" ফুকনে কৈছে মনৰ অশান্ত অৱস্থাত লিখা 'কঁবুলী' নামৰ কবিতাই প্ৰথম জ্যোতিৰ পথ মুকলি কৰে । শিল্পী ফুকনে জ্যোতিৰ ৰশ্মিমালাৰ পোহৰত আত্মাহাৰা হৈছে ।

কিন্তু 'শতধাৰা' কাব্যৰ ভাবৰাজিৰ আধ্যাত্মিক স্তৰৰ কবিতা সমূহৰ প্ৰকাশ সম্বন্ধে কবিৰ পূৰ্বৰ সজাগতা নাই; অৰ্থাৎ কবিত্ব শক্তি লাভৰ যি বিৰাট আনন্দই শিল্পীৰ মন প্ৰাণ আন্দোলিত কৰিছিল, তেনে আনন্দই জীৱনৰ শেষ স্তৰত ক্ৰিয়া কৰা নাই । সেয়ে 'জ্যোতি কণা'ৰ কবিমানস আৰু 'শতধাৰা'ৰ কবিমানসৰ প্ৰভেদ আছে । তথাপি স্তিমিত অৱস্থাত যিটি জ্যোতিয়ে স্বাধীনোত্তৰ কালৰ অন্ধকাৰে পৰিপূৰ্ণ সমাজখনত প্ৰকাশ লাভ কৰিছে সেয়ে বৈদিক ঋষিৰ সাধনা লব্ধ তত্ত্বৰাজিক প্ৰবাহিত কৰি ৰাখিছে ।

সেয়ে, শুদ্ধ সত্ত্ব কলাৰ সাধনাৰ সোঁতে প্ৰবীণ কবি সকলৰ হৃদয়ৰ যোগেদি প্ৰবাহিত হৈ; জ্যোতিৰ পৰশ লাভ নকৰি কলাৰ সাধনাত ব্ৰতী হোৱা কলাকাৰ সকলৰ আদৰ্শৰ লগত এখন সংগ্ৰাম ৰচনা কৰিছে । এই সংগ্ৰামেই সমসাময়িক জীৱনৰ ৰূপ সৃষ্টি কৰিছে ।

প্ৰাক স্বাধীনতাৰ যুগত যি স্বাধীনতা স্পৃহাই ফুকনৰ কাব্য জগত আলোড়িত কৰিছে সেই আলোড়ন সাম্প্ৰতিক কালৰ কাব্যত নাই । ইয়াৰ কাৰণ এই যে যেতিয়া সমাজত এটা শক্তিশালী জাগৰণ হয়, সেই জাগৰণে শিল্পীৰ প্ৰতিভাৰ দিগন্ত বিস্তৃত আৰু গভীৰ কৰে । পৰিবেশে শিল্পীৰ চিন্তাধাৰাৰো পৰিৱৰ্তন সাধন কৰে ।

সেয়ে অম্বিকাগিৰীৰ দৰে ফুকনে সমসাময়িক ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনৰ প্ৰতি বিক্ষোভ প্ৰদৰ্শন নকৰিলেও; এটা বিষাদ ভাবে ফুকনৰ 'শতধাৰা'ৰ ভাব মণ্ডল আচ্ছন্ন কৰিছে । বিশেষকৈ এই বিক্ষোভৰ মনোভাব প্ৰকাশ পাইছে 'শান্ত হৃদয়ত' কবিতাত। সামাজিক জীৱনত হিংসা দ্বেষৰ প্ৰবল গতি দেখি কবিয়ে প্ৰাকৃতিক জগত আৰু মানৱ জগতৰ বিসদৃশ ৰূপ দেখি স্তম্ভিত হৈছে । বৈকুণ্ঠৰ শান্তি উপভোগ কৰি পৃথিৱী দেৱতাৰ কাম্য ভূমি কৰি

তুলিব পৰা শক্তি মানৱ হৃদয়ত থকা সত্বেও মানুহে কিয় অশান্তি ভোগ কৰে কবিয়ে বুজা নাই।

প্ৰাক-স্বাধীনতা যুগৰ কাব্যত এই মানসিক সংঘাত ফুকনৰ কাব্যত নাই। সমাজ জীৱনৰ উলাহ আনন্দ ত্যাগৰ মনোভাবৰ আদৰ্শৰ উজ্বলতাই পূবৰ কাব্যজগত আলোকিত কৰিছে। সম-সামঘিক কৰি নলিনী বালা দেৱীৰ দৰে সাম্প্ৰতিক কালত ফুকনে আত্মতৃপ্তি লাভ কৰা নাই।

ফুক'ন 'তপস্বিনী বেশে' কবিতাত পতিতা নাৰীক সমাজৰ অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ আহ্বান জনাইছে; একে সময়তে নলিনীবালা দেৱীয়ে 'নাৰী তুমি সৃষ্টি স্থিতি প্ৰলয় কাৰিণী' বুলি নাৰীক কৰ্তব্যৰ বিষয়ে সজাগ কৰি, 'মই ভাৰতৰ নাৰী' কবিতাত 'ভাৰতৰ মনীষা মই যুগে যুগে অনিৰ্বাপিতা' বুলি নাৰীক প্ৰতি-নিধিত্ব কৰি প্ৰগতিৰ পথ দেখুৱাইছে। মুঠতে দেখা যায় প্ৰবীণ কলাকাৰ সকলে যুটীয়া ভাৱে ক্ষয়িষ্ণু জীৱনৰ বিৰুদ্ধে ৰণত নামিছে।

ফুকনে প্ৰাক স্বাধীনতাৰ যুগৰ ধৰ্মতত্ত্ব তথা ভাৰতীয় সংস্কৃতিৰ ৰূপ অঙ্কণ কৰাৰ দৰে, 'শতধাৰাৰ মাজেদিও ভাৰতীয় সংস্কৃতিৰ লগত বিশ্ব সংস্কৃতিৰ মিলন স্থাপন কৰিছে। ফুকনৰ অধ্যাত্ম-বাদী দৃষ্টিত বৈদিক সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ পালেও মুছলমান খৃষ্টান ধৰ্মৰ প্ৰতিও সমানে উদাৰতা প্ৰকাশ পাইছে।

সাম্প্ৰতিক কালৰ নৱীন কবি সকলৰ নতুন কবিতাৰ বিষয়-বস্তু তথা জৈৱিক শক্তি আৰু বিজ্ঞানৰ কাৰিকৰী বিদ্যাৰ আবিষ্কাৰ সমূহৰ প্ৰতিও ফুকনৰ সজাগতা আছে কিন্তু ফুকনে জৈৱিক শক্তি আৰু বস্তুবাদী বিজ্ঞানৰ জ্ঞানৰাজিক অধ্যাত্মবাদী দৃষ্টিৰে গ্ৰহণ কৰি নতুন কবিতাৰ পথ মুক্ত কৰিছে। তাত্বিক জ্ঞানৰ মাজেদিহে বস্তুবাদী সভ্যতা ফুকনে বিচাৰ কৰিছে।

সত্য' সন্ধানী কবিয়ে বিজ্ঞানৰ জয় যাত্ৰা মানি লৈছে। কিন্তু বিজ্ঞানে সত্য অনুসন্ধানত ব্ৰতী হোৱা কালত সমাজে হিংসাৰ মাজেদি সত্যক আত্মস্থ কৰি অসত্যক গ্ৰহণ কৰা বাবে যুগৰ সভ্যতা সংঘাতৰ সন্মুখীন হৈছে। সেয়ে শিল্পী ফুকনে অসম

ভাৰত তথা বিশ্ব মানৱৰ সন্মুখত দেখা দিয়া সমস্যা সমূহৰ বিৰুদ্ধে থিয় দিছে।

ফুকনে 'গুটিমালি'ৰ ৰূপ সাধনাৰ দ্বাৰা গাঁৱলীয়া জীৱনৰ সৰলতাৰ মাজত প্ৰবেশ কৰি, গ্ৰাম্য জীৱন তথা অৱহেলিত জীৱনৰ ৰহস্য আৰু সৰলতাৰ আদৰ্শ দাঙি ধৰি, সৰলতা আৰু জটিলতাৰ সংঘাতো প্ৰকট কৰিছে।

ৰায়চৌধুৰীৰ 'বেদনাৰ উল্কা'ৰ জুঁয় ফুকনৰ কাব্য জগতত প্ৰবেশ নকৰিলেও সমসাময়িক ৰাজনীতি, সমাজনীতিৰ দুৰ্নীতি আৰু বস্তুবাদী সভ্যতা আৰু কালিমা যুক্ত কলাৰ পূজাৰী সকলৰ বিৰুদ্ধে ফুকনৰ ৰণে ৰায়চৌধুৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাইছে।

সেয়ে সমসাময়িক সমাজৰ প্ৰতি অধিক মনোযোগ প্ৰয়োগ কৰা হেতুকে সমাধি লব্ধ জ্ঞানৰ আনন্দৰ জ্যোতি ম্লান হৈ 'শতধাৰা'ৰ মাজেদি প্ৰকাশ পাইছে। 'জ্যোতিকণা'ৰ জ্যোতি শতধা বিভক্ত হৈ শিল্পীৰ প্ৰাণৰ গভীৰতা কিছু হ্ৰাস কৰিলেও; শতধা বিভক্ত জ্যোতিয়ে মানৱ জীৱনৰ সৰ্বদিশত প্ৰসাৰ হৈছে।

পদ্মধৰ চলিহা

বজবৰুৱাৰ যুগ তথা ৰোমাণ্টিক যুগৰ প্ৰগতিবাদী চিন্তাধাৰা সাম্প্ৰতিক যুগলৈ প্ৰবাহিত কৰা কাব্যকাৰ সকলৰ অন্যতম পদ্মধৰ চলিহাৰ 'ফুলনি' (১৯১৫) কাব্য আৰু 'পদুমণি' (১৯৬৫) কাব্যৰ মাজেদি জাতীয় চৈতন্য কেনেদৰে প্ৰকাশ পাইছে বিচাৰ্য। এই সুদীৰ্ঘ আঠৈ কুৰি বছৰৰ ব্যৱধানত শিল্পীৰ ভাব জগতৰ পৰিবৰ্তন মন কৰিবলগীয়া।

'পদুমণি' কাব্যৰ কবিতা সমূহৰ দুটা ভাগ; প্ৰথমটো প্ৰাক স্বাধীনতা যুগৰ আৰু দ্বিতীয়টো স্বাধীনোত্তৰ যুগৰ। সেয়ে প্ৰাক স্বাধীনতা যুগৰ কবিতা সমূহৰ কবি মানসৰ স্বৰূপ 'ফুলনি' কাব্যৰ ভাবধাৰাৰ লগত সাদৃশ্য আছে। কিন্তু স্বাধীনোত্তৰ যুগৰ কবিতা সমূহৰ মাজেদি প্ৰকাশিত কবিৰ চিন্তাধাৰাই কেনেদৰে সমসাময়িক সমাজ জীৱনৰ প্ৰবাহ প্ৰকাশ কৰিছে মন কৰিবলগীয়া।

পদ্মধৰ চলিহাই পোনতে 'পদুমণিৰ' পাতনিত কাব্যকলাৰ বিষয়ে আলোচনা কৰি, সাম্প্ৰতিক যুগত সৃষ্টি হোৱা নতুন কবিতাৰ

কাব্যকলাৰ বিৰুদ্ধে অম্বিকাগিৰী, নলিনী বালা দেৱী, নীলমণি ফুকনৰ দৰে যুদ্ধত অৱতীৰ্ণ হৈছে।

ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেদি আত্মসাক্ষাৎকাৰ হোৱা এই গৰাকী প্ৰবীণ কলাকাৰৰ জীৱন উপভোগ কৰি পোৱা আনন্দৰ মাজেৰে চিত্ত বিকাশ কৰি 'পদুমণি' কাব্যত জীৱন দৰ্শনৰ ব্যাখ্যা দাঙি ধৰি, বিষাদঘন সামাজিক জীৱনৰ ৰূপ চিত্ৰিত কৰা কবি সকলৰ প্ৰতি বাৰুকৈ পীড়িত অৱস্থাৰ কৰ্মশক্তিৰ আত্মানন্দৰ আদৰ্শ দাঙি ধৰিছে।

পদ্মধৰ চলিহাই 'ফুলনিৰ চতুৰ্থ তাণ্ডৱৰ (১৯৫৩) পাতনি লিখোঁতেও কাব্য কলা আৰু সঙ্গীত কলাৰ প্ৰতি ফালটো উল্লেখ কৰিছে। সেয়ে দেখা যায় জাতীয় ঐতিহ্যৰ প্ৰতি সচেতন প্ৰবীণ কলাকাৰ সকলে অসমৰ কলা জগতলৈ প্ৰবাহিত হোৱা ভাবধাৰাৰ প্ৰতি লক্ষ্য ৰাখি অতি আধুনিকতাৰ প্ৰতি শিল্পী আৰু পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে।

চলিহাই প্ৰতিবাদী দৃষ্টি ভঙ্গীৰে যুগৰ পৰিবৰ্তন আৰু কলাৰ গতিশীলতাৰ প্ৰতি লক্ষ্য কৰি কৈছে— যুগ পৰিবৰ্তনৰ লগে লগে জগতত নতুন নতুন সমস্যাৰ উদ্ভৱ হোৱাৰ লগে লগে, বিষয়বস্তু প্ৰকাশভঙ্গী ৰচনাশৈলীৰ সালসলনি হোৱাটো একো আচৰিত হ'বলগীয়া বা ভয় খাবলগীয়া কথা নহয়। কিন্তু কবিতা বুলি যিহকে যি ধৰণে ৰচনা কৰা হয় সি হ'ব লাগিব সুশ্ৰাব্য, সুখপাঠ্য, আৰু বোধগম্য; তাত থাকিব লাগিব মানৱীয় তথা বিশ্ব-জনীন আবেদন, তাত সততে অনুৰণিত আৰু প্ৰতিফলিত হ'ব লাগিব সত্যম শিৱম সুন্দৰম।"

অসমীয়া কাব্য জগতলৈ প্ৰবাহিত হোৱা এই সংঘাতৰ প্ৰতি অম্বিকাগিৰীয়ে যিদৰে বিক্ষোভ প্ৰদৰ্শন কৰিছে, চলিহাই সেইদৰে বিৰূপ মনোভাব প্ৰকাশ কৰা নাই। ইয়াৰ কাৰণ এই যে হাস্য ৰসিক চলিহাই কলাজগতত এই পৰিবৰ্তন লক্ষ্য কৰি নিজৰ মনৰ শান্তি হেৰুওৱা নাই, কিন্তু ৰায়চৌধুৰী গহীন প্ৰকৃতিৰ লোক। সেয়ে কঠোৰ সংগ্ৰামী জীৱন যাপন কৰা শিল্পীয়ে ৰুক্ষ ভাবেই প্ৰতিবাদ জনাইছে।

সক্ৰিয় ৰাজনীতিত জড়িত চলিহাই প্ৰাক্‌-স্বাধীনতা যুগৰ দৰে পুনঃ সাম্প্ৰতিক কালত স্বদেশ প্ৰেমৰ বাণী প্ৰচাৰ কৰিছে, কিন্তু সাম্প্ৰতিক কালৰ ৰাজনীতি, সমাজনীতি আৰু অৰ্থনীতিৰ অন্তৰালত লুকাই থকা দুৰ্নীতি বোৰলৈ লক্ষ্য কৰা নাই। সামাজিক জীৱন কলুষিত হোৱা বাবেহে কলা জগতো কলুষিত হৈছে, এই কথা চলিহাই উপলব্ধি কৰা নাই। এই বিষয়ত ৰায়চৌধুৰী আৰু নীলমণি ফুকন সজাগ।

স্বাধীনতাৰ পৰৱৰ্তী কালত প্ৰবীণ কাব্যকাৰ সকলে দীঘদিনীয়া মুক্তি সংগ্ৰামৰ অন্তত লাভ কৰা ভাৰতৰ স্বাধীনতা ৰক্ষা কৰিবলৈ যি আহ্বান জনাইছে সেই আহ্বানত মুক্তি যুঁজৰ সৈনিকৰ ৰণৰ আস্ফালন প্ৰকাশ পাইছে। চলিহাৰ 'ভাৰত সন্তান হুচিয়াৰ' ৰায়চৌধুৰীৰ 'স্বাধীনতা ৰক্ষা কৰা' কবিতা সমূহ মৰ্মভেদী অহা বাণী।

প্ৰবীণ কলাকাৰ সকলে কেৱল স্বাধীনতা ৰক্ষা কৰাৰ প্ৰতিয়েই সচেষ্ট নহয়, বৰং ব্যক্তিৰ আধ্যাত্মিক মুক্তিৰ প্ৰতিও এওঁলোক সজাগ। যি সময়ত ভাৰতৰ ৰাজনৈতিক নেতাসকলে জনসংখ্যাৰ অজুহাত দেখুৱাই ব্যক্তি জীৱনক হেয় প্ৰতিপন্ন কৰিছে, সেই সময়ত বয়োবৃদ্ধ কলাকাৰ সকলে ব্যক্তিৰ জীৱনৰ মূল্য দাবি ধৰি ৰাজনৈতিক আদৰ্শৰ বিৰুদ্ধে যুঁজ দিছে।

চলিহাৰ জীৱন ৰহস্য', ৰায়চৌধুৰীৰ 'জীয়াৰ যুঁজত জয়ী ?' নলিনী বালা দেৱীৰ জীৱনক কৰো মনোৰমা' আদি স্বাধীনোত্তৰ যুগৰ কবিতা সমূহৰ মাজেদি ব্যক্তিৰ জীৱনৰ অসীম মূল্যৰ কথা কোৱা হৈছে।

স্বাধীনোত্তৰ যুগৰ প্ৰবীণ কলাকাৰ সকলে ভাৰতৰ বুকুত অসমৰ ন্যায্য আসন লাভৰ বাবে সদা সচেষ্ট। সেয়ে এওঁলোকে পুনঃ জন জীৱন স্পৰ্শী আৰু অসমৰ অতীত বৰ্তমান ভবিষ্যতৰ যোগ সূত্ৰ সাধন কৰিব পৰা বিষয়বোৰ কাব্য জগতলৈ আনিছে। ফুকনৰ 'জয়াতীৰ্থ' 'লাচিত উৎসৱ', 'শৰাইঘাটৰ নৈবেদ্য', চলিহাৰ 'দিখৌ নৈৰ আত্মজীৱনী', 'পস্বত ভৈয়াম,' ৰায়চৌধুৰীৰ 'বিহু উৎসৱ' বিষয়ক কবিতা 'অসমীয়া দেখোন এজনো নাই', নলিনী বালা দেৱীৰ 'এইখনি শঙ্কৰৰ দেশ,' 'নীলাচল,' 'বিহু অপেচৰী' আদি কবিতা সমূহৰ মাজেদি অসমৰ সাংস্কৃতিক জীৱনক সাম্প্ৰতিক

কামত পুনঃ ৰূপায়ণ কৰা হৈছে । মুঠতে দেখা যায়, এওঁলোকৰ দৃষ্টিভঙ্গীৰ ঐক্য ব্যাহত হোৱা নাই ।

আধুনিক যুগৰ বিজ্ঞানে আবিষ্কাৰ কৰা 'এটম বোমা' আৰু ইয়াৰ লগত জড়িত বিশ্বৰ ৰাজনৈতিক চিন্তাধাৰাই চলিহাৰ মনলৈ গভীৰ দাশনিক ভাৰ আনিছে । বিজ্ঞানৰ ধ্বংসাত্মক কাৰ্য্যই মানৱ সভ্যতা আৰু সংস্কৃতিৰ গতিপথ কোনপথে পৰিচালিত কৰিব ? এই সংশয় চলিহাৰ মনতো উদয় হৈছে । কিন্তু আত্মসাক্ষাৎকাৰ হোৱা কবিয়ে দশন বিজ্ঞানৰ সাংস্কৃতিক অবদানৰ স্বৰূপ উপলব্ধি কৰি লৈছে—

"আতমা যে অজেয় অক্ষয়,
নাই তাৰ মৰণ, বিনাশ;
এটমৰ বিভীষিকা ভেদি,
আতমাৰ হব যে বিকাশ "
---এটম বনাম আতমা---

বিশ্বৰ সন্মুখত দেখা দিয়া যুদ্ধ আৰু শান্তিৰ সমস্যাৰ বিষয়ে চিন্তা কৰি ফুকনে আত্মাৰ যোগেদি পৰম শান্তি উপলব্ধি কৰি লৈছে --

স্তব্ধ হক ৰণৰ হুঙ্কাৰ,
শুনা সেয়া শান্তিৰ ওঙ্কাৰ।"

বিশ্ববিনাশী পৰমাণু বোমাৰ ভয়াবহ দৃশ্য আৰু সৃষ্টিৰ আদিম ধ্বনি ওঙ্কাৰৰ প্ৰবাহমান সুৰৰ ব্যাপকতা আৰু গভীৰতাৰ দৃশ্য হৃদয়ত আঁকি লৈ ফুকনে সৃষ্টি তথা শান্তিৰ অপ্ৰতিহত শক্তিৰ বাণী ৰচিছে ।

আধুনিক কাব্য সাহিত্যত নবীন কলাকাৰ সকলে সৃষ্টি কৰা তমসাচ্ছন্ন অনাত্মবাদী ভাবধাৰাৰ বিৰুদ্ধে আত্ম শক্তিৰ জ্যোতিৰে অন্ধকাৰ দূৰ কৰা প্ৰবীণ কলাকাৰ সকলৰ এই শক্তিশালী প্ৰগতিবাদী পদক্ষেপ । ভাৰতীয় সংস্কৃতিৰ সংশয় বিনাশী দিব্যজ্যোতি ।

চলিহাই '১৯৬৪' চন কবিতাৰ যোগেদি ভাৰত তথা বিশ্বৰ সমস্যাৱলীৰ চিত্ৰ মনলৈ আনিছে যদিও, কবিৰ আত্মাই ক্ষোভ

আৰু 'ৰঙৰ' মাজত দ্বিধা বিভক্ত হোৱা বাবে কবিতাটোৰ মাজেদি শিল্পী হৃদয়ৰ সুকুমাৰ অনুভূতি প্ৰকাশ পোৱা নাই।

ইন্দ্ৰেশ্বৰ বৰঠাকুৰ

ৰোমাণ্টিক যুগৰ চিন্তাধাৰা স্বাধীনোত্তৰ যুগলৈ প্ৰবাহিত কৰা কলাকাৰ সকলৰ অন্যতম ইন্দ্ৰেশ্বৰ বৰঠাকুৰে ভাটীবয়সত কাব্য জগতত প্ৰবেশ কৰি চন্দ্ৰমল্লিকা' (১৯৫১) আৰু 'ৰণ জেউতি' (১৯৫৫) কাব্য সাম্প্ৰতিক কাল তথা গণতান্ত্ৰিক যুগত ৰচনা কৰে।

বৰঠাকুৰে প্ৰাক স্বাধীনতা যুগত কবিতা কুঁৱৰীক আৰাধনা নকৰিলেও ৰোমাণ্টিক যুগৰ সাংস্কৃতিক আদৰ্শ আৰু জীৱন দৰ্শনে বৰঠাকুৰৰ অন্তৰাত্মাৰ পৰিপুষ্টি সাধন কৰিছে। সেয়ে বৰঠাকুৰৰ কবি মানসৰ যোগেদি জাতীয় জীৱনৰ যি ৰূপ প্ৰকাশ পাইছে তাত গণতান্ত্ৰিক শাসনে সৃষ্টি কৰা সামাজিক দুৰ্নীতিবোৰ স্পষ্ট ভাবে প্ৰকাশ পোৱা নাই। ইয়াৰ কাৰণ এই যে, স্বাধীনতাৰ ঠিক পাচতেই কলাকাৰ সকলৰ হৃদয়ত জাতীয় জীৱনৰ অন্ধকাৰ ৰূপ-টোৱে বিশেষ ক্ৰিয়া কৰা নাই। সক্ৰিয় ৰাজনীতিত জড়িত কলা-কাৰ অগ্নিকাগিৰীয়ে ১৯৫২ চনত সামাজিক অন্যায়ৰ বিৰুদ্ধে যেনে-দৰে বিক্ষোভ কৰিছে বৰাঠাকুৰে তেনেদৰে কৰা নাই।

ভাৰতৰ মুক্তি সংগ্ৰামৰ কালত ৰচিত কাব্য সমূহৰ মাজেদি স্বাধীনতা লাভৰ স্পৃহা যেনদৰে শক্তিশালী ভাবে প্ৰকাশ পাই জাতীয় চৈতন্য জাগ্ৰত কৰিছিল; স্বাধীনোত্তৰ কালত ৰচিত কাব্য সমূহত মুক্ত প্ৰাণৰ আনন্দৰ ধ্বনি তেনেদৰে প্ৰকাশিত হৈ জাতীয় জীৱনক আলোড়িত নকৰিলেও জীৱনৰ ৰাজনৈতিক প্ৰবাহ দুই চাৰিটা কবি-তাৰ মাজেদি প্ৰকাশ পাইছে।

বৰঠাকুৰৰ 'জাতীয় পতাকা' নামৰ কবিতাৰ যোগেদি জীৱনৰ যি উলহ মালহ প্ৰকাশ পাইছে তাত শিল্পীয়ে মুক্ত প্ৰাণৰ আনন্দ আৰু ভাৰতীয় সংস্কৃতিৰ শান্ত সমাহিত ৰূপৰ জ্যোতি প্ৰকাশ পাইছে। কিন্তু 'স্বাধীনতা' নামৰ কবিতাত শিল্পী হৃদয়ত আনন্দ প্ৰকাশ পোৱা নাই। ৰাজনীতিৰ পাকচক্ৰই স্বাধীনতা লাভৰ আনন্দ কেনেদৰে ৰাষ্ট্ৰৰ জীৱনৰ পৰা দূৰ কৰিছে তাকে সুঁৱৰি কবি বৰ-ঠাকুৰে আক্ষেপ কৰিছে।

বৰঠাকুৰে 'স্বাধীনতাৰ' কথা সুঁৱৰি, কৌপিন পৰিধানকাৰী গান্ধীক শ্ৰদ্ধা নিবেদন কৰি; স্বাধীন ভাৰতত বস্তুবাদী সভ্যতাই ভাৰতৰ আত্মাৰ বাণীক গ্ৰাস কৰাৰ চেষ্টা কৰা বাবে আক্ষেপ কৰি সামাজিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত দেখা দিয়া সঙ্কটৰ প্ৰতি সচেতন হৈছে।

অসমৰ স্বাধীনতা লুপ্ত হোৱাৰ পাচত 'অৰুণোদয়' যুগত ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ বিৰুদ্ধে খৃষ্টান পাদ্ৰীসকলে যি অভিযান চলাইছিল; ৰোমাণ্টিক আন্দোলনৰ স্বাধীনতা স্পৃহাই ভাৰতীয় সংস্কৃতিক সঞ্জীৱিত কৰাৰ ফল স্বৰূপে কলাকাৰ সকলৰ সাধনাৰ যোগেদি জাতীয় অভিযান নিজস্ব আদৰ্শৰ মাজেদি গতি কৰিলে।

পৰাধীন ভাৰতত বিদেশী শক্তিৰ বিৰুদ্ধে যুঁজ কৰিবলগীয়া হোৱা বাবে বিজাতীয় আদৰ্শই সংঘৰ্ষৰ মাজেদি জাতিৰ শক্তি বৃদ্ধি কৰিছিল; কিন্তু স্বাধীন ভাৰতত গণতান্ত্ৰিক শাসনত বিদেশীৰ মনোধন আৰু আদৰ্শই আৰু জাতীয় নেতা সকলৰ আদৰ্শ ভ্ৰষ্ট জীৱনে জাতীয় জীৱনত আদৰ্শৰ সংঘাত ঘটালে।

সেয়ে গণতান্ত্ৰিক ভাৰত তথা অসমত দেখা দিয়া সংঘাতৰ বিৰুদ্ধে যুঁজ কৰি প্ৰগতিৰ পথত অগ্ৰসৰ হব লাগিলে, পুনঃ ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনত ত্যাগ, সত্য, অহিংসা চিত্ত শুদ্ধি আদি দৈৱী সম্পদ সমূহৰ প্ৰতিষ্ঠা হব লাগিব। শিল্পী বৰঠাকুৰে এই আদৰ্শ অনুসৰি ভাৰতীয় সংস্কৃতিৰ সাধনাৰ যোগেদি অগ্ৰসৰ হৈ সাম্প্ৰতিক কালৰ কাব্যত ভাৰতীয় সংস্কৃতিৰ এটি স্পষ্ট আৰু বৈচিত্ৰ্যময় ৰূপ আঁকিছে।

বৰঠাকুৰেও অন্যান্য জাতীয়তাবাদী কলাকাৰ সকলৰ দৰে সাম্প্ৰতিক কালৰ ভাৰতত অসমৰ জাতীয় জীৱন শক্তিশালী কৰাৰ বাবে; 'গড়গাওঁ,' 'শৰাইঘাট' বশিষ্ঠাশ্ৰমত' চিকাৰ,' 'কমনাশা,' 'উৰ্ব্বশী' 'জয়মতী' আদি কবিতা সমূহৰ মাজেদি অসমৰ অতীত আৰু বৰ্ত্তমানৰ সংযোগ সাধন কৰিছে।

ৰোমাণ্টিক যুগৰ কবি সকলৰ দৰে বৰঠাকুৰেও জনজীৱনৰ দুঃখৰ চিত্ৰ আঁকিছে। সেইদৰে ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতাৰাজি

যোজনা নকৰা ৰূপত প্ৰকাশ কৰি পূৰ্ব ৰোমাণ্টিক কবি সকলৰ আদৰ্শ লৈছে।

ৰবঠাকুৰে হাস্য ৰসাত্মক ভঙ্গীৰে নাইবা গহীন ভাবেৰে নবীন কবিসকলৰ কবিতাৰ বিষয় বস্তু আৰু ৰচনাৰীতি গ্ৰহণ কৰাৰ চেষ্টা কৰিলেও কৃতকাৰ্য্য হব পৰা নাই। কবি ৰবঠাকুৰ'ৰ দাৰ্শনিক ভাবাপন্ন কবিতাসমূহৰ যোগেদিহে সৰলভাৱে আত্মপ্ৰকাশ কৰিব পাৰিছে।

ৰবঠাকুৰে প্ৰধানকৈ ভাৰতৰ অতীত জীৱনৰ মাজত সোমাই থকা বাবে, বৰ্ত্তমান জীৱনৰ বিভিন্ন দিশত দৃষ্টি নিক্ষেপ কৰি আধুনিক জীৱনৰ সমস্যা সমূহৰ সমাধানৰ ইঙ্গিত দিয়া নাই। ডাঠী বয়সত কাব্য সাধনাত ব্ৰতী হোৱা বাবে চিন্তাৰ সমানে সৌন্দৰ্য্য স্পৃহা প্ৰকাশ পোৱা নাই।

ৰবঠাকুৰৰ কাব্যত চিন্তাৰ ঐক্য অনুভূতিৰ স্পষ্টতা আৰু কৰ্মময় জীৱনৰ আনন্দৰ ধ্বনি আছে। ভাৰতীয় সংস্কৃতিৰ অনন্তাভিমুখী আদৰ্শৰ গতি ৰবঠাকুৰৰ কাব্যত প্ৰবাহিত হৈ অতি আধুনিক সমাজৰ তমসাচ্ছন্ন জীৱন ধাৰাৰ প্ৰতি প্ৰত্যাহবান হৈছে।

অতুলচন্দ্ৰ হাজৰিকা

স্বাধীনোত্তৰ যুগত প্ৰকাশ কৰা অতুলচন্দ্ৰ হাজৰিকাৰ 'তপোবন' (১৯৫৫) কাব্যৰ দুটা ভাগ। প্ৰথম ভাগ ১৯২৫ চনৰ পৰা ১৯৪৭ চনলৈ আৰু দ্বিতীয় ভাগ ১৯৫০-৫৪ চনলৈ।

গণতান্ত্ৰিক যুগত ৰচিত কবিতা সমূহৰ মাজেদি প্ৰকাশ পোৱা হাজৰিকাৰ চিন্তাধাৰা বিশ্লেষণ কৰিলে পোন প্ৰথমে এটা হতাশাৰ ভাব দেখা যায়। স্বাধীনোত্তৰ কালৰ অন্যান্য প্ৰবীণ কলাকাৰ সকলৰ দৰে হাজৰিকায়ো 'নৱোদয়' কবিতাত অসমীয়া জাতীয় জীৱনৰ নৱজাগৰণ দেখা নাপাই কৈছে—

"ক্ষমতাই মানুহক কৰিছে পশুমনা
পাপ পুণ্য দিছে বিসৰ্জন
নামত যদিও আমি হইছো স্বাধীন
দুঃশাসনে কৰে প্ৰপীড়ণ।"

'নৱোদয়' (১৯৫০) কবিতাত স্বাধীনতাৰ তিনিবছৰ পাচতে শিল্পীৰ প্ৰাণত যি হতাশাৰ ভাব জাগিল সেই হতাশাই স্বাধীনতা লাভৰ আনন্দ ম্লান কৰিছে।

হাজৰিকাই অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ অৱনতি দেখি শঙ্কৰ জন্মোৎসৱতো শান্তি পোৱা নাই। সেয়ে শিল্পী হাজৰিকাই জাতীয় জীৱনৰ সৰ্বত্ৰ শ্ৰীবৃদ্ধিৰ বাবে যুৱক সকলক আহ্বান জনাইছে। অসমৰ ৰাজতন্ত্ৰৰ দিনত যিদৰে আধ্যাত্মিক শক্তিত বলীয়ান হৈ শঙ্কৰদেৱে অসমীয়া জাতীয় জীৱন সৰ্ব-ভাৰতীয় জাতীয় জীৱনৰ সমকক্ষ কৰি উত্তৰ পূৰ ভাৰতত মুছলমান ৰাজশক্তিৰ আৰু সংস্কৃতিৰ গতি ব্যাহত কৰিছিল, সেইদৰে গণতান্ত্ৰিক ভাৰতত শঙ্কৰৰ অহিংসে অসমৰ জাতীয় জীৱন সৰভাৰতীয় পৰ্য্যায়লৈ উন্নত কৰিব লাগিব। তেহে জাতিৰ 'নৱোদয়' হব। সামগ্ৰিক জীৱন বোধতহে 'নৱোদয়' সম্ভৱ।

'নৱোদয়' কবিতাৰ নৱজাগৰণৰ আশাই কবিক 'সপোন (১৯৫১) কবিতাত অসমৰ মনোমোহা ৰূপ দেখুৱালেও; কঠোৰ বাস্তৱে কবিৰ অন্তৰৰ সপোন'ৰ মাদকতা ম্লান কৰি দিলে। সুখৰ 'সপোন' আঁতৰি যোৱাত বাস্তৱে কবিক হতাশ কৰিলেও; শিল্পী হাজৰিকাই সবল আশাবাদী মনোভাব লৈ কামৰূপ ৰাজ্যৰ অধিষ্ঠাত্ৰী দেৱী কামাখ্যাক কামৰূপৰ পূৰ শক্তি প্ৰদান কৰিবলৈ প্ৰাৰ্থনা কৰিছে। কবি হাজৰিকাই কামাখ্যা দেৱীৰ পূজাৰ দৃশ্য কাব্যৰ মাজলৈ আনি আৰু শঙ্কৰৰ প্ৰতি তথা বৈষ্ণৱ আদৰ্শৰ প্ৰতি শ্ৰদ্ধা জনাই অসমৰ শাক্ত বৈষ্ণৱ সংঘাত দূৰ কৰাৰ চেষ্টা কৰিছে। বৈষ্ণৱ যুগ তথা আহোম যুগত কলাকাৰ সকলে শাক্ত বৈষ্ণৱ সংঘাতৰ পাতনি মেলি দেশৰ স্বাধীনতা লুপ্ত কৰা বাবে, সাম্প্ৰতিক যুগৰ প্ৰবীণ কলাকাৰ সকলে সংস্কৃতিৰ বিভেদ দূৰ কৰাৰ চেষ্টা কৰিছে।

সেইদৰে 'লখিমী' (১৯৫৪) কবিতাতো কবি হাজৰিকাই মনৰ বিষাদ দূৰ কৰিব পৰা নাই। সেয়ে কবিয়ে কৈছেঃ—

"পুৰণি বীণৰ চিগিছে বটীয়া
হেৰাল গানৰ সুৰ।"

শিল্পীৰ বীণাৰ সুৰ হেৰাই যোৱা কাৰণ হল এয়ে যে, স্বাধীনতা লাভৰ পাচতো অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত প্ৰগতি সাধন নহল।

স্বাধীনোত্তৰ কালত কবি হাজৰিকাৰ অন্তৰাত্মা দ্বিধা বিভক্ত

হলেও; অসমৰ ভৱিষ্যত সম্বন্ধে কবি সম্পূৰ্ণ আশাবাদী। নতুন কবিতা ৰচক সকলৰ দৰে হাজৰিকাই সংশয়বাদী মনোভাব লৈ কাব্য সাধনা কৰা নাই। সেয়ে 'পূজা আয়োজন' কবিতাত জননী জন্মভূমিৰ পূজাৰ আয়োজনৰ বাবে কবিয়ে ৰাজতন্ত্ৰৰ দিনৰ বীৰ বীৰাঙ্গনা সকলৰ শক্তি কামাখ্যা দেৱীৰ অৰ্চনা আৰু শঙ্কৰ মাধৱৰ ঘোষা কীৰ্ত্তন আদি ষোড়শোপচাৰ আহৰণ কৰিবলৈ আহ্বান জনাইছে।

অসমীয়া জাতিয়ে প্ৰগতিৰ পথত অগ্ৰসৰ হব লাগিলে অতীতক ন ৰূপত বৰ্ত্তমানত সজাই উলিয়াই; ভৱিষ্যতলৈ জাতিৰ জীৱনী শক্তি প্ৰবাহিত কৰিব লাগিব। তেহে জাতিৰ প্ৰাণশক্তি নিৰৱচ্ছিন্ন ভাবে স্পন্দনশীল হৈ থাকিব। সেই উদ্দেশ্যে হাজৰিকাই 'ৰজা মৈদাম' (১৯৫৪) কবিতা ৰচনা কৰিছে।

'ৰজা মৈদাম' কবিতাৰ যোগেদি হাজৰিকাই অসমৰ অতীত বৰ্ত্তমানৰ চিত্ৰ আঁকি ৰাজতন্ত্ৰৰ যুগৰ শক্তি সম্পন্ন ৰজাসকলৰ গুণানুকীৰ্ত্তন কৰাৰ লগতে; অতীত অসমৰ শক্তিৰ স্থলীস্বৰূপ ৰাজধানী গড়গাওঁৰ লগত পৰ্ব্বত-ভৈয়ামৰ যোগসূত্ৰ স্থাপন কৰিছে।

যোৰহাটৰ ৰজা মৈদামত ৰচনা কৰা কবিতাৰ মাজেদিও কবি হাজৰিকাৰ আৰাধ্যা দেৱী কামাখ্যাৰ মহিমা ধ্বনিত হৈছে। শক্তিৰ উপাসক আহোম স্বৰ্গদেৱ সকলৰ বীৰত্ব আৰু কামৰূপৰ অধিষ্ঠাত্ৰী দেৱী কামাখ্যাৰ স্মৃতিয়ে একীভূত হৈ 'ৰজা মৈদাম' কবিতাত ধ্বনিত হৈছে। এই শক্তি উপাসনা তথা জননীৰ পূজাই 'ৰক্তজবা' (১৯৬৩) কাব্যত পূৰ্ণ শক্তি লাভ কৰিছে।

কবি হাজৰিকাৰ কাব্যত পুনৰাবৃত্তি দোষ থাকিলেও, নাইবা কল্পনাৰ মাধুৰ্য প্ৰকাশ নাপালেও, নাইবা স্বাধীনোত্তৰ কালৰ কবিতাত 'দেৱদাসী' আদি কবিতাৰ তীব্ৰ অনুভূতি; 'বালিচৰ' কবিতাৰ সৌন্দৰ্য্য স্পৃহাই ৰূপ নাপালেও; ঐক্যবদ্ধ চিন্তাই আৰু ঐতিহাসিক দৃষ্টিভঙ্গীয়ে হাজৰিকাৰ কাব্যক প্ৰগতিবাদী কৰিছে।

মিত্ৰদেৱ মহন্ত

স্বাধীনোত্তৰ যুগত ৰচিত মিত্ৰদেৱ মহন্তৰ 'বাংচালী' (১৯৫৭) কাব্যৰ যোগেদি প্ৰবাহিত ৰোমাণ্টিক যুগৰ চিন্তাধাৰাই সাম্প্ৰতিক

কাল তথা গণতান্ত্রিক যুগৰ চিন্তাধাৰা কেনেদৰে সামৰি লৈছে ; তা'ৰ বিচাৰ কৰিলে মহন্তৰ 'ৰাংচালী' কাব্যৰ ৰূপ বুজা যাব।

অন্যান্য প্ৰবীণ কলাকাৰ তথা কবিসকলৰ দৰে মহন্তয়ো দলীয় ৰাজনীতিয়ে সৃষ্টি কৰা সমস্যা সমূহলৈ দৃষ্টিপাত কৰি, সমাজৰ সমস্যা সমূহ বিশেষকৈ গাঁৱলীয়া জীৱনৰ কেৰোণবোৰ দাঙি ধৰিছে। গ্ৰাম্য জীৱন কেন্দ্ৰিক এই কাব্যখনৰ যোগেদি কবিয়ে গাৱলীয়া জীৱনৰ এটি সামগ্ৰিক চিত্ৰ আঁকি নগৰ আৰু গাওঁৰ এটি তুলনা মূলক ৰূপ সৃষ্টি কৰিছে। মহন্তই কৈছে—

"মুঠতে জানিবা থোৰ ভাঙি কলে
গাৱঁ নৰকৰ স্বৰ্গ।
নগৰ জানিবা স্বগৰ মাজত
মহা ৰৌৰৱ নক॥"

হাস্য ৰসাত্মক ভঙ্গীৰে মহন্তই আধুনিক নগৰীয়া আৰু গাৱঁলীয়া জীৱনৰ এটি ৰূপ আঁকি আধুনিক সভ্যতাৰ দোষবোৰ উল্লেখ কৰিছে।

আধুনিক সভ্যতাই সামাজিক জীৱন অন্ধকাৰাচ্ছন্ন কৰাৰ মূলতে হৈছে সমাজৰ পৰা সত্য তথা আধ্যাত্মিক চিন্তাৰ অন্তৰ্দ্ধান। সেয়ে, মহন্তই বৈষ্ণৱ যুগৰ আদৰ্শৰ ভেটিত নামঘৰৰ যোগেদি সামাজিক সমস্যা সমূহ সমাধান হোৱা বিচাৰে। মহন্তই কৈছে যে, গাওঁলীয়া জীৱন নিৰাময় কৰিব লাগিলে প্ৰথমতে সমাজত সত্য প্ৰতিষ্ঠা হব লাগিব। সেয়ে মহন্তই তেওঁৰ কাব্যৰ গহীন ভাবৰ কবিতা সমূহৰ মাজেদি দয়া, সত্য, সৰলতা, পবিত্ৰতা সহিষ্ণুতা, অহিংসা ধৈৰ্য্য আদি দৈৱী সম্পদ সমূহৰ চিত্ৰ আঁকিছে।

মহন্তই কৈছে যে ব্যক্তিয়ে সুখী জীৱন যাপন কৰিব লাগিলে কৰ্মৰ যোগেদি জীৱনৰ পৰা হতাশাৰ ভাব আঁতৰ কৰিব লাগিব। জীৱনৰ যি কোনো পৰিস্থিতি ধৈৰ্য্যৰে সন্মুখীন হব পৰাতোৱেই জীৱনৰ কৃতকাৰ্যতা। সেয়ে মহন্তই কৈছে—

"মৰমে সাৰটি ধৰা ভেদভাব এৰি
ধৈৰ্য্য ধৰা, কাম কৰা, হোৱা আগুৱান।"

—কৰ্মযোগী—

মহন্তৰ 'ৰাংচালী' কাব্যই মানৱ জীৱনৰ সুখ-শান্তিৰ বাবে দুটা

উপায় নিৰ্দেশ কৰিছে। প্ৰথমতে গভীৰ আত্মজ্ঞানৰ মাজেদি ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ; আৰু দ্বিতীয়তে অতীত জীৱনৰ জ্ঞান বাঢ়িৰ মাজেদি বৰ্তমানক সাম্যক ৰূপে বুজি লৈ বস্তুবাদী দৃষ্টিভঙ্গীৰে জীৱন যুঁজত অগ্ৰসৰ হোৱা।

মিত্ৰদেৱ মহন্তই 'ৰাংঢালী' কাব্য জনজীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা বাবে; ভাৰতীয় দৰ্শনৰ গভীৰ সমস্যা সমূহ কাব্যৰ মাজলৈ অনা নাই। কিন্তু দাৰ্শনিক তত্ত্বজ্ঞানেৰে পৰিমাৰ্জিত হৃদয়ত উদয় হোৱা সৰল বাস্তৱানুগ অভিজ্ঞতা বাঢ়িয়ে কবিৰ কাব্যখন বিশেষকৈ গাঁৱলীয়া লোকৰ উপযোগী কৰিছে।

মহন্তই জনজীৱনৰ বিভিন্ন দিশ অধ্যয়ন কৰি গহীন আৰু হাঁহিৰ ভাবৰ মাজেদি তেওঁৰ অভিজ্ঞতা সমূহ ৰূপ দিছে। সেয়ে জনজীৱনৰ গভীৰতাত প্ৰবেশ কৰি সামাজিক জীৱনত নানান বিভ্ৰাট দেখিলেও কবিৰ মনত হতাশ ভাব উদয় হোৱা নাই। কবিৰ মানস কন্যা 'ৰাংঢালী'য়ে শিশুজীৱনৰ মাজত প্ৰৱেশ কৰি শিশুৰ পাঠ্যক্ৰমৰ অন্তৰ্গত বিষয় সমূহৰ মাজতো হাঁহিৰ খুনুপাক সৃষ্টি কৰিছে।

হৃদয়ত গভীৰ ৰসানুভূতি, জীৱনবোধ আৰু চিত্তৰ প্ৰশান্তি থাকিলে শিল্পীয়ে জীৱনৰ সকলো ক্ষেত্ৰতে আনন্দ উপভোগ কৰে। এই আনন্দৰ উপলব্ধিয়ে যি কোনো কথাকে স্পৰ্শ নকৰাকৈ লাগে। তাত ৰসিকতা প্ৰকাশ পাব। প্ৰকৃততে, গভীৰ ৰসানুভূতিয়ে যি কোনো ৰূপতে আত্মপ্ৰকাশ কৰি পাঠকৰ মন আকৰ্ষণ কৰিব পাৰে। মহন্তই গহীন আৰু পাতল দুয়ো দিশতে আত্মপ্ৰকাশ কৰিব পাৰে।

মহন্তই 'উদ্ভত কবিতা' নামেৰে কেইটামান কবিতা ৰচনা কৰিছে। মহন্তই এই কবিতা সমূহৰ মাজেদি ব্যঙ্গাত্মক দৃষ্টিৰে আধুনিক সভ্যতাৰ ৰূপ নিৰীক্ষণ কৰি; সমাজৰ একশ্ৰেণীৰ লোকৰ মনত উদয় হোৱা সাংস্কৃতিক চেতনা বিহীন মনোভাব; বাস্তৱজ্ঞান বিহীন তথা কথিত শিক্ষিত লোকৰ কথা কাৰ্য্যৰ বিসঙ্গতি আৰু মানসিক পৰিপুষ্টি হীনতাক ইতিকিং কৰিছে।

যোজনা-ফকৰা সদৃশ এই কবিতাবোৰ ৰচনা কৰি কবিয়ে অসমীয়া সাহিত্যৰ প্ৰাচীন সম্পদবোৰৰ ধাৰা প্ৰবাহিত কৰাৰ চেষ্টা

কৰিছে। প্ৰকৃততে এই যোজনা-ফকৰা সমূহে সমাজ জীৱনৰ গভীৰ অভিজ্ঞতা সমূহ যুগ যুগ ধৰি প্ৰবাহিত কৰি ৰাখিছে। নিপুণ শিল্পীয়ে লোক জীৱনৰ এই সম্পদ সমূহৰ সাৰভাগ গ্ৰহণ কৰি আধুনিক জীৱনৰ উপযোগী ফকৰা ৰচি ব্যক্তি আৰু সমাজক বাস্তৱ অভিজ্ঞতা আয়ত্ব কৰাত সহায় কৰিব পাৰে। সেয়ে মহন্তৰ এই ৰচনা সমূহো প্ৰগতিবাদী চিন্তাৰ পৰিচায়ক।

জীৱনৰ ভাটী বয়সত ৰচনা কৰা এই কাব্যৰ মাজেদি কবিৰ চিন্তাৰ ঐক্য আৰু ভাব আৰু ভাষাৰ স্পষ্টতা প্ৰকাশ পালেও; চিন্তাৰ জগতে সৌন্দৰ্য্য স্পৃহা প্ৰকাশ পোৱা নাই।

দণ্ডীনাথ কলিতা

প্ৰাক-স্বাধীনতা যুগৰ পৰা কাব্য সাধনা কৰি অহা কলিতাই 'অসম সন্ধ্যা' (১৯৪৯) কাব্য স্বাধীনোত্তৰ যুগত প্ৰকাশ কৰে। কিন্তু কলিতাই 'অসম সন্ধ্যা' কাব্যৰ পাতনিত কোৱা মতে ১৯৩৮-৩৯ চনত এই কাব্য ৰচনাৰ সংকল্প কৰে। সেইদৰে এই কাব্যখন মাধৱ বেজবৰুৱাই সম্পাদন কৰা বাঁহীত ছোৱা ছোৱাকৈ প্ৰকাশ হয়। লিখকে পুনঃ কৈছে যে, '১৯৪৫ চনত কিতাপখন আগৰ পৰা গুৰিলৈকে হাত ফুৰাই নকৈ লিখা হয়।' তদুপৰি ১৯৪৭ চনতো পুথিখন বিস্তৰ সালসলনি কৰা বুলি কৈছে।

সেয়ে দেখা যায় যে, প্ৰাক স্বাধীনতা যুগতেই কলিতাৰ কাব্য ৰচনা হোৱা বাবে, স্বাধীনোত্তৰ কালৰ চিন্তাই কলিতাৰ কাব্য জগতত প্ৰৱেশ কৰা নাই।

কলিতাই 'অসম সন্ধ্যা' কাব্যৰ পাতনিত উল্লেখ কৰিছে যে '১৯৩৮ চনৰ জুলাই মাহত এদিন জনচেৰেক ডেকাই আমাৰ ভাষাত কাব্য নাই বুলি আক্ষেপ কৰি অন্ততঃ এখন লিখি দিবলৈ মোক অনুৰোধ জনাইছিল।' কলিতাৰ এই উক্তিয়ে তেওঁৰো আৰু ডেকাজনৰো অসমীয়া কাব্য সাহিত্য তথা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ জ্ঞানৰ অভাৱৰ পৰিচয় দিয়ে। কলিতাৰ উক্তিৰ মাজেদি এনেভাৱ প্ৰকাশ পাইছে যেন তেওঁহে অসমৰ প্ৰথম কাব্যকাৰ তথা ঐতিহাসিক কাব্য প্ৰণেতা।

এটা জাতিৰ সাহিত্য সংস্কৃতিৰ বিকাশ সাধন হব লাগিলে সমালোচক নাইবা সৃষ্টি ধৰ্মী লেখক সকলে পূৰ্ববৰ্ত্তী লেখক সকলৰ

ৰচনাৱলী সম্যক ৰূপে অধ্যয়ন কৰি জাতীয় শিল্পৰীতিৰ বিভিন্ন দিশ আয়ত্ত কৰি ৰচনাত প্ৰবৃত্ত হলেহে জাতীয় শক্তি বৃদ্ধি হয়।

কলিতাই 'আমাৰ ভাষাত কাব্য নাই' উক্তিৰ দ্বাৰা অসমৰ প্ৰাচীন কাব্য সাহিত্য নাইবা আধুনিক অসমীয়া কাব্য সাহিত্যৰ আকৃতি প্ৰকৃতিৰ বিষয়েও অজ্ঞতা প্ৰকাশ কৰিছে। জাতিৰ সাহিত্য সংস্কৃতিৰ ধাৰাবাহিক ৰূপটোৰ বিষয়ে অবগত নোহোৱাকৈ কোনো মন্তব্য প্ৰয়োগ কৰিলে জাতীয় জীৱনৰ অশেষ ক্ষতিসাধন হয়। সেয়ে সাহিত্য সংস্কৃতিৰ অনুশীলনত ব্ৰতী হোৱা শিল্পীসকলে প্ৰথমতে জাতীয় জীৱনৰ বিভিন্ন দিশৰ জ্ঞান আহৰণ কৰা প্ৰয়োজন।

কলিতাই 'আমাৰ ভাষাত কাব্য নাই' বোলা কথাৰ দ্বাৰা বৈষ্ণৱ যুগৰ কাব্য সমূহকো অস্বীকাৰ কৰা হৈছে। তদুপৰি আধুনিক যুগতো পৌৰাণিক আৰু ঐতিহাসিক কাব্যৰ ধাৰা ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী, হিতেশ্বৰ বৰবৰুৱা আদিয়ে প্ৰবৰ্তন কৰে। হিতেশ্বৰ বৰবৰুৱাৰ 'কমতাপুৰ ধ্বংস,' 'যুদ্ধক্ষেত্ৰত আহোম ৰমণী, 'তিৰোতাৰ আত্মদান' আদি কাব্যই ঐতিহাসিক কাব্যৰ পাতনি মেলিছে। তেনেস্থলত কলিতাৰ এই উক্তি পূৰ্ববৰ্তী সকলৰ প্ৰতি অন্যায় মূলক।

প্ৰাচীন ভাৰতৰ দাশনিক, কবি নাট্যকাৰ নাইবা আলঙ্কাৰিক সকলে পূৰ্বাচাৰ্য্যসকলৰ মতবাদ আৰু নাম উল্লেখ কৰি ৰচনাত প্ৰবৃত্ত হোৱা আদৰ্শ মহাপুৰুষ শঙ্কৰদেৱেও মানি চলিছে। সেয়ে, তেওঁ যথেষ্ট শ্ৰদ্ধা সহকাৰে 'অপ্ৰমাদী কবি' কবিৰাজ মাধৱ কন্দলিৰ নাম উল্লেখ কৰিছে। সেইদৰে বৈষ্ণৱ যুগৰ অন্যান্য কবি সকলেও সমসাময়িক কলাকাৰসকলৰ নাম উল্লেখ কৰি গৈছে। ইয়াৰ দ্বাৰা সাহিত্যৰ বুৰঞ্জী আলোচনাত যথেষ্ট সহায়ক হৈছে।

আধুনিক যুগতো লেখক সকলে গ্ৰন্থপঞ্জী তথা লেখকৰ গ্ৰন্থৰ বিষয়ৰ লগত জড়িত গ্ৰন্থসমূহৰ নাম উল্লেখ কৰি জ্ঞানৰ প্ৰবাহ বিস্তাৰত সহায় কৰিছে। সেয়ে দেখা যায়, যি কোনো গ্ৰন্থৰ সুচিন্তিত পাতনিয়ে জাতীয় জীৱনৰ বিভিন্ন দিশ আলোকিত কৰিব পাৰে। এই পাতনি সমূহৰ মাজেদি একপ্ৰকাৰ সমালোচনাৰ ধাৰা সৃষ্টি হোৱাৰ লগতে; পাঠক সকলকো ঐতিহাসিক জ্ঞান লাভত সহায় কৰে। মুঠতে জাতীয় জীৱনৰ প্ৰগতিৰ বাবে লেখক সমালোচক সকল জাতিৰ ঐতিহাসিক বিৱৰ্তনৰ বাবে সজাগ হোৱা প্ৰয়োজন।

ধৰ্মেশ্বৰ ডেকা

স্বাধীনোত্তৰ যুগত ৰচিত ধৰ্মেশ্বৰ ডেকাৰ 'অপূৰ্ণ' (১৯৫৪) কাব্যই অপূৰ্ণ মানৱ জীৱন কিদৰে পূৰ্ণতাৰ পথত গতি কৰি, সমাজ তথা ৰাষ্ট্ৰীয় জীৱনৰ প্ৰবাহত পূৰ্ণতা প্ৰাপ্ত হব পাৰে তাকে দেখুৱাইছে।

কবি ডেকাই কাব্য কলা সাধনাৰ প্ৰেৰণা বিচাৰি বাল্যকালৰ মাতৃস্নেহৰ মধুৰ স্মৃতিৰ মাজলৈ গতি কৰি, পূৰ্ব স্মৃতিৰ মাজৰ পৰা লাভ কৰা আনন্দৰ প্ৰবাহ 'অপূৰ্ণ' কাব্যৰ যোগে প্ৰবাহিত কৰিছে। ডেকাৰ বাল্যকালৰ কাব্য ৰসৰ আনন্দ ভাৰতীয় সাংস্কৃতিক জীৱনৰ ৰসে ৰঞ্জিত কৰা বাবে মানৱ জীৱনৰ অপূৰ্ণতা উপলব্ধি কৰিছে।

সাম্প্ৰতিক কালৰ অন্যান্য কবি সকলৰ দৰে ডেকায়ো ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সংঘাত দেখি ব্যথিত হৈ, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বাণী আৰু উদ্দেশ্য সুঁৱৰি; প্ৰাক-স্বাধীনতা যুগৰ জনসাধাৰণৰ আশা-আকাংক্ষাৰ এখন চিত্ৰ আঁকি, সাম্প্ৰতিক কালৰ বাস্তৱ জীৱনৰ লগত ৰিজাইছে। সেয়ে দেখা যায় ডেকাই ৰোমাণ্টিক যুগৰ কাব্যৰ ধাৰাতে ৰঙৰণ যোগাইছে।

ডেকাৰ 'অপূৰ্ণ কাব্যৰ ঊনৈশটা কবিতাৰ মাজেদি ব্যক্তি সমাজ ৰাষ্ট্ৰ আৰু বিশ্বৰো সমস্যাৱলী আৰু সমাধানৰ ইংগিতো ৰচিত হৈছে। সমাজ জীৱন নিৰাময় হব লাগিলে আৰু সমাজ নতুনকৈ গঢ় দিব লাগিলে জীৱনৰ সনাতন মূল্য ৰক্ষা হব লাগিব এয়ে ডেকাৰ মত।

সেয়ে ভাৰতীয় সংস্কৃতিৰ নৱীকৰণৰ বাবে আৰু পৰাধীন ভাৰতৰ মুক্তিকামী জনগণৰ আদৰ্শ ৰাম ৰাজ্যৰ চিত্ৰ আঁকি, গান্ধীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি, ডেকাই সাম্প্ৰতিক কালৰ বাস্তৱ সমাজলৈ দৃষ্টিপাত কৰিছে। ডেকাই 'ৰামৰাজ্য' আৰু 'মহাত্মাগান্ধী' নামৰ কবিতা দুটাত সংশ্লেষাত্মক দৃষ্টি ভংগীৰ যোগেদি ভাৰতৰ অতীত বৰ্ত্তমানৰ বিভিন্ন দিশ আলোচনা কৰি, বিষাদ আৰু আনন্দ উপলব্ধি কৰিছে।

আধুনিক সাহিত্যৰ বাস্তৱবাদী দৃষ্টিভংগীৰে ডেকাই সৰ্থেবাৰীৰ 'কঁহাৰ' সকলৰ সংগ্ৰামী শান্তিবিহীন জীৱনৰ চিত্ৰ আঁকি, বাস্তৱ জীৱনৰ এটি দিশ দেখুৱাইছে। সেইদৰে 'মাউৰা' কবিতাৰ যোগেদি

ডেকাই সমাজৰ আন এটি দুঃখদায়ক ৰূপ অঁকাৰ চেষ্টা কৰিছে যদিও, মাউৰাৰ জীৱনৰ কাৰুণ্য প্ৰকাশ পোৱা নাই। তথাপি এই দুটা কবিতাই ডেকাৰ কবি মানসৰ আন এটি দিশ প্ৰকাশ কৰিছে।

ভাৰতীয় ৰাজনীতি আৰু অৰ্থনীতৰ বিষবাষ্পই সমাজ জীৱন তথা সাধাৰণ শ্ৰেণীৰ লোকৰ জীৱন নিৰ্ব্বাহ কণ্টকৰ কৰি তুলি; জনসাধাৰণৰ সাংস্কৃতিক জীৱন বিপন্ন কৰাৰ প্ৰধান অন্তৰায় স্বৰূপ পুঁজিবাদৰ বিৰুদ্ধে ডেকাই ধনবাদ কবিতাত ক্ষোভ প্ৰকাশ কৰিছে। সেইদৰে ধনবাদৰ প্ৰাধান্যই ভাৰতীয় জীৱনৰ কাম্যবস্তু আত্মাৰ প্ৰশান্তি লুপ্ত কৰাত ডেকাই প্ৰতিজ্ঞা' কবিতাত জাতিয়ে পুৰৰ প্ৰতিজ্ঞা পাহৰি যোৱাত আক্ষেপ কৰিছে।

সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱনৰ সংঘাত সমূহে ডেকাৰ মানসিক শান্তি হৰণ কৰা নাই। কিন্তু বহিজগতৰ ঘটনাৱলীয়ে সাময়িক ভাবে মনৰ শান্তি ব্যাহত কৰিলেও; ভাৰতীয় জীৱনৰ চিৰন্তন আশাবাদে ব্যক্ত আৰু ৰাষ্ট্ৰৰ জীৱনৰ উত্থান পতনক সৃষ্টিৰ প্ৰধান সূত্ৰ বুলি শিকোৱা বাবে; কবিয়ে মনৰ চিৰ সেউজীয়া ৰূপ ৰক্ষা কৰিছে।

শিল্পী ডেকাৰ আত্মাৰ প্ৰশান্তি প্ৰকাশ পাইছে প্ৰাকৃতিক জগতৰ সৌন্দৰ্য্য উপাসনা আৰু ৰহস্যবাদী মনোভাবৰ পৰা সৃষ্ট বিভিন্ন দৃশ্য ৰাজিৰ মাজেদি। 'শৰৎ', পশ্চিম আকাশ' 'আহুতি' আদি কবিতা সমূহৰ মাজেদি ডেকাৰ সৌন্দৰ্য্য স্পৃহা প্ৰকাশ পাইছে।

ডেকাৰ মানসিক প্ৰশান্তিৰ অন্য এটা ৰূপ প্ৰকাশ পাইছে 'পোৰণি' আৰু 'সন্ধান' নামৰ কবিতা দুটাত। জীৱনত দুঃখ নিৰ্য্যাতনৰ ৰূপ অাঁকি কবিয়ে কৈছে যে, সাংসাৰিক দুঃখ যন্ত্ৰণাৰ মাজতে ধৈৰ্য্যচিত্তে কৰ্মত অগ্ৰসৰ হ'ব পৰাইহে প্ৰকৃত সুখী জীৱনৰ আদৰ্শ।

সেইদৰে ডেকাই সামাজিক জীৱনৰ গ্লানি সমূহ দুৰীভূত কৰিবৰ বাবে বৈষ্ণৱ যুগৰ নাম ধৰ্মৰ আদৰ্শ পুনঃ প্ৰতিষ্ঠা কৰাৰ বাবে আহ্বান জনাইছে। জাতীয় জীৱনৰ সংঘাতৰ এনেকুৱা কালত নাম-ধৰ্মই জাতিক সঞ্জীৱিত কৰিছিল, সেয়ে পুনঃ নাম-ধৰ্মৰ জাগৰণে জাতীয় সংস্কৃতি জাগ্ৰত কৰিব বুলি ডেকাই ভাবে।

ডেকাই উন্নত মানৱ যুক্ত সংশ্লেষাত্মক বাস্তৱবাদী দৃষ্টিভঙ্গীৰ আন এটি দিশ প্ৰকাশ পাইছে 'অসম' নামৰ কবিতাত। কবি শিল্পী ডেকাই কৈছে যে জাতীয় জীৱনত বিবিধ অশান্তিয়ে দেখা

দিলেও, দেশবাসীয়ে সৌন্দর্য্য উপভোগৰ স্পৃহা আৰু দেশীয় সংস্কৃতিৰ প্ৰবাহমান ৰূপ ৰক্ষা কৰিব লাগিব। নহলে জাতীয় জীৱন স্থবিৰ হব।

ডেকাৰ প্ৰগতিবাদী চিন্তাৰ আন এটি দিশ হৈছে গণতান্ত্ৰিক ভাৰতৰ জনগণৰ জীৱনৰ মূল্যবোধ তথা মানবীয়তাৰ আদৰ্শ প্ৰচাৰ। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ বন্দনা' কবিতাৰ সুৰতে সুৰ মিলাই ডেকাই 'মানৱ বন্দনা' কবিতা ৰচনা কৰিলেও, আগৰৱালা আৰু ডেকাৰ মানৱ বন্দনা ভিন্ন প্ৰকৃতিৰ।

সেয়ে দেখা যায় ৰোমাণ্টিক যুগৰ পাতনিৰ লগে লগে কবি সকলে অসমীয়া সাহিত্যলৈ বিশ্বমানৱৰ যি ভাব প্ৰবাহিত কৰিলে, সেই ভাবে ন ন ৰূপত আত্ম প্ৰকাশ কৰিছে। সাম্প্ৰতিক কালতো প্ৰবীণ কবিসকলৰ প্ৰৱৰ্ত্তিত কাব্য কলাই অসমীয়া কাব্য সাহিত্যক মুক্তিৰ পথ দেখুৱাইছে।

ডেকাই 'তুমি' নামৰ কবিতাৰ দ্বাৰা কাব্যৰ পাতনি মেলি কৈছে—

বঞ্চিত দীন ভিখাৰী সজাই চিৰ ৰিক্ত কৰা মোক;
কৰুণ আদ্ৰ পৰশে তোমাৰ সিক্ত মনপ্ৰাণ হক।'

আৰু শেষত 'অপূৰ্ণ' কবিতাত কৈছে---

'পৰাণ চিলনী উৰিছে উধাই
মুক্ত নীলিমাৰ শীতল ছাঁত।'

মূঠতে আদিৰ পৰা অন্তলৈ 'অপূৰ্ণ' কাব্যত এটি প্ৰশান্তিৰ সোঁত বৈ আছে।

যতীন্দ্ৰনাথ দুৱৰা

স্বাধীনোত্তৰ যুগত ৰচিত দুৱৰাৰ 'বনফুল' (১৯৫২) কাব্য আৰু সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্যৰ প্ৰবীণ নবীন কবি সকলৰ কাব্যৰ চিন্তা প্ৰবাহ বিচাৰ কৰিলেহে স্বাধীনোত্তৰ কালৰ দুৱৰাৰ কাব্য সাধনাৰ স্বৰূপ বুজা যায়।

দুৱৰাই ওমৰৰ ভাবৰাজিত প্ৰবেশ কৰি 'আপোন সুৰ, 'পাহৰা সুৰ' বিচাৰি যি যাত্ৰা আৰম্ভ কৰিলে তাৰ পৰিসমাপ্তি হল 'সোণোৱালী দেশত ?' গতিকে 'আপোন সুৰ' আৰু 'বন ফুল' কাব্য 'পাহৰা সুৰ'ৰ বিৰামহীন যাত্ৰা। দুৱৰাই পাশ্চাত্য সাহিত্যৰ

ভাবধাৰা আত্মসাৎ কৰি ভাৰতীয় দাৰ্শনিক তত্ত্ব আৰু অসমৰ জাতীয় জীৱনক এনেদৰে কাব্যত ৰূপ দিলে যে কবিৰ হৃদয়ৰ সুৰ নৈৰ নিৰবচ্ছিন্ন গতিত প্ৰবাহিত হৈ অনন্ত সমুদ্ৰত লীন হৈ কবিৰ প্ৰেম সৌন্দৰ্য্যৰ সাধনাক সাৰ্থক কৰিলে।

স্বাধীনোত্তৰ কালত প্ৰায় আটাইকেইজন প্ৰবীণ কবিয়ে সম-সাময়িক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সংঘাতত ক্ষোভ প্ৰকাশ কৰিছে। কিন্তু দুৰ্গাৰ কাব্যত সমসাময়িক সামাজিক জীৱন প্ৰবাহে ক্ৰিয়া কৰা নাই। দুৰ্গাৰ কাব্যৰ তত্ত্ব বিচাৰ কৰিলে ইয়াৰ দুটা স্তৰ দেখা যায়।

স্বাধীনোত্তৰ কালৰ প্ৰবীণ নবীন কোনো কাব্যকাৰে প্ৰেম সৌন্দৰ্য্যৰ সাধনাক দাৰ্শনিক তত্ত্বৰ মাজেদি প্ৰবাহিত কৰি সৌন্দৰ্য সাধনাক জীৱনৰ ব্ৰত কৰি লোৱা নাই। সাম্প্ৰতিক কালৰ কাব্যত ৰোমাণ্টিক কাব্যৰ সৌন্দৰ্য স্পৃহা আৰু প্ৰেমানুভূতি লুপ্তপ্ৰায় হোৱাত অসমীয়া জাতীয় জীৱনৰ পৰা সুকুমাৰ অনুভূতি অন্তৰ্হিত হোৱাৰ দৰে হৈছে।

সেয়ে, দুৰ্গাৰ 'বনফুল' কাব্যৰ মাজেদি প্ৰবাহিত হোৱা প্ৰেম প্ৰকৃতিৰ সৌন্দৰ্য উপাসনা আৰু অসমীয়া সমাজৰ সুকুমাৰ অনু-ভূতি বিকাশৰ গতি 'বনফুল' কাব্যতেই ৰুদ্ধ হৈছে। বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদি কাব্যকাৰ সকলে প্ৰৱৰ্তন কৰা প্ৰেম কাব্যৰ প্ৰবাহ ৰুদ্ধ হোৱাত অসমৰ জাতীয় জীৱনৰ ক্ষতি সাধন হৈছে।

কবি দুৰ্গাই সমাজ জীৱনৰ হুলস্থূলৰ পৰা আঁতৰি থকা বাবেই নিৰুদ্বেগ ভাবে ৰোমাণ্টিক আদৰ্শ প্ৰাণবন্ত কৰি ৰাখিব পাৰিছে। দুৰ্গাই 'অৱসান' কবিতাত কৈছে—

'সংসাৰৰ লীলা-খেলা সামৰি সুতৰি থই
হাঁহিমুখে কৰিম প্ৰয়াণ;
অতদিনে বই অহা প্ৰেমৰ কবিতা ধাৰা
সেইদিনা হব অৱসান।"

সঁচাকৈয়ে, 'বনফুল' কাব্য সমাপন কৰোঁতেও 'সোণোৱালী দেশ'ত কবিৰ মুখৰ হাঁহি মাৰ যোৱা নাই। কবি দুৰ্গাই কৈছে—

"অতীতৰ বিষাদ কালিমা
বতাহতে কেনি উৰি যায়;
সাঁচতীয়া নিৰাশা আন্ধাৰ
কোনে আহি দিয়ে পোহৰাই।"

কবি ওমাৰ মৰুৰ দাঁতিত শান্তি বিচাৰি পোৱাৰ দৰে দুৰৰাই হৃদয়ত অনন্ত জ্যোতি সাৰটি লৈ অসীমৰ মাজত আত্ম-বিলীন কৰি শান্তি লাভ কৰিছে।

সাম্প্ৰতিক কালৰ সমাজত মানবৰ অন্তৰৰ পৰা পবিত্ৰত দূৰীভূত হোৱা বাবে, নাৰীৰ সতীত্ব আৰু হৃদয়ৰ সুগভীৰ প্ৰেম প্ৰীতিত বিশ্বাস হেৰাই যোৱা বাবে, আৰু পুৰুষ নাৰীৰ সম্বন্ধ ফ্ৰয়েডীয় তত্ত্বৰ মাজেদি বিচাৰ আৰম্ভ হোৱাত প্ৰেমৰ ৰহস্যময় ৰূপ লুপ্ত হৈছে। তদুপৰি সমাজ জীৱনত মানসিক দ্বন্দ্বই দেখা দিয়া বাবে শিল্পী প্ৰাণৰ শুদ্ধ সত্ব অনুভূতিৰ প্ৰকাশৰ অভাৱ হেতুকে প্ৰেম কাব্য লুপ্ত প্ৰায়। সেয়ে দুৰৰাৰ উক্তি 'অতদিনে বৈ অহা প্ৰেমৰ কবিতা ধাৰা সেহঁদিনা হব অৱসান' সত্য।

দুৰৰাই কাব্য সাধনাৰ মাজেদি জীৱনৰ তত্বাবাৰ অৱগত হৈ জীৱন দৰ্শন সম্বন্ধে যি বাণী শুনাইছে তাৰ মাজেদি কবিৰ প্ৰগতি-বাদী চিন্তা প্ৰকাশ পাইছে। দুৰৰাৰ কবি মানসত সংশয় আছে যদিও; এই সংশয়ে বনফুল' কাব্যত কবিৰ জীৱন স্পৃহা তমসাচ্ছন্ন কৰা নাই। কবিয়ে নিজে কৰা ভুলৰ বাবে সাময়িক ভাৱে ব্যাহত হলেও; পাঠকক কৈছে —

মুকলি চকুৰে চোৱা সুন্দৰ জগত
মেলি দিয়া অন্তৰ দাপোণ
দেখা পাবা মৰণৰ আন্ধাৰ পাৰত
জীৱনৰ মধুৰ সপোন।'
—এই বাটে নাহিবা দুনাই—

সেইদৰে, কবিয়ে 'সোণৰ সৰগ" কবিতাত কৈছে যে, এই পৃথিৱীতে মানুহে প্ৰেমৰ যোগেদি অমৃত পান কৰি মৰণক জয় কৰিব পাৰে। মুঠতে দুৰৰাই সমাজ জীৱনৰ প্ৰতি উদাসীন হোৱা নাই। তদুপৰি 'জীৱন জেউতি', 'ফাগুন সপোন' আদি বিভিন্ন কবিতাৰ মাজেদিও জীৱন আৰু যৌবনৰ মাদকতা প্ৰকাশ পাইছে। মুঠতে, ব্যক্তিগত জীৱনৰ দুখৰ স্মৃতিয়ে দুৰৰাক উলহ মালহ শূন্য কৰা নাই। দুৰৰাৰ কাব্যত কাৰুণ্য মিশ্ৰিত উলাহ আনন্দ আছে।

স্বাধীনোত্তৰ যুগৰ কাব্যত, কাব্যকাৰ সকলে প্ৰকৃতিৰ মাজত বিচৰণ কৰি সম্পূৰ্ণৰূপে আনন্দ উপভোগ কৰা নাই। কবি দুৰ্গাবৰো প্ৰাকৃতিক সৌন্দৰ্যৰ মাজতে সম্পূৰ্ণ ৰূপে আনন্দ উপভোগ কৰিব পৰা নাই। দুৰ্গাবৰাই নাৰৰীয়া হৈ লুইতৰ বুকুৰ পৰা দীপালী উৎসৱৰ আয়োজন চাই ধনী দুখীৰ সমস্যাৰ প্ৰতি সচেতন হৈ কৈছে—

'সোণৰ প্ৰদীপ সুগন্ধি তেলেৰে
ধনীয়ে শৰাই ধৰে,
প্ৰাণৰ চাকিত শলিতা জ্বলাই
অজলাই পূজা কৰে।"
— মোৰ দীপালী—

অজলাৰ ভক্তিৰ প্ৰতি কবিয়ে শ্ৰদ্ধা নিবেদন কৰি জাতীয় উৎসৱত যোগদান কৰিছে।

দুৰ্গাবৰাৰ কাব্যত জাতীয় জীৱনৰ বিভিন্ন সমস্যা প্ৰতিফলন হোৱা নাই; কিন্তু ভাৰতীয় দাৰ্শনিক চিন্তা প্ৰবাহৰ মূল মুক্ত প্ৰাণৰ স্পৃহা আৰু ৰোমাণ্টিক কাব্যৰ সৰলতা জন জীৱনৰ সৌন্দৰ্য্যবোধ একীভূত হৈ অসমীয়া প্ৰেম কাব্য জিলিকাই ৰাখিছে। সেয়ে স্বাধীনোত্তৰ কালৰ কাব্য জগতত 'বনফুল' বিশিষ্ট এখন ফুলনি।

মহেশ্বৰ নেওগ

মহেশ্বৰ নেওগৰ 'কবিতা' নামৰ কবিতাটোৱে অসমীয়া কাব্য সাহিত্যৰ প্ৰগতিবাদী চিন্তাৰ বিভিন্ন দিশ মুকলি কৰি; লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁঞিবৰুৱা আদি পূৰ্ব ৰোমাণ্টিক কবিসকলে কবিতা কাব্য সম্বন্ধে যি সূত্ৰ নিৰ্দ্ধাৰণ কৰিছিল, সেই সূত্ৰৰে আঁত ধৰি কাব্য কবিতাৰ তত্ত্বজ্ঞানৰ ধাৰা প্ৰবাহিত কৰিছে।

বেজবৰুৱা, গোহাঁঞিবৰুৱাই কাব্য কবিতাৰ লক্ষণ আৰু প্ৰয়োজন সম্বন্ধে সূত্ৰ নিৰ্দ্ধাৰণ কৰিছে, কিন্তু সৃষ্টিৰ পাতনিৰ দিনৰ পৰা বিকশিত অনাদি শক্তিয়ে কিদৰে মানৱ সভ্যতা সংস্কৃতিৰ বিকাশ সাধন কৰি কাব্য কবিতা ৰূপে সাংস্কৃতিক প্ৰবাহ চলমান কৰি ৰাখিছে, তাকে নেওগে ব্যাখ্যা কৰিছে। সেয়ে নেওগৰ 'কবিতা'ৰ যোগদি কাব্য-কলাৰ তাত্ত্বিক জ্ঞান আৰু ইয়াৰ প্ৰয়োগৰ ৰূপ প্ৰকাশ পাইছে।

ভাৰতীয় কাব্য সাহিত্য তথা দৰ্শনৰ যি সন্মিলিত প্ৰকাশে ভাৰতৰ সমাজ জীৱনৰ ব্যৱহাৰিক আৰু আধ্যাত্মিক দিশ প্লাবিত কৰি ৰাখিছে তাকেই নেওগে ঐতিহাসিক দৃষ্টিৰে প্ৰকাশ কৰিছে। নেওগে কাব্য কবিতাৰ বিভিন্ন ৰূপ প্ৰকাশ কৰোঁতে ভাব আৰু অনুভূতিৰো বিভিন্ন ৰূপ ধ্বনিত কৰিছে।

নেওগৰ বিৰাট উপলব্ধিৰ মূলতে হৈছে ব্যাপক আৰু গভীৰ কাব্য অধ্যয়নৰ যোগেদি লাভ কৰা ৰসাস্বাদনৰ আনন্দ। এই আনন্দত আত্মসমৰ্পণ কৰি যি বিৰাট শক্তি লাভ কৰিলে তাৰেই প্ৰকাশ 'কবিতা' নামৰ কবিতাটো।

অম্বিকাগিৰীয়ে তুমি কাব্যৰ সাতোটা ছেদৰ যোগেদি 'তুমি' আৰু মইৰ প্ৰভেদ দূৰ কৰিলে; সেইদৰে আন কেইবাজনো কবিয়ে 'তুমি' আৰু 'মইৰ' ব্যৱধান দূৰ কৰিবৰ বাবে ব্ৰহ্মাণ্ডত বিচৰণ কৰিছে। নেওগে তুমি' আৰু মই'ৰ ব্যৱধান কবিতাটোত ৰূপ দিয়া নাই যদিও; কাব্য সাধনাৰ আনন্দৰ যোগেদি তুমি ৰ স্তৰ পাৰ হৈ 'মই'ৰ অভিজ্ঞতাৰ স্তৰত প্ৰবেশ কৰিছে।

ভাৰতীয় শিল্পসাধনাৰ মূল 'ৰসো বৈ সঃ' উপলব্ধিৰ যোগেদি কবি নেওগৰ চিত্ত আলোড়িত হৈছে; সেয়ে বিভিন্ন ৰসৰ মাজেদি কবি নেওগে সেই অচিন্ত্য শক্তিৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া দেখিছে। সাম্প্ৰতিক কালৰ অনাত্মাবাদী ভাৰতীয় সংস্কৃতিৰ প্ৰতি বীতশ্ৰদ্ধ নবীন কবিসকলৰ প্ৰতি নেওগৰ এই কবিতা প্ৰত্যাহ্বান স্বৰূপ। এই প্ৰসঙ্গতে বেজবৰুৱাৰ উক্তি উল্লেখযোগ্য।

'সাহিত্যৰ যিটো নিজৰ অন্তৰাত্মা, নিজৰ স্বধৰ্ম, তাৰ পিঠিৰ ওপৰত পৰধৰ্মৰ গন্ধমাদন পৰ্ব্বত তুলি দিলে তাক চেপি মৰা হব মাথোন।' স্বাধীনতাৰ পূৰ্ব কালত ভাৰতীয় সংস্কৃতি আৰু অভাৰতীয় সংস্কৃতি প্ৰবলভাবে সংঘাতৰ সম্মুখীন হোৱা নাছিল। কিন্তু স্বাধীনোত্তৰ কালত এই সংঘাত প্ৰবলভাবে দেখা দিছে। সেয়ে ভাৰতীয় সংস্কৃতি জীয়াই ৰাখিব লাগিলে কাব্যৰ এই ধাৰাটো পুনঃ আধুনিকীকৰণ কৰিব লাগিব।

নৱকান্ত বৰুৱা

প্ৰাক স্বাধীনতা আৰু স্বাধীনতাৰ পৰৱৰ্ত্তী কালত ৰচনা কৰা নৱবৰুৱাৰ ঊনৈশটা কবিতাৰ সমষ্টি 'এটি দুটি এঘাৰটি

তৰা' (১৯৫৭) কাব্যই নতুন কবিতাৰ এটি দিশ মুকলি কৰিছে।

চতুদশ শতিকাৰ 'অপ্ৰমাদী' কবি মাধব কন্দলিৰ দিনৰে পৰা অসমীয়া কাব্য সাহিত্যৰ গতি বিধি নিৰীক্ষণ কৰি, সাম্প্ৰতিক কালৰ কোনো কোনো নতুন কবিৰ কাব্য সাধনাৰ বিভিন্ন দিশ লক্ষ্য কৰিলে অসমীয়া সাহিত্যৰ এটি সম্পূৰ্ণ বিজতৰীয়া ৰূপ দেখা যায়।

সাধাৰণতে অসমীয়া কাব্য সাহিত্যৰ কবি শিল্পী সকলে জাতীয় সংস্কৃতি বিকাশৰ বাবেহে ৰাজতন্ত্ৰৰ দিনৰ পৰা কাব্য সাধনা কৰি আহিছে। সেয়ে, কাব্যৰ নামকৰণ কৰোঁতেও বৈষ্ণৱ—ৰোমাণ্টিক কবিসকলে নন্দন তাত্ত্বিক দৃষ্টিৰে কাব্যৰ নামকৰণ কৰিছে। অনেক সময়ত নামৰ কোনো গভীৰ তাৎপৰ্য্য প্ৰকাশ নাপালেও, শিল্পীৰ ৰুচিবোধ আৰু কাব্যিক প্ৰেৰণাৰ সামগ্ৰিক ৰূপ কাব্যৰ নামটোৰ মাজেদিও ধ্বনিত হয়।

সেয়ে বৰুৱাৰ কাব্যৰ 'এটি দুটি এঘাৰটি তৰা' নামটোৱে সাধাৰণতে কবিয়ে অসীমৰ প্ৰতি স্পৃহা প্ৰকাশ কৰা বুলি ভবা যায়। ইংৰাজ ৰোমাণ্টিক কবি ওৱাৰ্ডছৱৰ্থে আকাশৰ বুকুলৈ চাই হাতী-পতীৰ দৃশ্যহে দেখিছিল, সেইদৰে ভাৱেমান অসমীয়া ৰোমাণ্টিক কবিয়ে আকাশৰ বুকুত তৰাবিলৰ সৌন্দৰ্য্যহে দেখিছে। এওঁলোকে আকাশৰ তৰাবিলাক গনি গনি সৌন্দৰ্য উপভোগ কৰা নাই। সেয়ে পোনতে দেখা যায় বৰুৱাৰ কাব্যৰ নামকৰণত খণ্ডিত দৃষ্টিহে প্ৰকাশ পাইছে; বৰুৱাই সামগ্ৰিক ভাবে আকাশৰ সৌন্দৰ্য উপভোগ কৰা নাই, কাৰণ বৰুৱাৰ দৃষ্টি অসীমমুখী নহয়।

কবি সকলে পোনপটীয়াকৈ দাৰ্শনিক চিন্তাধাৰা প্ৰচাৰ নকৰে যদিও, সুস্পষ্ট জীৱনবোধৰ মাজেদি কবি শিল্পীয়ে দাৰ্শনিক চিন্তা আৰু সৌন্দৰ্য্য বোধ জাগ্ৰত কৰি, জনসাধাৰণক জীৱন সংগ্ৰামত উদ্বুদ্ধ কৰি জাতীয় জীৱন গতিশীল কৰে। জাতীয় জীৱনৰ বিভিন্ন যুগত বিভিন্ন চিন্তা ধাৰাই জাতীয় সংস্কৃতি স্পৰ্শ কৰি গতিশীল কৰি নতুলিলে জাতিৰ জীৱন স্পন্দিত হৈ নাথাকে সেয়ে, কবি শিল্পীয়ে জাতিৰ প্ৰগতিৰ অৰ্থে স্বকীয় অভিজ্ঞতাৰে কিদৰে আত্মপ্ৰকাশ কৰে তাৰ বিচাৰৰ ওপৰতেই কলাকাৰৰ সৃষ্টিৰ সাৰ্থকতা বিচাৰ কৰা যায়।

'বশিষ্ঠত পিকনিক' (১৯৫৫) নামৰ কবিতাটো নৱবৰুৱাই সুদীৰ্ঘকাল কাব্য সাধনাৰ মাজেদি ৰচনা কৰিছে। কিন্তু সুদীৰ্ঘ কালৰ কাব্য সাধনাই নৱ বৰুৱাক জাতীয় সংস্কৃতিৰ প্ৰতি সজাগ নকৰিলে।

ৰঘুনাথ চৌধুৰী আৰু ইন্দ্ৰেশ্বৰ বৰঠাকুৰে বশিষ্ঠাশ্ৰমৰ শান্ত সমাহিত ৰূপ আৰু ভাৰতীয় সংস্কৃতিৰ পৰম সত্য আত্ম সাক্ষাৎকাৰ আৰু আত্মাৰ প্ৰশান্তি ৰূপ দি; ভাৰতীয় জীৱনৰ স্পষ্ট ৰূপ আঁকিছে।

কিন্তু বৰুৱাই কৰ্মক্লান্ত জীৱনৰ অৱসাদ আঁতৰাবলৈ পিকনিক খালে যদিও; আশ্ৰমৰ শোভা দৰ্শন নকৰিলে নাইবা মনৰ অৱসাদ আঁতৰোৱাৰ সমল বিচাৰি নাপালে। যি শিল্পীৰ হৃদয়ত মনোৰমা পৰিবেশে তন্ময়তা জাগ্ৰত কৰি বিমল আনন্দ উপভোগ কৰাৰ প্ৰেৰণা সৃষ্টি নকৰে; সেই শিল্পীয়ে আনৰ হৃদয়তো ৰসৰ সঞ্চাৰ নকৰে।

শিল্পীৰ হৃদয়ত ইন্দ্ৰিয় লালসাই গভীৰ ভাৱে ক্ৰিয়া কৰি থাকিলে পৰমানন্দই অন্তৰ আলোকিত নকৰে। যিদৰে মলিয়ন আচীয়ে সূৰ্য্যৰ পোহৰ প্ৰতিফলন নকৰে; সেইদৰে ইন্দ্ৰিয় সুখাভিলাষী ব্যক্তিয়ে জাতীয় সংস্কৃতিৰ কোনো উজ্জ্বল ৰূপ দেখা নাপায়। বাস্তৱৰ সংঘাত আৰু সাত্ত্বিক জীৱনৰ আনন্দ ৰূপ দিব পৰাতেই কাব্যৰ সাৰ্থকতা। এই বিষয়ত বৰুৱাৰ সম্পূৰ্ণ ব্যৰ্থতা।

বৰুৱাই ছয়দিনীয়া কৰ্মক্লান্ত জীৱনৰ ক্লান্তি দূৰ কৰিবৰ বাবে বশিষ্ঠাশ্ৰমত পিকনিক খাই; শান্তি নেপাই পুনঃ বুদ্ধগয়াৰ বোধি-দ্ৰুমৰ ওচৰলৈ গতি কৰিলে। কিন্তু বৰুৱাই বোধিদ্ৰুমৰ খৰি' কবিতাত শান্তি বিচাৰি পালে নাৰী দেহৰ নগ্ন সৌন্দৰ্য্যত। সেয়ে বৰুৱাই কৈছে—

"আমাৰ কাৰণে শান্তি
পোনাটি বুকুতলৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা ঘাম চেচাঁ ছাল।"

বৰুৱাৰ পিকনিকত শান্তিৰ বাবে 'মমিমালা' আৰু পোনা আছে; সেইদৰে বৰুৱাৰ শান্তিৰ অনুষ্ঠান হল; পোনাটিক বুকুত লৈ থকা নগ্ন নাৰীৰ দৃশ্য।

কবি বৰুৱাৰ শান্তিৰ অন্য সমল হৈছে 'চিৰ শিশু মানুহৰ মহা মূঢ়তাত' আৰু 'জীৱিকাৰ জীৱনৰ আৱৰ্ত আনিব খোজা এমুঠি মৰম'। বৰুৱাই তেওঁৰ কবিতাৰ তত্ত্বৰ সমৰ্থনৰ কাৰণে এজন ইংৰাজ কবিৰ উদ্ধৃতিও দিছে।

বৰুৱাই চিৰশিশুৰ সৰলতাৰ মূঢ়তাৰ বাণী প্ৰচাৰ কৰক তাত আপত্তি নাই; কিন্তু বোধিদ্ৰুমৰ খৰি কৰি খাই অসমীয়া সমাজক সংস্কৃতি বিৰোধী আৰু জ্ঞান পিপাসাহীন জীৱন যাপন কৰাৰ প্ৰেৰণা যোগোৱাৰ যুক্তি বিচাৰি পোৱা নাযায়। যিখন দেশত 'নহি জানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' বাণী প্ৰচাৰিত হৈছিল সেইখন দেশত অজ্ঞতাৰ জয়গান গোৱাটো সংশয়বাদী কবি চিত্তৰ তমসাবৃত অৱস্থা মাথোন।

বৰুৱাই বশিষ্ঠাশ্ৰম' আৰু বোধিদ্ৰুমক কেন্দ্ৰ কৰি সমাজৰ এক শ্ৰেণীৰ লোকৰ ভাবধাৰাক ৰূপ দিলেও, প্ৰকৃততে বৰুৱাই নেতিধৰ্মী দৃষ্টি ভঙ্গীৰে ভাৰতীয় সংস্কৃতিৰ প্ৰতি বিৰূপ মনোভাৱ প্ৰকাশ কৰিছে। সেয়ে বৰুৱাই স্পষ্টভাৱে জীৱনৰ গতিপথ দেখা নাই।

ৰোমাণ্টিক কবি ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা অৱসাদ ৰোগাক্ৰান্ত হলেও; ভাৰতীয় সংস্কৃতিৰ গতিশীল ৰূপ দেখিছে; কিন্তু ইন্দ্ৰিয় সুখাভিলাষী বিকৃত ৰুচিৰ বৰুৱাই নিজেও অৱসাদ ভোগ কৰিছে আৰু কলাকো তমসাচ্ছন্ন কৰিছে। বৰুৱাৰ এই মানসিক সংঘাত সমাজ জীৱনৰ গ্লানিৰ পৰা সৃষ্টি হোৱা নাই; বৰুৱাৰ বেদনাৰ মূলত হৈছে অতৃপ্ত জৈবিক বাসনা।

বৰুৱাৰ 'মনত পৰেনে অৰুন্ধতি' (১৯৫৩) এটি প্ৰেমৰ কবিতা; কিন্তু ৰোমাণ্টিক যুগৰ প্ৰেমৰ কবি সকলৰ দৈহিক আকৰ্ষণ আধ্যাত্মিক স্তৰলৈ উন্নীত হল যদিও, বৰুৱাৰ জৈবিক বাসনা প্ৰেম ৰসলৈ তথা আধ্যাত্মিক স্তৰলৈ উন্নীত নহল।

কলংপৰীয়া কবি দেৱবৰুৱাই কলঙৰ পাৰত বিষাদৰ চকুলো টোকাৰ দৰে; নৱবৰুৱায়ো কলঙৰ পাৰত বহি 'পলস' (১৯৫৪) কবিতাত চকুলো টুকি কৈছে—'সপোন অন্ধ যি গলিত আমি থাকোঁ তাৰে নয়ান ভুলিত সিহঁতৰ ভৱিষ্যত।' নৱবৰুৱাৰ ভাবধাৰা দেৱকান্ত

বৰুৱাৰ আদৰ্শৰ দ্বাৰা নিয়ন্ত্ৰিত। সেয়ে কলংপৰীয়া বৰুৱা দ্বয়ৰ ইন্দ্ৰিয় কাতৰতা আৰু ব্যগ্ৰতা।

জৈৱিক বাসনা পৰিতৃপ্তি নোহোৱা কবি বৰুৱাই কৈছে—

'ক্ষিধাৰ ভাৰবাহৰ আমাৰ ই তাল পাৰা
কৰিব তোলে দুখৰে সুন্দৰ।
সন্দেহৰ ভ্ৰূকুটিৰ ৰেখা
কষটি শিলত সিযে
কাঞ্চনৰ লেখা।'

—স্বগতঃ—

বৰুৱাৰ এই স্বগতঃ উক্তিৰ সন্দৰ্ভত ভগৱদ্গীতাৰ বাণী উদ্ধৃত কৰিব পাৰি—

"অজ্ঞশ্চাশ্ৰদ্দধানশ্চ সংশয়াত্মা বিনশ্যতি।
নায়ং লোকোঽস্তি ন পৰো ন সুখং সংশয়াত্মনঃ।"
গীতা ৪।৪০

অৰ্থাৎ সংশয়বাদী অজ্ঞানীৰ কোনো কালে সুখ-শান্তি নাই।

ভগৱদ্গীতাই কবি সকলক শ্ৰেষ্ঠ পদ দান কৰিছে। কিন্তু কবি নামধাৰী যি ব্যক্তিৰ জ্ঞান স্পৃহা নাই, নাইবা ইন্দ্ৰিয় সংযম নাই সেই কবিৰ হৃদয়ৰ পৰা কেতিয়াও কিবা দৰ্শন নহয়। সেয়ে দেৱবৰুৱাই 'কানাৰ দৰে 'মনৰ মানু' মোৰ ভোকতে শুকায়' উক্তিৰ সন্দৰ্ভত নৱবৰুৱাই কৈছে—

হে আকাশ তুমি আকাশ পিয়াসী প্ৰাণৰ বাসনা নহা।'
নৱবৰুৱাৰ আকাশৰ সৌন্দৰ্য্য সম্পৰ্কত মাজেদিও ইন্দ্ৰিয় লালসাই প্ৰকাশ পাইছে। নৱবৰুৱাই কেতিয়াও অতীন্দ্ৰিয় আনন্দ উপভোগ কৰা নাই। বৰুৱাৰ সমগ্ৰ কাব্যৰ মাজেদি প্ৰকাশ পোৱা জৈৱিক বাসনা আৰু অতৃপ্ত বেদনাৰ ৰূপৰ প্ৰকাশৰ পৰা নৱবৰুৱাক দেৱবৰুৱাৰ অন্যৰূপ বুলিহে কব পাৰি।

প্ৰাক স্বাধীনতা নাইবা স্বাধীনোত্তৰ কালত ৰচিত এই কাব্যৰ কোনোটো কবিতাৰ মাজেদি বৰুৱাৰ প্ৰগতিবাদী ৰাজনৈতিক, নাইবা সামাজিক চেতনা প্ৰকাশ পোৱা নাই। ৰোমাণ্টিক কবি সকলৰ

কোনো কোনোৱে পলায়নবাদী ভাব লৈ সমাজৰ কৰ্মবহুল জীৱনৰ পৰা আঁতৰি গলেও; দাৰ্শনিক চিন্তাৰ আৰু কল্পনাৰ দৈন্য প্ৰকাশ কৰা নাই।

কিন্তু বৰুৱাই চিন্তাৰ দৈন্যৰ বাবে তেওঁৰ কাব্যত জাতীয় সংস্কৃতি প্ৰৱেশ কৰা নাই; নাইবা অনাত্মাবাদী ইন্দ্ৰিয়সুখাভিলাষী কবি বৰুৱাই ব্যক্তি নাইবা সমাজ জীৱনৰ গভীৰতম স্থানত প্ৰৱেশ কৰি জীৱনৰ মহান সত্য তথা জ্ঞানৰাজিক ৰূপ দিব পৰা নাই। সেয়ে এনে কাব্য সাধনাই কবিৰ মানসিক তৃপ্তি সাধন কৰিলেও; কাব্য সাহিত্যৰ ইতিহাসত এনে কলানুশীলন নিষ্ফল। জাতীয় জীৱনৰ পাতনী বা আখি জনসমাজৰ আশা আকাংক্ষা বাপাৱণৰ মাজেদি কবিয়ে আত্ম প্ৰকাশ কৰিব পাৰিলেহে, কবিৰ সাৰ্থকতা।

সংক্ৰামক ৰোগ দৰে কলাজগতৰ অৱসাদ ৰোগে ব্যাপক ভাবে স ক্ৰমিত হৈ তাৰ শিল্পসাধনা আধোগামী কৰে। তেতিয়া শিল্পীৰ প্ৰাণত সত্য দয়া, স্নেহ, ধৈৰ্য্য জ্ঞান পিপাসা, উদ্যম আদি দৈৱী সম্পদ সমূহ সঞ্চাৰ নহয়। শিল্প নিম্নগামী হোৱাৰ লগে লগে মানসিক বোধ পাতাল ভাৱনা অধিকাৰ কৰে।

অমলেন্দু গুহ

স্বাধীনতাৰ যুগৰ নতুন কবিতাৰ প্ৰবাহৰ এটি ৰূপ প্ৰকাশ পাইছে অমলেন্দু গুহৰ 'তোমালৈ' (১৯৬০) কাব্যত। গুহই এই কাব্যৰ দ্বিতীয় সংস্কৰণৰ (১৯৬৪) পাতনিত নতুন কবিতাৰ ধাৰা আৰু জনপ্ৰিয়তা সম্বন্ধে এটি মন্তব্য কৰিছে। "আজিকালি কবিতাই জনপ্ৰিয়তা হেৰুৱাইছে বুলি যনাই তোলা অভিযোগটো মানিবলৈ টান পাইছোঁ। কাৰণ মোৰ নিজা অভিজ্ঞতা বেলেগ। প্ৰকাশিত হোৱাৰ আঢ়ৈ বছৰৰ ভিতৰত তোমালৈ'ৰ এঘাৰশ কপি নিঃশেষিত হৈছিল আৰু প্ৰকাশকৰ পৰা দ্বিতীয় সংস্কৰণৰ পাণ্ডুলিপি সাজু কৰিবলৈ তাগিদ পাইছিলো। মোৰ বিশ্বাস, কবিতাক দুৰ্বোধ্য কৰাৰ কৃত্ৰিম প্ৰচেষ্টা বৰ্জিত হ'ব কবি আৰু সহৃদয় ৰসগ্ৰাহীৰ মাজত সহযোগিতাৰ বাট আৰু বহল হব।"

কবি গুহই 'তোমালৈ' কাব্য প্ৰকাশ কৰাৰ পূৰ্বেই নতুন কবিতাৰ বিষয়ে প্ৰবীণ কবিসকলৰ সমালোচনা সমূহৰ প্ৰতি সজাগ হোৱা দেখা যায়। সেয়ে, গুহৰ কাব্য কলা আৰু প্ৰগতিবাদী চিন্তাৰ সমন্বয়

আৰু প্ৰথম সংস্কৰণৰ পুথিবোৰ বিক্ৰীৰ মাজেদি লাভ কৰা অভি-জ্ঞতাই কেনে ৰূপ লৈছে বিচাৰ।

ৰাজনৈতিক পট পৰিবৰ্তনৰ লগে লগে জাতীয় জীৱনৰ নানান অভিজ্ঞতা আছে; প্ৰকৃত চিন্তাশীল শিল্পীয়ে এই অভিজ্ঞতা সমূহৰ জাতীয় সংস্কৃতিৰ প্ৰকৃত সপি দি সুসংবদ্ধ ভাবৰ মাজেদি আত্ম প্ৰকাশ কৰি সমাজক নতুনৰ সন্ধান দিয়ে।

গুহই কাব্যখন ইন্দ্ৰিয়সুখৰ প্ৰতি বীতস্পৃহা আত্ম-মৰ্যাদা সম্পন্ন প্ৰজনী গাভৰুৰ প্ৰতি উদ্দেশ্য কৰি নামকৰণ কৰিছে। ৰোমাণ্টিক যুগৰ কবি সকলে নাৰীৰ প্ৰেমৰ যোগে আত্মজ্ঞান লাভ কৰিলও কৰ্তব্য ক্ষেত্ৰত জপিয়াই পৰিবলৈ নাৰীক আহবান জনোৱা নাই। কিন্তু কবি গুহই নাৰী হৃদয়ৰ সুপ্ত শক্তি জাগ্ৰত কৰিবৰ বাবে কৈছে—

'সেয়ে দেহৰ পাৰ ভাঙি দি দেহোত্তীৰ্ণ মনে
বক্ষৰ বৈকুণ্ঠ ভেদি গীত হৈ বোৱতী হওক।"
— তোমালৈ—

সমাজ জীৱনৰ নতুন ৰূপৰ বাবে নাৰীয়ে যৌৱনৰ চাঞ্চল্য দৰ কৰি পুৰুষৰ কৰ্মত প্ৰেৰণা যোগাব লাগিব। বাস্তৱিকতে গুহই এই ক্ষেত্ৰত নতুন দৃষ্টিভঙ্গীৰ পাতনি মেলিছে। নাৰীক ক্ষণভঙ্গুৰ যৌৱন আৰু আধ্যাত্মিক শক্তি সৌৰৱাই দি গুহই নাৰীক শ্ৰদ্ধা নিবেদন কৰিছে। সেয়ে নতুন কবিতাই সমাজ সচেতন গুহৰ কবি মানসত ভিন্ন দৃষ্টিভঙ্গীৰ সূচনা কৰিছে। গুহই 'তোমালৈ' কবিতাৰ প্ৰথম ছেদতে দেহকান্ত বক্ষৰ 'মনোৰোমা'ক ভ্ৰূকুটি কৰিছে।

গুহই কৈছে যে তেওঁৰ কবিতা সংকলনৰ কবিতা সমূহৰ প্ৰত্যেকটো স্বতন্ত্ৰ। ধাৰাবাহিক ভাবৰ প্ৰবাহ নহয়। কিন্তু প্ৰকৃততে কবিৰ স্পষ্ট জীৱনবোধ আৰু সুস্থ আদৰ্শ থাকিলে ভিন্ন সময়ত ৰচিত কবিতাৰ মাজেদিও চিন্তাধাৰাৰ ঐক্য প্ৰকাশ পায়।

গুহই বিশ্বসাহিত্যৰ ভাব অসমীয়া জাতীয় জীৱনৰ লগত আৰু দেশীয় সংস্কৃতিৰ গভত জীণ নিয়াবৰ চেষ্টা কৰা বুলি কৈছে। ৰোমাণ্টিক যুগতো কবি শিল্পী সকলে বিশ্বসাহিত্যৰ ভাব অসমীয়া সাহিত্যলৈ আনিছে। ৰোমাণ্টিক যুগৰ কবি সকলৰ প্ৰধান লক্ষ্য আছিল সাহিত্য সংস্কৃতিৰ বিকাশৰ দ্বাৰা স্বাধীনতাৰ বাবে জাতিৰ

আত্ম মৰ্য্যাদা জাগ্ৰত কৰা। তদুপৰি, প্ৰাকস্বাধীনতাৰ যুগত স্বদেশী আন্দোলন তথা বিলাসী বস্তু বৰ্জনৰ ধ্বনিয়ে কলাকাৰ সকলক বিদেশী ভাব দেশীয় চিন্তাধাৰাত লীন নিয়াবলৈ প্ৰেৰণা যোগাইছিল। সেয়ে এই যুগত বিদেশী সাহিত্যৰ পৰা এনেবোৰ ভাব গ্ৰহণ কৰা হৈছিল, যিবোৰ ভাৰতীয় দাশনিক চিন্তাৰ লগত সঙ্গতিবিহীন নহয়।

কিন্তু স্বাধীনতাৰ পাচত ভাৰতৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনত এই আদৰ্শ ভ্ৰষ্ট হোৱা বাবে কলাৰ সাধনাতো অজীৰ্ণ ৰোগে দেখা দিলে। তদুপৰি স্বাধীনোত্তৰ যুগৰ নতুন কবিতাৰ ৰচক সকলে ভাৰতীয় দাশনিক চিন্তা আৰু অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰাটোৰ বিষয়ে জ্ঞান আহৰণ কৰা নাই। সেয়ে কাব্য কলাৰ জগতত ন পুৰণিৰ সংঘাত।

গুহই বিদেশী কবিতাৰ ভাববাজি অসমীয়া সাহিত্যৰ ভড়াললৈ অনাৰ চেষ্টা কৰি, 'মোৰ কবিতা' নামৰ কবিতাত কাব্য কবিতাৰ বিষয়বস্তু উদ্দেশ্য, পটভূমি আদি সম্বন্ধে আলোচনা কৰিছে। গুহই বস্তুবাদী দৃষ্টিভঙ্গীৰে নতুন কবিতাৰ ৰেহৰূপ তথা আধুনিক বিলাসী জীৱনৰ চিন্তা আৰু ৰুচিহীনতাৰ ৰূপ অঁাকিছে। গুহই বিজ্ঞানৰ অৱদান স্বীকাৰ কৰি লৈ; বিলাসী জীৱনৰ ইন্দ্ৰিয় লালসা নগ্ন কলাৰ সাধনা আৰু অৱসাদ ৰোগাক্ৰান্ত কাব্যকাৰ সকলক সমালোচনা কৰিছে। সমালোচনাত্মক বাস্তৱবাদী দৃষ্টিভঙ্গী গুহৰ কাব্যত প্ৰকাশ পাইছে।

গুহই কবিতাৰ বিষয়বস্তু আৰু পটভূমি হিচাবে জনজীৱনকে বাচি লৈছে। সেয়ে, লুইত পৰীয়া নদীয়াল, তাতৰ শালৰ শিপিনী, ধাননি পথাৰ, চাহ বাগিচাৰ সৌন্দৰ্য আদিৰ দৃশ্য অঙ্কণ কৰাৰ চেষ্টা কৰিছে।

কিন্তু ৰোমাণ্টিক যুগৰ কবি সকলে জনজীৱনৰ স্বৰূপ উপলব্ধি কৰি, যিদৰে মালিতা আদিৰে বনগীত বিহুগীত আদিৰ প্ৰাণ শক্তিৰ উদ্ধাৰ কৰি জনজীৱনৰ ওচৰ চাপিছিল, গুহই সেইদৰে আন্তৰিকতাৰে জনজীৱনৰ লগত একাত্মবোধ স্থাপন কৰিব পৰা নাই। জীৱনৰ গভীৰতাত প্ৰবেশ কৰিব নোৱাৰাই মূল কাৰণ।

তথাপি আধুনিক গতানুগতিক ৰুচিহীন চিন্তা বিমুখ প্ৰতিক্ৰিয়া-শীল মধ্যবিত্ত শ্ৰেণীৰ কপটতা আৰু ব্যৰ্থতাৰ হা-হুতাশৰ বিৰুদ্ধে গুহই কৈছে—

"মোৰ পৃথিৱীত কলাৱতী নগ্নতাৰ ভিৰ,
কামনাৰে কুঁজী নাৰী নখ যাৰ তেজেৰ বাঙলী
নাই ব্যথ হমুনয়াহ আছে প্ৰেম বলিষ্ঠ বাহুৰ
শিৰাত সংযম আৰু গাভৰুৰ চকুত বিজুলী।"

এই বিষয়ত গুহই প্ৰবীণ ৰোমাণ্টিব কবি সকলৰ ভাব প্ৰতিধ্বনিত কৰিছে।

জনজীৱনৰ সান্নিধ্য বিচাৰি গুহই দেওবাৰে ৰূপাজুলি চাহ বাগিচাত সোমাল। দেওবাৰে বাগিচাৰ বনুৱা আৰু অন্যান্য কৰ্মচাৰী সকলে কিদৰে জীৱনটো কটায় তাৰ চিত্ৰ আঁকিবলৈ গৈ, গুহই বিলাসী জীৱনৰ প্ৰাচুৰ্য আৰু বনুৱাৰ হাড়ভঙা শ্ৰমৰ ক্লান্তিৰ মাজেদি সমাজৰ অৰ্থনৈতিক বৈষম্য দেখুৱাইছে।

কিন্তু নতুন কবি সকলে জনজীৱনৰ সকলো অভিজ্ঞতাকে কাব্যৰ মাধ্যম প্ৰদান কৰিব পৰা শিল্পকৌশল আয়ত্ব কৰিব পৰা নাই। প্ৰকৃততে সকলো বিষয় বস্তুৱেই কবিতাৰ বিষয় বস্তু হব নোৱাৰে। জন-জীৱন নাইবা অন্য যি কোনো কাহিনী কবিৰ হৃদয়ৰ যোগে কাব্যিক মাধুৰ্য প্ৰাপ্ত হবলৈ হলে, বিষয় বস্তু প্ৰাণৰ গভীৰতাৰ লগত সংযোজিত হব লাগিব; আৰু শিল্পীয়ে বিচিত্ৰ কৌশল আয়ত্ব কৰি জনজীৱনৰ সৌন্দৰ্য বোধ প্ৰকাশ কৰিব লাগিব। গুহই ৰূপাজুলি বাগিচাৰ দৃশ্যৰ মাজেদি কলাসুলভ মনোভাব প্ৰকাশ কৰিব পৰা নাই।

বিষয় বস্তুৰ মহত্ব নহলে যে কবিতা উচ্চ পৰ্য্যায়ৰ হব নোৱাৰে, তাৰ উদাহৰণ, বেজবৰুৱাৰ 'পকাচুলি' গোহাঁঞিৰ বৰুৱাৰ 'ওৰণী' আদি কবিতা সমূহ। অৱশ্যে ৰোমাণ্টিক যুগৰ কবিসকলে জীৱনৰ চাহিদা দিশটো মুকলি কৰাৰ বাবেও লঘু বিষয় বাচি লৈছে। নতুন কবিসকলৰ কাব্যত হাস্যৰসৰ স্থান প্ৰায়েই নাই। সেয়ে গহীন বিষয় নহলে নাইবা আবৰণ নাথাকিলে কবিতা উচ্চ গুণ-যুক্ত নহয়।

সেইদৰে 'গাৱঁৰ চিঠি' আৰু 'চিঠিৰ উত্তৰ' নামৰ কবিতা দুটাৰ মাজেদি গুইহ গাৱঁলীয়া জীৱনৰ সন্মুখত দেখা দিয়া ৰাজনৈতিক সমস্যা আৰু শাসন যন্ত্ৰৰ দুৰ্নীতি দেখুৱাৰ চেষ্টা কৰিছে। কিন্তু ইয়াতো বাস্তৱ সমাজজীৱনৰ সমস্যা সমূহে হাস্য-ব্যঙ্গাত্মক ৰূপ পোৱা নাই, নাইবা গহীন ভাবৰ মাজেদি সামাজিক বেদনা ঘনীভূত কৰি

জনসাধাৰণৰ জীৱনৰ সংঘাতক ভাবময় কৰি তুলিব পৰা নাই। ৰোমাণ্টিক কবি সকলে এনেবোৰ বিষয়ৰ বাবে তীব্ৰ ব্যঙ্গ প্ৰয়োগ কৰিছে। তদুপৰি চন্দ্ৰকুমাৰ আগৰৱালাই যি সৌন্দৰ্য আৰু দাৰ্শনিক তত্ত্বৰ মাজেদি গহীন ভাবে 'বীণ বৰাগী' কবিতাত বিশ্বৰ পদদলিত জনগণৰ ছবি আঁকিছে গুহই সেই তাত্ত্বিক জ্ঞান লাভ কৰা নাই।

গুহৰ 'লুইত পাৰৰ গীত' কবিতাত শিল্পীৰ অন্তৰাত্মাৰ যিটো দিশ প্ৰকাশ পাইছে, তাৰ দ্বাৰা কবি গুহই অসমৰ কৃষক আৰু মজদুৰ সকলক ঐক্যবদ্ধ ভাবে বিশ্বত এখন শোষণ বিহীন আদৰ্শ মানৱ সমাজ স্থাপনৰ বাবে দৃঢ় প্ৰতিজ্ঞ হবলৈ আহ্বান জনাইছে।

বিশ্বৰ সন্মুখত দেখা দিয়া যুদ্ধ আৰু শান্তিৰ সমস্যা নিৰ্ভৰ কৰিছে শোষণ বিহীন সমাজৰ আদৰ্শ ৰূপায়ণৰ ব্যৱস্থাত। এই শোষণ বিহীন বিশ্ব মানৱ সমাজ প্ৰতিষ্ঠাৰ আদৰ্শ অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক যুগৰ ভালেমান কবিয়ে নিজা নিজা অভিৰুচি ৰূপ ব্যাখ্যা কৰিছে। সেয়ে গুহৰ এই আদৰ্শত মৌলিকতা নাই।

কিন্তু, গুহই অৱশ্যে কৃষক মজদুৰৰ যোগেদি বিশ্বত সাম্যবাদী মতবাদ প্ৰচাৰ কৰাৰ আদৰ্শত লুইত পৰীয়া কৃষক মজদুৰৰ পতাকা উৰোৱা ক্ষেত্ৰত শ্ৰেণী সংগ্ৰামৰ যোগে ভিন্ন আদৰ্শ দাঙি ধৰিছে। গুহৰ লুইত পৰীয়া কৃষক মজদুৰে 'আনামৰ ধাননি' পথাৰত, 'মালয়ৰ টিনৰ খনিত,' যি যুৱকে ষ্টালিনগ্ৰাদত আনন্দৰ সৌধ গঢ়ি তোলে,' তেনে কৃষক মজদুৰ যুৱকক ভাই বুলিব।

কিন্তু ভাৰতৰ অন্যান্য অঞ্চলৰ কৃষক মজদুৰক লুইত পৰীয়া কৃষকে ভ্ৰাতৃজ্ঞান কৰিব নালাগে নেকি? ভাৰতৰ জনজীৱনৰ লগত গুহৰ লুইত পৰীয়া কৃষক মজদুৰে সংযোগ স্থাপন নকৰে। বিশ্বৰ কৃষক মজদুৰক ভাই বুলি আকোঁৱালি লোৱাত দোষ নাই, কিন্তু ভাৰতীয় জাতীয় জীৱনলৈ সুখ শান্তি সাম্য মৈত্ৰীৰ ভাব নাহিলে বিশ্বৰ দৰবাৰ মিছা। গুহই ভাৰতৰ ভিতৰতে সংঘাত সৃষ্টি হৈ অন্তৰ্জাতিক কমিউনিজিমে ভাৰতৰ স্বাধীনতা হৰণ কৰা বিচাৰে নেকি? ৰোমাণ্টিক কাব্যই ভাৰতীয় জাতীয়তাবাদ দুৰ্বল কৰা নাছিল, শ্ৰেণী সংগ্ৰাম নোহোৱাকৈ সাম্যবাদী আদৰ্শ প্ৰতিষ্ঠাৰ চেষ্টা কৰিছিল।

গুহই বিপ্লৱ পন্থিবাদী শাসন ব্যৱস্থাৰ সৰ্ব্বগ্ৰাসী শান্তি হৰণ কৰা শক্তিৰ কথা উল্লেখ কৰিছে কিন্তু 'সঙাভূত'ৰ আক্ৰমণ মিছা বুলি কৈছে। মূঠতে উত্তৰ পৰ ভাৰতত ভাৰতীয় জাতীয়তাবাদী চিন্তা দুৰ্বল কৰি অসমক বিচ্ছিন্ন কৰাই গুহৰ উদ্দেশ্য।

লুইত পৰীয়া কৃষক মজদুৰৰ সাংস্কৃতিক বিকাশৰ বাবে গুহই বনগীত বিহুগীতৰ মাজেদি গৈছে, কিন্তু ভাৰতীয় আধ্যাত্মিক জীৱনৰ দাৰ্শনিক চিন্তাৰাজি গীতৰ মাজেৰে লুইতৰ পাৰলৈ ওহা নাই। সেয়ে, বৈদিক যুগৰ পৰা ভাৰত অসমৰ যি সাংস্কৃতিক যোগাযোগ আছিল, সাম্প্ৰতিক কালৰ বাম-পন্থী বস্তুবাদী দৰ্শনে ভাৰত অসমৰ ৰাজনৈতিক অৰ্থনৈতিক সাংস্কৃতিক সংযোগ বিচ্ছিন্ন কৰিবৰ উপক্ৰম কৰিছে। সেয়ে কলাৰ আৰু ৰাজনীতিৰ আদৰ্শৰ সংঘাত।

ভাৰতৰ অধ্যাত্মবাদী চিন্তাৰে পৰিপূৰ্ণ হৃদয় লৈ চন্দ্ৰকুমাৰ আগৰৱালাই গভীৰ আন্তৰিকতাৰে বিশ্বমানৱক 'মানৱ বন্দনা কবিতাত কৰ্ম ধৰম মৰমৰ উপচাৰেৰে পূজা কৰিছে; কিন্তু বামপন্থী আদৰ্শ পৰায়ণ কবিৰ হৃদয়ত অধ্যাত্মবাদী কবিৰ পবিত্ৰতা আৰু আন্তৰিকতা নাই। চন্দ্ৰকুমাৰ আগৰৱালাই যি নিষ্ঠাৰে বিশ্বৰ শান্তিৰ হকে সত্য প্ৰতিষ্ঠাৰ আহ্বান জনাইছে; গুহৰ কবিতাত সেই সত্য শিৱ সুন্দৰৰ আদৰ্শ ৰূপায়ণৰ প্ৰেৰণা নাই।

কিন্তু তথাপিও গুহই গীতটোৰ শেষত কৈছে—

"বাৰুদৰ দিন শেষ নাহৰ ফুল ফুলিবৰ বতৰ
সুবেৰে উতলা হক মিচিচিপি হোৱাংহোৰ ঢউ
মানুহৰ ঘৰে ঘৰে নিবিবাদে ঘূৰক যতৰ।"

গুহৰ এই উদাৰতাৰ বাণীত শিল্পী হৃদয়ৰ শান্তিৰ কামনা আছে। গুহই গান্ধীৰ আদৰ্শক শ্ৰদ্ধা জনাইছে।

কবি শিল্পী গুহৰ অসমীয়া সাংস্কৃতিক জীৱনৰ আৰু প্ৰাচীন ঐতিহ্যৰ প্ৰতি 'বামুণী পাহাৰ' আৰু 'ভালুক পুং' কবিতা দুটাৰ মাজেদি যি মনোভাব প্ৰকাশ পাইছে, তাত অতীতৰ প্ৰতি ক্ষোভ শ্ৰদ্ধা, কাৰুণ্য আৰু বিস্ময় ৰূপ পাইছে।

ৰাজনৈতিক আদৰ্শ প্ৰচাৰৰ বাবে ৰচনা কৰা কবিতা সমূহত গুহৰ অন্তৰাত্মা বিগলিত হোৱা নাই, ইয়াৰ কাৰণ অতি বাস্তৱে

কবিৰ চিত্ত আলোড়িত কৰা নাই। সেয়ে কবি গুহৰ সৃষ্টি প্ৰতিভা বিচাৰ কৰিব লাগিব ৰোমাণ্টিক ধৰ্মী কবিতা সমূহৰমাজেদি।

কমলাকান্ত ভট্টাচাৰ্য্যই শোণিতপুৰৰ ভগ্ন শিলাখণ্ডৰ মাজেদি অতীত ইতিহাস বিচাৰি চকুলো টোকাৰ দৰে; গুহই বামুণী পাহাৰত অৱস্থিত মন্দিৰৰ ধ্বংসাৱশেষৰ মাজৰ পৰা হিন্দু সভ্যতাৰ এটা অভিশাপ উদ্ধাৰ কৰিছে। গুহই শ্ৰদ্ধা আৰু কাৰুণ্যৰ মাজেদি অতীতৰ সাংস্কৃতিক জীৱনৰ মাধুৰ্য সুঁৱৰি, দেৱতাৰ মন্দিৰত অভিশপ্তা হৈ থকা দেৱদাসীক সপোনৰ পৰিৱেশৰ মাজেদি সৃষ্টি কৰি হিন্দু সভ্যতা পতন হোৱাৰ এটি সত্য আলোকিত কৰিছে।

যি ভাৰতত ঋষি মুনিৰ অভিশাপে ব্যক্তি নাইবা ৰাষ্ট্ৰৰ উত্থান পতন ঘটাইছিল, সেই ভাৰতৰ দেৱদাসীৰ অভিশাপে নিশ্চয় সভ্যতাৰ পতন ঘটাব পাৰে। গুহৰ এই কবিতাটোত মৌলিক চিন্তা প্ৰকাশ পাইছে; আৰু বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদি ৰোমাণ্টিক কবিসকলৰ শিল্প কৌশল ধ্বনিত হৈছে।

অসমীয়া কাব্য সাহিত্যত দেৱদাসী বিষয়ক যি কেইটা কবিতা ৰচিত হৈছে; তাৰ ভিতৰত গুহৰ বামুণী পাহাৰ কবিতাৰ দেৱদাসীৰ হৃদয়ৰ মানৱীয় আবেদন আৰু ধৰ্মক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গ্লানিৰ ৰূপৰ প্ৰকাশ নিঃসন্দেহে শ্ৰেষ্ঠতম।

সেইদৰে 'ভালুক পুত্ৰ' অৰণ্যৰ নৈশ সৌন্দৰ্য আৰু বিস্ময়পূৰ্ণ সৌন্দৰ্য উপভোগৰ মাজেদি প্ৰকাশ পোৱা আনন্দৰ ৰূপ চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বন কুঁৱৰী' আৰু 'জলকুঁৱৰী' কবিতাৰ বিস্ময়পূৰ্ণ আবেগ অনুভূতিৰ লগত সাদৃশ্য আছে। গুহ নিঃসন্দেহে আদৰ্শবাদী চিন্তাৰ পূজাৰী; বাস্তৱে তেওঁৰ অন্তৰ বিগলিত নকৰে। 'স্বয়ংবৰা' কবিতাটো আদৰ্শবাদী ভাবে কবিক গতি শক্তি দিছে।

গুহৰ 'স্বয়ংবৰা' কবিতাটোৰ মাজেদি যি আদৰ্শবাদী তথা ৰোমাণ্টিক ভাবাদৰ্শই প্ৰাচ্য পাশ্চাত্য চিন্তাধাৰা সামৰি লৈ; স্বয়ংবৰা' ৰূপে অসমভূমিক তথা অসমৰ প্ৰগতিবাদী কবি মানস আলোড়িত কৰিছে তাকেই কবিয়ে ব্যক্ত কৰিছে। প্ৰাচীন আধুনিক সভ্যতা সংস্কৃতিৰ ৰূপ তথা দাৰ্শনিক চিন্তা জাতীয়তাবাদী মনোভাৱ আৰু বীৰ ৰসাত্মক ভাব সৃষ্টি কৰি গুহই কৈছে যে, প্ৰাচীন কালত যিদৰে ক্ষত্ৰিয়ৰ কন্যাই বীৰ পুৰুষক স্বামী বাচি লৈছিল; সেইদৰে

আজিও অচিন্ত্য অব্যক্ত শক্তি'য় মানৱৰ অন্তৰত বৈপ্লৱিক প্ৰেৰণা যোগাবৰ বাবে 'স্বয়ংবৰা' ৰূপ আগবাঢ়ি আছে।

বহাগৰ বিহুত বৰদৈচিলাই যি শক্তিৰে অসমৰ ওপৰেদি প্ৰবল বেগে গতি কৰে, সেই শক্তিয়েই চিৰকাল নব নব ৰূপত অসমক শ্ৰীময়ী কৰি জাতীয় শক্তি সঞ্চয় কৰি ৰাখিছে। গুহই বৰদৈচিলাৰ শক্তি তেজোময়তাৰ ৰূপত আৱিষ্কাৰ কৰি, আৰু সেই শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰি কৈছে যে বৰদৈচিলাৰ ধ্বংস আৰু সৃষ্টিৰ শক্তিয়েই অসমভূমিত মানৱতাৰ বিকাশ সাধন কৰিব। অসমে ভাৰতক বাট দেখুৱাব।

চন্দ্ৰকুমাৰ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী আদি শক্তিৰ আৰাধনা কৰা কবি সকলৰ দৰে গুহই জগতৰ আদ্যা শক্তি মহামায়াৰ বিচিত্ৰ ৰূপৰ প্ৰকাশে অসমৰ অতীত বৰ্তমান সামৰি লৈ প্ৰগতিৰ পথত অগ্ৰসৰ কৰা কামনা কৰে। এইটো কবিতাত বামপন্থী চিন্তা আৰু আধ্যাত্মবাদী দৰ্শনৰ সমন্বয় সাধন কৰি কবি গুহই কৈছে যে বৈপ্লৱিক শক্তিয়ে—

> 'মৌচুমী বৰষুণৰ ডবাপিটা সমাৰোহৰ মাজত
> মোৰ ডিঙিত বৰমাল্য পিন্ধাবলৈ
> স্বয়ংবৰা।'

—স্বয়ংবৰা—

গুহই শ্বেলীৰ পশ্চিমীয়া বতাহৰ ধ্বংস সৃষ্টিৰ শক্তি আহৰণ কৰি, ভাৰতীয় শক্তি আৰাধনাৰ মূল মন্ত্ৰ সংযোগ কৰি, বৰদৈচিলাৰ গতিত অসমৰ চাৰিসীমা অতিক্ৰম কৰি সুদূৰ ৰাজধানীলৈ গতি কৰিও ক্লান্ত হোৱা নাই। ইংৰাজ কবি শ্বেলীয়ে পশ্চিমীয়া বতাহৰ দৰে মুক্ত হৈ বিচৰণ কৰিলেও, ব্যৰ্থতাৰ ভাৱ আঁতৰাব পৰা নাই। কিন্তু ভাৰতীয় চিন্তাৰ প্ৰবাহে গুহৰ অৱসাদ দূৰ কৰিছে।

গুহই 'কটন কলেজ' নামে এটি কবিতা লিখিছে। ৰোমাণ্টিক কবিয়ে ফুল আৰু নাৰী অভিন্ন কৰি দাৰ্শনিক তত্ত্বৰ মাজেদি মনৰ দুৱাৰ মুকলি কৰাৰ দৰে, গুহই ৰোমাণ্টিক কবি সকলৰ পৰম্পৰা ক্ৰমে 'কটন কলেজ'ক গাভৰু ৰূপে কল্পনা কৰিলেও, মোহনীয় ৰূপলৈ ৰূপান্তৰ কৰি, অতীত স্মৃতিৰ মাধুৰ্যৰ বোল সানি, কটন কলেজক প্ৰাণ প্ৰাচুৰ্যৰে পৰিপূৰ্ণ জ্ঞান সৌন্দৰ্য সাধনাৰ প্ৰেৰণা দাত্ৰী

নাৰীৰ ৰূপ দিব পৰা নাই। কিন্তু দেশৰ ঐতিহ্যপূর্ণ সাংস্কৃতিক অনুষ্ঠানবোৰৰ মনোৰমা কাব্যিক ৰূপ দিয়াৰ প্ৰচেষ্টা অনুকৰণীয়। গুহই 'এলবাম' কবিতাত সন্ধিয়া সময়ত ছবিবোৰ চাই চাই ৰোমাণ্টিক দৃষ্টিৰে স্মৃতিৰ মাজেৰে বহিৰ্দগতা আৰু অসমৰ বিচিত্ৰ ৰূপৰ মাধুৰ্য উপভোগ কৰাৰ চেষ্টা কৰি আনন্দ বিষাদৰ মাজত মনৰ স্থিৰতা হেৰুৱাইছে। ভৱভূতি উত্তৰৰামচৰিতৰ ৰাম-সীতাৰ চিত্ৰ দৰ্শন দৃশ্যৰ ছাঁ লৈ ৰচনা কৰা, কবিতাটোৰ মাজেদি কবি গুহই নতুন কবি সকলৰ ৰুদ্ধ আবেগৰ কৌশলেৰে আত্ম প্ৰকাশ কৰাৰ চেষ্টা কৰা বাবে মনৰ দুৱাৰ সম্পূৰ্ণ মুক্ত হোৱা নাই। তথাপি ইয়াৰ মাজেদি গুহই প্ৰাচীন আধুনিক কাব্যৰ এটি যোগ সূত্ৰ সাধন কৰিছে।

কবি গুহই 'এখনি পোট্ৰেট' কবিতাত জীৱনক বাস্তৱ ৰূপত চিনি পাবৰ বাবে আৰু বাস্তৱক শিল্পৰ মাজেদি ৰূপ দি আনন্দ লাভৰ বাবে অধ্যাপক পদ এৰি হাকিম হোৱা এজন লোকৰ পোট্ৰেট আঁকিছে। অধ্যাপক সময় ৰুৱাই পোনতে বিচাৰালয়ৰ কাযত ব্যস্ত হৈ শিল্পী মনত বেদনা বোধ কৰিছিল যদিও, শেহত হাকিম সময় ৰুৱাই শিল্প সাধনা বাদ দি, অধ্যাপক শিল্পী সময় ৰুৱা হিচাবে যি নাৰীৰ ৰূপ আঁকিছিল সেই নাৰীৰ সান্নিধ্যত শিল্পৰ মাজেদি চিত্তবিনোদন কৰাৰ পৰিবৰ্তে, ইন্দ্ৰিয় সেৱাৰ আনন্দ বিচাৰিলে।

ৰোমাণ্টিক যুগৰ কবিসকলে এনে লোকৰ বাবে প্ৰায়েই ব্যঙ্গ চিত্ৰ আঁকিছে। কিন্তু নতুন কবি সকলে সাৰ্থক ভাবে ব্যঙ্গাত্মক হাস্যৰসৰ কৌশল প্ৰয়োগ কৰিব নোৱাৰাৰ বাবে এনে লোকৰ চৰিত্ৰৰ স্খলন আকৰ্ষণীয় শৈল্পিক ৰূপ দিব পৰা নাই। ব্যক্তিৰ চৰিত্ৰৰ বিসঙ্গতি প্ৰদৰ্শনৰ বাবে ব্যঙ্গাত্মক কৌশলেই শ্ৰেয়।

'প্ৰথম পোহৰ' আৰু 'জাৰ কালিৰ দিঠক' কবিতা দুটাত গুহই জৈৱিক বাসনাৰ দুটা দিশত আত্মপ্ৰকাশ কৰিবৰ চেষ্টা কৰিছে। 'প্ৰথম পোহৰ'ত স্বামী স্ত্ৰীৰ সম্ভোগৰ পাচত টোপনিত মগ্ন থকা পত্নীৰ মুখৰ সৌন্দৰ্যৰ আকৰ্ষণ, ৰাতিপুৱাৰ পোহৰে উজলাই তোলা কক্ষৰ অন্তৰভাগ আৰু বহিৰ্জগতৰ চিৰাইৰ-বাথৰৰ ধ্বনিয়ে সৃষ্টি কৰা পৰিবেশত মানসিক বেদনা ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। কিন্তু গুহই বিৰহী হৃদয়ৰ ঘনীভূত বেদনাক ৰসোত্তীৰ্ণ অৱস্থালৈ নিব পৰা নাই।

গুহৰ 'প্ৰথম পোহৰ' কবিতা কাব্য গুণেৰে ভূষিত নহলেও, হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' নামৰ কবিতাৰ যোগেদি প্ৰকাশ পোৱা পুৱতি নিশাৰ প্ৰাকৃতিক জগতৰ সৌন্দৰ্য বাহ্জি আৰু গুহৰ কবিতাৰ শোৱনি কক্ষৰ ভিতৰত প্ৰবেশ কৰা পুৱাৰ পোহৰৰ বৰ্ণনাই অসমীয়া কাব্য সাহিত্যৰ প্ৰভাত বৰ্ণনা বিষয়ক কবিতাৰ দুটা ভিন্ন দিশ পূৰ্ণ কৰিছে।

'তাৰ কালিৰ দিঠক' কবিতাটোত এজনী মিকিৰ গাভৰুৰে জোনাকী ৰাতি টঙিত বহি শস্য ৰখি থকা দৃশ্য অঁকা হৈছে। কবিয়ে পথাৰৰ সোণালী ধাননিৰ বৰ্ণনা দিবলৈ চেষ্টা কৰিছে যদিও, প্ৰকৃততে কবিৰ কামনা প্ৰকাশ পাইছে গাভৰুৰ দেহৰ প্ৰতিহে, সেয়ে পথাৰৰ সৌন্দৰ্য নাইবা গাভৰুজনীৰ শাৰীৰিক মানসিক বৰ্ণনা কোনোটো কলাৰ ৰূপ পোৱা নাই। সেয়ে কবিয়ে কৈছে—

'ৰাতিৰ আলহী মই ৰূপ আৰু প্ৰীতিৰ চিনাৰী।" কবিৰ এই উক্তিৰ মাজেদি প্ৰেমৰ মাধুৰ্য প্ৰকাশ পোৱা নাই কেৱল ইন্দ্ৰিয় লালসা ব্যক্ত হৈছে।

গুহই 'এটি ফৰাটী' কবিতাৰ অনুসৰণত লিখা কবিতাটোৰ মাজেদি আধুনিক মানৱ সমাজৰ এটি সত্য প্ৰকাশ কৰি কৈছে যে, প্ৰেম-প্ৰীতি প্ৰকৃতিৰ সৌন্দৰ্যৰ উপাসনা আদি সকলোৰ মানৱ মনৰ ভাৱ আৰু অনুভূতিত পূৰ্বৰ অৰিৰ্বাশ্ৰতা ক্ৰমশঃ লোপ পাই গৈছে। তাৰ ঠাইত মিশ্ৰিত আড়ম্বৰে স্থান লৈছে। মানৱ মনৰ সুকুমাৰ অনুভূতি ৰক্ষা কৰিব নোৱাৰি শিল্পৰ মৃত্যু অনিবাৰ্য। সেয়ে গুহই বৰুৱা (পূহৰেন্দ্ৰ কলিতালৈ) শ্ৰদ্ধা জনাই লিখা কবিতাটোৰ মাজেদি বাস্তৱ জীৱনৰ সংঘাত আৰু জীৱনৰ মাদকতা প্ৰকাশ কৰিলেও, মৃত ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা জনাবৰ বাবে হৃদয়ৰ যি পৱিত্ৰতা প্ৰয়োজন তাক ৰূপ দিব পৰা নাই। খাদ্য বস্তু ভেজাল হলে যিদৰে শৰীৰ ৰুগীয়া হয়; সেইদৰে মানৱ মনৰ অনুভূতি সমূহক শুদ্ধৰূপ হেৰাই গলে সমাজ জীৱনৰ পৰা সৌন্দৰ্য স্পৃহা লোপ পায়। এয়ে কলাৰ মৃত্যু ঘটাব, বিদেশত হওক বা স্বদেশতে হওক।

স্বাধীনতাৰ কালত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক শ্ৰীবৃদ্ধিৰ কাৰণে অসমৰ প্ৰবীণ কবি সকলে প্ৰাণত বেদনা উপলব্ধি কৰিছে যদিও, পাকিস্থানৰ পৰা অহা উপনীয়া সকলৰ প্ৰাণৰ বেদনা এওঁলোকে উপলব্ধি কৰা নাই। তাৰ কাৰণ, ভাৰতৰ

বিভিন্ন ঠাইৰ পৰা অহা লোকে অসমৰ জাতীয় জীৱনত জীণ যাবৰ বাবে আগ্ৰহশীল নহৈ অসমৰ স্বাৰ্থত ব্যাঘাত ঘটোৱাৰ প্ৰচেষ্টা চলাইছে। কিন্তু কবি গুহই পাকিস্থানী ভগনীয়া সকলৰ সৰ্ব্বপ্ৰকাৰ নিৰ্যাতন কাব্যিক ৰূপ দিয়াৰ চেষ্টা কৰিছে। পূৰ্ববঙ্গৰ পৰা অহা ভগনীয়া সকলে কিছুকাল অসমত থাকি অসমক মাতৃভূমি জ্ঞান কৰিবলৈ লোৱাৰ পাচত পুনঃ অসম ত্যাগ কৰিবলগীয়া হোৱাত, ভগনীয়াৰ মনত জাগ্ৰত হোৱা বেদনাক ৰূপ দি গুহই ভগনীয়াৰ মুখতো মানৱতাৰ জ্ঞান দিছে। কিন্তু ১৯৭৯-৮০-৮১ চনত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সংঘাত সৃষ্টি কৰিছে এই ভগনীয়াই। বৰ্তমানেও অসমৰ জাতীয় জীৱনৰ এইপ্ৰধান সমস্যা।

অমৰেন্দ্ৰ গুহৰ 'তোমালৈ' কাব্যৰ ওঠৰটা কবিতাৰ ভাব বিশ্লেষণ কৰি সামগ্ৰিক ভাবে কবি মানসৰ স্বৰূপ বিচাৰ কৰিলে দেখা যায় যে, যদিও কবিয়ে কৃষক মজদুৰ ৰাজ প্ৰতিষ্ঠা আৰু মানৱতা বাদৰ ধ্বনি তুলিছে তথাপিও সমাজত মানৱতাবাদ কেনেকৈ ৰূপায়ণ হ'ব; নাইবা ব্যক্তিয়ে কি কি গুণৰ অধিকাৰী হৈ সমাজৰ কল্যাণ সাধন কৰিব তাৰ কোনো উল্লেখ কৰা নাই। কৃষক মজদুৰৰ ব্যক্তিগত আচৰণ বিধি কি হ'ব? তাৰ কোনো ইংগিত নাই।

ৰোমাণ্টিক যুগৰ কবি সকলে উল্লেখ কৰা সত্য, মানসিক পবিত্ৰতা, সৌন্দৰ্য বোধ জ্ঞানস্পৃহা, ত্যাগ দাম্ভিকতাবিহীন আদি মানৱ জীৱনৰ চিৰন্তন প্ৰমূল্যবোধৰ বিকাশ নোহোৱাকৈ মানৱতাৰ আদৰ্শৰ পূজাৰী হোৱা ব্যৰ্থতা মাথোন; এয়ে নতুন আৰু ৰোমাণ্টিক কবিৰ দ্বন্দ্ব। গুহই প্ৰধানকৈ ৰাজনৈতিক দৃষ্টিৰে অসমৰ সমস্যাবোৰ চাইছে।

গুহই 'তোমালৈ' কবিতাত কৈছে 'মই ভাল পাওঁ এই গীতময় দেহোত্তৰ মন।' কিন্তু গুহই এই কথাৰ মূল্য বিস্মৃত হৈ 'জাৰ-কালিৰ দিঠক' কবিতাত নিঃসঙ্গ মিকিৰ গাভৰুৰ গীতময় মন জয় কৰাৰ পৰিবৰ্ত্তে সতীত্ব নাশৰ বাবেহে আদৰ্শ দাঙি ধৰিছে। ৰোমাণ্টিক সাহিত্যৰ নাইবা বৈষ্ণৱ সাহিত্যৰ নাৰীৰ সতীত্বৰ আদৰ্শক নতুন কবি সকলে মূল্য নিদিয়ে। এই আদৰ্শই জনজাতীয় জীৱনত আঘাত দিব।

গুহই 'বামুণী পাহাৰ'ৰ দৃশ্য চাই সাপানৰ পৰিবেশত নাৰীৰ সতীত্ব তথা নাৰী জীৱনৰ ব্যৰ্থতাৰ কাৰণে আক্ষেপ কৰিছে, কিন্তু দিঠকত পথাৰৰ উত্তিত নাৰীৰ নিঃসঙ্গ সান্নিধ্যত যৌন ক্ষুধাত কাতৰ হৈছে। সপোন আৰু দিঠকৰ যদি ইমানেই প্ৰভেদ হয়; তেনে অতি

বাস্তৱে মানৱ মনৰ পশু প্ৰবৃত্তি দূৰ কৰিব নোৱাৰে । তাৰ বাবে আদৰ্শবাদী দৰ্শনৰ প্ৰয়োজন । গুহৰ নিজৰ উক্তিয়ে তাৰ প্ৰমাণ। তদুপৰি সাময়িকভাৱে গুহই 'স্বয়ংবৰা' আদি কোনো কোনো কবিতাত প্ৰাচ্য পাশ্চাত্য ভাবধাৰাৰ সমন্বয় সাধন কৰাৰ চেষ্টা কৰিলেও; ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেদি কবিৰ চিত্ত অনুপ্ৰাণিত হোৱা নাই ।

মহেন্দ্ৰ বৰা

স্বাধীনতাৰ পৰৱৰ্ত্তী কালত ৰচিত মহেন্দ্ৰ বৰাৰ "এই নদীয়েদি" কাব্যৰ কবিতা সমূহৰ ভাবধাৰা গুটীয়া আৰু যুটীয়া ভাবে বিচাৰ কৰি; প্ৰগতিবাদী চিন্তা প্ৰবাহ বৰাৰ হৃদয়ত কিদৰে ক্ৰিয়া কৰি অসমীয়া জাতীয় জীৱনক সক্ৰিয় কৰিছে বিচাৰ ।

বৰাই কবিতা সমূহৰ ভাবধাৰাৰ বিষয়ে ইঙ্গিত দি কৈছে— "ইয়াৰ কেইটামান কবিতা বিভিন্ন আলোচনীত প্ৰকাশিত হৈছিল। সংকলনত এখন খুৱাবৰ বাবে কিছু সাল-সলনি কৰিছোঁ। হয়তো সেইবাবে সিহঁতৰ প্ৰথম জন্মৰ নিজস্ব মাধুৰ্য্য হেৰাইছে । জীৱন প্ৰবাহত কত বস্তুৱেই যে নিজৰ মাধুৰ্য হেৰাই পেলায়। আৰু এটা কথা এই সংকলনৰ নামকৰণৰ লগত নাম কবিতাটোৰ সম্পৰ্ক অতি ক্ষীণ । সম্পৰ্ক আছে সকলোবোৰ কবিতাৰ লগত সমানে। "

বৰাৰ নিজা উক্তিৰ তাৎপৰ্য্য অনুসৰি আৰু অসমীয়া কাব্যকলাৰ ইতিহাসৰ গতিৰ বিভিন্ন দিশ লক্ষ্য কৰি বৰাৰ কাব্যই অসমীয়া কাব্য সাহিত্যত কিদৰে বৰঙণি যোগালে তাৰ বিচাৰ প্ৰয়োজন। এই পুথিখনত একুৰি এটা কবিতা আছে। গতিকে কবি মানসৰ বিভিন্ন দিশ বুজাৰ বাবে যথেষ্ট সমল আছে ।

অসমীয়া কাব্য সাহিত্যত অনেক কবিয়ে অসমীয়া জাতীয় জীৱনৰ প্ৰতীক স্বৰূপ ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি কাব্য কবিতা ৰচিছে। সেইদৰে অসমৰ বিভিন্ন নদীও কাব্যৰ অন্তৰ্ভুক্ত হৈছে । ভাৰত তথা অসমৰ সাংস্কৃতিক জীৱন নদী কেন্দ্ৰিক এই কথা বৰাই অনুভৱ কৰিছে । কিন্তু এই ভাব গভীৰ উপলব্ধিৰ সামগ্ৰিক ৰূপৰ মাজেদি প্ৰকাশ পোৱা দেখা নাযায় ।

সাধাৰণতে, কাব্যখনৰ নামটোৰ যোগেদি কবিৰ চিন্তাশক্তি,

উপলব্ধি,'সৌন্দর্য স্পৃহা, সমাজ আৰু ব্যক্তি জীৱনৰ অতীত-বৰ্ত্তমান ভবিষ্যৎ সামৰি লৈ নিৰৱচ্ছিন্ন গতিত সমুদ্ৰৰ অভিমুখী হৈ মুক্ত জীৱনৰ আনন্দ কাব্যখনৰ মাজেদি প্ৰৱাহিত হোৱা আশা কৰা যায়। কবিয়ে নিজেই কৈছে "ময়ো দেখো সনাতন সান্ত্বনাৰ সীমাহীন প্ৰতিশ্ৰুতি।' কবি বৰাৰ হৃদয়ে সান্ত্বনা বাণীৰ ক্ষীণ ধ্বনিৰ প্ৰতিশ্ৰুতিহে শুনিলে, কিন্তু হৃদয়ৰ ক্ষীণ ধ্বনিয়ে কলংপৰীয়া কবি আগৰৱালাৰ দৰে স্পষ্টভাবে জাগ্ৰত হৈ দাৰ্শনিক চিন্তাৰ দুৱাৰ উন্মুক্ত কৰিব নোৱাৰিলে। ইংৰাজ কবি ওৱাৰ্ডছৱাৰ্থে নৈৰ বুকুতে পৰম সত্য বিচাৰি পালে। কবি দুৱৰাই 'বনফুলৰ' মাজত জুৰিৰে সত্য শিৱ সুন্দৰৰ আৰাধনাত ব্ৰতী হৈ লুইতৰে ভটিয়াই গৈ সাগৰ তথা অসীমৰ বুকুত মুক্ত প্ৰাণৰ চিৰশান্তি পালে। কিন্তু বৰাৰ এই শান্তি নাই।

কবি বৰাই 'তেজীমলা','এই নদীয়েদি', 'অপৰূপ এই নদী' আৰু 'ইতি কথা ঃ নদী আৰু মানুহৰ' চাৰিটা কবিতাৰ মাজেদি নদীক কেন্দ্ৰ কৰি বিকাশত হোৱা মানৱৰ সভ্যতা সংস্কৃতিৰ এটি দাৰ্শনিক চিন্তাধাৰা ৰূপ দিয়াৰ চেষ্টা কৰিছে। কিন্তু কবিয়ে গভীৰভাৱে নদীৰ সৌন্দৰ্য আৰু শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰিব নোৱাৰা বাবে ব্যৰ্থ হৈ কৈছে —

'হে নদী আমাক করুণা কৰা
নকৰা নকৰা জানো উভতি যোৱাৰ পথ লুপ্তশোভা
বসন্ত কুঞ্জৰ।"
---ইতি কথা ঃ নদী আৰু মানুহৰ---

কবি বৰাই বৈদিক সংস্কৃতিৰ প্ৰতি বিৰূপ মনোভাৱ প্ৰদৰ্শন কৰি কৈছে যে, নদীক কেন্দ্ৰ কৰি 'ধুঁৱলীয়া দৰ্শনৰ তকৰ ধোঁৱাত মাথোঁ হেৰুৱা'ল দিশা।" যি জন লোকে মানুহৰ 'ধুঁৱলীয়া দৰ্শনে সৃষ্টি কৰা দেৱতাক ভৱিৰে গচকি পেলাই, সেইজন লোকে যেতিয়া নদীক করুণাৰ বাবে প্ৰাৰ্থনা জনাই; তেতিয়া সচাঁকৈয়ে বৰাৰ আত্ম প্ৰবঞ্চনা দেখি কবি চিত্ত ধোঁৱাৰ মাজতে জ্ঞান শূন্য হোৱা দেখা যায়। কবি বৰাই নেতিধৰ্মী সংশয়বাদী চিন্তাৰে নদীৰ ওচৰ চাপিলে বাবে নদীৰ আত্মা নেদেখিলে কিন্তু কবি ওৱাৰ্ডছৱাৰ্থে ভাৰতীয় ঋষিৰ দৰে কৈছে যে 'প্ৰকৃতিক প্ৰাণ ভৰি ভাল পালে প্ৰকৃতিয়ে কাকো বিশ্বাসঘাটকতা নকৰে, বৰং বন্ধু আৰু গুৰু হিচাপে

প্ৰকৃতিয়ে সৌন্দৰ্যৰ মাজত লুকাই থকা জ্ঞানৰ দুৱাৰ মুক্ত কৰি দিয়ে।' নতুন কবিসকলে এই সত্য উপলব্ধি কৰিব নোৱাৰা বাবে শুদ্ধ সত্য, প্ৰগতিবাদী কলাৰ আৰাধনা কৰিব পৰা নাই; অথচ নৈতিক সংহত দাৰ্শনিক মতবাদো সৃষ্টি কৰিব পৰা নাই। এই মানসিক দ্বন্দ্বই বৰুৱাৰ আত্মাৰ দুৱাৰ খুলি দিয়া নাই।

বৰুৱাই কৈছে দেৱতা মানুহৰ পুঞ্জীভূত বেদনাৰ সৃষ্টি; সেয়ে মানুহৰ দেৱতা বিশ্বাস নাইবা ঈশ্বৰ বিশ্বাস লোপ হৈ গৈছে। বৰুৱাই এই মতবাদ যুক্তিৰে প্ৰতিষ্ঠা কৰক তাত আপত্তি নাই। কিন্তু দেৱতাৰ বিশ্বাস আৰু আত্মাৰ বিশ্বাস একে ভাবধাৰাৰ পৰা উদ্ভূত। সেয়ে এঠাইত কৈছে বৰুৱাই যদি দৰ্শনৰ তেৰ জাল বিশ্বাস নকৰে তেন্তে শিল্প কৰ্ম কৰা। ৰাতি শুনি থকো আত্মাৰ খিৰিকি খুলি।' শিল্পীয়ে বিশিষ্ট জ্ঞানেৰে সমাজ আৰু ব্যক্তিক প্ৰগতিৰ পথ দেখুৱাব লাগিলে স্বচ্ছন্দ ভাৱে একোটা আদৰ্শ কাব্যত ৰমণীয় ৰূপ দিব লাগিব। নহলে কাব্য শিল্পৰ সাধনা ব্যৰ্থ।

বৰুৱাই কৈছে তেওঁৰ কবিতা সমূহৰ কোনো কোনোটোৰ প্ৰথম স্ফূৰ্তিৰ মাধুৰ্য হেৰাই গৈছে। জীৱনৰ সনাতন সত্যই শিৱ আৰু সুন্দৰৰ ৰূপত এবাৰ হৃদয়ত দেখা দিলে তাৰ মাধুৰ্য হেৰাই নাযায়। যি ব্যক্তিৰ জীৱন সম্বন্ধে গভীৰ আস্থা নাই; নাইবা অতীত বৰ্তমানৰ গতিশীল জীৱনৰ অবিনশ্বৰ মহান সত্বাৰ উপলব্ধি নাই সেই ব্যক্তিয়ে ক্ষণে ক্ষণে জীৱনৰ মাধুৰ্য হ্ৰাস হোৱা দেখে। কিন্তু হৃদয় এবাৰ প্ৰত্যয়ৰ মহান জ্যোতিৰে আলোকিত হলে সেই জ্যোতিয়ে পৰম পদলৈ বাট দেখুৱাই শিল্পীৰ সাধনা সাৰ্থক কৰে।

বৰুৱাই মাজে মাজে একোটা ক্ষীণ অনুভূতিৰ পৰশ পাই কৈছে 'পোৱা নাই কেতিয়াবা পাইছোঁ তথাপি সীমাহীন সান্ত্বনাৰ স্বাদ। মাজে মাজে ক্ষীণ অনুভূতিয়ে হৃদয়ত দেখা দিলে ব্যক্তিয়ে বস্তুৰ বিকৃত ৰূপহে দেখে। যিদৰে অন্ধকাৰ ৰাতি ভয়াতুৰ ব্যক্তিয়ে ক্ষীণ পোহৰত বাটত পৰি থকা ৰছীক সাপ যেন দেখে।

ভাৰতৰ বৈদিক চিন্তাধাৰাৰ বিৰুদ্ধে অনাত্মাবাদী চাৰ্বাক, বৌদ্ধ, জৈন আদি বিভিন্ন দাৰ্শনিক চিন্তাৰ প্ৰবাহে ভাৰতীয় সংস্কৃতি শক্তিশালী কৰিছে। কিন্তু শেষত বৈদিক চিন্তাধাৰাই অনাত্মাবাদী বৌদ্ধধৰ্মৰ সাৰভাগ গ্ৰহণ কৰিলেও; অনাত্মাবাদী ভাবধাৰা তথা বৌদ্ধধৰ্ম

লুপ্ত কৰিলে। তথাপিও বৌদ্ধ জৈন, চাৰ্বাক আদি দৰ্শন বৈদিক চিন্তাৰ দোষ ত্ৰুটি দূৰ কৰি সুস্থ চিন্তাৰ সামাজিক প্ৰগতি ৰচিছে।

আধুনিক বস্তুবাদী কবি সকলে নতুন চিন্তা ধাৰা নিষ্ঠাৰে সাধনা কৰি সমাজ জীৱনক প্ৰগতিৰ পথ দেখুৱাওক তাত অপত্তি নাই। কিন্তু বিক্ষিপ্ত ভাবৰ মাজেদি সকলো দাৰ্শনিক ভাব ধোঁৱা বুলি উৰাই দিয়াৰ যুক্তি নাই। সৎ আদৰ্শ চিৰন্তন সত্য ৰূপে প্ৰতিভাত হৈ ৰব। অসমীয়া কাব্য-সাহিত্যৰ বিৰাট শক্তিয়ে ধোঁৱাৰ মাজেৰে জীৱনক দৰ্শন কৰা কবিক আচ্ছন্ন কৰিব।

'আত্মাৰ খিৰিকি খুলি' দিব্যজ্ঞান লাভ কৰিবলৈ হলে ভাৰতীয় দাৰ্শনিক চিন্তাই নদীক অচিন্ত্য অব্যক্ত শক্তিৰ ৰূপ ৰূপে চিন্তা কৰাৰ দৰে, মনৰ আত্মাৰ সংশয় দূৰীভূত কৰি ৰবাই নদীৰ সঙ্গত চিৰশান্তি ধামলৈ গতি কৰিব লাগিব। নাইবা বৈৰীভাবে দণ্ডচিতে বীৰত্বৰ প্ৰতীক হৈ ভাৰতীয় সাহিত্যৰ সনাতন আদৰ্শৰ বিৰুদ্ধে যুঁজ দিব লাগিব। যিদৰে মাইকেল মধুসূদন দত্তই নতুন আদৰ্শ সৃষ্টি কৰিলে। ভাৰতৰ দাৰ্শনিক তত্ত্বই অসুৰ শক্তিকো স্বীকৃতি দিছে। কাৰণ সংঘাতৰ মাজেদিহে জাতিৰ বিকাশ হয়। ৰবাই ভাৰতীয় সাহিত্য নাইবা পাশ্চাত্য সাহিত্যৰ আধ্যাত্মিক ভাব গ্ৰহণ কৰি নতুন শক্তি সৃষ্টিৰ বাবে প্ৰয়োজনীয় বীৰ ৰসাত্মক ভাব আয়ত্ব কৰিব নোৱাৰি ব্যৰ্থ জীৱনৰ চিত্ৰহে আঁকিছে।

ভাৰতৰ দাৰ্শনিক বৈজ্ঞানিক চিন্তাৰ সমন্বয় সাধন কৰি গীতাই 'জ্ঞান-বিজ্ঞান' যোগ অধ্যায়ত জ্ঞান-বিজ্ঞানৰ সাধনা কৰি নিস্পৃহ ভাবে জীৱন উপভোগৰ পথ দেখুৱাইছে। সেয়ে, নদীৰ গতিৰোধ কৰি বিদ্যুত উৎপাদনৰ দ্বাৰা মানৱ সমাজৰ মঙ্গল সাধন কৰা কাৰ্যই প্ৰকৃততে নদীৰ মৃত্যু নুবুজায়। বৰং নদীৰ বুকুত নিহিত পৰম শক্তিয়ে বিদ্যুতৰ যোগে মানৱৰ কল্যাণ সাধন কৰি নদীৰ সাংস্কৃতিক অৱদানৰ ভিন্ন ৰূপ প্ৰকাশ কৰিছে। শক্তিৰ মৰণ নাই, ৰূপান্তৰহে হয়। সেয়ে মানৱৰ সভ্যতা সংস্কৃতিৰ ইতিহাসত নদীৰ অচিন্ত্য শক্তিয়ে দৰ্শন বিজ্ঞানৰ পথ মুকলি কৰিছে।

কিন্তু ৰবাই এই দৃষ্টি ভঙ্গীৰে নদীৰ শক্তি তথা সভ্যতা সংস্কৃতিৰ প্ৰতি নদীৰ অৱদান বুজিব নোৱাৰি চকুলো টুকিছে। প্ৰকৃত শিল্পীৰ কাম নদীৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজেদি দাৰ্শনিক চিন্তাৰ পথ

মুকলি কৰা, আৰু নদীৰ শক্তিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিদ্যুত শক্তিৰ সাংস্কৃতিক জীৱন বিকাশত মূল্যায়ণ কৰা। প্ৰকৃততে, একালত নদীয়ে মানবৰ মনত দাৰ্শনিক ভাব আৰু সৌন্দৰ্য স্পৃহা জগাইছিল; কিন্তু আজি দাৰ্শনিক চিন্তাৰ লগতে মানব সমাজৰ কল্যাণ কাৰিকা ৰূপে নদী দেৱী হৈ আছে।

বিজ্ঞানে কবিতাৰ গতি ৰুদ্ধ কৰা নাই। যাৰ নিজস্ব শক্তি আছে তাৰ আগত কোনো বাধাই টিকিব নোৱাৰে। মৃত্যুৰ বিভীষিকাত আতঙ্কগ্ৰস্ত ব্যক্তিয়ে সকলোৰে মৃত্যুহে দেখে। সেয়ে, নদীয়ে আধুনিক যুগত বুকুত বন্ধন লৈ আত্মত্যাগ কৰি বিশ্বৰ মঙ্গল সাধন কৰিছে। শিল্পীৰ সূক্ষ্ম অনুভূতি নাথাকিলে এই শক্তিৰ মহিমা বুজিব নোৱাৰে।

বৰাই দাৰ্শনিক চিন্তাৰ ধোঁৱা ৰূপ দেখিছে আৰু বিজ্ঞানৰো বিভীষিকাত ভয় খাইছে। মানব সভ্যতাৰ মূলতে হৈছে বিভিন্ন উপায়ে জ্ঞান আহৰণ কৰি বৈষয়িক আৰু আধ্যাত্মিক উন্নতি সাধন কৰা। সেয়ে আজিৰ শিল্পীয়ে বিজ্ঞানক ভেটি কৰি দাৰ্শনিক চিন্তাক ৰূপ দিব লাগিব। বিজ্ঞানক অস্বীকাৰ কৰি লাভ নাই।

ইংৰাজ কবি ছেকছপীয়েৰে কাব্য কলাৰ বিষয়ে আলোচনা কৰি কৈছে যে, কবি সকলে কল্পনাত উটিবুৰি ফুৰিলেও নিজৰ মনৰ ভাব স্থানীয় নাম আৰু ৰূপৰ মাজেদি ৰূপ দি পাঠকৰ হৃদয় স্পৰ্শ কৰে। বৰাই কিন্তু তেওঁৰ নদী বিষয়ক চিন্তা ধাৰা অসমৰ নদী সমূহক কেন্দ্ৰ কৰি ৰূপ দিব নোৱাৰিলে। মাধৱ কন্দলিৰ দিনৰে পৰা ৰোমাণ্টিক যুগলৈ অসমীয়া কবি সকলে স্থানীয় নাম আৰু ৰূপলৈ লক্ষ্য কৰিছে। প্ৰকৃততে বিশ্বৰ দৰবাৰলৈ যাব লাগিলেও নাম ঠিকনা লৈহে যাব লাগে। নহলে অজ্ঞাত কুলশীলৰ বাসস্থান নাই। বৰাই বিশ্ব সাহিত্যৰ ভাবৰ জিলিঙনি দেখিয়েই প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ অসমৰ নৈ জান বিস্মৃত হল। এই বিস্মৰণ ইচ্ছাকৃত নে, তাত্ত্বিক জ্ঞানৰ অভাৱ?

বৰাই "সন্ধ্যাৰ গুঞ্জন" কবিতাত সন্ধিয়া সময়ৰ আকাশ আৰু পৃথিবীৰ দৃশ্যাবলীয়ে জগাই তোলা এটা ভাব ৰূপ দিছে। জীৱন নদীৰ দুটা পাৰ এটা বাস্তব তথা পাৰ্থিব জীৱন; আৰু আনটো ভাবময় কাল তথা পৰকাল। বৰাই কৈছে— 'সিপাৰে কুঁৱলী

আছে হিম চেঁচা সন্ধিয়াৰ ধোঁৱালি কুঁৱলী ; এই পাৰে ধূলি আছে ঘূৰি অহা গৰুৰ ভৰিৰ খোজত উৰা ছুঁয়ামুয়া সোণোৱালী ধূলি ।'

অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্যত সন্ধিয়াৰ সময়ক লৈ ৰচিত ভালেমান কবিতা আছে। প্ৰকৃততে সন্ধ্যা বৰ্ণনা কাব্যৰ এটা প্ৰধান অঙ্গ। দুগেশ্বৰ শৰ্মাই "কিবা যেন নাই নাই" কবিতাত সন্ধিয়া সময়ত এটা আধ্যাত্মিক বেদনা বোধ কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাই 'গধূলি' কবিতাত প্ৰেম আনন্দৰ চিত্ৰ আঁকিছে। জীৱনৰ সিপাৰত গুৰুত্ব আৰোপ কৰা কবি দুগৰাকীয়ে বিষাদ আৰু আনন্দৰ ৰূপ আঁকিছে।

কিন্তু 'গৰুৰ খোজৰ ধূলিত সোণোৱালী' ৰূপ দেখা জীৱনৰ পৰ-পাৰলৈ দৃষ্টিপাত নকৰা কবি বৰাই এই পাৰত বিষাদ ভোগ কৰাৰ কোনো কাৰণ নাই। কিন্তু তথাপি 'সন্ধ্যাৰ গুঞ্জন' কবিতা কৰুণ অনুভূতিৰে পৰিপূৰ্ণ। আঘোণৰ পথাৰত সোণালী ধাননিৰ দৃশ্যই গাঁৱৰ কৰ্মী কৃষকৰ মন উলাহেৰে ভৰপূৰ কৰে ; যদি পথাৰত ধান থাকে ; গাঁওখন গৰু গাইৰে পৰিপূৰ্ণ হৈ থাকে তেন্তে বিষাদৰ স্থান ক'ত ?

প্ৰকৃততে, বৰাই সিপাৰৰ ভাবত সোমাই এই পাৰৰ চিন্তা কৰাৰ বাবে কবিতাটো বিষাদযুক্ত হৈছে। সাহিত্যত প্ৰধান ৰসৰ ভিতৰত কৰুণ ৰসো অন্যতম। কোনো কোনো কবিৰ মতে কৰুণ ৰসেই শ্ৰেষ্ঠ। সেয়ে জীৱনৰ গভীৰ দুঃখক লৈ কৰুণ ৰস সৃষ্টি কৰিব পৰা ক্ষমতাই শিল্পীৰ চিত্ত বিগলিত কৰি কলাক শুদ্ধ ৰূপ দিয়ে।

বৰাই মাথোন কৰুণ অনুভূতিক হে ৰূপ দিছে। এই কৰুণ অনুভূতিৰ অন্তৰালত লুকাই আছে মানসিক দ্বন্দ্ব। বাস্তব আৰু আদৰ্শৰ সংঘাতৰ মাজেদি স্পষ্টভাৱে জীৱনৰ গতিপথ বাছি লব নোৱাৰা বাবে কবিয়ে ধাননি পথাৰতো বিষাদ ভুগিছে। ৰোমাণ্টিক আধ্যাত্মবাদী কবি দুৰ্গেশ্বৰ শৰ্মাই 'মৰাৰ পিছত' কবিতাত পাৰ্থিৱ জীৱনৰ প্ৰতি স্পৃহা প্ৰকাশ কৰিছে ; বাস্তববাদী কবি বৰাই সেই জীৱন স্পৃহা প্ৰকাশ কৰিব পৰা নাই। সাম্প্ৰতিক কালৰ সামাজিক জীৱনৰ অতি প্ৰয়োজনীয় কৰ্ম স্পৃহা আৰু জীৱন ৰস সিক্ত প্ৰাণ প্ৰাচুৰ্য্য বৰাৰ কবিতাত নাই। সেয়ে বৰাই সামাজিক

প্ৰগতিৰ প্ৰতি লক্ষ্য কৰা নাই। কবিতাটোৰ আকৃতি প্ৰকৃতি বিচাৰ কৰিলে এইটো এটা চহা জীৱনৰ চিত্ৰ। কবিয়ে লোক জীৱনৰ সান্নিধ্য বিচাৰি আঘোণ মাহৰ খেতি পথাৰলৈ গৈছে হয়; কিন্তু কৰ্মী কৃষকক বাস্তৱৰ কৰ্মময় জীৱনৰ উলাহত আপ্লুত কৰাৰ পৰিবৰ্তে এটা মানসিক বেদনাহে জাগ্ৰত কৰিছে।

বৰাই লোক জীৱনৰ সান্নিধ্য বিচাৰি তেজীমলাক প্ৰকৃতিৰ মাজৰ পৰা মানুহৰ মাজলৈ অনাৰ চেষ্টা কৰি; সাধুকথাৰ মাজত প্ৰৱেশ কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালাই সাধুৰ মাজৰ পৰা তেজীমলাক উলিয়াই আনি; দাম্পত্য জীৱনৰ মিলন বিৰহৰ চিত্ৰ আঁকি; সামাজিক অন্যায়ক ৰূপ দি; চিন্তা, সৌন্দৰ্য স্পৃহা, আৰু মানবীয় আবেদনক মূৰ্ত্ত ৰূপ দিছে। (১)

আগৰৱালাৰ এই আদৰ্শ অনুযায়ী মহেন্দ্ৰ বৰা, নৱকান্ত বৰুৱা আৰু অমলেন্দু গুহই এই প্ৰাচীন সাধুটো পুনঃ অসমীয়া কাব্য জগতলৈ আনিছে। সাম্প্ৰতিক কালৰ নতুন কবি সকলে জাতীয় জীৱনৰ এই কাহিনীটোৰ মাজেদি বিদবে নিজস্ব জীৱনবোধ প্ৰকাশ কৰি এই সাধুটোৰ মাধ্যমে গতিশীল আদৰ্শৰ মাজেদি ৰূপায়ণ কৰিছে বিচাৰ। এই বিচাৰৰ যোগেদি কবি সকলৰ উপলব্ধিৰ গভীৰতা চিন্তা শক্তিৰ স্বৰূপো প্ৰকাশ হব।

মহেন্দ্ৰ বৰাই চিন্তা আৰু অনুভূতিৰ সমন্বয়ৰ যোগেদি তেজীমলা কাহিনীৰ ৰহস্যৰ ৰূপ দিয়া নাই। বৰাই মাথোন কৰুণ অনুভূতিৰ যোগেদি তেজীমলাৰ কাহিনীৰ ৰূপায়ণ কৰিছে। এই কৰুণ অনুভূতিৰ যোগেদি মানৱ সমাজৰ অনুতপ্ত হৃদয়ৰ বেদনা ৰাশি প্ৰকাশ পাইছে। বৰাৰ কবিতাত মূল সাধুটোৰ; চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা' আৰু সাগৰৰ মাজত বিষাদ মগ্ন হৈ থকা আনন্দচন্দ্ৰ আগৰৱালাৰ পানেশৈ' কবিতাৰ নায়িকা পানেশৈক জনোৱা আহ্বানৰ ধ্বনিও ধ্বনিত হৈছে। বৰাই কাহিনী ভাগত দাৰ্শনিক চিন্তাৰ অগ্ৰগতি প্ৰদৰ্শন কৰিব নোৱাৰিলেও, অনুভূতিৰ জগতৰ ৰহস্য ৰূপ দিব পাৰিছে।

নৱকান্ত বৰুৱাই আগৰৱালা আৰু বৰাৰ ভাব আৰু অনুভূতিৰ

---

(১) এই লেখকৰ 'কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ তেজীমলা' প্ৰবন্ধ দ্ৰষ্টব্য: মণিকূট: ২য় বছৰ: প্ৰথম সংখ্যা ১৯৬৭।

জগতত প্ৰবেশ কৰিব পৰা নাই ; বৰুৱাই মানৱ সমাজে তেজীমলাৰ প্ৰতি কৰা অন্যায়ৰ বাবে প্ৰকাশ কৰা ক্ষোভতকৈ তেজীমলাৰ দৈহিক সংস্পৰ্শ লাভৰ বাবে অধিক কাতৰ হৈ কৈছে—

'এদিনো আমাৰ ঈৰ্ষাকাতৰ নিদ্ৰা বিহীন
আউলী চুলিত
বুলাই নিদিয়া হাত ।'

সমাজ জীৱনত অন্যায় আচৰণ দেখি আগৰৱালাই চকুলো টুকিছে ; বৰাই সামাজিক অন্যায়ৰ প্ৰতি সজাগ হৈ তেজীমলাৰ জীৱনৰ দুখ আঁতৰোৱাৰ চেষ্টা কৰিছে ; কিন্তু বৰুৱাই অৱহেলিতা নাৰীৰ দেহৰ লাবণ্যৰ প্ৰতি লোলুপ দৃষ্টি ৰাখিছে ।

গুহই 'স্বয়ংবৰা' কবিতাত তেজীমলাৰ সৌন্দৰ্য আৰু অবিনাশী শক্তিক বৰদৈচিলাৰ শক্তি আৰু সৌন্দৰ্যৰ লগত একীভূত কৰি নাৰীৰ সহনশীল স্বভাব আৰু বৈপ্লৱিক সৃষ্টি শক্তি ব্যক্ত কৰিছে । অসমৰ জাতীয় জীৱনৰ এই কাহিনীটো আগৰৱালাৰ ৰাজস্থানী জীৱনৰ পৰশ লাগি স্বয়ং সম্পূৰ্ণ ৰূপ পাইছে ; সেইদৰে অসমীয়া আৰু বঙালী সংস্কৃতিৰ প্ৰভাৱ অমলেন্দু গুহৰ প্ৰতিভাৰ পৰশত নাৰীৰ শক্তি প্ৰকৃতিৰ লগত একীভূত হৈ বৈপ্লৱিক চিন্তা জাগ্ৰত কৰিছে । কিন্তু বৰা-বৰুৱাই দাৰ্শনিক দৃষ্টিৰে ব্যক্তি আৰু সমাজ জীৱনৰ এই সাংস্কৃতিক ৰূপ উপলব্ধি কৰা নাই ।

লৌকিক জীৱনৰ ৰহস্য কাব্যৰ মাজলৈ অনাৰ প্ৰয়াসত বৰাই 'মৎস্য কন্যা' কবিতাত মালিতাৰ কৌশল প্ৰয়োগ কৰি সৃষ্টি প্ৰতিভাৰ পৰিচয় দিছে। 'তেজীমলা' আৰু 'সন্ধ্যাৰ গুঞ্জন'ৰ দৰে 'মৎস্য কন্যা' কবিতাত বিষাদ প্ৰকাশ পোৱা নাই । তদুপৰি, মানসিক দ্বন্দ্ব মনৰ পৰা কিছু হ্ৰাস হৈ যোৱা বাবেও ; নদীৰ গতিবেগৰ লগত সাদৃশ্য ৰক্ষা কৰি 'মৎস্য কন্যা'ৰ কাহিনী ৰূপায়ণ কৰিব পাৰিছে, চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী', 'জলকুঁৱৰী' আদি কবিতা সমূহৰ অতি লৌকিক পৰিবেশ প্ৰকাশ পালেও ; বৰ্ণনা ভঙ্গীৰ মাজেদি আত্ম প্ৰত্যয়ৰ ভাব নাইবা লৌকিক অতি লৌকিক জগতখনৰ সম্বন্ধ ৰক্ষা হোৱা নাই ।

শিল্পীয়ে প্ৰত্যক্ষভাবে কোনো অভিজ্ঞতা লাভ নকৰিলেও সেই অভিজ্ঞতাই কবি মানসৰ গভীৰতম স্থানত প্ৰবেশ কৰি কৰিক প্ৰাণ

স্পৰ্শী প্ৰেৰণা নিদিয়ে। কিন্তু যদি শিল্পীৰ গভীৰ তত্ত্বজ্ঞান আৰু মানসিক দৃঢ়তা থাকে তেতিয়া পৰোক্ষ ভাবে লাভ কৰা জ্ঞানেও প্ৰত্যক্ষভাবে লাভ কৰা অভিজ্ঞতাৰ আনন্দ দিব পাৰে। বৰাৰ এই দৃঢ়তা নাই। সেয়ে কাহিনীৰ মাজেদি প্ৰত্যক্ষীভূত দৃশ্য ৰূপ পোৱা নাই।

বৰাই 'মৎস্য কন্যা'ৰ কাহিনীৰ জ্ঞান প্ৰত্যক্ষভাবে লাভ কৰা নাই। লোক জীৱনৰ সংস্পৰ্শত লাভ কৰা অতি লৌকিক অভিজ্ঞতা ৰাজিৰ মাজেদি কবি বৰাই আদৰ্শবাদী দৃষ্টিভঙ্গীৰে হৃদয়ত ক্ষীণ শান্তিৰ ভাব উপলব্ধি কৰিছে। সেয়ে বৰাই কৈছে—

'জানো মই অপৰূপ সেই গন্ধ নহয় ফুলৰ
হব পাৰে সোঁৱৰণী কোনো এক প্ৰবাস বাসৰ ?'

'মৎস্য কন্যা' কবিতাত অতীত স্মৃতিৰ যোগেদি মনৰ সংঘাত দূৰ হোৱা বাবে বৰাই নদীৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু নদীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এটি কাহিনী গতিশীল কৰি ৰূপ দিব পাৰিছে। মৎস্যজীৱী লোকৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা মৎস্য কন্যাক কেন্দ্ৰ কৰি অসমীয়া কাব্য সাহিত্যত ৰূপ দি বৰাই জন-জীৱনৰ এটি দিশ মুকলি কৰিছে। ইয়েই বৰাৰ লোক জীৱনৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছে।

স্মৃতিৰ আনন্দক ৰূপ দিব'লৈ ৰচনা কৰা বৰাৰ 'অৰণ্য সন্ধ্যাৰ স্মৃতি' নামৰ কবিতাটোৰ মাজেদি প্ৰত্যক্ষ ভাবে লাভ কৰা অভিজ্ঞতাৰ আনন্দৰ স্মৃতিত সান্ধ্যকালীন অৰণ্য, আকাশ, বগলী জাক, বিলৰ সৌন্দৰ্য প্ৰতিফলন হৈছে যদিও, কবি ওৱাৰ্ডছ্ৱাৰ্থে ডেফোডিল আৰু হাতী-পটিৰ সৌন্দৰ্যৰ লগত একাত্মবোধ লাভ কৰি যি শান্তি পাইছিল, বৰাই সেই শান্তি উপলব্ধি কৰা নাই। সেয়ে প্ৰকৃতিৰ মাজত পৰমজ্ঞান লাভ কৰা নাই।

বৰাৰ 'সন্ধ্যাৰ গুঞ্জন' কবিতাৰ পটভূমি গাওঁ; কিন্তু 'অৰণ্য সন্ধ্যাৰ স্মৃতি' কবিতাৰ পটভূমি প্ৰাকৃতিক সৌন্দৰ্য। 'অৰণ্য সন্ধ্যাৰ স্মৃতি' প্ৰয়োজন নগৰীয়া কৰ্মক্লান্ত জীৱনৰ অৱসাদ আঁতৰাবৰ বাবে। 'এদিনৰ ছুটী' লৈ বৰাই প্ৰাকৃতিক সৌন্দৰ্যৰ মাজলৈ গৈ মনৰ মাজত যি স্মৃতি লৈ আহিল, সেই স্মৃতিয়ে কবিক সাময়িক শান্তি দিলেও, স্মৃতিৰ মাধুৰ্যই কবিক কৰ্ম প্ৰেৰণা যোগোৱা নাই নাইবা গভীৰ জীৱনতত্ত্বৰ সন্ধান নিদিলে।

নবকান্ত বৰুৱাই ছয়দিনৰ অন্তত দুটী গাই প্ৰেয়সীৰ সঙ্গত 'বশিষ্ঠত পিক নিক' খাই যিদৰে প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত সত্য শিৱ সুন্দৰৰ সন্ধান নাপালে, সেইদৰে বৰুৱায়ো প্ৰাকৃতিক সৌন্দৰ্যৰ স্মৃতিৰ গভীৰতা উপলব্ধি কৰা নাই। ইয়াৰ কাৰণ এই যে, বৰুৱাই নগৰীয়া বিলাসী জীৱনৰ ভাবলৈ অৱসৰ বিনোদনৰ বাবে প্ৰকৃতিৰ মাজ'লৈ গৈছে; অন্তৰত ধ্যানী মনোভাব লোৱা নাই।

বৰুৱাৰ 'আধুনিকা' কবিতাত আধুনিক নগৰীয়া জীৱনৰ এটি চিত্ৰ প্ৰকাশ পাইছে। নগৰৰ এজাক যুৱকৰ সঙ্গত থাকি কবিয়ে আধুনিকাৰ দেহাত বিশ্বৰ আটাইখিনি সৌন্দৰ্য দেখিছে। জনতাৰ মাজত আধুনিকাই নিজৰ দেহৰ প্ৰসাধনৰ সামগ্ৰী আৰু লাবণ্যৰ দ্বাৰাই কবি আৰু এদল যুৱকৰ ইন্দ্ৰিয় কাতৰ কৰিছে; কিন্তু আধুনিকা নিজে সজাগ নহয়।

ৰোমাণ্টিক কাব্যকাৰ সকলে নাৰীদেহৰ ৰূপ লাবণ্য উপভোগ কৰিছে নিঃসঙ্গ ভাবে; হয় প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত নাইবা দাম্পত্য প্ৰেমৰ যোগেদি। সেয়ে ৰোমাণ্টিক কাব্যকাৰ সকলে নাৰীৰ দৈহিক লাবণ্যৰ যোগেদি বিশ্বৰ সৌন্দৰ্য তত্ত্ব অৱগত হৈ প্ৰেম বিৰহৰ গভীৰতাৰ মাজেদি আধ্যাত্মিক শক্তি লাভ কৰিছে।

কিন্তু 'জনতাৰ কুঁৱলীত এখনি সুন্দৰ মুখ' দেখা কবিয়ে নাৰী দেহৰ প্ৰসাধনৰ সামগ্ৰীৰ ভিতৰেদি নাৰীৰ দৈহিক লাবণ্য দেখিলেও, নাৰীৰ হৃদয়ৰ তথা আধুনিকাৰ হৃদয়ৰ গভীৰতা দেখা নাই।

শিল্পীয়ে সামাজিক ৰূপৰ মাজেদি প্ৰবাহমান হৈ থকা স্থূল সূক্ষ্ম উভয় ভাবকে ৰূপ দিব লাগিব সঁচা; কিন্তু শিল্পী সমাজৰ শিক্ষক। সেয়ে কবি শিল্পীয়ে সমাজ জীৱনত চুকি পোৱা তৰল অনুভূতিক লৈ শিল্পসাধনা কৰিলে কবিয়ে হৃদয়ৰ গভীৰতালৈ যাব নোৱাৰে। এই কাৰণে বৰুৱাই ব্যক্তিগত আৰু সমাজ জীৱনৰ খিবোৰ অভিজ্ঞতা ৰূপায়ণ কৰিছে তাত চিন্তাৰ গভীৰতা প্ৰকাশ পোৱা নাই। কুঁৱলীয়ে দৃষ্টি আচ্ছন্ন কৰি ৰাখিছে।

বৰুৱাৰ 'এই নদীয়েদি' বাগৰি যোৱা পাৰ্বতীয়া নগৰীয়া জীৱনৰ অভিজ্ঞতাৰ মাজেদি এটা চুইডিছ কবিতাৰ অনুপ্ৰেৰণাত কি পৰাক্ৰমী ৰূপহী গাভৰুৱে দুপৰীয়া কবিৰ মনৰ দাপোনখন চুই গল; তাৰ তুলনাত ব্ৰহ্মপুত্ৰত নাও বাই যোৱা কবি দুৰবাই সন্ধ্যা সময়ত লগ পোৱা মালতী গাভৰুৰ স্নেহৰ গভীৰতা আৰু সৌন্দৰ্য পিপাসা অধিক।

অমলেন্দু গুহই 'এটি ফৰাছী কবিতাৰ অনুকৰণত' লিখা কবিতা-টোৰ ভাব আৰু অনুভূতি বৰাৰ দুইভিছ কবিতাৰ প্ৰেৰণাত লিখা 'অভিযোগ' নামৰ কবিতা দুটাৰ ভাব আৰু অনুভূতি বিচাৰ কৰিলে দেখা যায় যে, সাম্প্ৰতিক কালৰ নতুন অসমীয়া কবিতা ৰচক সকলে পাশ্চাত্য জগতৰ জ্ঞান বিজ্ঞানৰ সাধনাৰ ধৈৰ্য্য, সাহস, আদি গুণবোৰ অসমীয়া কাব্য সাহিত্যলৈ আনিব পৰা নাই; এওঁলোকে পাশ্চাত্য জগতৰ দোষবোৰ তথা লঘু অনুভূতিক আমদানি কৰিছে।

ৰোমাণ্টিক কাব্যকাৰ সকলে প্ৰাচ্য দৰ্শনৰ তাত্ত্বিক দৃষ্টিৰে হৃদয়ৰ গভীৰতা উপলব্ধি কৰা বাবে পাশ্চাত্যৰ জীৱনধাৰাৰ গভীৰ-তাত প্ৰবেশ কৰি পাশ্চাত্যৰ আদৰ্শ ৰাজিৰে অসমীয়া জাতীয় জীৱন শক্তিশালী কৰিছে। শিল্পীয়ে গভীৰ জীৱনবোধৰ মাজেদি বৈচিত্ৰময় জীৱনৰ ৰসাস্বাদন কৰিব নোৱাৰিলে; বিশ্বৰ সৰ্বত্ৰ একেদৰে দৃষ্টিপাত কৰে। পাশ্চাত্য জগতৰ কৰ্মশক্তি আৰু বৌদ্ধিক আনন্দৰ ধাৰাত বুৰ মাৰিবৰ বাবে যি জীৱন স্পৃহা লাগে সেই স্পৃহা বৰাৰ নাই।

'চঞ্চলতা' কবিতাত বৰাই এটি অতীত স্মৃতিৰ মাধুৰ্য্যত চাঞ্চল্য উপলব্ধি কৰিছে। অতীতৰ সুখ-দুখৰ স্মৃতিয়ে কেতিয়াবা কেতিয়াবা চিন্তাশীল ব্যক্তিৰ হৃদয়ত জীৱনৰ মহান সত্য জাগ্ৰত কৰে। বৰাৰ স্মৃতিৰ যোগে ক্ষীণ চাঞ্চল্য প্ৰকাশ পাইছে; সেয়ে ভাবুকৰ সত্য উপলব্ধিৰ আনন্দ নাই।

বৰাৰ কবি মানসত উদয় হোৱা 'আধুনিকাই' কবিৰ হৃদয়ত ক্ষীণ অনুৰাগ সৃষ্টি কৰি; 'অভিযোগ', 'চঞ্চলতা' আদি কবিতাৰ মাজেদি 'স্নেপশ্বট' কবিতাত পূৰ্ণ ৰূপ প্ৰকাশ কৰিছে। কবিৰ হৃদয়ত 'আধুনিকা' ৰ প্ৰতি থকা অনুৰাগ গভীৰ প্ৰেমলৈ ৰূপান্তৰিত হোৱা নাই। আধুনিক সমাজত প্ৰায় আদৰ্শ ৰূপে প্ৰতিষ্ঠা লাভ কৰা ডেকা গাভৰুৰ সহজ সান্নিধ্যৰ ইন্দ্ৰিয় তৃপ্তিৰ বাসনাক আধুনিক যুৱক যুৱতীৰ আদৰ্শ ৰূপে বৰাই এই চাৰিটা কবিতাত ৰূপ দিছে।

অৱশ্যে 'স্নেপশ্বট' কবিতাত বৰাই শ্বিলং-গুৱাহাটী-কলিকতাৰ দৃশ্য কবিতাৰ মাজলৈ আনি, কবিতাটোত স্থানীয় নাম-ৰূপ সংযোগ কৰি, তেওঁৰ পৰিচিতা 'আধুনিকা' প্ৰেয়সীৰ স্বামীৰ মৃত্যুত ক্ষীণ বেদনা উপলব্ধি কৰিছে। কবিতাটোত গতি শক্তি আছে যদিও করুণ ৰস নাই।

বেজবৰুৱাই 'বিধবাৰ বুকুফটা' বেদনাত চকুলো টুকিছিল ; কিন্তু আধুনিক সভ্যতাই 'আধুনিকা' সকলক শ্বিলং-গুৱাহাটী-কলিকতাৰ জনতাৰ কুঞ্চিত মোস বিলাস কৰি জীৱন উপভোগৰ সুবিধা দিয়াৰ বাবে বেজবৰুৱাৰ দিনৰ বৈধব্য জীৱনৰ বেদনা শূন্য হৈছে। সেয়ে 'ম্রেপমৰ্চ্ট' কবিতা 'আধুনিকাৰ ভিন্ন ৰূপ।

ৰোমাণ্টিক কবিসকলে দাম্পত্য প্ৰেমৰ মাধুৰ্য কাব্যিক ৰূপ দিছে; কিন্তু সাম্প্ৰতিক কালৰ কবিয়ে আধুনিকাৰ হৃদয়ত দাম্পত্য প্ৰেমৰ মাধুৰ্য উপভোগৰ আনন্দ দেখা নাই। সেয়ে, জীৱনৰ ৰহস্য ঘন ৰূপ অসমীয়া কাব্য সাহিত্যৰ পৰা লুপ্ত হৈ যোৱাৰ উপক্ৰম হৈছে।

নবকান্ত বৰুৱা, অমলেন্দু গুহ আৰু মহেন্দ্ৰ বৰাই নাৰী-পুৰুষৰ মিলনৰ পবিত্ৰতা উপলব্ধি কৰা নাই; এওঁলোকৰ দৃষ্টিত নাৰী-পুৰুষৰ সম্বন্ধত আন্তৰিকতাৰ সংযোগ নাই। এওঁলোকে আধুনিক নাৰীৰ দৃঢ়তাৰ আদৰ্শও দেখুৱা নাই। সেয়ে এই চিন্তাধাৰাই সুস্থভাবে সমাজ জীৱনক ৰূপ দিয়াত সহায়ক হোৱা নাই। শিল্পই আদৰ্শ আৰু বাস্তৱক সামঞ্জস্যৰে ৰূপ দিব নোৱাৰিলে জীৱনৰ মাদকতা শূন্য হৈ যায়, মানৱ জীৱনৰ শান্তি দূৰীভূত হয়।

ভাৰতে স্বাধীনতা লাভ কৰাত স্ত্ৰীশিক্ষা সম্প্ৰসাৰণৰ লগে লগে নাবালিকা ছোৱালীৰ বিবাহ প্ৰথা উঠি গল, আধুনিক স্ত্ৰীশিক্ষাৰ পৰা সৃষ্টি হোৱা বাতাবৰণত সহশিক্ষাই তথা শিল্পবিপ্লৱে ডেকা গাভৰুৰ মিলনৰ পৰিস্থিতি পৰিবৰ্তন কৰিলে। সেয়ে, আধুনিকাই শ্বিলঙৰ লেকৰ পাৰত আৰু পানবজাৰত লাভ কৰা অভিজ্ঞতা বৰজি মূলধন হিচাবে লৈ দাম্পত্য জীৱনত প্ৰবেশ কৰা বাবে দাম্পত্য জীৱনৰ মাদকতা হেৰুৱাই পেলাইছে। জাতীয় জীৱনলৈ তথা বিশ্বৰ বুকুলৈ এই পৰিবৰ্তন অহা সত্য। সেইদৰে নাৰীয়ে পুৰুষৰ সমানে অৰ্থনৈতিক স্বাধীনতা লাভ কৰা বাবে পূৰ্বৰ বৈধব্য জীৱনৰ বেদনা হ্ৰাস হোৱা সত্য।

কিন্তু, শ্বিলঙৰ লেকৰ পাৰতে আধুনিক সভ্যতাই প্লাবিত কৰা সমাজ জীৱনত প্ৰবীণ কবি প্ৰসন্নলাল চৌধুৰীয়ে 'ৱাড লেকৰ ফুল' (২) কবিতা ৰচনা কৰি, ডেকা গাভৰুৰ পবিত্ৰ প্ৰেম-প্ৰীতিক ৰূপ দিয়াৰ লগতে ভাৰতীয় দাৰ্শনিক সত্য আৰু আধুনিক সমাজ

(২) প্ৰহৰীঃ তৃতীয় সংখ্যা আহাৰ ১৮৯০, পহিলা জুলাই ১৯৬৮

ব্যৱস্থাৰ কোনো উদঙাই দিছে।

যি জন বিপ্লৱী কবিয়ে ভাৰতীয় দাৰ্শনিক চিন্তাৰ যোগেদি কবিত্ব শক্তি লাভ কৰি স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল, সেইজন কবিয়ে পুনঃ দেখুৱাইছে যে আধুনিক সভ্যতাই জাতীয় জীৱনৰ পবিত্ৰ প্ৰেমৰ আদৰ্শ লুপ্ত কৰা নাই। যাযোন আধুনিক সভ্যতাৰ ফলত হৃদয়ৰ পবিত্ৰতা হেৰুৱাই পেলোৱা কবিয়ে জীৱনৰ পবিত্ৰতাৰ মূল্য নুবুজে।

ৰোমাণ্টিক যুগত প্ৰেম বিৰহৰ কবিতাৰ মাজেদি কেবল নগৰীয়া যুবক কবি সকলৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাই ব্যক্ত হোৱা নাই; এই যুগত কবি সাহিত্যিক সকলে জনসাধাৰণৰ মাজতো পবিত্ৰ প্ৰেম-প্ৰীতিৰ আদৰ্শ দেখা পাইছিল। সেয়ে, ৰোমাণ্টিক কাব্যৰ কলাকাৰ সকলে বহল দৃষ্টিভঙ্গীৰে বাটৰ দুবৰি বনৰ পৰা আকাশৰ জোনবেলিৰ সৌন্দৰ্য লৈ সমানে দৃষ্টিপাত কৰিব পাৰিছিল।

ৰোমাণ্টিক যুগৰ প্ৰবীণ কবি প্ৰসন্নলাল চৌধুৰীয়ে যি মানবীয় আবেদন আৰু দাৰ্শনিক তত্ত্বৰ সমন্বয় সাধন কৰি অসমীয়া ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতিক ৰূপ দিছে তাৰ আস্বাদ মাত্ৰ জীৱনৰ চিৰন্তন সত্য প্ৰকাশ হৈছে।

স্বাধীনোত্তৰ কালৰ অসমীয়া সমাজ জীৱনত আৰু কাব্য সাহিত্যৰ মাজলৈ যি পৰিবৰ্তন আহিল আৰু কাব্য কলাৰ ওপৰত তাৰ যি প্ৰতিক্ৰিয়া হল, তাৰ স্পষ্ট ৰূপ প্ৰকাশ পাইছে প্ৰবীণ নবীন কবি-সকলৰ জীৱনৰ আদৰ্শগত বিশ্বাসত। সেয়ে, জাতীয় জীৱনৰ অভি-জ্ঞতাৰ ঐতিহাসিক ৰূপ বিচাৰ কৰা প্ৰয়োজন।

প্ৰবীণ নবীন কলাকাৰ সকলৰ আদৰ্শৰ সংঘাত ভগৱদ্গীতাৰ ভাষাৰে কবলৈ গলে—

> "অসত্যম প্ৰতিষ্ঠং তে জগদাহুৰনীশ্বৰম।
> অপৰস্পৰ সম্ভূতং কিমন্যৎ কামহেতুম॥
> এতাং দৃষ্টিমৱষ্টভ্য নষ্টাত্মানোহল্প বুদ্ধয়ঃ
> প্ৰভৱন্ত্যুগ্ৰকৰ্মাণঃ ক্ষয়ায় জগতোহহিতা॥"
> ১৬ অধ্যায় ৮।৯ শ্লোক।

অল্পবুদ্ধি নষ্টাত্মা লোকে কামনাৰ বশৱৰ্তী হৈ জগতৰ সত্য অসত্যৰ প্ৰকৃত পথ চিনি নেপাই জগতৰ ক্ষয়ৰ কাৰণে কাম কৰে। জাতীয়

জীৱনৰ মূল সাংস্কৃতিক দিশটোৰ লগত যোগসূত্ৰ বিচ্ছিন্ন হৈ কাব্য কথা অগ্ৰসৰ হলে লক্ষ্যভ্ৰষ্ট নাবিকৰ দৰে কল্পাকাৰ নদীৰ সোঁতত উটি যায়।

মহেন্দ্ৰ বৰাই কপিলি পৰীয়া চামুৰাইৰ যোগেদি 'চামুৰাই' কবিতাত মালিতাৰ ভঙ্গীত আত্মবৃত্তান্ত মূলক কৌশল অৱলম্বন কৰি; কেৰাণী আৰু সৈনিকৰ জীৱনাদৰ্শৰ এটি তুলনামূলক আলোচনাৰ মাজেদি সৈনিক জীৱনৰ শ্ৰেষ্ঠতা দেখুৱাইছে। 'চামুৰাই' কবিতাত বৰাই শঙ্কামুক্ত মনৰ আগ্ৰহতা বাবে চিন্তা আৰু শিল্পৰীতিৰ মৌলিকতা প্ৰকাশ পাইছে।

কপিলিপৰীয়া চামুৰাইৰ জীৱনৰ কাহিনী ব্যক্ত কৰি বৰাই প্ৰত্ন-তাত্ত্বিক দৃষ্টিভঙ্গীৰে অসমৰ ঐতিহাসিক জগতত প্ৰৱেশ কৰি; ভাৰত আৰু অসমৰ যোগাযোগ দৰ্শাই; প্ৰাচীন-নবীন ভাৰতৰ ৰাজনৈতিক শঙ্কট আৰু বহিঃ আক্ৰমণৰ সময়ত চামুৰাই আৰু তেওঁৰ পূৰ্বপুৰুষে কি ভূমিকা গ্ৰহণ কৰিছে তাকেই ব্যাখ্যা কৰিছে।

সুদূৰ বিপাশা নদীৰ পাৰৰ পৰা আহি চামুৰাইৰ পূৰ্বপুৰুষে কপিলীৰ পাৰত বসতি কৰি অসমৰ সকলো প্ৰকাৰ জাতীয়তাবাদী আন্দোলনত নিঃস্বাৰ্থ ভাবে যোগদান কৰিছে; কিন্তু, তথাপি কবি শিল্পী সকলে এই শ্ৰেণীৰ লোকক কোনো স্বীকৃতি দিয়া নাই। এয়ে বৰাৰ আক্ষেপ।

নদীৰ পাৰত, বিলৰ পাৰত, আঘোণৰ ধাননি পথাৰত, লেকৰ পাৰ নাইবা কলিকতাৰ ট্ৰামৰ পৰা বৰাই প্ৰগতিবাদী ভাৱধাৰা অসমীয়া কাব্য সাহিত্যলৈ প্ৰবাহিত কৰিব পৰা নাই। কিন্তু কপিলীৰ পাৰত চামুৰাই আৰু তেওঁৰ পূৰ্ব পুৰুষৰ দেশাত্মবোধ আৰু নিঃস্বাৰ্থ সেৱাৰ আদৰ্শ দাঙি ধৰি, বৰাই লোক জীৱনৰ সন্নিধ্যত হৃদয়ৰ দেশাত্মবোধ ব্যক্ত কৰিছে।

বৰাই কপিলি পৰীয়া চামুৰাইৰ যোগেদি সৰ্বভাৰতীয় যোগ-সূত্ৰ স্থাপন কৰিছে; কিন্তু অমলেন্দু গুহই কৃষক মজদুৰৰ 'লুইতৰ পাৰৰ গীত'ৰ দ্বাৰা সৰ্বভাৰতীয় যোগসূত্ৰ বিচ্ছিন্ন কৰাৰ চেষ্টাহে কৰিছে।

গুহই লেনিনগ্ৰেডৰ যুৱকক ভাই বুলি আকোঁৱালি লব; কিন্তু ভাৰতৰ বণাঙ্গণ নাইবা বিপাশাৰ পাৰৰ ক্ষত্ৰিয় বীৰৰ ৰক্ত

অসমীয়া জাতিৰ ৰক্তৰ লগত মিলিত হৈ সৰ্বভাৰতীয় ঐক্য গঢ়ি উঠাৰ প্ৰতি আগ্ৰহ প্ৰকাশ নকৰে।

কপিলপৰীয়া ক্ষত্ৰিয় যুৱকে বীৰত্ব প্ৰদৰ্শনৰ দ্বাৰা দেশৰ ঐক্য গঢ়ি তুলিব; কিন্তু লইতপৰীয়া কৃষক নজদুৰে 'ৰঙাচীন'ৰ আক্ৰমণৰ ভয় মিছা বুলি ৰঙা পতাকা উৰাই কব 'যুদ্ধৰ ৰচদলৈ নচলিব বেল।'

সাম্প্ৰতিক কালৰ নতুন কবিসকলৰ এই পৰস্পৰ বিৰোধী মতবাদে দেশৰ জনসাধাৰণৰ চিত্ত বিভ্ৰান্ত কৰি ৰোমাণ্টিক যুগৰ কাব্যৰ ঐক্যবদ্ধ চিন্তাৰ আদৰ্শ ব্যাহত কৰিছে। ৰাজনৈতিক আদৰ্শই কাব্যকলাৰ যোগেদি এটা স্পষ্ট জাতীয়তাবাদী মনোভাবক কেন্দ্ৰ কৰি গঢ়ি নললে দেশৰ জাগৰণ হোৱা অসম্ভৱ।

ৰবাই 'চামুৰাই' কবিতাত চিন্তাৰ মৌলিকতা দেখুৱাইছে যদিও, কবি হৃদয়ত বীৰ ৰসাত্মক ভাবৰ সঞ্চাৰ নোহোৱা বাবে; চামুৰাইৰ চৰিত্ৰৰ যোগেদি অসমীয়া যুৱকক সামৰিক বাহিনীৰ প্ৰতি আকৃষ্ট কৰিব পৰা উৎসাহ উদ্দীপনা যোগাব পৰা প্ৰেৰণা সৃষ্টি কৰিব পৰা নাই। এই কবিতাটো বীৰ ৰসাত্মক ভাবৰ মাজেদি ৰূপ দিব পৰা হেতেন ৰবাই চিন্তা আৰু শিল্পৰীতিৰ অপূৰ্ব সমন্বয় সাধন কৰিলেহেতেন। ৰবাই বৈষ্ণৱ যুগৰ বধকাব্যৰ পৰা প্ৰাণপ্ৰাচুৰ্য্য আহৰণ কৰি কপিলী নদীৰ পাৰৰ পৰা নাই। সেয়ে সাম্প্ৰতিক কালৰ কবিসকলৰ প্ৰাচীন সাহিত্যৰ লগত সম্বন্ধ নোহোৱা বাবে এনে অৱস্থা।

ৰবাই অপ্ৰকাশ কবিতাত আধুনিক 'মগজুৰ এচিডেৰে পোৰা কবিতা'ৰ সমালোচনা কৰি; প্ৰকাশকৰ তথা পাঠকৰ মনোভাব ব্যক্ত কৰি প্ৰাচীন সাহিত্য আৰু আধুনিক কবিতাৰ প্ৰতি সামাজিক দৃষ্টি ভংগীৰ ইংগিত দি; সাধাৰণ জীৱনৰ চিত্ৰ সহজ সৰল ভাষাৰে ৰূপ দিয়াৰ ক্ষমতাৰ অভাৱৰ কথা বুজাইছে।

তদুপৰি, এজন প্ৰকাশকে নিজৰ মনৰ ভাব কবিতাৰ মাজেদি প্ৰকাশ কৰিব নোৱাৰি কিদৰে অপ্ৰকাশ'ৰ বেদনা ভোগ কৰি কবিতা ৰচনাৰ আনন্দ ধাৰাপাত পুথি ছপাই বিনামূল্যে বিতৰণ কৰি উপভোগ কৰিছে তাকেই ৰবাই ব্যক্ত কৰিছে।

ৰবাই সূক্ষ্ম অনুভূতিৰ যোগেদি এটি সত্য দাঙি ধৰিছে যে, শিশুৰ কোমল অনুভূতিৰ সংস্পৰ্শত ব্যৱসায়ী লোকৰ বাস্তৱবাদী

মনৰো গতি সলনি হয়। বৰাই 'ইতি কথা ঃ নদী আৰু মানুহৰ' কবিতাত কৈছে—"লভিলো পুনৰ আমি নিষিদ্ধ গছৰ গুটিৰ আস্বাদ।" সেইদৰে পিতাকৰ হাক বচন নেমানি শিশু পত্ৰই নগৰলৈ গৈ গ্ৰন্থ ব্যৱসায়ী পিতৃৰ সুকুমাৰ অনুভূতি জাগ্ৰত কৰিলে।

কিন্তু ইয়াৰ পৰাই এই সিদ্ধান্তলৈ আহিব নোৱাৰি যে শিল্প সাধনাৰ সকলো বিধি-নিষেধ ভঙ্গ কৰিলেই 'অপ্ৰকাশ'ৰ বেদনা প্ৰকাশিত হৈ সমাজৰ মঙ্গল সাধন কৰিব। মানৱ মনৰ বিভিন্ন অপ্ৰকাশিত সুকুমাৰ অনুভূতি বিভিন্ন আলম্বন যোগে প্ৰকাশ পায়। সেয়ে, বৰাই কৈছে যে কেতিয়াবা কেতিয়াবা প্ৰকাশকে নিজৰ কবিতা ৰচনাৰ অক্ষমতাৰ বাবে; কবিতাৰ পুথি প্ৰকাশ কৰিবলৈ অনিচ্ছুক হৈ; কবিতাৰ বিৰূপ সমালোচনা কৰি; লাভৰ আশাত ধাৰাবাহিক ৰচনা কৰি মুদ্ৰক হৈ থাকে।

বৰাই কবিতাৰ পুথি প্ৰকাশৰ 'অপ্ৰকাশ' অভিজ্ঞতা সমূহ ৰূপ দিওঁতে যি স্বচ্ছন্দ গতিত ধাৱমান হৈছে নদী আৰু মানুহৰ অতীত বৰ্তমানৰ সম্বন্ধ বিচাৰ কৰোঁতে সেই নিজস্ব গতি লাভ কৰা নাই। নদী বিষয়ক কবিতাত নিজৰ অভিজ্ঞতাৰ পৰিসৰ অতিক্ৰম কৰি ব্যৰ্থ হৈছে। কিন্তু সহজাত অনুভূতিক ৰূপ দিয়াত বৰাৰ কিছু দক্ষতা দেখা যায়।

বৰাই প্ৰাকৃতিক দৃশ্যাৱলীৰ আকৰ্ষণ স্পষ্ট ভাবে উপলব্ধি নকৰা বাবে 'জিঞা পাখি' কবিতাত জিঞাৰ পাখিৰ সৌন্দৰ্যৰ স্মৃতিক ৰূপ দিবৰ চেষ্টা কৰি কৈছে—

> "উশাহত বিচাৰিলোঁ প্ৰাণ
> মগজুত কলিজাত ক'তো একো নাই।"

প্ৰকৃততে কবি শিল্পীয়ে স্পষ্টভাৱে অন্তৰ পৰশি যোৱা অভিজ্ঞতা ৰূপায়ণ কৰিহে তৃপ্তি বোধ কৰে; নহলে ব্যৰ্থতাৰ চকুলো টোকে। সৃষ্টিৰ আনন্দই শিল্পীৰ চিত্ত শুদ্ধি কৰে; পাঠকৰ হৃদয় চোৱে।

মহেন্দ্ৰ বৰাই 'ফাউষ্ট' কবিতাত পাশ্চাত্য সাহিত্যৰ দাৰ্শনিক চিন্তাধাৰাক কাব্যিক ৰূপ দিবলৈ চেষ্টা কৰিছে। সেয়ে, মাৰ্লোৰ 'ডক্টৰ ফষ্টাছ' আৰু জাৰ্মান কবি গেটেৰ 'ফাউষ্ট' কাব্যৰ ভাবৰ বিশালতাৰ মাজেদি ডক্টৰ ফষ্টাছৰ জীৱনৰ ট্ৰেজিক কাহিনীৰ মানসিক দ্বন্দ্ব বৰাই কেনেদৰে ৰূপায়ণ কৰিছে বিচাৰ।

মাধৱ কন্দলিৰ দিনৰ পৰা অসমীয়া কাব্যকাৰ সকলে সংস্কৃত সাহিত্যৰ কাহিনী অসমীয়া কাব্য জগতলৈ আনোতে, আঞ্চলিকতাৰ প্ৰতি লক্ষ্য ৰাখি 'সৰ্বজন বোধে' বিশেষকৈ যাতে 'অবিবোধ স্ত্ৰী শূদ্ৰে চণ্ডালে পঢ়য়' তাৰ প্ৰতি লক্ষ্য ৰাখি কাব্য ৰচিছে। ৰোমাণ্টিক যুগতো এই আদৰ্শ প্ৰায় অব্যাহত আছে।

সংস্কৃত সাহিত্যৰ ভাল অসমীয়া কাব্য জগতলৈ অনাৰ সময়ত কবিসকলে ভাবিছিল যে পণ্ডিত সকলে নিশ্চয় সংস্কৃত সাহিত্যহে অধ্যয়ন কৰিব, কাৰণ সংস্কৃত সাহিত্যত জ্ঞান থকা লোকে প্ৰাদেশিক ভাষাত ৰচিত কাব্যত মনৰ ৰসাস্বাদন নাপাব। সেইদৰে সাম্প্ৰতিক কালতো ইংৰাজী সাহিত্যত গভীৰ জ্ঞান থকা লোকে মালো আৰু গেটেৰ ৰচনাৰ পাছত ৰসাস্বাদন কৰিব। ইংৰাজী সাহিত্য অধ্যয়ন কৰি ৰসাস্বাদন কৰিব নোৱাৰা লোকৰ বাবে ৰচিত কাব্য কবিতাই নিশ্চয় মূল কাহিনীৰ নীতি দাৰ্শনিক তাৎপৰ্য অসমীয়া কাব্যামোদী লোকক দিব পাৰিব নোৱাৰিব।

ভাৰতীয় সাহিত্যত কৰুণ পৰিণতি যুক্ত ট্ৰেজেডি নাই। সেয়ে পাশ্চাত্য জগতৰ ট্ৰেজিক কাহিনীৰ আনন্দ আৰু কাহিনী ভাগৰ আদি-মধ্য-অন্ত বিচাৰ কৰি ঐক্যবদ্ধভাবে ট্ৰেজিক আনন্দ ৰূপ দি দৰ্শক পাঠকৰ হৃদয়স্পৰ্শ কৰিব লাগিলে, শিল্পীয়ে মূল কাহিনীৰ লগত একাত্মবোধ উপলব্ধি কৰি কাহিনীভাগৰ প্ৰকৃত তাৎপৰ্য অৱগত হলেহে শিল্পীয়ে হৃদয়ৰ ৰসবোধ দৰ্শক পাঠকৰ হৃদয়ত সঞ্চাৰ কৰিব পাৰে। মূল কাহিনীৰ গভীৰ তত্ত্ব উপলব্ধি কৰা পাঠকে নাইবা মূল কাহিনী তথা ইংৰাজী সাহিত্যৰ যোগেদি ডক্টৰ ফষ্টাছৰ জীৱনতত্ত্ব নজনা অসমীয়া কাব্য মোদীয়ে কেনেদৰে ৰবাৰ কবিতাৰ ৰসাস্বাদন কৰে বিচোৰ।

গভীৰ ভাৱে বিচাৰ কৰি চালে দেখা যায় যে আনুষ্ঠানিক ৰীতি সমূহ বাদ দিলে প্ৰাচ্য পাশ্চাত্য ধৰ্মীয় ভাবধাৰাৰ মৌলিক নীতি সমূহৰ প্ৰভেদ নাই। ডক্টৰ ফষ্টাছৰ জীৱনৰ আদি-মধ্য-অন্ত বিচাৰ কৰিলে পাশ্চাত্যৰ ধৰ্মতত্ত্ব তথা জীৱন দৰ্শনৰ প্ৰধান ধাৰাটো ভগৱদ্গীতাৰ আদৰ্শৰ লগত মূলগত প্ৰভেদ দেখা নাযায়।

ডক্টৰ ফষ্টাছে জ্ঞান বিজ্ঞানৰ যোগেদি সৃষ্টি ৰহস্য উদ্ঘাটন কৰি যি শক্তি লাভ কৰিলে, সেই শক্তিৰ বলত আত্মাৰ প্ৰশান্তিৰ যোগে মানৱ কল্যাণ সাধন কৰি, পৰমানন্দ লাভ কৰাৰ বাবে চেষ্টা নকৰিলে। জ্ঞান সমুদ্ৰ মন্থন কৰি ফষ্টাছে অমৃতৰ

পৰিবৰ্তে গৰলহে পান কৰিলে। ভাৰতৰ পৌৰাণিক কাহিনী মতে দেৱতা আৰু অসুৰে অশেষ শ্ৰম কৰি সমুদ্ৰ মন্থন কৰিলে, দেৱতাই জ্ঞানৰ বলত অমৃত পান কৰি সাধনা সিদ্ধি কৰিলে। কিন্তু অসুৰে মোহনীৰ ৰূপত মুগ্ধ হৈ আত্ম বিস্মৃত হোৱাৰ দৰে, ডক্টৰ ফষ্টাছেও সাধনা লব্ধ জ্ঞান বাজিৰ প্ৰয়োগৰ দ্বাৰা ইন্দ্ৰিয় লালসা পূৰ্ণ কৰাৰ পথ ললে।

বিজ্ঞানৰ আবিষ্কাৰে বিবেকী লোকৰ চিত্ত সাত্ত্বিক ভাবৰ যোগেদি অনন্ত শোক'ল লৈ যায়; কিন্তু আসুৰিক ভাবাপন্ন লোক আত্মবিস্মৃত হৈ এই শক্তিৰে নিজৰ আৰু আনৰো অমঙ্গল সাধন কৰে। গীতাত মানৱক দৈৱ আৰু আসুৰ নামে দুটা শ্ৰেণীত বিভক্ত কৰিছে। দৈৱী সম্পদ সম্পন্ন লোকে নিজৰ জ্ঞানেৰে জগতৰ হিত সাধন কৰে; কিন্তু অজ্ঞান বিমোহিত লোকে দুৰন্ত কামনাৰ বশবৰ্ত্তী হৈ ইন্দ্ৰিয় সুখ জীৱনৰ লক্ষ্য বুলি ভাবি অধোগামী হয়।

গীতাত দৈৱাসুৰ সম্পদ বিভাগ যোগ' অধ্যায়ত ভগৱান কৃষ্ণই কৈছে যে, প্ৰসক্তা কামভোগেষু পতন্তি নৰকেহশুচৌ'। ডক্টৰ ফষ্টাছে জীৱনত খ্যাতি লাভ কৰিলে মৃত্যুৰ আগে আগে সুন্দৰী নাৰী হেলেনৰ আলিঙ্গন লাভ কৰিলে। মঠতে কামশাস্ত্ৰ আৰু বিজ্ঞানৰ সাধনাৰ যোগেদি লাভ কৰা শক্তিৰ বলত ঐহিক জীৱনৰ ভোগ লালসাৰ শীৰ্ষস্থানত উপনীত হৈহে নিজৰ ভুল বুজি পালে।

পাৰ্থিব ভোগ বাসনাই আৰু প্ৰেতৰ তাড়নাই ফষ্টাছৰ অন্তৰাত্মাত যি বিষাদ সৃষ্টি কৰিলে; ইয়াতে নৰকৰ পৰা উদ্ধাৰ হোৱাৰ স্পষ্ট ইঙ্গিত আছে। পাশ্চাত্য দৰ্শনৰ এই ভাব বহুকাল পূৰ্বেই গীতাত ধ্বনিত হৈছে। গীতাত আছে "অপি চেৎ সুদুৰাচাৰো ভজতে মামনন্যভাক সাধুৰেব স মন্তব্যঃ'। বহু পাপ কামত লিপ্ত হৈও, ভগৱানক আৰাধনা কৰি পাপমোচন হোৱাত ভগৱানক পাব পাৰে। সেয়ে, দেখা যায় ডক্টৰ ফষ্টাছৰ ট্ৰেজেডিৰ কাহিনীৰ তত্ত্বত প্ৰাচ্য পাশ্চাত্যৰ প্ৰভেদ নাই।

ডক্টৰ ফষ্টাছে ভূত-প্ৰেতৰ লগত মিত্ৰতা কৰি নৰকগামী হ'ল; ছেক্সপীয়েৰৰ 'টেম্পেষ্ট' নাটকৰ প্ৰধান চৰিত্ৰ প্ৰস্পাৰোৱে পাণ্ডিত্য আৰু আত্মসংযমৰ যোগেদি ভূত প্ৰেতৰ জগতত প্ৰৱেশ কৰি মানৱ কল্যাণ সাধন কৰিলে। জ্ঞানীয়ে যেতিয়া ইন্দ্ৰিয় নিগ্ৰহ কৰি জ্ঞানৰ সাধনাত ব্ৰতী হয়, তেতিয়া তেওঁ সকলোকে জয়

ৰুধিব পাৰে। সেয়ে, বেকনে কৈছে 'জ্ঞানেই বল,' গীতাই কৈছে "জ্ঞানৰ সমান পবিত্ৰ বস্তু এই জগতত নাই।" অৰ্থাৎ পবিত্ৰ জ্ঞানেই পৰম বল। প্ৰকৃততে গভীৰ অৰ্থত প্ৰাচ্য পাশ্চাত্যৰ দৃষ্টি একেটা।

বৰাৰ ডক্টৰ ফষ্টাছৰ জীৱনৰ আদি মধ্য অন্ত বিচাৰ কৰিলে মূল কাহিনীৰ দাৰ্শনিক ভাবধাৰা আৰু ফষ্টাছৰ মনোৰাজ্যৰ সংঘাত, বিবেক আৰু ইন্দ্ৰিয়ৰ যুদ্ধৰ স্পষ্ট প্ৰমাণ পোৱা নেযায়। অৱশ্যে, বৰাই ৰমণীয় এই কাহিনীটোক আধুনিক যুগৰ চিন্তা-ধাৰাৰ লগত খাপখুৱাবলৈ চেষ্টা কৰিছে।

কিন্তু প্ৰাচীন কাহিনী এটা নতুন ৰূপ দিব লাগিলে শিল্পীয়ে অতীত বৰ্তমানৰ যোগসূত্ৰ ৰক্ষা কৰিব পৰা কল্পনা, সৃষ্টি প্ৰতিভা আৰু গভীৰ জীৱনবোধৰ মাজেদি চৰিত্ৰ সৃষ্টি কৰিব পাৰিব লাগিব। বৰাৰ কবিতাত ফাউষ্টৰ স্বগতঃ উক্তিৰ মাজেদি অন্তৰ্দাহী ব্যক্তি কলেৱৰতে ট্ৰেজিডীৰ পৰিবেশ সৃষ্টি কৰিব পৰা নাই; নাইবা জ্ঞাত সাৰে নাইবা অজ্ঞাতসাৰে নৰকৰ অধিপতিৰ অনুগ্ৰহ লাভ কৰাৰ বাবে দিবলগীয়া হোৱা মূল্যৰ বাবদ চকুলো টুকি; নৰকৰ পৰা উদ্ধাৰ পাবৰ বাবে যত্নপৰ হোৱা ভাব প্ৰকাশ কৰা নাই।

নৰকৰ অধিপতিৰ অনুগ্ৰহত পাৰ্থিৱ ভোগ-বিলাস উপভোগ কৰি তামসিক আনন্দত আত্মহাৰা হোৱা ভাব স্পষ্ট ৰূপে প্ৰকাশ পালেও বৰাৰ সৃষ্টিৰ মৌলিকতা প্ৰকাশ পালেহেঁতেন। বৰাৰ ফাউষ্টে লুচিফাৰক আত্মবিক্ৰী কৰি ভোগ বিলাসৰ মাদকতা তৃপ্ত কৰিব নোৱাৰা বাবে; নৰকলৈ গমন কৰা সময়ত ভোগ বিলাসৰ যোগে লাভ কৰা আত্মতৃপ্তিৰ হাঁহি মাৰিবও পৰা নাই, নাইবা গভীৰ ভাবে নিজৰ ভুলৰ বাবে অনুতপ্তও হোৱা নাই। সেয়ে, বৰাৰ 'ফাউষ্ট' কবিতাই ইংৰাজী সাহিত্য ৰসাস্বাদন কৰা পাঠক নাইবা ইংৰাজী সাহিত্যৰ জ্ঞান নথকা কলামোদী পাঠকৰ হৃদয়স্পৰ্শ নকৰে।

বৰাই 'মৎস্যকন্যা' কবিতাত অতি লৌকিক জগতখনত যেনে-দৰে প্ৰৱেশ কৰিছে, 'ফাউষ্ট' কবিতাত সেই দক্ষতাৰ পৰিচয় দিয়া নাই। চামুৰাই কবিতাৰ নায়কৰ স্বগতঃ উক্তিৰ মাজেদি কবি মানস যেনেদৰে প্ৰকাশ পাইছে তেনে গতিবেগ 'ফাউষ্ট'ত নাই। মূৰ্ততে দাৰ্শনিক তত্ত্বৰ মাজেদি বৰাই সাৰ্থকভাবে আত্মপ্ৰকাশ কৰিব নোৱাৰে।

কবিসকলে নিজৰ অভিজ্ঞতা বাজিক সাথক ভাবে ৰূপ দিবৰ বাবে উপমাৰ ব্যৱহাৰ কৰে। সেয়ে, উপমাৰ ব্যৱহাৰে শিল্পীৰ জীৱনবোধ আৰু ৰুচি প্ৰকাশ কৰে। বৰাই 'অন্ধ উপমা' নামৰ কবিতাত আকাশ আৰু পৃথিবীৰ পৰা উপমা গ্ৰহণ কৰি মনৰ অনুভূতিক ৰূপ দিবৰ বাবে চেষ্টা কৰিছে। আকাশ আৰু পৃথিবীত চন্দ্ৰ-সূৰ্য্যৰ আলোক মালাই পোহৰ বিলাই থকা অৱস্থাত কবিৰ মন সৌন্দৰ্য্য গ্ৰহণৰ বাবে উপযুক্ত হৈ নথকা বাবে বৰাই উপমাক অন্ধ বুলি কৈছে। 'সন্ধ্যাৰ তৰা', 'অৰণ্য সন্ধ্যাৰ স্মৃতি', 'চকোৰ', 'জিঞোঁপাখি' কবিতা সমূহৰ অনুভূতিৰ বিবৃত ৰূপ অন্ধ উপমা' কবিতা।

কবি-শিল্পীয়ে শিল্প সাধনাৰ মাজেদি তাৰ জগতৰ গভীৰতাত প্ৰবেশ কৰিলে উপমাই আত্মপ্ৰকাশৰ পথ বিচাৰি শিল্পীৰ হৃদয়ত নানা ৰূপত দেখা দিয়ে; কিন্তু শিল্পীৰ হৃদয়ত অন্ধকাৰ থাকিলে কাব্যস 'পোহৰতকৈ এন্ধাৰ ভাল' বুলি কয়। তেতিয়া অন্ধকাৰ প্ৰিয় কবি সাগৰ অন্ধকাৰত 'অন্ধ উপমা বিচাৰি পায়।

'তংগাস্বৰ' কবিতাত বৰাই সৃষ্টিতত্ত্ব ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰি ভাৰতীয় দৰ্শনৰ দুটা ভাবনধাৰা নাৰীক কেন্দ্ৰ কৰি ৰূপ দিছে। সংত্যাগী ঋষি সকল আৰু ভোগ-ঐশ্বৰ্য-প্ৰাৰ্থী ক্ষত্ৰিয় সকলৰ বাবে স্বৰ্গৰ দেৱৰাজ ইন্দ্ৰ শংকিত। সেয়ে মানৱৰ হাতত দেৱতাৰ সংঘাত। বৰাই ঋষি সকলক উদ্দেশ্য কৰি কৈছে—

"ইহঁত অক্ষম ক্লীব ইহঁতে জ্বলায় হোম
সমিধৰ শুকান শাখাৰে।"

* * * *

"ইহঁত কাষত আছে সান্ত্বনা পাপৰি মেলি বিষাদৰ
নিবিড় পঙ্কত।"

বৰাই ভোগ-ঐশ্বৰ্য প্ৰাৰ্থী সকলৰ বিষয়ে কৈছে—

"সিহঁত চকুৰ মণি মণিময় প্ৰাসাদৰ উচ্ছসিত
আনন্দৰ গান।"

মাতৃৰ হৃদয়ত ভোগ-ঐশ্বৰ্য্যত আসক্ত আৰু উদাসীন জীৱন যাপন কৰা পুত্ৰৰ প্ৰতি সমানে স্নেহ থাকিলেও; সাধাৰণতে মাতৃয়ে গৃহী জীৱন যাপন কৰা পুত্ৰৰ প্ৰতিহে অধিক আকৃষ্ট হয়। বৰবাই অৱশ্যে বাস্তৱিক সুখাভিলাষী সকলক ক্ষমতাৰ অপব্যৱহাৰ কৰিবলৈ দেখা নাই। বৰবাৰ '[illegible]' ৰ মাতাৰ মাতৃয়ে ভোগ সুখৰ কথা কলেও পুত্ৰ সকলক ইন্দ্ৰপুৰী দখল কৰিবলৈ প্ৰেৰণা যোগোৱা নাই।

ভাৰতীয় সভ্যতা সংস্কৃতি নিঃশঙ্ক ৰাজতন্ত্ৰ আৰু ঋষিৰ সাধনাই পাৰম্পৰিক ভাৱে বৰ্ত্তাই আহিছে। কেৱল ৰাজশাসনে জাতিৰ সৰ্ব্বাঙ্গীণ শক্তি বিকাশ কৰিব নোৱাৰে। সেয়ে, সমাজৰ আৰু জ্ঞান বৈৰাগ্যৰ সাৰথি লোক [illegible] সহযোগতহে জাতিক প্ৰগতিৰ পথ দেখুৱাব পাৰে। এইৰ অভিজ্ঞতা আনটো অচল। অৱশ্যে প্ৰাচীন আখ্যানৰ মাজেদি আধুনিক ভাৱধাৰা প্ৰকাশৰ কৌশলে কবিগৰাকীক এটা বিশিষ্ট স্থান দিছে।

বৰবাই সাধাৰণভাৱে নাৰী [illegible] [illegible] [illegible] দি [illegible] যে মাতৃয়ে পুত্ৰৰ মঙ্গল কামনা কৰিহে সদায় ভোগ-ঐশ্বৰ্য আৰু ক্ষমতাৰ [illegible] চিন্তা কৰে। বৰবাৰ উৎপাদন কবিতাৰ [illegible] [illegible] বেদনাক ৰূপ দিয়া [illegible] হেতে [illegible], কিন্তু [illegible] [illegible] পুত্ৰসকলৰ [illegible] শক্তিৰ প্ৰকাশ [illegible]। বৰবাই অন্যান্য কবিতাত নাৰীক [illegible] শ্ৰদ্ধা দেখুৱা নাই যদিও; '[illegible]' কবিতাত নাৰীৰ [illegible] [illegible] শক্তিৰ [illegible]। বৰবাই [illegible] শক্তিৰ প্ৰতি শ্ৰদ্ধা দেখুৱাইও [illegible] আত্মাত শক্তি সৃষ্টি কৰিব [illegible] আৰু [illegible] নাই।

বৰবাই একনিষ্ঠ ভাৱে সুসংহত চিন্তাৰ মাজেদি ভাৰতীয় দাশনিক তত্ত্বৰ অনুধাবন কৰা নাই যদিও; 'সংকট' নামৰ কবিতাত [illegible] আৰু আধ্যাত্মিক জীৱনৰ সংঘাত। সাধন কৰি ভোগ আৰু ত্যাগৰ সমন্বয় আৰু নাৰীৰ প্ৰেমই জগতৰ সংকট' দূৰ কৰাৰ মূল কাৰণ বুলি কৈছে। পৃথিৱীৰ নাৰীয়ে ঋষিৰ তপস্যা ভঙ্গ কৰা পৃথিৱীৰ সংকট দূৰ কৰা দৃশ্য অঙ্কণ কৰি বৰবাই প্ৰাচীন কাহিনীৰ আলম লৈ পৃথিৱীৰ মহত্ত্ব দেখুৱাইছে। বৰবাই গভীৰ দাশনিক চিন্তাৰ মাজেদি স্পষ্টভাৱে গতি কৰিব নোৱাৰে; কিন্তু শ্ৰদ্ধাযুক্ত মনে ভাৱেৰে জীৱনৰ ক্ষীণ প্ৰবাহত প্ৰবেশ কৰিলে সৃষ্টিৰ সাৰ্থকতা লাভ কৰে। সেয়ে 'সংকট'ৰ ঘনীভূত কাব্যিক চেতনাই বৰবাৰ কবি মানস আন্দোলিত কৰিছে।

লোক জীৱনৰ সান্নিধ্যলৈ গৈ জনজীৱনৰ উলহ মালহৰ ভাগ লবলৈ প্ৰয়াস কৰি বৰাই 'তেজীমলা' 'মৎস্য কন্যা' আৰু 'চিনাকী গাঁৱৰ বাট' নামৰ তিনিটা কবিতা ৰচনা কৰিছে। এই কবিতা তিনিটাৰ ভিতৰত চিৰ 'চিনাকী গাঁৱৰ বাট' নামৰ কবিতাটোৰ মাজেদি বৰাৰ কবি মানসৰ ঐক্যবদ্ধ ৰূপ আৰু কথন ভঙ্গীৰ গতিবেগৰ মাজেৰে গাঁৱলীয়া জীৱনৰ এটি সামগ্ৰিক ৰূপ প্ৰকাশ পাইছে। টামুলিৰ কবিতাৰ গতিবেগ এই কবিতাত ধ্বনিত হৈছে।

বৰাই কিন্তু চিনাকী এই গাঁৱখনক স্থানীয় নাম ৰূপ দিয়া নাই। অৱশ্যে বৰাই পাণিশলা, সোণতৰা সুমলা আদি নাম ব্যৱহাৰ কৰি গাঁৱলীয়া মানুহৰ নামাকৰণ পদ্ধতিৰ উল্লেখ কৰিছে। সেই-দৰে, বৰাই মৎস্য কন্যা কবিতাত ভিলী পমিলী, মনাই, লখাই ভদাই আদি নামবোৰ উল্লেখ কৰি প্ৰাচীন অসম আৰু বৰ্ত্তমান নগৰীয়া বা বতাহে স্পৰ্শ নকৰা গাঁৱৰ মাজলৈ গতি কৰি গাঁৱলীয়া জীৱনৰ এটি বাস্তৱিক চিত্ৰ আঁকিছে। চহা জীৱনৰ ৰূপ অংকনত বৰাৰ দক্ষতা আছে। বৰাৰ আশাৰ 'ঝিকমিকি' নদীৰ পাৰত সোণা সোণা নাই তলিৰ মাজত খোলা পৰিছে।

বাৰমাহী গীতৰ ৰচনাশৈলীৰ আলম লৈ ৰচনা কৰা এই কবিতা-টোতে বৰাই মাহে মাহে পৰা চহা মানুহৰ গাঁৱলীয়া জীৱনটো আৰু পৰিৱৰ্ত্তনৰ স্মৃতি ৰূপ দিছে। বাৰমাহী গীতত নাৰীয়ে স্বামী বিৰহত চকুলো টুকিছে, কিন্তু বৰাই কবিতাত 'করুণ এইটো বাট নিঠুৰ এইটো বাট" বুলি কলেও করুণ অনুভূতিয়ে সম্পূৰ্ণ ৰকমে উলহ মালহ ম্লান কৰা নাই।

চিৰ চিনাকি গাওঁখনৰ সম্পূৰ্ণ কাহিনী কৈ বৰাই পুনঃ কয়—

'মই তাৰ ওপৰেদি চিৰকাল
খুপি খুপি খচকি ফেনেকি গচকি গৰকি যাওঁ
নেজানিলো হে থাপিতো মই তাক চিনি পাওঁনে নেপাও।"

বৰাৰ এই উক্তিত প্ৰকাশ পোৱা সংশয়বাদী মনোভাবে জীৱনৰ গভীৰ তাৰ উপলব্ধিকো পাতল কৰি দিছে। গাৱঁখনৰ বিভিন্ন সমস্যা তথা সমাজ আৰু ৰাষ্ট্ৰৰ বিবিধ সমস্যাৱলী স্পষ্টভাৱে অধ্যয়ন কৰি উলহ মালহৰ মাজেৰে সমাজ জীৱনক প্ৰগতিৰ পথ দেখুৱাব লাগিলে শিল্পীয়ে মনৰ পৰা সংশয় দূৰ কৰিব লাগিব।

গাৰ্ঁলীয়া পটভূমিত লিখা "সন্ধ্যাৰ ভজন" কবিতাৰ শেষত কবিয়ে কৈছেঃ—'চিনাকি এইটো পাৰ চলমান জীৱনৰ প্ৰথম পৰ্ব্বাৰ।' কবিয়ে যদি জীৱনৰ এইটো পাৰৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিছে তেন্তে গাৰ্ঁখ্যৰ বিষয়ে কা। চিনি নাপাওঁ বুলি কোৱা কথাৰ সঙ্গতি ক'ত?

বৰাই 'আধাডজন দুখ' কবিতাত শিল্পী জীৱনৰ যি বেদনা প্ৰকাশ কৰিছে তাৰ মাজেদি গভীৰ আধ্যাত্মিক বেদনা ধ্বনিত হোৱা নাই। দুখ বেদনাই শিল্পীৰ অন্তৰাত্মাৰ খিৰিকি' খুলিব লাগিলে শিল্পীয়ে জীৱনৰ গভীৰতাৰ মাজত প্ৰবেশ কৰিব লাগিব, তেহে বাস্তব-আদৰ্শই আৰু লৌকিক-অলৌকিকে স্পষ্টৰূপে ধৰা দিয়ে।

বৰাই [illegible] চৰিত্ৰত গভীৰ ভাবে প্ৰবেশ নকৰে। সেয়ে, বৰাই কৈছে—'পাৰ [illegible] থাপনাত এনেয়ে কালিদাসৰ শকুন্তলা'। শিল্পীৰ অধ্যয়নৰ যোগেদি গভীৰ জ্ঞান আহৰণ কৰিব লাগিলে এনেয়ে পাৰ্ত্ত লুটিয়াৰে নহব। বৰাই এনেয়ে [illegible] লুটিওৱাৰ বাবে ডক্টৰ ফষ্টাছৰ গভীৰ দাৰ্শনিক তত্ত্বও আত্মসাৎ কৰিব নোৱাৰিলে।

তদুপৰি বৰাই কৈছে—'প্ৰাৰ্থনা বস্তুটো [illegible] সুদৰ যদি কল্-চেন্ট [illegible]। প্ৰাৰ্থনা কি [illegible] প্ৰাৰ্থনাৰ [illegible] কি? শান্ত [illegible] বুজিবৰ বাবে আত্মাৰ খিৰিকি'খন [illegible] খুলি দিব লাগিব। বৰাই নদীৰ পাৰত [illegible]—'পোৱা নাই কেতিয়াও পাইছোঁ তথাপি সীমাহীন সান্ত্বনাৰ স্বাদ। বৰাই [illegible] চিনা-[illegible], বুজা নুবুজা সংশয়ৰ [illegible] মাজৰ পৰা [illegible] নোৱাৰা [illegible] প্ৰাৰ্থনাৰ স্বাদ বুজা নাই। এই সংশয়বাদী [illegible] বুজা-নবুজাৰ [illegible] বলাকাৰে স্পষ্ট জীৱন দৰ্শন গঢ়ি তুলিব নোৱাৰে।

বৰাই [illegible] দুঃখ'ৰ পৰিসমাপ্তি এক ডজন [illegible] মাজেদি 'লিমাৰিক' কবিতাত। 'লিমাৰিক' কবিতাত পাশ্চাত্য সাহিত্যৰ ৰচনা ৰীতি প্ৰয়োগ কৰি ৰস সমুদ্ৰৰ সীমাহীন সৌন্দৰ্য্যৰ সন্ধান বিচাৰি 'লিমাৰিক' কবিতাত প্ৰবেশ কৰিলে যদিও কবিৰ নন্দন তাত্ত্বিক দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা নাযায়। বৰাই নদীক কেন্দ্ৰ কৰি কাব্য আৰম্ভ কৰি নদীৰ গতিবেগ অপাৰ সমুদ্ৰত লীণ নিয়াব নোৱাৰিলে। বিশ্বৰ নানান ক্ষুদ্ৰ ক্ষুদ্ৰ বস্তু নিৰীক্ষণ কৰি অভিজ্ঞতা সমল কৰি অনন্ত প্ৰয়াসী হৈ থাকিলেহে শিল্পীয়ে হৃদয়ত গতিবেগ

উপলব্ধি কৰে। নহ'লে শিল্পীয় কাব্যত আদি মধ্য অন্তৰ সঙ্গতি ৰক্ষা কৰিব নোৱাৰে। সেয়ে, এই বিষয়ত বৰাৰ ব্যৰ্থতা। বৰাই সমুদ্ৰৰ দৃশ্য আঁকিব পাৰিলেহেঁতেন কাব্যখনৰ নামটো খাপ খালে-হেঁতেন। শিল্পীয়ে বিশ্বৰ দৃশ্যাবলীৰ সম্যক ৰূপ নিৰীক্ষণ কৰিব নোৱাৰিলে সূক্ষ্ম ৰুচিৰ পৰিচয় দিব নোৱাৰে।

নৱকান্ত বৰুৱা, [illegible] গুহ আৰু মহেন্দ্ৰ বৰাই এটীয়া ভাবে কবিতা সাহিত্যত চিত্ৰৰ প্ৰকাৰ পৰিচয় দিলেও ; কাব্যৰ আদি-মধ্য-অন্তৰ সঙ্গতি ৰক্ষা কৰাৰ স্পষ্ট জীৱনবোধ সৃষ্টি কৰিব পৰা নাই।

ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰৰ বিভিন্ন সমস্যাৰ লগত গভীৰ ভাবে জড়িত হৈ শব্দশিল্পীয়ে [illegible] নিজেৰে লাভ কৰা অভিজ্ঞতা ৰাজিক বৰাই [illegible] নাই। নাইবা ৰোমাণ্টিক কাব্যকাৰ সকলে স্বাধীনতা, সাম্য [illegible] আৰোপ কৰা মুক্ত প্ৰাণৰ আদৰ্শও বৰাৰ কাব্যত নাই।

সেইদৰে বৰাৰ কাব্যক সামগ্ৰিক ভাবে বিচাৰ কৰিলে দেখা যায় যে বৰাই জনতাৰ মাজলৈ গতি কৰিলেও ; কৃষক বনুৱা তথা অন্যান্য [illegible] লোকৰ [illegible] দেখা দিয়া অৰ্থনৈতিক সংঘাতৰ চিত্ৰ আঁকা নাই। সেইদৰে নাগৰীয়া আধুনিক বিলাসী জীৱনৰ ৰূপ আঁকিছে যদিও ; তথা শহৰতে [illegible] মজদুৰ নাইবা নিম্ন মধ্যবিত্ত লোকৰ চিত্ৰ অঁকা নাই।

বৰাৰ [illegible] কাব্যৰ মাজেদি অসমীয়া তথা ভাৰতীয় জীৱনৰ সমসাময়িক ৰাজনৈতিক চেতনা সম্যক বিকাশ পোৱা দেখা নাযায়। বৰাৰ অধিকাংশ কবিতাত বৰাই জীৱন প্ৰবাহৰ গভীৰতাত প্ৰবেশ কৰা নাই। মানৱ ব্যৱহাৰিক জীৱনৰ বাস্তৱ অভিজ্ঞতা যুক্ত জ্ঞান ৰাজিকো বৰাই ৰূপ দিব পৰা নাই; নাইবা দাৰ্শনিক তত্ত্ব নাইবা বিজ্ঞানৰ ৰহস্য ৰাজিৰ যোগেদি অসীমৰ সন্ধান দিব পৰা নাই।

মহেন্দ্ৰ বৰা আৰু যতীন্দ্ৰনাথ দুৱৰাৰ তুলনামূলক আলোচনা

মহেন্দ্ৰবৰা আৰু যতীন্দ্ৰনাথ দুৱৰাৰ কবি মানসৰ তুলনামূলক আলোচনা এই বাবে প্ৰয়োজন যে, যতীন্দ্ৰনাথ দুৱৰাই অসম সাহিত্য সভাৰ সভাপতি হিচাবে সাম্প্ৰতিক কালৰ নতুন কবিতা সমালোচনা কৰোঁতে, বৰাই দুৱৰাৰ অভিভাষণক 'এটা যুগৰ মৰণ মুখী প্ৰতি-

ক্ৰিয়াশীল শক্তি সমূহৰ শেষ লগ্না কটা ৰণ মাথোঁন' বুলি কৈছে। সেয়ে, কবিয়ে কবিৰ সমালোচনা কৰা সম্ভৱত অকবিৰ দৃষ্টিৰে ৰবা দুৱৰাৰ স্বাধীনোত্তৰ যুগৰ কবি মানসৰ তুলনা প্ৰয়োজন। বিশেষকৈ ৰবাৰ 'এই নদীয়েদি' কাব্যৰ প্ৰধান বিষয়বস্তু নদীৰ প্ৰতি দুৱৰাৰ অধিক প্ৰীতি। তদুপৰি ৰবাই দুৱৰাক লক্ষ্য কৰি কৈছে-"তথাপিও তোমাৰ নদী তোমাৰ নদীৰ সতে নহয় তুলনা। মই জানো এই নদী তোমাৰ কাৰণে অত্যন্ত নতুন।"

ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰৰ জীৱন কোনো আদৰ্শক কেন্দ্ৰ কৰিহে ক্ৰিয়াশীল হৈ থাকে। ভাৰতীয় দৃষ্টিৰে চালে ব্যক্তিয়ে সামাজিক জীৱনত ধৰ্ম-অৰ্থ-কাম মোক্ষ সাধনৰ যোগে সমাজ [illegible] প্ৰ[illegible] সেইমতে ব্যক্তি আৰু সমাজৰ আদৰ্শই ক্ৰিয়াশীল হৈ প্ৰ[illegible] ৰচনা [illegible]। গতিকে, শিল্পীৰ জীৱনৰ আদৰ্শই জাতীয় জীৱন [illegible] অনুপ্ৰাণিত [illegible] নাইবা শিল্পীৰ গভীৰ [illegible] দৰ জীৱনত [illegible] আ[illegible] জাতীয় জী[illegible] শক্তি সমূহ [illegible] তাৰ [illegible] নদীৰ প্ৰতিক্ৰিয়াশীল [illegible] প্ৰগতিবাদী চিন্তাৰ পৰিচয় পোৱা যায়। ৰবাই দুৱৰা[illegible] প্ৰতিক্ৰিয়াশীল শক্তি সমূহৰ শেষ [illegible] আত্মীয় হোৱা বুলি উল্লেখ [illegible]; নিজে [illegible] প্ৰগতিবাদী শক্তিৰ ধাৰণা বাহক [illegible] প্ৰচাৰ [illegible]।

ৰবাই দুৱৰাক নিৰাশবাদী বুলি কৈছে কিন্তু নিৰাশবাদী [illegible] কৈছে—

"জগতৰ আহ্বান কাণত পৰিলে [illegible]
কাঁচি পাৰি সকলোৰে দিহাদিহি যোৱা
কবি তেওঁ উঠি আহা মুখত বাঁহী লই
নতুন সুৰেৰে তুমি জগত জগোৱা।"

তথাকথিত আশাবাদী কবি ৰবাই জগতৰ বুকুৰেদি প্ৰবাহিত হোৱা নতুন সুৰক হৃদয়ত স্থান দি জাতিৰ জীৱনক জগাব পৰা নাই। ৰবাৰ নতুন নদীৰ তৰঙ্গ মালাত নতুন জীৱনৰ মাদকতাৰ সুৰ নাই। সেয়ে, ৰবাৰ কবিতাহে প্ৰতিক্ৰিয়াশীল।

দুৱৰাই লুইতৰ বুকুৰ পৰা অসমীয়া জাতীয় জীৱনৰ উৎসৱ 'দীপালী', 'সৰস্বতী পূজা' আদি উৎসৱবোৰ দেখি অসমৰ জনগণৰ উলহ মালহ পাইছে। কিন্তু ৰবাই তেওঁৰ নতুন নদীৰ পাৰত থাকিলেও কোনো উৎসৱলৈ দৃষ্টিপাত কৰা নাই। দুৱৰাই

কৈছে—"জিলিকি উঠিল দুখীয়াৰ পঁজা।" কিন্তু বৰাৰ নদীৰ পাৰত দুখীয়াৰ পঁজা নাই। ডেকা কবি বৰাই প্ৰগতিশীল জীৱনৰ ছবি অঁকা নাই; কিন্তু আধুনিক নাগৰিকৰ বিলাসী জীৱনৰ চিত্ৰ আঁকিছে। দুৱৰাই কৈছে—"প্ৰাণৰ চাকিত শলিতা জ্বলাই অন্তৰতে পূজা কৰে।' কিন্তু বৰাৰ অন্তৰৰ প্ৰাণৰ উজ্জ্বল[illegible] [illegible] এখন হৃদয়ে নাই। বৰাই প্ৰ[illegible] কি নাচাহে। তথাপি বৰা নিজৰ কথামতে প্ৰগতিবাদী, দুৱৰা প্ৰতিক্ৰিয়াশীল।

বৰা [illegible] [illegible]ৰ সহযোগী [illegible] দুৱৰাক শ্ৰদ্ধা [illegible] বুলি কৈছে। কিন্তু বৰাই নাজানে যে, শিল্পীৰ [illegible] প্ৰকৃত সাধনাৰ মাজেদি [illegible] [illegible] [illegible] [illegible] সহৃদয় [illegible] পিপাসু পাঠকৰ [illegible] [illegible] [illegible] [illegible]।

[illegible] যুগৰ [illegible] [illegible] সমস্যা [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] পাৰ [illegible] দুটাপাত কৰা নাই। দু[illegible] কৈছে :—

"[illegible]মাৰ প্ৰাণৰ বীণৰ জেঁাকাৰে
[illegible] কঁপায় যায়।"

— [illegible] —

[illegible] বৰা [illegible] সাধাৰণ মানুহৰ আত্মবিশ্বাস লাভ কৰিব নোৱাৰা [illegible] কৈছে—' বাটৰ শেষত কতো স্বৰ্ণৰ সোপান নাপাও।" বৰাই জীৱনৰ প্ৰকৃত [illegible]পথ চিনি [illegible] দুৱৰাৰ দৰে আত্মপ্ৰত্যয়ৰ [illegible] প্ৰকাশ [illegible] [illegible] নাই। শিল্পীৰ আত্মবিশ্বাসেহে প্ৰগতিৰ পথ ৰচনা কৰে নহলে শিল্পী প্ৰতিক্ৰিয়াশীল হয়।

দুৱৰাই 'বনফুলৰ মাজত বিচৰণ কৰোঁতে [illegible] কেন্দ্ৰ কৰি জীৱনৰ গতিপথ ৰচনা কৰিছে। কিন্তু বৰাই 'চামুৱাই'ক বিচাৰি কপিলীৰ পাৰলৈ; 'মৎস্য কন্যা'ক বিচাৰি মৎস্যজীৱী লোকৰ সান্নিধ্যলৈ গলেও; নৈৰ বুকুৰেদি গতি কৰি অসমৰ কোনো নদীৰ দুয়োপাৰৰ দৃশ্যাৱলী বৰ্ণাব পৰা নাই। সেয়ে, জীৱনৰ গভীৰতাত প্ৰবেশ কৰিব নোৱাৰা বৰাহে প্ৰতিক্ৰিয়াশীল।

বৰাই কৈছে "নতুন সাহিত্যিক সকলে দুৱৰাৰ এই অসংযত আক্ৰমণক বুৰ্জোৱা সংস্কৃতিৰ অনিৰ্বাপিত বত্তিৰ শিখাৰ শেষ কঁপনি বুলি ধৰি লৈছে।' বৰাই এই উক্তিৰ দ্বাৰা প্ৰকৃততে কাব্যতত্ত্ব আৰু

জীৱন তত্ত্বৰ অনভিজ্ঞতাৰ পৰিচয় দিছে। শিল্পীৰ হৃদয়ৰ বিৰাট প্ৰেৰণাৰ পৰা লাভ কৰা আনন্দত ধ্বনিয়েছে শিল্পীৰ পৰিচয় দিয়ে।

দুৰ্ব্বাই 'বনফুল' কাব্যৰ সমৰ্পণ' কবিতাত প্ৰেম-সৌন্দৰ্য্যৰ ওচৰত আত্মসমৰ্পণ কৰিছে। দুৰ্ব্বাই কৈছে—

"কোনোবা জোনাক নিশা
জুৰিব পাৰত তুমি অকলে নাই
বুকুত মৰুৰ তৃষা,
কোনোবা জোনাক নিশা।"
— সমৰ্পণ —

দুৰ্ব্বাই কৈছে—'মই নদীৰ কথা কৈছিলোঁ এদিন তোমাক কোনো এক জোনাকৰ ৰাতি।'
— অপৰূপ এই নদী —

দুৰ্ব্বাই প্ৰকৃতিতে দুৰ্ব্বাৰ কাব্যৰ প্ৰেৰণাৰ সন্ধান কৰিছে; ইয়াত দোষ নাই। কিন্তু দুৰ্ব্বাই সৃষ্টি কৰা ৰচনা শিল্পীৰ মাজেদি গতিশীল জীৱনৰ শক্তিমন্ত ৰূপ আঁকি সমাজ জীৱনৰ স্পষ্ট ৰূপ আঁকিবৰ বাবে যি জীৱনবোধ লাগে দুৰ্ব্বাই তাক আয়ত্ব কৰিব পৰা নাই।

শিল্পীয়ে নিজে দাবী কৰি সন্মান লাভ কৰিব নোৱাৰে। দুৰ্ব্বাই কৈছে—

'তোমাৰ মোক অকলশৰীয়াকৈ
এখনি সৰণ

✤ ✤ ✤

চউ পাশে য'ত
দেখি লই ভক্তজনে
কাণে কাণে নকৰে গুঞ্জন।'

কবি দুৰ্ব্বাই আত্মবিশ্বাসৰ আৰু আত্মতৃপ্তিৰ বলত জীৱনৰ কাৰুণ্যৰ মাজতো স্পষ্টকৈ এই উক্তি কৰিছে। দুৰ্ব্বাই জানে যে, ব্যক্তিৰ কৰ্মতহে অধিকাৰ, ফলাফল স্পৃহা বৈৰাগী সদৃশ কবি দুৰ্ব্বাৰ নাই।

দুৰ্ব্বাই ব্যক্তিগত জীৱনৰ দুখৰ বাবে চকুলো টুকিলেও, সমাজ জীৱনৰ উলহ মালহৰ চিত্ৰ আঁকিছে। তদুপৰি দুৰ্ব্বাই ব্যক্তিক সমাজৰ লগত সঙ্গতি ৰাখি পদক্ষেপ কৰিবলৈ উপদেশ দিছে। কিন্তু দুৰ্ব্বাই ব্যক্তি আৰু সমাজ জীৱন কিদৰে সুখী আৰু নিৰাময় হয়

জীক মাজানে। সেয়ে, ব্যক্তি তাৰু সমাজৰ সম্বন্ধ কেনে হোৱা উচিত বৰাই ব্যক্ত কৰিব পৰা নাই।

প্ৰেম-সৌন্দৰ্যৰ সাধনাৰ মাজেদি দুৱৰাই কবিত্ব শক্তি লাভ কৰিছে; কিন্তু তেওঁৰ কবিত্ব শক্তিৰ স্ফুৰণত কোনো স্পষ্ট প্ৰেৰণা নাই। দুৱৰাই প্ৰেমৰ মাজেদি জীৱনক চিনিব পাৰি কৈছে—

"আকাশে বতাহে এটি নতুন জীৱন
উৰি উৰি ঘূৰে উলাহত।"

সেয়ে, নৱ-পুৰণিৰ সংঘাতে সাময়িক ভাবে দুৱৰাৰ প্ৰাণৰ বেদনা সৃষ্টি কৰিলেও; নতুনৰ আনন্দই দুৱৰাৰ বেদনা দূৰ কৰিছে।

কিন্তু পাৰ্থিব বাসনাৰ পৰা উদ্ভূত বৰাৰ মানসিক বেদনা উপশম হোৱা নাই। বৰাই আধুনিক জীৱনৰ সুখ-সম্ভোগ উপভোগ কৰি মানসিক তৃপ্তি পোৱা নাই। সেয়ে, বৰাৰ কাব্যত ব্যৰ্থ প্ৰতি-ক্ৰিয়াশীল জীৱন দৰ্শনহে ৰূপ পাইছে। বৰাই দুৱৰাক বিৰূপ সমালোচনা কৰি নিজৰ হৃদয়ৰ ৰূপহে প্ৰকাশ কৰিছে।

বীৰেন বৰকটকী

স্বাধীনোত্তৰ কালত ৰচিত বীৰেন বৰকটকীৰ 'মন্বন্তৰ' (১৯৫৯) কাব্যৰ কবিতা সমূহ পুথি ৰূপে প্ৰকাশ পোৱাৰ পূৰ্বে বিভিন্ন আলোচনী সমূহত প্ৰকাশ পাইছে। সেয়ে, বৰকটকীয়ে কৈছে—"পচোৱাৰ দিনৰ পৰা আৰম্ভ কৰি আজিৰ ৰামধেনুৰ দিনলৈকে হোৱা সময়ৰ ব্যৱধানে ভাব ভাষাৰো হয়তো ব্যৱধান ঘটাইছে।"

বৰকটকীয়ে পুনঃ কৈছে— "নতুন কবিতাৰ দৃষ্টি-ভঙ্গীৰে চালে আমাৰ কবিতাত আঙ্গিকৰ নিপুণতা, শব্দৰ মধুৰতা, ছন্দৰ বিচি-ত্ৰতা আছেনে নাই কব নোৱাৰো। বৰকটকীৰ উক্তিৰ পৰা দেখা যায় যে, নতুন কবিতাৰ ৰচক সকলে প্ৰধানকৈ কবিতাৰ বাহ্যিক ৰূপতহে গুৰুত্ব দিছে; ভাব আৰু ভাষাৰ সঙ্গতিৰ প্ৰতি বিশেষ লক্ষ্য কৰা নাই।

বৰকটকীয়ে কাব্যখনৰ নামটোৰ দ্বাৰা কাব্যৰ বিষয়বস্তুৰ ইঙ্গিত দিয়াৰ চেষ্টা কৰিছে। 'মন্বন্তৰ' নামটোৱে প্ৰকৃততে কবিৰ বিশাল অভিজ্ঞতাৰ পৰিচয়ৰ সূচনা কৰে। পতিকে হিন্দু সভ্যতা সংস্কৃতিৰ

গভীৰতাত বৰকটকীয়ে কেনেদৰে প্ৰবেশ কৰিছে তাৰ বিচাৰতেই বৰকটকীৰ কাব্যৰ মূল্যাঙ্কণ কৰা হল।

হিন্দুসকলৰ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ একদিনত ১৪ জন মনুৱে ক্ৰমান্বয়ে ব্ৰহ্মাণ্ড শাসন কৰে। এজন মনুৰ শাসন কাল ৪,৩২০০০ বছৰ। আধুনিক বিজ্ঞানৰ মতে পৃথিৱীত মানৱ জাতি সৃষ্টি হবৰ পাঁচ লাখ বছৰ হৈছে। হিন্দু দৰ্শন আৰু ধৰ্মতত্ত্ব মতে বৰ্ত্তমানে বৈৱস্বত মনুৰ দিন। সূৰ্য্যৰ পুত্ৰ বৈৱস্বত মনুৰ পৰাই পৃথিৱীৰ মানৱজাতি আৰু অযোধ্যাৰ সূৰ্যবংশীয় ৰজা সকলে জন্ম লাভ কৰা বুলি হিন্দু পৌৰাণিক কাহিনী প্ৰচলিত।

হিন্দুৰ পৌৰাণিক কাহিনীৰ জগত খনত প্ৰবেশ কৰি; বৰকটকীয়ে বিজ্ঞান আৰু দৰ্শনৰ সমন্বয় সাধনৰ মাজেদি কিদৰে দিক-কালৰ সীমা চেৰাই সভ্যতা-সংস্কৃতিৰ প্ৰবাহৰ আলোকময় ৰূপ দেখিছে বিচাৰ্য্য। প্ৰকৃত শিল্পীৰ মানসে দিক-কালৰ সীমা অতিক্ৰম কৰি মহাকালৰ ৰূপ দৰ্শন কৰে। সেয়ে, পৃথিৱীত মানৱ সৃষ্টি, সভ্যতা সংস্কৃতিৰ বিকাশ আৰু মহাকালৰ গতিয়ে বৰকটকীৰ কবি মানস কিদৰে আলোকিত কৰিছে বিচাৰ্য।

হিন্দুৰ পৌৰাণিক কাহিনীৰ মৎস্য অৱতাৰ বৈৱস্বত মনুৰ দিনতে হয়। বিষ্ণুৱে মৎস্য ৰূপ ধৰি প্ৰলয় জলত মনুক ৰক্ষা কৰা কালৰ পৰা গৌতম বুদ্ধৰ অবিৰ্ভাব কাল খৃঃ পূঃ ৬ষ্ঠ শতিকালৈ প্ৰাচীন ভাৰতীয় সভ্যতা সংস্কৃতিৰ ইতিহাসৰ প্ৰথম ছোৱাকাল, দ্বিতীয় ছোৱা খঃ পূঃ ৬০০-৩০০-খৃষ্টাব্দ, তৃতীয় ছোৱা ৩০০-১২০০ খৃষ্টাব্দ সাধৰণ ভাবে ধৰিব পাৰি বুলি ডক্টৰ ৰমেশচন্দ্ৰ মজুমদাৰ আদি ঐতিহাসিক পণ্ডিত সকলে সিদ্ধান্ত কৰিছে। ভাৰতীয় সভ্যতা সংস্কৃতিৰ মধ্যযুগ আৰু আধুনিক যুগকো সামৰি বৰকটকীয়ে 'মন্বন্তৰ' আখ্যা দিছে।

বৰকটকীৰ কাব্যৰ নামটো, বেটুপাটত থকা বুদ্ধৰ ছবিখন 'মন্বন্তৰ' নামৰ প্ৰথম কবিতাটো আৰু 'বুদ্ধগয়া কিমান দূৰত?' ইত্যাদি কথাবোৰ চিন্তা কৰিলে বৰকটকীৰ ব্যাপক অধ্যয়নৰ মাজেদি প্ৰবাহমান সংস্কৃতিৰ আৰু কবিৰ চিন্তাৰ ঐক্য দেখা যায়। আজিৰ পৃথিৱীত মানৱৰ সভ্যতা-সংস্কৃতিত সংঘাতে দেখা দিছে; সেয়ে কবিয়ে অতীত-বৰ্ত্তমান-ভবিষ্যত ভাবি হতাশ নহলেও স্পষ্টভাৱে সমাজক পথ দেখুৱাৰ পৰা সূক্ষ্ম জ্ঞানৰ পৰিচয় দিয়া নাই।

বুদ্ধৰ অবিভাবে বৈদিক সংস্কৃতিত সংঘাত সৃষ্টি কৰিলেও প্ৰকৃততে বুদ্ধই গীতা উপনিষদৰ বাণীৰ মাজেদি বৌদ্ধদৰ্শন সৃষ্টি কৰিছে। সেয়ে, ওপৰে ওপৰে চালে বুদ্ধই নতুন চিন্তাধাৰা সৃষ্টি কৰি 'দুহাতেৰে ধৰি থকা ঋক বেদ খন খহাই পেলোৱাৰ চেষ্টা কৰিলেও; শেহত ঋক বেদেই বুদ্ধক গ্ৰাস কৰিলে। সেয়ে দেখা যায়, 'মন আৰু বাস্তবৰ শৰাইঘাটত' যি জ্ঞান গৰিমা প্ৰকাশ পাইছে তাৰ মূলতে আছে ঋক বেদে সৃষ্টি কৰা জ্ঞানৰাজি।

ঋক বেদৰ প্ৰথম সূক্তত অগ্নিক প্ৰাৰ্থনা কৰি ভক্তই কৈছে—"হে অগ্নি তোমাৰ অনুগ্ৰহত ভক্তই দিনে দিনে ধন সম্পদ আৰু বীৰ পুত্ৰ লাভ কৰক।"

গতিকে বাস্তবৰ শৰাইঘাটত যি তীৰ্থাৰ পৰীক্ষা চলিছে; নাইবা ইতিহাসৰ মাজৰ পৰা যি বীৰত্বৰ স্মৃতি প্ৰবাহিত হৈ আছে তাত ঋক-বেদৰ শাশ্বত বাণীয়ে ধ্বনিত হৈছে। বৰকটকীয়ে ঋকবেদৰ সূক্ত অধ্যয়ন কৰা নাই; নাইবা বৈদিক সংস্কৃতিৰ ক্ৰমগতি ধৰিব পৰা নাই।

বৰকটকীয়ে বিশ্বসংস্কৃতিৰ ইতিহাস অধ্যয়ণ কৰি প্ৰাচ্য পাশ্চাত্যৰ সাংস্কৃতিক ৰূপ অঙ্কণ কৰাৰ চেষ্টা কৰিছে। কিন্তু বিশ্বৰ নদ-নদী, পৰ্ব্বত, আদিত ভ্ৰমণ কৰি আহিও 'বুদ্ধগয়া কিমান দূৰত?' বুলি প্ৰশ্ন কৰি যেতিয়া মানবৰ ভৱিষ্যৎ সম্বন্ধে সন্দিহান হৈ পৰে তেতিয়া কবি বৰকটকীক সংশয়ৰ মাজত প্ৰবেশ কৰা দেখা যায়। যি জন কবিয়ে দিক কালৰ সীমা অতিক্ৰম কৰি সূৰ্য্যৰ পুত্ৰ মনুৰ যুগলৈ যায়; যি জন কবিয়ে মহাকালৰ বিৰাম বিহীন গতিৰ বিষয়ে অধ্যয়ণ কৰিও মানৱৰ ভৱিষ্যত সম্বন্ধে সন্দিহান হয়; সেই কবিয়ে আত্মজ্ঞান লাভ নকৰে। সেয়ে, বিভিন্ন চিন্তাৰ মাজেদি বৰকটকীৰ সংশ্লেষাত্মক কবি মানসে ৰূপ পোৱা নাই।

দেৱকান্ত বৰুৱাই দুৱাৰ মুকলি কৰিবলৈ গৈ বিশ্বৰ বিভিন্ন দিশত ভ্ৰমণ কৰি আহি কৈছে—

'দেখিছোঁ সপোন আজি নীৰৱ বাটৰ।'
অন্তহীন বিফল বাটৰ।'

সেইদৰে বৰকটকীয়ে—'আমি কি বিচাৰো তেনে' কবিতাত আশা নিৰাশাৰ মাজেদি মানৱ জীৱনৰ লক্ষ্যভ্ৰষ্ট ব্যৰ্থতাৰ ভাবক ধ্বনিত কৰিছে।

নৱকান্ত বৰুৱাই 'বোধিদ্ৰুমক' খৰি কৰি বিচাৰিছে; কিন্তু বৰকটকীয়ে 'বোধিদ্ৰুমৰ বন মহোৎসৱ' পতাৰ কথা ভাৱিছে। বৰকটকীৰ 'প্ৰাণ বন্দৰ'ত মৃত্যুমুখী অসহায় শৈশৱ কান্দোন' থাকিলেও, পাখিৰ জীৱন সাধনাৰে মহিমান্বিত কৰাৰ প্ৰেৰণাও আছে।

বৰকটকীৰ কবি মানসত সাম্প্ৰতিক কালৰ জীৱন প্ৰবাহে সংঘাত সৃষ্টি কৰিলেও; ঠায়ে ঠায়ে বিশাল উপলব্ধি আছে। এই উপলব্ধিৰ ৰূপ প্ৰকাশ পাইছে 'প্ৰাণ বন্দৰ' মহাসাগৰৰ সেতু 'কল্লোল' আদি কবিতা সমূহৰ মাজেদি। আৰু কি এই নানা কেইটাই মহাকাল সমুদ্ৰৰ আদি অন্ত বিহীন তৌৰ মাজত প্ৰাণৰ নানা কবি মানসৰ ইংগিত দিছে।

'মন্বন্তৰ' কবি মানসত এটি মুহূৰ্তৰূপ লৈ দিয়াত কবিয়ে জীৱন ৰহস্য বিচাৰি পালে প্ৰাণৰ গভীৰতাত। সেয়ে 'প্ৰাণ বন্দৰত' উপনীত হৈ, 'জীৱনৰ উপকণ্ঠত কল্লোল কিহৰ?' বুলি প্ৰশ্ন কৰি, 'প্ৰাণবন্দৰৰ পৰা কল্লোলৰ ধ্বনিৰ ৰহস্য বুজি পালে পৃথিৱীৰ সৌন্দৰ্যক লৈ সৃষ্টি হোৱা শিল্প জালৰ মাজত। কবি বৰকটকীয়ে সেয়ে 'প্ৰাণ বন্দৰ'ৰ পৰা কল্লোলৰ ৰহস্য ভেদ কৰি মহাকাল ৰূপী 'মহাসাগৰৰ সেতু' বান্ধিব'ল ইচ্ছা কৰিলে।

কবি বৰকটকীয়ে ভীখাৰ আঘাতত এক বেদ খহি পৰা দেখিলেও 'মন আৰু বাস্তৱৰ শৰাইঘাটত' আনন্দৰ কাৰণ বিচাৰি নাপালেও; দেৱকান্ত বৰুৱা আৰু নৱকান্ত বৰুৱাৰ সহযাত্ৰী হৈ কলঙৰ পাৰত প্ৰেম-সৌন্দৰ্যৰ মাজেদি জীৱনৰ কল্লোল শুনিবলৈ পালে। কিন্তু বৰকটকীয়ে বৰুৱা ভ্ৰাতৃদ্বয়ৰ দৰে 'ইন্দ্ৰিয় কাতৰ' হোৱা নাই, কবিয়ে মাথোন প্ৰেম-সৌন্দৰ্যক জীৱনৰ ৰূপ বুলি স্বীকৃতি দিছে।

বৰকটকীৰ কবি মানসৰ ওপৰেদি দেৱবৰুৱাৰ নেদেখা সাগৰৰ উৰ্মিমালা বাগৰি গলেও; বৰকটকীক মানসিক চাঞ্চল্যই অৱসাদ ৰোগগ্ৰস্ত কৰা নাই। সেয়ে বৈৱস্বত মনুৰ প্ৰাণৰ বাতৰি আদম-ইভৰ হৃদয়ৰ লগত জড়িত হৈ কলঙৰ পাৰ, দীঘলী পুখুৰী পাৰ, বুঢ়া লুইতৰ পাৰত, দিখৌৰ বুকুত ধ্বনিত হৈছে।

বৰকটকীয়ে অমলেন্দু গুহৰ দৰে নাৰীৰ যৌৱনৰ ৰূপ সজ্জাক লক্ষ্য কৰি কৈছে—

> 'যৌৱনৰ মহাসাগৰৰ কৃত্ৰিম জোৱাৰ
> মাৰ যাৰ পৰহিৰ স্নান সজ্জিয়াত।'

বৰকটকীয়ে মানব জীৱনৰ চিৰন্তন প্ৰেমক স্বকৃতি দিছে; সেয়ে কবি বৰকটকীয়ে কৈছে মহাসাগৰৰ সেতুৰূপ প্ৰেম জীৱনক পোহৰ দিব লাগিব।

'জীৱনৰ জয়ধ্বনি উঠে
ইতিহাসৰ নতুন অধ্যায় মেলি,
পৃথিৱীয়ে পোহৰ বিচাৰে।"

বৰকটকীৰ কবি মানসত দৃঢ়তা নাই সঁচা, কিন্তু উজ্জ্বল ভবিষ্যতৰ সংপোন বৰকটকীৰ কাব্যত আছে। 'প্ৰাণ বন্দৰ', 'কল্লোল', 'মহাসাগৰৰ সেতু' কবিতাত কবি মানসৰ পটভূমি ৰচিত হৈছে কাৰুণ্য মিশ্ৰিত মুক্ত প্ৰাণৰ আশাৰে।

'আমি কি বিচাৰো তেনে' কবিতাত যিদৰে বৰকটকীয়ে অধ্যয়ণ পুষ্ট কবি মানসৰ যোগেদি বিচৰা বস্তুটো স্পষ্টভাৱে নেদেখিলে; সেইদৰে 'অহল্যা পৃথিৱী', 'নৱজাতক' আদি কবিতাত বাস্তৱৰ সন্মুখীন হৈ; ভোগৰ আশা পোষণ কৰি পৃথিৱীক অহল্যাৰ দৰে শাপভ্ৰষ্ট হোৱা দেখি আক্ষেপ কৰি; জাৰজৰ যোগে অহল্যা পৃথিৱীৰ মুক্তি বিচাৰিছে।

দেৱবৰুৱাৰ সুৰতে সুৰ মিলাই বৰকটকীয়ে পাৰ্থিব জীৱনৰ ভোগৰ প্ৰতি স্পৃহা প্ৰকাশ কৰি কৈছে—

"আমাৰ কাৰণে আজি আমাৰ কাৰণে
পৃথিৱীৰ ওঠৰ লালিমা।"

কিন্তু পৃথিৱীত অন্ধকাৰ দেখি ব্যথিত হোৱা কবিয়ে নিজৰ শক্তিহীন অৱস্থা সুঁৱৰি পুনঃ নৱজাতকক কৈছে—"উঠা কৰ্ণ; উঠা হেৰা জাৰজ সন্তান।" কিন্তু জাৰজ সন্তান অৰ্থাৎ জাতি-উপজাতিৰ ভেদাভেদ দূৰ কৰি সৃষ্টি হোৱা জাৰজ শক্তিয়ে কি শক্তিক আশ্ৰয় কৰি গতি কৰিব কবিয়ে কোৱা নাই। ভবিষ্যত সম্বন্ধে আশা আছে, কিন্তু গতিপথৰ ইঙ্গিত নাই।

'নৱজাতক' জাৰজ হৈ বীৰত্বৰ প্ৰতীক ৰূপে 'আমাৰ জীৱন হোৱা স্বপনৰ সাধনা' ৰাষ্ট্ৰৰ যোগেদি ৰূপায়ণ কৰিব লাগিলে জাৰজে পাশৱিক বলত তীখাৰে সাধাৰণ মানুহৰ বুকুত আঘাত কৰিব লাগিব অৰ্থাৎ সমাজেও জাৰজ শক্তিক স্বীকৃতি দিব লাগিব। অতীত ভাৰতে উদাৰ ভাৱে চিৰকাল জাৰজৰ শক্তিক

স্বীকৃতি দি আহিছে। তাৰ উদাহৰণ ভাৰতীয় সাহিত্যত অলেখ আছে। ৰামায়ণত দেৱৰাজ ইন্দ্ৰৰ অপকৰ্ম্মৰ যোগেদি শাপভ্ৰষ্টা হোৱা অহল্যাই সুদীৰ্ঘ কালৰ অন্তত 'নৱজাতক' ৰামৰ যোগেদিহে মুক্তি লাভ কৰিলে। অপবিত্ৰক পবিত্ৰইহে উদ্ধাৰ কৰে। গতিকে ৰবকটকীৰ 'অহল্যা পৃথিবী'ক জাৰজে উদ্ধাৰ কৰিব নোৱাৰে। অৱশ্যে সমাজে জাৰজ কৰ্ণকো অস্বীকাৰ কৰিব নোৱাৰে; সেইদৰে ৰামকো অস্বীকাৰ কৰিব নোৱাৰে। ৰবকটকীৰ কাব্যত ৰামৰ স্থান নাই। ৰবকটকীৰ 'বন্দিনী পৃথিবীক' মুক্ত কৰিবৰ বাবে জাৰজ কৰ্ণৰ প্ৰয়োজন। সেয়ে দেখা যায় ৰবকটকীয়ে সামগ্ৰিক দৃষ্টিৰে অতীত বৰ্ত্তমানৰ সমস্যাবোৰ লক্ষ্য কৰা নাই।

অতীত জীৱনৰ প্ৰবাহৰ অভিজ্ঞতাৰ মাজেৰে বৰ্ত্তমান পৃথিবীৰ সমস্যা সমূহৰ সমাধানৰ পথ বিচাৰি ৰবকটকীয়ে অতীত বৰ্ত্তমানৰ সংযোগ সাধন কৰিছে সঁচা; কিন্তু মহাকাব্যৰ মাজেৰে ভাৰতীয় জীৱনৰ যি সৰ্ব্বাত্মক ৰূপ প্ৰকাশ পাইছে সেই বিশাল জীৱনৰ অভিজ্ঞতাৰ পৰশ কৰিব হৃদয়ত জাগ্ৰত হোৱা নাই।

অহল্যাৰ আখ্যানে দেৱৰাজৰ চৰিত্ৰৰ স্খলন, মুনিৰ আধ্যাত্মিক শক্তি, ইন্দ্ৰৰ গুৰুতৰ শাস্তি আৰু পতিতা অহল্যাই নৱজাতক ৰামৰ পদস্পৰ্শত মুক্তি লাভ কৰা কাহিনী ৰূপায়ণ কৰি, পৃথিবীত আধ্যাত্মিক শক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। সেইদৰে কুন্তীয়ে পৰৱৰ্ত্তী কালত উচ্চ মৰ্য্যাদা লাভ কৰিলেও, জ্ঞাতসাৰে নাইবা অজ্ঞাত ভাৱে কৰা জীৱনৰ ভুলেই যে মহাভাৰতৰ যুগৰ ভাৰতীয় জীৱনক সংঘাতলৈ লৈ গৈছিল; তাকেই কৰ্ণৰ আখ্যানে স্পষ্টভাৱে দেখুৱাইছে। অহল্যাৰ কাহিনী আৰু কৰ্ণৰ আখ্যান উভয়তে মানবীয় আৰু অতি মানবীয় প্ৰভাৱ জড়িত হৈ আছে। ৰবকটকীয়ে অতিমানবীয় শক্তি স্বীকাৰ কৰা নাই; কিন্তু 'নৱজাতক' কৰ্ণক মানৱৰ মঙ্গল ৰাজ্যৰ কথা সোঁৱৰাই দি মানৱ অতি মানৱৰ প্ৰভেদ দূৰ কৰিছে।

ৰবকটকীৰ 'বন্দিনী পৃথিবী'ক নৱজাতক জাৰজ কৰ্ণই উদ্ধাৰ কৰিব। কিন্তু ৰবকটকীয়ে নৱজাতকক কয়—'ব্যাস বাল্মীকিৰ কাগজ মাননে ধৰে; কালিদাসৰ অজ্ঞাত হেৰায়; হৰধনু ভঙ্গ ৰাম যুগৰ কুটিল; কলঘট হেৰাই ভৰাৰ মাজত।' ৰবকটকীৰ নৱজাতকৰ জন্ম পত্ৰিকা অতীতৰ বুকুত। কিন্তু নৱজাতকে অতীতৰ সকলো অভিজ্ঞতা হেৰুৱাই পেলায়; আৰু নৱজাতকৰ "ভবিষ্যত সঁচাৰ

কাঠিত কালৰ মানৱ।" বিশ্ব সংস্কৃতিৰ ইতিহাস অধ্যয়ন কৰি, বৰ্ত্তমানৰ জীৱন প্ৰবাহত বৰকটকীয়ে অন্ধকাৰ দেখিলে; ভৱিষ্যতৰ প্ৰতিও সন্দিহান। পতিকে ক্ষীণভাবে মানৱৰ সাধনাৰ সিদ্ধিৰ সপোন দেখিলেও; বৰকটকীৰ অন্তৰাত্মাই সংশয়ৰ মাজত কঁপিছে।

বৰকটকীৰ বাস্তৱ অভিজ্ঞতাৰ প্ৰকাশ 'ৰাজপুতনা' কবিতাত বিচাৰিলে দেখা যায় যে, বৰকটকীয়ে মৰুভূমিৰ দৃশ্যৰ মাজেদি মানৱৰ মৰ্মান্তিক বেদনা আৰু মৰুভূমি বিজয় প্ৰয়াসী বৈজ্ঞানিক সাধনাৰ কাহিনী ব্যক্ত কৰিছে। কিন্তু সমাজক প্ৰগতিপথত আগবঢ়াই নিয়াৰ বাবে যি আন্তৰিকতা লাগে সেই আন্তৰিকতা বৰকটকীৰ নাই।

বৰকটকীৰ বাস্তৱ জীৱনৰ পৰিচয়ৰ বাবে 'আঘোণ' কবিতাৰ সোণালী ধাননি পথাৰত দাৱনীজনীৰ জীৱনৰ মাদকতা বিচাৰিলে, বৰকটকীৰ সৌন্দৰ্য উপভোগৰ চেষ্টা দেখা যায়। বৰকটকীয়ে ৰাজস্থানৰ মৰুভূমিৰ দৃশ্য আৰু আঘোণৰ সোণালী ধাননি পথাৰ উভয়তে আকাশ পৃথিৱীলৈ লক্ষ্য কৰি জীৱনৰ হাঁহি কান্দোনৰ দৃশ্য অঙ্কণ কৰিছে।

বৰকটকীৰ 'মন্বন্তৰ' কাব্যত অনেকবাৰ নীল নদীত বাৰিষা নামি পৃথিৱী ধুৱাইছে, আদাম আৰু ইভে বহুবাৰ ইডেনৰ ফুলনিত দেখা দিছে; ভলগাৰ বলুকাত কবিয়ে অনেকবাৰ পদাৰ্পণ কৰিছে, কিন্তু অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, অসমীয়া জনজীৱনৰ ৰূপ নাইবা অসমৰ ঐতিহাসিক ঘটনাৱলীৰ মাজেদি প্ৰবাহিত সাংস্কৃতিক ধাৰা স্পষ্ট-ভাবে প্ৰকাশ পোৱা নাই।

বৰকটকীয়ে বিশ্বৰ অতীতৰ সাংস্কৃতিক ইতিহাসৰ মাজত প্ৰবেশ কৰি অসমীয়া জাতীয় জীৱনৰ পৰা আঁতৰি গৈছে। পাশ্চাত্য জগতৰ কাহিনী সমূহৰ মাজেদি বৰকটকীয়ে নিজৰ 'পৰিচয়' দাঙি-ধৰি, 'চিনাকি পৃথিৱী'ত বিচৰণ কৰি, যাযাবৰ হৈ ভ্ৰমি ফুৰোতে শান্ত সমাহিত জীৱনৰ মাধুৰ্য্য উপভোগ নকৰিলে।

সাম্প্ৰতিক কালৰ নতুন কবিসকলে নগৰীয়া জীৱনৰ একোটা চিত্ৰ আঁকিছে, কিন্তু বৰকটকীয়ে সমসাময়িক নগৰীয়া জীৱনৰ স্পষ্ট ৰূপ আঁকিব পৰা নাই। মাথোঁন 'প্ৰতিবিম্ব' কবিতাত বিলাসী আধুনিকাক প্ৰকৃত কৰ্ত্তব্য পথত অগ্ৰসৰ হবলৈ উপদেশ দিছে। বৰকটকীৰ 'বঙাপতা' কবিতাত লুইতৰ পাৰৰ নগৰীয়া জীৱনৰ

'সভ্যতাৰ চেতনা হেৰায়' । সেইদৰে পৃথিবীৰ বিভিন্ন ঠাইত ৰঙা-গাথাৰ সাধুকথা প্ৰবাহিত হৈ মগ্নীয়া জীৱনৰ ঐতিহ্যই ধ্বংসৰ মাজেৰে মানৱক উদ্ভাসিত কৰে । মুঠতে বৰকটকীয়ে লুইতৰ পাৰৰ ধ্বংসাৱশেষৰ মাজৰ পৰা বিশ্ব ভ্ৰমণ কৰিলে যদিও, লুইতৰ প্লুৰুত উল্লাসৰ ভাব সৃষ্টি কৰি, অসমীয়া জাতীয় জীৱনৰ আনন্দ-দায়ক কাহিনী ৰচিব নোৱাৰিলে ।

বৰকটকীয়ে 'বন্দিনী অহল্যা পৃথিৱী'ত, ''কাঠ বাজী পৃথিৱীৰ চেমেহী কোলাত', লুইতৰ পাৰৰ পৰা বিশ্বৰ অতীত ভৱিষ্যৎ চিন্তা কৰি, পৃথিৱীৰ উদ্ধাৰৰ বাবে কণৰ লেখীয়া জাৰজক আহ্বান জনাই চিত্তৰ প্ৰশান্তি লাভ কৰা নাই । কাৰণ, বৰকটকীয়ে প্ৰাচ্য পাশ্চাত্য দাৰ্শনিক চিন্তাৰ মাজৰ পৰা বৰ্ত্তমান অসমীয়া জাতিক জগাব পৰা মানসিক শক্তি অসমীয়া কাব্য জগতলৈ প্ৰবাহিত কৰিব পৰা নাই । মানসিক দ্বন্দ্বই বৰকটকীৰ চিত্ত দোদুল্যমান কৰি ৰখা বাবে প্ৰাচীন আধুনিক আদৰ্শৰ প্ৰতিবাদী সমন্বয়মূলক চিন্তাই বৰকটকীৰ কবি মানস আলোকিত কৰা নাই ।

অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগ প্ৰৱৰ্তন কৰা কলাকাৰ সকলে জাতিৰ আৰু ৰাষ্ট্ৰৰ প্ৰয়োজন সাধনৰ বাবে, ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেদি লাভ কৰা শক্তি সঞ্চয় কৰি থৈ গৈছে । সাম্প্ৰতিক কালৰ নৱজীৱন ধাৰা প্ৰবাহিত কৰিব বিচৰা নতুন কবিসকলৰ গভীৰ আত্মবিশ্বাস নথকাৰ বাবে তেওঁলোকৰ আদৰ্শই ৰোমাণ্টিক যুগৰ প্ৰধান কলাকাৰ সকলৰ আদৰ্শৰ লগত সংঘাত সৃষ্টি কৰিছে ।

সেয়ে, বৰকটকীয়ে শক্তিৰ প্ৰতীক বিপ্লৱী কলাকাৰ বিষ্ণুৰাভাক সম্বৰ্দ্ধনা জনাবলৈ ৰচনা কৰা 'বিষ্ণুৰাভা ! এতিয়া বহুত ৰাতি' কবিতাতো আশা নিৰাশাৰ মাজেদি মানৱ সমাজৰ প্ৰগতিৰ সম্বন্ধে সন্দিহান হৈছে । বৰকটকীয়ে বিষ্ণুৰাভাক সম্বৰ্দ্ধনা জনাওঁতে কৈছে— "ৰূপ কোঁৱাৰৰ তুলিকা থাকিল ক'ত ?" কিন্তু স্পষ্টভাবে জীৱনক উপলব্ধি কৰা ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেৰে জীৱনৰ পথত অগ্ৰসৰ হোৱা আগৰৱালা কবিসকলৰ মানসিক দ্বন্দ্ব নাই । আগৰৱালা পৰিয়ালৰ কাব্যকাৰ সকলৰ সুস্থ সবল জীৱনবোধ আছে ।

বৰকটকীৰ সমসাময়িক নতুন কবি অমলেন্দু গুহই মুক্ত হৈ অসমীয়া জাতীয় জীৱনৰ বিভিন্ন দিশৰ মাজেদি যি শক্তি সঞ্চাৰিত

কৰাৰ চেষ্টা কৰিছে বৰকটকীয়ে সেই চেষ্টা কৰা নাই। মহেন্দ্ৰ বৰাৰ চিনা-অচিনা বুজা-নুবুজা ভাবৰ জগত বৰকটকীৰ মিল আছে। গুহই 'স্বয়ংবৰা' কবিতাত কৈছে—"মোৰ ডিঙিত বৰমালা পিন্ধাবলৈ 'স্বয়ংবৰা'। কিন্তু বৰকটকীয়ে 'মন্বন্তৰ' কাব্যৰ আটাইবোৰ কবিতাৰ মাজেদি একোটা সংশয়বাদী পবিত্ৰতাহীন মনোভাব ব্যক্ত কৰিছে।

বৰকটকীয়ে যিমান বিস্তৃতভাবে বিশ্বৰ বিভিন্ন ঠাইলৈ গতি কৰিছে; সিমান নিষ্ঠাৰে অসমীয়া সাহিত্য সংস্কৃতিৰ গভীৰতাত প্ৰবেশ কৰাহেঁতেন; বৰকটকীয়ে 'মোৰ আপোনাৰ দেশ' আৰু 'মানব বন্দনা' কবিতাৰ মাজেদি ধ্বনিত পবিত্ৰ ভাবেৰে অসমীয়া কাব্য বেদী শক্তিশালী কৰিব পাৰিলেহেঁতেন।

বৰকটকীয়ে 'মন্বন্তৰ' নামটোৰ দ্বাৰা যিমান বিশাল অভিজ্ঞতাক সামৰি লবৰ চেষ্টা কৰিছে; প্ৰকৃততে সিমান অভিজ্ঞতা নাইবা ভাব আৰু কল্পনাৰ মাধুৰ্য্যৰ দ্বাৰা কাব্যামোদী লোকৰ হৃদয়ত ভাবৰ উদ্ৰেক কৰিব পৰা নাই। গতিকে কাব্যৰ নামটো যথাৰ্থ নহয়। কবিৰ হৃদয়ত আবেগ শৃঙ্খলিতভাবে শক্তিলৈ ৰূপান্তৰিত হলেহে; কবিৰ চিন্তাই পাঠকৰ চিত্ত আলোড়িত কৰে। সেয়ে সুসংহত সুৰুচিযুক্ত চিন্তাইহে কাব্যৰ মহত্ত্ব প্ৰকাশ কৰে; ইয়াৰ অভাৱত কাব্য নিকৃষ্ট হয়। নতুন কবিসকলৰ আত্ম পৰিচয়ৰ মাজতো আবেগজড়িত ভাবেহে ধ্বনিত হৈছে। নবকান্ত বৰুৱাই কৈছে—

"মইতো হেৰাই যাম
মোৰ আধা কোৱা কথা হয়তো হেৰাই যাব
ইথাৰৰ প্ৰশস্ত তৰঙ্গত।"

—স্বগতঃ—

সেইদৰে বৰকটকীয়ে কৈছে—

"আমি হীন পাৰ হোৱা সময়ৰ
ইতিহাস পুৰি হেনো ছাই হৈ যায়"

—পৰিচয়—

দেৱ বৰুৱাই কৈছে—

"আহিব নতুন কবি কলও পাৰত বহি
যৌৱনৰ আবৃত্তি শুনাব।"

নতুন কবিসকলে ব্যক্তিগতভাবে ব্যৰ্থতাৰ চকুলো টুকি কলভৰ পাৰত যৌৱনৰ আৰতি শুনাইছে সঁচা, কিন্তু জাতিৰ যৌৱনৰ আৰতি শুনাই কৰ্মৰ শক্তি দিব পৰা নাই। এয়ে এচাম নতুন কবিৰ আত্ম পৰিচয়। স্বাধীনোত্তৰ কালৰ এইচাম নতুন কবিৰ হতাশাৰ ভাব বিহগী কবিৰ কবিতাতো আছে।

(২) নীলমণি ফুকন

নীলমণি ফুকনৰ 'আৰু কি নৈশব্দ' (১৯৬৮) কাব্যৰ নামটোৰ মাজেদি কবিৰ চিন্তা জগতত প্ৰবেশ কৰিলে অন্ধকাৰ নিশাৰ ৰহস্যাবৃত শব্দমালাৰ মাজৰ 'আচ্ছাদিত দুখ'ত কবিক আত্মনিমগ্ন হৈ থকা দেখা যায়।

হিন্দু দৰ্শনৰ সৃষ্টিতত্ত্ব মতে আকাশৰ বুকুত শব্দৰ উৎপত্তি। এই শব্দই ব্ৰহ্ম। গতিকে সৃষ্টিৰ ৰহস্য উদ্ঘাটন কৰিব লাগিলে আত্মাৰ পোহৰৰ মাজেদি গতি কৰি শব্দ আৰু পোহৰৰ লগত একাত্ম-বোধ উপলব্ধি কৰিব লাগিব। ফুকনে নিশাৰ অন্ধকাৰৰ মাজত প্ৰবেশ কৰি কিদৰে সমসাময়িক জীৱন প্ৰবাহ ৰূপ দিছে তাৰ বিচাৰতেই ফুকনৰ প্ৰগতিবাদী চিন্তাৰ মূল্যাঙ্কন কৰা হব।

মহাকাশৰ গভীৰ শূন্যতাৰ উপলব্ধি কবিৰ হৃদয়ত আছে, কিন্তু মহাকাশৰ বুকুত ঢৌ খেলি থকা বিদ্যুৎ তৰঙ্গ মালাই কবিৰ হৃদয়ত তত্ত্বজ্ঞান জগাই তোলা নাই, নাইবা কবিক বিস্ময়েৰে অভিভূত কৰি মহাকাশৰ বুকুত বিচৰণ কৰিবলৈ প্ৰেৰণা যোগোৱা নাই। সেয়ে, 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত'ৰ দৃশ্য চাই কবিয়ে শূন্যতাৰ বেদনা উপলব্ধি কৰিছে। অসমীয়া জাতীয় জীৱনৰ প্ৰতীক স্বৰূপ ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্তৰ দৃশ্য চাই ফুকনে 'মানুহৰ অন্তিম লালসাৰ কি প্ৰজ্বলন!' বুলি উক্তি কৰি মানৱৰ লালসাৰ ৰুদ্ধ কৰা শক্তিৰ প্ৰেৰণা বিচাৰি নাপালে।

যি সময়ত মহাকাশৰ শূন্যতাৰ বুকুলৈ মানৱে বিজয়ৰ অভিযান চলাইছে, সেই সময়ত অসমীয়া কবিয়ে 'শূন্যতা'ৰ ভয়াবহ ৰূপ দেখি অসমীয়া জাতিক 'আতঙ্কৰ' শুনাইছে। সেয়ে দেখা যায় পৃথিৱীৰ সংস্কৃতিৰ বিকাশৰ যুগত নবীন অসমীয়া কলাকাৰৰ ভীতি বিহ্বলতা

শিল্পীয়ে বিষৰ আধুনিকতম জ্ঞানেৰে হৃদয় পৰিস্ফুট কৰি পাঠকক আকাশ পৃথিবীত সত্য অন্বেষণ কৰাৰ প্ৰেৰণা যোগাব পৰাতেই কলাকাৰৰ কলা সাধনাৰ সাৰ্থকতা। ফুকনে ৰঙ্গপুৰৰ পাৰত জনতাৰ মাজত নিঃসঙ্গ বেদনা উপলব্ধি কৰি; ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যাস্তৰ দৃশ্য চাই; নিশাৰ অন্ধকাৰত আকাশৰ জোন-তৰাৰে মাজত বিচৰণ কৰি; চৰাই আৰু দেৱ-দূতৰ দৃশ্য দেখি ভয়ত কাতৰ হল।

ফুকনে নিশাৰ অন্ধকাৰৰ মাজত কাৰুণ্য মিশ্ৰিত বেদনা উপলব্ধি কৰি সৌন্দৰ্য উপভোগ কৰিছে সঁচা, কিন্তু এই সৌন্দৰ্য উপলব্ধিয়ে পাঠকক পৰিতৃপ্তি নিদিয়ে নাইবা জীৱন যুদ্ধত অৱতীৰ্ণ হবলৈ প্ৰেৰণা নিদিয়ে। আজিৰ অসমীয়া জাতিক কৰ্মত উদ্বুদ্ধ কৰিবৰ বাবে শূন্যতাৰ মাজৰ পৰা শক্তি আহৰণ কৰাহে প্ৰয়োজন। জনতাৰ মাজত হৃদয়ৰ গভীৰতা উপলব্ধি কৰা এটা মহৎ গুণ; কিন্তু এই গভীৰতাত তাত্বিক জ্ঞান উদয় নহলে শিল্পীৰ হৃদয় শক্তিশালী নহয়। ফুকনে বিষাদ মুক্ত হৈ জীৱনক উপলব্ধি কৰিলেহে শূন্যতাই কবিক আহ্বান কৰিব। এই আহ্বানত সঁহাৰি দিলে আকাশ আৰু পৃথিবীয়ে কবিক নানান ৰূপত দেখা দিব।

কবি ফুকনে নৈশ শব্দৰ মাজত বিচৰণত অভ্যস্ত হোৱা গতিকে সূৰ্যৰ পোহৰ সহ্য কৰিব নোৱাৰে। সেয়ে, সূৰ্যৰ পোহৰ পৰি ফুকনৰ কবি মানসত ফুলি উঠা 'এজোপা গোলাপ ফুল'ৰ সৌন্দৰ্যই কবিৰ হৃদয়ত জুই জ্বলাদে। পোহৰত ফুলা গোলাপ ফুলৰ সৌন্দৰ্য উপভোগ কৰি বাস্তৱক পোহৰৰ মাজেৰে বুজিব নোৱাৰা বাবে নৈশ শব্দই কবিৰ হৃদয় শূন্যতাৰে পৰিপূৰ্ণ কৰি তুলিলে।

ৰঘুনাথ চৌধুৰীয়ে প্ৰেম সৌন্দৰ্য সাধনাৰ প্ৰতীকৰূপে গোলাপক অসমীয়া কাব্য ফুলনিলৈ আনি হিন্দু-ইছলাম সংস্কৃতিৰ সমন্বয় সাধন কৰিলে; সেইদৰে বহ্নকান্ত বৰকাকতিয়ে গোলাপৰ যোগেদি হৃদয়ৰ মিলন দেখুৱাইছে। ৰোমাণ্টিক যুগৰ কলাকাৰ সকলৰ এই দৃষ্টিভঙ্গীৰ সন্দৰ্ভত ফুকনৰ গোলাপ ফুলৰ ওচৰ চাপিলে ভিন্ন ৰূপ দেখা যায়। কিন্তু গোলাপৰ এই ভিন্নৰূপে গোলাপৰ ঐতিহাসিক ক্ৰমগতি প্ৰকাশ কৰা নাই।

শিল্পীয়ে নন কৌশল প্ৰয়োগ কৰি নন অভিজ্ঞতাৰে জাতীয় জীৱন সমৃদ্ধ কৰিলেহে জাতি প্ৰগতিৰ পথত আগবাঢ়ে। ফুকনৰ

কবি মনসৰ গোলাপ জোপাই সূৰ্য্যৰ পোহৰ পালে মেলেৰিলি যায়। কবিয়ে নিজেই ফুলৰ মাজত বিষাক্ত সাপ বগোৱাৰ বেদনা উপলব্ধি কৰে। গতিকে, অসমীয়া জাতিয়ে ফুকনৰ গোলাপৰ সৌৰভ লবলৈ আগবঢ়া টান। হিন্দু দৰ্শনমতে শব্দৰ লগতে ৰূপ ৰস, গন্ধ, স্পৰ্শ আদি পঞ্চ তন্মাত্ৰই বিভিন্ন এৰং সৃষ্টিৰ কাৰ্য্যত সহায় কৰিছে। ফুকনে দৰ্শন বিজ্ঞানৰ মাজেৰে শব্দৰ ক্ৰমবিকাশৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰা নাই।

ফুকনে জীৱনৰ প্ৰতি যি বিৰূপ মনোভাব প্ৰকাশ কৰিছে তাৰ কাৰণ তেওঁৰ কাব্যত স্পষ্টভাৱে বিচাৰি পোৱা নাযায়। শিল্পীৰ মনত স্পষ্ট আদৰ্শই ৰূপ পৰিগ্ৰহ নকৰিলে শিল্পীয়ে শৃংখলিত আবেগ অনুভূতিৰ মাজেদি জীৱনৰ অভিজ্ঞতা লাভ নকৰে। সেয়ে ফুকনৰ হৃদয়ৰ গভীৰতাত ভয়াবহ শূন্যতাই স্থান পোৱা বাবে বহিৰ্জগতৰ নাইবা দৈনন্দিন সমাজ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ ৰূপ প্ৰকাশ পোৱা নাই।

নিশাৰ অন্ধকাৰৰ মাজৰ পৰা আত্মপ্ৰকাশ কৰিবৰ লাগিলে শিল্পীৰ হৃদয়ত অন্তৰ্জ্যোতি থাকিব লাগিব। তেহে 'নৈশ শব্দ'ৰ শক্তিশালী জ্যোতি-ধ্বনিয়ে দৈনন্দিন জীৱনৰ কৰ্মব্যস্ত লোকৰ মনোযোগ আকৰ্ষণ কৰিব। ফুকনে অন্ধকাৰৰ মাজৰ পৰা শক্তিশালী শব্দমালাৰ তড়িৎ শক্তি সৃষ্টি কৰিব পৰা নাই। ঘোপমৰা অন্ধকাৰ ৰাতিৰ আকাশ ভাৱৰযুক্ত হৈ থাকিলেও, মেঘৰ গাজনি আৰু বিদ্যুতে পথচাৰীক ভীতি-বিহ্বল ভাৱৰ মাজেদি পথ দেখুৱায়। এনে অৱস্থাত শক্তিমান পথচাৰীয়েহে সৌন্দৰ্য উপলব্ধি কৰিব পাৰে।

ফুকনৰ হৃদয়ত শক্তিশালী ভাব নথকা বাবে প্ৰাকৃতিক জগতৰ দৃশ্যাৱলীৰ মাজতো সুসংবদ্ধভাৱে আত্ম-প্ৰকাশ কৰিব পৰা নাই। ফুকনৰ হৃদয়ত বাস্তৱ জীৱনৰ ৰূপ স্পষ্টভাৱে প্ৰৱেশ নকৰা বাবে শূন্যতাৰ উপলব্ধিয়ে চিন্তা জগতৰ পৰা কৰিক আঁতৰাই নিলে।

সেয়ে নগৰীয়া জীৱনৰ মাজত প্ৰৱেশ কৰিও হৃদয়ৰ শূন্যতা দূৰ কৰিব নোৱাৰিলে। 'ফুকনৰ দহজন ডেকা মানুহৰ প্ৰত্যাবৰ্ত্তন' কবিতাত নগৰীয়া জীৱনৰ বিশৃংখল ফালটো প্ৰকাশ পাইছে। নগৰীয়া জীৱনৰ মাধুৰ্য্য আৰু কৰ্ম ব্যস্ততাই ফুকনক আকৰ্ষণ কৰা নাই। ফুকনে মাথোন নগৰৰ বিশৃংখলাৰ ৰূপটোহে দেখিছে।

ফুকনে 'কোৰাছ' কবিতাত মানবৰ উজ্বল ভবিষ্যৎ কামনা কৰিছে। ফুকনে কৈছে "মৰণশীল মানুহে পাহৰা নাই শূন্যত ধ্বনিত হৈ উঠা প্ৰথম শব্দ।" ফুকনে সৃষ্টিৰ আদিম ধ্বনিৰ গভীৰ উপলব্ধিৰ মাজেদি আত্মপ্ৰকাশ কৰাহেঁতেন মহাশূন্যই কবিৰ হৃদয়ত ক্লান্তিৰ ভাব সৃষ্টি নকৰিলেহেঁতেন। সৃষ্টিৰ প্ৰাচীনতম যৌবনে কবিৰ জীৱন স্পৃহা জগাই তোলাহেঁতেন ফুকনে মানৱ সমাজৰ সকলো বেদনা দূৰ পাতি লৈ অগ্নিকাগিৰিৰ দৰে "বেদনা বিজয়' কৰি বিশ্বমানবক প্ৰাচীনতম যৌৱনৰ আনন্দ দিব পাৰিলেহেঁতেন।

ফুকনৰ 'দহজন ডেকা মানুহে' প্ৰাচীনতম যৌৱনৰ মাধুৰ্য উপভোগ কৰা নাই। ফুকনে কৈছে—

"মানুহৰ ইচ্ছাৰ হে প্ৰাচীনতম যৌৱন!
এটা নতুন দ্বীপৰ জন্ম হওক
বিজুলীৰ চিকমিকনিৰ মাজত জন্ম হওক
এটা নতুন দ্বীপ।"

—কোৰাছ—

যিজন কবিয়ে ব্ৰহ্মপুত্ৰৰ গভীৰ দুখত মগ্ন হয়, নিশাৰ কাৰুণ্য সহ্য কৰিব নোৱাৰে, নগৰীয়া জীৱনৰ মোহনীয় ৰূপ নেদেখে, প্ৰকৃতিক প্ৰাণভৰি ভাল পাব নোৱাৰে; নাইবা সাধাৰণ মানবৰ সুখ-দুখৰ লগত একাত্মবোধ উপলব্ধি নকৰে সেইজন শিল্পীৰ সত্য অন্বেষণৰ মহাকাশ যাত্ৰাৰ সপোন বৃথা।

ফুকনৰ সৌন্দৰ্য বোধ আছে। এই সৌন্দৰ্য বোধত শক্তিৰ প্ৰকাশ নহলেও নগ্নতা নাই। প্ৰকৃততে ফুকনৰ কবি মানসৰ সংঘাত সৃষ্টি হৈছে প্ৰাচ্য পাশ্চাত্যৰ আদৰ্শৰ সংঘাতৰ পৰা। ফুকনে দাৰ্শনিক তত্ত্বৰ মাজত প্ৰবেশ কৰিলেও, তত্ত্বজ্ঞানে কবিৰ হৃদয়ত গতিশীল দৃষ্টিভঙ্গী জাগ্ৰত কৰা নাই। অতীত-বৰ্তমানৰ, দৰ্শন-বিজ্ঞানৰ জ্ঞান ৰাজিৰে পৰিপুষ্ট কবি হৃদয়ৰ পৰা যি সৃষ্টি হয়, তাৰদ্বাৰা জাতিৰ জীৱন প্ৰবাহমান হয়। কাব্য কলাই কবিৰ হৃদয়ত শক্তি সঞ্চাৰ কৰিব লাগিলে কবি সংশয় মুক্ত হব লাগিব।

ৰোমান্টিক যুগ প্ৰবৰ্তনকাৰী কবিসকলে ভাৰতীয়-অসমীয়া সংস্কৃতিৰ সাধনাৰে পৰিপুষ্ট কবি মানসত বিশ্ব সাহিত্যৰ ন-ন ভাব স্থান দি আত্মসাৎ কৰি কাব্য সৃষ্টি কৰা বাবে নিৰ্ভীকভাবে

জাতিক আদর্শ দেখুৱাব পাৰিছে। সেয়েহে 'মোৰেই মুখেদি সত্য হক প্ৰতিভাত' বুলি স্পষ্টভাবে কব পাৰিছিল।

ৰোমাণ্টিক যুগৰ কবিসকলৰ কাব্য-সাধনাৰ এটা নিৰ্দ্দিষ্ট লক্ষ্য আছিল। কিন্তু সাম্প্ৰতিক কালৰ নতুন কবিসকলৰ কাব্যৰ মাজেদি সমূহীয়াকৈ স্পষ্ট লক্ষ্য প্ৰকাশ পোৱা নাই। নতুন কবি ফুকনৰ কাব্যত আবেগ আছে; কিন্তু আবেগৰ শৃঙ্খলিত ৰূপ নাই। সেয়ে, অনুভূতিৰ বিচিত্ৰ ৰূপো প্ৰকাশ পোৱা নাই। ফুকনে কাব্যৰ মাজেদি মানৱৰ ঘৰুৱা জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অভিজ্ঞতাসমূহ ৰূপ দিয়া নাই। নতুন কবি সকলে প্ৰায়েই মানৱৰ ঘৰুৱা জীৱন আৰু অসমৰ জাতীয় জীৱনৰ সূক্ষ্ম ৰূপৰ পৰা আঁতৰি গৈছে।

ৰোমাণ্টিক যুগৰ কবিসকলৰ দৃষ্টিত বাটৰ দুবৰি বনৰ পৰা আৰম্ভ কৰি মহাকাশৰ সৌন্দৰ্য্য ৰাজিয়ে ধৰা দিছিল। কিন্তু নতুন কবিসকলে সূক্ষ্ম অনুভূতিৰ মাজেদি ক্ষুদ্ৰ বালিচাহীৰ পৰা গজহস্তীলৈ দৃষ্টিপাত নকৰে। সেয়ে, সাম্প্ৰতিক কালৰ নতুন কবি-সকলৰ সামগ্ৰিক দৃষ্টি নাই।

ফুকনে সৌন্দৰ্য্য উপভোগৰ বাবে যি যি ক্ষেত্ৰত বিচৰণ কৰিছে তাৰ অধিকাংশই অন্ধকাৰ আবৃত। কিন্তু কবিয়ে অন্ধকাৰৰ মাজত হৃদয়ৰ অতল স্পৰ্শৰ গভীৰতাত প্ৰবেশ কৰিও; সমাজৰ প্ৰগতিৰ বাবে তথা ব্যক্তি আৰু সমাজ জীৱন নিৰাময় কৰিবৰ বাবে প্ৰয়োজনীয় জ্ঞান মাণিক উদ্ধাৰ কৰিব নোৱাৰিলে।

প্ৰবীণ কবিসকলে সমাধিৰ যোগে হৃদয়ৰ অতলস্পৰ্শ গভীৰতাত প্ৰবেশ কৰি শব্দব্ৰহ্মৰ উজ্বল ৰূপেৰে চিত্ত আলোকিত কৰিছে। কিন্তু ফুকনে অতলস্পৰ্শ গভীৰতাৰ মাজত সোমাই 'মই নিশব্দ স্তৱ', বুলি কোৱা সত্বেও; শব্দ ব্ৰহ্মৰ স্তৱৰ যোগেদি হৃদয়ৰ বেদনা দূৰ কৰিব নোৱাৰিলে।

গোলাপ ফুলৰ উপাসক ৰঘুনাথ চৌধুৰীয়ে প্ৰেম কাতৰ ভাবৰ বশৱৰ্ত্তী হৈ চিত্ত প্ৰশমিত কৰিব নোৱাৰাৰ দৰে; ফুকনেও গোলাপৰ যোগে কাব্যৰ পাতনি মেলি শব্দ ব্ৰহ্মৰ সাধনাৰ যোগে মনৰ শান্তি নাপালে। সেয়ে গীতাত কৃষ্ণই মানৱক অক্ষৰ ব্ৰহ্মৰ সাধনা কৰিবলৈ বাধা দিছে। অব্যক্তক হৃদয়ত উপলব্ধি কৰিব পাৰি সঁচা; কিন্তু অব্যক্তই সম্পূৰ্ণৰূপে চিত্তৰ প্ৰশান্তি নিদিয়ে। গতিকে সাধাৰণ মানৱে

বাহ্যিক জগতৰ ৰূপ সাধনা কৰিছে ক্ৰমশঃ মনোজগত উপলব্ধি কৰিব পাৰে। ফুকনৰ কবিতাত এই মানসিক বেদনাও প্ৰকাশ পাইছে। এই আধ্যাত্মিক বিষাদে কবিক মুক্ত জীৱনৰ আনন্দ দিবও পাৰে।

সিদ্ধাৰ্থ গোহাঁই

স্বাধীনোত্তৰ যুগৰ সিদ্ধাৰ্থ গোহাঁইৰ 'ৰজনী গন্ধা' কাব্য (১৯৬২) শিলঙৰ পাৰ্বত্য পৰিবেশত ৰচিত। পাহাৰী পৰিবেশে 'ৰজনী-গন্ধা'ৰ বৰ্ণ আৰু সৌৰভ বিকাশ কৰি অসমীয়া কাব্য সাহিত্যক কেনেদৰে প্ৰগতিশীল ৰূপ দি প্ৰবীণ-নবীন কাব্যকাৰ সকলৰ আদৰ্শ প্ৰবাহিত কৰিছে বিচাৰ্য।

অপ্ৰমাদী কবি কবিৰাজ মাধৱ কন্দলিয়ে ভেয়ামৰ ৰাজধানীত ৰাজকীয় পৃষ্ঠপোষকতাত কাব্য সাধনা কৰি 'সৰ্বজন বোধে' আৰু লোক ব্যৱহাৰে' কাব্য ৰচনাৰ ৰীতি প্ৰৱৰ্তন কৰিলে। অসমীয়া কাব্য শিল্পৰ পাতনি মেলি ধৰ্মীয় আৰু বৈষয়িক চিন্তাৰ সমন্বয় সাধনৰ দ্বাৰা কন্দলিয়ে যি কাব্যতত্ত্ব সৃষ্টি কৰিলে; বিভিন্ন যুগত সেই আদৰ্শই পৰিবৰ্ত্তিত ৰূপ ললেও অধিকাংশক অসমীয়া কাব্য শিল্পীয়ে সৰ্বজনক সামৰি লোৱাৰ চেষ্টা কৰিছে। সাম্প্ৰতিক কালৰ কাব্য শিল্পীয়ে অসমৰ ৰাজধানীৰ শিলঙৰ পাহাৰী পটভূমিত সৰ্বজনক কেনেদৰে স্পৰ্শ কৰিছে বিচাৰ্য।

ৰোমাণ্টিক কাব্য প্ৰবাহৰ চিন্তাধাৰাৰ গতি অনুধাৱন কৰি গোঁহায়ে ফুল আৰু চৰাই বিষয়ক কবিতাৰ দ্বাৰা কাব্যৰ আদি-অন্ত ৰূপ দিছে। ৰোমাণ্টিক যুগৰ পাতনিৰ কালত ফুল-চৰাই তথা প্ৰকৃতিৰ প্ৰতি কাব্য শিল্পীসকলৰ যি আত্মীয়তা আছিল সেই আত্মীয়তা পুনঃ কাব্যবেদীত সংস্থাপন কৰিব পৰা অনুকূল পৰিবেশ নাথাকিলেও; কবি গোহাঁয়ে 'ৰজনী গন্ধা', 'পদুম কলি', 'সখিয়তী' আদি বিভিন্ন কবিতাৰ দ্বাৰা বিহগী কবিৰ সঙ্গ লৈছে। কবি গোহাঁই সৌন্দৰ্য্য উপভোগৰ বাবে ফুল-চৰাইৰ জগতলৈ গতি কৰিলেও বিহগী কবিৰ দৰে বিষাদযুক্ত নহয়। সেইদৰে নবীন কলাকাৰ সকলে প্ৰকৃতি বিষয়ক নতুন কবিতাত যি সৌন্দৰ্য্য বিমুখ মনোভাৱ প্ৰকাশ কৰিছে, গোহাঁইদেৱে তেনে ভাৱ প্ৰকাশ কৰা নাই।

ভৈয়ামৰ পৰিবেশত কাব্য সাধনা কৰা কলাকাৰ সকলে লুইতক আৰু অন্যান্য নদীক কাব্যৰ মাজত স্থান দিয়াৰ দৰে, কবি গোহাঁয়ে 'পাহাৰী নিজৰা' কবিতাত পাহাৰ ভৈয়ামৰ সম্প্ৰীতিৰ সপোন ৰচিছে। কবি গোহাঁয়ে কিন্তু পাহাৰী নিজৰাৰ নামটো নিদিলে। সেয়ে, ডিবৰু, কলং, কপিলী, বলম, টীয়ক, আদি বিভিন্ন নৈৰ নাম ৰূপৰ সৌন্দয উপভোগ কৰি নামবিহীন পাহাৰী নিজৰাৰ পাৰলৈ গলে অসমৰ সামগ্ৰিক ৰূপ সম্পূৰ্ণ হৈ নুঠে।

কিন্তু 'উইপিং উইল,' আৰু 'নংখু' কবিতা দুটাই পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতি সাধন কৰিবৰ প্ৰগতিবাদী চিন্তাৰ পৰিচয় দিয়াৰ উপৰিও, অসমীয়া কাব্য সাহিত্যত মিলনৰ দৃশ্য সংযোগ কৰিছে। 'উইপিং উইল'ৰ দৃশ্যই কবিৰ হৃদয়ত কাৰুণ্য সৃষ্টি কৰা নাই যদিও, খাচী বীৰ তিৰৎ সিঙৰ জন্মস্থান নংখু গাঁৱৰ স্মৃতিয়ে গোহাঁইৰ হৃদয়ত শক্তিৰ উদ্ৰেক কৰিছে। গোহাঁয়ে পাহাৰ ভৈয়ামৰ সাংস্কৃতিক মিলন কামনা কৰিলেও, পাহাৰী প্ৰাকৃতিক দৃশ্য আৰু পাহাৰী জনগণৰ জীৱনৰ ৰূপ অসমীয়া কাব্য সাহিত্যলৈ অনা নাই। গতিকে ভৈয়ামৰ কলাকাৰে ৰাজধানীত কাব্য সাধনা কৰিলেও, পাহাৰী জনগণৰ সাংস্কৃতিক জীৱনৰ বিষয়ে গভীৰভাবে অধ্যয়ন কৰি অসমীয়া জাতীয় জীৱন শক্তিশালী কৰিব পৰা নাই।

আহোম যুগত গড়গাওঁ আৰু জয়ন্তীয়া ৰাজ্যৰ যি ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক যোগাযোগ আছিল; সেই যোগসূত্ৰ 'জয়ন্তীয়া' বুৰঞ্জীয়ে ৰক্ষা কৰিছে। কিন্তু সাম্প্ৰতিক কালৰ আহোম বংশীয় কলাকাৰে বুৰঞ্জীৰ অনুশীলন নকৰা বাবে গড়গাও জয়ন্তীয়া সাংস্কৃতিক যোগাযোগ ৰূপ দিব নোৱাৰিলে। সেয়ে আহোম যুগ আৰু সাম্প্ৰতিক কালৰ ৰাষ্ট্ৰীয় চেতনাৰে বিচাৰ কৰিলে দেখা যায় যে আহোম যুগৰ প্ৰশাসক আৰু কলাকাৰ সকল অধিক দূৰদৃষ্টি সম্পন্ন।

পাহাৰী নিজৰাৰ পাৰে পাৰে, উইপিং উইলৰ কাৰুণ্য বিজড়িত দৃশ্য চাই; খাচী বীৰ তিৰৎ সিঙক শ্ৰদ্ধা নিবেদন কৰি, শিল্পী গোহাঁয়ে 'চেৰাৰ আকাশ' কবিতাত বৰ্ষাকালৰ আকাশৰ দৃশ্য আৰু 'শৰতৰ শুকুলা ডাৱৰ' কবিতাত শৰৎ কালৰ আকাশৰ দৃশ্য উপভোগ কৰিছে। কবি গোহাঁই আকাশৰ দৃশ্যাৱলীৰ মাজেদি যিদৰে হৃদয়ৰ কাৰুণ্য, মানবীয় আবেদন ৰূপ দিছে, পৃথিৱীৰ বুকুৰ দৃশ্যাৱলীত হৃদয়ৰ সৌন্দৰ্য স্পৃহা, বিকশিত হোৱা নাই। গোহাঁই আকাশৰ দৃশ্য

আজিৰ সৌন্দৰ্য সাধনা কৰিলেও, মহাকাশৰ ৰহস্য ভেদি অসীমৰ বাবে হৃদয়ৰ খিৰিকী সম্পূৰ্ণ মুক্ত কৰি দিব পৰা নাই। সেয়ে, কবিৰ "আধাখোলা খিৰিকী"ৰ ফাকেদি প্ৰৱেশ কৰা পোহৰৰ জোৰে সম্পূৰ্ণ মুক্ত প্ৰাণৰ আহ্বান নিদিয়ে।

পৃথিৱী আৰু আকাশত বিচৰণ কৰা গোস্বামীৰ কবি মানসে অৱশ্যে মুক্ত প্ৰাণৰ ৰসাস্বাদনৰ বাবে অসমৰ চাৰিবেৰৰ পৰা ওলাই আহিছে যেন; 'সাগৰৰ পাৰত' আৰু 'সাগৰিকা' কবিতাত সাগৰৰ উৰ্মিমালাৰ মাজত "জলকুঁৱৰী"ক অন্বেষণ কৰি কাৰুণ্য মিশ্ৰিত আনন্দ উপভোগ কৰিছে। সেইদৰে, সাগৰৰ পটভূমিত ৰচিত 'কোনাৰ্ক' কবিতাৰ যোগেদি গোস্বামীয়ে কলিঙ্গৰ কোনাৰ্কৰ সূৰ্য্য মন্দিৰৰ ভাস্কৰ্য্য শিল্পীৰ অনুপম সৃষ্টিৰ সৌন্দৰ্যত মুগ্ধ হৈ বিশাল উপলব্ধিৰ পৰিচয় দিছে।

শঙ্কৰদেৱে 'উৰেষা-বৰ্ণন' অধ্যায়ৰ যোগেদি জগন্নাথ মন্দিৰৰ মহিমা কীৰ্ত্তন কৰি উৰিষ্যা আৰু অসমৰ সাংস্কৃতিক যোগ সূত্ৰ সাধন কৰিলে। সেইদৰে দিহিঙীয়া ৰজাৰ দিনতো সামৰিক অভিযানৰ যোগেদি জগন্নাথ ক্ষেত্ৰৰ লগত অসমৰ জাতীয় জীৱনৰ সংযোগ সাধন হয়। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱাই অতীতৰ এই লুপ্ত প্ৰায় সংযোগ উদ্ধাৰ কৰাৰ প্ৰসঙ্গতে গোস্বামীৰ কোনাৰ্ক কবিতাৰ সূৰ্য্য মন্দিৰৰ বৰ্ণনা বিচাৰ কৰিলে; উৰিষ্যা অসমৰ সাংস্কৃতিক সংযোগ প্ৰবাহিত হোৱা দেখা যায়।

ভক্ত কবি শঙ্কৰদেৱে জগন্নাথ মন্দিৰৰ কাহিনী কীৰ্ত্তন কৰি যি আত্ম তৃপ্তি লাভ কৰিছে, কবি গোস্বামীয়ে ভক্তিৰ প্ৰগাঢ়তাৰ যোগেদি মন্দিৰ দৰ্শন নকৰা বাবে সেই আত্মতৃপ্তি লাভ কৰা নাই যদিও, সৌন্দৰ্য উপভোগ কৰিছে।

অসীমৰ সৌন্দৰ্য বাক্তিয়ে শিল্পীৰ মানস পটত নানান ধৰণে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিলে শিল্পীয়ে ন ন অভিজ্ঞতাৰে সৃষ্টিৰ ৰহস্য উদ্ঘাটন কৰি কাব্য কলাৰ সৌন্দৰ্য বঢ়ায়। আদৰ্শ আৰু বাস্তৱৰ সমন্বয় সাধন কৰা শিল্পীয়ে সততে দৰ্শন বিজ্ঞানৰ পৰা উদ্ভূত জ্ঞানৰাজি মানৱ কল্যাণত ব্যৱহৃত হোৱা কামনা কৰে।

কবি গোস্বামীয়ে এই দৃষ্টিভঙ্গীৰে 'পপীয়া তৰা' আৰু 'কোন যাৰ আজি চন্দ্ৰ লোকলৈ' কবিতাত আকাশ-সমুদ্ৰ-পৃথিৱীৰ ৰহস্যৰ মাজত প্ৰৱেশ কৰি মানৱে উদ্ধাৰ কৰা জ্ঞানৰাজিয়ে বিশ্বৰ কল্যাণ সাধন

নকৰা বাবে আক্ষেপ কৰিছে। কবি গোহাঁয়ে কৈছে যে সাগৰৰ গৰ্ভত জীৱন বিসৰ্জন দিয়া পপীয়া তৰাই পৃথিবীৰ তথা মানৱ প্ৰেমত মুগ্ধ হৈ মহাকাশৰ পৰা নামি আহে। কবিয়ে কৈছে—

আকাশৰ উজলা পপীয়া তৰা
স্বৰ্গ মৰ্ত্ত্যৰ দূতী,
তোমাৰো চেনেহেৰে দিয়াছি ভৰায়
মানৱৰ অন্তৰ্দৃষ্টি।
—পপীয়া তৰা—

কিন্তু চন্দ্ৰ বিজয়ৰ অভিযান চলোৱা মানৱে মহাকাশৰ প্ৰতি ধাবিত হলেও; পপীয়া তৰাই পৃথিবীক আকোঁৱালি লোৱাৰ দৰে, মানৱে মনৰ হিংসা দ্বেষ পৰিত্যাগ কৰি মানৱ কল্যাণৰ বাবে আত্মাহুতি দিবলৈ শিকা নাই। সেয়ে গোহাঁয়ে চন্দ্ৰবিজয়ৰ প্ৰচেষ্টাক মুক্তভাবে আদৰণি জনোৱা নাই।

কবি গোহাঁয়ে ভাৰতীয় দৰ্শনৰ বিভিন্ন তত্ত্ব কাব্যৰ মাজলৈ অনা নাই যদিও; আকাশ, সাগৰ, পৃথিবী, মৃত্যু বিষয়ক কবিতা সমূহৰ মাজেদি ভাৰতীয় দাৰ্শনিক চিন্তা প্ৰবাহৰ ঐক্য ৰক্ষা কৰি কৈছে—

"সাগৰৰ সতে নীলা আকাশ
নহয় আত্মা পূৰ্ণ বিকাশ।
দেখো দিগন্তত মিল হোৱা সাগৰ আকাশ
সিয়ে দৃষ্টিৰ ভ্ৰম বিকাশ
আত্মা দেহৰ সঙ্গ প্ৰকাশ।"
—সাগৰৰ পাৰত—

সাম্প্ৰতিক কালৰ বস্তুবাদী নতুন কবি সকলৰ নন্দন তাত্ত্বিক দৃষ্টি ভঙ্গী বিহীন কাব্য সাধনাই অসমীয়া কাব্যমোদী লোকক কাব্য জগতৰ প্ৰতি আকৰ্ষণ কৰিবলৈ ব্যৰ্থ হোৱাত; পৰম্পৰাক্ৰমে চলি অহা কাব্য কলাই গোহাঁইৰ কাব্যত প্ৰবাহমান ৰূপ পালে যদিও; তথাপিও গোহাঁয়ে ঐতিহাসিক দৃষ্টি ভঙ্গীৰ মাজেদি কাব্য কলাৰ ন ন ক্ষেত্ৰ আবিষ্কাৰ কৰিব পৰা নাই। ইয়াৰ মূলতে হৈছে শিল্পী-সকলৰ গভীৰ সাধনাৰ অভাৱ।

'পূৰণি পৃথিবী নকৈ চাব' খোজা শিল্পীয়ে যুগে যুগে সামাজিক চেতনা ৰক্ষা কৰি; নব নব শিল্প ৰীতিৰে জাতীয় জীৱনৰ গভীৰতাত

প্ৰৱেশ কৰিলেহে জাতীয় জীৱনৰ বিভিন্ন দিশত লুকাই থকা সত্যবোৰে শিল্পীৰ চিত্ত আলোকিত কৰে। গোহাঁয়ে গভীৰ দৃষ্টিৰে নতুন সত্য বিচাৰি পোৱা নাই।

শিল্পী গোহাঁয়ে 'পপীয়া তৰা'ৰ আত্মাহুতি আৰু চন্দ্ৰ অভিযানৰ যোগদি মানৱ কল্যাণ চিন্তা কৰাৰ দৰে; 'দীপান্বিতা' কবিতাত আঁউসীৰ অন্তত জ্বলোৱা হেজাৰ চাকিৰ পোহৰে মানৱ সমাজৰ পৰা অজ্ঞান অন্ধকাৰ দূৰ কৰি মঙ্গলময় বিশ্ব স্থাপন কৰিব নোৱাৰা বাবে 'দীপান্বিতা' উৎসৱৰ ব্যৰ্থতাহে দেখিছে। কিন্তু দৈবী শক্তিৰ পূজাৰী কবিয়ে কৈছে—

"উজলি উঠক
সদৌ বিশ্বত
মানৱৰ হিয়ায় হিয়ায়
শুভ্ৰতা নিৰ্মলতা।"

—দীপান্বিতা—

'ৰজনী গন্ধা'ৰ শিল্পীয়ে ৰজনী গন্ধাৰ সৌৰভৰ দ্বাৰা নিশাৰ ভয়াবহ ৰূপ দূৰ কৰি জাতীয় জীৱনৰ পৰা বিষ-বাষ্প দূৰ কৰাৰ চেষ্টা কৰিছে, কিন্তু 'আৰু কি নৈশব্দ' কাব্যৰ শিল্পীয়ে নিশাৰ শব্দৰ ধ্বনিৰ মাজত 'শূন্যতাৰ আত্তস্বৰ' শুনি জাতীয় জীৱনৰ আহ্বান বিস্মৃত হৈছে।

স্বাধীনতাৰ পূৰ্বকালৰ পৰা কাব্য সাধনা কৰা প্ৰবীণ কাব্য শিল্পীসকলে স্বাধীনতা ৰক্ষাৰ বাবে যিদৰে দেশবাসীক আহ্বান জনাইছে; স্বাধীনোত্তৰ কালৰ কাব্য শিল্পী সকলে দেশৰ স্বাধীনতা ৰক্ষাৰ প্ৰতি সেইদৰে ব্যাকুল হোৱা নাই। সিদ্ধাৰ্থ গোহাঁইৰ কাব্যতো এই ভাব প্ৰকাশ পোৱা নাই।

শিল্পীয়ে জাতীয় জীৱনৰ অতীতৰ সাংস্কৃতিক সম্পদবোৰত বৰ্তমান জীৱনৰ চিন্তাধাৰাৰ বোল সানি, ভবিষ্যতৰ লগত বৰ্তমানক সংযোগ কৰে। প্ৰকৃততে জাতীয় জীৱনৰ কাব্যধাৰাৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰি ন ন দৃষ্টিভঙ্গীৰে অতীতক ব্যাখ্যা কৰিব পৰাতেই শিল্পীৰ সাৰ্থকতা।

কবি গোহাঁয়ে অসমৰ প্ৰাচীন সাংস্কৃতিক সমল ব্যৱহাৰ কৰি 'শঙ্কৰদেৱ' আৰু 'জেৰেঙা পথাৰ' নামৰ দুটা কবিতা ৰচনা কৰিছে।

অসমৰ জাতীয় জীৱনৰ সাংস্কৃতিক অভ্যুদয়ৰ বাবে গীতা-ভাগৱত আৰু শংকৰী কলাকৃষ্টিৰ ব্যাপক আৰু গভীৰ অনুশীলন প্ৰয়োজন। কবি গোহাঁয়ে ভাবে অসমৰ অতীতক বিশেষকৈ বৈষ্ণৱ যুগৰ সামাজিক আন্দোলন পুনঃ ৰূপ দিব পাৰিলেহে বিংশ শতিকাৰ অসম শক্তিশালী হব। 'জেৰেঙা পথাৰ' আৰু 'শঙ্কৰদেৱ' দুয়োটা কবিতাতে কাৰুণ্য মিশ্ৰিত আশাবাদ ধ্বনিত হৈছে।

কবি গোহাঁয়ে আহোম ৰমণী জয়মতীৰ দুঃখত চকুলো টুকিলেও, নাইবা বৈষ্ণৱ যুগৰ সাহিত্য সংস্কৃতিৰ ব্যাপক অনুশীলনৰ প্ৰয়োজনৰ কথা কলেও; গোহাঁইৰ কবি মানস শঙ্কৰী সাহিত্য সংস্কৃতিৰ সাধনাৰ মাজেদি পৰিপুষ্ট হোৱা নাই; নাইবা আহোম যুগৰ সম্পদ বুৰঞ্জী সাহিত্যৰ প্ৰভাব গোহাঁইৰ কাব্যৰ মাজেদি প্ৰবাহিত হোৱা নাই। ৰোমাণ্টিক যুগৰ পাতনিৰ কালছোৱাত অসমীয়া কাব্য শিল্পীসকলে জীৱনৰ প্ৰাচীন ঐতিহ্য যেনেদৰে সাধনা কৰিছিল; স্বাধীনোত্তৰ কালৰ কাব্যত অতীত জীৱনৰ জীৱন্ত ৰূপ নাই।

আধুনিক সমাজ জীৱন তথা সভ্যতাৰ মাজেদি প্ৰবাহিত হোৱা জাতীয় জীৱনৰ এটি ৰূপ প্ৰকাশ পাইছে গোহাঁইৰ 'মজদুৰ' আৰু 'বিক্সাৱালা' কবিতাত। সমাজৰ দুৰ্ব্বল শ্ৰেণীটোৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰি অভিজাত শ্ৰেণীৰ হৃদয়হীনতাক গোহাঁয়ে উদঙাই দিছে। কিন্তু বৰ্তমান সময়ৰ ৰাজনীতি আৰু অৰ্থনীতিৰ মাজেদি গঢ় লোৱা শ্ৰেণী সংগ্ৰাম কবিয়ে ৰূপ দিয়া নাই, নাইবা শোষিত জনগণে কিদৰে সমাজত এটা প্ৰয়োজনীয় শ্ৰেণী বুলি পৰিগণিত হব কোৱা নাই।

সমাজৰ দুৰ্ব্বল শ্ৰেণীটোৰ প্ৰতি অভিজাত শ্ৰেণীৰ লোকৰ মানবোচিত ব্যৱহাৰ দাবী কৰি শিল্পীয়ে বিপ্লৱ ৰচনা কৰিব লাগিব। কিন্তু কবি গোহাঁয়ে বৈপ্লৱিক ভাবৰ যোগেদি সমাজৰ অভিজাত শ্ৰেণীটোৰ হৃদয়হীনতা ৰূপ দিব পৰা নাই। মজদুৰ, বিক্সাৱালাৰ মনৰ বেদনা আৰু মানৱীয় আশা আকাংক্ষাক কবিয়ে ধ্বনিত কৰিছে; কিন্তু সামাজিক জীৱনত এই শ্ৰেণীৰ লোকে কেনেকৈ আত্মপ্ৰতিষ্ঠা কৰি সাংস্কৃতিক জীৱন যাপন কৰিব কোৱা নাই।

সমাজৰ আন এক শ্ৰেণী দুৰ্বল পদদলিত লোকক কেন্দ্ৰ কৰি গোহাঁয়ে 'দেৱদাসী,' 'ষোড়শী' 'বোবাৰ কিননি' আৰু 'পতিতাৰ পূজা'

নামৰ কবিতা ৰচনা কৰিছে। জাতিৰ জীৱন সুস্থ সবল হব লাগিলে সাহিত্যই সমাজৰ সকলো শ্ৰেণীৰ লোকৰ জীৱন ৰূপ দি অন্ধকাৰৰ পৰা পোহৰলৈ নিব লাগিব।

কবি গোহাঁয়ে মন্দিৰৰ গোপন কক্ষৰ পৰা দেৱদাসীক সমাজৰ মাজলৈ আহি দেশ মাতৃৰ সেৱাত আত্মনিয়োগ কৰিবলৈ আহ্বান জনাইছে; সেইদৰে, পতিতা নাৰীক গণিকালয়ৰ পৰা ওলাই আহি সমাজ জীৱনৰ প্ৰগতিত বৰঙণি দিব'ল আহ্বান জনাইছে।

'মজদুৰ' আৰু 'ৰিক্সাৱালা'ই সমাজত মানবোচিত ব্যৱহাৰ নাপায়; তেনেস্থলত পুৰুষতকৈ দুৰ্ব্বল নাৰীয়ে কিদৰে সামাজিক মৰ্য্যাদা লাভ কৰিব? অসমীয়া কাব্য সাহিত্যত 'দেৱদাসী' পতিতা নাৰী সম্বন্ধে ভালেমান কবিতা ৰচিত হৈছে সঁচা, কিন্তু কাব্য শিল্পী-সকলে ঐতিহাসিক দৃষ্টিভঙ্গীৰে আৰু বাস্তৱ জীৱনৰ সমস্যাৰ মাজেৰে 'দেৱদাসী' আৰু বেশ্যাৰ জীৱন অধ্যয়ন কৰা নাই।

ভাৰতত গণিকা বৃত্তি আৰু দেৱদাসী অনুষ্ঠান অতি প্ৰাচীন। ৰজা শূদ্ৰকে মৃচ্ছকটিক নাটকত নায়িকা বসন্তসেনাক ৰাজকীয় বিলাসৰ মাজৰ পৰা উলিয়াই আনি; গুণবান, ধনহীন ব্ৰাহ্মণ সাউদ চাৰুদত্তক বসন্তসেনাক দ্বিতীয় পত্নী ৰূপে সমৰ্পণ কৰি, সামাজিক মৰ্যাদা প্ৰদান কৰিলে। সেই কালত বেশ্যা বৃত্তি ঘৃণিত নহলেও; শূদ্ৰকে সমাজৰ শ্ৰেষ্ঠ পুৰুষ এজনৰ লগত বসন্তসেনাৰ মিলন ঘটাই পতিতা নাৰীক উদ্ধাৰ কৰিছে। সেইদৰে কচু সাহিত্যিক ডষ্টভস্কিয়ে উপন্যাসৰ নায়ক ৰাস্কলনিকভৰ যোগেদিহে পতিতা চোনিয়াক উদ্ধাৰ কৰিলে। মূঠতে নিৰ্ভীক চৰিত্ৰবান পুৰুষেহে অৱহেলিতা নাৰীক পত্নীৰূপে গ্ৰহণ কৰি পতিতাক উদ্ধাৰ কৰিব পাৰে।

অসমীয়া কাব্য সাহিত্যৰ ইতিহাস চালে দেখা যায় যে, কৈবৰ্ত্ত পত্নী ৰাধিকাক শঙ্কৰদেৱেহে সমাজত উচ্চ মৰ্যাদা প্ৰদান কৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ মানস কন্যা 'তেজীমলা'ই সমাজৰ নিৰ্য্যাতন সহিব নোৱাৰি সমাজ জীৱনৰ পৰা আঁতৰি গৈ স্বামীৰ প্ৰত্যাবৰ্ত্তন অপেক্ষা কৰিলে। কিন্তু আনন্দ চন্দ্ৰ আগৰৱালাৰ 'পানেশৈ' গাভৰুৱে সাগৰত প্ৰাণ বিসৰ্জন দিলে। সেয়ে, পতিতা নাৰীক উদ্ধাৰ কৰিবৰ বাবে নাইবা পথভ্ৰষ্ট নাৰীক সামাজিক মৰ্য্যাদা দিব লাগিলে সমাজ জীৱন সংস্কাৰ হব লাগিব। এই সমাজ সংস্কাৰৰ আদৰ্শ ভাগৱতত আছে।

প্ৰগতিবাদী চিন্তাই ৰাষ্ট্ৰীয় জীৱন স্পৰ্শ কৰিব লাগিলে শিল্পীয়ে প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে দৃঢ়ভাৱে যুঁজ দিব লাগিব। শক্তিশালী ব্যক্তিত্ব সম্পন্ন কাব্য-কাৰে মাইকেল মধুসূদন দত্তৰ প্ৰমীলাৰ দৰে চৰিত্ৰ সৃষ্টি কৰিব লাগিব। প্ৰতিকূল পৰিৱেশৰ লগত দৃঢ়ভাৱে যুঁজ দিব পৰা চৰিত্ৰ স্বাধীনোত্তৰ কালৰ কাব্য শিল্পীয়ে সৃষ্টি কৰিব পৰা নাই। কবি গোহাঁয়ে পদদলিত দুৰ্বল ব্যক্তিৰ মনোবেদনা যেনেদৰে ৰূপ দিছে তেনেদৰে বহিজগতৰ সংঘাতময় জীৱনৰ চিত্ৰ আঁকিব পৰা নাই।

কবি গোহাঁয়ে সৌন্দৰ্য সাধনাৰ মাজেদি ব্যক্তিৰ আত্মোপলব্ধিৰ পথ ৰচনা কৰিছে যদিও, জীৱনৰ নানান সংঘাতৰ সন্মুখীন হৈ ব্যক্তিয়ে কিদৰে সমাজত অগ্ৰসৰ হব কোৱা নাই। গোহাঁইৰ কাব্যত কল্পনা আছে কিন্তু কাযৰ প্ৰবাহ নাই।

জীৱনৰ প্ৰকৃত পথৰ পৰা বিপথগামিনী হোৱা নাৰীৰ চৰিত্ৰৰ বিভিন্ন দিশ আলোচনা কৰি কবি গোহাঁয়ে বিপথগামী পুৰুষৰ চৰিত্ৰ বিশ্লেষণ কৰিছে 'দস্যুৰদান' কবিতাত। শিল্পী গোহাঁয়ে সমাজ জীৱনৰ বিভিন্ন অপৰাধ আৰু অপৰাধীৰ চৰিত্ৰ বিশ্লেষণ কৰি পালে যে মানবৰ হৃদয়হীনতা আৰু ধনীৰ উৎপীড়নেই সমাজৰ নিঃস্ব লোকসকলক সামাজিক জীৱনৰ শৃঙ্খলাৰ পৰা আঁতৰি যাব'ল বাধ্য কৰিছে।

মনস্তাত্ত্বিক দৃষ্টিৰে দুৰ্মুখ দস্যুৰ কাহিনীৰ মাজেদি গোহাঁয়ে দেখুৱাইছে যে, সকলো মানুহেই আত্মমৰ্যাদা ৰক্ষা কৰি পৰিমাৰ্জিত জীৱন যাপন কৰিব খোজে। কিন্তু ধনৰ প্ৰতিযোগিতাত আত্মসন্মান ৰক্ষা কৰিব নোৱাৰি সমাজৰ এৰশ্ৰেণীৰ লোক বিদ্ৰোহী হোৱা স্বাভাৱিক।

ধনীৰ ধনৰ প্ৰকোপত পাৰিবাৰিক জীৱনৰ সুখ শান্তিৰ পৰা বঞ্চিত হোৱা দুৰ্মুখে দস্যুৰ জীৱন যাপন কৰি শেষত নিজ দুহিতাৰ সতীত্ব হৰণ কৰিবলৈ আগবাঢ়োতে বিবেক উদয় হোৱাত অনুতপ্ত হৈ চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰিলে।

কবি গোহাঁয়ে সমাজ জীৱনৰ ধনী দুখীয়াৰ সংঘাতৰ চিত্ৰ আঁকিলেও, মাৰ্ক্সীয় দৰ্শনৰ শ্ৰেণী সংগ্ৰামৰ যোগেদি সামাজিক সমতা বিচৰা নাই। চন্দ্ৰকুমাৰ আগৰৱালাই 'বীণ বৰাগী' কবিতাৰ

যোগেদি সমাজ জীৱনৰ শোষণ দূৰ কৰিবৰ বাবে যি আহ্বান জনাইছে ; গোহাঁয়ে তাতে সহাঁৰি দিছে ।

শিল্পী গোহাঁয়ে 'পতিতাৰ পূজা' কবিতাত নগৰীয়া জীৱনৰ কদাকাৰ ৰূপটো আঁকিছে । কিন্তু 'দস্যুৰ দান' কবিতাত পাৰ্টীয়া যুৱক এজনক আত্ম প্ৰতিষ্ঠাৰ পথলৈ উলিয়াই আনিলে দস্যুবৃত্তিৰ যোগেদি । আধুনিক সমাজত ধনেই আত্ম প্ৰতিষ্ঠা লাভ কৰাৰ মূল। সেয়ে, দুমুখে হৃদয়ৰ সুকুমাৰ অনুভূতি সমূহ বিসজন দি নিৰ্মম ভাৱে ধন সঞ্চয় কৰিলে । কিন্তু শেষত কুকৰ্মই শীৰ্ষ পৰ্য্যায়ত উপস্থিত হোৱাত বিবেক উদয় হ'ল ।

সমাজ জীৱনৰ কেৰোণ বাৰ নিৰ্মূল কৰি প্ৰগতিশীল ৰাষ্ট্ৰ গঢ়ি তুলিবৰ বাবে শিল্পীয়ে ন ন কৌশল অৱলম্বন কৰি সত্যক ৰূপ দিব লাগিব । আধুনিক সমাজ জীৱনৰ এটা কদাকাৰ চিত্ৰ কৰি তাৰ মাজেদি ৰূপ দি গোহাঁয়ে মৌলিক চিন্তাৰ পৰিচয় দিছে।

আনন্দচন্দ্ৰ আগৰৱালাৰ 'প্ৰণয়ৰ পৰিণাম' কবিতাৰ স্মৃতি লৈ গোহাঁইৰ 'প্ৰণয়ৰ স্মৃতি' কবিতাৰ নায়িকা মাধৱীৰ পতি-ভক্তিৰ আদৰ্শ বিচাৰ কৰিলে অসমীয়া জাতীয়জীৱনত শিল্পীৰ প্ৰাণৰ যোগেদি ভাৰতীয় নাৰীৰ সতীত্বৰ আদৰ্শ প্ৰবাহিত হৈ থকা দেখা যায় ।

সাম্প্ৰতিক কালত অধিক সংখ্যক নবীন কাব্যকাৰে নতুন কবিতাত নাৰীৰ সতীত্ব তথা পতিভক্তিৰ আদশ মূল্যহীন বুলি বিবেচনা কৰা কালত গোহাঁইৰ সতী নাৰীৰ চৰিত্ৰ সৃষ্টি অন্ধ-কাৰৰ মাজত পোহৰ সদৃশ । গোহাঁইৰ কাব্যত নাৰীয়ে পোহৰ আৰু আন্ধাৰৰ মাজেদি গতি কৰিছে ।

সিদ্ধেশ্বৰ গোহাঁইৰ মানস কন্যা মাধৱীৰ সাধনাৰ যোগেদি শিল্পীৰ হৃদয়ৰ যি দৃঢ়তা প্ৰকাশ পাইছে তাৰ মূলতে হৈছে শিল্পীৰ গভীৰ জীৱনবোধ আৰু ভাৰতীয় দাৰ্শনিক চিন্তাই পৰি-পুষ্ট কৰা কবি মানস । সেয়ে, কবিয়ে সংসাৰৰ সুখ কামনা 'মৃগ-তৃষ্ণা' বুলি কব পাৰিছে ।

সংসাৰৰ মানহৰ ৰীতি-নীতি, প্ৰেম-প্ৰীতিৰ চিত্ৰ আঁকিবলৈ মানৱ জীৱনৰ পৰা আঁতৰি গৈ 'ফটাছিটা লেতেৰা লেঙ্কাকা' "পিয়লা পিৰিচ" আৰু 'হাতভগা মুৰ ছিগা গোমাৰ পুতলা' কবিতা

ৰচনা কৰিছে। তিনিটা কবিতাৰ মাজেদি গোহাঁয়ে কৈছে যে সংসাৰত এক প্ৰকাৰে মৰম স্নেহৰ মূল্য সাময়িক আৰু স্বাৰ্থ জড়িত হলেও; প্ৰেম-প্ৰীতিৰ স্মৃতিয়েই জীৱন প্ৰবাহ ৰচনা কৰিছে। মানৱ সমাজৰ মাজেদি প্ৰবাহিত বাধা বিঘিনি, অনাদৰ অৱহেলাই আপাততঃ জীৱনৰ উজ্বল ৰূপটো ঢাকি থলেও; সামগ্ৰিক ভাবে জীৱনৰ পূৰ্ণ বিকাশত সহায়ক হৈছে। সেয়ে কবি গোহাঁয়ে কৈছে—

"সংসাৰ সাগৰত বেদনাৰ নীলা ঢউবোৰ আছে বুলি সুখবোৰ সুৰদি।"

---গোলাপ আৰু কাইট --

কবি গোহাঁয়ে প্ৰেম-সৌন্দৰ্য সাধনাৰ মাজেদি মানৱ সমাজৰ তথা জাতীয় জীৱনৰ বিভিন্ন দিশত বিচৰণ কৰিছে যদিও; পূব ৰোমাণ্টিক কবি সকলৰ দৰে ৰোমাণ্টিক প্ৰেম আৰু দাম্পত্য প্ৰেমৰ মিলনৰ মাধুৰ্য ৰূপ দিব পৰা নাই।

জমিৰুদ্দিন আহমদ

জমিৰুদ্দিন আহমদৰ 'মানসী' কাব্যই (১৯৬৭) ৰোমাণ্টিক কাব্য প্ৰবাহ আৰু সমসাময়িক জাতীয় জীৱনৰ গতিশীল ৰূপটো কেনেদৰে ৰূপ দিছে; আৰু কবিয়ে কি জীৱন দৰ্শন সৃষ্টি কৰি জাতীয় জীৱন পৰিপুষ্ট কৰিছে; সম্যক ভাবে বিশ্লেষণ কৰিলেহে আহমদৰ কবি মানসৰ স্বৰূপ বুজা যাব।

আহমদে কৈছে যে, 'মানসী' কাব্যৰ বিভিন্ন কবিতা 'মিনাৰ', 'পঞ্চতন্ত্ৰ', 'পূৰ্বাকাশ,' 'মাতৃভূমি,' 'নীলাচল' আদি আলোচনী পত্ৰিকাত প্ৰকাশিত হৈছিল। তদুপৰি, কবিয়ে কৈছে--"বৰ্ত্তমান সঙ্কলনটিত কেইবাটা ডাগৰো কবিতাৰ প্ৰবেশ ঘটোৱা হৈছে। কিন্তু বিপ্লৱী কবিতা, ব্যঙ্গ কবিতা, আৰু ইতিপূৰ্বে কিতাপ আকাৰে প্ৰকাশ কৰা কোনো কবিতাক ইয়াত ঠাই দিয়া হোৱা নাই।"

কবি আহমদৰ এই উক্তিৰ সন্দৰ্ভত 'মানসী' কাব্যৰ যোগেদি প্ৰবাহিত চিন্তাধাৰাই দীৰ্ঘদিনীয়া কাব্য সাধনাৰ যোগেদি লাভ কৰা অভিজ্ঞতা বাঢ়িয়ে ব্যক্তি, সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বক কেনেদৰে কি কৌশলেৰে সামৰি লৈছে বিচাৰ্য। শিল্পীয়ে শিল্পসাধনাৰ ব্যাপকতা

আৰু গভীৰতাৰ যোগেদি সংসাৰ সমুদ্ৰৰ পৰা জ্ঞান মাণিক উদ্ধাৰ কৰি সমাজ জীৱনক প্ৰগতিৰ পথ প্ৰদৰ্শন কৰিব পৰাতেই কলাকাৰৰ প্ৰগতিবাদী চিন্তাৰ পৰিচয়।

কবি আহমদৰ 'মানসী' কাব্যত 'কেইবাটা ভাগৰ' কবিতা থাকিলেও কাব্যৰ আদি-মধ্য-অন্তৰ বিচাৰ কৰিলে চিন্তাৰ ঐক্য প্ৰবাহিত হোৱা দেখা যায়। কবি আহমদে কৈছে---

"যদি ভৰি যায় হিয়াৰ আকাশ
প্ৰণয়ৰ জেউতিৰে,,
জীৱন মৰুও সেউজীয়া হয়
গোলাপে উপচি পৰে।"

কবিয়ে হৃদয় আকাশৰ প্ৰণয়ৰ জেউতি বিলাই জীৱন মৰু সেউজীয়া কৰি গোলাপেৰে পৰিপূৰ্ন কৰিবলৈ সংকল্প লৈ কাব্যৰ পাতনি মেলি কৈছে যে; বিংশ শতিকাৰ বিজ্ঞানৰ সাধনাই মনৰক শান্তিৰ পথ দেখুৱাব পৰা নাই। সেয়ে জ্ঞানৰ সাধনা এৰি "প্ৰণয়ৰ গান'' গাই শান্তি লাভ কৰাই শ্ৰেয়।

কিয়নো, কবিয়ে সমগ্ৰ পৃথিৱীখন পৰ্যটন কৰি দেখিবলৈ পালে যে 'বৈজ্ঞানিকৰ লাওখোলাটোক কুকুৰে চেলেকিনি খাব লাগিছে।' বিংশ শতিকাৰ বিজ্ঞানৰ সাধনাই মানৱ সমাজত বস্তুবাদী সভ্যতাৰ নতুন দিগন্ত মুকলি কৰি এটা দিশত বিশ্বত মানৱৰ শান্তি বিপন্ন কৰি তুলিলেও, মানৱ সমাজত জ্ঞান প্ৰচাৰ কাৰ্যত বিজ্ঞানে যি বৰঙণি আগবঢ়াইছে তাৰ দ্বাৰাই মানৱ সমাজৰ সভ্যতা-সংস্কৃতিয়ে এটা নতুন দিশত ধাবমান হৈছে।

কবি আহমদে মৰুৰ বুকু গোলাপেৰে ওপচাই পেলাব খোজে। কিন্তু বৈজ্ঞানিকৰ মৰুভূমি জয়ৰ প্ৰচেষ্টাক আদৰণি জনোৱা নাই। আধুনিক বিজ্ঞানৰ ন ন গৱেষণাই মৰুভূমিৰ বুকুত যি সেউজীয়া বিপ্লৱ সৃষ্টি কৰিছে, কবি আহমদে সেই বিপ্লৱলৈ দৃষ্টি পাত কৰা নাই। সমসাময়িক কবি বীৰেন বৰকটকীয়ে 'ৰাজপুতনা' কবিতাত কৈছে --

'কিন্তু যিদিনা
বালিৰ পাহাৰ ভাঙি
মানুহৰ প্ৰাণে গঢ়া
বই যাব শত গঙ্গা যমুনাৰ ধাৰ
সেইদিনা সৃষ্টি হব
ৰাজ পুতনাৰ ওপত বাজিত
অনাদি যুগৰ বাবে শত মৰুদ্যান।"

শিল্পী আহমদৰ প্ৰণয় কাব্যৰ ৰস মৰুৰ মাজত নিঃশেষ হৈ যায়। সেয়ে আহমদে 'প্ৰান্ত' ত বিচাৰিছে—"মৰুৰ মাজৰ শ্ৰান্ত পথিক ক্লান্তিৰে দেহ ভৰা।" বৰকটকীয় মৰুৰ মাজত অনাদি দিনৰ সুখৰ সপোন বচি চন্দ্ৰকুমাৰ আগৰৱালাৰ সুৰতে সুৰ মিলাই 'অজেয়' মানৱৰ বিজয়ৰ অভিযানক আহ্বান জনাইছে; কিন্তু 'মৰুৰ মাজৰ ক্লান্ত পথিক' আহমদে অসমীয়া কাব্যৰ অৱসাদ ৰোগগ্ৰস্ত কাব্যকাৰ সকলৰ সুৰতে সুৰ মিলাইছে। মৰুৰ মাজত গোলাপৰ সৌন্দৰ্য উপভোগ কৰা আৰু ক্ষুধাতুৰ লোকৰ ক্ষুধা নিবাৰণৰ উপায় বিচাৰি পোৱাই মাত্ৰ লক্ষ্য।

আধুনিক সমাজ জীৱন বিকাশৰ বাবে বিজ্ঞান আৰু শিল্প-বাণিজ্যৰ সম্প্ৰসাৰণৰ কালত আৰু বিশেষকৈ অসমীয়া জাতীয় জীৱনৰ সৰ্ব্বাংগীণ উন্নতিৰ প্ৰয়োজনৰ কালত; শিল্পীয়ে ব্যক্তি জীৱনৰ ব্যৱহাৰিক আৰু পৰমাৰ্থিক সমতা গঢ়ি তোলাৰ বাবে প্ৰেৰণা যোগোৱা প্ৰয়োজন। সেয়ে বিশ্বৰ চিন্তাধাৰা অসমীয়া কাব্য জগতত প্ৰবাহিত কৰি জাতীয় সংস্কৃতিৰ সমুজ্জল ৰূপ সৃষ্টিৰ বাবে শিল্পীক সাহসী মনোভাব লাগে। আহমদৰ কাব্যত মানুহৰ মনৰ ভীৰুতা দূৰ কৰিব পৰা প্ৰেৰণা নাই; নাইবা আহমদৰ কবি মানসত ওপজা আধুনিক জীৱনৰ জটিলতা আৰু ৰহস্যময় সৌন্দৰ্য উপলব্ধিৰ যোগে চিত্তৰ সন্তুষ্টি লাভ কৰিব পৰা প্ৰেৰণা নাই।

কবি আহমদে মৰুভূমিৰ বুকুত বিচৰণ কৰি ক্লান্তি অনুভৱ কৰিলেও; সিদ্ধাৰ্থ গোহাঁইৰ 'মৃগতৃষ্ণা' কবিতাৰ মুক্তি স্পৃহা জাগি উঠা নাই, নাইবা বীৰেন বৰকটকীৰ 'ৰাজপুতনা' কবিতাৰ বাস্তৱবাদী দৃষ্টি ভঙ্গীও প্ৰকাশ পোৱা নাই।

মৰুভূমিৰ দৃশ্য সৃষ্টিকাৰী কাব্যকাৰ আহমদ সিদ্ধাৰ্থ গোহাঁই আৰু বীৰেন বৰকটকীৰ কবিতাৰ তুলনা মূলক আলোচনা কৰিলে দেখা যায় যে, আহমদে সংশয়ৰ সন্মুখীন হৈ 'মৰুপথিক' কবিতাত কৈছে—

> "দৃষ্টি ধূসৰ তপত বালি
> সুৰুযে মিলিছে প্ৰখৰ তাপ
> তপত খোলাত ভজাত পুঠি যেন
> পথটো সুৰুয অভিশাপ।"
> —মৰু পথিক—

কবি আহমদে ভাৰতীয় দৰ্শনৰ চিন্তাধাৰাৰ সোঁতত উঠি যে জগত আৰু জীৱনৰ অনিত্যতা প্ৰচাৰ কৰিছে যদিও, অনিত্য সংসাৰত মানৱ জীৱনৰ কৰ্তব্য কি; না'ইবা সংসাৰী মানুহে কিদৰে সুখে সন্তোষে কাল কটাব পাৰে, এই বিষয়ে স্পষ্টভাৱে সুখী জীৱনৰ আদৰ্শ ৰূপ দিয়া নাই।

আহমদে 'নতুনৰ নৱ আৱাহন' কবিতাত আৰু অন্যান্য কবিতাতো নতুনক আদৰণি জনাই ছু সঁচা; কিন্তু নতুন সমাজ ব্যৱস্থাত বিজ্ঞানে আৰু কলাৰ তথা বিভিন্ন জ্ঞান বিকাশৰ যোগে ব্যক্তি আৰু সমাজ কিদৰে গতি কৰিব কোনো উল্লেখ কৰা নাই।

'মানসী' কাব্যত কবিয়ে প্ৰাচীন আধুনিক গীতিকাৰ পৰম্পৰা ৰক্ষা কৰি 'ধনৰায়-পদুমী', 'মধুমালা' 'তাজমহলৰ মতিৰ ফুল', মোহনৰ পমিলী হেৰাল' 'মধুমালতী' আদি গীতিকা সমূহ ৰচনা কৰিছে। 'প্ৰণয়ৰ জেউতিৰ' আলোক মালাৰ যোগেদি কবি আহমদে পাগলা দিয়া, লুইত আদি নদীৰ পটভূমিত প্ৰেম বিৰহ বেদনাৰে পৰিপূৰ্ণ গীতিকা ৰচনা কৰি ৰোমাণ্টিক কাব্যৰ ধাৰাটো প্ৰবাহিত কৰিছে।

শিল্পী আহমদৰ কাব্যৰ মাজেদি এটি গভীৰ বিষাদ বেদনা প্ৰবাহিত হৈ আছে যদিও; গাৱঁলীয়া গাভৰু মধু-মালতীৰ হিয়াৰ উলহ-মালহে আৰু মধু-মালতীৰ সুখী দাম্পত্য জীৱনে গীতিকাৰ কৰুণ বেদনাৰ মাজত শিল্পীৰ হৃদয়ৰ বিষাদ সাময়িক ভাৱেদূৰ কৰিছে।

সাম্প্ৰতিক কালৰ কাব্যত গাৱঁলীয়া জীৱনৰ চিত্ৰ অঁকা কবি মহেন্দ্ৰ বৰাৰ 'চিনাকি গাঁৱৰ বাট' কবিতাৰ গাওঁখন অচিনাকি হৈ ৰল; কিন্তু জমিৰ উদ্দিন আহমদৰ অচিনাকি অপৰিচিত গাঁৱখন মধু-মালতীৰ যোগেদি চিনাকি হ'ল। বৰা আৰু আহমদে গাৱঁলীয়া জীৱনৰ মাধুৰ্য্য দেখা পাইছে; কিন্তু অমলেন্দু গুহই 'গাৱঁৰ চিঠি' কবিতাত ৰাজনীতিয়ে গাৱঁলীয়া জীৱন বিষাক্ত কৰাহে দেখিছে।

আনন্দচন্দ্ৰ আগৰৱালাৰ 'আমাৰ গাওঁ' কবিতাৰ গাৱঁলীয়া জীৱনৰ মাধুৰ্য, আৰু বেজবৰুৱাৰ গাঁৱলীয়া জীৱনৰ চিত্ৰ পৰিবৰ্ত্তন হলেও, স্বাধীনোত্তৰ কালৰ অসমীয়া কবি মানসত গাৱঁলীয়া জীৱনৰ চিত্ৰটো ৰূপ উদয় হৈছে তাৰ মাজেদি গ্ৰাম্য জীৱনৰ সামগ্ৰিক চিত্ৰ প্ৰকাশ পাইছে।

কবীন্দ্র ৰবীন্দ্রনাথে কাব্যৰ উপেক্ষিতা উর্মিলাৰ প্রতি সহানুভূতি দেখুৱাৰ দৰে আহমদেও 'তাজমহলৰ মতিৰ ফুল' কবিতাত তাজমহৰ কাৰিকৰ ফিৰোজ আৰু হাচিনা বানুৰ প্রেম বিৰহৰ চিত্র আঁকি সাধাৰণ জীৱনৰ মহত্ত্ব প্রকাশ কৰিছে। আহমদে কৈছে

"চাহজাহানৰ প্রণয়ৰ যশ কতনা কৰিয়ে গালে
সেই ফিৰোজৰচকুলো টুপিৰ অঁাচটিও জানো
কোনোৱে পালে।"

শিল্পী আহমদৰ হৃদয়ত চাহজাহানৰ প্রেম প্রীতি আৰু ফিৰোজ হাচিনাৰ প্রেম প্রীতি একেটা সুঁতীতে লীন হলেও ফিৰোজৰ স্মৃতিত কৰিয়ে চকুলো টুকিছে।

আহমদৰ কাব্য সমূহৰ তত্ত্ব আৰু জীৱন তত্ত্ব আলোচনা কৰিলে দেখা যায় যে, অসম কেশৰী অম্বিকা গিৰীৰ প্রেৰণাত উদ্বুদ্ধ হৈ কবি আহমদে 'বুকুৰ জুই' (১৯৪৮) সাৰটি লৈ কৈছিল—

"আঘাত হানিছা তুমি মোৰ ওপৰত
তীব্র অপমান?
ই নোহে আঘাত, মোৰ পথৰ সম্বল
তুমি দিয়া দান।।"

অগ্নিশিখা উৰ্দ্ধমুখী হৈ হৃদয়ত নিৰ্বাপিত নোহোৱাকৈ থকা অৱস্থাত কবিৰ অন্তৰাত্মা শক্তিৰ আলোকিত হৈ শিৱ শক্তিৰ মিলন ভূমি হৈছিল। সেয়ে, 'বুকুৰ জুই' (১৮৪৮) কাব্যই মানৱ সমাজ আৰু ভাৰতৰ জাতীয় জীৱনত দেখা দিয়া গ্লানিবোৰ ধুই নিকা কৰিবৰ বাবে প্রয়াস কৰিছিল। কিন্তু 'অগ্নিযুগৰ ফিৰিঙতি' ৰ দাহিকা শক্তি কুৰি বছৰৰ অন্তত লুপ্ত হোৱাত কবিৰ অন্তৰাত্মাই আত্মবিশ্বাস হেৰুৱাই পেলালে। শিল্পী আহমদৰ বুকুৰ জুইৰ অংশোকমালা বিস্তাৰিত হৈ অসমৰ কেশৰীৰ দৰে নাইবা অগ্নি কবি প্রসন্নলাল চৌধুৰীৰ দৰে অসমৰ জাতীয় জীৱনত শক্তি সঞ্চাৰ কৰিবলৈ ব্যৰ্থহোৱাৰ কাৰণ কি?

কবি আহমদৰ কাব্য সাধনাৰ প্রধান সম্বল হৈছে নাৰীৰ প্রেম। অম্বিকাগিৰীয়ে কৰ্মজ্ঞান ভক্তিৰ আদৰ্শক সাৰথি লৈ নাৰীৰ প্রেমৰ প্রেৰণাৰ যোগেদি আধ্যাত্মিকতাৰ শীৰ্ষ স্থানত উপনীত হৈ 'কৰ্মদেৱ'

আৰু 'মানৱ দেৱতা'ৰ পূজা প্ৰতিষ্ঠা কৰিলে। কিন্তু আহমদে শিল্প-সাধনাৰ সমল বিচাৰি নাৰীৰ প্ৰেমৰ যোগেদি ভগৱৎ প্ৰেমৰ ৰসাস্বাদন নকৰিলে। আহমদৰ প্ৰেম কাব্যত তীব্ৰ ইন্দ্ৰিয় কাতৰতা নাই সঁচা; কিন্তু অতীন্দ্ৰিয় প্ৰেমৰ যোগেদি আত্ম সাক্ষাৎকাৰ হবলৈ যি দৃঢ়তা লাগে সেই দৃঢ়তা পৰৱৰ্তী জীৱনত ৰক্ষা কৰিব নোৱাৰিলে। ৰোমাণ্টিক প্ৰেম স্তৰে স্তৰে বিকাশ প্ৰাপ্ত হৈ পূৰ্ণানন্দত পৰি সমাপ্তি নোহোৱা বাবে সাময়িক ভাবে জ্বলি উঠা 'বুকুৰ জুই' নুমাই গ'ল।

আহমদে 'তীব্ৰ অপমান' 'পথৰ সম্বল' কৰি জীৱন পথত অগ্ৰসৰ হবলৈ প্ৰস্তুতি চলাই মানৱ প্ৰেমৰ তথা দেশ প্ৰেমৰ মাজেদি আত্ম প্ৰকাশ কৰিবলৈ সংকল্প কৰিলে। কিন্তু, জীৱন সংগ্ৰামৰ সন্মুখীন হবলৈ যি অভিজ্ঞতা লাগে নাইবা যি সুগভীৰ মানৱ প্ৰেম লাগে, সেই শক্তি আহমদৰ হৃদয়ত নোহোৱা বাবে 'ব্যথাৰ দান' (১৯৪৯), 'ভিখাৰী' 'মৰমী' (১৯৫১) আদি কাব্যত নাৰীৰ প্ৰেমত আৰু আৰ্থিক অনাটনত পীড়িত হৈ শোকাকুল অৱস্থাত পৰি সাময়িক ভাবে লাভ কৰা সংগ্ৰামী শক্তি ৰক্ষা কৰিব নোৱাৰিলে। সেয়ে, কোনো স্পষ্ট আদৰ্শৰ মাজেদি জীৱনৰ অভিজ্ঞতাই কৰি আহমদৰ হৃদয় জাগ্ৰত নকৰা বাবে সুদীৰ্ঘকাল কাব্য সাধনা কৰিও বিক্ষিপ্ত ভাব দূৰ কৰিব নোৱাৰিলে।

'বুকুৰ জুই' কাব্যত ভাৰতীয় জাতীয় জীৱনৰ যি চেতনা উদয় হৈছিল 'মানসী' কাব্যত সেই জাতীয় চেতনা প্ৰবাহিত নহল। তদুপৰি, 'ৰক্তোন্মাদ ধৰ্মবাদীৰ প্ৰতি' কবিতাত শিল্পী আহমদে ধৰ্ম-তত্ত্বৰ মাজত প্ৰবেশ কৰাৰ চেষ্টা কৰি ধৰ্মৰ আৰু মানৱতাৰ সমন্বয় সাধনৰ যোগে এটা বিশাল ভাব কাব্যত প্ৰবাহিত কৰাৰ বাবে যত্নপৰ হৈছিল। কিন্তু তাত্ত্বিক জ্ঞানৰ অভাৱ হেতুকে 'আত্মাৰ স্ফুৰণ' কামী কবি আহমদে আত্মজ্ঞানৰ যোগে দৃঢ়তা লাভ কৰিবলৈ সমৰ্থ নহল।

আহমদৰ কাব্য প্ৰবাহত বিহগী কবি ৰঘুনাথ চৌধুৰীৰ প্ৰভাৱো লক্ষ্য কৰা দেখা যায়। সেয়ে ৰঘুনাথ চৌধুৰীৰ দৰে সংশয়-মুক্ত হৈ মানৱ জীৱনৰ পূৰ্ণৰূপ দেখা নাপালে। আহমদে প্ৰেম কাব্যৰ সাধনা কৰিলেও ৰোমাণ্টিক প্ৰেম অসীমৰ সৌন্দৰ্য সাধনৰ মাজলৈ প্ৰবাহিত কৰি গতিশীল আদৰ্শ সৃষ্টি কৰিব নোৱাৰিলে।

আহমদৰ কবি প্ৰতিভা শক্তিশালী ভাবে উদ্ৰেক হৈছিল যদিও; এই কবি প্ৰতিভাই ক্ষিপ্ৰ গতিৰে তত্ত্বজ্ঞানেৰে গভীৰ অসীম প্ৰীতিৰ মাজেদি পাৰ্থিব-অপাৰ্থিব সৌন্দৰ্যবোধক কেন্দ্ৰ কৰি বিকাশিত নোহোৱা বাবে 'বুকুৰ জুই' কাব্যৰ সমাধি ৰচিত হৈছে 'মানসী' কাব্যত।

আহমদৰ 'মানসী' কাব্যত ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱনৰ প্ৰতিচ্ছবি আছে যদিও, ক্ষুদ্ৰ মানৱক প্ৰগতিৰ পথ দেখুৱাব পৰা আদৰ্শ নাই। সৌন্দৰ্য সাধনা সমাজ জীৱনৰ গভীৰতাক কেন্দ্ৰ কৰি গঢ় নললে শিল্পীৰ মন বিষাদ যুক্ত হয়।

সেয়ে, আধুনিক সভ্যতা আৰু সংস্কৃতিৰ সাধনাৰ মাজেদি ব্যক্তি আৰু সমাজ জীৱনত সত্য অন্বেষণ কৰি; জাতীয় জীৱন পৰিপুষ্ট কৰাত ব্যৰ্থ হোৱা কবি আহমদে বিশ্বমানৱৰ যুদ্ধ আৰু শান্তিৰ সমস্যা সমাধান কৰিব'লৈ অগ্ৰসৰ হোৱা বিভ্ৰান্তিকৰ। কবি আহমদে বিশ্বৰ ইতিহাস অধ্যয়ন কৰি সমসাময়িক বিশ্বৰ সন্মুখত দেখা দিয়া যুদ্ধ আৰু শান্তিৰ বিষয়ে চিন্তা কৰিছে। কিন্তু কবিৰ কল্পনাৰ 'মানুহৰ দেশ' গঢ়িব'লৈ আৰু ব্যক্তি আৰু সমাজক অনু-প্ৰাণিত কৰিবলৈ যি প্ৰভাৱশালী ব্যক্তিত্ব লাগে 'মানসী' কাব্যত কবিৰ সেই ব্যক্তিত্ব নাই।

শিল্পীয়ে পাঠকৰ অন্তৰ স্পৰ্শ কৰি মহান আদৰ্শৰ দ্বাৰা ক্ষুদ্ৰ মানৱক বিশ্ব মানৱৰ চিন্তালৈ আগবঢ়াই নিব লাগিলে; বিশ্বৰ বিভিন্ন সংস্কৃতিক মানৱ সংস্কৃতিৰ পৰ্যায়লৈ অৰ্থাৎ দিক-কালৰ উৰ্দ্ধলৈ নিব লাগিব; শিল্পীৰ অন্তৰ অসীম প্ৰেৰণাৰ স্থলী হব লাগিব। কিন্তু, কবি আহমদে যেতিয়া কয়—

"মোৰ ভীৰু হিয়া
ভয়ে ভয়ে চতুৰ্দিকে চাওঁ,
ভয়ে ভয়ে খোজ দিওঁ।"

——মৰণ যাত্ৰী——

তেতিয়া সচাঁকৈয়ে আধুনিক বিশ্বমানৱৰ সমস্যা সমাধান কৰিবলৈ আগবঢ়া ভীৰু কবিৰ প্ৰতি পুতৌ ওপজে। জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা অসমীয়া জাতিয়ে কাব্যকাৰ সকলৰ পৰা সাহসী প্ৰেৰণাহে বিচাৰে। বিষাদ যুক্ত ভত্ত্ব জ্ঞানহীন কলাকাৰৰ মানৱপ্ৰেম প্ৰেৰণা-বিহীন।

নিত্যাদত্ত

নিত্যাদত্তৰ 'এমুঠি নিয়ৰ কাব্য' (১৯৬৮) স্বাধীনতাৰ পৰৱৰ্তী ৰচনা। কাব্যখনত সংযোগ কৰা টোকাত উল্লেখ কৰা মতে দত্তৰ কাব্য সাধনা দীঘ দিনীয়া। সেয়ে সুদীঘ কালৰ কাব্য সাধনাৰ যোগেদি লাভ কৰা গভীৰ জ্ঞান ৰাজি আৰু আনন্দ প্ৰবাহ কেনেদৰে অসমীয়া জাতীয় জীৱনক কেন্দ্ৰ কৰি ৰূপ দিছে, বিচাৰ কৰিলে দত্তৰ চিন্তা, কল্পনা আৰু জীৱনবোধৰ পৰিচয় পোৱা যাব।

দত্তৰ 'এমুঠি পুৱাৰ নিয়ৰ' কাব্যত অসমীয়া জাতীয় জীৱনৰ প্ৰগতিবাদী কাব্য প্ৰবাহৰ ধাৰা বিচাৰি দেৱকান্ত বৰুৱাৰ ভাষাৰে কবলৈ গলে 'কিদৰে কৰিবা বাৰু এটোপাল নিয়ৰেৰে সাগৰৰ বিস্তৃতি প্ৰমাণ ? অসমীয়া কাব্য সমুদ্ৰৰ ৰস ধাৰাত যি 'অমৃত গৰল' সৃষ্টি হল দত্তই তাৰ পৰা এমুঠি গৰল গ্ৰহণ কৰিলে। সেয়ে, দত্তই নিয়ৰৰ যোগেদি এমুঠি গৰলৰ তৰঙ্গহে অসমীয়া জাতীয় জীৱনলৈ আগবঢাইছে।

ৰাজতন্ত্ৰৰ দিনত শৰাইঘাটৰ যুদ্ধত বীৰ লাচিতে মোগল সেনা পতি ৰামসিংহলৈ অসমীয়া সৈনিকৰ শক্তি বুজাবলৈ বালি এটোপোলা পঠাইছিল। লুইতৰ পাৰৰ এটোপোলা বালিয়ে জাতিৰ জীৱনৰ এছোৱা কালত শক্তিৰ উদ্ৰেক কৰিছিল। কিন্তু বিংশ শতিকাৰ শেষাৰ্দ্ধত লুইতৰ পাৰৰ বালিত অসমীয়া কবিয়ে 'এমুঠি পুৱাৰ নিয়ৰ' চকুত সানি এই শক্তিৰ সৃষ্টি কৰিবনে ? বীৰ লাচিতে জাতীয় জীৱনৰ যি প্ৰতীক সৃষ্টি কৰিছিল বিংশ শতিকাৰ কলাকাৰে এই আদৰ্শ ৰক্ষা কৰা নাই।

ৰাতিটোৰ ভিতৰতে গড় সাজি, বালিৰ টোপোলাৰ বোজা কঢ়িওৱা ৰণুৱাই সকল শৰীৰত লুইতৰ পাৰৰ বালি সানি লৈ স্বাধীনতা ৰক্ষা কৰিছিল। কিন্তু, সাম্প্ৰতিক কালৰ কবিয়ে 'অচিন পাহাৰৰ অন্ধকাৰত সৰি পৰা এমুঠি পুৱাৰ নিয়ৰ' ছটিয়াই দি জাতিক প্ৰগতিৰ পথ দেখুৱাবলৈ অগ্ৰসৰ হৈছে। এই শ্ৰেণীৰ কবিয়ে 'গড়া মোক্ষ কৰি খাণ্ডু দাৰ' বুলি শক্তিৰ সাধনা কৰি লাচিতৰ ৰণুৱাৰ দৰে মৰ্যা- দত বালি সানি লবৰ প্ৰেৰণা নাপায়। এওঁলোক বাস্তৱ বিমুখ।

'অচিন পাহাৰৰ অন্ধকাৰৰ' পৰা নিয়ৰ বুটলি কবলৈ যোৱা কবিক অতুল হাজৰিকাই সকিয়াই দিছে।

"দেও লগা ফুল
নাই জাত কুল,
বাহিৰে মোহিনী, ভিতৰে শাঁখিনী
ৰূপতে নেযাবি ভোল।"

বাস্তব আৰু আধ্যাত্মিক জ্ঞান সম্পন্ন ঐতিহাসিক চেতনা যুক্ত কলাকাৰ সকলেহে কাব্য সমুদ্রত উত্তাল তৰঙ্গ মালাৰ সৌন্দয দেখে। কিন্তু বালিত ননমা সাগৰৰ ঢৌ দেখি ভীতি বিহ্বল হোৱা কবিয়ে নিয়ৰত স্নান কৰিয়ে আত্ম প্ৰসাদ লাভ কৰি প্ৰতিক্ৰিয়াশীল ভাব সৃষ্টি কৰে।

দত্তৰ কাব্যত সংযোগ কৰা টোকাত কোৱা হৈছে যে "যোৱা একদশকতকৈ অধিক কাল নিত্যাদত্তই কবিতা চৰ্চাৰ জৰীয়তে অসমীয়া সাহিত্যলৈ অৰিহণা যোগাই আহিছে।" এই উক্তিৰে চালে স্বাধীনতাৰ পৰৱৰ্তী কালৰে পৰা কাব্য কলাৰ সেৱা কৰি থাকিও দত্তই চীনৰ আক্ৰমণৰ (১৯৬২) কালত নাইবা পৰৱৰ্তী কালতো অসমীয়া জাতীয় জীৱনৰ সংঘাতৰ মাজ'ল সোমোৱা নাই। শিল্পী দত্তই 'একুৰা জুই' বুকুত লৈ দিখৌৰ পাৰৰ কহুৱাৰ মাজত 'সেয়া কিহৰ শব্দ' বুলি ঘূৰি ফুৰিছে সচাঁ; কিন্তু তেজৰ প্ৰবাহত 'তামৰঙী সাপৰ' বেদনা' অনুভৱ কৰি থকা বাবে অসমীয়া জাতীয় জীৱনৰ গভীৰতাৰ মাজতে প্ৰবেশ কৰিব নোৱাৰিলে; কেবল অন্ধকাৰ পাহাৰত নিয়ৰ বিচাৰিয়ে থাকিল। প্ৰবীণ কাব্যকাৰ সকলৰ আদৰ্শেৰে ৰিজালে স্বাধীনতাৰ পৰৱৰ্তী কালৰ নবীন কলাকাৰ সকলৰ অধিকাংশৰ কাব্য সাধনা 'খৰাং বতৰৰ তৰাং' পানীৰ প্ৰবাহ মাথোন।

'আৰু কি নৈশব্দ' কাব্যৰ কলাকাৰ ফুকনৰ হৃদয়ত ফুলি থকা গোলাপ জোপাত আশ্ৰয় কৰি 'একুৰা জুই' জ্বলি থকাৰ দৰে নিত্যাদত্তৰ হৃদয়তো জুই জ্বলি আছে; সেইদৰে ফুকনৰ তেজত অসংখ্য বিষাক্ত সাপ বগাই থকাৰ দৰে দত্তৰো তেজৰ প্ৰবাহত 'তামৰঙী' সাপৰ স্থিতি আছে।

ভাৰতৰ আধ্যাত্মিক জীৱনৰ পৰা সৰ্প বিষ দূৰ কৰিবৰ বাবে ভগবান কৃষ্ণই সহস্ৰফণা যুক্ত কালিনাগক নৃত্য কলাৰ দ্বাৰাই দমন কৰি ব্ৰজবাসীক অভয় দান কৰিছিল। সেইদৰে, স্বাধীনতাৰ পৰৱৰ্তী কালত প্ৰবাহিত হোৱা অসমীয়া কাব্যকলাৰ অমৃতৰ প্ৰবাহে সৰ্পভয় দূৰ কৰিবৰ বাবে ধনন্তৰীৰ শক্তিশালী মন্ত্ৰ তৰঙ্গিত কৰিছে।

সাম্প্ৰতিক কালৰ কাব্য জগতত প্ৰবেশ কৰা সৰ্পৰ গতি আৰু সৰ্পদংশনৰ বেদনাৰ বিননিৰ ধ্বনি শুনি হোমেন বৰগোহাঞিৰ 'সাপ' কবিতাত প্ৰবেশ কৰিলে ফুকন-দত্তৰ বেদনা পোৱা নাযায়। বৰগোহাঞিয়ে 'মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' দেখি বেদনা মুক্ত হৈ আধ্যাত্মিক সঙ্কট মুক্ত অৱস্থাত কৈছে—

'অনুভব হয় মুক্তিৰ বিপুল আনন্দ' বৰগোহাঞিৰ কবিতাত মুক্তিৰ আনন্দ আৰু শক্তিৰ প্ৰতীক সাপে অন্ধকাৰ জীৱনৰ মাজেদি যি গতিশীল ভাব সৃষ্টি কৰিছে তাৰ মাজেদি অসমীয়া কাব্যৰ সৰ্প কেন্দ্ৰিক আনন্দ বিষাদৰ ধাৰা মিলন হৈছে। ফুকন-দত্তই হৃদয়ত সাপ পুহি ৰাখিছে; কিন্তু বৰগোহাঞিয়ে সেই সাপৰ সৌন্দৰ্যৰ মাজেদি অদ্ভুত ৰস উপলব্ধি কৰিছে; সপোন বাস্তৱৰ সমন্বয়ত।

দত্তৰ কবি মানসৰ 'প্ৰস্তুতি' আৰম্ভ হৈছে অন্ধকাৰে আবৃত তমো গুণৰ মাজেদি। 'গীতাত' কোৱা হৈছে—"জ্ঞানমাবৃত্য তু তমঃ প্ৰমাদে সঞ্জয়ত্যুত।" তমো গুণে চিত্ত বিমোহিত কৰি সত্ত্ব গুণৰ প্ৰকাশিকা নিৰ্মল শক্তি দূৰীভূত কৰা বাবে; জগত আৰু জীৱনৰ স্পষ্ট ৰূপে শিল্পী দত্তৰ চিত্ত আলোকিত কৰা নাই। সেয়ে পৃথিৱীৰ দিশে দিশে 'উদ্যত হাতুৰীৰ আঘাতত গঢ়া এক নতুন পৃথিৱীৰ 'গোপন ইঙ্গিত পায়ো কেৱল ব্যৰ্থতাহে দেখিছে। 'তামৰঙী' সাপৰ লগত খেলা কৰা কবি দত্তই সৰ্পৰাজ বাসুকিৰ 'অদৃশ্য' দৃশ্যৰ দৃশ্যমান ৰূপ অঙ্কন কৰি ব্যৰ্থতা দূৰ কৰিবলৈ জ্ঞানৰ সাধনা নকৰিলে।

ৰাতিপুৱাৰ লগে লগে সূৰ্যোদয়ে জগতৰ অন্ধকাৰ দূৰ কৰি নিশাৰ নিজৰৰ চৌপালবোৰ শুকাই পেলায়। কিন্তু যেতিয়া 'অন্ধ উপমা'ৰ যোগেদি কাব্য কলাৰ সাধনা কৰা কবি সম্প্ৰদায়ে 'এমুঠি নিয়ৰ' চকুত সানি দিখৌৰ পাৰত পোৱা নোপোৱাৰ বেদনা সাৱটি লৈ সৃষ্টিজীৱনৰ ৰূপ চাবলৈ নাইবা পৃথিৱীৰ যুদ্ধ শান্তিৰ সমস্যা সমাধানৰ প্ৰতি চিন্তা কৰে তেতিয়া এই কবি সম্প্ৰদায়ৰ আত্ম প্ৰৱঞ্চনাহে প্ৰকাশ পায়।

কবি দত্তই 'দিখৌৰ সোঁতত যোৱা ভটীয়নী বল পোৱা' যাৰ নাৱৰ পৰা শক্তি লাভ কৰিব নোৱাৰিলে; কিন্তু কলংপৰীয়া কবি-হৃদয়ৰ বেদনাত উঠি গৈ সমগ্র পৃথিবীখন পৰ্য্যটন কৰি আহি অসমীয়া কাব্যমোদী পাঠকক কলে—

"পৰি ৰব মাথোঁ এখন
শস্যহীনা অনুৰ্ব্বৰা পৃথিবী।"

কবি দত্তই 'অহল্যা পৃথিবী' 'বন্ধ্যা পৃথিবী' ভাবধাৰাৰ লগতে সুৰ মিলাই বন্দী আত্মাৰ্ত বিশ্বৰ যি ৰূপ দেখা পালে তাত 'বিশ্বৰ জগত যত ভাবৰ বন্ধন, সেয়ে মোৰ জীৱনৰ ধৰ্ম সনাতন' ধ্বনি নাই। সেয়ে কবি দত্তই আত্মাক বন্দীশালৰ পৰা মুক্ত কৰি অসমীয়া জাতিক মুক্ত প্ৰাণৰ আস্বাদ দিব নোৱাৰিলে। কবিৰ চিত্ত সত্য-শিৱ-সুন্দৰৰ আৰাধনাৰ দ্বাৰা পৰিতৃপ্ত হলেহে শিল্পীয়ে শান্ত সমাহিত চিত্তে কলাৰ সাধনা কৰি জাতিৰ জীৱন শক্তিশালী কৰিব পাৰে। দুৰ্বল ব্যক্তিৰ নাইবা জাতিৰ বিশ্বৰ দৰবাৰত স্থান নাই।

বিশ্বৰ ৰাজনীতিত যিদৰে দুৰ্বল জাতিয় শান্তিৰ বাণী প্ৰচাৰ কৰিবলৈ গৈ হাঁহিয়াতৰ পাত্ৰ হয়, সেইদৰে অসমৰ জাতীয় জীৱনৰ গভীৰ পৰিচয় নথকা নাইবা ভাৰতীয় দাৰ্শনিক চিন্তাৰে পৰিপুষ্ট নোহোৱা আত্মজ্ঞান হীন কবি সম্প্ৰদায়ে লুইতৰ পাৰত বিশ্বৰ শান্তিৰ বাণী প্ৰচাৰ কৰা কাৰ্য্য বিভ্ৰান্তিকৰ।

অসম তথা ভাৰতৰ সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱন শক্তিশালী হবলৈ হলে কলাকাৰে চিত্ত শুদ্ধ কৰি 'অ' মোৰ আপোনাৰ দেশ'ৰ প্ৰাণ নিগৰি পৰা পৱিত্ৰতা কাব্যৰ মাজলৈ আনিব লাগিব। যি জন বৰাগীয়ে 'অসমা সুষমা' বুলি বন্দী আত্মাক মুক্ত কৰি কব পাৰে 'মোৰেই মুখেদি মানৱ প্ৰাণৰ ফুটক আকুল মাত' সেইজন শিল্পীৰ মুখত হে বিশ্বৰ চিন্তাই শোভা পায়।

দেশত যিদৰে জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে জনগণৰ জীৱন ধাৰণৰ মান উন্নত কৰাত বাধা জন্মাই; সেইদৰে অৱসাদ ব্যাধিযুক্ত কাব্যৰ বৃদ্ধিয়েও জাতিৰ সাহিত্য সংস্কৃতিৰ মানদণ্ড হ্ৰাস কৰে। সুস্থ সবল জাতি ৰূপে অসমীয়াই নিজক জীয়াই ৰাখিব লাগিলে বিজ্ঞান-দৰ্শন-ইতিহাস আদি বিভিন্ন জ্ঞানেৰে পৰিপুষ্ট কাব্য প্ৰবাহ সৃষ্টি কৰি জাতিৰ সৃজনী প্ৰতিভাৰ দ্বাৰ মুক্ত কৰিব লাগিব।

'মই কবি দেৱকান্ত' বুলি কৈ 'অন্তহীন বিফল বাটৰ' দাঁতিত অপেক্ষা কৰি থাকি বকবাই যিখন দুৱাৰ মুকলি কৰিলে সেই-খনৰে পাশ্চাত্য জগতৰ কৰ্মশক্তি জানস্পৃহা নাহিল; মাথোঁন পাশ্চাত্যৰ 'পপীয়া ধূলি' হে আহিল। জাতিৰ জীৱনত ট্ৰেজেডিৰ চিত্ত পৰিস্কাৰ কৰা কৰুণ ৰস সৃষ্টিৰ প্ৰয়োজন আছে; কিন্তু অৱসাদৰ প্ৰয়োজন নাই। সেয়ে দত্ত আদি কবি সম্প্ৰদায়ৰ সৃজনী প্ৰতিভাই জাতিৰ আত্মাক বন্দীশালৰ পৰা মুক্ত কৰিব পৰা নাই। কবি দত্তই পশ্চিম আকাশত 'মনচুন'ৰ দৃশ্য উপভোগ কৰিব নোৱাৰিলে; কিন্তু অমলেন্দু গুহই কৈছে—

"মৌচুমী বৰষুণৰ ডৱাপিটা সমাৰোহৰ মাজত মোৰ ভিতিত বৰমাল্য পিন্ধাবলৈ

স্বয়ংবৰা"

—স্বয়ংবৰা—

কবি দত্তই নিয়ৰৰ টোপালেৰে চকু আবৃত কৰে; কিন্তু গুহই ডৱাপিটা বৰষুণৰ মাজত স্বয়ংবৰাৰ বৰমাল্য গ্ৰহণ কৰিবলৈ আগবাঢ়ে। কবিৰ অন্তৰাত্মাই কৈ দিয়ে কাব্য জগতত কাৰ স্থান ক'ত।

অৰ্থনৈতিক উন্নয়নৰ বাবে যিদৰে নিজস্ব মূলধন পৰিকল্পনা আৰু নিপুণ কাৰিকৰী জ্ঞান লাগে; সেইদৰে সাংস্কৃতিক বিকাশৰ বাবে বিংশ শতিকাৰ সপ্তদশকৰ কাব্য কলা ৰাজনৈতিক অৰ্থ-নৈতিক আৰু সাংস্কৃতিক সমস্যা সমূহ সামৰি জটিল জীৱন ধাৰাৰ মাজত ব্যক্তি আৰু সমাজক মানসিক আধ্যাত্মিক সঙ্কটৰ পৰা উদ্ধাৰ কৰিব পৰা শক্তি যুক্ত হব লাগিব।

শিল্পীৰ জীৱনবোধ বিচিত্ৰময় হবলৈ হলে কবি শিল্পীয়ে মৌ-মাখিৰ দৰে অভিজ্ঞতা ৰূপী মধু আহৰণ কৰিব লাগিব। শিল্পী দত্তই ইন্দ্ৰিয় কাতৰ হৈ 'আহিনৰ আবেলি' পাহাৰৰ দাঁতিত ধাননি পথাৰৰ সান্নিধ্যত ভীতি বিহ্বল হৈ 'সেৰি ধানৰ ৰস'ত নতুনৰ সন্ধান পাইছে। নৱজীৱনৰ মাদকতা বিচাৰি আহিনৰ ধাননি পথাৰলৈ যোৱা দত্তই অসমীয়া জাতিলৈ যি প্ৰতিক্ৰিয়াশীল বিলাসী আদৰ্শ বৰঙণি দিলে তাৰ মাজেদি নগৰীয়া বিলাসী যুবকৰ ৰূপ প্ৰকাশ পাইছে।

কবি দত্তই 'আহিনৰ আবেলি' ধাননি পথাৰত মনোমোহা দৃশ্য উপভোগ কৰি কৰ্মক্লান্ত কৃষকৰ মনৰ আশা-আকাঙ্খা ৰূপ দি লোক জীৱনৰ সান্নিধ্যলৈ গতি কৰিব পৰা নাই। নব বৰুৱাই ভাৰতীয় আধ্যাত্মিক জীৱনৰ স্বাক্ষৰ বহন কৰি অহা বশিষ্ঠাশ্ৰমত পিকনিক খাই দেহ মন সুস্থ সবল কৰিবলৈ প্ৰেৰণা নোলোৱাৰ দৰে, দত্তয়ো পথাৰৰ লখিমীৰ কেঁচা গোন্ধত উদ্ভ্ৰান্ত হৈ আত্মাৰ নিমগ্নতাৰ পৰা উদ্ধাৰ নাপালে।

মহেন্দ্ৰ বৰাৰ 'অৰণ্য সন্ধ্যাৰ স্মৃতি'ত একেদৰে বিষাদ উদয় হৈছে; 'সন্ধ্যাৰ গুঞ্জন'ৰ ধ্বনিয়েও বৰাৰ কবি মানসত বিষাদ সৃষ্টি কৰি দত্তৰ আবেলিৰ যোগসূত্ৰ ৰক্ষা কৰিছে। নীলমণি ফুকনৰ কবি মানসত 'ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত'ৰ দৃশ্যই শূন্যতাৰ ভাব সৃষ্টি কৰিছে। সাম্প্ৰতিক কালৰ নবীন কলাকাৰ সকলে সৃষ্টি কৰা বিষাদৰ প্ৰবাহে কিন্তু ট্ৰেজেডিৰ চকুলো প্ৰবাহিত কৰি কমেডিৰ পাতনি মেলিব পৰা নাই।

কবি দত্তই 'তাম্ৰৱতী' সপৰ গতিৰ বেদনাৰে ভাৰাক্ৰান্ত কবি মানসৰ প্ৰস্তুতি চলাই বহাগ মাহৰ দৃশ্য, আহিনৰ ধাননি পথাৰ, বসন্ত কালৰ দৃশ্য, 'হেমন্তৰ গোধূলি'ৰ দৃশ্য চাই প্ৰকৃতিৰ প্ৰাণৰ সহাঁৰি লাভ কৰি তত্ত্বজ্ঞান লাভ কৰিব নোৱাৰিলে।

বিজ্ঞানী সকলে পৰীক্ষাৰ দ্বাৰা প্ৰাকৃতিক জগতৰ ৰহস্য উদ্ঘাটন কৰি মানৱৰ মঙ্গল সাধন কৰি বিংশ শতিকাৰ সভ্যতা- সংস্কৃতিৰ নতুন দিগন্ত মুকলি কৰিছে। সেইদৰে ৰোমাণ্টিক যুগৰ বিভিন্ন শিল্পীয়ে প্ৰকৃতিৰ ৰূপ সাধনা কৰি মানৱৰ অন্তৰাত্মা তত্ত্বজ্ঞানৰ দ্বাৰা আলোকিত কৰি বিজ্ঞানৰ সম্প্ৰসাৰণৰ পৰা সৃষ্টি হোৱা সমাজৰ মানসিক সঙ্কট দূৰ কৰাৰ চেষ্টা কৰিছে।

কিন্তু সাম্প্ৰতিক কালৰ বিষাদ গ্ৰস্ত কবি সম্প্ৰদায়ে তত্ত্বজ্ঞান লাভ কৰিবৰ বাবে প্ৰকৃতিত কোনো প্ৰেৰণা নাপায়। কিয়নো একাংশলোকৰ হৃদয়ত 'বীণবৰাগী' কবি দত্তৰ সৌন্দৰ্য স্পৃহা নাইবা মানৱপ্ৰেম নাই। গতিকে দত্তৰ কবি মানসতো স্পষ্ট ভাব অনুভূতি নাই। সেয়ে দত্তই কৈছে—

"ইচ্ছা হয় গাঁথিবৰ বাবে
এডাল গাঁথিহীন মালা।"

কবি মানসত উদয় হোৱা স্মৃতিবোৰ টুকুৰা হৈ ধৰা দিয়া বাবে ইচ্ছা থকা সত্ত্বেও এই গোষ্ঠীৰ কবিসকলে সামগ্রিক দৃষ্টিৰ শক্তি লাভ নকৰে। সেয়ে এওঁলোকে তত্ত্বজ্ঞানত আনন্দ নেপায়।

অসমীয়া কাব্যৰ বিষাদগ্রস্ত কবি সম্প্রদায়ৰ তত্ত্বজ্ঞান বিমুখ মনোভাব মহেন্দ্র বৰাই স্পষ্টকৈ কৈছে—

'ধূঁৱলীয়া দশনৰ তকৰ ধোঁৱাত মুখোঁ
হেৰুৱালো দিশা"

সেইদৰে নৱকান্ত বৰুৱাই 'জ্ঞান ধ্রুব' 'জ্ঞান স্থিৰ' জানিও 'বোধি-দ্রুমক খৰি' কৰি পুৰি পেলাব খুজিছে। দত্তয়ো 'জ্ঞানৰ জাহাজ' চিমনিৰ ধোঁৱা ৰূপে উৰি যোৱা দেখিছে।

দত্তই বাৰ মাহৰ ষড় ঋতুৰ বৰ্ণনাৰ মাজেদি 'বন্দী আত্মাক' মুক্ত কৰিবৰ চেষ্টা কৰিছে সঁচা; কিন্তু কবিশ্রেষ্ঠ কালিদাসৰ 'ঋতু সংহাৰ' কাব্য, নাইবা 'অসমীয়া বাৰমাহী গীত' নাইবা প্ৰবীণ ৰোমাণ্টিক কাব্যকাৰ সকলৰ স্পষ্ট জীৱনবোধ আৰু সুকুমাৰ অনুভূতিৰে পৰিপুষ্ট ষড় ঋতুৰ বৰ্ণনাৰ ৰসধাৰাত অৱগাহন কৰিব পৰা নাই। ইয়াৰ মূলতে হৈছে কবিসকলৰ চিত্ত শুদ্ধিৰ অভাৱ। সেয়ে অম্বিকাগিৰীৰ ভাষাৰে ক'বলৈ গলে—

"ভিতৰত পুহি দুষ্ট পিশাচ বাহিৰত আঁকে
মোহিনী কলাৰ ছবি।"

দত্তৰ কবি মানসৰ 'তামৰঙী সাগৰ' ফেণাৰ দূষিত বায়ুৱে 'জ্ঞানৰ জাহাজ' চিমনিৰ ধোঁৱা ৰূপে উৰাই লৈ যোৱাত মহানগৰীৰ বুকুত থকা 'পুৰণি পাক' খনে কবি মানসত যি 'অদৃশ্য ছবি' আঁকিলে তাৰ প্ৰতিধ্বনি হৈছে নীলমণি ফুকনৰ 'দহজন ডেকা মানুহৰ প্ৰত্যাবৰ্তন' কবিতাৰ পাতাল পুৰৰ শূন্যতাত। বিষধৰ সপৰ নিশ্বাসে দত্তৰ সম্প্রদায়ৰ কবিসকলৰ তত্ত্বজ্ঞান দূৰীভূত কৰা বাবে অসমীয়া কাব্য সাহিত্যত যি বিষবাষ্প সৃষ্টি হল; সেই দূষিত বায়ুই অসমীয়া কাব্য সমুদ্ৰত সাময়িক ঢৌ সৃষ্টি কৰিলেও; অসমীয়া কাব্য সমুদ্ৰৰ ঊৰ্মিমালাই বিষ-বাষ্প আঁতৰাই সনাতন 'জ্যোতিকণা' ৰ আলোক শক্তিশালী ৰূপত প্ৰজ্বলিত কৰিব। কাব্য সুন্দৰীয়ে বহুৰেৰা ৰূপে "ক্লেন, প্লেন, গেছ, টাৰ্বাইন, ডেৰিক, আকাশচাৰী ক্ষেপনাস্ত্ৰ'ৰ মাজত যোগ্য জনক 'বৰমালা' পিন্ধাব।

অমলেন্দু গুহই বিছনাত 'প্ৰথম পোহৰ' দেখি প্ৰিয়াক কৈছে—"এইবাৰ দূৰ কৰিবা তোমাৰ গাত্ৰাৰ আৱৰণি", কিন্তু দত্তই বিছনাত প্ৰথম পোহৰ দেখি 'এমোকোৰা উশৃঙ্খল হাঁহিৰ চিঙ্কনী' ৰ অন্তত 'বিষাদৰ ছবি ' দেখিছে ।

আধুনিক যুগত বিশ্বৰ নানা ঠাইত পৰ্বতত আৰোহণৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপিত হৈছে ; আনকি গাভৰুৰ দলে পৰ্বতৰ দৃশ্যত মুগ্ধ হৈ পৰ্বতৰ শিখৰত উঠিবলৈ চেষ্টা কৰিছে । ভাৰত তথা পৃথিৱীত পৰ্বত আৰোহণৰ অভিযানৰ কালত অসমীয়া কবি দত্তই পাহাৰৰ শিখৰৰ পৰা 'গাভৰুৰ ওঠৰ লালিমা' বিচাৰি নিৰাশ মনেৰে ভৈয়ামলৈ প্ৰত্যাবৰ্ত্তন কৰি কৈছে—

"পাহাৰটোৰ নামনিত চকু পৰিল
এজাক বিহঙ্গ
কিছুমান মৃত মানুহৰ জঁকা
আৰু এদম ছাই ।"
—প্ৰত্যাবৰ্ত্তন—

নীলমণি ফুকনৰ 'দহজন ডেকা মানুহৰ প্ৰত্যাবৰ্ত্তন' ৰ বৰ্ণনাও প্ৰত্যাবৰ্ত্তনৰ অন্য এটা ৰূপ ।

জাগ্ৰত, স্বপ্নাৱস্থা আৰু সুষুপ্তিৰ মাজেদি জীৱনে গতি কৰে। গতিকে শিল্পীয়ে বাস্তৱ জীৱনত স্বপ্নাৱস্থাৰ মাধুৰ্য সৃষ্টি কৰি কলামোদী পাঠকক বাস্তৱ জীৱনৰ মাজেদি সপোনৰ মাধুৰ্য অৱগত কৰাব লাগিলে শিল্পীয়ে সপোন বাস্তৱৰ ভাবাত্মক ৰূপ সৃষ্টি কৰিব লাগিব ।

কবি দত্তই 'স্বপ্ন ভঙাৰ ছন্দ'ৰ মাধুৰ্যৰ আস্বাদ লবলৈ কাকো বিচাৰি নাপালে । সেয়ে দত্তই কৈছে—

"বহুতক আহ্বান জনালোঁ
কিন্তু আটায়ে মোক
মূৰ্খ বুলি মাথোঁ সিঁয়াৰিছিল ।"
—স্বপ্ন ভঙাৰ ছন্দ—

সপোন বাস্তৱৰ তত্ত্ব কবিয়ে সংসাৰী মানৱৰ বাবে যি সুখৰ সপোন সৃষ্টি কৰে সেই সপোনৰ মাধুৰ্যই কঢ় বাস্তৱৰ সন্মুখীন হোৱা লোকৰ ছন্দহীন জীৱনো স্পন্দিত কৰে । কিন্তু যেতিয়া

বাস্তৱ জীৱনৰ সম্মুখীন হ'ব নোৱাৰা 'তামৰতী' সাগৰ সন্মুখ প্ৰয়াসী, 'জ্ঞানৰ জাহাজ' পুৰি ছাই কৰা কৰিয়ে জীৱনৰ মাধুৰ্যৰ বিষয়ে উপদেশ দিবলৈ প্ৰয়াস কৰে তেতিয়া তেওঁক 'মূৰ্খ' বুলি ভবাই স্বাভাৱিক।

বৈষ্ণৱ কলাকাৰ মাধৱদেৱে নিজকে 'মুৰুখ মাধৱ' বুলি কলেও পাঠকে জ্ঞানী বুলিহে বিবেচনা কৰে। কিন্তু, বিংশ শতিকাৰ সপ্ত-দশকৰ কলাকাৰে নিজকে জ্ঞানী বুলি কৰ বিচাৰিলেও তদ্ৰূপ পাঠকে আত্ম প্ৰবঞ্চনা কৰা বুলিহে বুজিব।

দত্তই পাহাৰৰ যুদ্ধত নিহত হোৱা সৈনিকৰ বীৰত্ব সুঁৱৰি 'নিহত জনৰ কবিতা' নামৰ কবিতাত কৈছে—

"পাহাৰৰ শিখৰে প্ৰান্তৰে
ক্লান্ত সেই নিমাত সৈনিক।"

যিজন কবিয়ে 'অচিন পাহাৰৰ অন্ধকাৰত' এমুঠি নিয়ৰ বিচাৰি যায়; যিজন কবিয়ে 'গাভৰুৰ ওঠৰ লালিমা' বিচাৰি পাহাৰৰ শিখৰৰ পৰা নামি আহি 'মৃত মানুহৰ জঁকা' দেখে, সেইজন কবিয়ে পাহাৰৰ শিখৰৰ যুদ্ধত নিহত সৈনিকৰ সোঁৱৰণিত ৰচিত কবিতাই পাঠকৰ বন্দী আত্মাক পাহাৰৰ শিখৰৰ দৃশ্যলৈ নিব নোৱাৰে।

দত্তৰ 'এমুঠি নিয়ৰ' কাব্যৰ 'ৰূপমতী' ঘাট কবিতাৰ যোগেদি অতীত বৰ্তমানক সংযোগ কৰি ঐতিহাসিক পটভূমিৰ আশ্ৰয়ত ধ্বংস লীলা ৰূপ দিয়াৰ চেষ্টা কৰিছে; সেইদৰে নিশাৰ গভীৰ শব্দৰ শূন্যতাৰ মাজত 'এটা নীল উপলব্ধি'ৰ যোগে প্ৰাচীন ধ্বংসাৱ-শেষৰ মাজত প্ৰবেশ কৰা নীলমণি ফুকনে জাতীয় জীৱনৰ স্বাক্ষৰ বহনকাৰী ভগ্ন স্তূপত 'শ্মশানতো ফুলে ফুল পাহি' বুলি কব নোৱাৰিলে।

জাতীয় জীৱনৰ ঐতিহাসিক, দাৰ্শনিক আৰু সাংস্কৃতিক চেতনা-বিহীন কবি সম্প্ৰদায়ে প্ৰাচীন আদৰ্শক মূল্য নিদিয়ে সঁচা, কিন্তু সাম্প্ৰতিক কালৰ গণতান্ত্ৰিক সমাজবাদী ৰাজনৈতিক আদৰ্শ সফল কৰি তুলিবৰ বাবে জীৱনৰ কি মূল্যবোধ গঢ়ি তুলিব সেই বিষয়ে চিন্তা নকৰে। সেয়ে, চিন্তাৰ দৈন্যাই দত্ত আদি ব্যৰ্থকাম কবি সকলক ধ্বংসৰ ৰূপৰ প্ৰতি আকৃষ্ট কৰিছে।

মুক্তিনাথ বৰদলৈ

মুক্তিনাথ বৰদলৈৰ 'পাৰ্ব্বতী' (১৯৬৭) কাব্যই স্বাধীনতাৰ পৰবৰ্ত্তী যুগৰ অসমীয়া কাব্য শিল্পৰ এটি নতুন দিশ মুকলি কৰি, অসমীয়া জাতীয় জীৱনৰ গভীৰ সংস্পৰ্শ চীন-ভাৰত সীমান্তলৈ সম্প্ৰসাৰিত কৰিছে। ৰাজনৈতিক ভাবে সম্প্ৰতি অৰুণাচল অসমৰ পৰা বিচ্ছিন্ন হলেও, ভাৰত চৰকাৰৰ প্ৰশাসনৰ লগত জড়িত অসমীয়া কাব্য শিল্পীয়ে অৰুণাচলৰ লগত জড়িত হৈ থকা প্ৰাচীন কামৰূপ ৰাজ্যৰ সাংস্কৃতিক যোগ সূত্ৰ উদ্ধাৰ কৰি অসমীয়া কাব্য-কলাৰ প্ৰগতিৰ পথ ৰচিছে।

অৰুণাচলৰ বিষয়ে লিখা দুকুৰি কবিতাৰ সমষ্টি 'পাৰ্ব্বতী' কাব্যত ভাৰতীয়-কামৰূপী-অসমীয়া সাংস্কৃতিৰ প্ৰবাহ বৰদলৈৰ চিন্তা, উপলব্ধি, সৌন্দৰ্য্যস্পৃহা, কল্পনা, অনুভূতি যোগেদি কেনেদৰে প্ৰকাশ পাইছে বিচাৰ্য।

সাম্প্ৰতিক কালৰ ৰাজনীতিয়ে নাইবা জীৱন ধাৰাই মানৱ সমাজ তথা ভাৰতীয় জীৱনৰ পৰা অধ্যাত্মবাদী চিন্তা দূৰীভূত কৰা কালত, চৰকাৰী কৰ্মচাৰী বৰদলৈয়ে কাব্য কলাৰ মাজেদি ভাৰতীয় সাংস্কৃতিৰ তথা ধৰ্মৰ তত্ত্ব উপলব্ধিৰ যোগে অৰুণাচলৰ জন-জাতীয় লোকৰ জীৱন ধাৰাৰ ৰহস্য কাব্য ৰূপ দিয়া সঁচাকৈয়ে সাহসী প্ৰেৰণা। কবি বৰদলৈয়ে ধৰ্মতত্ত্ব আৰু সাংস্কৃতিক সাধনাৰে পৰিপুষ্ট কৰি মানসৰ যোগেদি শক্তিৰ আৰাধনা কৰি 'পাৰ্ব্বতী'ৰ প্ৰতিমা কাব্য বেদীত স্থাপন কৰিছে। অসমীয়া ৰোমান্টিক কাব্যত বেজবৰুৱাই 'কদম কলি'ৰ যোগেদি কৃষ্ণৰ ভক্তি স্থাপন কৰিলে; সেইদৰে চন্দ্ৰকুমাৰ আগৰৱালাই 'বনকুঁৱৰী' 'জলকুঁৱৰী' আদিৰ ৰূপ সৃষ্টি কৰি যি শক্তি সাধনাৰ সুৰ কাব্যত ধ্বনিত কৰিলে, সেই সুৰ বৰদলৈৰ কাব্যত পুনঃ প্ৰতিধ্বনিত হৈছে। সেয়ে, প্ৰাচীন কামৰূপ ৰাজ্যৰ কমতেশ্বৰী কামাখ্যা—দিক্কৰ বাসিনী দেৱীৰ অসমৰ কাব্যবেদীত পুনঃ প্ৰতিষ্ঠাৰ দ্বাৰা 'জৰাসন্ধ' ৰূপী নতুন কংসাকাৰ সকলক তামসিক কাব্যসাধনাৰ পৰা উদ্ধাৰ কৰিবলৈ বৰদলৈয়ে 'আৰোগ্য নিকেতন' সৃষ্টি কৰি হৈছে—

"ষড় বস একেটা পাত্ৰতে
মিলাই মদিৰা বুলি
দিলে পান কৰি আত্মহত্যা
কোনে কৰে ?"

পুনঃ বৰদলৈয়ে এই তামসিক কাব্য কলাৰ প্ৰতি উদ্দেশ্য কৰি কৈছে যে, ৰায়চৌধুৰীয়ে সৃষ্টি কৰা তাণ্ডৱ নৃত্যৰ লয়ত নতুন অসুস্থ কাব্য কলা কাহ পৰি জীণ যব ।

পাহিঘাটৰ 'মালিনী থানৰ' স্মৃতিয়ে ঐতিহাসিক চেতনাত ৰস সঞ্চাৰ কৰাত, মালিনী থানৰ প্ৰাকৃতিক পৰিবেশৰ মাধুৰ্যৰ সংস্পৰ্শই পৌৰাণিক কাহিনীক সামৰি লোৱাত; পাহিঘাটৰ পৰা আঁতৰি ষোৱাত শিলঙত ভগন মালিনী প্ৰতিমাই---কবি হৃদয়ৰ ৰসত আপ্লুত হৈ মানৱী প্ৰেমিকা মালিনী পাৰ্ব্বতীৰ ৰূপ পালে। কবি শিল্পী বৰদলৈৰ কবিতাই মানৱী মালিনীক যিদৰে সিদ্ধি প্ৰাপ্ত কৰিলে; সেইদৰে শিলঙৰ মুকুল সংঘৰ কাব্যকাৰ সিদ্ধাৰ্থ গোহাঁয়ে 'ৰজনী গন্ধা' কাব্যত 'প্ৰণয় স্মৃতি' কবিতাত মানৱী মাধৱীৰ একে সিদ্ধিৰ পথ দেখুৱাইছে ।

বৰদলৈয়ে মালিনী থানৰ মালিনী দেৱীৰ পুনঃ সংস্থাপনৰ কথা উল্লেখ কৰা নাই। কিন্তু প্ৰাক্তন অধ্যক্ষ তীৰ্থনাথ শৰ্মাই কৈছে যে কামৰূপ ৰাজ্যৰ ৰজাই পৰত ভৈয়ামৰ সাংস্কৃতিক যোগাযোগ ৰক্ষা কৰি দেশ শক্তিশালী কৰাৰ মানসে স্থাপনে কৰা মালিনী মন্দিৰ পুনঃ সংস্থাপিত হৈ নতুন ৰূপত দেখা দিছে । (৩)

কবি বৰদলৈয়ে মানৱী মালিনীক পাৰ্বতীৰ ৰূপলৈ উন্নীত কৰি মানৱীয়---অতি মানৱীয় প্ৰভেদ আঁতৰাই অৰুণাচলৰ নাৰী সমাজক যি শ্ৰদ্ধা নিবেদন কৰিছে তাৰ যোগেদি কবিৰ হৃদয়ত গভীৰ ভক্তি ধৰ্মৰ ছাপ প্ৰকাশ পাইছে। আনকি সমগ্ৰ কাব্য খনৰ মাজেদি প্ৰবাহিত হৈ থকা ভক্তিৰ সুৰে 'গোঁসাই থান' কবিতাত 'ৰসময়ী ভক্তি'ৰ পূৰ্ণ ৰূপত প্ৰকাশ পাইছে। মুঠতে ভাৰতীয় সংস্কৃতি তথা ধৰ্মৰ বিভিন্ন চিন্তা ধাৰা অৰ্থাৎ শাক্ত, বৈষ্ণৱ, শৈৱ আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণী সঙ্গম ৰচিত হৈছে পাৰ্ব্বতী' কাব্যত ।

---

(৩) তীৰ্থনাথ শৰ্মা : 'অসমৰ পূব সীমান্তৰ দুগৰাকী দেৱী' (দিক্কৰ ৰাসিনী আৰু মালিনী) দৈনিক অসম পূজা সংখ্যা ১৮৮৯ ।

যি কোনো সমাজ প্ৰগতিৰ পথত অগ্ৰসৰ হব লাগিলে নাৰীয়ে শ্ৰেষ্ঠ আসন পাব লাগিব। সেয়ে কবি বৰদলৈয়ে অৰুণাচলৰ নাৰী সমাজক কেন্দ্ৰ কৰি 'হান লু', 'পূৰ্ব্বৰাগ' 'হিমবতী' 'দোৰন-শিখীৰ সোণ বৰণী' 'প্ৰশান্তা' আদি কবিতা ৰচনা কৰি অৰুণাচলৰ নাৰীৰ শৰীৰ-মনৰ শক্তি সৌন্দর্য ৰূপ দি; বঙ্গীয় কবি চন্দী দাসৰ দৰে 'কামগন্ধ বিহীন' ভাবৰ মাজেদি শক্তি সাধনা সম্পূৰ্ণ কৰিছে।

কিন্তু সাম্প্ৰতিক কালৰ নতুন কবিতা ৰচক নৱকান্ত বৰুৱাই 'চাওঁতালী নাচ' চাই জনজাতীয় গাভৰুৰ 'দেহ সুষমাৰ সুৰভি' উপভোগ কৰিছে যদিও; জনজাতীয় নাৰীৰ প্ৰতি নাইবা নৃত্যকলাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিব পৰা নাই। সেইদৰে, অমলেন্দু গুহই 'জৰকাপিৰ দিঠক' সম্পান কবিতাত অকপশৰীয়া 'মিকিৰ জীয়ৰী' ৰ 'পাপ আৰু প্ৰীতিৰ চিকাৰী' হৈছে। পতিকে কবি বৰদলৈয়ে এই কবি সম্প্ৰদায়ক জৰাসন্ধ' আখ্যা দি কাকো বধ কৰাৰ আৰু কাকো চিকিৎসা কৰাৰ ইঙ্গিত দিছে। এই কবি গোষ্ঠীৰ হৃদয়ৰ সাপে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰি যি অসুৰ শক্তি সৃষ্টি কৰিছে তাৰ নিধনৰ বাবে পাৰ্ব্বতীৰ অৰ্চনা।

পৰশুৰাম কুণ্ডৰ পূত-সলিল ধাৰা মানৱ কল্যাণৰ কাৰণ ব্ৰাহ্মা' কবিতাত মুক্ত কৰি, তীৰ্থযাত্ৰী হৈ অৰুণাচলৰ বিভিন্ন ঠাইত ভ্ৰমণৰ অন্তত 'যাত্ৰী' কবিতাত তীৰ্থযাত্ৰা শেষ কৰিছে। কবি বৰদলৈৰ দীঘকালৰ তীৰ্থ যাত্ৰাৰ অভিজ্ঞতা সমূহ আৰু কবি মানসৰ বিভিন্ন ৰূপ বিচাৰ কৰিলে অৰুণাচল সম্বন্ধে এটা স্পষ্ট ৰূপ দেখা যায়। প্ৰশাসনৰ কাম-কাজ ধৰ্ম হিচাবে বিবেচনা কৰি মুক্ত মনা হৈ কবি বৰদলৈয়ে অৰুণাচলৰ জনগণৰ ওপৰ চাপি অৰুণাচল সম্বন্ধে এটা উজ্জ্বল ৰূপ অঙ্কন কৰিছে। বৰদলৈয়ে অৱশ্যে 'হান-লু' কবিতাত অৰুণাচলৰ নাৰী ৰত্ন 'হান-লুক' তথা অন্যান্য নাৰী সকলক প্ৰশাসনৰ অন্যান্য লোকে শ্ৰদ্ধা নেদেখুৱা কথা কৈছে যদিও; কাব্যখনৰ সৌন্দর্য হ্ৰাস হব বুলি তিক্ত অভিজ্ঞতা সমূহ ৰূপ দিয়া নাই।

ইতিহাস আৰু প্ৰত্নতত্ত্বৰ জ্ঞানেৰে পৰিপুষ্ট কবি মানসৰ যোগে বৰদলৈয়ে দিবাং নদীৰ বানপানীৰ দৃশ্যৰ অন্তৰালত 'সৰ্ব্বনাশী' কবিতাত ব্ৰহ্মপুত্ৰ আৰু দিবাঙৰ প্ৰেম কাহিনী দেখিছে সঁচা; কিন্তু দিবাং নদীৰ ধ্বংস লীলাৰ গভীৰ বেদনা উপলব্ধি কৰা নাই।

'সৰ্বনাশী নিঠুৰা দিবাণ্ডৰ' প্ৰেম বিৰহৰ দশ্য চাই কৱিয়ে ব্ৰহ্মপুত্ৰৰ প্ৰিয়া 'ভৰলী'ৰ যৌৱনৰ প্ৰাণ প্ৰাচুৰ্য উপভোগ কৰি কৈছে—

'ʼ াৰ হিয়া তৌ ৱ তৌ ৱ না চ
গৌ নৰ ভৰা আবেশত ।
মোৰ হিয়া নাচে আবেশত ।"

—ভৰলী—

কবি বৰদলৈয়ে অৰুণাচলৰ পাহাৰৰ মাজে মাজে বিভিন্ন প্ৰাকৃতিক দশ্য উপভোগ কৰি 'বমডিলাৰ জোনাক' কবিতা ৰচনা কৰিছে যদিও; মানৱৰ সংসৰ্গ বৰ্জিত দৃশ্যাবলে অন্তৰত কাৰুণ্যহে সৃষ্টি কৰিছে। সেইদৰে চেৰাৰ আকাশৰ' দৃশ্যই সিদ্ধাৰ্থ গোহাঁইৰ অন্তৰতো বিষাদ সৃষ্টি কৰিছে ।

বৰদলৈৰ 'পাৰ্বতী' কাব্যত পৰ্বত বৰ্ণনা আছে যদিও, কবিয়ে অভ্ৰভেদী পাহাৰৰ দশ্য অঙ্কন কৰিব পৰা নাই ; সেইদৰে নদ-নদী আৰু বিভিন্ন প্ৰাকৃতিক দশ্যই কবিৰ মন পাহাৰৰ সীমা অতিক্ৰম কৰি অসীমলৈ লৈ যোৱা নাই । অৱশ্যে, অসীমৰ সৌন্দৰ্যই সীমাৰ মাজতে কবিক ধৰা দিছে যদিও, নিৰ্বাণৰ আনন্দত আত্ম-হৰা হোৱা ভাব নাই ।

কবি বৰদলৈয়ে অৰুণাচলৰ জনসাধাৰণৰ অৰ্থনৈতিক সমস্যা সমূহৰ বিষয়ে সচেতন হৈ ৰচনা কৰা 'আপাতনি' কবিতাত গাৱঁলীয়া জীৱনৰ এটি উজ্বল ৰূপ সৃষ্টি কৰি কৈছে---

"এই পৰ্বতৰ ধন আমাৰ সোণালী ধান
তাৰে মই, মোৰ গাওঁ, আমাৰ সমাজ
আনন্দ সম্বন্ধ।"

—আপাতনি —

কবি বৰদলৈয়ে আপাতনি কৃষকৰ আত্ম পৰিচয়ৰ যোগেদি ব্যক্তি আৰু সমাজ জীৱনৰ যি অন্তৰঙ্গ সম্বন্ধ প্ৰকাশ কৰিছে, তেনে আদৰ্শ আনন্দচন্দ্ৰ আগৰৱালাই 'আমাৰ গাওঁ' কবিতা আৰু জুৰমন বৰাৰ চৰিত্ৰৰ যোগেদি প্ৰায় এশ বছৰ পূৰ্বে ধ্বনিত কৰিছে।

কবি শিল্পী বৰদলৈয়ে সময়ে সময়ে খেতি পথাৰত গাভৰু ছোৱালীৰ দৃশ্য দেখি মুগ্ধ হৈ কৈছে—

"কৰবাত তেজীমলা ছোৱালীৰ জাকে
পথাৰত গোমধান তোলে ।"

সেইদৰে নেফাৰ কাঞ্চী বিষ্ণুমায়াই বাবুৰ ঘৰে ঘৰে গাখীৰ বিক্ৰী কৰি কৰি শেহত ভদ্ৰকান্ত বাবুক প্ৰেম নিবেদন কৰা কাম্যাই কোনো 'সৰ্বনাশী' ৰূপ ধাৰণ নকৰিলে যদিও ; নেফাৰ নাৰী জীৱনৰ এটি ৰূপ প্ৰকাশ কৰিছে ।

তদুপৰি, নেফাৰ জনসাধাৰণে বোজা কঢ়িওৱা ঘোঁৰাৰ ব্যৱসায় কৰি কষ্টকৰ ভাৱে জীৱন নিবাহ কৰা দৃশ্য সৃষ্টি কৰিও বৰদলৈয়ে লোক জীৱনৰ অৰ্থনৈতিক চিত্ৰ আঁকিছে ।

বৰদলৈয়ে নেফাৰ লোক জীৱনৰ আন এটি ৰূপ প্ৰকাশ কৰিছে ; অভ্যাগতক আদৰণি জনাবলৈ প্ৰচলন কৰা 'পমুং' নৃত্যৰ বৰ্ণনাত্মক 'পমুং' কবিতাৰ যোগেদি । নেফাৰ জন জীৱনৰ ভিন্ন এটা ৰূপ সৃষ্টি কৰিবলৈ বৰদলৈয়ে 'মিঠাই' নামৰ প্ৰেমমূলীয়া কবিতা ৰচনা কৰিছে যদিও, বৰদলৈৰ হাস্যৰসৰ প্ৰতিভা প্ৰকাশ পোৱা নাই । মুঠতে নেফাৰ জনজীৱনৰ ব্যৱহাৰিক ছবিখন প্ৰায় সৰ্বাত্মক ৰূপে প্ৰকাশ পাইছে ।

বৰদলৈয়ে নেফাত মালিনী থানৰ বৰ্ণনা কৃষ্ণ ভক্তিৰ মাহাত্ম্যৰ বিকাশৰ কথা ক'লেও ; বৌদ্ধ ধৰ্মৰ ব্যাপকতা আৰু গভীৰতাৰ চিত্ৰ আঁকি নেফাৰ জনজীৱনৰ আধ্যাত্মিক দিশৰ ইঙ্গিতো দিছে । 'পাৰ্বতী' কাব্যত 'দ্বীপ' 'চনম' 'আনি লামা' আদি কবিতাৰ মাজেদি বৰদলৈয়ে বৌদ্ধ ধৰ্মৰ বাণী আৰু ভিক্ষু ভিক্ষুণী সকলৰ জীৱনৰ মহান আদৰ্শ প্ৰকাশ কৰিছে ।

বৰদলৈয়ে আধুনিক ৰাজনীতিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ প্ৰভাবৰ কথা বৰ্ণনা দিয়া নাই ; কিন্তু জনজাতি সকলৰ সামাজিক জীৱনৰ সুস্থ ভেটি ৰচনাৰ শক্তিশালী অনুষ্ঠানৰ বৰ্ণনা যুক্ত 'সংগচ্ছধ্বম' কবিতাত এই অনুষ্ঠানৰ কথা কৈছে । আধুনিক ৰাজনীতি আৰু অৰ্থনীতিৰ সম্প্ৰসাৰণ আৰু বিংশ শতিকাৰ যান্ত্ৰিক সভ্যতাৰ বিকাশে কৃষি অৰ্থনীতি আৰু গোষ্ঠী চেতনা যুক্ত জনজাতীয় সভ্যতা সংস্কৃতি আৰু জনজাতীয় জীৱন ধাৰাৰ মাধুৰ্য কোন দিশে ধাৱিত কৰে কবিয়ে কোৱা নাই ।

বৰদলৈৰ এই কাব্যখন নেফাৰ জনজাতীয় সমাজ আৰু ভৈয়ামৰ অসমীয়া ভাষাভাষীলোকৰ বাবে ৰচিত । সেয়ে কবিয়ে কুণ্ডিল ৰাজ্যৰ ৰুক্মিনীৰ ৰূপ-লাৱণ্য আৰু আধ্যাত্মিক শক্তি 'হান্-লু' ৰ চৰিত্ৰত আৰোপ কৰি অসমীয়া জাতিৰ হৃত চেতনা উদ্ধাৰ কৰাৰ চেষ্টা কৰিছে ।

জৱাহৰলাল নেহৰু পাছি মাটলৈ যোৱাত তেওঁক সম্ভাষণ জনাবলৈ ৰচনা কৰা 'গান্ধী ৰজা পাবনে' কবিতাত, বৰদলৈয়ে পৰ্ব্বত-ভৈয়ামৰ মিলন ক্ষেত্ৰত দৰ্শন কৰা আনন্দৰ মাজদি অনন্তৰ আলিঙ্গনৰ স্পৰ্শ জনিত গাম্ভীৰ্য আৰু শক্তি প্ৰকাশ পাইছে। ১৯৫২ চনত গান্ধী ৰজাৰ শাসন বিচাৰি জৱাহৰলালক অভিনন্দন জনোৱা সঙ্গীতত কবিয়ে জনজাতীয় জীৱনৰ সৰলতাৰ যোগেদি চৰকাৰক সমালোচনাও কৰিছে।

কবি বৰদলৈয়ে 'কস্তুৰী' কবিতাত নেফাৰ প্ৰাকৃতিক সৌন্দৰ্যপূৰ্ণ শান্ত সমাহিত পৰিবেশত ধ্যানমগ্ন হৈ দিক কালৰ সীমা চেৰাই চিত্তৰ প্ৰশান্তি উপলব্ধি কৰিলেও; বিশ্বৰ ৰাজনৈতিক ঘটনা প্ৰবাহৰ সংস্পৰ্শত সৃষ্টি হোৱা বা বতাহ লক্ষ্য কৰি কবিয়ে ভাবিছে, যে হয়তো কস্তুৰীৰ সৌৰভে নেফাৰ জনগণৰ মাজলৈ বিপ্লৱ প্ৰবাহিত কৰি বুৰঞ্জীৰ গতি বিধি সলনি কৰিব। প্ৰশাসক হিচাবে বৰদলৈয়ে ৰাজনৈতিক চিন্তাৰ পথ মুকলি কৰিছে যদিও; নেফাৰ জনসাধাৰণৰ মন জয় কৰিবৰ আদৰ্শ পৰৱৰ্ত্তী প্ৰশাসকৰ কাৰণে সৃষ্টি কৰিব পৰা নাই।

বৰদলৈয়ে চীনৰ আক্ৰমণৰ দৃশ্য দান কৰি; নিহত জোৱান সকলৰ পাৰিবাৰিক জীৱনৰ স্মৃতি সুঁৱৰি; জন্মভূমিৰ স্বাধীনতাৰ হকে প্ৰাণত্যাগ কৰা সৈনিক সকলক আৰু বিশেষকৈ ৰাজপুত বীৰ ৰাজেন্দ্ৰ সিঙৰ পবিত্ৰ স্মৃতিত তৰ্পণ কৰিছে 'চাকে' কবিতাত। বৰদলৈয়ে স্বয়ং যুদ্ধৰ স্থলীৰ দৰ্শন লাভ কৰিলেও বীৰ ৰস সৃষ্টিত সাৰ্থকতা লাভ কৰা নাই। সেইদৰে 'পাহৰা নাই' কবিতাতো স্মৃতি আছে, বীৰ ৰস নাই।

চীনৰ আক্ৰমণক লক্ষ্য কৰি ৰচিত 'সংকল্প' নামৰ কবিতাত বৰদলৈয়ে বৌদ্ধধৰ্ম গুৰুৰ দৃঢ়তাৰ বাণী ৰূপ দি দেখুৱাইছে, যে সঙ্কটৰ সময়ত হৃদয়ৰ ক্লীবতা দূৰ কৰিব পৰা প্ৰেৰণা সৃষ্টি কৰিব পাৰে একমাত্ৰ আধ্যাত্মিক শক্তি সম্পন্ন লোকেহে। সেয়েহে তাৱাং মঠৰ ধৰ্মগুৰুৱে দেশৰ ধৰ্ম আৰু সংস্কৃতি ৰক্ষাৰ বাবে অস্ত্ৰবলেৰে যুঁজিবলৈ আহ্বান জনাই কৈছে—

'বলহীন অহিংসাৰ
ভাৰিয়ে নুবুজে ভাষা,
বুজে মাথো শক্তিৰ আশ্ৰয়।

—সংকল্প—

মুঠতে বৰদলৈয়ে যুদ্ধক্ষেত্ৰৰ অগ্ৰৱৰ্ত্তী অঞ্চলৰ জনসাধাৰণৰ মনোভাৱ ব্যক্ত কৰিবৰ বাবে ধৰ্মগুৰুৰ বাণীৰ আশ্ৰয় লোৱা কাম্যই বৰদলৈৰ অন্তৰত গীতাৰ 'ক্লৈব্যং মাস্ম গমঃ' উক্তি ধ্বনিত কৰিছে। চীনৰ আক্ৰমণক লৈ ৰচনা কৰা 'চাকো', 'পাহৰা নাই' 'সংকল্প' আদি কবিতাৰ মাজেদি বৰদলৈৰ অন্তৰৰ দেশ প্ৰেমৰ অন্য এটি ৰূপ প্ৰকাশ পাইছে।

১৯৬২ চনৰ চীনৰ আক্ৰমণৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰি বৰদলৈয়ে শ্বিলং চহৰলৈ উভতি আহি 'পাহৰা নাই' (১৯৬৩); আৰু 'সংকল্প' (১৯৬৩, ৬ ডিচেম্বৰ) কবিতা দুটা ৰচনা কৰে। কেৱল 'চাকো' কবিতাটো চাকোত ৰচনা কৰে।

চীনৰ যুদ্ধক কেন্দ্ৰ কৰি অসমীয়া কাব্য সাহিত্যত যি বীৰ ৰসৰ সঞ্চাৰ হৈছিল, সেই বীৰ ৰসৰ প্ৰবাহ গুৱাহাটীৰ তপোবনৰ কাব্যকাৰ তথা গীতিকাৰ অতুল হাজৰিকাৰ হৃদয়ত যেনে ৰূপ পালে প্ৰত্যক্ষ দৰ্শী বৰদলৈৰ হৃদয়ত তেনে ৰূপ নাপালে।

বৰদলৈৰ হৃদয়ৰ শান্ত ৰসে হাজৰিকাৰ দৰে শক্তিশালী ৰূপ ধাৰণ নকৰাৰ মূলতে শিলঙৰ আমোদ তান্ত্ৰিক পাৰবেশো দায়ী। তদুপৰি কোনো ঘটনাৰ প্ৰতিক্ৰিয়াই প্ৰত্যক্ষ দৰ্শীৰ অন্তৰত আৰু দূৰৱৰ্ত্তী লোকৰ অন্তৰত ভিন্ন ভিন ভাবে প্ৰভাৱ বিস্তাৰ কৰে। বীৰ ৰসৰ যোগেদি নাট্যকলাৰ সাধনা কৰা হাজৰিকাই সীমান্তৰ যুদ্ধখনৰ ৰূপ যিদৰে দেখিছে, নেফাৰ পৰ্বতৰ সৌন্দৰ্যৰ মাজত ভ্ৰমণ কৰা বৰদলৈয়ে সেইদৰে দেখা নাই। সেয়ে দুয়োজন কলাকাৰৰ বিভিন্নতা।

তথাপি বৰদলৈয়ে পৰ্বতে পৰ্বতে ঘূৰি 'পাৰ্বতী' দেৱীৰ আৰাধনাৰ বাবে যি কাব্য প্ৰতিমা প্ৰতিষ্ঠা কৰি অসমীয়া কাব্য বেদী শুৱনী কৰিলে, হাজৰিকাই 'ৰণ ৰঙ্গিনী মূৰ্ত্তি ধাৰণ কৰা' পাৰ্বতীৰ চৰণত 'ৰক্তজবা' অৰ্পণ কৰি অসমীয়া জাতীয় জীৱনত শক্তি যোগাইছে।

সাম্প্ৰতিক কালৰ নতুন কবি অমলেন্দু গুহই 'লুইত পাৰৰ গীত' ৰচনা কৰি কৈছে—'ৰত্তাভুত আহে বুলি কেউফালে কাহিনীটো ৰটে।" 'মোৰ অসমত যুদ্ধৰ ৰচদ লৈ নচলিব ৰেল।' সেইদৰে, মহেন্দ্ৰ বৰাই 'চামুৰাই' কবিতাত লাডাখৰ যুদ্ধত নিহত সৈনিকৰ কথা উল্লেখ কৰিছে, কিন্তু অসমৰ সীমান্তৰ যুদ্ধত হোৱা প্ৰতিক্ৰিয়া উপলব্ধি কৰা নাই। মুঠতে, তুলনা কৰি চালে দেখা যায়; যে

নতুন কবি সকলে দেশৰ স্বাধীনতা ৰক্ষাৰ বাবে সজাগ নহয়; এওঁলোকে দেশৰ স্বাধীনতা ৰক্ষাৰ বাবে চিন্তা কৰাতকৈ বিশ্বৰ কথা চিন্তা কৰিহে কাব্য সাধনা কৰে।

কবি বৰদলৈয়ে তুষাৰাবৃত হিমালয়ৰ মনোৰম দৃশ্য অঙ্কন কৰা নাই যদিও; সমগ্ৰ ভাৰতৰ সংশ্লেষাত্মক সাংস্কৃতিক চিন্তা, হৃদয়ৰ গভীৰ উপলব্ধি, হিমালয়ৰ ৰহস্যাবৃত শান্ত সনাহিত সৌন্দৰ্য্যই কবিৰ অন্তৰাত্মাত যি মৌনতা সৃষ্টি কৰিছে; সেই মৌনতাৰ ৰূপ 'সন্ধি' কবিতা। কবি বৰদলৈয়ে হিমালয় ভ্ৰমণ কৰি কৈছে----

'হিমৰ আলয় পৰ্বতৰ ৰহস্য-আৱলী
আছে প্ৰতীক্ষাত অজ্ঞাত দিনৰ।"
— সন্ধি —

'কস্তুৰী কবিতাত ভাবৰ গভীৰতাৰ মাজেদি এটি অশান্ত বেদনা প্ৰবাহিত হৈছে যদিও; 'সন্ধি' কবিতাত হিমালয়ৰ ৰহস্যই কবিৰ মনৰ পৰা সকলো প্ৰকাৰ চিন্তা আঁতৰাই ৰাখিছে। পৰ্বতৰ ৰসস্বৰ গোভাই বৰদলৈৰ হৃদয়ত যি গভীৰতা সৃষ্টি কৰিছে তাৰ মাজেদি যোগীৰ চিত্তবৃত্তিত লাভ হৈছে।

প্ৰাচীন অসমীয়া সাহিত্যৰ বৈষ্ণৱ কলাকাৰ সকলে কুণ্ডিল ৰাজ্য, বাণ ৰাজ্য, আৰু ভাৰতৰ অন্যান্য ঠাইৰ বৰ্ণনা কাব্যত সংযোগ কৰিছে। সেইদৰে, শাক্ত কলাকাৰ সকলে মনসা কাব্যত লঙ্কা-অসমৰ সংযোগ সাধন কৰিছে। শাক্ত কলাকাৰ সকলে শাক্ত বৈষ্ণৱ সংঘাত সৃষ্টি কৰা নাই যদিও, বৈষ্ণৱ কলাকাৰ সকলে এই প্ৰভেদ সৃষ্টি কৰি অসমৰ জাতীয় জীৱনৰ ক্ষতি সাধন কৰিছে।

সেইদৰে, বৈষ্ণৱ কলাকাৰ সকলে বৌদ্ধধৰ্মৰ অধঃ পতিতা অৱস্থাত 'পাষাণ্ড মৰ্দ্দন' কৰি বৌদ্ধধৰ্মৰ গুৰু সকলক বিদ্ৰূপ কৰিছে কিন্তু সাম্প্ৰতিক কালৰ কলাকাৰে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে কলাৰ প্ৰয়োগ কৰা নাই। সেয়ে কলাক ধৰ্মৰ প্ৰভাৱৰ পৰা মুক্ত কৰি সমাজ জীৱনৰ সংকীৰ্ণ মনোভাব দূৰ কৰিবৰ বাবে আধুনিক যুগৰ কলাকাৰ বৰদলৈ, হাজৰিকা আদিয়ে শাক্ত-শৈৱ-বৈষ্ণৱ আদি সংস্কৃতিৰ সমন্বয় সাধন কৰাৰ চেষ্টা কৰিছে বৰদলৈয়ে বৌদ্ধধৰ্মৰ মহান আদৰ্শ অসমীয়া কাব্যৰ মাজলৈ আনি, নতুন সুৰ সৃষ্টি কৰি; বৈষ্ণৱ কলাকাৰৰ 'বোধ মূৰতি ঃ জগত মোহিয়ে ঃ কমল পাষণ্ড ৰীতি' উক্তিৰ ঠাইত নতুন চিন্তা প্ৰবাহিত কৰিলে। অসমীয়া

কাব্য সাহিত্যৰ ভৌগোলিক সীমা বিস্তৃত হোৱাৰ লগতে প্ৰগতিবাদী চিন্তাৰ পৰিধিও বিস্তৃত হৈছে।

সাহিত্যই যেতিয়া বিবিধ প্ৰকাৰ অভিজ্ঞতা সামৰি লৈ জীৱনৰ প্ৰবাহ শক্তিশালী কৰি সমাজ জীৱনৰ পৰা অজ্ঞান অন্ধকাৰ দূৰ কৰে তেতিয়াহে জাতীয় জীৱনে প্ৰগতিৰ পথত অগ্ৰসৰ হয়।

প্ৰশাসক কবি বৰদলৈৰ নেফা ভ্ৰমণৰ তিক্ত অভিজ্ঞতা সমূহৰ ভিতৰত 'অশ্বাৰোহন' পৰত বৰদলৈয়ে 'ঘোৰা' কবিতাত ঘোৰা ৰখীয়া এজনৰ দ্বাৰাই কোৱাইছে---

'আমি কি কৰিম ?
তেল চাবোনৰ গোন্ধ
আমাৰ ঘোৰাই সহিব নোৱাৰে,
আচহুৱা পাই উৎপাত কৰে ;
সকলোকে বাৰু সোধ।'
---ঘোৰা---

বৰদলৈয়ে ঘোৰা চলোৱা কাম শিকিব নোৱাৰি কৈছে---'সংসাৰ বহু ন্যময়'।

'তেল-চাবোনৰ গোন্ধ' সহিব নোৱাৰা ঘোৰাই যদি প্ৰশাসকৰ শাসন নেমানে; তেনেহলে আধুনিক যান্ত্ৰিক সভ্যতাই তথা আধুনিক সভ্যতা বিকাশ সাধন কৰিবলৈ যোৱা প্ৰশাসক মণ্ডলীয়ে নেফাৰ জন সাধাৰণৰ 'মন বুজি লৈ' কামত লগাব পাৰি বুলি নে নাই কোনো কথা কোৱা নাই। প্ৰশাসক কলাকাৰ বৰদলৈৰ কাব্যই জনাজাতি শাসনৰ বাবে কেনে যোগ্যতা লাগে প্ৰকাশ কৰা নাই। শিল্পী বৰদলৈয়ে অসমীয়া প্ৰশাসকৰ প্ৰয়োজনীয় মানসিক পৰিপুষ্টি সাধনৰ বাবে গভীৰ জীৱনবোধেৰে সিক্ত অভিজ্ঞতা ৰূপ দিয়া হ'লে তেওঁৰ কাব্যই আন এটা প্ৰগতিবাদী দিশ মুকলি কৰিলেহেঁতেন।

অসমীয়া কাব্য সাহিত্যত কিছুগী কবিয়ে আৰু অন্যান্য কলাকাৰে কুলি, কেতেকী, দহিকতৰা আদি বিভিন্ন চৰাইৰ বিষয়ে কবিতা ৰচনা কৰি দৰ্শনেন্দ্ৰিয় আৰু শ্ৰৱণেন্দ্ৰিয়ৰ তৃপ্তি সাধন কৰিছে। কিন্তু কবি বৰদলৈয়ে শগুনক লক্ষ্য কৰি মনপা সকলৰ মৃতকৰ অন্ত্যেষ্টি ক্ৰিয়াৰ যিটো দৃশ্য অঙ্কন কৰি' পৃথিৱীৰ পৰা আত্মাৰ চিৰ বিদায়ৰ শ্ৰদ্ধা মিশ্ৰিত কাৰুণ্যৰ স্তৱ ৰচনা কৰি শগুনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে তাৰ মাজেদি বৰদ'লৰ আত্ম সাক্ষাৎকাৰ

হৈছে। নেফাৰ জনজীৱনৰ এই অভিজ্ঞতাই বৰদলৈৰ কবি মানসৰ যোগে অসমীয়া কাব্য সাহিত্যলৈ যি মৌলিক চিন্তা প্ৰবাহিত কৰিলে ইয়াৰ তুলনা নাই। কবিয়ে শগুন, জীৱাত্মা দেহ আৰু পৃথিৱীৰ সম্বন্ধৰ মাজেদি সৃষ্টি তত্ত্বৰ এটি নিগূঢ় ৰহস্য উদঘাটন কৰিছে।

বৰদলৈয়ে 'পাৰ্বতী' কাব্যত স্বাধীনতাৰ পৰবৰ্ত্তী কালৰ নেফাৰ বিভিন্ন দিশৰ ৰূপ অঙ্কণ কৰাৰ লগতে; 'চাহ' নামৰ কবিতাত চিংফৌ আৰু ইংৰাজৰ সম্বন্ধ ব্যাখ্যা কৰি; ইংৰাজৰ শোষণ নীতিৰ স্বৰূপ দেখুৱাইছে। বৰদলৈয়ে এই কবিতাটোৰ দ্বাৰা চিংফৌ সকলৰ তথা নেফাৰ জনসাধাৰণৰ স্বাধীনতা লাভৰ বাবে কৰা সংগ্ৰামৰ কথা প্ৰকাশ কৰি নেফাৰ সামাজিক ৰূপ সম্পূৰ্ণ কৰিছে।

শিল্পীয়ে ব্ৰহ্মৰ আৰাধনাৰ যোগে পৰমতৃপ্ত হৈ শিল্প সাধনাত ব্ৰতী হৈ থাকিলেও; সময়ে সময়ে একোটা বিবাদৰ ভাবে মনত অস্থিৰতা সৃষ্টি কৰে। এই অস্থিৰতাৰ ভাব কেইটামান কবিতাত প্ৰকাশ পাইছে। কিন্তু অশান্ত ভাবৰ উদয়ে ভাবুক কবিৰ চিত্তৰ আন এটি দিশ মুকলি কৰি কাব্য কলাৰ ৰূপৰ জেউতিহে চৰাইছে। বৰদলৈৰ 'অনিশ্চিত' কবিতাত নেফা বিষয়ক কবিতা ৰচনা প্ৰয়াসী কবিৰ মনত কাব্য কলাৰ যোগেদি নেফাৰ ৰূপ সৃষ্টি কৰিব পাৰিব নে নোৱাৰে সন্দেহ জাগিছে। 'পাগলী দিবাং' নদীৰ বানে মানৱৰ পৰিকল্পনা ব্যৰ্থ কৰি দিয়া দৃশ্য দেখি কবিৰ মন সংশয় যুক্ত হলেও; মনত দৃঢ়তা আছে। সেয়ে কবিয়ে কৈছে—'আজি মই নীলকণ্ঠ বৈকুণ্ঠ প্ৰয়াসী'।

'নীলকণ্ঠ'ৰ ৰূপ সাধনা কৰা কবি বৰদলৈয়ে হৃদয়ত বৈকুণ্ঠৰ তৃপ্তি আস্বাদন কৰিবৰ বাবে কাব্য কলাৰ সাধক বন্ধুসকলৰ সঙ্গ বিচাৰি অশৰীৰী প্ৰেতৰ দৃশ্য চাই পুনঃ কৈছে—

"হয়তো বসন্তৰ আমাৰ মন
পকা আম নৌ হওঁতেই
বা-মাৰলিত সৰি যাব।"
—নানে—

'নানে' কবিতাতো কবি মানসৰ 'অনিশ্চিত' ভাবৰ ধ্বনি প্ৰকাশ পাইছে। 'বৈকুণ্ঠ প্ৰয়াসী' কবিৰ হৃদয়ত দৃঢ়তাই ৰূপ লোৱা নাই।

শিল্পী হৃদয়ৰ অশান্ত ভাবৰ মাজেদি ৰূপ লোৱা 'এটা দিনৰ জনম' কবিতাত বৰদলৈয়ে শোৱা পাটীৰ পৰাই ৰাতিপুৱাৰ দৃশ্য

উপভোগ কৰি কৈছে, যে প্ৰভাতৰ সৌন্দৰ্য্যই যি বাতৰি আনে তাৰ মৰ্ম সম্পূৰ্ণ উপলব্ধি কৰাৰ কবিৰ ক্ষমতা নাই। হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' কবিতাৰ মাধুৰ্য আৰু বৰদলৈৰ 'এটা দিনৰ জনম' কবিতাৰ পক্ষত ভৈয়ামৰ মাধুৰ্য্যৰ স্মৃতিৰ মাজেৰে অসমীয়া কাব্য সাহিত্যৰ প্ৰভাত বৰ্ণনা পঢ়িলে জাতীয় জীৱনৰ সৌন্দৰ্য সাধনাই নন ক্ষেত্ৰ পোহৰাই পেলোৱা দেখা যায়। গোস্বামীৰ কবিতাত জীৱনৰ যুঁজ এৰি জিৰণি লোৱা 'কামকৰ্মী' দুয়ো পুনঃ কমত প্ৰবৃত্ত হৈছে, কিন্তু বৰদলৈৰ কবিতাত কাম-কৰ্মীয়ে ব্যস্ততা সৃষ্টি কৰিছে। অশান্ত ভাবৰ মাজেদি 'এটা দিনৰ জনম' হল; আৰু সেইদৰে, "আহে আৰু যায়" কবিতাত 'আঘোণৰ নিশা' সৌন্দৰ্য্যই ক্ৰিয়া নকৰাকৈ দিনটো শেষ হল। সেয়ে কবিয়ে কৈছে—

> "কথা আহে আৰু যায়!
> মনৰ কক্ষত ৰেখা এটিও নপৰে।"

ইয়াতেই কবি বৰদলৈৰ শিল্পসাধনাৰ এটি দিশ প্ৰকাশিত হোৱাত কলা অনুশীলন কাৰীক, তথা জীৱন সংগ্ৰামত ব্ৰতী হোৱা লোকক প্ৰস্তুতিৰ পথ দেখুৱাইছে।

এনে 'অনিশ্চিত' ভাবৰ হেন্দোলনিত কবি বৰদলৈৰ চিত্তত হেৰোৱা এখন চিঠি' কবিতাত দাম্পত্য প্ৰেমৰ স্মৃতিৰ পৰশ লাগি 'জীৱন ধাতা'ৰ চিঠিৰ বাণী জাগ্ৰত হৈছে। সেইদৰে 'তিৰ্য্যক' কবিতাত এই বেদনা জাগি উঠা'ত কবিয়ে কৈছে—

> 'তাৰ ধূলি ধূসৰিত গানে
> নীৰসত প্ৰাণ আনিবনে?'

শিল্পসাধনা আৰু কণ্টকৰ ভ্ৰমণৰ যোগে লাভ কৰা অভিজ্ঞতাৰ মাজেদি বোজা কঢ়িওৱা ঘোৰাৰ প্ৰতি বৰদলৈৰ যি সহানুভূতি প্ৰকাশ পাইছে, সেই অভিজ্ঞতা 'উলাক' কবিতাত ধ্বনিত হৈছে। মুঠতে, মানৱ সমাজ, চৰাই, জন্তুৰ প্ৰতি বৰদলৈৰ সমান শ্ৰদ্ধা। এই সৰ্বাত্মক দৃষ্টি ভঙ্গীয়ে কবিৰ প্ৰকৃত জীৱনবোধ প্ৰকাশ কৰিছে, সেয়ে অসমীয়া কাব্য সাহিত্যৰ প্ৰগতিবাদী চিন্তাৰ নতুন দিশ মুকলি হৈছে।

কবি বৰদলৈয়ে প্ৰশাসকৰ তিক্ত অভিজ্ঞতাৰ কাব্যিক ৰূপ দিয়া নাই যদিও, 'গেৰ গেন' কবিতাত পৰ্বতৰ জনজাতীয় সমাজক ভৈয়ামৰ লগত একতাৰ ডোলেৰে বান্ধিবৰ বাবে প্ৰয়োজনীয় মহান

আদৰ্শ ব্যাখ্যা কৰিছে। বৰদলৈয়ে ভাবে ৰাজনীতিৰ যোগেদি ঐক্য সাধন কৰাতকৈ শিক্ষকৰ জীৱনৰ ত্যাগ আৰু সেৱাৰ আদৰ্শইহে পৰ্বত ভৈয়ামৰ সৰপ্ৰকাৰ যোগসূত্ৰ স্থাপন কৰিব পাৰে। বৰদলৈয়ে কৈছে ভৈয়ামৰ মহান আদৰ্শৰ শিক্ষক সকলক নেফাৰ জন সাধাৰণে লামা সকলৰ সমান শ্ৰদ্ধা কৰে।

শিক্ষকৰ জীৱনৰ দৈৱী সম্পদ সমূহৰ মহত্ত্ব ৰূপ দি, বৰদলৈয়ে হৃদয়ৰ যিটো প্ৰেৰণা দায়ক ৰূপ সৃষ্টি কৰিছে ; তাৰ মাজেদি ভাৰতীয় আধ্যাত্মিক জীৱনৰ শক্তি পূৰ্ণ ৰূপে প্ৰবাহিত হৈছে। বৰদলৈয়ে শিক্ষকৰ মুখেদি কোৱাইছে---

'আজীৱন আমি ৰয়
ভৃত্য হৈ মানৱ সেৱাত ।'

নেফাৰ উদ্দেশ্যে ৰচনা কৰা কাব্যত ভৈয়ামৰ শিক্ষকক অনুপ্ৰাণিত কৰিবৰ বাবে ৰচনা কৰা 'গেৰ গেন' কবিতাই বৰদলৈৰ কৰ্ম-জ্ঞান-ভক্তিৰ সাধনাৰ আন এটি দিশ প্ৰকাশ কৰিছে ।

সেইদৰে, 'স্বৰ্ণভূমি' কবিতাত খামতি সকলৰ দেশ প্ৰেম জাগ্ৰত কৰিবৰ বাবে বৰদলৈয়ে খামতি সকলৰ শাৰীৰিক-মানসিক শক্তি ৰূপ দি গোষ্ঠী চেতনা প্ৰকাশ কৰিছে । বৰদলৈৰ কাব্যত ডফলা, মিৰি, মিছিমি, চিংফৌ খামতি, নেপালী আদি সকলো শ্ৰেণীৰ বিভিন্ন গুণৰ বৰ্ণনা আছে ।

স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাত অসমীয়া কাব্য সাহিত্যৰ মাজেদি প্ৰবাহিত শান্ত সমাহিত ভাবৰ প্ৰবাহ বিচাৰ কৰিলে প্ৰধানকৈ দুখন কাব্য উল্লেখযোগ্য (১) নলিনী বালা দেৱীৰ 'অলকানন্দা' (২) মুক্তি বৰদলৈৰ 'পাৰ্বতী' কাব্য। এই দুয়োখন কাব্যই 'হিমালয় পৰ্বতৰ শুকুলা টিঙৰ' দুটা ৰূপ অঙ্কন কৰি ভাৰতীয় সংস্কৃতিৰ শক্তি হিমালয়ৰ পৰা লুইতৰ পাৰলৈ প্ৰবাহিত কৰিছে ।

তদুপৰি শক্তিৰ সাধনাত ব্ৰতী হোৱা দুয়ো গৰাকী কলাকাৰে আদ্য-শক্তি মহামায়া 'পাৰ্বতী' আৰু নীলাচলৰ কামাখ্যাদেৱীক অৰ্চ্চনা কৰি ; অসমীয়া জাতীয় জীৱনৰ প্ৰগতিৰ পথ ৰচিছে ধৰ্মৰ সংকীৰ্ণ গণ্ডীৰ পৰা কলাক সম্পূৰ্ণ ৰূপে মুক্ত কৰি। বৰদলৈয়ে বৌদ্ধ সংস্কৃতিৰ আৰু পৰ্বতীয়া জীৱনৰ ৰূপ সৃষ্টি কৰি, আৰু নলিনী বালা দেৱীয়ে প্ৰধানকৈ ভৈয়ামৰ ৰূপ সাধনা কৰি ; সাম্প্ৰতিক কালত অসমীয়া

কাব্যৰ প্ৰবাহত যি শক্তি সঞ্চিত কৰিলে সেয়ে, অৱসাদ ৰোগাক্ৰান্ত কবি সকলক গ্ৰাস কৰিব।

অতুল হাজৰিকাই চীনৰ আক্ৰমণ ৰোধ কৰিবলৈ ৰক্তজবা' অৰ্পণ কৰি শক্তি পূজা কৰাৰ দৰে নলিনীবালা দেৱীয়েও শক্তি পূজাৰ আয়োজন কৰি 'মৃত্যু বিজয়ী নৱ জোৱান' সকলক আশীবাদ দিছে। বিংশ শতিকাৰ সপ্তদশকৰ অসমীয়া কাব্যত মানৱ প্ৰেম আৰু মানৱ আত্মাৰ পূৰ্ণ বিকাশৰ বাবে 'অলকা নন্দা' আৰু 'পাবতী' কাব্য চিৰস্তম্ভ হৈ থাকিব।

দিনেশ গোস্বামী

নতুন কবি সম্প্ৰদায়ৰ অন্যতম কবি দিনেশ গোস্বামীৰ (১) 'হত্যাকাণ্ড', (২) 'তুমি আৰু সন্ধ্যাৰ মানুহ' (৩) 'শব্দ ময়ী অপ্সৰা ৰমণী সম্পৰ্কে', (৪) 'বৃত্তৰ বাহিৰত', (৫) 'সুৰঙ্গৰ ভিতৰত' কবিতা সমূহৰ মাজেদি গোস্বামীৰ কবি মানসৰ গতি বিচাৰ কৰিলে জাতীয় জীৱনৰ সাংস্কৃতিক প্ৰবাহ জাতিৰ জীৱন বৃত্তৰ বাহিৰত গভীৰ অন্ধকাৰ সুৰঙ্গত প্ৰবেশ কৰা দেখা যায়।

গোস্বামীয়ে যিখন কাব্যজগতত বিচৰণ কৰিছে তাত ব্যক্তিৰ জীৱনৰ নাইবা ৰাষ্ট্ৰীয় জীৱনৰ গতিশীল আদৰ্শ নাই। কবি গোস্বামীয়ে অন্তৰৰ গভীৰ বেদনা দূৰ কৰিবৰ বাবে সংকল্প কৰি কৈছে "এয়েতো সময় যন্ত্ৰণাক হত্যা কৰাৰ," কিন্তু যন্ত্ৰণাক হত্যা কৰিবলৈ গৈ সুৰঙ্গত সোমাই উপলব্ধি কৰিলে যে,—

> "লাভাৰ সোঁত বৈ গৈছিল পেটৰ পৰা ডিঙিলৈ
>
> বমি কৰাৰ ইচ্ছা এটা উঠি আহিছিল।"

শিল্পীয়ে যেতিয়া নিজৰ সৃষ্টি আগ্নেয়গিৰিৰ লাভা হজম কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লয়; তেতিয়া ৰুচিবোধ সম্পন্ন কলা-মোদী লোকে তামসিক কলাৰ পূজাৰীক সুৰঙ্গৰ ভিতৰত বমিৰ বেদনাৰ পৰা উদ্ধাৰ পোৱাৰ পথ দেখুৱাবলৈ; 'আৰোগ্য নিকেতন' ৰূপী 'অলকানন্দাত' স্নান কৰি 'পাৰ্বতীৰ ৰূপ দৰ্শন কৰিবলৈ আহ্বান জনাব। স্বাধীনোত্তৰ কালত গৰল পান কৰা; বমি কৰি কৰি ৰুগ্ন হোৱা কাব্যকাৰৰ চিকিৎসাৰ ব্যৱস্থা অমৃত পান কৰা কাব্যকাৰ 'আৰোগ্য নিকেতন' ত নিৰূপণ কৰিছে।

শিল্পীয়ে জাতিৰ জীৱনৰ পৰা কালিমাবোৰ দূৰ কৰি 'ঝাড়ুদাৰ' হোৱাৰ বাঞ্ছা কৰিলে প্ৰথমতে 'নিজৰ অহংসিন্ধু মন্থন কৰি, নাৰকী কলুষ ক্লেদ' দূৰ কৰিব লাগিব। সাধনাৰ যোগেদি আত্মজ্ঞান লাভ কৰিব নোৱাৰা কবিয়ে সামাজিক জীৱনৰ সমস্যাৰ মাজত নিজকে বিলীন কৰি দি; জাতিৰ জীৱনত প্ৰতিক্ৰিয়াশীল আদৰ্শ সৃষ্টি কৰে। গোস্বামীয়ে ব্যক্তিগত জীৱন আৰু ৰাষ্ট্ৰীয় জীৱন; সকলোতে প্ৰতিক্ৰিয়াশীল আদৰ্শহে সৃষ্টি কৰিছে।

গোস্বামীয়ে 'বৃত্তৰ বাহিৰত' কবিতাত ৰাষ্ট্ৰীয় জীৱনৰ এটা কদাকাৰ দৃশ্য অঙ্কন কৰি কৈছে 'এইটো এটা নতুন দিন।' প্ৰকৃতে শিল্পীয়ে চিত্তৰ পবিত্ৰতাৰ বলত বিশৃঙ্খল জীৱনৰ মাজৰ পৰা উদ্ধাৰ পোৱাৰ পথ দেখুৱাই সাত্ত্বিক ভাবেৰে জাতীয় আত্মা শক্তিশালী কৰে। কিন্তু অন্ধকাৰৰ মাজত আত্মদাহ দিয়া কবিয়ে মানসিক বিকাৰৰ বাবে দিকবিদিক জ্ঞান শূন্য হয়। সেয়ে তামসিক কলাৰ আৰাধনাত ব্ৰতী গোস্বামীৰ কবি সম্প্ৰদায়ে তেজৰ মাজৰ পৰা সৰ্প-দংশনৰ বিহ দূৰ কৰিব নোৱাৰি, নতুন দিনৰ সপোন ৰচি জীৱনৰ সুৰঙ্গত বমি কৰিছে। এওঁলোকে নতুন জীৱনৰ মূল্যবোধ কি নাজানে।

স্বাধীনতাৰ পৰৱৰ্তী কালত ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাই ৰাষ্ট্ৰীয় জীৱনত যি হতাশাৰ ভাব সৃষ্টি কৰিছে; সেই হতাশাৰ ভাব দূৰ কৰিবৰ বাবে যি দৃঢ় মনোবল আৰু তত্ত্বজ্ঞান সম্ভূত শিল্পসাধনাৰ প্ৰয়োজন ইন্দ্ৰিয়ৰ দাস গোস্বামী আদি কবি সকলে সেই শিল্প সাধনা কৰা নাই।

কবি গোস্বামীয় যন্ত্ৰণাক হত্যা কৰিব'ল যন্ত্ৰণাৰ যি নাৰী ৰূপ সৃষ্টি কৰিলে; তাৰ মাজেদি গোস্বামীৰ ইন্দ্ৰিয় লালসা এনেদৰে ব্যক্ত হৈছে; যে যন্ত্ৰণাই কবি মানসৰ বিভ্ৰান্তিৰ মাজেদি উলঙ্গ ভাবে আত্মপ্ৰকাশ কৰি জীৱনৰ অন্ধকাৰ সুৰঙ্গলৈ কবিক মাতি নিছে।

কবি গোস্বামীয় ব্যক্তিগত জীৱনৰ নৈৰাশ্য দূৰ কৰিবৰ বাবে 'শব্দময়ী ৰমণী'ৰ ৰূপ সাধনা কৰি অতীন্দ্ৰিয় জগতলৈ গতি কৰাৰ চেষ্টা কৰিছিল যদিও; জৈৱিক বাসনাৰ তীব্ৰতাই কবিৰ অন্তৰাত্মাৰ খিৰিকি মুকলি কৰি নিদিলে। সেয়ে গোস্বামীয়ে কৈছেঃ—

"তাই আৰু মই
দগ্ধ হওঁ একে শ্মশানত।'

গোস্বামীৰ ব্যক্তিগত জীৱনৰ দৈহিক বাসনা পৰিতৃপ্ত নোহোৱা বাবে হৃদয় মৰিশালিত কামনাৰ জুই জ্বলি থাকিল। ১৯৬৬ চনত এই জুই নিৰ্বাপিত হোৱাৰ ইংগিত নাই।

ব্যক্তিগত জীৱনৰ নৈৰাশ্য আৰু ইন্দ্ৰিয় কাতৰতাই গোস্বামীৰ চিত্ত মলিন কৰি দিয়া বাবে সমাজ জীৱনৰ উলহ মালহৰ দৃশ্য গোস্বামীৰ কবিতাত প্ৰকাশ পোৱা নাই। তদুপৰি জাতীয় জীৱনৰ সাংস্কৃতিক প্ৰবাহে আৰু লোক জীৱনৰ সান্নিধ্যই গোস্বামীৰ কবি মানসত মানৱ প্ৰেম জাগ্ৰত নকৰা বাবেও ব্যৰ্থ জীৱনৰ চকুলো টুকি গোস্বামীয়ে ক্ৰন্দন জীৱনৰ দৃশ্য আঁকিছে।

নীলিমা দত্ত

স্বাধীনতাৰ পূৰ্বকালত আধ্যাত্মিক চিন্তা আৰু দেশ প্ৰেমৰ মাজেদি আত্মজ্ঞান লাভ কৰা; মহিলা কবি সকলে অসমীয়া কাব্য সাহিত্যত নাৰী হৃদয়ৰ সুকুমাৰ অনুভূতিৰ পৰশৰ যোগেদি জাতীয় জীৱনলৈ শক্তি আহৰণ কৰিছে।

কিন্তু স্বাধীনতাৰ পৰৱৰ্তী কালত বিংশ শতিকাৰ সপ্ত দশকত মহিলা কবি নীলিমা দত্তই নাৰী হৃদয়ৰ পবিত্ৰতাৰ যোগে সংশয় মুক্ত হৈ জীৱন প্ৰবাহৰ গভীৰতাৰ মাজত প্ৰবেশ কৰিব নোৱাৰি কৈছে---

'মাতৃৰ পৰশ বিচাৰি
আকৌ এবাৰ
কণমান শিশুটিৰ দৰে
ক'ৰা হাঁহাঁকাৰ।

অসমীয়া সমাজ জীৱন তথা ভাৰতীয় সমাজ জীৱনত দেখা দিয়া বিবিধ সমস্যাই কবি দত্তক ভয়ত কাতৰ কৰাৰ মূলতে হৈছে নলিনীবালা দেৱীৰ আধ্যাত্মিক শক্তিৰ অভাৱ। নাৰীয়ে সমাজৰ শিশু আৰু পুৰুষক শক্তিশালী প্ৰেৰণা যোগাই আনন্দ লাভ কৰে, যেতিয়া নাৰীৰ হৃদয়ত গভীৰ তত্ত্বজ্ঞান থাকে।

ইন্দ্ৰিয় সুখকে জীৱনৰ সৰ্বস্ব বুলি ভবা বিষাদ যুক্ত পুৰুষ কবি সকলৰ লগতে সুৰ মিলাই কবি দত্তই হৃদয়ৰ শান্তি হেৰুৱাই পেলাইছে। কিন্তু 'জাৰাসন্ধ' ৰূপী হৃদয়ত সৰ্পদংশনত বিষক্ৰিয়াত জৰ্জৰিত হোৱা পুৰুষ কবি সকলে দত্তৰ আত্মাৰ তৃপ্তি বিধান কৰিব নোৱাৰে।

কবি দত্তই অন্তৰৰ হাঁহাকাৰ দূৰ কৰিবৰ বাবে নলিনী বালা দেৱীৰ 'সমাধি'ৰ যোগেদি 'অলকানন্দা' ত স্নান কৰিব লাগিব। কবি দত্তই 'ৰেঙণি' (১৯৬৩) কবিতাত নতুন জীৱনৰ পাতনিৰ আশা পোষণ কৰি কৈছে—'নয়নৰ সৰু সৰু মণি উঠিব উজলি নতুন যুগৰ

দৃষ্টিয়ে দেখিব এক নতুন পোহৰ—
মহাকাশ নতুন এখনি মহাবিশ্বৰ।'

কিন্তু, 'ভীতি' আৰু 'ডাৱৰ ডাৱৰ মাথা কলীয়া ডাৱৰ' (১৯৬৬) কবিতাত আশাৰ ৰেঙণি' পাৰ যোৱা দেখা পালে। তিনিবছৰ পাচতে কবি দত্তই জীৱনৰ প্ৰতি বিশ্বাস হেৰুৱাই পেলালে।

শিল্পীয়ে জীৱনৰ গভীৰতাত প্ৰৱেশ কৰিব লাগিলে আত্মবিশ্বাসৰ মাজেদি জগত আৰু জীৱনৰ বিবিধ সমস্যা 'বীণ বৰাগী' কবি সকলৰ দাৰ্শনিক জ্ঞানেৰে চাব লাগিব। অন্যথাই শিল্পসাধনাই শিল্পীৰো হৃদয়ৰ ভয় দূৰ নকৰে নাইবা সেই শিল্পই সমাজৰো কল্যাণ সাধন নকৰে।

নতুন জীৱনৰ সপোন দেখিলেই নহয়; নতুন মহাজীৱনৰ পাতনিৰ বাবে কবি শিল্পীয়ে সমাজক শক্তি যোগাব লাগিব। নিজে শক্তিযুক্ত হৈহে কলাকাৰে মহাজীৱনৰ বাবে আনক শক্তি দিব পাৰে। নহলে আশা বাস্তৱত পৰিণত নহয়।

দাৰ্শনিক কবি ভবানন্দ দত্তই 'পূবেৰুণ'ক আৰাধনা কৰি অসমীয়া জাতিক শাশ্বত বাণী শুনাইছে; কিন্তু নীলিমা দত্তই পবিত্ৰ হৃদয় লৈ সূৰ্য্যক আৰাধনা কৰিব নোৱাৰা বাবে দিনতে অন্ধকাৰ দেখিছে। জাতীয় ঐতিহ্যৰ পৰা প্ৰেৰণা লাভ কৰিব নোৱাৰা বাবে দত্তৰ হৃদয় 'এন্দুৰে কুটি কুটি' খাইছে।

ভবানন্দ দত্তই প্ৰাণৰ দুৱাৰ সম্পূৰ্ণ মুক্ত কৰি; 'পূবেৰুণ'ক আৰাধনা কৰি; বৈদিক ঋষিৰ সূৰ্য্যাস্তৱ ৰচিছে। কিন্তু নীলিমা দত্তই মহেন্দ্ৰ বৰাৰ দৰে 'হতাশাৰ বোজা বৈ ছবিৰ কাবুলী যেন' হৈ আত্মাক অস্বীকাৰ কৰি ৰুগীয়া হৈছে। সেয়ে, মুক্তি বৰদলৈয়ে কোৱাৰ দৰে সুৰঙ্গত বহি কৰা, হৃদয়ত সাপ পুহি ৰখা, মগজুত পোকে কামোৰা কবি সকলক চিকিৎসাৰ বাবে 'আৰোগ্য নিকেতন'লৈ পঠোৱা প্ৰয়োজন।

কথা গীতাত এষাৰ কথা আছে—যি গুৰু উপদেশ নুবুজে, বুজিয়ো যি শ্ৰদ্ধা নকৰে, শ্ৰদ্ধা কৰিয়ো মোৰ হয় নহয় বুলি যি শঙ্কা কৰে সি স্বাৰ্থভ্ৰংশ হয় । সংশয়'ত ধনাৰ্জনো বিবাহো নঘটে, এতেকে সুখো নাই। কৰ্ম নিসি'জ পদে পৰলোকো নাই।" কবি দত্তৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য ।

বৰ্ষাকালত সময়ে সময়ে ডাৱৰে সূৰ্য্যটো ঢাকি ৰাখে; সেইদৰে জাতীয় আত্মাতো সময়ে সময়ে মলি জন্মে। প্ৰকৃত তত্ত্বজ্ঞান সম্পন্ন শিল্পীয়ে একান্ত সাধনাৰে ডাৱৰৰ মাজে মাজে 'পূবেৰুণ'ৰ জ্যোতি দেখি মানৱ জাতিক অভয় দান কৰি প্ৰগতি পথত অগ্ৰসৰ হ'বলৈ সাহসী প্ৰেৰণা যোগায়। সে'য়, সমাজ জীৱনৰ পৰা ডাৱৰ আঁতৰি পৰাত জাতীয় জীৱন পুনঃ স্পন্দনশীল হৈ উঠে; প্ৰকৃত সাধকৰ সাধনাৰ যাদু স্পৰ্শত।

কবি দত্তই অন্তৰৰ নিভৃতম স্থানত 'পূবেৰুণ'ক আৰাধনা কৰাহেঁতেন; নিজে হাঁহাঁকাৰ শূন্য হৃদয় লৈ জাতীয় জীৱনৰ পৰা ডাৱৰ আঁতৰ কৰিবৰ বাবে 'পূবেৰুণ'ৰ আলোক মালাৰ শক্তি বিয়পাই সৌৰ শক্তিৰে দীপ্তিমন্ত হৈ থাকিলহেঁতেন । কিন্তু 'পোহৰতকৈ আন্ধাৰ ভাল' পোৱা কবি সংসাৰৰ লগতে আন্ধাৰত প্ৰৱেশ কৰি তমসাবৃত হৈছে ।

কবি দত্তৰ হৃদয়ৰ 'ডাৱৰে' আৰু এন্দুৰ' বোৰে সমসাময়িক মহিলা কবি সকলৰ হৃদয় আছন্ন কৰা বাবে ; সাম্প্ৰতিক কালত নাৰীৰ কাব্য সধনাই নাৰী হৃদয়ৰ পবিত্ৰতা লুপ্ত কৰাৰ দৃশ্যহে দেখুৱাইছে ।

নিৰ্ম্মল প্ৰভা বৰদলৈ

নীলিমা দত্তৰ হৃদয় ভীতি বিহ্বল হোৱাত প্ৰগতিবাদী আদৰ্শই কবি দত্তৰ অন্তৰ স্পৰ্শ নকৰাৰ দৰে; বাস্তৱ জীৱনৰ সংঘাতে নিৰ্মল প্ৰভা বৰদ'লৰ হৃদয়ৰ প্ৰভা দূৰ কৰিছে। সেয়ে, বৰদলৈয়ে সমসাময়িক সমাজ জীৱনৰ গভীৰতাত প্ৰৱেশ কৰি জাতিৰ সেৱাত প্ৰাণ ঢালি দিব'ল নাৰী হৃদয়ৰ কোমলতাৰে 'আহ্বান' জনাব পৰা নাই। বৰদলৈ আদি ভীতিকাতৰ নাৰী সকলে জাতীয় সংস্কৃতিৰে অন্তৰাত্মা আলোকিত নকৰা বাবে দিন দুপৰত ঘৰৰ ভিতৰতে ভয় খায়।

যিদৰে ৰুচি সম্পন্ন ব্যক্তিয়ে সুৰুচি সম্পন্ন সাজ পাৰ পিন্ধি জাতীয় উৎসৱত যোগদান কৰে; সেইদৰে জাতীয় সংস্কৃতিৰ আৰাধনাত ব্ৰতী তত্ত্বান্বেষী শিল্পীয় 'জনতাৰ দৰবাৰ' হ'বৰ বাবে

গভীৰ নিচাবে 'আহ্বান' জনাই কয়—

> "উষা ৰুক্মিণী সখা অসমীয়া জীয়াৰীয়ে
> ভাওনাৰ চং সাজি
> বিলাসত বুৰ মাৰিছে ।"
>
> —আহ্বান—

ৰৰদলৈ দত্ত আদি জীয়াৰী সকলে ভীতি কাতৰ ভাব আঁতৰাই 'জনতাৰ দৰবাৰ'ত যোগদান কৰিবলৈ সাহস গোটাবলৈ নলিনী দেৱীৰ 'আহ্বান'লৈ কাণ দিয়া উচিত ।

ঘৰৰ ভিতৰত আয়নাৰ প্ৰসাধনৰ সামগ্ৰীৰে মুখ চাই সময় কটালে দিন দুপৰতে অন্ধকাৰ দেখা স্বাভাৱিক । নলিনীবালা দেৱীৰ হৃদয় সম্ভূত বিদ্যুৎ তৰঙ্গ বাজি গ্ৰহণ কৰিবলৈ ৰৰদলৈৰ হৃদয়ত বিদ্যুৎ শক্তি জাগ্ৰত হলে ৰৰদলৈ জনতাৰ মাজলৈ যাব পাৰিব ।

লক্ষহীৰা দাস

সমসাময়িক মহিলা কবি দত্ত-ৰৰদলৈৰ দৰে অন্তৰৰ বেদনাত ব্যথিত হোৱা কবি লক্ষহীৰা দাসে 'আশ্বাস' (১৯৬৬) কবিতাত কৈছে—

> "মই এক জীৱনৰ জৰাক্ৰান্ত
> শয্যাগত ৰোগী
> স্তব্ধ মৃত প্ৰায় ।"

কবি দাসে মৃত প্ৰায় হৈ প্ৰকৃতিৰ সৌন্দয উপভোগ কৰি চিত্তৰ শান্তি লাভ কৰাৰ চেষ্টা কৰিছিল যদিও ; প্ৰকৃতিৰ সৌন্দৰ্যই কবি দাসৰ হৃদয়ত কাব্য ৰসৰ সঞ্চাৰ নকৰে ।

নলিনী বালা দেৱীয়ে অসমৰ জীয়াৰী সকলৰ ৰোগ নিৰ্ণয় কৰি ; বিলাসী জীৱন তথা ইন্দ্ৰিয় কাতৰতাই হৃদয়ৰ সৃজনী প্ৰতিভা নিৰ্মূল কৰি , আধ্যাত্মিকতাৰ উজ্বল পোহৰৰ শক্তি লাভ কৰাৰ পথত বাধা হোৱা বুলি কৈছে । সেয়ে, চিত্ত সহজে বিগলিত নহয় ।

সাম্প্ৰতিক কালৰ কাব্যকাৰ সকলৰ হৃদয়ত যে শান্তি নাই ; এই কথা প্ৰায় আটাইবোৰ নতুন কবিয়ে কৈছে । লক্ষহীৰা দাসে প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত আত্ম বিলোপ কৰি পৰম তৃপ্তি নাপালেও

নীতি বিহঙ্গ হোৱা নাই, অন্ততঃ জীৱনৰ 'আশ্বাস' বিচাৰি মুক্ত আকাশৰ তলত বিচৰণ কৰিব পাৰিছে। কিন্তু হৃদয়ত বিদ্যুৎ শক্তি সঞ্চাৰিত কৰি সমাজ জীৱনত শান্তিৰ বাণী শুনাবলৈ গভীৰ আত্মবিশ্বাস লাভ কৰা নাই যদিও; নিৰ্মল প্ৰভা বৰদলৈৰ দৰে হতুমান হৈ অন্ধকাৰৰ মাজত প্ৰৱেশ কৰা নাই। দাসৰ 'বীৰ জাতিতৰ দেশ' কবিতাত অৱশ্যে সাহসী প্ৰেৰণা প্ৰকাশ পাইছে।

কবি দাসৰ মানসিক দ্বন্দ্বৰ ৰূপে 'প্ৰাণগঙ্গা' (১৯৫৭) কাব্যতো প্ৰকাশ পাইছে। দাসৰ 'প্ৰাণগঙ্গা' কাব্যৰ 'শেষৰ কবিতা' আৰু 'মাটিৰ সৰগ' (১৯৫০) কবিতা দুটাৰ পৰা আৰম্ভ কৰি 'আশ্বাস' (১৯৬৬) কবিতালৈ সুদীৰ্ঘ ষোল বছৰ কাল এই মানসিক দ্বন্দ্বই ক্ৰিয়া কৰিছে।

দাসৰ 'প্ৰাণগঙ্গা' কাব্যত অব্যক্ত অসীম সৌন্দৰ্যৰ সাধনাই হৃদয়ৰ কাৰুণ্য মিশ্ৰিত ভক্তিৰ মাজেদি গঙ্গাৰ সোঁত মুক্ত কৰিলে যদিও, চিৰতৃপ্তি লাভ কৰাৰ বাবে দাসে ধৈৰ্য্য ধৰি গঙ্গাৰ সোঁতত উটি অনন্ত সমুদ্ৰলৈ গতি কৰিবৰ বাবে গঙ্গাৰ পাৰত তপস্যা নকৰিলে।

তদুপৰি কবি দাসে আৰাধ্য দেৱতাক পাবৰ বাবে 'মাতৃ মাটিৰ জয়ৰ গান' আৰু 'নিঠুৰ পৃথিৱী, ক্ষমাৰ চকুৰে আৰু চাম কতকাল' এই দুটা পৰস্পৰ বিৰোধী ভাব সমন্বয় কৰিব নোৱাৰা বাবে দাসৰ 'প্ৰাণৰ গঙ্গাই' ব্ৰহ্ম সমুদ্ৰত মিলি নগল। মানৱ প্ৰাণে স্থিৰ চিত্তে সাধনা নকৰিলে মনৰ সংশয় দূৰ কৰিব নোৱাৰে। সেয়ে, দাসে বিশ্বশিল্পীৰ ৰহস্য বুজি নাপাই পৰম পুৰুষৰ ওচৰত আত্মনিবেদন কৰিব নোৱাৰিলে।

ৰঘুনাথ চৌধুৰীয়ে জীৱনৰ "অমৃত গৰল" ভৰা সমুদ্ৰত সংশয়-বাদী মনোভাব লৈ কাব্য সাধনা কৰি কৰ্মজ্ঞান ভক্তিৰ মাজেদি চিত্তৰ তৃপ্তি নোপোৱাৰ দৰে দাসেও তৃপ্তি পোৱা নাই।

সাম্প্ৰতিক কালৰ উচ্চশিক্ষা প্ৰাপ্ত, অধ্যয়ন অধ্যাপনা কামত ব্ৰতী হৈ থকা মহিলা কবি তিনিগৰাকীৰ কবি মানসৰ যোগেদি সাম্প্ৰতিক কালৰ অসমীয়া জাতিৰ উচ্চশিক্ষিতা নাৰীৰ তত্ত্বজ্ঞান আৰু জীৱন তৃষ্ণা বিচাৰ কৰিলে ব্যৰ্থতাৰ ভাবহে দেখা যায়। কিন্তু স্বাধীনতাৰ পূৰ্ব কালৰ হিমজা বৰুৱানী, পদ্মাৱতী দেৱী ফুকননী, আজলী ভৰা নেওগ, যমুনেশ্বৰী খাটনিয়াৰ, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আদি মহিলা কবি সকলে ভগৱৎ আৰাধনা আৰু বিষয় সুখৰ সমতা

ৰক্ষা কৰা বাবে পৰমত্তানৰ বলত মনৰ ভ্ৰান্তি দূৰ কৰি সুখী জীৱনৰ আদৰ্শ সৃষ্টি কৰি গৈছে।

স্বাধীনতাৰ পৰৱৰ্তী কালত নাৰীয়ে উচ্চশিক্ষা লাভ কৰি অৰ্থোপাৰ্জনৰ ক্ষমতা প্ৰাপ্ত হোৱাত, বস্তুবাদী সভ্যতাৰ মোহে [illegible] [illegible] পবিত্ৰতা দূৰ কৰিলে। সেয়ে, দত্ত-বৰদলৈ-দাসৰ বেদনাৰ, [illegible] অসমীয়া জাতিৰ প্ৰতি শিক্ষিতা নাৰীৰ অৱদানৰ তথ্য সংগ্ৰহ কৰিলে ব্যৰ্থতাৰ ভাব সৃষ্টি হোৱাহে দেখা যায়।

নতুন কবিতাৰ পথ অনুসৰণ কৰি, ভাৰতীয় সংস্কৃতিৰ ৰসধাৰা সাধনা কৰিবলৈ অস্বীকাৰ কৰা, সাম্প্ৰতিক কালৰ বিষাদ ৰোগাক্ৰান্ত কবি সকলে ভৱিষ্যৎ পুৰুষৰ জনক-জননীবোৰে কি আদৰ্শ এৰি যাব? স্বাধীনতাৰ পূৰ্বকালত কোনো কোনো কবিয়ে বিষাদ ৰোগাক্ৰান্ত হলেও, অন্ততঃ এটা আদৰ্শত বিশ্বাস আছিল। কিন্তু স্বাধীনতাৰ পৰৱৰ্তী নতুন কবি সকলৰ কোনো সঙ্গতি পূৰ্ণ আদৰ্শ নাই।

উচ্চশিক্ষা প্ৰাপ্ত মাতৃ জাতিৰ হৃদয়ৰ বিষাদ আৰু চিত্তৰ বিভ্ৰান্তিৰ বুজ পাই, হোমেন বৰগোহাঁয়ে 'মোৰ আইতা' কবিতাত ভাৰতীয় সংস্কৃতিৰ ৰসধাৰাত স্নান কৰি, পবিত্ৰ হৃদয়েৰে সুখী জীৱন যাপন কৰা অনাখৰী-জ্ঞানী আইতাক শ্ৰদ্ধা নিবেদন কৰিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

স্বাধীনতাৰ পৰৱৰ্তী কালত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ধ্যান ধাৰণাৰ সমন্বয়ৰ যোগেদি, সুস্পষ্ট জীৱনবোধ লৈ কাব্য সাধনা কৰা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ (১) 'আমি বহুবাৰ জনতাৰ দৰবাৰ' নামৰ কবিতাৰ পৰা (২) 'জনতা' নামৰ কবিতাৰ ভাৰ বাজিত প্ৰবেশ কৰিলে ভট্টাচাৰ্য্যৰ পুৰৰ উলহ মালহ কিছু ম্লান হোৱা দেখা যায়।

স্বাধীনতা লাভৰ লগে লগে সাম্য মৈত্ৰী ভাবৰ চৌত অসমৰ সকলো প্ৰকাৰ ভেদাভেদ উটাই দি 'নতুন অসম সোণৰ অসম' গঢ়াৰ প্ৰতিশ্ৰুতি লৈ কবিয়ে জনতাৰ ওচৰ চাপিছে। কবি ভট্টাচাৰ্য্যই অসমৰ পাহাৰ ভৈয়ামৰ সকলো শ্ৰেণীৰ লোকক সামৰি লৈ জাতীয় জীৱনৰ মহান গতিশীল ধাৰা সৃষ্টিৰ মানসে জনতাৰ চৰকাৰ প্ৰতিষ্ঠা কৰাৰ সংকল্প লৈছে। ভট্টাচাৰ্য্যই জনতাৰ চৰকাৰ প্ৰতিষ্ঠাৰ বাবে

কিন্তু বিদেশী আদৰ্শ গ্ৰহণ কৰা নাই ; ভট্টাচাৰ্য্যই মাত্ৰ কৈছে যে, "পুৰণি দৈন্য জুইৰে পুৰিম নতুন সাহস ঢালি'। এয়ে বেজবৰুৱাৰ পুৰণি পৃথিবী নকৈ চাই লোৱাৰ প্ৰয়াস।

কবি ভট্টাচাৰ্য্যই অসমভূমিৰ জনতাৰ দৰব্যাৰৰ মাজৰ পৰা বিশ্বৰ জনতাৰ দৰবাৰলৈ গতি কৰি শেষত কলে—

"বহুত বিনিদ্ৰ নিশা সোণৰ উৰলা জোনটিয়ে
জখলাৰে নামি আহি
আমাৰ পাটীত কথা কয়,
সপোনৰ কথা ।
কালিলৈ পৃথিবীৰ অধিপতি হম।"

কবি ভট্টাচাৰ্য্যই বিশ্বৰ জনতাৰ সপোন বাস্তৱত ৰূপায়ণ হোৱা নেদেখিলে যদিও, হতাশ হৈ পৰা নাই। ভট্টাচাৰ্য্যৰ কবি মানসৰ যোগেদি ৰূপ লোৱা জনতাই আত্মবিশ্লেষণ কৰিছে। জনতাৰ দৰবাৰ পাতিবলৈ সংকল্প গ্ৰহণ কৰা কবি ভট্টাচাৰ্য্যই কৈছে যে জনতাই নিজে নিজৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰে।

ভট্টাচাৰ্য্যই জনতাৰ বিষয়ে কৈছে—
"আমি যে হৰিণা হৈ মৰোঁ।
পুনু কালীনাগ হৈ খোঁটো।"

অৰ্থাৎ সাম্প্ৰতিক কালৰ ৰাজনীতিয়ে জনগণক প্ৰকৃত পথেৰে পৰিচালিত নকৰা বাবে জনতাই পতিপথ বিচাৰি পোৱা নাই। কিন্তু বিশ্বৰ ৰাজনীতিৰ বিভিন্ন গতিপথ তথা সাংস্কৃতিক জীৱনৰো মূল শক্তি জনতা। ভট্টাচাৰ্য্যই অসমৰ জনতাৰ মাজৰ পৰা বিশ্বৰ জনতাৰ জীৱনত প্ৰৱেশ কৰি কৈছে যে বিশ্বৰ সকলো প্ৰকাৰ চিন্তাধাৰা জনজীৱনৰ বিভিন্ন দিশক কেন্দ্ৰ কৰি সৃষ্টি হৈছে। জনতাই নায়ক সৃষ্টি কৰে, আৰু সেই নায়কেই জনতাক পৰিচালিত কৰে। যেতিয়াই নায়কে জনতাক হৰিণ ৰূপে চিকাৰ কৰে; তেতিয়াই জনতাই কালীনাগ হৈ নায়কক দংশন কৰে।

হোমেন বৰগোহাঞি

হোমেন বৰগোহাঞিৰ 'সাপ', 'মোৰ আইতা' 'এজনী ভিখোৱা' এই তিনিটা কবিতাৰ মাজেদি বৰগোহাঞিৰ 'মনোজগতত প্ৰৱেশ কৰিলে চিন্তাৰ ঐক্য আৰু গভীৰ জীৱন বোধৰ পৰিচয় পোৱা যায়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই ৰাজনীতিত জনতাৰ ছায়া নিৰ্ণয় কৰিবলৈ গৈ, আধুনিক সভ্যতাৰ বিচ্ছিন্নতাৰ মাজত সন্দেহ-সংশয়ৰ মাজেদি মানৱৰ অগ্ৰগতি দেখুৱাব খোজে; বৰগোহাঁইয়ে আধুনিক সভ্যতাৰ গতিবিধি নিৰ্ণয় কৰি 'সাপ' কবিতাত কৈছে—

'মই ভাল পাওঁ মৃত্যু আৰু সৌন্দৰ্যৰ
এই সমাহাৰ।'

ভট্টাচাৰ্য্যৰ কবিতাত জনতাই কালীনাগ হৈ জননেতাক খেদিছে; বৰগোহাঞিৰ কবিতাত অন্ধকাৰ পোহৰৰ মাজেদি মৃত্যু বিজয়ী শিল্পীক নিশাৰ সাপৰ সৌন্দৰ্য্যই অৰ্থাৎ আধুনিক জীৱনৰ জটিলতাই মৃত্যু আৰু সৌন্দৰ্য্যৰ সমাহাৰ ঘটাই অন্ধকাৰলৈ টানি লৈ যায়। কিন্তু শিল্পীয়ে 'মুক্তিৰ বিপুল' আনন্দৰ বলত অন্ধকাৰৰ মাজৰ পৰা প্ৰকৃত পথ বিচাৰি পায়। বৰগোহাঁঞিৰ 'সাপ' কবিতাৰ অনুভূতি আৰু আনন্দৰ সাদৃশ্য অমলেন্দু গুহৰ 'ভালুক পুং' কবিতাতো দেখা যায়। গুহৰ কবিতাৰ অভিজ্ঞতাৰ স্বৰূপ ভিন্ন হলেও সমধৰ্মী ৰহস্যই বৰগোহাঞি আৰু গুহৰ কবি মানসত খেলা কৰিছে। গুহই কৈছে—"বাঘ, সাপৰ ফেঁচাৰ বিকট ঐক্যতান'। গুহৰ কবি মানসতো মৃত্যু আৰু সৌন্দৰ্য্যৰ 'সমাহাৰ' ৰচিত হৈছে।

জীৱনৰ পোহৰ আৰু অন্ধকাৰ তথা আধুনিক সভ্যতাই সৃষ্টি কৰা 'মৃত্যু আৰু সৌন্দৰ্য্যৰ সমাহাৰ'ৰ অন্য এটি ৰূপ প্ৰকাশ পাইছে শৈলধৰ ৰাজখোৱাৰ 'অমানিশা' কবিতাত।

কবি বৰগোহাঞিৰ হৃদয় সত্তাত 'সাপ'ৰ দংশনৰ মৃত্যুৰূপ হৈছে চহৰৰ ফুটপাথত থকা 'এজনী তিৰোতা'ৰ দৃশ্য। বৰগোহাঞিৰ কবি মানসৰ ৰূপে নগৰীয়া পৰিবেশত 'মৃত্যু আৰু সৌন্দৰ্য্যৰ সমাহাৰ' ৰচি, দাৰিদ্ৰ্যৰ প্ৰতিমূৰ্ত্তি ৰূপে নাৰীৰ মনোবেদনা ধ্বনিত কৰিছে—

"তাই এটা এটাকৈ ভক্ষণ কৰিব সিহঁতক
সি বোৰৰ নাই কোনো উত্তৰ।"

নগৰীয়া সৌন্দৰ্য্যক গ্ৰাস কৰিবলৈ চহৰৰ ফুটপাথত 'কালীনাগ' আৰু 'সাপ' সাজু হৈ আছে।

বৰগোহাঁঞিৰ কবি মানস জনমানসৰ পৰা আঁতৰি গৈ চিত্তৰ প্ৰশান্তি বিচাৰি পালে 'মোৰ আইতা'ৰ হৃদয়েদি প্ৰবাহিত হোৱা ভাৰতীয় সংস্কৃতিৰ ৰসধাৰাত। সেয়ে, কবি বৰগোহাঁইয়ে কৈছে—

"আমাৰ আবাস তুমি চিৰন্তন,
বিশাল ভাৰতবৰ্ষ আইতাই হৃদয়ত কৰিছে ধাৰণ"

কবি ৰবগোহাঁয়ে আধুনিক সভ্যতাৰ ৰূপ ভাৰতীয় সংস্কৃতিৰ মঙ্গলধাৰা আৰু মাতৃৰ স্নেহ সামৰি লৈ হৃদয়ৰ পৰা সৰ্পভয় দূৰ কৰি চিত্তৰ প্ৰশান্তি উপভোগ কৰিছে। সেয়ে, ৰবগোহাঁঞিৰ কবিতাত প্ৰগতিবাদী চিন্তাৰ প্ৰবাহ আছে।

ৰোমাণ্টিক যুগৰ পাতনিৰ কালত জননী আৰু জন্মভূমিক অৰ্চ্চনা কৰাৰ যি প্ৰগতিবাদী চিন্তাই জাতীয় জীৱন উদ্বুদ্ধ কৰিছিল; সেই চেতনাই আনন্দ চন্দ্ৰ আগৰৱালাৰ 'মৰমৰ আই' বিষ্ণু প্ৰসাদ দুৱৰাৰ 'আইতাৰ বিয়া' লক্ষেশ্বৰ শৰ্মাবৰুৱাৰ 'আই', আদি বিভিন্ন কবিতা সমূহৰ মাজেদি প্ৰবাহিত জননী জন্মভূমিৰ অৰ্চনাই ৰব-গোহাঁঞিৰ 'মোৰ আইতা' কবিতাত ৰূপ পাইছে।

মানৱে যিময়ে বহিৰ্জগতত বিচৰণ নকৰক লাগে মনৰ তৃপ্তি লাভ নকৰে, যেতিয়ালৈ জননী আৰু জন্মভূমিৰ হৃদয়ৰ স্বৰূপ বুজিবলৈ চেষ্টা নকৰে। লক্ষেশ্বৰ শৰ্মা বৰুৱাই 'আই' কবিতাত মাতৃৰ হৃদয়ৰ পবিত্ৰতা, জ্ঞানস্পৃহা আৰু সন্তানৰ প্ৰতি স্নেহ ব্যাখ্যা কৰিছে। কিন্তু ৰবগোহাঁয়ে আধুনিক সভ্যতাৰ যোগে উচ্চ শিক্ষা লাভ কৰা মাতৃক আত্মজ্ঞান লাভ কৰিবলৈ উপদেশ দি জ্ঞানী মাতৃ আৰু শিক্ষিতা মাতৃৰ প্ৰভেদ নিৰ্ণয় কৰিছে।

ৰবগোহাঁঞিৰ হৃদয়ত সৃষ্টি হোৱা মৃত্যুৰ ৰূপ সাপটোৱে শিক্ষিতা মাতৃৰ হৃদয়ত সোমাইছে; কিন্তু ৰবগোহাঁঞিৰ হৃদয়ৰ সৌন্দৰ্য জ্ঞানী মাতৃৰ হৃদয়ত আছে। জ্ঞানী মাতৃয়ে পুত্ৰৰ আগত বিষাদৰ চকুলো নোটোকে। জ্ঞানী মাতৃয়ে জোন বাইক আৰাধনা কৰি ভাৰতীয় সাংস্কৃতিক জীৱনৰ ৰসধাৰাত বুৰ মাৰিবলৈ সংকল্প কৰি পুত্ৰক সাহসী প্ৰেৰণা যোগায়।

হেম বৰুৱা

হেম বৰুৱাৰ 'মন ময়ূৰী' কাব্য কবিৰ দুকুৰি দহ বছৰ বয়সত (১৯৬৫) ৰচিত। 'বালিচন্দা কাব্য' (১৯৫৯) ৰচনা কৰাৰ কম দিনৰ ভিতৰতে 'মন ময়ূৰী' কাব্যৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ হয়। সেয়ে 'মন ময়ূৰী' কাব্যৰ দ্বিতীয় সংস্কৰণৰ প্ৰয়োজন হোৱাত বৰুৱাই কৈছে যে, অসমত কবিতাৰ বজাৰ সঙ্কীৰ্ণ নহয়।

এই দ্বিতীয় সংস্কৰণৰ পাতনিত কবি বৰুৱাই কৈছে "কবিতা কেৱল 'সামগ্ৰিক আবেদন'ৰ বস্তুৱেই নহয়, ই সামগ্ৰিক উপলব্ধিৰো বস্তু। কবিতাৰ সম্যক উপলব্ধিৰ বাবে সমুচিত চেতনাৰ প্ৰয়োজন। পয়ালগা চেতনাই এই কাম সাধিব নোৱাৰে। ভেঁকুৰা মনৰ বাবে এনে কাম সাধ্যাতীত।"

বৰুৱাই কবিতা সম্বন্ধে যি মন্তব্য প্ৰকাশ কৰিছে সেই মন্তব্য অনুসৰি কবি বৰুৱাৰ সামগ্ৰিক উপলব্ধি আৰু কাব্যিক চেতনাৰ আকৃতি প্ৰকৃতি বিচাৰ কৰিলেই বৰুৱাৰ চেতনাৰ স্বৰূপ বুজা যাব।

কবি বৰুৱাই 'সাহিত্যত উদ্দেশ্য ধৰ্মিতা' প্ৰবন্ধত কৈছে 'সাহিত্যিক জীৱনৰ পৰা বিচ্ছিন্ন হোৱা অনুচিত। প্ৰতিক্ৰিয়াশীল শক্তি জীয়াই আছে। সুবিধা পালেই প্ৰতিশোধ লবলৈ আপ্ৰাণ চেষ্টা নকৰাকৈ নাথাকে। এই সকলোবোৰ ঘটনাৰ প্ৰতি নিৰ্লিপ্ত হৈ চকুমুদি হয়তো গোলাপ, কেৱল গোলাপ লৈয়ে গীত গাই কল্পনাৰ ৰামধেনু আঁকিব পাৰি, সিয়ো এটা বিশেষ উদ্দেশ্যৰ পৰিচায়ক। এই মনোভাৱ সম্পূৰ্ণ জনগণ আৰু গণতন্ত্ৰৰ বিৰোধী।"

ৰোমাণ্টিক যুগৰ ভালে কেইজন কবিয়ে কবিতাৰ লক্ষণ, বিষয়-বস্তু, উদ্দেশ্য সম্বন্ধে সূত্ৰ নিৰূপণ কৰিছে। তাৰ ভিতৰত বেজ বৰুৱাৰ 'কবিতা' নীলমণি ফুকনৰ 'কবি' নলিনী বালা দেৱীৰ 'সুৰ কবি' আদি কবিতা সমূহৰ মাজেদি কাব্যতত্ত্বৰ বিভিন্ন দিশ প্ৰকাশ পাইছে।

কিন্তু মহেন্দ্ৰ বৰাই 'মন ময়ূৰী' কাব্যৰ পাতনি লিখি কৈছে যে 'যোৱা দুই দশক জুৰি হেম বৰুৱাই চেষ্টা কৰি আহিছে, এক নতুন কাব্য বোধৰ সৃষ্টি কৰিবৰ বাবে। এই সময় ছোৱাৰ ভিতৰতে এই গৰাকী কবিৰ দল পুষ্ট হৈ উঠিছে বহু উত্তৰ সুৰীৰ আগমনৰ যোগেদি।'

সেয়ে হেম বৰুৱাই নতুন কাব্যবোধ সৃষ্টি কৰিবৰ বাবে গুৰু হৈ যি দল শিষ্য সৃষ্টি কৰিলে, সেই কবি সম্প্ৰদায়ৰ গুৰুৰ প্ৰতি লক্ষ্য কৰি কবি মুক্তি বৰদলৈয়ে 'পাৰ্ব্বতী কাব্যত কৈছে—

"অধ্যয়ন আগে অধ্যাপনা তাৰ পাছে
হেজাৰ বিজাৰ গুৰু।
শিষ্য ক'ত আছে?"

টেখুৰা কৌশল কত,
গোৱা কণ্ঠ মন্ত্ৰ !
অন্তৰেকৰ মোহমুগ্ধ দৰ্পকৰ মেৰা
ভাঙি যায়,
থৈ যায় ধূলি চৰণৰ ।”

—স্বাভাৱিক—

কাব্য সাহিত্য আৰু চেতনা সম্বন্ধে হেম বৰুৱা আৰু তেওঁৰ কবি সম্প্ৰদায়ৰ আত্ম গৌৰৱ আৰু অধ্যাত্মবাদী কবি সম্প্ৰদায়ক কাব্যতত্ত্ব আৰু জীৱনবোধ বিচাৰ কৰিলে হেম বৰুৱাৰ চিন্তা আৰু জীৱন-বোধৰ প্ৰগতিবাদী শক্তি বুজা যাব ।

বৰুৱাৰ ‘মন ময়ূৰী’ কাব্যখনৰ নামকৰণ অনুসৰি চিন্তা কৰিলে, বৰুৱাৰ কবি মানসৰ নৃত্য ভঙ্গীৰ বিচিত্ৰ ৰূপ আৰু কৌশল আশা কৰা যায় । বৰুৱাই কবিৰাজ মাধৱ কন্দলিৰ কাব্য ৰামায়ণৰ পৰা উদ্ধৃতি দি ‘সমস্ত ৰসক পথা অনুসাৰে’ কাব্যখনৰ পাতনি মেলিছে । কবিৰাজ কন্দলিয়ে ‘অহৰ্নিশে চিন্তোৰাম’ বুলি কৈ বিভিন্ন কাব্যৰস আৰু লোক জীৱনৰ মাধুৰ্য্য উপভোগ কৰি বৈষ্ণৱ সাহিত্যৰ পাতনি মেলিছে । বৰুৱাই অন্ততঃ কন্দলিক স্মৰণ কৰি ‘অপ্ৰমাদী’ কবি জনাৰ স্মৃতি প্ৰবাহিত কৰিছে ।

মহেন্দ্ৰ বৰাৰ ভাষাৰে কবলৈ গলে নতুন কবি সম্প্ৰদায়ৰ পথ প্ৰদৰ্শক বৰুৱাই কাব্য আকাশত ময়ূৰৰ ৰূপ লৈ যি ৰস প্ৰবাহিত কৰাৰ চেষ্টা কৰিছে সেই ৰসৰ প্ৰথম ৰূপ ‘চনিয়া’। কবি বৰুৱাৰ স্মৃতিত সঞ্চিত থকা, বিভিন্ন নাৰী মূৰ্ত্তিৰ মাজেদি ৰূপ লৈ ওলাই অহা, বনুৱা সম্প্ৰদায়ৰ গাভৰু চনিয়াই ইন্দো পাক সীমান্তৰ মদনপুৰ বাগিচাত শ্ৰমৰ ক্লান্তি অপসৰণ কৰা বাংচালী মাচনী ৰূপত দেখা দিছে ।

কবি বৰুৱাই গাভৰু চনিয়াৰ বাংচালী চৰিত্ৰৰ কাৰণে শ্ৰদ্ধা জনাই জনজাতীয় সংস্কৃতিৰ ৰূপ আঁকিবলৈ চেষ্টা কৰা নাই । বৰং বৰুৱাই লালসা পূৰ্ণ কবি মানস লৈ চনিয়াৰ দেহৰ ‘সেউজ মিহলি মৃদু ঘ্ৰাণ’ বিচাৰি নাচোনত যোগদান কৰিছে । বৰুৱাৰ মন ময়ূৰীৰ নাচোনে “কলেজৰ বাৰাণ্ডাত’ কলেজীয়া গাভৰু সকলৰ চুলিৰ ঘ্ৰাণ সামৰি লৈ বৰুৱাৰ শিক্ষক জীৱনৰ এটা অভিজ্ঞতাও

প্ৰকাশ কৰিছে। বৰুৱাৰ 'উদভ্ৰান্ত' কল্পনাই 'কলেজৰ বাবাণ্ডা' 'নিৰলা গাওঁ' 'চহৰৰ পুখুৰী পাৰ'ৰ পৰা ইণ্ডো-পাক সীমান্তলৈ গতি কৰিলে। ইন্দ্ৰিয় সুখাভিলাষী কবি বৰুৱাৰ মনত 'অপুৰ্ণাদী' কবিৰ আধ্যাত্মিক জ্যোতিৰ পৰশ পৰাহেঁতেন উদভ্ৰান্ত কল্পনাই শৃঙ্খলিত হৈ প্ৰকাশ পালেহেঁতেন।

কবি হেম বৰুৱাই জন জাতীয় বনুৱা গাভৰুৰ দেহৰ নৃত্যত যোগদান কৰিবলৈ যোৱাৰ দৰে, দেৱকান্ত বৰুৱাই নগৰীয়া জীৱনৰ অৱসাদ আঁতৰাবৰ বাবে বিহুৰ নগৰীক বিচাৰি 'বিহু উৎসৱত' যোগদান কৰি কৈছে—

'গালত গোলাপী আভা মোৰ ই হৃদয় লোভা
ইয়ে হায় মায়াৰ সপোন।'

সেইদৰে, নৱকান্ত বৰুৱাই 'চাওঁতালী নাচ' চাই কৈছে---

'তহঁতৰ দেহ সুষমাৰ সৰভিত
মাটিৰ বুকুত জাগে সাগৰৰ ঢৌ।'

সাম্প্ৰতিক কালৰ ভাৰতবৰ্ষ তথা অসমত সাম্য মৈত্ৰীৰ ভাব প্ৰচাৰ কৰি জনজাতীয় লোকক আপোন কৰি শক্তিশালী দেশ গঢ়িব লাগিলে, নাৰী সমাজক বিশেষ'কৈ জনজাতীয় নাৰীক শ্ৰদ্ধা কৰিবলৈ শিকিব লাগিব। যদি বাস্তৱিকতে বৰুৱাদ্বয়ৰ ভাবে অসমীয়া যুৱকক তথা প্ৰশাসনত জড়িত হৈ থকা বিষয়া সকলক স্পৰ্শ কৰে; তেন্তে দেশত বিভেদকামী প্ৰতিক্ৰিয়াশীল আদৰ্শই জাতিৰ জীৱন অন্ধকাৰ কৰিব। হেম বৰুৱাই জাতিৰ জীৱনৰ 'পঁয়া লগা চেতনা' আঁতৰাবৰ বাবে বৰুৱাৰ শিক্ষক জীৱনৰ লোলুপ স্পৃহাও ব্যক্ত কৰিছে। 'চনিয়া' কবিতাত বৰুৱাৰ যিখন মানস চিত্ৰ প্ৰকাশ পাইছে তাত জীৱনৰ কোনো তত্ত্ব নাই।

'উদভ্ৰান্ত কল্পনাই' আৰু গাভৰুৰ দেহৰ অতৃপ্ত কামনাই বৰুৱাৰ অন্তৰত ক্ৰিয়া কৰি বিভিন্ন ৰূপ ধাৰণ কৰিছে। সেয়ে, 'এখন ছবি' কবিতাতো 'চনিয়াই' 'অনামিকা' ৰূপত দেখা দিলে 'পলাশী ওঠৰ' বোল লৈ। 'চনিয়া' আৰু 'অনামিকা'ৰ দেহৰ 'সেউজ মিহলি মৃদু ঘ্ৰাণে' দুকুৰি দহৰছৰীয়া কবিৰ 'জীৱনৰ ৰং' কিন্তু সজীৱ কৰি ৰাখিব নোৱাৰিলে। সেয়ে বৰুৱাই কৈছে—

'জীৱন উৰলি যায়,
মৃত আকাশৰ দ্যুঁ আৰু গোহৰৰ
মোহনা মুখত।'

সাম্প্ৰতিক কালৰ অধ্যাত্মবাদী কলাকাৰে মুক্তি বৰদলৈয়ে যেনেকৈ পৰ্বতৰ মাজে মাজে বিচৰণ কৰি অসমীয়া জাতীয় জীৱনলৈ আনিলে শক্তি, কিন্তু দিল্লীত থকা অসমীয়া জাতিৰ প্ৰতিনিধিয়ে ৰাজনীতি অৰ্থনীতি নাইবা সাংস্কৃতিক জীৱনৰ গভীৰতাত প্ৰবেশ কৰিব নোৱাৰি, ইন্দ্ৰিয় কাতৰ হৈ, ব্যৰ্থতাৰ চকুলো টুকি কৈছে 'সময়ৰ বালুকা ৰাশিত পদচিহ্ন ৰখা উন্মাদ বাসনা আমাৰ নাই।' ইন্দ্ৰিয় সুখত উটি বুৰি ফুৰা কবিয়ে সময় বালিত পদচিহ্ন ৰাখিব নোৱাৰে।

জীৱনৰ সত্য আৱিষ্কাৰৰ কাৰণে শিল্পীৰ গভীৰ সাধনা আৰু সংযমৰ প্ৰয়োজন। কিন্তু কলাকাৰে যেতিয়া অগণন নাৰীৰ স্মৃতিক লৈ জীৱন পথত গতি কৰে, তেতিয়া তামসিক কলাৰ সাধকৰ মগজুত পোকে কামোৰে। সেয়ে, বৰুৱাই মগজুৰ পোকৰ কামোৰণিৰ মাজেদি এটা আৱিষ্কাৰ কৰি কৈছে---

'জীৱনটো অশ্বাৰোহীৰ অভিযান
আবেগক সৰোগত কৰা।'

অসমীয়া জাতিৰ প্ৰতিনিধিয়ে দিল্লী চহৰৰ মাজত 'এটা আৱিষ্কাৰ' কৰি যুৱক সকলক জীৱন সংগ্ৰামৰ মাজৰ পৰা পলায়ন কৰিবলৈহে উদগণি দিছে। ব্যক্তি নাইবা ৰাষ্ট্ৰই ইন্দ্ৰিয় সুখ জনিত আবেগক সৰোগত কৰি সমাজ জীৱন কৰ্মক্ষম কৰিব নোৱাৰে।

অসমীয়া জাতীয় জীৱনত দেখা দিয়া বিবিধ সমস্যাই বৰুৱাৰ কবি মানসত আবেগ সৃষ্টি কৰা নাই। সেয়ে, বৰুৱাই অসমীয়া জাতিৰ প্ৰতিনিধিত্ব কৰিও, নাৰীৰ দেহৰ কামনাই অন্তৰাত্মা আচ্ছন্ন কৰা বাবে, আবেগৰ মাজেৰে ভাৰতীয় অসমীয়া জাতিৰ প্ৰাণৰ বেদনাৰ উপলব্ধি নকৰিলে।

কিন্তু স্বাধীনতাৰ পূৰ্ববৰ্ত্তী কালৰ কলাকাৰ সকলে গভীৰ তত্ত্ব-জ্ঞানৰ মাজেৰে দেশভক্তি আৰু মানৱ প্ৰেমত উদ্বুদ্ধ হৈ, চিন্তৰ প্ৰশান্তিৰ মাজেদি জাতিক জাগ্ৰত কৰা বাবেহে দেশে স্বাধীনতা লাভ কৰিলে। স্বাধীনোত্তৰ কালৰ অসমীয়া জাতিৰ প্ৰতিনিধি কলাকাৰ বৰুৱাই সেই আদৰ্শ বিসৰ্জন দিলে।

চিকিৎসা বিজ্ঞানৰ সূত্ৰমতে শৰীৰ এবাৰ ৰোগাক্ৰান্ত হলে পুনঃ সহজে ঘূণীয়া শৰীৰ ৰোগাক্ৰান্ত হয়; সেইদৰে শিল্পীৰ মন অন্ধকাৰৰ মাজেদি গতি কৰিলে ঘোৰ অন্ধকাৰত দিক্ বিদিক শূন্য হয়। কবি

বৰুৱাই নাৰী দেহৰ 'সেউজ মিহলি মৃদু ঘ্ৰাণ'ৰ দ্বাৰা কবি মানস সুবাসিত কৰি বিদেশ যাত্ৰা কৰিলে। কিন্তু বিদেশৰ পৰা ঘূৰি আহি 'এখন ইস্তাহাৰ' কবিতাত প্ৰত্যাবৰ্ত্তনৰ যি অভিজ্ঞতা অসমীয়া কাব্যত সঞ্চিত কৰিলে; তাৰ মাজেদি বৰুৱাৰ জীৱনৰ ইস্তাহাৰ খনত জনজাতীয় নাৰীৰ দেহৰ আকৰ্ষণ বিদেশী গাভৰুৰ দেহৰ আকৰ্ষণত মিলি গ'ল। সেয়ে, গীতাৰ উক্তি উদ্ধৃত কৰি কব পাৰি "ধৰ্ম্মবিৰুদ্ধো ভূতেষু কামোঽস্মি ভৰতৰ্ষভ।"

বিদেশী নাৰীৰ সম্মোহিনী শক্তিৰ জ্যোতিত অগণন গাভৰুৰ দেহৰ কামনা মুক্ত স্মৃতি লীন হৈ যোৱাত, বৰুৱাই 'জানুৱাৰী ৩০' কবিতাত 'গান্ধী মহাৰাজ' ক শ্ৰদ্ধা জনাই তামসিক কল্মাৰ গ্ৰাসৰ পৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰিছিল যদিও, গান্ধীৰ প্ৰতি ভক্তি জনাই মহা মানৱৰ আদৰ্শৰ দ্বাৰা চয়তানৰ হাতৰ পৰা উদ্ধাৰ পাবলৈ আত্মাত শক্তি বিচাৰি নাপালে। মাৰ্লোৰ ডক্টৰ ফষ্টাছৰ দৰে দেৱ-দূতৰ প্ৰতি প্ৰাৰ্থনা জনাই লুচি ফাৰৰ দূতৰ হাতৰ পৰা উদ্ধাৰৰ উপায় বিচাৰিছে। কিন্তু, চয়তানৰ কবলৰ পৰা আত্মা উদ্ধাৰ কৰাৰ সংকল্প ক'ত?

ৰবি বেজবৰুৱাই 'কোৰাভাতুৰীয়া ওঠৰ তলত ফেটী সাপ' লুকাই থকা দেখি; 'প্ৰিয়তমাৰ গালত ফৰিং প্ৰেমিকৰ জুই' দৰশন কৰি; আত্ম জ্ঞানৰ বলত চয়তানৰ গ্ৰাসৰ পৰা মুক্ত হব পৰা বাবে জাতিৰ জীৱন প্ৰগতিৰ দিশলৈ লৈ গৈছে; কিন্তু বৰুৱাই অন্ধকাৰৰ মাজত হাঁহাকাৰ কৰিছে। সেইদৰে, অম্বিকাগিৰীয়ে নাৰীৰ প্ৰেমৰ যোগেদি জাতিক বলিষ্ঠ দৃষ্টি দিছে। কিন্তু বৰুৱাই কামুকতাৰ বশৱৰ্ত্তী হৈ জীৱনৰ মূল্যবোধ পাহৰি যোৱা বাবে 'পোহৰতকৈ' আন্ধাৰ ভাল' বুলি আত্মগোপন কৰি অসমীয়া মোহান্ধ যুৱকক আন্ধাৰলৈ আহ্বান কৰিছে।

বৰুৱাই 'এখন ইস্তাহাৰ' কবিতাত কৈছে—"সাতোটা বছৰৰ অন্তত আচীৰ সন্মুখত থিয় হৈ আজি সেই একেটা কথাকে ভাবিছোঁ।" এই ভাবনাৰ উত্তৰ 'মমতাৰ চিঠি' কবিতাত বিচাৰি পাই পুনঃ কৈছে—"সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত আছেনে? আমি যে নতুন জীৱনৰ গাতনি মেলিছিলো।' মোৰ গাত সেই অচিনাকী নিদ্ৰা বাৰকৈয়ে লাগিছিল।'

বিদেশী নাৰীৰ হৃদয়ৰ পবিত্ৰতা হৰণ কৰি ; সাত বছৰে লুকাই ৰখা 'মগজুৰ পোক' উলিয়াই দি কৈছে---'তোমাৰ বাবুল এতিয়া ৰৰটো হৈছে ।' ইন্দ্ৰিয়ৰ দাস হৈ কৰা পাপে বৰুৱাৰ হৃদয় এনেদৰে আচ্ছন্ন কৰিছে যে, মহামানৱৰ পবিত্ৰ স্মৃতিয়ে ৩০ জানুৱাৰীত বৰুৱাৰ অন্তৰাত্মাক ব্যথিত কৰিছে ।

বৰুৱাৰ অন্তৰাত্মাত চনিয়া, আইকণ, 'শাঙ্গাক্ষে চহৰৰ' নাৰীৰ যৌৱনৰ স্পৃহা এনেদৰে সঞ্চিত হৈ আছে যে, দিল্লীৰ বৰষুণৰ বৰ্ণনা দিবলৈ গৈ উপমা হিচাবে ৰংদৈ বাগিচাৰ আইকণকহে বিচাৰি পায় । বৰুৱাই দিল্লী চহৰৰ অভিজ্ঞতা বৰ্ণাবলৈ 'জানুৱাৰী ৩০' আৰু দিল্লীৰ বৰষুণক কেন্দ্ৰ কৰি দুটা কবিতা ৰচনা কৰিছে ।

অৱশ্যে বৰুৱাই গান্ধী মহাৰাজৰ স্মৃতিৰ লগত কোনো নাৰীক সংযোগ কৰা নাই । বৰুৱাৰ 'উদভ্ৰান্ত কল্পনাই' তথা 'মন ময়ূৰীয়ে' বৰষুণ বতৰত আকাশৰ মেঘৰ দশা উপভোগ নকৰে । প্ৰাকৃতিক জগতত আকাশৰ বুকুত মেঘ দেখিলে ময়ূৰে নৃত্য কৰে । কিন্তু বৰুৱাৰ মন ময়ূৰীয়ে মুক্ত আকাশৰ তলৰ পৰা অন্ধকাৰ বিচাৰি বিচাৰি 'অস্ত্ৰোপচাৰ টেবুলত মাতৃমূৰ্খা নাৰীৰ' সান্নিধ্যলৈ গতি কৰে । কবিৰ উদভ্ৰান্ত কল্পনাই হাস্পাতালৰ 'অস্ত্ৰোপচাৰ টেবুলত' গুন্দা খাই 'মৰা শ স্তূপ ৰ মাজত বিচৰণ কৰে । দিল্লীৰ বৰষুণৰ ৰূপ বুজাবলৈ বৰুৱাই খিৰোৰ উপমা ব্যৱহাৰ কৰিছে ; তাৰ মাজেদি বৰুৱাৰ অন্ধকাৰ প্ৰয়াসী শিল্পসাধনা ৰূপ পাইছে ।

বৰুৱাই গোলাপ কবিতা ৰচক ৰঘুনাথ চৌধাৰীৰ কাব্য সাধনা 'গণতন্ত্ৰ বিৰোধী' আৰু 'প্ৰতিক্ৰিয়াশীল' বুলি কৈছে ; কিন্তু ৰঘুনাথ চৌধাৰী জনতাৰ প্ৰতিনিধি নহয় । জনতাৰ প্ৰতিনিধি কবি বৰুৱাই ৰঘুনাথ চৌধাৰীৰ ঐতিহাসিক চেতনা লাভ কৰা নাই ; নাইবা ভাৰতীয় সাংস্কৃতিক জীৱনৰ ছাপ জনতাৰ প্ৰতিনিধিৰ কবি মানসত নাই । বৰুৱাই 'অপ্ৰমাদী' কবিক স্মৰণ কৰিলেও ; কন্দাজিৰ দৰে সৰ্বজনক লক্ষ্য কৰি শিল্প সাধনা নকৰা বাবে ; দিল্লী চহৰৰ বিলাসী জীৱনে বৰুৱাৰ কবি মানস জনতাৰ হৃদয়ৰ মাজলৈ নিনিলে । কিন্তু অপু বৰুৱাই দিল্লীৰ জনজীৱন আৰু উচ্চ জীৱনৰ যি সামগ্ৰিক ছবি আঁকিছে ; তাতহে গণতন্ত্ৰৰ সাধনা প্ৰকাশ পাইছে ।

অণুৰুবৰুৱাই 'দিল্লীৰ ডুখৰীয়া ছবি' আঁকি অসমীয়া জাতিৰ প্ৰগতিবাদী জীৱনৰ ছবি আঁকিছে, কিন্তু হেম বৰুৱাই দিল্লী নাইবা অসমৰ জনসাধাৰণৰ ব্যৱহাৰিক আৰু আধ্যাত্মিক জীৱনত প্ৰৱেশ কৰিবলৈ সক্ষম হোৱা নাই। অণুবৰুৱাই 'প্ৰকৃত দিল্লীবালা কোন ?' এই প্ৰশ্নৰ উত্তৰ গদ্য শিল্পৰ মজেদি কাব্য শিল্পৰ প্ৰাণ সদৃশ কৰি ৰূপ দিছে। কাব্য কলাৰ সাধক হেমবৰুৱাই 'প্ৰকৃত দিল্লীবালাক' বিচাৰি নাপাে। কাৰণ হেমবৰুৱাৰ কবি মানস ইন্দ্ৰিয় লালসা ৰূপী পোকৰ কামোৰণিত ক্ষত বিক্ষত। জনতাৰ প্ৰতিনিধিৰ হৃদয়ত 'জনতাৰ দৰবাৰ' বহুৱাৰ সংকল্প নাই। অম্বিকাগিৰীৰ ভাষাৰে কব'ল গ'ল---

'আত্মাৰ ক্ষুধা ভৰিবে মোহৰি
যৌন ক্ষুধাৰ পিশাচী ৰূপত মত্ত।'

হেম বৰুৱাৰ গোষ্ঠীৰ কবি নৱকান্ত বৰুৱাই অম্বিকাগিৰীৰ জীৱন দৰ্শন বুজিব নোৱাৰি বৰপেটাত ৰায়চৌধুৰীৰ মৃত্যু বাৰ্ষিকী পালনত (১৯৭০ চনৰ ১৩ জানুৱাৰী ; দৈনিক অসম) বক্তৃতা দি কৈছে ৰায় চৌধুৰী 'ট্ৰেজিক চৰিত্ৰৰ' লোক। মহেন্দ্ৰ বৰাই যতীন্দ্ৰনাথ দুৱাৰক প্ৰতিক্ৰিয়াশীল বুলি কোৱাৰ দৰে বৰা-বৰুৱা কবি সম্প্ৰদায়ে হৃদয়ত ট্ৰেজডিৰ বেদনা ভোগ কৰি আধ্যাত্মিক শক্তি সম্পন্ন তত্ত্বজ্ঞানীলোকৰ জীৱন ট্ৰেজিক হোৱা বুলি ভাবে। সেয়ে এই শ্ৰেণীৰ কবিৰ হৃদয়ত 'পোকৰ কামোৰ'; 'তেজত সাপৰ বিহ'; 'নিগনিৰ কুটকুটনি।'

হেম বৰুৱাৰ স্মৃতিত সঞ্চিত থকা গাভৰু সকলৰ ছবি সমূহৰ আকৃতি আৰু প্ৰকৃতি বিচাৰ কৰি 'এই ৰং এই সুৰভি' কবিতাত প্ৰৱেশ কৰিলে ; চনিয়া, আইকণ আদি জনজাতীয় গাভৰু আৰু মেক্সিকো চহৰৰ খৃষ্টান গাভৰুৰ দেহৰ ৰং আৰু সুৰভি' ধন-শিৰীৰ পাৰৰ খেতি পথাৰত দেখা যায়। একেটা ভাবেই একবাৰ হৃদয়ত ক্ৰিয়া কৰি থকা বাবে, বৰুৱাৰ কবি মানসত বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু আনন্দ চন্দ্ৰ আগৰৱালা আদি কবি সকলৰ মালিতা জগতৰ নাৰীৰ মানসিক শক্তিয়ে দেখা দিয়া নাই।

সাম্প্ৰতিক কালৰ বৰুৱা বৰা কবি সম্প্ৰদায়ৰ চিন্তা জগতৰ স্বৰূপ বুজাৰ বাবে কছ সাহিত্যিক মেক্সিম গৰ্কীৰ মন্তব্য উল্লেখ কৰা প্ৰয়োজন। গৰ্কীয়ে কৈছে---"আমাৰ দেশত একশ্ৰেণীৰ নতুন

সাহিত্যিক সৃষ্টি হৈছে—এওঁলোকে অসংস্কৃত সুশিক্ষা বিহীন সঙ্কীর্ণ মনা লোক সকলৰ মনত কৌতুক সৃষ্টিৰ বাবে ব্যগ্র হৈ বিদূষক ৰূপে ৰাইজৰ মাজলৈ ওলাই আহে। এনে লোকে দেশক সেৱা নকৰে; কেৱল ৰাইজৰ সেৱাহে কৰে। এওঁলোকে অভিজ্ঞতা সম্বন্ধে জ্ঞানেৰে কোনো সৃষ্টিৰ সিদ্ধান্ত দিব নোৱাৰে; কিন্তু কৃপণ স্বভাৱৰ চাটুকাৰ লোকে ধনীক উপাসনা কৰাৰ দৰে এওঁলোকে সাহিত্য সৃষ্টি কৰে।" (৪)

আহোম যুগৰ অসমীয়া কাব্য সাহিত্যও এইদৰে ৰাজকীয় পৰিবেশত চাটুকাৰ কবিসকলৰ কাব্য সৃষ্টিৰ যোগেদি সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱন অধোগামী হোৱা বাবে অসমৰ স্বাধীনতা হৰণ হ'ল।

হেমবৰুৱাই চীন দেশীয় আহিত 'এমুঠি কবিতা' নামদি এটা কবিতা ৰচিছে। কবিতাটোৰ চাৰিটা ছেদৰ মাজেদি কবি বৰুৱাৰ কবি মানসৰ গতি বিচাৰ কৰিলে সেই একেটা মানসিক অশান্তিয়ে দেখা যায়। বৰুৱাই জোনটোলৈ চাই কৈছে—

"জোনটো শেঁতা
নিতৌ নিশা ক্ষীণাই নোহোৱা হয়;
এদিন আছিল মন মোৰ
পোহৰেৰে উপচি পৰা;
আজি নিশা অন্তৰ মোৰ
মৃত্যুমুখী জোন।"

গীতাৰ ভাষাৰে কবলৈ গলে—

"অনেক চিত্তবিভ্রান্তা মোহজাল সমাবৃতাঃ
প্রসক্তাঃ কামভোগেষু পতন্তি নৰকেহশুচৌ॥"

বৰুৱাই কামনাৰ বশৱৰ্ত্তী হৈ পোহৰ হেৰুৱাই হৃদয়ৰ অন্ধকাৰ নৰকত বেদনা ভোগ কৰি অসমীয়া জাতিকো অন্ধকাৰলৈ নিয়াৰ প্ৰয়াস কৰিছে।

বৰুৱাই কৈছে—

মোৰ মনতো মনাই ফুৰিছে,
অসমৰ পৰ্ব্বতে প্ৰান্তৰে,
মাচিয়ে, বাজিয়ে
হায় ঈশ্বৰ।'

(৪) Maxim Gorky, on literature Selected Articles, page 123

বৰুৱাৰ কবি মন শ্ৰদ্ধাৰে অসমৰ মাটি-পানী, পৰ্ব্বত-নদীত সমৰ্পণ হোৱা হলে ; বৰুৱাই 'অসমা-সুষমা' বুলি প্ৰাণ খুলি অসম জননীৰ স্তুতি গীত ৰচনা কৰি শান্তি পালেহেঁতেন। কিন্তু বৰুৱাৰ কবি মানস কেৱল নাৰীৰ সঙ্গ বিচাৰি পৰ্ব্বতে-প্ৰান্তৰে ভ্ৰমি ফুৰা বাবে অসম জননীৰ মুনি মনোৰমাৰূপে বৰুৱাৰ হৃদয় স্পৰ্শ কৰা নাই।

বৰুৱাই চীনদেশৰ কাব্য সাহিত্য অধ্যয়ন কৰি অসমীয়া জাতিৰ জীৱনলৈ কি প্ৰাণ শক্তি আনিলে? চীনদেশৰ কাব্য সাহিত্যৰ সৌন্দৰ্য্য আৰু তত্ত্বজ্ঞানামৃত আহৰণ কৰি আনি বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ শক্তি বৃদ্ধি কৰিব নোৱাৰাৰ মূলতে হৈছে বৰুৱাৰ কবি মানসৰ অন্ধকাৰ। সেয়ে, মোহান্ধ ব্যক্তিয়ে যি জাতিৰ সাহিত্যই অধ্যয়ন নকৰক লাগে, কেৱল অন্ধকাৰ হে দেখা পায়। বৰুৱাই চীনদেশত ভাল আহি দেখা নাই।

বৰুৱাৰ কবি মানস আৰু চীনদেশৰ কবিতাৰ বিষয়ে বুজাৰ বাবে "মোৰ দেশ আৰু মোৰ দেশৰ মানুহ" নামৰ গ্ৰন্থৰ পৰৰ উদ্ধৃতি প্ৰয়োজন। লিন জুটাঙে চীনদেশৰ কবিতা আলোচনা প্ৰসঙ্গত কৈছে---"কাব্যৰ সৃষ্টিৰ মূলতে হৈছে মানৱ হৃদয়ৰ সাধাৰণ সংশ্লেষাত্মক শক্তি অন্য কথাত ; সামগ্ৰিক ভাবে জীৱন দৰ্শনেই হৈছে এই শক্তি। যি ঠাইত বিশ্লেষণ অক্ষম ; সেই ঠাইত সমন্বয়াত্মক দৃষ্টিয়েহে কাৰ্য্য সাধন কৰে।" (৫)

পুনঃ লিন যুটাঙে কৈছে —"চীন দেশীয় কাব্য মহান গুণেৰে সমৃদ্ধ ; ইয়াত ব্যঞ্জনা আৰু শিল্পী সুলভ সংযম আছে। কবিয়ে নিজৰ মনৰ ভাব ব্যক্ত কৰাৰ বাবে সকলো খিনিকে প্ৰকাশ নকৰে। কবিৰ কাম হৈছে চিত্ৰ শিল্পীৰ দৰে কেইটামান ক্ষিপ্ৰ আঁচ মাৰি ৰূপ সৃষ্টি কৰি কৌতূহল জাগ্ৰত কৰা।

হেম বৰুৱাই তেওঁৰ কবিতাৰ পুথি বিক্ৰী ভাল হোৱা বাবে তেওঁৰ 'সমুচিত চেতনাৰ' দ্বাৰা অসমীয়া জাতিৰ 'পয়া' লগা চেতনা দূৰ কৰিবলৈ গৈ ৰুগীয়া মনৰ পৰিচয় দিয়া বাবে মুক্তি বৰদলৈয়ে 'আৰোগ্য নিকেতন' ৰচনা কৰি কৈছে—

"প্ৰভাৱৰ অভাৱ নঘটে!
শ্ৰদ্ধাৰ খবৰ ক'ত আছে?"

(৫) Lin yutang My country my people page 230, 2351.

বৰুৱাই চীন দেশৰ কবিতাৰ মাজেদি গৈ দুঃখত কাতৰ হৈ ঈশ্বৰৰ নাম লৈ কৈছে 'হায় ঈশ্বৰ!' কিন্তু বৰুৱাই শ্ৰদ্ধাশূন্য হৈ ঈশ্বৰৰ নাম লোৱা নাইবা 'অসমৰ মাটি বালিয়ে নাৰীৰ সঙ্গ' বিচাৰিলে শান্তি নাপায়। বৰুৱাৰ শিষ্য বৰাই কৈছে—'প্ৰাৰ্থনা বস্তুটো কিমান সুন্দৰ যদি কলাহেঁতেন তুমি; দিবানে বুজাই মোক এখন ছবিকে আঁকি।' বৰাই হোৱালীৰ ছবি আঁকি প্ৰাৰ্থনাৰ মূল্য বুজাৰ চেষ্টা কৰিব। যেনে গুৰু, তেনে শিষ্য। হেমবৰুৱাৰ শিষ্য দিনেশ গোস্বামীয়ে সুৰঙ্গত বসি কৰে।

কাৰু শিল্পত ন ন গৱেষণাই সূক্ষ্মাতি সূক্ষ্ম কৌশল আৱিষ্কাৰ কৰি অগ্ৰসৰ হোৱাৰ দৰে; চাৰু শিল্পয়ো মানৱ মনৰ বিভিন্ন দিশ বুজাবলৈ যাওঁতে ন ন উপমা আৰু শিল্পৰীতি আবিষ্কাৰ কৰে। সেইদৰে, কলাৰ উত্তম কাব্য কলাই এটা স্পষ্ট মঙ্গলময় উদ্দেশ্য লৈহে আগবাঢ়ে; নহলে 'গণতন্ত্ৰবিৰোধী' আৰু 'প্ৰতিক্ৰিয়াশীল' হয়। শিল্পীয়ে বিলাসী জীৱনৰ সপোন ৰচি জাতিক আধোগামী কৰে।

কবি হেম বৰুৱাই হৃদয়ৰ স্বপ্নৰ আকাশত 'মমতাৰ চিঠি'ৰ পাপৰি বোৰ মৰহি যোৱা দেখিবলৈ পাই, বেদনা কাতৰ হৈ 'মৰহা পাপৰি' কবিতাত কৈছে 'টেঙা তোমাৰ মৰম।' বৰুৱাই তেওঁৰ হৃদয়ৰ ৰূপ যিমানেই উদং কৰি নিদিয়ক বৈচিত্ৰ্যময় ৰূপৰ প্ৰকাশ নাই।

শান্তা ফেৰ চহৰৰ অভিজ্ঞতাৰ মাজেদি বৰুৱাই ভাবিছিল জীৱন সপোন, নে মায়া নে মতিভ্ৰম? সাতোটা বছৰৰ অনন্ত সপোনৰ পাহিবোৰ মৰহি যোৱাত চীন দেশীয় কাব্যৰ মাজলৈ গৈ শান্তি লাভ কৰিব নোৱাৰি বৰুৱাই কৈছে--'স্বপ্নমোৰ শৰবিদ্ধ'। বৰুৱাই হৃদয়ত গাভৰু হঁতৰ ৰূপ সঞ্চিত কৰি সপোনত বিভোৰ হৈ থাকি শেহত সপোন ভাগি যোৱা গম পাই কৈছে—"তুমিতো নেজানা কিয় বাৰু স্বপ্ন দেখো মই!" গোলাপ কবিতাৰ ৰচকে কল্পলোকত কামধেনু আঁকিলেও দেশৰ সংস্কৃতিক পাহৰা নাই। কিন্তু জনগণৰ প্ৰতিনিধিৰ কবি মানস বাস্তৱৰ সংঘাতলৈ স্থিৰ ভাবে নামি নাহিল। সেয়ে গীতাৰ ভাষাৰে কবলৈ গলে 'সংশয়াত্মা বিনশ্যতি।'

বৰুৱাই 'আইতা' নামৰ কবিতাত আশী বছৰীয়া আইতাৰ জীৱন ৰহস্য বিচাৰি পালে কুৰি বছৰীয়া গাভৰু কালৰ যৌৱনৰ উন্মাদনাৰ স্মৃতিৰ মাজত। দুকুৰি দহ বছৰীয়া কবিয়ে যুৱতী নাৰীৰ সঙ্গ বিচাৰি ফুৰাৰ দৰে; বৰুৱাৰ হৃদয় সম্ভূত আশী বছৰীয়া আইতাই যৌৱনৰ মাধুৰ্য্য বিচাৰি ফুৰিছে, কিন্তু আশী বছৰতো জীৱন জগত সম্বন্ধে আইতাই একো অভিজ্ঞতা লাভ নকৰিলে। বৰুৱাৰ আইতা বয়োবৃদ্ধা কিন্তু জ্ঞানবৃদ্ধা নহয়। বৰুৱাৰ আইতা আৰু বিষ্ণুপ্ৰসাদ দুৱৰাৰ 'আইতাৰ বিয়া' নামৰ কবিতাৰ আইতা দুজনীক বিজালে বৰুৱা-দুৱৰাৰ অভিজ্ঞতাৰ স্বৰূপ বুজা যায়। দুৱৰাৰ আইতাই শিশু নাতি-নাতিনীক গভীৰ তত্ত্বৰ মাজলৈ লৈ গৈছে; কিন্তু বৰুৱাৰ আইতাই দুকুৰি দহবছৰীয়া নাতিক কেৱল যৌৱনৰ সপোনৰ কথাহে কৈছে। বৰুৱাৰ সপোনৰ জগতৰ গাভৰু সকলে আশী বছৰ বয়সতো কামনাক জয় কৰিব নোৱাৰে।

বৰ্ষা কালত আকাশত মেঘে দেখা দিলে ময়ূৰে নৃত্য কৰে, কিন্তু বৰুৱাই 'চম্পা বৰুৱাৰ বিহাৰ আগৰ আঁচু'ৰ স্মৃতিলৈ নগৰৰ মাজে মাজে ভ্ৰমি ফুৰোতে বৰুৱাৰ মন ময়ূৰীয়ে ভীতি বিহ্বল হৈ উঠে। দিল্লীৰ বৰষুণৰ বৰ্ণনা দিওঁতে যাওঁতে বৰুৱাৰ মন হাস্পাতালৰ প্ৰসূতি কক্ষলৈ গতি কৰাৰ দৰে, বৰ্ষাৰ দশাই বৰুৱাৰ কবি মানস 'চম্পা বৰুৱাৰ' সান্নিধ্যলৈ লৈ যায় কিন্তু তাতো মন ভীতি-বিহ্বল হৈ উঠে; কিয়নো চম্পা বৰুৱাৰ (?) প্ৰতি আনুগত্য নাই।

বৰুৱাই কালিদাসক সমালোচনা কৰি কৈছে—

'কালিদাস, তুমি কোন
অলকাৰ পলাতক কবি? ভাবৰ দেখি উন্মাদ
তোমাৰ কাব্য বেদীত আমাৰ জীৱন অৰ্চনা
সৰি পৰা মন্দাৰৰ ফুল।"

কবি কালিদাসৰ বৰ্ষাৰ মেঘ দেখি ভীতি বিহ্বল হোৱা নাই। ৰামগিৰি পৰ্ব্বতত থাকি কালিদাসৰ বিৰহী যক্ষই তথা কালিদাসে সমগ্ৰ ভাৰতক সাৱটি লৈ অলকা পুৰীৰ প্ৰিয়ালৈ বাতৰি পঠাই যি কাব্য ৰচনা কৰিলে, সেই অলকা পুৰীৰ সৌন্দৰ্য্যই 'অলকা নন্দা' কাব্যত অসমীয়া জাতিক সামৰি লৈছে।

বৰুৱাই বৰ্ষা কালত মেঘ দেখি 'চম্পা বকৰাৰ' পৰা প্ৰেৰণা নাপাই কৈছে---

"চম্পা বৰুৱা, তুমি হায় মদাৰৰ ফুল।"

কামুকতাই সাত্ত্বিক কলাৰ সাধনাৰ বাবে প্ৰেৰণা সৃষ্টি নকৰে। হেম বৰুৱাই আকাশত মেঘ দেখি ভয় খাইছে, কিন্তু আধুনিক যুগৰ কাব্য সাহিত্যৰ পাতনি মেলা ভোলানাথ দাসে বৰ্ষাকালৰ আকাশৰ মেঘৰ দৃশ্য আঁকি কৈছে—

"শান্ত মূৰ্তি, শান্ত ভাব কৰিছা ধাৰণ;
অমৃতেৰে দেহ ধুই আছিছা পবিত্ৰ হই
সৰল, কোমল মনে দিছা দৰশন,
এই দৰশন আজি নয়ন ৰঞ্জন।"

বৰুৱাই বৰ্ষাকালৰ বৰ্ণনা দিব'ল মেঘ তথা দিল্লী চহৰৰ ৰূপ সৃষ্টি কৰিবলৈ ব্যৰ্থ প্ৰয়াস হোৱাৰ মূলতে হৈছে চ'নিয়া, আইকণ আদি নাৰী সকলৰ সঙ্গ সুখৰ অতৃপ্ত কামনা।

বৰুৱাই 'জোন' কবিতাত জোনলৈ চাই বেদনা কাতৰ হৈ কৈছে—

চকুৰ মনিৰ মোৰ পূৰ্ণিমাৰ জোন,
ছাই হৈ যোৱা জানো নাই?

* * *

তাৰ বাবে জগৰীয়া কোন?

বৰুৱাৰ হৃদয়ৰ বিভ্ৰান্তিৰ মূল কাৰণ কবি নিজেই। সেয়েই মেকবেথে যাদুকৰী সকলৰ প্ৰৰোচনাত অক পত্নীৰ কুমন্ত্ৰণাত পবিত্ৰ হৃদয়ৰ ৰজা ডনকানক বধ কৰি ট্ৰেজিক জীৱন যাপন কৰাৰ দৰে, ইন্দ্ৰিয় কাতৰ কবি বৰুৱাই ট্ৰেজিক জীৱন যাপন কৰিছে।

মহিলা কবি নীলিমা দত্তই ৰাতিপুৱাৰ সূৰ্য্যলৈ দৃষ্টিপাত কৰিলে ঘোৰ তমসাই' হৃদয় আবৃত কৰে; বৰুৱাই জোনলৈ চালে হৃদয় বেদনা কাতৰ হয়। বৰুৱাৰ গোষ্ঠীৰ কবি সকলে হৃদয়ৰ পবিত্ৰতা হেৰুৱা বাবে পোহৰ সহ্য কৰিব নোৱাৰে কাৰণ পোহৰত তাপ আছে; সেয়ে সূৰ্য্য চন্দ্ৰৰ সৌন্দৰ্য্য সাধনা কৰি জীৱনৰ মাধুৰ্য্য উপভোগ কৰিব লাগিলে অধ্যাত্মবাদী পথ গ্ৰহণ কৰিব লাগিব। নহলে ডক্টৰ ফণ্টাছৰ দৰে ভোগৰ মাজেদি বন্ধক থোৱা আত্মা উদ্ধাৰ কৰিবলৈ নৰক'লৈ যাবলৈ সাহস গোটাব লাগিব।

বৰুৱাই পুনঃ কৈছে—"মোৰ মগজুত মই জানো, একোৱেই নাই।' তেনেহলে প্ৰশ্ন হয় লিখে কিয়? বৰুৱাই কাব্য সাধনা নকৰিলেও অসমীয়া কাব্য সাহিত্য শক্তিহীন নহয়। বৰাগী কবি চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ কবিত্ব শক্তি লুপ্ত হোৱা বুলি উপলব্ধি কৰি কাব্য সাধনা কৰিবলৈ এৰিলে। আগৰৱালাই 'আৰু কিয়' কবিতাত কৈছে—"পুৰণি কথাকে নতুন সাজেৰে দিব পাৰো মাথোঁ; দিওঁ কি লাজেৰে?" আত্মজ্ঞান সম্পন্ন কলাকাৰৰ এই উক্তি। কিন্তু, ইন্দ্ৰিয় সুখাভিলাষী ব্যক্তিৰ নিজৰ পদ-মৰ্য্যাদা সম্বন্ধে জ্ঞান নাই। বৰুৱাই সামগ্ৰিক উপলব্ধিৰে অসমীয়া জাতিক জগাবলৈ প্ৰয়াস কৰি নগ্নৰূপত আত্মপ্ৰকাশ কৰিছে।

বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ ভৌগোলিক পৰিধি বিস্তৃত কৰি আফ্ৰিকাৰ সমুদ্ৰৰ পাৰলৈ লৈ গল। 'আফ্ৰিকা' কবিতাত সমুদ্ৰ আৰু মৰুভূমিৰ দৃশ্যই কিন্তু কবি বৰুৱাৰ মন ইজিপ্তৰ প্ৰাচীন সভ্যতা সংস্কৃতিৰ মাজলৈ নিনিলে; নাইবা স্পষ্ট ভাবে আধুনিক আফ্ৰিকাৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰগতিক মনৰ মাজলৈ নানিলে।

দিল্লীৰ ৰাজহুৱা সভাত বক্তৃতা দি জোনলৈ চাই, যি বৈধব্য জীৱনৰ চিত্ৰ বৰুৱাই আঁকি লৈছিল; সেই বৈধব্যৰ দৃশ্য সুঁৱাৰ সমুদ্ৰৰ পাৰত কৰিয়ে কৈছে—

"এই নীল জলধিৰ স্ৰোত প্লাৱনে যদি
তোমাক নীৰ ভঙা পখীৰ দৰে
জীৱনৰ জুই শিখাবে মৃত্যু ম্লান কৰে,
ধৰিত্ৰীয়ে পিন্ধিব সেইদিনা বৈধব্যৰ সাজ।"

আধুনিক বিজ্ঞান আৰু শিল্পৰ সম্প্ৰসাৰণে সমগ্ৰ বিশ্ব ব্যাপী পোহৰ আৰু আন্ধাৰ বিলাব। লগে লগে চাৰু শিল্পয়ো প্ৰসাৰ লাভ কৰিব। আফ্ৰিকাতো নৱজাগৰণ আহিব। গতিকে এই নৱজাগৰণৰ প্ৰবাহত শ্বেতাঙ্গী আৰু কৃষ্ণাঙ্গীৰ সমিল মিল কেনেদৰে ঘটে সেই প্ৰশ্ন।

কিন্তু, আফ্ৰিকাত তথা মধ্য প্ৰাচ্যত যুদ্ধৰ সৃষ্টি হলেই 'পুৰেৰুপ' ব্যাপী মানৱ সভ্যতা সংস্কৃতি লুপ্ত হৈ নাযায়। গতিকে ধৰিত্ৰীয়ে বৈধব্যৰ সাজ পিন্ধাৰ প্ৰয়োজন নাই। বৰুৱাই যতীন্দ্ৰনাথ দুৱৰাৰ 'পোহৰ' কথা কবিতাৰ মৰ্ম উপলব্ধি কৰা নাই।

দুৱৰাই কৈছে—"মহাকাল আৰু পোহৰ দুয়ো আছি এই প্ৰকাণ্ড পুৰীৰ কাষ চাপিলহি। দুবাৰ ভাঙি পোহৰ সোমাল। কোনোৱে বাধা দিব নোৱাৰিলে। ৰজা পৰাস্ত হল; চাৰিওফালে ভঙাৰ শব্দ পোৱা গল—কোনোবাই যেন পৰ্ব্বত ভাঙিছে, হাৰি কাটিছে। , মহাকালৰ কাম শেষ হল। আন্ধাৰ পলাল, পোহৰ সোমাল।" আন্ধাৰকে সাৰ কৰি লোৱা নিশাচৰ ধৰ্মী শিল্পীয়ে সধবাৰ শিৰৰ সেন্দুৰ নেদেখে।

বৰুৱাই কিন্তু ভাৰতীয় পৰিবেশত 'গান্ধী মহাৰাজক' শ্ৰদ্ধা জনাই, 'পঙ্গু 'ছিন্নমূল' হলেও; কৃষ্ণাঙ্গী, আফ্ৰিকা তথা কৃষ্ণাঙ্গী নাৰীৰ সান্নিধ্যৰ কামনাই জীয়াই থকাৰ প্ৰেৰণা পাইছে। মেক্সিকোৰ শান্তা ফে চহৰৰ 'মমতাৰ চিঠি' ৰ পাপৰি মৰহি যোৱাত; "চম্পা বকুৱা মদাৰ ফুল" হৈ পৰাত; আফ্ৰিকা মহাদেশৰ দৃশ্যই কৃষ্ণাঙ্গী গাভৰুৰ ৰূপ লৈ দেখা দিয়া স্বাভাৱিক।

পদ্মনাথ গোহাঞি বৰুৱাই নগাপাহাৰৰ মাজত থাকিয়েই ভগবদ্গীতা অধ্যয়ন কৰি, জীৱনৰ গভীৰতাত বুৰ মাৰি কৈছিল—

"মানবাত্মা মুক্তি হেতু জগতত
শ্ৰেষ্ঠ ধৰ্ম ভেটি।
সৃষ্টি স্থিতি প্ৰলয়ৰ সম্বন্ধ নিৰ্ব্বন্ধ
গূঢ় তত্ত্ব;
একৰ কাৰণে তিনি, বিশ্ব প্ৰাণ
মিলন মহত্ত্ব।"
—মিলন মহত্ত্ব—।

বৰুৱাই ব্যাপক ভ্ৰমণ কৰিও, নীল জলধিৰ পাৰত বিশ্ব প্ৰাণৰ ৰস উপলব্ধি নকৰিলে।

সমাজ জীৱন প্ৰগতিৰ পথত অগ্ৰসৰ হবলৈ হলে, জাতিৰ জীৱনত 'ক্লৈব্যং মাস্ম গমঃ' বাণী শুনাই জনমানসৰ পৰা ভয় ভাব দূৰ কৰিব পৰা শিল্পীৰ শিল্প সাধনা প্ৰয়োজন। যি কলাকাৰে জীৱনৰ ভয়াবহ পৰিস্থিতিতো বিমূঢ় নোহোৱাকৈ চিত্ত স্থিৰ ৰাখি ৰাষ্ট্ৰীয় নেতৃত্ব দিব পাৰে তেওঁহে প্ৰগতিবাদী কলাকাৰ।

কবি বৰুৱাই হিমালয়ৰ সিপাৰত হাঁহি শুনিয়েই কঁপিবলৈ ধৰিলে; কিন্তু মুক্তি ৰবদলৈয়ে ভাৰত-চীন সীমান্তত 'পাৰ্ব্বতী'ৰ অৰাধনা কৰি ভীতি শূন্য হৈ, অসমীয়া জাতিক আশ্বস্ত কৰিছে। বিশ্ব ভ্ৰমণৰ

অন্ততঃ হিমালয়ৰ সিপাৰৰ 'প্ৰতিধ্বনি' শুনি কাতৰ হোৱাৰ মূলতে হৈছে বৰুৱাৰ কবি মানসৰ জৈৱিক কামনাৰ অতৃপ্ত বেদনা।

কবি বৰুৱাই ভূমধ্য সাগৰৰ পাৰত 'জীয়াই থকাৰ মাধুৰিমা স্বপ্ন' বিচাৰি পায়। কিন্তু ভাৰতৰ ৰাজধানী দিল্লীত থাকিও, সীমান্তৰ 'প্ৰতিধ্বনি'ত কাতৰ হয়। বৰুৱাৰ হৃদয়ৰ বেদনাই অসমীয়া জাতিক স্পৰ্শ কৰিলে দেশৰ স্বাধীনতা ৰক্ষা কৰা টান। বৰুৱাই চীন দেশৰ আহিত কবিতা ৰচোঁতে 'হায় ঈশ্বৰ' বুলি ফকটাছৰ দৰে আৰ্তনাদ কৰিছিল যদিও, হিমালয়ৰ সীমান্তৰ প্ৰতিধ্বনিয়ে বৰুৱাৰ মৃত আত্মা সমাধিস্থ কৰিলে; ঈশ্বৰ আঁতৰি গল।

কৃষ্ণাঙ্গী আফ্ৰিকাৰ প্ৰণয়ৰ যোগেদি কবি বৰুৱাৰ হৃদয়ত 'এই নিষ্ঠুৰ পৃথিৱীত জীয়াই থকাৰ স্বপ্ন' উদয় হৈছিল যদিও হিমালয়ৰ সিপাৰৰ কমিউনিষ্টৰ হাঁহিৰ 'প্ৰতিধ্বনি'য়ে বৰুৱাৰ হৃদয়ত 'পৃথিৱীৰ ভৱিষ্যত জোনটোৰ দৰে অনিশ্চিত' ভাব সৃষ্টি কৰিলে। বৰুৱাই হোমেন বৰগোহাঞিৰ 'মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' উপলব্ধি কৰিব নোৱাৰা বাবে সুদীৰ্ঘ কালৰ ৰাজনীতিয়ে আৰু বিশ্ব ভ্ৰমণে গভীৰ জীৱনবোধ স্পষ্ট নকৰিলে।

বৰুৱাৰ মগজুৰ পোকটোৰ কথা বহুবাৰ উল্লেখ কৰিও পুনঃ 'এটা পোক' নামৰ এটা পৃথক কবিতা ৰচনা কৰিছে। বৰুৱাৰ এই পোকটো হৈছে 'যুৱতীৰ উজাগৰী নিশা'ৰ স্বপ্নৰ বেদনা; যুৱতীৰ সঙ্গ সুখৰ অতৃপ্ত বেদনাই বৰুৱাৰ হৃদয় আকাশত মৃদু উচুপনিৰ মাজেদি বৰুৱাৰ অন্তৰাত্মাক নৰকৰ বেদনা ভোগায়।

বৰুৱাই মগজুৰ পোকটো আঁতৰাবৰ বাবে ভাৰতৰ সীমন্তলৈ গ'ল। চীন-ভাৰত সীমান্তৰ যুদ্ধৰ দৃশ্যই বৰুৱাৰ কবি মানসত শক্তি সঞ্চাৰ নকৰিলে। কিন্তু বৰুৱাই কালিদাসক সমালোচনা কৰাৰ দৰে বৌদ্ধ সন্ন্যাসী হিউৱেন চাঙক বিদ্ৰূপ কৰিছে।

কবি বৰুৱাই মনৰ শান্তি হেৰুৱাই বহিৰ্জগতত যেনেদৰে বিচৰণ কৰিছে; অন্তৰ জগতত সেইদৰে বিচৰণ কৰা হলে বৰুৱাৰ কবিতা নিন্দা কৰা লোকক 'ভেকুৰা মনৰ' বুলি দোষাৰোপ নকৰিলেহেঁতেন; নাইবা কালিদাস আৰু হিউৱেন চাঙকো বিদ্ৰূপ নকৰিলেহেঁতেন। আত্মজ্ঞান হীন বৰুৱাই মগজুৰ পোকৰ কাৰণে-ৰণিত জ্ঞান শূন্য হৈ এনে উক্তি কৰিছে।

বৰুৱাই যুদ্ধৰ দৃশ্য আৰু সীমান্তত মৰিশালি দেখি কৈছে— "প্ৰস্থকাৰ কোন ?" ইয়াৰ উত্তৰ হিচাবে বৰুৱাই লিন য়ুটাঙৰ "মোৰ দেশ আৰু মোৰ দেশৰ মানুহ" নামৰ গ্ৰন্থখনৰ 'পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ' নামৰ অধ্যায়টো অধ্যয়ন কৰা উচিত। লিন য়ুটাঙে ১৯৩৬ চনত এই গ্ৰন্থখনৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰে। সেয়ে, চীনত কমিউনিষ্ট শাসন প্ৰতিষ্ঠা হোৱাৰ (১৯৪৯) পূৰ্বৰ কাল হোৱাৰ চীনৰ জনসাধাৰণ আৰু সাহিত্য সংস্কৃতিৰ ৰূপ অধ্যয়ন কৰি ; জনতাৰ প্ৰতিনিধি বৰুৱাই বিংশ শতিকাৰ সপ্ত দশকত অসমীয়া—ভাৰতীয় জীৱনত কাব্য কলাৰ মাজেদি কেনে ভূমিকা লৈছে বুজি'লহে চীন-ভাৰত সংঘৰ্ষৰ 'গ্ৰন্থকাৰ'ক চিনি পাব।

লিন য়ুটাঙে প্ৰাক্ কমিউনিষ্ট যুগৰ চীনৰ সাহিত্যৰ সংস্কৃতিৰ ওপৰত পাশ্চাত্যৰ প্ৰভাৱ সম্বন্ধে কোৱা কথাখিনিৰ সাৰাংশ এই "পাশ্চাত্য চিন্তাধাৰাই দেশীয় সাহিত্য সংস্কৃতি আৰু জীৱনৰ মূল্যবোধত গভীৰ প্ৰভাৱ বিস্তাৰ কৰা হেতুকে যুৱক সকলৰ চিন্তাৰ গভীৰতা হেৰুৱাই পেলাইছে; আৰু চীনৰ জনসাধাৰণৰ সাধাৰণ জ্ঞানো লুপ্ত হৈছে। আধুনিক চীনৰ চিন্তা হৈছে তৰাং। সমালোচনাত্মক দৃষ্টি-ভঙ্গী বিবৰ্জিত সমাজ জীৱনত বিদেশী লিখকৰ সস্তীয়া ৰচনা সমূহৰ প্ৰতি ধাউতি বাঢ়িছে।

চীনা জাতি দ্বিধা বিভক্ত হৈছে, আশাবাদী আৰু নিৰাশবাদী; নিৰাশবাদীৰ সংখ্যাই সৰহ। প্ৰাচীন পন্থী লোক সকলে বিশেষকৈ যি সকলে নাৰীৰ সতীত্বৰ আদৰ্শৰ কথা কয়, তেওঁলোকে নবীন সকলৰ উপহাসৰ পাত্ৰ। এই গৱাকী লিখকে চীনৰ জাতীয় জীৱনৰ ৰোগ নিৰ্ণয় কৰি কৈছে যে, যদি বাস্তৱিকতে গঠন মূলক চিন্তা, সৎ আদৰ্শ, সজ চিন্তাই, সমালোচনা মূলক দৃষ্টিভঙ্গীয়ে জাতিক অনুপ্ৰাণিত নকৰে তেনেহলে কেৱল প্ৰচাৰ ধৰ্মী বাণী সমূহে দেশৰ কল্যাণ সাধন নকৰে; দেশত কমিউনিষ্ট নাইবা ফেচিষ্ট যিয়েই শাসক নহওক লাগে।"

ৰুছ সাহিত্যিক মেক্সিম গৰ্কী আৰু চীন লিখক লিন য়ুটাঙৰ অভিজ্ঞতা সমূহৰ মাজেদি কবি বৰুৱা তথা তেওঁৰ সম্প্ৰদায়ৰ কলাকাৰ সকলে নিজৰ জীৱনৰ পথ বাচি লওক। গণতন্ত্ৰৰ পতাকা উৰাই কথা আৰু কামৰ সমন্বয় বিচাৰ নকৰি, কমিউনিষ্টক দোষাৰোপ কৰা কবি বৰুৱাই ভাৰতৰ কলাজগতত

যি তামসিকতা সৃষ্টি কৰিছে, সেই অন্ধকাৰ পোকে সৰ্ব্বজ্ঞ বৰুৱাৰ আত্মাক দংশন কৰিছে।

বৰুৱাই 'এখন চিঠি' কবিতাত চেনাৰ যুদ্ধৰ প্ৰস্তুতি আৰু এজন সৈনিকৰ মনোভাব প্ৰকাশ কৰাৰ আলম লৈ, মেক্সিকোৰ শান্তা-ক্ৰে চহৰৰ "ক্ৰুছ বিদ্ধ যীশুৰ আশ্ৰম বাসিনী" ৰ পৰা পোৱা "মমতাৰ চিঠি'ৰ প্ৰত্যুত্তৰ লিখিছে। নেফাৰ পৰ্ব্বত মালাৰ দৃশ্যই বৰুৱাৰ কবি মানসত 'মমতাৰ চিঠি'ৰ প্ৰত্যুত্তৰ দিয়াৰ সুযোগ দিলে। চৰকাৰী খৰছত নেফা ভ্ৰমণ কৰি সৈনিকৰ হৃদয়ৰ বাতৰি জনাবলৈ যে বৰুৱাই কৈছে—

"মমতা,
বিদায় মৌন মিথৰ মুহূৰ্ত্ত
তোমাৰ চকু উপচি বৰষাৰ বান নামিছে,
তাৰ উত্তৰত মই মাথো নিৰুত্তৰ হৈ ৰলো।"

সূক্ষ্ম অনুভূতি সম্পন্ন সমালোচকে বৰুৱাৰ কাব্যিক জীৱনৰ অভিজ্ঞতা বিচাৰি 'এখন ইস্তাহাৰ', 'মমতাৰ চিঠি', 'এখন চিঠি, 'বাবুলৰ দাঁতে গজা' বাতৰি, বাবুলৰ দেউতাকৰ অনুপস্থিতিৰ বাবে কোৱা কথা, ('তুমি নাই নহয়, সেই কাৰণে) আৰু 'মমতা'লৈ পঠোৱা উপদেশ 'এই যে, আমাৰ লৰা দুটা, সিহঁতক কেতিয়াও পিতৃৰ অভাব অনুভব কৰিবলৈ নিদিবা' উক্তি সমূহৰ মাজেদি বৰুৱাৰ পত্নী লগা চেতনাৰ সামগ্ৰিক ৰূপ প্ৰকাশ পাইছে। বৰুৱাই কৈছে যে, কবিতা সামগ্ৰিক উপলব্ধিৰ বস্তু। সেয়ে, 'মমতাৰ চিঠি' ৰ প্ৰত্যুত্তৰ নাথাকিলে বৰুৱাৰ সামগ্ৰিক চেতনাই পূৰ্ণ ৰূপ নাপায়। গতিকে বৰুৱাই চৰকাৰী খৰচত ভ্ৰমণৰ সুযোগ লাভ কৰি, সম্পূৰ্ণ ৰূপে আত্মপ্ৰকাশ কৰিছে। জাতীয় জীৱনৰ চৰম অৱনতি আৰু কি হব পাৰে?

হেমবৰুৱাৰ 'মন ময়ূৰী' কাব্যত 'বৈজয়ন্তী' নামৰ এটা কবিতা আছে। অভিধান মতে 'বৈজয়ন্তী' শব্দৰ অৰ্থ হৈছে (১) পতাকা (২) আঁঠুলৈকে ওলোমা বিষ্ণুৰ পাঁচ বৰণীয়া মালা (৩) জয়ন্তী গছ (৪) অভিধান (৫) ঘৰ।

বৰুৱাই আকাশত 'বৈজয়ন্তী' দেখি কৈছে—

"অন্তঃসত্ত্বা নাৰীৰ দেহৰ ইংগিত
তোমাক অস্পষ্ট নহয়।

নতুন দিগন্ত, নতুন স্বপ্ন ;
বৈজয়ন্তীৰ স্পষ্ট জাগৰণ ।"

বৰুৱাই 'মৃতকৰ ধোৱা আৰু ধূলি'ৰ মাজেদি বৈজয়ন্তী'ত 'অন্তঃসত্ত্বা' নাৰী আৰু 'শিশুৰ ক্ৰন্দন'ত নৱজাগৰণ বিচাৰিছে। বৰুৱাৰ মন আকাশৰ 'বৈজয়ন্তী'ত ভাৰতীয় সংস্কৃতিৰ ছাপ নাই, মাথোন নাৰী কেন্দ্ৰিক বৰুৱাৰ কবি মানসৰ ভিন্ন এটা ৰূপহে প্ৰকাশ পাইছে ।

বৰুৱাৰ আকাশ কুসুম বৈজয়ন্তী'ৰ অভ্যন্তৰত নতুন স্বপ্নৰ পতাকা উত্তোলনৰ উৎসৱত পুৰুষ শক্তিৰ সংযোগ নাই ; কিন্তু শিশুৰ ক্ৰন্দন আছে। কাৰণ বৰুৱাৰ সদৃশ ভীৰু পুৰুষ সকলে 'বৈজয়ন্তী'ত প্ৰবেশ কৰি জাৰজ সন্তান জন্ম দি নতুনৰ পাতনি মেলিব খোজে । এই বিষয়ত বীৰেণ বৰকটকীৰ জাৰজৰ ধ্বনি প্ৰতিধ্বনিত হৈছে ।

হেম বৰুৱাৰ 'বৈজয়ন্তী'ত বীৰেণ বৰকটকীৰ 'উঠা কৰ্ণ, উঠা হেৰা জাৰজ সন্তান' ভাবৰ ধ্বনি আছে। জাৰজ কৰ্ণৰ পিতৃয়ে কৰ্ণক জন্ম দিয়াই নহয়; সমগ্ৰ সৌৰ জগতক শক্তি প্ৰদান কৰি ; দেদীপ্যমান হৈ ; বিশ্ব নিয়ন্ত্ৰণ কৰি আছে ।

কিন্তু, হেম বৰুৱা বীৰেণ বৰকটকী আদি পিতৃ সকলে জাৰজ সন্তান কামনা কৰি চিঞৰি কয় — "মোৰ মগজুত একো নাই ।" জাৰাজ সন্তান জন্ম দিয়া পিতৃৰ যদি মগজুত একো নাই ; তেন্তে জাৰজে 'বৈজয়ন্তী'ত জন্ম লাভ কৰি কেনেকৈ কি জ্ঞানৰ বলত বৰকটকী বৰুৱাৰ "জীৱন জোৰা স্বপ্নৰ সাধনা" সাৰ্থক কৰিব ! হেম বৰুৱাৰ 'বৈজয়ন্তী'ত অসুৰ জন্ম হৈ কবি বৰুৱা-বৰকটকীৰ আদেশ গ্ৰহণ কৰিলে ভাৰত তথা মানৱ সমাজ পোহৰৰ পৰা গভীৰ অন্ধকাৰ'লৈহে গতি কৰিব । অৱশ্যে, বৰুৱাই সামাজিক গ্লানি দেখি দুখ নকৰে ।

বৰুৱাৰ কাব্যৰ শেষৰ কবিতাটো হৈছে 'আদিম পুৰা'। বৰুৱাই 'নিপোতল গাভৰুৰ বুকুৰ আস্বাদ'ৰ মাদকতাৰ মাজত ক্লান্ত হৈ কৈছে—

"মৃত্যু আৰু জীৱনৰ দোমোজাত বহি
স্বপ্ন দেখিছোঁ আমি,
দিনান্তৰ গৰ্ভ কোষত, সঞ্জীৱিত হোৱা
এক আদিম পুৰাৰ ।'

বাস্তৱৰ সংঘাতৰ মাজেদি গতি কৰি জাতিক নেতৃত্ব দিব নোৱাৰা কলাকাৰৰ এয়ে ব্যৰ্থতা।

কিন্তু এই ব্যৰ্থ কলাকাৰে যেতিয়া কয় 'হেৰা শকুন্তলা, তোমাৰ আঙুলিৰ অগ্নিকণাৰে নুমাই দিয়া ৰাজকাৰেঙৰ শলিতাৰ জুই। দুষ্মন্তৰ ভাগক স্বপ্ন।' তেতিয়া সচাঁকৈয়ে, 'ক্ৰুছবিদ্ধ যীশুৰ আশ্ৰম বাসিনী" নাৰী ৰূপী শকুন্তলাৰ স্বপ্নত বিভোৰ হৈ থকা; ৰাজ্য পৰিচালনাত অংশ গ্ৰহণ কৰা; বৰুৱাৰ ট্ৰেজিক জীৱনৰ প্ৰতি পুতৌ জাগে।

বৰুৱাৰ 'মন ময়ুৰী' কাব্যৰ একুৰি কবিতাৰ মাজেদি দুকুৰি দহবছৰীয়া কবিজনৰ চিন্তাৰ ঐক্য বিচাৰিলে দেখা যায় যে, চনিয়া আইকণ, অনামিকা, মেস্কিকোৰ নাম নজনা ছোৱালী আদি বিভিন্ন নাৰীৰ দেহৰ 'সেউজ মিহলি মৃদু ঘ্ৰাণে' এনেদৰে কবিৰ চিত্ত আবৃত কৰি ৰাখিছে যে, এটা কবিতাটো বৰুৱাই এই ঘ্ৰাণৰ পৰা মুক্ত হব পৰা নাই। বৰুৱাৰ কবিতাত দাম্পত্য প্ৰেমৰ চিত্ৰ নাই; কাৰণ এই শ্ৰেণীৰ কবিয়ে নাৰীক শ্ৰদ্ধা নকৰে।

বৰুৱাই এই কুৰিটা কবিতাৰ ভিতৰত অনেক বাৰ প্ৰসূতি কক্ষ, নাৰীৰ গৰ্ভকোষ, আদিলৈ গতি কৰিছে যদিও; প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত শান্তি বিচৰা নাই। বৰুৱাই মাত্ৰ এঠাইত "হায় ঈশ্বৰ!" আৰু অন্য এঠাইত সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ' বুলি ঈশ্বৰ আৰু আত্মাক স্বীকাৰ কৰিছে। আত্মা আৰু ঈশ্বৰক জানিও দৈৱী সম্পদ নিবিচাৰি আসুৰিক সম্পদৰ গৰাকী হবলৈ যাওঁতে এই ব্যৰ্থতা।

লিন য়ুটাঙে কৈছে---"পাশ্চাত্য আৰু চীনৰ কলাৰ অনুপ্ৰেৰণাৰ স্থলী ভিন্ন প্ৰকৃতিৰ। পাশ্চাত্যৰ শিল্পীৰ প্ৰেৰণা হৈছে নাৰীৰ দেহৰ আকৰ্ষণ; কিন্তু চীন তথা প্ৰাচ্যৰ কলাকাৰৰ প্ৰেৰণাৰ স্থলী প্ৰকৃতিহে।' এই দৃষ্টিৰে চালে বৰুৱাৰ কাব্য সাধনা সম্পূৰ্ণ পাশ্চাত্য মুখী; সেয়ে ভাৰতীয় কলাৰ আকৃতি প্ৰকৃতিৰ লগত পাশ্চাত্যৰ বিৰোধ। প্ৰকৃতিৰ মাজেদি পৰম পুৰুষক অন্বেষণ কৰা বাবেই ভাৰতীয় কলাত ট্ৰেজেডিৰ স্থান নাই।

ৰোমাণ্টিক যুগৰ তথা প্ৰাক স্বাধীনতা যুগৰ কলাকাৰ সকলে পাশ্চাত্য জগতৰ গুণ খিনি গ্ৰহণ কৰিব জনা গতিকে ভাৰতৰ স্বাধীনতা আন্দোলন গঢ়ি তুলিব পাৰিছিল। ইয়াৰ মূলতে আছিল

বেজবৰুৱা আগৰৱালা আদি কবিসকলৰ ঘৰুৱা জীৱনৰ সাংস্কৃতিক প্ৰভাব। পৰাধীন ভাৰতত ৰাজনৈতিক জীৱন আৰু সাংস্কৃতিক জীৱনৰ লক্ষ্য একেটা আছিল বাবেই, জাতিয়ে পোহৰৰ পথ লৈছিল।

স্বাধীনতাৰ পৰৱৰ্তী কালত ৰাজনৈতিক লক্ষ্য সাধনৰ নিমিত্তে সাংস্কৃতিক বিপ্লৱ ৰচনা নোহোৱা বাবে জাতীয় জীৱনৰ পৰা পবিত্ৰতা হ্ৰাস হৈছে। বৰুৱাৰ সম্প্ৰদায়ৰ কবিসকলে প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ কলাৰ বিভিন্ন দিশ উপলব্ধি নকৰা বাবে এই সংঘাত; কলাকাৰ সকলৰ ট্ৰেজিক বেদনা।

স্বাধীনতাৰ পৰৱৰ্তী কালত ৰাজনীতিৰ ক্ষেত্ৰত বিৰোধী দল সমূহ দেশক গণতান্ত্ৰিক সমাজ ব্যৱস্থা আৰু ভাৰতীয় সংস্কৃতিৰ আদৰ্শৰ যোগে জাতিক আগবঢ়াৰ পথ দেখুৱাব নোৱাৰাৰ দৰে, ৰোমাণ্টিক যুগৰ কাব্য কলাৰ পৰা আঁতৰি যোৱা সাম্প্ৰতিক কালৰ বিষাদযুক্ত কবি সকলৰ আত্মকেন্দ্ৰিক চেতনাই দেশৰ শক্তি বৃদ্ধিত সহায় কৰা নাই। সেয়ে গণতান্ত্ৰিক ভাৰতত বিৰোধী দলৰ নেতৃত্ব কৰা, আৰু কাব্য সাহিত্যতো সনাতন ৰীতিৰ বিৰোধিতা কৰা হেম বৰুৱাই জাতিৰ জীৱনৰ দুয়োটা দিশতে অৱতীৰ্ণ হলেও; কৰ্ম-জ্ঞান-ভক্তিৰ দ্বাৰা মানৱ সেৱাৰ আদৰ্শ দাঙি ধৰিব পৰা নাই; প্ৰতিক্ৰিয়াশীল আদৰ্শহে সৃষ্টি কৰিছে।

হেমবৰুৱাই দুই দশক জুৰি কাব্য সাধনা কৰিলেও আৰু বহুতো শিষ্যই বৰুৱাই প্ৰদৰ্শন কৰা কাব্যৰ অনুশীলন কৰিলেও, মহেন্দ্ৰ বৰাই 'ভংগাস্বন' কবিতাত 'ভংগাস্বনৰ' শতপুত্ৰ দেৱৰাজৰ হাতত নিধন হোৱাত ইন্দ্ৰপদ নিষ্কণ্টক ভাবে থকা দেখুৱাৰ দৰে, অসমীয়া কাব্য সাহিত্যত বৰুৱাৰ শত শিষ্যই নিজে সৃষ্টি কৰা বিষাদত মগ্ন হৈ আত্মবিলোপ কৰিবলৈ বাধ্য হব; অসমীয়া কাব্য কলা মুক্ত হব।

বৰুৱা আৰু বৰুৱাৰ শিষ্য সকলে পুৰুষ শক্তিক স্বীকৃতি দিয়া নাই। পুৰুষ 'ভংগাস্বনে' দেৱৰাজৰ কৌশল বুজিব নোৱাৰি নাৰী হৈয়ো পুত্ৰ শোকত কাতৰ হল; সেইদৰে বৰুৱাৰো কবি সম্প্ৰদায় দৈৱী শক্তি হেৰুৱা বাবে আসুৰিক সম্পদৰ নাৰী কেন্দ্ৰিক অন্ধকাৰৰ মাজত কাতৰ হৈছে।

চৈয়দ আব্দুল মালিক

স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া কাব্য সাহিত্যৰ প্ৰগতি পথৰ বিভিন্ন দিশ আলোচনা কৰি; মালিকৰ 'বিজয়ী যৌৱন' কবিতাৰ

প্ৰাণ শক্তি বিচাৰ কৰিলে; প্ৰথমে চন্দ্ৰকুমাৰ আগৰৱালা আৰু অম্বিকাগিৰী ৰায় চৌধুৰীৰ শক্তি আৰাধনাৰ মনোভাব দেখা যায়।

কবি মালিকে ব্যক্তিগত জীৱনত যৌৱন অতিক্ৰম কৰিলেও; জাতীয় জীৱনৰ যৌৱনৰ শক্তি আৰাধনা কৰি আত্মবিস্মৃত যুৱকক প্ৰগাতৰ নেতৃত্ব দিবলৈ সংকল্প কৰি কৈ'ছে—

'উঠা যৌৱন
নৱ প্ৰাণলৈ পুনু আহা মোৰ ন'ত
জীৱিত যুৱাৰ সতে। ”

মই ৰম বিশ্বজয়ী মৃত্যুঞ্জয়ী, সব জয়ী
অনন্ত অনন্ত কাল ধৰাৰ বুকুত।”

কবি আব্দুল মালিকৰ এই সাহসী প্ৰেৰণাৰ স্থপী হৈছে বিশ্বৰ বুকুত লুকাই থকা শক্তি। মালিকে বিশ্বত প্ৰবাহিত হৈ থকা অনন্ত শক্তিৰ আৰাধনা কৰিবলৈ দেশৰ যুৱকক আহ্বান জনাই কৈছে---

আজি তুমি বলীৰ ভয়ত
মুখ ঢাকি পলোৱা আঁতৰি।”

ভাৰতীয় অসমীয়া জাতিৰ জীৱনলৈ বিষাদৰ বান প্ৰবাহিত কৰা ভীৰু কবি সকলৰ নৈৰাশ্যৰ বিননিৰ পটভূমিত মালিকৰ কবিতাটো নিঃসন্দেহে শক্তিৰ প্ৰতীক।

সাম্প্ৰতিক কালৰ আত্ম বৃত্তান্ত মূলক ভঙ্গীত ৰচনা কৰা; আৰু 'বিশ্ব বিৰাটৰ সুৰ সানি' ভাৰতীয়-অসমীয়া জাতিক সাংস্কৃতিক জগত খনক সঞ্জীৱিত কৰাৰ প্ৰয়াসী ডক্টৰ মহেশ্বৰ নেওগৰ 'কবিতা' নাম কবিতাটোৰ প্ৰাণ শক্তিৰ লগত মালিকৰ কবিতাৰ সাদৃশ্য আছে।

ডক্টৰ নেওগে সংকলন কৰা সঞ্চয়ন' নামৰ কাব্য গ্ৰন্থ খনত দুয়োটা কবিতা একে সময়তে অধ্যয়ন কৰিলে সমবয়সীয়া কবি দুগৰাকীৰ শক্তি সাধনাৰ ইঙ্গিত পোৱা যায়। স্বাধীনতাৰ পৰবৰ্ত্তী কালৰ জাতীয় জীৱনলৈ নেওগ-মালিকৰ কবিতাই যি ভাব প্ৰবাহিত কৰি আনিছিল; সেই ভাবৰ পৰম্পৰাই কেনেদৰে গতি কৰিছে বিচাৰ্য। প্ৰকৃততে যি জন শিল্পীয়ে সংশয়মুক্ত হৈ জীৱনৰ আদি মধ্য-অন্তলৈ 'বিশ্ব বিৰাটৰ সুৰ সানি অনন্ত বিজয়ী' হৈ বিৰাটৰ সুৰৰ মাজেদি

'সৰ্ব্বজয়ী হৈ জাতীয় জীৱনৰ পৰিপূৰ্তি সাধন কৰে তেওঁহে প্ৰগতিৰ বন্তি জ্বলাই জাতিৰ শক্তি বৃদ্ধি কৰে ।

ডক্টৰ নেওগে হৃদয়ত যি বিৰাটৰ সুৰ উপলব্ধি কৰি আনন্দত আত্মহাৰা হৈছিল, মুছাফিৰ হৈ 'মুছাফিৰ খানা' (১৯৬৬) ত প্ৰবেশ কৰি সেই সুৰৰ আনন্দৰ ধ্বনি হেৰুৱাই পেলাই শোকাকুল হৈ কৈছে-- 'সেই শূন্যতাই মোক চেনেহৰে সাবটি ধৰিছে ।" সংসাৰৰ মায়ামোহে নেওগৰ হৃদয়ৰ পবিত্ৰতা লুপ্ত কৰাত কবি নেওঁগে পূৰ্ব্বৰ শান্তি হেৰুৱাই কৈছে—"জীৱনত কত ঘৰ আছে নিজাপি শান্তিৰ ?" সেইদৰে কবি নেওগৰ ব্যৰ্থতাৰ অন্যৰূপ প্ৰকাশ পাইছে 'দণ্টিৰ ইতিহাস' (১৯৭০ জানুৱাৰী) কবিতাত । কবি নেওগৰ হৃদয়ৰ বিৰাট সুৰ অন্তৰ্দ্ধান হোৱাত "আন্ধাৰৰ হাঁহ।কাৰত" নেওগে কৈছে—

"যাযাবৰ জীৱনৰ
বুৰঞ্জীৰ ঘাটে ঘাটে
আঙুলিৰ মাজে সৰি পৰা
কিমান নয়ন জুলি দুহাতৰ মুঠিত
ধৰিলোঁ' ।

—দণ্টিৰ ইতিহাস –

নেওগৰ কবি মানসত ইন্দ্ৰিয় কাতৰতাই শক্তিশালী হৈ বিৰাটৰ সুৰ ম্লান কৰি দিয়াত বিষাদে কবিৰ হৃদয় অন্ধকাৰ কৰিলে। অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত সৌন্দৰ্য শক্তি সাধনাৰ গতিয়ে নেওগৰ হৃদয়ত 'ভীত এহলি নয়ন' ৰূপে দেখা দিলে । মালিকৰ কবি মানসৰ গতি কোন দিশে ? ইয়াৰ উত্তৰো কবিতাটোত আছে।

তদুপৰি, 'এটা মৰা মানুহ' কবিতাই মালিকৰ 'বিজয়ী যৌৱনৰ' শক্তিৰ গতি নেওগৰ দৰে 'অদৃশ্য দাহিকা শক্তি' ৰূপে প্ৰকাশ কৰিছে । 'এটা মৰা মানুহ' (১৮৮৬ঃ১৯৬৪) কবিতাত কবি মালিকৰ সৰ্ব্বজয়ী হোৱা বাসনা লুপ্ত হোৱাৰ মূলতে হৈছে মনৰ পবিত্ৰতাৰ অভাৱ । সাম্প্ৰদায়িক মনোভাবে কলাকাৰৰ হৃদয়ত 'সৰ্ব্বজয়ী' শক্তি স্থায়ী নকৰে ।

শিল্পীৰ যদি জীৱনৰ লক্ষ্য স্থিৰ হৈ নাথাকে তেতিয়া সংসাৰৰ মায়াই শিল্পীৰ মন চঞ্চল কৰি তোলে । সেয়ে মানবে আধ্যাত্মিকতাৰ পথত অগ্ৰসৰ হৈ মুক্ত জীৱনৰ আনন্দ লাভ কৰিবৰ বাবে নিয়ত আৰাধনা কৰিলেহে বিৰাট সুৰে যৌৱনৰ শক্তি দিয়ে ।

কবি মালিকে সৰ্ব্বজয়ী হব'ল যৌৱনৰ শক্তি সাধনা কৰিছে যদিও ; যৌৱনৰ শক্তিৰ লগত জ্ঞানৰ সাধনাৰ কথা উল্লেখ কৰা নাই। যৌৱন 'সৰ্ব্বজয়ী' হবলৈ হলে যুবক জ্ঞানী আৰু সংযত হব লাগিব। কবি মালিক 'বিজয়ী যৌৱনৰ' শক্তি প্ৰকাশ কৰিবলৈ ইতিহাস অধ্যয়ন কৰি কাৰবালাৰ মৰুভূমিলৈ গৈছে।

কবি মালিকে বিজয়ী যৌৱনৰ অভিযানৰ বৰ্ণনা দিবলৈ °প্ৰধানকৈ মুছলমান ৰজা সকলৰ দিগ্বিজয়ৰ কথা হ কৈছে। সেয়ে ভাৰতীয় অসমীয়া সমাজ জীৱনক উদ্দেশ্য কৰি ৰচনা কৰা কবিতা-টোৰ মাজেদি মুছলমান সম্ৰাট সকলৰ বিভিন্ন আক্ৰমণক যৌৱনৰ শক্তি প্ৰকাশৰ এটি ৰূপ বুলি কবিয়ে কৈছে। লগতে মালিকে এই কথাও কৈছে যে বিজয়ী যুৱকে পৰাজিত যুৱকক আঁকোৱালি লৈ শান্তিৰ পথ ৰচনা কৰিব লাগিব।

মালিকে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ঘটনা প্ৰবাহৰ ঐতিহাসিক ৰূপ আঁকিবলৈ চেষ্টা কৰিলেও, অগ্নিকাগিৰীৰ দৰে জাগকাৰবালা ভূমি কুৰুক্ষেত্ৰৰ ৰাম ৰাৱনৰ ইতিহাস; 'জাগ বুদ্ধদেৱৰ মহম্মদৰ সত্যৰ হকে জীৱন পণ, 'জাগ ভাগৱত-গীতা, বেদ কোৰাণৰ আত্মবিশ্বাসী তত্ত্বগীত; বাণীৰ সমন্বয় সাধন কৰি ঐক্য তান ৰচিব পৰা নাই। মালিকে অকপটচিত্তে ক এৰ সাধনা কৰি অতীত বৰ্তমানৰ যোগসূত্ৰ ৰচনা কৰিবৰ বাবে সাংস্কৃতিক সঙ্গম ৰচনাত ব্যৰ্থ হৈছে।

মালিকে প্ৰাচীন ভাৰতীয় সংস্কৃতৰ প্ৰাণ স্বৰূপ সপ্তৰ্ষি মণ্ডল'ৰ মাজলৈ যৌৱনৰ শক্তি বিচাৰি গল যদিও; কবি মালিকে সপ্তৰ্ষি মণ্ডলৰ পৰা মানৱতাৰ বাণী আনি যুৱকক শুনাব নোৱাৰিলে। মালিকৰ কবিতাত যুদ্ধৰ উন্মাদনাৰ বৰ্ণনাৰ আধিক্যই ক্ষুধিত মানৱৰ মানৱতাৰ সমস্যা ঢাকি ৰাখিছে।

আলেকজেণ্ডাৰে 'বিজয়ী যৌৱনৰ' অভিযান চলাই আহি, পুৰুৰ বীৰত্বক আৰু স্বাধীনতা স্পৃহাক স্বীকৃতি দি; 'প্ৰাণৰ শতৰুক' ভাইৰ ব্যৱহাৰ কৰিলে। কিন্তু মহম্মদ ঘোৰীয়ে হিন্দু সংস্কৃতিৰ ধ্বংস সাধন কৰিলে। মুছলমান সাম্ৰাজ্যবাদে মুছলমান শাসকৰ আমোলতে ধ্বংসলীলা সাধন কৰি ময়ূৰ সিংহাসন, হীৰা, কহিনুৰ লুণ্ঠন কৰি লৈ গল। কিন্তু মালিকে কৈছে—

'ৰত্নময় ময়ূৰ আসন
আজি তুমি পৰক সমৰ্পি
নিজে হলা পথৰ ভিখাৰী।'

এক মুছলমান সম্ৰাটে যৌৱনৰ বিজয়ী অভিযান চলাই যদি অন্য এক মুছলমান সম্ৰাটৰ পৰা ৰত্নময় আসন লৈ যায়, তেন্তে ই জানো যৌৱনৰে এটা ৰূপ নহয়? মালিকে ময়ূৰ আসন হেৰুৱাই পথৰ ভিখাৰী হোৱা লোক সকলক লক্ষ্য কৰি সাম্প্ৰদায়িক ভাবে প্ৰকাশ কৰিছে।

কবি মালিকে মধ্যযুগৰ মুছলমান সম্ৰাট সকলৰ বিজয়ী অভিযানৰ শক্তিৰে ভাৰত আৰু অসমৰ কোন শ্ৰেণীৰ যুৱকক লৈ বিংশ শতিকাৰ পুনৰাবৃত্তি মধ্যযুগৰ অভিযান চলাব?

অপ্ৰাসঙ্গিক হলেও, মালিকৰ এই বিজয়ী অভিযানৰ তাৎপৰ্য বুজিবলৈ আৰব জগতৰ মনোভাব বুজা প্ৰয়োজন। আৰব-ইজৰাইল সংঘৰ্ষৰ সম্পৰ্কে ইজৰাইলৰ সহকাৰী কনছালেট ডেভিদ জোহাৰ উল্লেখ কৰা কথাখিনি উদ্ধৃত কৰিলে মালিকৰ আদৰ্শৰ স্বৰূপ বুজা যাব।

মিয়েই নহওক লাগে, আৰবৰ মানচিত্ৰ সমূহে (উদাহৰণ স্বৰূপে, ডামস্কছৰ স্কুল সমূহৰ অষ্টমমান শ্ৰেণীৰ বাবে ৰচিত জাতীয় সংস্কৃতি বিষয়ক পুথি, (পৃষ্ঠা ৮৯০; চন ১৯৬৭) ইজৰাইল আফ্ৰিকা আৰু এছিয়াৰ বহু অংশ 'মুক্ত কৰিবলগীয়া' ইছলাম জগতৰ অংশ হিচাবে দেখুৱাইছে। সেই মানচিত্ৰ খনতে মহাৰাষ্ট্ৰ গুজৰাট, ৰাজস্থান, পাঞ্জাব, কাশ্মীৰ, উত্তৰ প্ৰদেশ আৰু বিহাৰকে ধৰিছে।" (ষ্টেটছ মেন কাকত: ৪ ফেব্ৰুৱাৰী :১৯৭০)।

আৰব জগতৰ বিজয়ী অভিযানৰ চোৰে ভাৰত-তথা অসমৰ গ্ৰাস কৰিবৰ বাবে পূৰ্ববঙ্গ তথা পাকিস্থানৰ পৰা বিজয়ী অভিযান চলাশে মালিকে বিজয়ী বাহিনীক আদৰণি জনাব। ইছলাম জগতৰ এই বিজয়ী অভিযানৰ নেতৃত্ব কৰি মালিকে অসমৰ কাব্য জগতত 'মৃত্যুঞ্জয়ী' হোৱা দূৰৰ কথা জাতীয় জীৱনত স্থানেই হেৰুৱাব।

ইছলাম জগতৰ বিজয়ী অভিযানৰ শক্তিৰ পূজাৰী কবি মালিকে মহাৰাজ অশোকৰ কলিঙ্গ বিজয়ৰ পৰা জ্ঞান লাভ কৰি

বিংশ শতিকাৰ বিশ্বত মানৱতাবোধৰ আদশ প্ৰচাৰ কৰিলেহে ইছলামৰ বিজয়ী অভিযা'ন ৰূপ সলাই বিশ্বৰ কল্যাণ সাধন কৰিব। মালিকে আজিৰ ভাৰতীয় জীৱনত অম্বিকাগিৰীৰ দৰে 'লাগে মো ক মহামানৱ স্হান' (১৯৬৬)ৰ আদৰ্শ সাধনা কৰি, মুছলমান যুবক সকলক প্ৰগতিৰ পথ দেখুৱাই ; হিন্দু মুছলমান সম্প্ৰীতি সাধনৰ পথত অগ্ৰসৰ হলেহে ; অসমীয়া কাব্য সাহিত্যত জিলিকি থাকিব। নহলে, মালিকৰ 'বিজয়ী যৌৱনে' সমগ্ৰ মুছলমান সমাজক কলঙ্কিত কৰিব। এই আদৰ্শই মুছলমানৰ কবি মানস লুপ্ত কৰিব।

অৱশ্যে, অসমৰ মুছলমান সমাজত জাতীয়তাবাদী চিন্তাধাৰাও আছে। উদাহৰণ স্বৰূপ, অপ্ৰাসঙ্গিক হলেও, নগাওঁৰ শ্ৰীহৰফান মৌল্লাই পূৰ্ব পাকিস্হানৰ ভিতৰচৰা' নামৰ চিঠিখনত কোৱা কথা-খিনি উল্লেখযোগ্য। "পাকিস্হানৰ বিস্তাৰমুখী শক্তিক প্ৰতিহত কৰিবলৈ অসমৰ মুছলমানসকল সদা জাগ্ৰত। মৌলানা ভাছানিয়ে জানি থওক যদি কেতিয়াবা পাকিস্হানে (বাংলাদেশে) অসমক মুক্ত কৰিবৰ বাবে অভিযান চলাই তেতিয়াহলে অসমৰ মুছলমান সকলেই পাকিস্হানৰ বিৰুদ্ধে প্ৰথম বন্দুক ধৰি জন্মভূমিৰ সংহতি, অখণ্ডতা আৰু স্বাধীনতাৰ হকে শ্বহীদ হব।"

(দৈনিক অসম : ৩০ জানুৱাৰী ১৯৭০)

মুছলমান সমাজৰ বাস্তৱবাদী চিন্তা আৰু মহান আদৰ্শৰ অন্য এটি ৰূপ প্ৰকাশ পাইছে জমিৰ উদ্দিন আহমদৰ মানসী' কাব্যৰ 'পৃথিৱীৰ অধিবাসী' যুদ্ধ আৰু শান্তিৰ পথেদি "সীমাৰ নিচা' আদি বিভিন্ন কবিতাত। কবি মালিকে, জমিৰ উদ্দিন আহমেদ, হৰফান মৌল্লা আদি বাস্তৱবাদী মুছলমান সমাজৰ পৰা আদশ গ্ৰহণ কৰি ; অতীতৰ 'বিজয়ী যৌৱনৰ' কলঙ্ক মচি পেলাব পাৰিলেহে ; ভাৰতে নতুন সাংস্কৃতিক বিপ্লৱ গঢ়ি তুলিব পাৰিব। তেতিয়াহে মালিকৰ 'মৃত্যুঞ্জয়ী' শক্তিয়ে যুৱকক সঞ্জীবিত কৰিব।

মধ্যযুগীয় আদৰ্শৰে বিংশ শতিকাৰ বিশ্ব মানৱৰ সংস্কৃতি গঢ়ি নুঠে। ভাৰত-তথা অসমৰ কলাকাৰ সকলে অতীত বৰ্তমান আৰু ভবিষ্যতৰ প্ৰতি সজাগ হৈ 'মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' ৰচি, 'বিৰাটৰ সুৰ' সাধনা কৰি ;

'মানবীয়তা বিকাশ কলাৰ সীমা নাই সীমা নাই' বুলি মহাবাণী প্ৰচাৰ কৰিব পাৰিলেহে জাতীয় জীৱন বিশ্ব মানৱৰ পৰ্য্যায়লৈ উন্নত হ'ব। মালিকৰ 'বিজয়ী যৌৱন'ৰ শক্তিত সত্যনাথ বৰাৰ ভাটী বয়সৰ 'জীৱনৰ শান্তি পৰ্ব' সংযোগ হলেহে, মুছলমানৰ যৌৱনৰ শক্তি আৰু হিন্দুৰ সংযমৰ আদৰ্শই ভাৰতক বিশ্বৰ বুকুত বিজয়ী কৰি ৰাখিব।

স্বাধীনতাৰ পৰৱৰ্ত্তী কালত ৰচিত অমলেন্দু গুহৰ 'তোমালৈ' কাব্যৰ 'লুইত পাৰৰ গীত' কবিতাত ৰঙাভূত আছে বুলি কেউ-ফালে কাহিনীটো 'যুদ্ধৰ ৰচদ শেষ হ'ব চলিব বেল'। আদি উক্তিৰ মাজেদি ৰঙাচীনৰ বিজয়ী অভিযানক আদৰণি জনাই ৰাষ্ট্ৰবিৰোধী মতামত দাঙি ধৰাৰ দৰে; মালিকে ইছলামৰ গৌৰৱৰ পতাকাৰ বাণী প্ৰচাৰ কৰি একে পথকে লৈছে।

গুহৰ লুইত পৰীয়া কৃষকে স্তালিন গ্ৰাদৰ যুৱকক ভাই বুলি আকোৱালি লব; কিন্তু লুইত পৰীয়া কৃষকে ভাৰতৰ অন্য অংশৰ কৃষকক ভাই বুলি সম্বোধন নকৰে। সেইদৰে মধ্যযুগীয়া যুদ্ধৰ উন্মাদনা আৰু ইছলামৰ বিজয়ী গৌৰৱত অধীৰ হোৱা মালিকৰ যুৱকে ভাৰতৰ অন্য ঠাইৰ কথা চিন্তা নকৰে, কাৰবালাৰ কথা চিন্তা কৰে।

কিন্তু স্তালিন গ্ৰাদৰ যুৱকৰ আদৰ্শ আৰু কাৰবালাৰ ৰণৰ আদৰ্শৰ মাজত লুকাই থকা সাৰ্ব্বজনীন আদৰ্শ গ্ৰহণ কৰি ভাৰতীয়-অসমীয়া যুৱকৰ উপযোগী কৰি ৰূপ দি দেশৰ জনগণৰ সেৱাত ব্ৰতী হবলৈ যুৱক সকলক অনুপ্ৰাণিত কৰিবৰ বাবে যি প্ৰেৰণা লাগে সেই প্ৰেৰণা মালিক-গুহই সৃষ্টি কৰিব পৰা নাই লুইতৰ পাৰৰ কৃষক যুৱকে বিশ্বত বিজয়ী হবলৈ হলে অসম-ভাৰতৰ সংস্কৃতি বিশ্বৰ দৰবাৰলৈ নি মহামানৱৰ আদৰ্শ সৃষ্টি কৰিব লাগিব।

মুছলমান সম্ৰাট সকলৰ বিজয়ৰ গৌৰৱৰ পতাকা উৰাই; দেশৰ যুৱক সকলক প্ৰগতিৰ পথ দেখুৱাব খোজা কবি মালিকক 'এটা মৰা মানুহ' ৰূপত ও'লাৱা দেখিলে দুখ লাগে। মালিকে বিজয়ী যুৱকক আত্মজ্ঞান আৰু বাস্তৱ উপলব্ধিৰ অভিজ্ঞতা যোগান ধৰা নাই। সেয়ে জ্ঞানহীন যুৱকৰ মৃতকৰ অৱস্থা। ৰাষ্ট্ৰবিৰোধী আদৰ্শই অন্তৰত শান্তি নিদিয়ে। নেওগ-মালিক আৰু

বকৰা কবি সম্প্ৰদায়ৰ 'অদৃশ্য দাহিকা' শক্তি ছাইৰ মাজতে লুপ্ত হৈ যাব।

চৈইদুদ্দিন আহমদ

সাম্প্ৰতিক কালৰ কাব্য সাহিত্যৰ চিন্তাৰ প্ৰবাহ আৰু মুছলমান কবি মানসৰ ৰূপ বিশ্লেষণ কৰি, চৈইদুদ্দিন আহমদৰ 'ৰামধেনুঃ সন্ধিয়াৰ' কবিতাৰ ভাবৰাজি বিচাৰ কৰিলে অসমীয়া কাব্য সাহিত্যৰ বিষাদ যুক্ত কবি সম্প্ৰদায়ৰ ভাবৰ ধ্বনি পোৱা যায়।

শৈশৱৰ স্মৃতিয়ে সন্ধিয়াৰ ৰামধেনুৰ দৃশ্যৰ লগত একীভূত হৈ আহমদৰ কবি মানস পৃথিবীৰ দুঃখ দৈন্যৰ ওপৰলৈ তুলি নিলে যদিও; প্ৰাকৃতিক দৃশ্য ৰাজিয়ে কবি আহমদক শান্তি নিদিলে। ডক্টৰ মহেশ্বৰ নেওগে আৰু কি নৈশব্দ'ৰ কবি নীলমনি ফুকনে শূন্যতাৰ গভীৰতাত ভয়াবহ ৰূপ দেখাৰ দৰে; আহমদৰ কবি মানসো ভীতি বিহবল হৈ সৌন্দৰ্য্য পিপাসা হেৰুৱাই পেলাইছে।

ফুলৰ সৌন্দৰ্য্যৰ মাজত তেজৰ চেকুৰা থাকিলেও; সুস্থ মনৰ শিল্পীয়ে পাঠকক ফুল আৰু তেজৰ প্ৰভেদ স্পষ্ট ভাবে দেখুৱাই দি; ফুলৰ সৌন্দৰ্য্য আৰু তেজৰ চেকুৰাৰ মাজেৰে ব্যক্ত আৰু ৰাষ্ট্ৰৰ গতিশীল জীৱন দৰ্শন সৃষ্টি কৰে।

ইছলামৰ বাস্তৱবাদী আদৰ্শই আৰু সৌন্দৰ্য্য সাধনাই গভীৰ মানৱ প্ৰেমৰ মাজত আহমদৰ কবি মানস আপ্লুত নকৰা বাবে শূন্যতাই ৰাক্ষসী ক্ষুধাৰে আহমদৰ কবি মানসত দেখা দিছে।

ভবানন্দ ৰাজখোৱা

শিল্পী ৰাজখোৱাই 'পদুম কলিৰ প্ৰাৰ্থনা, নামৰ কবিতাত পদুম ফুল আৰু ভেট ফুলৰ বিৰহ-মিলনৰ আনন্দৰ যোগেদি প্ৰকৃতি আৰু পৰমেশ্বৰৰ মিলন ৰহস্য উপলব্ধি কৰি, ব্যক্ত জগতখনৰ মাজৰ পৰা আঁতৰি গৈ অব্যক্ত সৌন্দৰ্য্যত প্ৰাণ সপি দি কৈছে—

হৃদয়তে বিষাদৰ সানি মিঠাবোল
তোমাৰ মহিমা মোক বুজালা সুন্দৰ।"

জীৱন আৰু জগতৰ ৰহস্য উপলব্ধি কৰি সুখে সন্তোষে কলাৰ সাধনা কৰি প্ৰগতিবাদী চিন্তা সৃষ্টি কৰিব লাগিলে শিল্পীক আত্মতুষ্টিৰ ভাৱ লাগে। সেয়ে, ৰাজখোৱাই দৃশ্য প্ৰপঞ্চৰ মাজত শিল্পী প্ৰাণ বিলীন কৰি দি মানৱ জীৱনৰ সুখ আৰু দুঃখৰ বিভিন্ন ৰূপ বুজাৰ চেষ্টা কৰিছে।

কবি ৰাজখোৱাই তত্ত্বজ্ঞানৰ মাজেদি কৈছে যে, ব্যক্তিৰ জীৱনৰ অভিজ্ঞতা সম্পূৰ্ণ হবলৈ হলে সুখ আৰু দুঃখৰ অভিজ্ঞতা প্ৰয়োজন। তদুপৰি ব্যক্তিয়ে নিজৰ মনৰ বেদনা দূৰ কৰি শান্তি লাভ কৰিবলৈ হলে ; সাধু-সঙ্গ তথা দুঃখৰ অভিজ্ঞতা যুক্ত বন্ধুৰ সান্নিধ্য লাভ কৰা প্ৰয়োজন। সেয়ে পদুম কলিয়ে ভেট কলিৰ সাহায্য পাইহে সুন্দৰক আৰাধনা কৰিবলৈ শিকিছে! বৈষ্ণৱ যুগৰ ভক্তিয়ে ৰোমান্টিক আদৰ্শৰ মাজেদি প্ৰাৰ্থনা ৰূপে প্ৰকাশ পাইছে।

ভৱ প্ৰসাদ ৰাজখোৱা

সৃষ্টিৰ দিনৰে পৰা প্ৰকাশিত হোৱা সৌন্দৰ্য আৰাধনা কৰি, ষড়্ঋতুৰ পৰশত বিশ্বত সৃষ্টি হোৱা বৈচিত্ৰ উপভোগ কৰি ; ৰাজখোৱাই শিল্পী প্ৰাণৰ বোল সানি মানসীৰ ৰূপ সৃষ্টি কৰিলে। কিন্তু, মানসীয়ে প্ৰেৰণা সৃষ্টি কৰি কবি ৰাজখোৱাৰ প্ৰাণ মুক্ত কৰিলে যদিও ; মানসীৰ গোপন প্ৰেমে কবিৰ চিত্তত কাৰুণ্যৰ মাজেদি বৈৰাগ্যৰ ভাব সৃষ্টি কৰিলে। সেয়ে, কবি 'চিৰকুমাৰ'।

ভাৰতীয় দৰ্শনৰ জ্ঞান বৈৰাগ্যৰ আদৰ্শই কবি ৰাজখোৱাৰ চিত্ত গভীৰ ভাবে বিগলিত কৰিছে। সেয়ে, বাহ্য জগতৰ ৰূপ চিত্তত প্ৰতিফলিত হোৱাত ইন্দ্ৰিয় গ্ৰাহ্য জগতখনত সাময়িক ভাবেহে বিচৰণ কৰিলে। যি জন সাধকৰ হৃদয়ত বৈৰাগ্যৰ ভাব আছে সেইজন সাধকৰ সাময়িক চিত্ত বিভ্ৰান্তি ঘটিলেও পুনঃ আত্মজ্ঞানে কবিক 'চিৰকুমাৰ' ৰূপে সমধিস্থ কৰে।

বিশ্বৰ ৰূপ সাধনা কৰা কবি ৰাজখোৱাই মানসী প্ৰিয়াক অন্বেষণ কৰি ; পাহাৰ ভৈয়ামত ভ্ৰমি ভ্ৰমি শেষত সাগৰৰ পাৰ পাই অৰ্থাৎ অসীমৰ সন্মুখীন হৈ মানসী প্ৰিয়াক সীমাহীন সৌন্দৰ্য্যত বিলীন হৈ যোৱা দেখা পালে। মানসী প্ৰিয়াই দৃশ্য প্ৰপঞ্চৰ মাজেদি প্ৰলুব্ধ কৰি শেষত ব্ৰহ্মজ্ঞান দিলে।

চন্দ্ৰকুমাৰ আগৰৱালাই 'মায়া' কবিতাত দৃশ্য প্ৰপঞ্চৰ আকৰ্ষণ লক্ষ্য কৰি কৈছে—

> "মধুৰ মোহিনী মাত পৰিল কাণত
> ৰূপৰ প্ৰতিমা মোৰ নাচিছে হিয়াত।"

সেইদৰে, ৰাজখোৱাই প্ৰকৃতি তথা 'মায়া'ৰ আকৰ্ষণত পৰিলেও পুনঃ আগৰৱালাৰ দৰে 'অকলশৰীয়া' হৈ 'চিৰকুমাৰ' ৰূপে বিশ্বৰ

ৰূপ সাধনা কৰি; নীলমনি ফুকনে সুন্দৰক বিচাৰি তটিনীৰ অনুগামী হৈ সাগৰলৈ গতি কৰাৰ দৰে সাগৰৰ পাৰলৈ গতি কৰি কৈছে।

"সাগৰৰ সতে গোপন মিলন, দেখিলোঁ সুখৰ ঠাই
দেখা পালো পথ,
দেখিলো দুয়োৰে সেই দৰ নিজানত মিলনৰ ৰম্য
ঠাই প্ৰণয়ৰ মথ।"

বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আনন্দচন্দ্ৰ আগৰৱালা আদি কবি সকলে প্ৰকৃতিৰ মাজত বিচৰণ কৰি সীমাহীন সৌন্দৰ্য সাধনাৰ আদৰ্শ সৃষ্টি কৰি যি গতিশীল জীৱন দৰ্শন সৃষ্টি কৰিছে ৰাজখোৱায়ো সেই আদৰ্শ সাধনা কৰিছে। কিন্তু ৰাজখোৱাৰ আত্মাপৰ্বদিধৰ ৰূপ অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগতহে সাদৃশ্য দেখা যায়। ৰায়চৌধুৰীয়ে প্ৰেমৰ মাজেদি মহাকাশলৈ গতি কৰিছে; কিন্তু ৰাজখোৱাই প্ৰেমৰ যোগেদি দুৱাৰাৰ দৰে সাগৰলৈ গতি কৰিছে।

কবি হেম বৰুৱাই হৃদয়ৰ পৰা সৃষ্টি হোৱা জোনটোক 'ফুলতে বিধৱা হোৱা জোনালী বাইদেউ' বুলি কয়; কিন্তু ৰাজখোৱাই মানসীক দেখি কয়—

'মানসী কপালত দেখিলো সেন্দুৰ আয়তীৰ
মাঙ্গলিক সধবাৰ চিন।'

ভাৰতীয় সংস্কৃতিৰ সাধনাৰ মাজেদি পৰিপুষ্ট হোৱা হৃদয়ত আছে সধবাৰ মাঙ্গলিক ৰূপ; কিন্তু পাশ্চাত্যৰ নাৰীৰ আকৰ্ষণৰ মাজেদি পৰিপুষ্ট হোৱা কবি মানসত আছে বিধৱাৰ ৰূপ। কিন্তু বিধৱাৰ চকুলো নাই।

ৰাজখোৱাৰ মানসীয়ে প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত যিদৰে বিচৰণ কৰিলে, সেইদৰে মানৱৰ সমস্যাবহুল সমাজখনত ভ্ৰমি ফুৰা নাই। 'চিৰকুমাৰ' কবিয়ে মানসীৰ ৰূপ সৃষ্টিৰ সময় বিচাৰি কবি কালিদাসৰ মেঘদূত, ৰঘুনাথ চৌধাৰীৰ বহাগীৰ বিয়াৰ মাজলৈও গৈছে। কিন্তু 'চিৰকুমাৰ' কবিয়ে সৌন্দৰ্য সাধনাৰ বাবে যি দৰে হিমালয় আৰু সাগৰৰ মাজত বিচৰণ কৰিছে; সেইদৰে নগৰ আৰু গাওঁত বিচৰণ কৰা নাই। কবিতাটোৰ চিন্তাৰ ঐক্যই আৰু স্বচ্ছন্দ গতিয়ে কলাকাৰৰ শৃঙ্খলাবদ্ধ কল্পনাৰ পৰিচয় দিয়ে।

কেশৱ মহন্ত

কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী,' 'মৰণৰ কাল' (১৮৯০ শকঃ ১৯৬৯) 'প্ৰেক্ষা গৃহলৈ' (১৯৬৬) আৰু 'এটা নতুন গান' (১৯৭০) কবিতা সমূহৰ মাজেদি প্ৰকাশ পোৱা চিন্তা ধাৰাৰ ক্ৰমগতি আৰু উপলব্ধিৰ গভীৰতা বিশ্লেষণ কৰিলে মহন্তৰ ভাবৰ পৰম্পৰা বুজা যাব।

মহন্তই লোকজীৱনৰ সমল কাব্য শিল্পৰ কেঁচামাল হিচাবে সামৰি লৈ কুঁৱলীৰ মাজত আঘোণৰ ধাননি পথাৰত সোমাল। মহন্তই দাৱনী সকলৰ কৰ্মব্যস্ত জীৱনৰ মাধুৰ্য্য উপভোগ কৰিবলৈ প্ৰয়াস কৰি পথাৰত সোমাল, কিন্তু কুঁৱলীয়ে কবিৰ হৃদয়ত খেতি পথাৰৰ দৃশ্য সম্পূৰ্ণ ৰকমে প্ৰতিফলিত হব দিয়া নাই।

কিন্তু প্ৰকৃততে আঘোণৰ কুঁৱলীয়ে মহন্তক দূৰৈৰ পৰা সৌন্দৰ্য উপভোগ কৰাৰ সুযোগ দিছে। শিল্পী মহন্তই 'চিকমিক খৰ কাচিবোৰ' ৰ পৰা আৰম্ভ কৰি ডাওৰি বন্ধালৈ খেতি পথাৰৰ চিত্ৰ আঁকিছে।

মহন্তই খেতি পথাৰৰ মাজতে সেউতী' ক কেন্দ্ৰ কৰি এই প্ৰেম কবিতাটো ৰচনা কৰিছে। মহন্তই খেতি পথাৰৰ মাজত কৰ্মব্যস্ত হৈ থাকোঁতে সেউতীৰ হাঁহি ধেমালি আৰু আন দাৱনী সকলৰ উলহ-মালহত যোগদান কৰি আকাশৰ দৃশ্য উপভোগ কৰিছে। কিন্তু বৰুৱা কবিত্ৰয়ৰ দৰে দেহৰ 'সেউজ মিহলি মৃদু ঘ্ৰাণ' বিচাৰি যোৱা নাই। মিৰি জীয়াৰী উপন্যাসৰ জঙ্কিয়ে পানৈৰ সঙ্গত কৰ্মব্যস্ততাৰ মাজেদি হৃদয়ৰ পবিত্ৰতাৰ যোগেদি মিলনৰ সুখ বিচাৰাৰ দৰে; মহন্তই দাৱনীৰ মাজত জীৱনৰ সহচৰী বিচাৰিছে।

নগৰীয়া বিলাসী যুৱকে গাঁৱৰ মাজলৈ গৈ নৃত্যত যোগদান কৰি জনজাতীয় গাভৰু নাইবা 'বিহুৰ লগৰীক' চঞ্চল কৰি আদৰ্শচ্যুত কৰাৰ ভাব মহন্তৰ কবিতাত নাই। মহন্তই প্ৰেমিকা সেউতীক হৃদয়ৰ গোপন বাতৰি দিয়া নাই, যিদৰে ধনবৰে ৰতনীক ওচৰত পায়ো অন্তৰৰ ভাব নিবেদন কৰিব নোৱাৰিলে।

মহন্তই কৃষক জীৱনৰ আদৰ্শ কাব্যৰ মাজলৈ আনি বেজবৰুৱা --আনন্দচন্দ্ৰ আগৰৱালা আদি কবি সকলৰ দৰে লোকজীৱনৰ ছবিৰ মাধ্যমেৰে 'আমাৰ গাওঁ' কবিতাৰ পৰিবেশ সৃষ্টি কৰাৰ

চেষ্টা কৰিছে। কিন্তু মহেন্দ্ৰ বৰাই কৈছে---

"এই পাৰে ভাপ আছে আঘোণৰ পথাৰত
তেহে উপচি থকা মানৱ দেহৰ এক গন্ধময় ভাপ।"
---সন্ধ্যাৰ গুঞ্জন---

মহন্তৰ আঘোণৰ পথাৰৰ কমব্যস্ত জীৱনৰ দৃশ্য আৰু ৰৰাৰ তাপে ঢকা আঘোণৰ পথাৰ দৃশ্য বিন্যাসে 'ৰাজনীতি আৰু নিপোটল গাভৰুৰ বকুৰ আস্বাদ' বিচৰা কবি সম্প্ৰদায়ৰ জীৱনৰ ৰূপ স্পষ্ট ভাবে বুজা যায়।

আঘোণৰ পথাৰত সেউতী হেৰাই গলেও কৰ্মীলোকে কৰ্ম-জ্ঞান-ভক্তিৰ যোগেদি জীৱনৰ স্বৰূপ উপলব্ধি কৰি জীৱনৰ নতুন পথ বাচি লৈ নিজৰ অভিজ্ঞতা লব্ধ সত্যৰ আলোকৰ দ্বাৰা সমাজ জীৱন মঙ্গলময় কৰি ৰূপ দিয়ে।

সেয়ে, মহন্তই 'এটা নতুন গান' কবিতাত ভাৰতীয় অসমীয়া সংস্কৃতিৰ মাজেদি অসমৰ সৰলতা সনা জীৱনৰ মাধুৰ্য্য ৰক্ষা কৰি; সমসাময়িক জটিল জীৱন ধাৰাক আদৰণি জনাইছে। নতুন জীৱন তথা নতুন বাউলী বতাহৰ কোবত অসমীয়া জাতীয় জীৱন শক্তি-মন্তভাবে ৰক্ষা কৰিবলৈ হলে স্বকীয় সংস্কৃতি ৰক্ষা কৰিব লাগিব। এয়ে 'এটা নতুন গান'ৰ তাৎপৰ্য্য।

মহন্তই লোক সংস্কৃতিৰ সাধনা কৰি অসমীয়া জাতীয় জীৱনৰ যি পৰিৱৰ্তনৰ ইঙ্গিত দিছে, সত্যনাথ বৰাই 'সভ্যতাৰ মথাউৰি' কবিতাত প্ৰাচীন আধুনিক সভ্যতা সংস্কৃতিৰ বিৰোধৰ কথা উল্লেখ কৰি প্ৰায় একদৰেই কৈছে। মহন্তই যিদৰে বাউলী বতা-হক স্বকীয় আদৰ্শৰে বাধা দিবলৈ আহ্বান জনাইছে; সেইদৰে বৰাই কৈছে যে মথাউৰি বান্ধি নিজৰ সভ্যতা সংস্কৃতি শক্তিশালী ভাবে ৰক্ষা কৰিহে পাশ্চাত্যৰ আধুনিক সভ্যতাৰ বানপানী পানী-দুৱাৰেদি প্ৰবাহিত হব দিব লাগিব।

মহন্তৰ মৰাণৈ নদীৰ ইতিহাসৰ মাজেদি কবিৰ ব্যক্তিগত জীৱ-নৰ তথা শিশুসকলৰ সোঁৱৰণি আৰু সমসাময়িক লোক জীৱনৰ এটি চিত্ৰ প্ৰকাশ পাইছে। মৰণৈৰ পাৰত আৰু মৰণৈৰ বুকুত সমাজ জীৱনৰ ব্যৱহাৰিক ফালটো আৰু সাংস্কৃতিক জীৱনৰ সংযোগ সাধন হোৱা দেখি; কবি মহন্তই নৈখনৰ ধৰাণীৰ সুপ্ত

শক্তি আৰু এবিয়াৰ জাগ্ৰত যৌৱনৰ চিন্তা কৰি; নৈৰ পাৰৰ পৰা ভিয়েটনামৰ যুদ্ধৰ দৃশ্যলৈ গতি কৰিছে।

কবি মহন্তই কৈছে- মৰণৈখন ফালে হৈ পৰে অজৰ অমৰ।" আঘোণৰ কুঁৱলীৰ মাজত ধাননি পথাৰৰ সৌন্দৰ্য্যই যি আনন্দৰ সৃষ্টি কৰি, কবিক অসমীয়া সংস্কৃতিৰ মাজেদি বিহুৰ আনন্দ উৎসৱ পালন কৰিবৈ প্ৰেৰণা দিছিল, সেই আনন্দৰ ধ্বনিয়ে মৰণৈৰ পাৰত কবিক অজৰ অমৰ হৈ জীয়াই থকাৰ প্ৰেৰণা দিছে। মৰণৈ সুখতো অধীৰ নহয়; নাইবা দুঃখতো কতৰ নহয়। কিন্তু নিয়তিৰ বিধান মানি নিজ কৰ্তব্যৰ মাজেদি শক্তিৰ প্ৰতীক হৈ আছে।

মহন্তই ভিয়েটনামৰ জনসাধাৰণে অজৰ অমৰ হৈ জীয়াই থাকিবৰ বাবে আমেৰিকাৰ বিৰুদ্ধে কৰা ৰণৰ সংগ্ৰামক আদৰণি জনাই কৈছে যে ব্যক্তি বা জাতিয়ে সত্য আৰু শিৱৰ আৰাধনা কৰিহে বিশ্বত সুন্দৰ ৰূপে জীয়াই থাকিব পাৰে।

মৰণৈৰ পাৰৰ কবিয়ে বলম পৰীয়া কবিৰ দৰে নৈনক কেন্দ্ৰ কৰি সামগ্ৰিকভাৱে জীৱন দৰ্শন ৰচনা কৰিব পৰা নাই যদিও, কলঙৰ পাৰৰ" কবিৰ দৰে 'আমাক পাহৰি যাব ভৱিষ্যই মানুহৰ মিছা ইতিহাসে" বুলি কৈ বাস্তৱৰ চকুলো টোকা নাই।

মহন্তই ভিয়েটনামৰ সংগ্ৰামী লোকসকলৰ স্মৃতি মৰণৈৰ পাৰলৈ আনিলেও; ক্ষুদ্ৰ হৈ স্বাধীনতা ৰক্ষা কৰি জীয়াই থকাৰ বাবে যি শক্তি আৰু প্ৰেৰণা সৃষ্টিৰ প্ৰয়োজন; সেই প্ৰেৰণাদায়ক কৌশল আয়ত্ব কৰি, মৰণৈৰ পাৰৰ আঘোণৰ কুঁৱলীৰে আবৃত পথাৰত সামাজিক অন্যায়ৰ বিৰুদ্ধে যুঁজিবৰ বাবে বিপ্লৱৰ পতাকা তুলিব পৰা নাই।

আঘোণৰ কুঁৱলীৰ মাজত মহন্তৰ হৃদয়ত যি ৰসবোধ জাগ্ৰত হৈছিল, সেই ৰসবোধে মাঘ বিহু আৰু বহাগ বিহুৰ মাজেদি গতি কৰি; মৰণৈৰ পাৰৰ হাট-বজাৰৰ মাজত পৰিসমাপ্তি লাভ কৰিলে।

কিন্তু, 'প্ৰেক্ষা গৃহ'ত কবিতাত কবি মহন্তই নগৰীয়া জীৱনৰ আৰু আধুনিক ৰাজনীতি, সমাজনীতিয়ে সৃষ্টি কৰা সাংস্কৃতিক সংঘাত চিত্ৰ আঁকি; ব্যক্তি আৰু সমাজ জীৱনৰ অন্তঃসাৰ শূন্য ভাব হাস্য ৰসৰ মাজেদি দেখুৱাব খুজিছে যদিও; হাস্যৰস সৃষ্টি কৰিব পৰা নাই।

প্ৰশান্ত কুমাৰ বৰুৱা

প্ৰশান্ত কুমাৰ বৰুৱাৰ 'নিশাৰ সঁহাৰি' কবিতাত কমক্লান্ত জীৱনৰ ভাগৰ আঁতৰি যোৱাত; নিজম নিশাই কিদৰে কবিৰ মনলৈ প্ৰশান্তিৰ ভাব আনিছে তাকেই ব্যাখ্যা কৰিছে।

বৰুৱাই নিজম নিশাৰ পৰা দিনৰ পোহৰলৈ নিশাৰ সৌন্দৰ্য্য উপভোগ কৰিছে। জোনালী নিশা বৰষুণৰ টোপাল বোৰ পৰি আছে; মলয়া বতাহ বলিছে; কবিৰ শোৱনি কোঠাত জোনৰ স্নিগ্ধ কিৰণ পৰিছে; দূৰ দূৰণিৰ পৰা এটা সুৰ ভাহি আহিছে। চেৰৰ চম্পা ফুলবোৰ বতাহত জাকে জাকে সৰি পৰিছে।

মাজ নিশাৰ এই দৃশ্যই কবিৰ চিত্ত এনেদৰে শান্ত কৰিলে যে কবিয়ে পুনঃ দিনৰ কমত জপিয়াই পৰিবৰ বাবে প্ৰস্তুত হল। দিনৰ পোহৰে বৰুৱাৰ কবিত্বময় আবেগৰ মাধুৰ্য আঁতৰাই দিলেও; তৃপ্ত হৃদয় ৰল।

নৱকান্ত বৰুৱাই দিনৰ পোহৰত বশিষ্ঠত পৰিয়াল লৈ পিকনিক খায়ো কমক্লান্ত জীৱনৰ অৱসাদ দূৰ কৰিবলৈ সমল বিচাৰি নাপায়। মহেন্দ্ৰ বৰাই ওৰে দিনটো বিলৰ পাৰত 'ৰমণীক ৰূপৱতী কৰা প্ৰিয়াৰ মুখৰ এটি সৰু তিল' চাই থাকোঁতে প্ৰকৃতিলৈ চাব নোৱাৰে সেয়েহে, মহেন্দ্ৰ বৰাৰ 'অৰণ্য সন্ধ্যাৰ স্মৃতি'ত সঁহাৰি নাই। প্ৰশান্ত বৰুৱাই নিজম নিশা শোৱনি কোঠাৰ পৰা আকাশ পৃথিৱীৰ দৃশ্য চাই প্ৰাণ জুৰ কৰে। কিন্তু, বৰুৱা সম্প্ৰদায়ৰ কবি সকলে নতুন মূল্য বোধ সৃষ্টি কৰিব'ল গৈ বশিষ্ঠত, বিলৰ পাৰত, কলঙৰ পাৰত, নেফাৰ পৰ্ব্বতৰ মাজতো শান্তি বিচাৰি নাপায়। ইয়াৰ মূলতে হৈছে এফালে প্ৰকৃতিৰ আকৰ্ষণ আনফালে নাৰীৰ দেহৰ আকৰ্ষণ।

মহিম বৰা

মহিম বৰাৰ 'দৃষ্টি,' 'এই নদী অৰুন্ধতী' (১৯৬৬) আৰু 'তোমাৰ কবিতা পঢ়ি' (১৯৬৪) এই তিনিটা কবিতাৰ মাজেদি বৰাৰ জীৱন দৰ্শন, প্ৰগতিবাদী চিন্তাৰ ঐক্য আৰু সমসাময়িক কাব্য কলাৰ প্ৰতি বৰাৰ 'দৃষ্টি' বুজা যাব।

অধ্যক্ষ প্ৰবোধ গোস্বামীয়ে 'কলাকাৰৰ কলাকৌশল' আলোচনা কৰি কৈছে "অৱচেতনৰ লগত চেতনৰ সংযোগ আনি, বাহ্যিক অভিজ্ঞতাক আন্তৰিক অভিজ্ঞতালৈ পৰিৱৰ্ত্তন কৰি, ব্যক্তিগত সত্তাৰ

স্থূলতাৰ পৰা সামাজিক সত্তাৰ সূক্ষ্মতাৰ মাজলৈ জীৱনৰ বিকাশ সাধি কলাই জীৱন পূৰ্ণ কৰি তোলে।"

জীৱনৰ পূৰ্ণতাৰ বাবে প্ৰথমতে অন্ত-দৃষ্টি লাভৰ বাবে 'প্ৰথ' নিশাৰ প্ৰশ্ন'ৰ দৃষ্টিৰে বাহ্যিক জগতৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ পদাৰ্থ তথা প্ৰাণী সমূহকো চাব লাগিব।

বৰাই ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰে কৈছে যে, ব্যক্তিয়ে বহু দেশ দেশান্তৰ ঘূৰিও সূক্ষ্মদৃষ্টি লাভ নকৰে; যেতিয়ালৈ কলাকাৰে ধৈৰ্য ধৰি সুস্থিৰ ভাবে নিজৰ ঘৰৰ বিভিন্ন দিশ সম্বন্ধে চিন্তা নকৰে। বৰাই কৈছে যে, 'পৃথিৱীৰ জলভাত' সৌন্দৰ্যই ধৰা নিদিয়ে। নিজৰ ঘৰৰ পিৰালিতে বামুণী ভেকুলীৰ প্ৰাণভৰি ভাল পাব পাৰিলেই জীৱনৰ মহিমাই 'দৃষ্টি' শক্তি দিব।

লক্ষ্মীনাথ বেজবৰুৱাই 'বাটৰ দুবৰি বনত' আৰু চন্দ্ৰকুমাৰ আগৰৱালাই 'মানি মুনি শাকৰ নীৰৱ নিস্তব্ধ সন্তোষ'ৰ মাজত দৃষ্টি লাভ কৰিছে। সেয়ে দেখা যায় কলাকাৰৰ অন্তদৃষ্টিৰ বাবে ব্যাপক ভ্ৰমণৰ প্ৰয়োজন নাই। পদ্মনাথ গোহাঞি বৰুৱাই নগা পাহাৰৰ মাজত থাকিয়েই গীতা শাস্ত্ৰ অধ্যয়ন কৰি এই দৃষ্টি লাভ কৰিছে।

বৰাৰ 'দৃষ্টি' ভঙ্গীৰ মাজেদি 'তোমাৰ কবিতা পঢ়ি' নামৰ কবিতা গভীৰ ভাবে অধ্যয়ন কৰিলে হেমবৰুৱা আদি কবি সম্প্ৰদায়ৰ 'সাতজনী কামধেনু মোমাইৰ ঘৰৰ' অৰ্থাৎ পাশ্চাত্য সাহিত্যৰ গুনানুকীৰ্ত্তনত ঘৰৰ পিৰালি খনক পাহৰি যোৱা কবি সম্প্ৰদায়ক বিদ্ৰূপ কৰা দেখা যায়। বৰাই বিষাদ যুক্ত নাৰীদেহৰ 'সেউজ মিহলি মৃদু ঘ্ৰাণ" বিচৰা কবিসকলক লক্ষ্য কৰি যি সমালোচনা সৃষ্টি কৰিছে ইয়াৰ উদাহৰণ বেজবৰুৱাৰ চালনী আৰু বেজী' কবিতা।

মহিম বৰাই 'তোমাৰ কবিতা পঢ়ি' কবিতাত কৈছে —

নীলা সেউজীয়া ফিৰিঙতি
চাপৰিত, বাৰুৰিত, আঘোনৰ ধানৰ গোছাত
পুৱাৰ ৰ'দালি কাৰ
কেঁচা হালধীয়া গাৰ
উমেৰে কোমল আৰু গন্ধেৰে পিচল

আৰু স্বপ্নেৰে বিহ্বল
পথিবীৰ বুকে কোনে বন্দৰে বন্দৰে ঘূৰা
সেইবোৰ
স্বপ্নবাহী বহু জাহাজৰ
ময়োতো আছিলোঁ সদাগৰ ।"

হেমবৰুৱাই বহুদেশ ভ্ৰমি ভ্ৰমি যিখন 'ইস্তাহাৰ' ৰচি; মমতাৰ চিঠি' অসমীয়া জাতিলৈ আগবঢ়াইছে তাকে লক্ষ্য কৰি বৰাই এই সমালোচনা কৰিছে ।

মহেন্দ্ৰ বৰাই 'এই নদীয়েদি' কাব্যত ভাৰতীয় সাংস্কৃতিক জীৱনৰ নদী কেন্দ্ৰিক দাৰ্শনিক চিন্তাধাৰাৰ নদীৰ সোঁত সৃষ্টি কৰি উটাই নিবলৈ যৌৱনৰ উত্তৰ সাধক' হৈ অসমীয়া কাব্য জগতত আবিৰ্ভাব হোৱাত বৰাই প্ৰত্যুত্তৰ স্বৰূপ এই নদী অৰুন্ধতী' কবিতা ৰচিছে ।

ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেদি দৈৱী আৰু আসুৰিক সম্পদৰ পৰিণাম বিশ্লেষণ কৰি বৰাই "তোমাৰ কবিতা পঢ়ি"; এই নদী অৰুন্ধতী ৰচি বৰাক বিদ্ৰূপ কৰিছে ।

মহেন্দ্ৰ বৰাৰ 'ভগ্নাস্বন' কবিতাৰ শতপত্ৰৰ পিতৃয়ে দুৰ্দশাৰ স মুখীন হোৱাৰ স্মৃতিক সুঁৱৰি বৰাই কৈছে —

তোমাৰ কৌমাৰ হৰ
ময়েই সেই ভস্মৰূপ
যুগে যুগে নতুন মৃত্যুৰে,
গান্ধাৰীৰ নিষ্ঠুৰ কুক্ষিতো
শতপ্ৰাণ ময়ে সেই যৌৱনৰ উত্তৰ সাধক' ।

—এই নদী অৰুন্ধতী—

নাৰী দেহৰ 'সেউজ মিহলি মৃদুঘ্ৰাণ' বিচাৰি দেশ দেশান্তৰ ভ্ৰমি ফুৰা হেমবৰুৱাৰ শতশিষ্যৰ প্ৰধান উত্তৰ সাধক মহেন্দ্ৰ বৰা । সেয়ে, মহিম বৰাই গুৰু-শিষ্য সম্প্ৰদায়টোক 'দৃষ্টি' শক্তি দিবৰ বাবে এই দুটা কবিতা ৰচিছে ।

কিন্তু মহিম বৰাৰ সূক্ষ্ম কৌশল আৰু ব্যঞ্জনা স্থূল বুদ্ধিৰ তামসিক কলাৰ সাধক সকলে বুজা টান । বেজবৰুৱাই 'চালনী আৰু বেজী' কবিতাত সমসাময়িক কবি পদ্মনাথ গোহাঞি বৰুৱা

আদিক সমালোচনা কৰাৰ দৰে ; মহিম বৰাই তেওঁৰ সমসাময়িক ইন্দ্ৰিয় কাতৰ কবি সম্প্ৰদায়ক সমালোচনা কৰিছে ।

মঠতে, অম্বিকাগিৰি, পদ্মধৰ চলিহা, শুক্তিনাথ বৰদলৈ আদি প্ৰবীণ কাব্যকাৰ সকলৰ গোষ্ঠী ভুক্ত কবি মহিম বৰা ।

হৰি বৰকাকতি

হৰি বৰকাকতিৰ অনুস্বৰা' আৰু 'জন এফ কেনেডী' (এটা ইলিজী) (১৯৬৪) কবিতা দুটাৰ মাজেদি বৰকাকতিৰ চিন্তা কল্পনা সৌন্দৰ্য স্পৃহা আৰু জীৱনৰ মহান আদৰ্শৰ উপলব্ধিৰ গভীৰতা বিচাৰ কৰিলে কবিতা দুটাৰ তাৎপৰ্য্য বুজা যাব ।

বৰকাকতিৰ 'অনুস্বৰা' চিত্তভূমিত জগৎ আৰু জীৱনৰ যিটো ৰূপে দেখা দিছে তাত কবিতা ৰূপী সেউজীয়া শস্যৰ বিপ্লৱ হোৱাৰ সম্ভাৱনা নাই । নাৰীৰ প্ৰেমে কলাকাৰক কাব্য সাধনাৰ প্ৰেৰণ সৃষ্টি কৰিব লাগিলে আৰু এই কলাৰ সাধনাৰ মাজেদি 'সৰীসৃপ কামনা" সংযত কৰি, লুপ্ত অভিজ্ঞানৰ বৰ্দ্ধ দুৱাৰ খুলিব লাগিলে ; 'জীৱনৰ চৰাই খানাত' 'সোণ পাহি'ৰ প্ৰেমৰ সুৰা এছোৱাহী পান কৰি; তন্ময় হৈ 'লুপ্ত অভিজ্ঞান'ৰ দ্বাৰ মুক্ত কৰিব পাৰিলেহে চিত্তভূমি নাৰীৰ প্ৰেমত সজীৱ হৈ উঠে , প্ৰাণৰ পবিত্ৰ মাদকতা আহে । তেতিয়াহে প্ৰেমৰ মূল্য বুজা যায় ।

বৰকাকতিয়ে মানৱ জীৱনৰ সৃষ্টিৰ ৰহস্য বিচাৰি গৈ নাৰীৰ সংস্পৰ্শত অন্ধকাৰহে দেখিলে । কলাকাৰে নাৰীৰ প্ৰেমৰ মাজেদি জগত আৰু জীৱনৰ ৰহস্য উদঘাটন কৰি চিত্তৰ প্ৰশান্তি আৰু দাম্পত্য জীৱনৰ মাধুৰ্য উপভোগ কৰিব লাগিলে পোনতে উৰ্ব্বৰা পৃথিৱীৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ শত সহস্ৰ ৰূপ ধ্যান কৰা প্ৰয়োজন ।

লক্ষ্মীনাথ বেজবৰুৱা পদ্মনাথ গোহাঞি বৰুৱা ৰত্নকান্ত বৰকাকতি আদি প্ৰবীণ কলাকাৰ সকলে দাম্পত্য প্ৰেমৰ মাধুৰ্য কাব্যিক ৰূপ দিছে । কিন্তু স্বাধীনতাৰ পৰৱৰ্তী কালত নবীন কলাকাৰ সকলে নাৰীক কেৱল ভোগৰ সামগ্ৰী হিচাবে লোৱা বাবে সনাতন কাব্য ৰীতিৰ বিৰুদ্ধে গৈ ব্যৰ্থতাৰ পৰিচয় দিছে । বৰকাকতিয়ো ব্যৰ্থ কবি সকলৰ গোষ্ঠীৰ শতশিষ্যৰ এজন ।

কিন্তু 'অনুস্বৰা' চিত্তভূমি লৈ নাৰীৰ প্ৰেম তথা মানৱতাৰ গভীৰতাত প্ৰৱেশ কৰিব নোৱাৰা; কবিয়ে যেতিয়া বিশ্বৰ শক্তিশালী দেশ আমেৰিকাৰ বৰেণ্য পুৰুষ জন কেনেডীৰ মৃত্যু উপলক্ষ্যে চকুলো টুকি, শ্ৰদ্ধা নিবেদন কৰিব'ল যায়; তাত কেবল 'অনুস্বৰা' চিত্ত-ভূমিৰ অন্য এটা ৰূপ'হে প্ৰকাশ পায়।

সেয়ে'হে কবি মহিম বৰাই কবিৰ দৃষ্টি' শক্তি লাভৰ বাবে প্ৰথম নিশাৰ প্ৰণয়ৰ পুলক আৰু বিস্ময়ৰ অভিজ্ঞতাক মূল বুলি কৈছে। জীৱনৰ চৰাইখানাত 'সোণ পাহি'ৰ প্ৰেমৰ মূল্য নুবুজা কবি'য় জন কেনেডীৰ মৃত্যুত শ্ৰদ্ধাৰ ভাব বিচাৰি পোৱা নাই। বৰ কাকতিয়ে কেনেডীৰ মৃত্যুত মানৱৰ ভবিষ্যৎ অন্ধকাৰ দেখিছে।

প্ৰকৃততে বিশ্বৰ মহান ব্যক্তিসকলে সত্যৰ হকে প্ৰাণত্যাগ কৰি প্ৰগতিবাদী শক্তি'হে সৃষ্টি কৰে। যীশু, চক্ৰেটিছ মহাত্মাগান্ধী আদি মহামানৱ সকলৰ শাৰীৰিক মৃত্যুই পৰৱৰ্তী কালত তেওঁ-লোকৰ আদৰ্শ সমূহ অধিক সৃষ্টিশীল কৰি তুলিছে।

ইতিহাসৰ ক্ৰমগতি দাৰ্শনিক তত্ত্ব আৰু বিশ্ব-মানৱৰ প্ৰগতিৰ প্ৰতি উদাসীন হৈ কলাৰ সাধনা কৰা ব্যৰ্থকাম কলাকাৰ বৰ-কাকতিয়ে 'অনুস্বৰা' চিত্তভূমি সাৰুৱা কৰিবলৈ ইংৰাজী সাহিত্যৰ উত্তম ইলিজী সমূহৰ পৰা প্ৰেৰণা লাভ নকৰিলে।

জন কেনেডীৰ মৃত্যুত বিশ্ব-ভাৰত আৰু অসমত যি প্ৰতি-ক্ৰিয়া হল; আৰু অসমীয়া জাতিৰ প্ৰতিনিধিৰূপে বৰকাকতিয়ে কেনেডীৰ মৃত্যুক উদ্দেশ্য কৰি যি ভাবত কবিতা ৰচনা কৰিলে; সেই ভাবৰ সাদৃশ্য হেমবৰুৱাৰ 'মন ময়ূৰী' কাব্যত গান্ধীক উদ্দেশ্য কৰি কোৱা কথাত আছে।

হেম বৰুৱাই নাৰীৰ প্ৰেমৰ মূল্য নুবুজি "ছিন্নমূল, পঙ্গু" হৈ গান্ধী মহাৰাজক তথা কথিত শ্ৰদ্ধা নিবেদন কৰাৰ দৰে, বৰ-কাকতিয়ে জন কেনেডীক আত্মাৰৰ মাজত শ্ৰদ্ধা জনাইছে।

জগদীশ মেধি

ডক্টৰ জগদীশ মেধিয়ে তুমি দেৱী মোৰ সত্য সাধনা, তৱ সেৱা মোৰ ধৰ্ম" বুলি 'জনমে জনমে সাধনাৰ ধন' কবিতাত যি দৃঢ়তা

প্ৰকাশ কৰিছে সেই দৰেহে আগ্ৰাৰ ৰাজপথক কেন্দ্ৰ কৰি ৰচনা কৰা 'এক ৰচ্ছি বাট' (১৯৬৬) কবিতাত ধ্বনিত হৈছে।

মেধিয়ে শেঠি আৰু জ্যোতিষীৰ কাহিনীটোৰ মাজেদি পোনতে ধনৰ গুপ্ত ৰহস্য প্ৰকাশ কৰি কৈছে যে, মানৱে ধনৰ বলত নাইবা ক্ষমতাৰ বশত মোহান্ধ হৈ, অধ্যাত্মবিদ্যা নাইবা জ্যোতিষ শাস্ত্ৰৰ তত্ত্ববিদসকলক হেয়জ্ঞান কৰে। কিন্তু প্ৰকৃতত দণ্ড অতঙ্কাৰৰূপী মহাকালে মানৱক বিভ্ৰান্ত কৰি ধ্বংসৰ ফালে লৈ যায়। এই তত্ত্ব ভাৰত-পাকিস্থান যুদ্ধৰ উদাহৰণ দি কবি মেধিয়ে সমৰ্থন কৰিছে।

সেয়ে আধুনিক-তথা প্ৰাচীন সমাজত জ্যোতিষ শাস্ত্ৰ অধ্যয়ণকাৰী প্ৰজ্ঞাশক্তি সম্পন্ন লোক সকলে মানৱৰ ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় জীৱন সম্বন্ধে যিবোৰ ভবিষ্যৎবাণী কৰিছে সেইবোৰ ফলিয়াই গৈছে; কাৰণ ইয়াত মহাকালৰ আইন আছে। —ডক্টৰ মেধীয়ে শেঠী আৰু ব্ৰাহ্মণৰ সংঘাত দেখুৱাই ভাৰতৰ সংস্কৃতি আৰু ব্ৰাহ্মণৰ আধ্যাত্মিকতাৰ শ্ৰেষ্ঠত্ব দেখুৱাই জানী ভাৰতবৰ্ষৰ সেৱা কৰিছে।

ডক্টৰ মেধিৰ এই কবিতাটোত ৰূপকৰ মাজেদি মুছলমান আৰু হিন্দুৰ নবাবী আমোলৰ সংঘাতো ধ্বনিত হৈছে। নবাব আৰু শেঠীৰ ৰাজকীয় শক্তি আৰু ধনৰ বলে অধ্যাত্মবাদী ভাৰতীয় সংস্কৃতি কিদৰে পদদলিত কৰিছে, আৰু সেই নবাব শেঠীৰ আক্ৰমণৰ মাজৰ পৰা যে ভাৰতীয় সংস্কৃতি পুনঃ মুক্ত হৈছে তাকে মেধিয়ে দেখুৱাইছে।

প্ৰকৃততে এই শেঠী হৈছে ইংৰাজ বেপাৰী সকল। ইংৰাজ বেপাৰীয়ে মুছলমান নবাবৰ সহযোগত জননীক অপমান কৰিছিল যদিও, আজি মেধিৰ সাধনাৰ' ধন' শেঠী-নবাবৰ হাতৰ পৰা মুক্ত হৈছে।

মেধিৰ কবিতাটোৰ মাজেদি যি হাস্যৰস ধ্বনিত হৈছে, সেই হাস্যৰসৰ মূল প্ৰেৰণা হৈছে কবিৰ জ্ঞান স্পৃহা আৰু জন্মভূমিৰ সেৱাৰ সাধনাই সৃষ্টি কৰা চিত্তৰ সন্তুষ্টি।

মেধিয়ে 'লক্ষ্মীৰ বৰপুত্ৰ' ইংৰাজ বেপাৰীৰ ভাগ্য জানিবলৈ নবাবৰ প্ৰাসাদৰ সন্মুখত জ্যোতিষী ব্ৰাহ্মণক সৃষ্টি কৰি, মুছলমান ইংৰাজ শাসনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক শোষণৰ দ্বাৰা কিদৰে ভাৰতবৰ্ষ অৰ্থহীন হৈছে তাকে দেখুৱাইছে।

অধ্যাত্মবাদী আৰু বাস্তৱবাদী চিন্তাৰ ঐতিহাসিক দৃষ্টিৰ মাজেৰে মেধিয়ে শেঠী-নবাবৰ পৰৱৰ্তী পুৰুষসকলক লক্ষ্য কৰি কৈছে—

"লগতেই চূৰ্ণ হ'ল
হিমালয় ভেদি উঠা
অহঙ্কাৰ চূড়া
ৰ'ল মাত্ৰ ৰঙা-তেজ মাংসপিণ্ড
আৰু অভিমান ভৰি থকা
মস্তিষ্কৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গুড়া।"

অসমীয়া কাব্য সাহিত্যত দ্বিতীয় এনে ৰূপকধৰ্মী কবিতা নাই। পাকিস্থানৰ ১৯৬৫ চনৰ ভাৰত আক্ৰমণৰ নবাব সকলৰ আত্ম-গৌৰৱ-ভাৰতীয় সৈন্য বাহিনীৰ হাতত ধ্বংস হোৱা কাহিনীও এই কবিতাটোত লুকাই আছে।

সাম্প্ৰতিক কালত পাশ্চাত্যৰ ভাবধাৰাই ভাৰতীয় সংস্কৃতি গ্ৰাস কৰিবৰ চেষ্টা কৰা কালত; ডক্টৰ মেধিৰ 'এক ৰচ্ছি বাট' কবিতা আৰু অগ্নি কবি প্ৰসন্নলাল চৌধুৰীৰ 'অগ্নি আহ্বান' কবিতা প্ৰবীণ কবি দুৰ্গাৰাকীৰ বৈদিক সংস্কৃতি সাধনাৰ আৰু সমসাময়িক সমাজ জীৱন শুদ্ধ কৰাৰ বাবে বিৰাট প্ৰচেষ্টাৰ নিদৰ্শন।

জ্যোতিষ শাস্ত্ৰৰ অধ্যয়নৰ যোগেদি ভৱিষ্যত গণি, 'গলিত তীখাৰ কাকত পাতত অভেদ্য জ্যোতিময়' 'অগ্নিমন্ত্ৰ' লিখি; 'অগ্নি আহ্বান' কৰি; ভাৰতৰ কৰ্ম-জ্ঞান-ভক্তিৰ আদৰ্শ ৰূপ দিব পৰাতেই প্ৰাচীন আধুনিক ভাৰতৰ জ্ঞানাগ্নিয়ে জগতৰ মানসিক অন্ধকাৰ দূৰ কৰিব।

ভগগিৰী ৰায়চৌধুৰী

ভগগিৰী ৰায়চৌধুৰীৰ (১) 'তপণ' (১৯৬৪); (২) 'বহাগ'; (৩) বৈদনা' (৪) 'ইতিহাস এটি ঃ বিহঙ্গ' (১৯৬৬) কবিতা চাৰিটাৰ মাজেদি ৰায়চৌধুৰীৰ চিন্তাৰ ক্ৰমগতি আৰু আত্মোপলব্ধিৰ চেষ্টা বুজা যাব।

ভগগিৰী ৰায়চৌধুৰীৰ চিন্তা ধাৰাৰ বিভিন্ন দিশ আৰু জীৱনৰ উপলব্ধি বুজিব লাগিলে সুযোগ্য পিতৃ অসম গৌৰৱ অম্বিকাগিৰীৰ আলোচনা প্ৰয়োজন। ভগগিৰীয়ে তেওঁৰ পিতৃৰ 'তপণ' আহ্বান'

কবিতাৰ আহ্বানক লক্ষ্য কৰি 'তপণ' কবিতা ৰচি ৰাধানাথ ফুকন, বিৰিঞ্চি কুমাৰ বৰুৱা আদি অসম জননীৰ সুযোগ্য সন্তান সকললৈ শ্ৰদ্ধা নিবেদন কৰিছে।

সাহসী পুৰুষ অম্বিকাগিৰীয়ে মহান ব্যক্তিসকলৰ স্মৃতিত তপণ কৰি বেদনা দূৰ কৰিছে। কিন্তু ভগগিৰীয়ে অসম জননীৰ কৃতী সন্তানসকলৰ পুণ্যাত্মাৰ পৰা সাহসী প্ৰেৰণা বিচাৰিছে।

ভগগিৰী ব্যক্তিগত ভাবে তথা অসমীয়া জাতিৰ প্ৰাণৰ বেদনা ৰূপ দি কৈছে যে মহান সাধকসকলৰ মৃত্যুত অসমীয়া জাতীয় জীৱনলৈ এটি নিঃসহায়ৰ ভাব আহিছে। এই নিঃসহায় ভাবৰ পৰা উদ্ধাৰ পাবৰ একমাত্ৰ উপায় হৈছে কৃতী পৰুষসকলৰ কম জ্ঞান-ভক্তিৰ আদশক জীয়াই ৰাখি অসমৰ জাতীয় জীৱন গঢ়ি তোলাৰ সংকল্প।

অম্বিকাগিৰীয়ে কৈছে যে জাতীয় জীৱনৰ নিৰাশা আঁতৰাবলৈ হলে সাহিত্য-দশন-বুৰঞ্জী কাব্য গীতিকা উদ্যোগ ৰাজনীতি' সকলোতে শক্তিশালী সাধকৰ প্ৰয়োজন।

ভগগিৰীয়ে 'তপণ' কবিতাত অসমৰ সুপুৰুষক সুঁৱৰি কৈছে—

'তোমালোকে মাথো নীৰৱ আশীষ দিয়া।
তাৰ শিপাৰ পৰাই কোনোবা এদিন
গজি উঠিবনে মহীৰুহ সুবিশাল
মেলি পত্ৰ পুষ্প ডাল।''

কিন্তু কবি ভগগিৰীয়ে 'বহাগ,' বেদনা' 'ইতিহাস: এটি বিহঙ্গ' (১৯৬১) ৰচনা কৰা সময়তো হৃদয়ৰ স্হিৰতা বিচাৰি পোৱা নাই। ইয়াৰ মূল কাৰণ ভগগিৰীয়ে অসমীয়া কাব্য সাহিত্যৰ বিষাদগ্ৰস্ত কবিসকলৰ প্ৰভাবত যিমান গভীৰভাবে পৰিছে; তেওঁৰ সুযোগ্য পিতৃৰ জীৱন দশন সিমান নিষ্ঠাৰে গ্ৰহণ কৰা নাই।

অম্বিকাগিৰীয়ে 'চিৰন্তন' 'মানবীয়তা বিকাশ-কলাৰ সীমা নাই' লাগে মোক মহামানৱ স্হান' (১৯৬৬) কবিতাত যিদৰে সিংহৰ গজন কৰিছে তাত 'বয়সৰ জড়ত্ব জড়িত অভিশাপ সুলকি পৰিল-তৰঙ্গ-তৰিৎ অঙ্গে অঙ্গে বাগৰি।' ভগগিৰীয়ে পিতৃৰ জীৱনৰ কম-জ্ঞান-ভক্তিৰ শক্তি উপলব্ধি কৰিছে; কিন্তু প্ৰতিকূল সামাজিক পৰিবেশত সংগ্ৰাম কৰিবলৈ মানসিক শক্তি লাভ কৰা নাই।

ভাৰতৰ স্বাধীনতাৰ পূৰ্বকালত ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত পাশ্চাত্য প্ৰভাৱে দেশৰ জনসাধাৰণৰ মন ভাৰতীয় সংস্কৃতিৰ পৰা আঁতৰাই নিব পৰা নাছিল। সেয়ে, শান্ত সমাহিত চিন্তাই কাব্য কলাৰ মাজেদি প্ৰবাহিত হোৱা বাবে ডেৰ কুৰি বছৰতে তুমি কাব্য ৰচনা কৰি, সাত্বিক জ্ঞানেৰে কৰ্মপথ বাচি লৈ চাৰি কুৰিৰ ওপৰ বয়সতো 'বহাগ ৰ শক্তি সৌন্দৰ্যৰ মাজত প্ৰাণ ঢালি দি কব পাৰিছিল—

'নালাগে মোক পাকিস্তান
নালাগে মোক হিন্দুস্থান
নালাগে মোক শিখীস্থান
নালাগে মোক খৃষ্টীয়ান।'

সেইদৰে, বেজবৰুৱাই 'কদম কলি' কাব্যৰ 'সখীৰ প্ৰতি' কবিতাৰ পৰা আৰম্ভ কৰি 'প্ৰৱসুৱাৰ চিঠি' কবিতালৈ একুৰি চাৰি বছৰ বয়সত জীৱনৰ যি গভীৰতা লাভ কৰিছে; স্বাধীন ভাৰতৰ কবি ভগগিৰীয়ে একুৰি তেৰ বছৰতো সেই অধ্যাত্মিক শক্তি লাভ কৰি, জীৱনৰ গভীৰতাত প্ৰৱেশ কৰিব পৰা নাই।

স্বাধীনতাৰ পৰৱৰ্তী কাব্যকলাৰ মাজেদি প্ৰবাহিত হোৱা ব্যৰ্থতাৰ ভাব আঁতৰাই জাতীয় জীৱন শক্তিশালী কৰিবলৈ হলে, ভাৰতীয় সংস্কৃতি সাধনাৰ ইতিহাসত বিহঙ্গম হৈ উৰি ফুৰা অম্বিকাগিৰী আদি কাব্যকাৰ সকলৰ জীৱনৰ ইতিহাসত সাম্প্ৰতিক কালৰ জাতীয় জীৱনৰ ৰূপ নিষ্ঠাৰে সংযোগ কৰিব লাগিব ভগগিৰীয়ে এই আদৰ্শ উপলব্ধি কৰি লৈছে—

"সেইটি চৰাই—
সেইটি চৰাই মোৰ প্ৰপিতামহী মোৰ ইতিহাস
যাৰ আকাঙ্খাই মোৰ শোণিতৰ ধমনি গতিক দিছে
জীয়াই ৰখাৰ জীয়াই থকাৰ হাবিয়াস।"

ভৱগিৰীৰ কবিতাত পিতৃ প্ৰপিতামহী আদিৰ স্মৃতিৰ অন্তৰালত ধ্বনিত হোৱা বেদনাৰ মাজেদি; বংশ পৰিয়ালৰ ইতিহাস আৰু অসমীয়া জাতিৰ জীয়াই থকাৰ আৰু অসমীয়া জাতিৰ জীৱনৰ ইতিহাস ৰচনা কৰা বিহঙ্গসকলৰ স্মৃতি ৰক্ষা কৰাৰ প্ৰেৰণা ধ্বনিত হৈছে।

ৰামায়ণ মহাকাব্যত জটায়ু পক্ষীয়ে ভাৰতীয় জাতীয় জীৱনৰ ইতিহাস ৰচনাত সহায় কৰিছে। কবি ভগাগিৰীয়ে এই প্ৰাচীন আখ্যানৰ মাজেদি গতি কৰিলেও, আত্মাৰ আতুৰতা দূৰ কৰিবৰ বাবে যন্ত্ৰপৰ হৈ আকাশ পৃথিবীৰ সৌন্দৰ্যৰ মাজত বিচৰণৰ চেষ্টা কৰিলেও; পিতৃৰ দৰে একান্ত ভাবে বিশ্বৰূপ সাধনা নকৰা বাবে জ্ঞানেৰে হৃদয়ৰ সংশয় দূৰ কৰিব পৰা নাই।

অম্বিকাগিৰী, চন্দ্ৰকুমাৰ আগৰৱালা, বেজবৰুৱা আদি কবিসকলে জীৱন সংগ্ৰামৰ মাজেদি লোক জীৱনৰ সান্নিধ্যত বিবিধ অভিজ্ঞতা লাভ কৰা বাবে; ঈশ্বৰ 'কমদেব' 'মানব দেৱতা' ক সমানে ভক্তি কৰা বাবে সংঘাতৰ মাজতো নিৰ্ভীক ভাৱ কাব্য-কলাৰ মাজেদি দেশক নেতৃত্ব দিব পাৰিছিল।

কিন্তু সাম্প্ৰতিক কালত বিবিধ সমস্যাই যুবক সকলক জীৱন সম্বন্ধে সন্দিহান কৰাৰ মূলতে হৈছে আত্মবিশ্বাসহীনতা। ভগগিৰীয়ে সংশয় মুক্ত হৈ জাতীয় জীৱনক নেতৃত্ব দিব লাগিলে পোনাতে অম্বিকাগিৰীৰ জীবন দৰ্শন সম্পূৰ্ণভাবে গ্ৰহণ কৰিব লাগিব। অন্যথাই সংশয়বাদী কবিসকলৰ চিন্তাই গ্ৰাস কৰিব।

ভাৰতীয় জাতীয় জীৱনত পিতৃশক্তি পুত্ৰৰ শক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। ৰামায়ণ কাব্যত ৰাম আৰু লৱকুশৰ যুদ্ধত আৰু মহাভাৰতৰ অৰ্জুন আৰু বভ্ৰুবাহনৰ যুদ্ধত পুত্ৰৰ শক্তিকহে স্বীকৃতি দিয়া হৈছে। সেইদৰে অসমৰ জাতীয় উৎসৱ বহাগ বিহুৰ গৰুক আদৰণি জনোৱা গীতত মাক বাপেকতকৈ ভবিষ্যৎ বংশধৰকহে অধিক গুৰুত্ব দিছে।

ভাৰতৰ এই আদৰ্শ অনুযায়ী বেজবৰুৱা, অম্বিকাগিৰী, প্ৰসন্নলাল চৌধুৰী, নলিনী বালাদেৱী আদি কলাকাৰ সকলে সাম্প্ৰতিক কালৰ যুবক-যুৱতী সকলক নিৰ্ভীক চিত্তে জীৱনত অগ্ৰসৰ হবলৈ প্ৰেৰণা যোগোৱা সত্বেও পিতৃ পুৰুষৰ আদৰ্শ গ্ৰহণ নকৰা বাবে জাতীয় জীৱন আৰু কাব্যকলা ৰোগ মুক্ত হৈছে।

ৰাম গগৈ

ৰাম গগৈৰ 'আকাশৰ প্ৰতি প্ৰাৰ্থনা' 'অবস্থিত,' 'প্ৰতিধ্বনি' (১৯৬৬); আৰু 'জীৱন, হে জীৱন' (১৯৬৯) এই চাৰিটা কবিতাৰ

মা'জদি কবি গগৈৰ শক্তি সাধনা আৰু সৌন্দৰ্য সাধনাৰ অন্তৰালত আহোম বংশীয় ক্ষত্ৰিয় কাব্যকাৰ সকলৰ বাস্তৱ উপলব্ধি আৰু জাতীয় সংস্কৃতিৰ প্ৰাণৰ ৰসধাৰাত অৱগাহনৰ চিত্ততৃপ্তি দেখা যায়।

পদ্মনাথ গোহাঞি বৰুৱা, হিতেশ্বৰ বৰুৱা, গনেশ গগৈ সিদ্ধাৰ্থ গোহাঞি আদি আহোম বংশীয় কাব্যকাৰসকলে বিশ্ব সাহিত্য, ভাৰতীয় সাহিত্য, সংস্কৃতিৰ বিভিন্ন দিশ আৰু আহোম যুগৰ বুৰঞ্জী সমূহৰ মাজত গভীৰভাবে প্ৰবেশ কৰি, বেজবৰুৱাৰ যুগৰ পৰা যি শক্তিশালী অৱদান আগবঢ়ালে তাৰে এটা সুঁতি ৰাম গগৈৰ কবিতা সমূহত প্ৰকাশ পাইছে।

ৰাম গগৈয়ে 'প্ৰভাতৰ বিহঙ্গকণ্ঠত নতুন দিনৰ গান' শুনি, আনন্দত অধীৰ হৈ শক্তি বিচাৰি আকাশক প্ৰাৰ্থনা কৰিলে। মহাকাশৰ অসীম সৌন্দৰ্যই কবি গগৈৰ হৃদয়ত সোনকালে এটা বেদনা মিশ্ৰিত উৎসাহৰ ভাব সৃষ্টি কৰিলে।

প্ৰতিজন মহান শিল্পীৰে জীৱনৰ প্ৰথম স্তৰত এনে এটি আধ্যাত্মিক বেদনাই মন বিষাদযুক্ত কৰে। দৈৱী শক্তি যুক্ত কলাকাৰে কিন্তু এই বেদনা দূৰ কৰিবৰ বাবে পাৰ্থিৱ জগতখনত ভোগ নিৰ্বিচাৰে একান্তভাবে সীমাহীন সৌন্দৰ্যত আত্মনিবেদন কৰি গগৈয়ে কৈছে—

'হে আকাশ
মোৰ হৃদয় ভাবৰ হৈ
বৰষুণ আহিব কেতিয়া?"

কবি শিল্পী গগৈয়ে সাত্বিকভাবে কলাৰ সাধনা কৰি, বিশ্বৰ মঙ্গলৰ বাবে বিগলিত চিত্তেৰে জ্ঞান বিতৰণ কৰিবৰ বাবে আকাশৰ পৰা শক্তি বিচাৰিছে। কবি গগৈৰ হৃদয় আকাশত সূৰ্য্য, জোন, নক্ষত্ৰ মণ্ডলী আৰু বিভিন্ন ৰূপ আৰু ৰঙে দেখা দিয়াত, তৃপ্ত হৃদয়েৰে প্ৰাচীন ভাৰতৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ ঋষিৰ আশ্ৰমত প্ৰবেশ কৰি কৈছে—

"ক'ত সেই সত্যদ্ৰষ্টা ঋষিৰ আশ্ৰম
বাঘে ছাগে একে ঘাটে
পানী খাই য'ত।"

—অৱলুপ্তি—

নৱকান্ত বৰুৱাই কিন্তু 'প্ৰাৰ্থনা : আকাৰৰ প্ৰতি : মুকলিত' (১৯৫২) কবিতাত প্ৰাৰ্থনা জনাই 'মহাজীৱনৰ ইংগিত' সাৰ্থক কৰি তুলিবলৈ শক্তি নাপালে। নতুন জীৱনৰ আদৰ্শ সৃষ্টি কৰিব খোজা কবি সকলে আকাশৰ পৰা প্ৰেৰণা নাপায়। কাৰণ, আকাশৰ লগত মানৱৰ শুদ্ধ প্ৰাণৰ সংস্পৰ্শ আছে।

আধুনিক ভাৰতৰ বিভীষিকাপূৰ্ণ ৰাজনীতি আৰু সামাজিক দুৰ্নীতি দেখি; কবি গণেয়ে প্ৰাচীন ভাৰতৰ সহিষ্ণুতাৰে পূৰ্ণ ঋষিৰ আশ্ৰমৰ যোগেদি গঢ়ি উঠা সত্য সন্ধানী সামাজিক পৰিবেশ সৃষ্টিৰ বাবে আকাশক তথা অক্ষৰ ব্ৰহ্মক সাধনা কৰিছে।

ভাৰতীয় দাৰ্শনিক তত্ত্বৰে পৰিমাৰ্জিত হোৱা কবি গণেৰ হৃদয়ত সাম্প্ৰতিক কালৰ, বিষাদযুক্ত কাব্য কলাই আৰু সমাজ জীৱনৰ অৱসাদে গভীৰ ভাবে আঘাত কৰিছে। কিন্তু অনাত্মবাদী কবি-সকলৰ দৰে গণেয়ে হতাশ হৈ পৰা নাই। বৰং যুগৰ প্ৰভাৱৰ ধ্বনিক শক্তিশালী 'প্ৰতিধ্বনি'ৰে উফৰাই দিবলৈ কবি গণেয়ে বৈদিক ঋষিৰ শক্তি মন্ত্ৰ জপ কৰিছে।

প্ৰসন্নলাল চৌধুৰীৰ 'অগ্নি আহ্বান' নলিনীবালা দেবীৰ 'আহ্বান' (১৯৬৬) আদি কবিতাসমূহৰ ভাবধাৰাৰ শক্তিশালী সোঁতত গণেৰ কবি মানস মিলিত হৈ; জাতীয় জীৱন নিৰাময় কৰা কাব্য কলাৰ প্ৰগতিৰ পথ ৰচিছে। সেইদৰে; অম্বিকাগিৰীৰ মানৱতাবাদৰ আহ্বানৰ প্ৰতিও গণে সজাগ।

যি সময়ত একুৰি তেৰ বছৰীয়া কবি ভগগিৰীয়ে (১৯৩৩-১৯৬৬) সুযোগ্য পিতৃৰ আদৰ্শ নিষ্ঠাৰে গ্ৰহণ কৰিব পৰা নাই; সেই সময়ত একুৰি চৈধ্য বছৰ বয়সীয়া কবি গণেয়ে (১৯৩২-১৯৬৬) অসম কেশৰীৰ জীৱন দৰ্শন নিষ্ঠাৰে গ্ৰহণ কৰি কৈছে—"মই জানো সেয়া বিংশ শতিকাৰ আত্ত মানৱতাৰ জয়ধ্বনি।" মুঠতে দেখা যায় চাকিৰ পোহৰ দূৰতহে পৰে। সেয়ে, ভগগিৰী আৰু ৰাম গণেৰ জীৱনৰ প্ৰভেদ।

কবি গণেয়ে ভাৰতীয় ঋষিৰ আদৰ্শ গ্ৰহণ কৰি "মেৰুৰ বিস্তৃত উপকূলৰ ঘন অৰণ্য' আৰু 'কঙ্গো' 'জাকাৰ্টা' নৈ লৈ গতি কৰিছে। কিন্তু সকলোতে শুনিছে মানৱতাৰ আৰ্তনাদ। যুৱক কবি গণেয়ে বিষাদ-

মুক্ত ইন্দ্রিয় কাতৰ কবিসকলৰ মাজৰ পৰা যি শক্তিৰে ঋষিৰ আশ্ৰমৰ পৰা মানৱতাৰ জয়গান গাইছে, তাৰ দ্বাৰা লুইত পৰীয়া কবিৰ হৃদয়ত বীৰ লাচিতৰ উৎসাহ ধ্বনিত হৈছে।

কবি গগৈয়ে মুক্ত প্ৰাণ লৈ আকাশ আৰু পৃথিৱীত ভ্ৰমি ভ্ৰমি ভাৰতৰ ৰাষ্ট্ৰীয় জীৱনৰ অলসভাৱ দেখি অগ্নিকাণ্ডিৰীৰ জীৱনৰ 'অনুভূতি' সমূহ হৃদয়ত স্তুপীকৃত কৰি 'জীৱন হে জীৱন' কবিতা ৰচিছে।

একুৰি সোতৰ বছৰ বয়সত কবি গগৈয়ে (১৯৩২-১৯৬৯) প্ৰাচীন ভাৰতৰ ধৰ্ম-অৰ্থ-কাম-মোক্ষ সাধনৰ উপায় একত্ৰিত কৰি যি জীৱন দৰ্শন ৰচিছে, ইয়াৰ মাজেদি গগৈৰ হৃদয়ৰ 'ভাৱৰ বৰষুণ' হৈ জাতীয় জীৱন সজীৱ কৰিছে। কবি গগৈৰ শক্তি সাধনা আৰু সৌন্দৰ্য সাধনাই (১৯৬৬-৬৯) মাত্ৰ তিনিবছৰৰ ভিতৰত যি ৰূপ লৈছে ইয়াৰ উদাহৰণ অসমীয়া কাব্য সাহিত্যত বিৰল।

বিংশ শতিকাৰ সপ্তদশকত ভাৰতৰ ৰাষ্ট্ৰীয় জীৱন প্ৰাণৱন্ত কৰি তুলিবলৈ হলে কবি গগৈৰ আদৰ্শৰ মাজেদি অসমীয়া সাহিত্য সংস্কৃতি গঢ়ি উঠিব লাগিব। প্ৰবীণ কলাকাৰ সকল এজন এজনকৈ আঁতৰি যাব ধৰা অৱস্থাত কবি গগৈৰ সাধনাই অসমীয়া জাতিক নিৰ্ভয় বাণী শুনাই প্ৰগতিৰ পথত নেতৃত্ব দিয়াৰ সম্ভাৱনা আছে।

যুৱক কবি গগৈয়ে কৈছে যে, ভীৰু কবিসকলৰ শূন্যতাৰ বাণী জাতীয় জীৱনত কোনো দিনে গোৱা নহব। সূৰ্য্য চিৰকাল জ্যোতিষ্মান হৈ থকাৰ দৰে সনাতন ৰীতিৰ মাজেদি প্ৰবাহিত হোৱা কাব্যকলা সনাতন ৰূপে জাতীয় জীৱনত প্ৰেৰণা সঞ্চাৰ কৰিব। কিন্তু শক্তিহীন কবিতা 'দুনাই নহব গোৱা কোনোদিন। কোনো দিন।"

গগৈৰ কবিতাৰ মাজেদি প্ৰবাহিত গতিশীল জীৱন দৰ্শনে কেৱল প্ৰাচীন ভাৰতীয় সংস্কৃতিক লৈয়ে ব্যস্ত থকা নাই। ভাৰতৰ সনাতন আদৰ্শ বিশ্বত প্ৰচাৰ কৰি প্ৰাচীন আধুনিক জীৱন গঢ়ি তোলাৰ কল্পনা আছে। কবি গগৈয়ে ভাবে ভাৰতৰ প্ৰাচীন আদৰ্শ আৰু পাশ্চাত্যৰ আধুনিক গতিশীল জীৱন ধাৰাইহে বিশ্বত মানৱতাৰ করুণ আৰ্ত্তনাদ দূৰ কৰিব পাৰিব।

আৰতি বৈৰাগী

সাম্প্ৰতিক কালৰ মহিলা কবিসকলৰ চিন্তাধাৰা, কল্পনা আৰু জীৱনৰ গভীৰ ৰসবোধ বিচাৰ কৰি আৰতি বৈৰাগীৰ 'বনভোজঃ সীতা জখলাৰ' কবিতাটো বিশ্লেষণ কৰিলে মহেন্দ্ৰ বৰাৰ 'আধুনিকা' কবিতাৰ আধুনিকাৰ চঞ্চলতাহে দেখা যায়। 'লেকৰ পাৰ,' 'পানবজাৰ,' 'কলিকতাৰ ট্ৰাম' আদিত আধুনিকাই যিদৰে ভ্ৰমে; সেই-দৰেই বৈৰাগীয়েই প্ৰাচীন ঐতিহ্য মণ্ডিত ঠাই এডোখৰত বিচৰণ কৰি বনভোজ খাইছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ দিনৰ 'ওৰণি' কবিতাৰ আৱৰ ভীতা নাৰীয়ে মুক্ত হৈ বৰ্তমান কালত বনভোজ খাই অসমীয়া কাব্য সাহিত্য তথা জাতীয় জীৱনলৈ কি মূল্যবান অভিজ্ঞতা আগ-বঢ়ালে? ইয়াৰ বিচাৰতেই আধুনিকাৰ তাত্ত্বিক দৃষ্টি বুজা যাব।

সাম্প্ৰতিক কালৰ কাব্য সাহিত্যত বনভোজ খোৱাৰ এটি চিত্ৰ আছে অমলেন্দু গুহৰ 'তোমালৈ' কাব্যৰ 'ভালকপুঙ' কবিতাত।

পুৰুষ কবি গুহই আৰু মহিলা কবি বৈৰাগীয়ে পৌৰাণিক কাহিনীযুক্ত স্থানক পটভূমি কৰি কবিতা ৰচিছে। গুহৰ কবিতাৰ এটা অংশত নিশাৰ অৰণ্যৰ বিস্ময়যুক্ত বৰ্ণনাৰ মাজেদি এটি অলৌকিক পৰিবেশ ৰূপ পাইছে; আৰু আন এটা অংশত বাস্তৱ বৰ্ণনা আছে। গুহই ভৰলী নৈখনৰ লগত একাত্মবোধ উপলব্ধি কৰি কৈছে—

> "পানী ছুটিয়াই হাঁহি মাৰি দিয়ে
> ভৰলী ভনী।
> ভৰলী তেনেই খৰখেদা যেন
> ছোৱালী জনী।"

কিন্তু, বৈৰাগীয়ে কৈছে—

> 'বনভোজ কৰো বুলি অহা মোৰ মন
> নিৰ্জনতাই যেন কাঢ়ি নিব খোজে।
> সক সক মনবোৰ যেন হেৰাবহে খোজে।'

আধুনিকা নাৰীৰ মন প্ৰাকৃতিক সৌন্দৰ্যই আকৰ্ষণ নকৰে। কিয়নো, প্ৰকৃতিক প্ৰাণ ভৰি ভাল পাবলৈ হলে মনৰ সংস্কাৰ লাগে। বৈৰাগীৰ কবি-মানসত পৌৰাণিক কাহিনী নাইবা প্ৰকৃতিৰ

নিৰঞ্জনতাই প্ৰভাৱ পেলাব নোৱাৰা বাবে স্মৃতি স্থায়ী নহয়। মনৰ দাপোন স্বচ্ছ নহয়।

বৈৰাগীয়ে অৱশ্যে এই কথা উপলব্ধি কৰি কৈছে-"মন মুকুৰত কত ছবি আহি গুচি গ'ল।" বৈৰাগীৰ কবি মানসত চঞ্চলভাৱে ছবিবোৰ আহি গুচি গল। বৈৰাগীৰ কবিতাটো পঢ়ি বিলাসী নাৰীৰ হৃদয়ৰ সৰলতাবিহীন ভাবটোহে পোৱা যায়। অৱশ্যে, বৈৰাগীৰ বনভোজ কবিতাটোৰ কবি মানস নৱবৰুৱাৰ 'বশিষ্ঠত পিকনিক, কবিতাটোৰ কবি মানসৰ লগত সাদৃশ্য দেখা যায়।

নৱবৰুৱাই বশিষ্ঠত পিকনিক' খাবলৈ গৈ বশিষ্ঠাশ্ৰমৰ প্ৰাচীন ঐতিহ্য আৰু প্ৰাকৃতিক সৌন্দয পাহৰি কৈছে---

'সিফালে গলক সূৰ্য্য।
গলি গলি ননিত আঁকক আলপনা!
সূৰ্য্যক কোমল কৰি চকুৰ নীলিমা চচমাৰে
স্বপ্ন স্বপ্ন খেলোঁ আহা মণিমালা,
ইয়াতে দুজনে।"

মহিলা কবি বৰাগীও 'হাঁহি গান আৰু কথাৰ মাজত' বনভোজ খাই সময় কটোৱা বাবে প্ৰাকৃতিক সৌদৰ্য্যৰ চিত্ৰ মনলৈ আনিব নোৱাৰিলে।

প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰাচীন ইতিহ্যৰ প্ৰতি শ্ৰদ্ধাহীন ভাবে আধুনিক সমাজত দেখা দিয়া ভাবে প্ৰাচীন ঐতিহ্য মণ্ডিত ঠাই-বোৰত বনভোজ খোৱা দলবোৰে ৰুচিহীন কাৰ্য্য কৰিবলৈ আৰম্ভ কৰিছে।

সাম্প্ৰতিক কালত নাৰী হৃদয় চাঞ্চল্যই অধিকাৰ কৰা বাবে কলাৰ সাধনাই গভীৰতা হেৰুৱাইছে। সেয়ে, নিৰ্মলপ্ৰভা বৰদলৈৰ 'তাৰ নাম' কবিতাতো এই চাঞ্চল্যই তীব্ৰভাবে গতি কৰা বাবে চিত্তৰ শান্তি হেৰুৱাইছে। আনকি বৰদলৈয়ে 'বাৰ্দ্ধক্য'ৰ বিষয়ে কবিতা ৰচনা কৰিও বাৰ্দ্ধক্যৰ লগত তত্ত্বজ্ঞান সংযোগ কৰিব পৰা নাই।

বৈৰাগীয়ে বনভোজ খাবলৈ গৈ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি নিজনত প্ৰাণ সপি দিব নোৱাৰাৰ দৰে বৰদলৈয়ে প্ৰেমৰ স্পৰ্শ পাই অৰণ্যৰ মাজলৈ বিভ্ৰান্ত হৈ গতি কৰিলে যদিও, অৰণ্যৰ

সৌন্দৰ্য্যই চঞ্চল কৰি মানসত ক্ৰিয়া নকৰিলে। যি হৃদয়ত চাঞ্চল্য থাকে, সেই হৃদয়ে দুপৰীয়া ঘৰৰ ভিতৰতো চিত্ত শক্ত কৰিব নোৱাৰে। ইয়াৰ বাবে নলিনীবালা দেৱীৰ 'সমাধি'ৰ প্ৰয়োজন।

সমাধিৰ যোগেদি চিত্ত প্ৰশমিত কৰি কলাৰ সাধনা কৰিলেহে হৃদয়ত তত্ত্বজ্ঞান উদয় হয়। এই তত্ত্বজ্ঞানৰ দ্বাৰা কলাৰ সাধক সাধিকাই যি তৃপ্তি লাভ কৰে তাৰ দ্বাৰাই জাতি প্ৰগতিৰ পথত অগ্ৰসৰ হয়। সেয়ে সামাজিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি কলাৰ সাধনা কৰা লোকে উশৃঙ্খল মনোভাব ব্যক্ত নকৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মাধুৰী'য়ে এই শৃঙ্খলা মানি হৃদয়ৰ প্ৰেমভাৱ প্ৰকাশ কৰিছে।

আলি মুননিছা পিযাৰ

সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্যৰ মহিলা কবি আলি মুননিছা পিয়াৰৰ কবিতা 'সতীথ' (১৯৬৪) নামৰ কবিতাটোৰ যোগেদি সমসাময়িক ভাৰত-তথা অসমৰ মুছলমান নাৰীৰ এটি বাস্তৱবাদী দৃষ্টি-ভঙ্গী প্ৰকাশ পাইছে।

কবি পিয়াৰে কপাহী আৰু যূতিমলাৰ ব্যৱহাৰিক জীৱনৰ বিভিন্ন দিশত মিলন দেখুৱাই সুকুমাৰ অনুভূতিৰো মিলন দেখুৱাইছে। একে গাঁৱৰে বান্ধৱী কপাহী ফৰমুদৰ জীয়েক আৰু যূতিমলা লাহনৰ নাতি। কবি পিয়াৰে ফৰমুদ আলিৰ কবৰত কপাহী আৰু যূতিমলাৰ দ্বাৰা গুলচ আৰু অপৰাজিতা ফুল ৰোৱা দৃশ্য অঙ্কন কৰি, আৰু লাহনৰ চিতাৰ দাঁতিত কপাহীয়ে খৰিকা জাঁই ৰোৱা দৃশ্য আঁকি গাৱলীয়া জীৱনৰ হিন্দু মুছলমানৰ সম্প্ৰীতিৰ ভাব দেখুৱাইছে।

তদুপৰি, পিয়াৰে কৈছে যে আজিৰ সমাজত হিন্দু মুছলমানৰ সম্প্ৰীতিৰ ভাব জাগিব লাগিলে নাৰীয়ে আগভাগ লব লাগিব। উৎসৱত, বিপদত, দুৰ্ভিক্ষত ৰাজদ্বাৰত আৰু মৰিশালিত যাক লগ-পোৱা যায় সেয়েহে প্ৰকৃত 'সতীথ'।

যি সময়ত হিন্দুমহিলা কবিসকলে ব্যক্তি আৰু সমাজ জীৱনৰ বিভিন্ন সমস্যাৰ মাজত 'তিমিৰ যাত্ৰী' হৈ 'পোহৰতকৈ আন্ধাৰ ভাল' বুলি ভাবি অন্ধকাৰৰ পথ লৈছে; সেই সময়ত এগৰাকী মুছলমান নাৰীৰ চিন্তাই জোনাকীৰ দৰে হলেও; অসমীয়া কাব্য সাহিত্যত স্বাধীন চিন্তাৰ পথমুক্ত কৰিছে।

নির্মলপ্ৰভা বৰদলৈৰ 'সাধাৰণ ছোৱালীজনী'য়ে সাধাৰণ জীৱন নিৰ্বাহ কৰোঁতে 'ৰঙাউজ পিচ এটুকুৰা কেতিয়াবা আনি দিলে দহবাৰ দেখুৱায় বাৰে বাৰে জাপ ভাঙি ওচৰৰ নগৰীয়াক ছেগ বুজি আনি।' কিন্তু আলিমুননিছা পিয়াৰৰ কপাহী যুতীমলাই সাধাৰণ ছোৱালীৰ জীৱনধাৰাৰ মাজেদি নিজে সুখী হৈ জাতীয় জীৱনৰ সমস্যাৰ বিষয়েও আদৰ্শ দাঙি ধৰে।

কপাহী আৰু যুতীমলাই আবেগত উতলা নহয়। এই দুজনী গাভৰুৱে গুৰুজনৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাব জানে। সাম্প্ৰতিক কালত ইছলাম সংস্কৃতিৰ বাস্তৱবাদী চিন্তাই মুছলমান নাৰীৰ হৃদয়ৰ যোগেদি অসমীয়া কাব্য সাহিত্যলৈ প্ৰবাহিত হলে জাতীয় জীৱনত এটা নতুন আদৰ্শ প্ৰতিষ্ঠা হ'ব।

কেশদা মহন্ত

কেশদা মহন্তৰ (১) জোন তৰাৰ দেশত উঠি' (২) 'জাগৰণি: কৃষকৰ'ল' (৩) 'মাতা আই হিমাদ্ৰি শিখৰা' (৪) 'পূৰসীমান্তৰ প্ৰহৰী সজাগ হল' কবিতা চাৰিটাৰ মাজেদি সাম্প্ৰতিক কালৰ নাৰীৰ কাব্য সাধনাৰ এটি বাস্তৱ আদৰ্শাত্মক চিন্তা প্ৰবাহিত হৈছে।

সাম্প্ৰতিক কালৰ নতুন কবিগোষ্ঠীৰ হৃদয়ত সৃষ্টি হোৱা 'ভাৱৰক লক্ষ্য কৰি ইমৰাণ ছাহে 'মেঘ' (১৯৫৮) কবিতাত কৈছে—

'জীৱনৰ চব ৰঙ মিছা।
প্ৰহৰ প্ৰহৰ জুৰি স্বপ্ন ৰচিবলৈ
সবাতকৈ ভাল ৰঙ আকাশৰ নীলা।'
ব্যস্ত ব্যস্ত জীৱনৰ কাৰা নগৰীৰ পৰা
ছুটীলৈ স্বপ্ন গভীৰ দুই মিনিটৰ
এখন্তেক যদি বহো আহি
চোতালৰ দূৰৱিত নীলা আকাশৰ,
কিয় বাৰু মেঘ তুমি আহাঁ ?"

সেয়ে, কেশদা মহন্তই অধ্যাত্মবাদী কবি ইমৰাণ শ্বাহ আৰু ভাৰতীয় জীৱনৰ আদৰ্শমতে; মহাকাশৰ অনন্ত জ্যোতিৰ মাজত বিচৰণ কৰি; উল্লাহ আনন্দৰ মাজেৰে আত্মতৃপ্ত হৈ, পৃথিৱী আৰু

মহাকাশৰ যোগসূত্ৰ ৰচি , মানৱ হৃদয়ৰ অন্তৰ অন্ধকাৰ ৰূপী 'মেঘ' আঁতৰাবৰ'ল সংকল্প কৰি ; জোন তৰাৰ দেশত উঠি মানৱ কল্যাণ চিন্তি পোনতে শিশুক জগাইছে।

কবি লক্ষহীৰা দাসে প্ৰাণগঙ্গা' কাব্যখন 'পোনা কণ দুটিলৈ' আগবঢ়াই দেশৰ শিশুসকলৰ আগত মাতৃ-হৃদয়ৰ বিষাদ বেদনাৰ চিত্ৰহে দাঙি ধৰিছে। কিন্তু মহন্তই দেশৰ শিশুসকলক পোনতে মহাকাশৰ বিজয় অভিযানত ব্ৰতী হৈ আকাশ-পৃথিৱী আনন্দৰে ভৰপূৰ কৰিবলৈ আহ্বান জনাইছে।

সাম্প্ৰতিক কালৰ মাতৃ হৃদয়ৰ সুস্থ সবল চিন্তাই কেশদা মহন্তৰ হৃদয়ত যি সৌন্দৰ্যৰ প্ৰবাহ সৃষ্টি কৰিলে; সেই সৌন্দৰ্যৰ প্ৰবাহ লোক জীৱনৰ মাজলৈ গতি কৰিলে জাগৰণি ঃ কৃষকলৈ' কবিতাত। দেশৰ শিশুসকলে মহাকাশ বিজয় কৰি প্ৰগতি সাধন কৰিবলৈ হলে ৰংমন আদি পিতৃ সকলে আধুনিক বিজ্ঞানৰ কৌশল প্ৰয়োগ কৰি 'দেশৰ মান ৰাখিব' লাগিব।

কেশদা মহন্তই ভাৰতৰ বাস্তৱ জীৱনৰ সমস্যা সমূহৰ প্ৰতি সচেতন হৈ আধুনিক যুগৰ গণতান্ত্ৰিক সমাজ ব্যৱস্থা আৰু ভাৰতীয় সংস্কৃতি ৰক্ষাৰ বাবে নলিনীবালা দেৱীৰ আৰু অম্বিকাগিৰীৰ পথ গ্ৰহণ কৰিছে। দেশ শক্তিশালী হবলৈ হলে খাদ্যত দেশ স্বাৱলম্বী হব লাগিব। সেয়ে, মহন্তই 'জয় জোৱান জয় কিষাণ' বাণীৰ প্ৰেৰণাক ৰূপ দিছে।

কাব্য কলা আৰু জাতীয় জীৱন তথা বিশ্ব-মানৱ প্ৰগতিৰ পথত অগ্ৰসৰ হবলৈ হলে; শিল্পীয়ে পৰম্পৰাক্ৰমে প্ৰবাহিত জীৱনৰ অভিজ্ঞতা সমূহ আত্মসাৎ কৰি নতুন আদৰ্শৰ মাজেৰে জীৱনৰ ৰূপ আঁকিব লাগিব। মহন্তৰ এই উপলব্ধি আছে।

কবি মহন্তই 'মাতা আই হিমাদ্ৰি শিখৰা কবিতাত কৈছে যে, ভাৰতবৰ্ষই বিশ্বত স্বীকৃতি লাভ কৰিবলৈ হলে পোনতে দেশ মাতৃকাক নিষ্ঠাৰে পূজা কৰিব লাগিব। তদুপৰি, জননীয়ে সন্তুষ্ট হৈ সন্তানসকলক সুমতি দি কৰ্তব্যৰ পথত অগ্ৰসৰ হবলৈ প্ৰেৰণা নিদিলে দেশবাসীয়ে ঐক্যবদ্ধ হৈ জাতীয় জীৱন সুস্থ শক্তিশালী কৰা টান।

চন্দ্ৰকুমাৰ আগৰৱালায়ো 'বীণ বৰাগী' কবিতাত কৈছে যে,

মানৱে ঈশ্বৰৰ সহায় নোহোৱাকৈ বিশ্বত সত্য প্ৰতিষ্ঠা কৰিব নোৱাৰে। কেশদা মহন্তই গিৰিৰাজ সুতা কৈলাশবাসিনী গৌৰী আৰু ভাৰত জননীক একীভূত কৰি প্ৰাৰ্থনা কৰিছে।

কেশদা মহন্তই ভাৰত জননীৰ প্ৰাৰ্থনাত ব্ৰতী হৈ থাকোঁতে পুবৰ হোৱাংহোৰ পাৰৰ আৰু পশ্চিমৰ মহাজীৱনৰ ধ্বনি শুনিছে। যিদৰে, ৰাম গগৈয়ে 'নদী' কবিতাত বৰষাকালৰ নদীৰ দৃশ্যত মহা জীৱনৰ শক্তি বিচাৰি পাইছে।

মহন্তই 'পূব সীমান্তৰ প্ৰহৰী সজাগ হ' কবিতাত বেজবৰুৱাৰ বীণ বৰাগী কবিতাৰ কাৰুণ্য মিশ্ৰিত সুৰত অগ্নিকাগিৰীৰ শক্তি সংযোগ কৰিছে।

কেশদা মহন্তৰ কবি মানসত প্ৰবাহিত হোৱা ৰসধাৰাত যি পবিত্ৰতা আছে সেই পবিত্ৰতাই ভাৰতীয় অসমীয়া সমাজ জীৱনৰ পৰা ক্লেদ দূৰ কৰিব পাৰিব। কবি ৰাম গগৈয়ে নদী কবিতাত বৰ্ষাৰ নদীক লক্ষ্য কৰি কৈছে যে, বৰ্ষা কালৰ নদীয়ে অনন্ত শক্তিৰ দ্বাৰা জীৱনৰ আৱৰ্জনা দূৰ কৰিবৰ বাবে প্ৰেৰণা যোগায়।

মুঠতে মহন্তৰ মহাকাশৰ সৌন্দৰ্য সাধনাই ভাৰতীয় অসমীয়া সংস্কৃতিৰ ৰসধাৰাত মিলিত হৈ; ৰাম গগৈৰ বৰ্ষাৰ নদীৰ দৰে ভাৰতীয় জীৱনৰ আৱৰ্জনা দূৰীকৰণ অভিযানত উত্তৰ-পূব ভাৰতৰ 'সিংহদুৱাৰ'ত প্ৰহৰী হৈ শক্তিশালী সৰ্বভাৰতীয় যোগসূত্ৰ ৰচনা কৰি; অসমীয়া জাতিক বিশ্বৰ দৰবাৰলৈ অগ্ৰসৰ হবলৈ প্ৰেৰণা যোগাব। সেয়ে, ভাৰতীয় জাতীয় জীৱন নিৰাময় কৰিবৰ বাবে আৰু ব্যক্তিক সুখে সন্তোষে জীৱন নিৰ্ব্বাহ কৰিবৰ প্ৰেৰণা যোগোৱাৰ বাবে ভাৰতীয় দৰ্শনেই উত্তম পন্থা।

বিউটি মহন্ত

বিউটি মহন্তৰ 'এভূমুকি আজিৰ বিয়ানামত' আৰু 'তুৰাপদ সুৰবণে' নামৰ গদ্য প্ৰবন্ধ কবিতাৰ কৌশলযুক্ত ৰচনা সমূহৰ মাজেদি সাম্প্ৰতিক কালৰ নাৰী হৃদয়ৰ গভীৰতাৰ আৰু পবিত্ৰতাৰ এটা ৰূপ প্ৰকাশ পাইছে।

নিমগ্ন প্ৰজ্ঞা বৰদলৈয়ে 'চিঠিৰ বন্ধুলৈ' অনুৰোধ জনাই কৈছে—

"দুৱাৰ মেলা
খিটো ভাৰতীয় কপৌক আমি কৰৰ দিলোঁ
তাৰে আশ্ৰয় লাগে আজি ।'

বৰদলৈয়ে চিটিৰ ব্যস্ত বন্দুক ভাৰতীয় জীৱনৰ ত্যাগ-শান্তি-প্ৰেম-সতীত্বৰ আদৰ্শক চিটিত ৰক্ষা কৰিবলৈ অনুৰোধ কৰিছে।

কিন্তু, ভীতিকাতৰ বৰদলৈয়ে হৃদয়ত পবিত্ৰতা হেৰুৱাই মনৰ চাঞ্চল্য ভোগা গতিকে কেশদা মহন্ত আৰু বিউটি মহন্তৰ হৃদয়ৰ 'বোধিদ্ৰুমত' 'ভাৰতীয় কপৌ'ৰ আনন্দৰ ধ্বনি শুনা নাই। ভাৰতীয় কপৌক বৰদ'লয়ে আশ্ৰয় নিদিলেও ; সাম্প্ৰতিক কালৰ অসমীয়া নাৰীৰ হৃদয়ত বিবাহক কেন্দ্ৰ কৰি ৰচিত হোৱা বিয়া-নামত আৰু প্ৰাচীন লোকগীতিৰ আলমত ৰচিত আইনাম সমূহে ভাৰতীয় সংস্কৃতিক জীয়াই ৰাখিব। বিউটি মহন্তই সুগভীৰ প্ৰেৰণাৰে ভক্তি ৰসত আপ্লুত হৈ কেশদা মহন্তৰ কৈলাশ শিখৰৰ আইক স্তুতি কৰিছে। বিউটি মহন্তই যি ভক্তিৰে আইনাম ৰচিলে সেই ভক্তি ৰসৰ সোঁত প্ৰবাহিত কৰি বিয়ানাম সমূহত আধুনিক সমাজ জীৱনৰ এটা চিত্ৰ আঁকি আনন্দ উপভোগ কৰিছে। শিল্পীৰ হৃদয়ত পবিত্ৰতাৰ কাব্য ৰস সঞ্চাৰিত হলে, সেই ৰসে বিভিন্ন পৰিস্থিতিত বিভিন্ন ৰূপ লৈ মানৱৰ হৃদয়ত জ্ঞান-ভক্তিৰ জাগ্ৰত ৰূপত যি আনন্দ প্ৰদান কৰে ; সেই আনন্দই বিবাহ উৎসৱ আৰু আইনাম সমগ্ৰ সমভাৱে চিত্তত প্ৰেৰণা সৃষ্টি কৰে।

ভাৰতীয় অসমীয়া সংস্কৃতি সাধনাৰ নাৰীৰ দুখন সুকীয়া ক্ষেত্ৰ। প্ৰথম বিবাহ উৎসৱত বিয়ানাম গাই দম্পতিৰ প্ৰথম মিলনৰ আনন্দ উপভোগ কৰি সামাজিক জীৱনৰ শক্তি বৃদ্ধি কৰা। দ্বিতীয় কেৱল নাৰীয়ে নাম গাই, আইক স্তুতি কৰি ; সামাজিক জীৱনৰ ঐক্যৰ যোগেদি আই ওলোৱা সময়ত সমাজৰ মানসিক শক্তি স্থিৰে ৰখা।

বিবাহ উৎসৱত আনন্দৰ মাজত নাৰীৰ মিলন, কিন্তু বসন্ত ৰোগৰ সময়ত বিপদত নাৰীৰ সমূহীয়া প্ৰাৰ্থনা। মুঠতে বিয়ানাম আৰু আইনামে অসমীয়া নাৰীৰ সামূহিক চেতনা আৰু সংস্কৃতি সাধনাৰ দুখন ক্ষেত্ৰ মুকলি কৰিছে। সেয়ে, বিউটি মহন্তই ভাৰতৰ প্ৰাচীন ঐতিহ্যৰ মাজেদি আত্ম প্ৰকাশ কৰি ভাৰতীয় কপৌক হৃদয়ত স্থান দিছে।

লক্ষ্ম বুঢ়াগোহাঁই

সাম্প্ৰতিক কালৰ গণতান্ত্ৰিক ভাৰতৰ ৰাজধানী দিল্লী-নগৰীৰ অশোক হোটেলক কেন্দ্ৰ কৰি ৰচনা কৰা, লক্ষ্ম বুঢ়াগোহাঁইৰ 'এই সময় ।' (১৯৫৮) নামৰ কবিতাটোৰ মাজেদি ভাৰতীয় জাতীয় জীৱনৰ প্ৰতিক্ৰিয়াশীলতাৰ এখন স্পষ্ট ছবি প্ৰকাশ পাইছে । অসমীয়া কাব্য সাহিত্যত দিল্লীৰ বিষয়ে যিখিনি কথা প্ৰকাশ পাইছে; তাৰে লগত বুঢ়া গোহাঁইৰ কবিতাটো সংযোগ কৰিলে, ভাৰতৰ জনগণৰ প্ৰতিনিধি সকলৰ সংসদৰ বাহিৰৰ জীৱনটোৰ স্বৰূপ বুজা যায়।

বুঢ়াগোহাঁয়ে 'কেচা আবেলিৰ অশোক তলৰ' অশোক হোটেলৰ বৰ্ণনা প্ৰসঙ্গত আধুনিক হোটেল শিল্পী আৰু প্ৰাচীন সঙ্গীত কলাৰ সাধনাত ব্ৰতী হোৱা 'কিন্নৰীৰ সুৰ' সংযোগ কৰি বাস্তৱৰ ভাবাত্মক ৰূপ দিছে। বুঢ়াগোহাঁয়ে কৈছে যে, স্বাধীনতাৰ পৰবৰ্ত্তী কালত দিল্লী নগৰীৰ অশোক হোটেল স্বাধীনতাৰ পূৰ্ণ সুবিধা ভোগ কৰা জনতাৰ প্ৰতিনিধিসকলৰ স্বৰ্গপুৰী ।

বুঢ়াগোহাঁইৰ কবিতাটোৰ পাঁচটা ছেদ । প্ৰথম ছেদটোত প্ৰাচীন ভাৰতৰ সঙ্গীত কলা সাধনাৰ চিত্ৰৰ লগত আধুনিক হোটেল শিল্প পৰিচালনাৰ ৰূপ এটা প্ৰকাশ পাইছে । সেয়ে দেখা যায়, বুঢ়া-গোহাঁইৰ চিন্তাৰ সোঁত ভাৰতীয় জীৱন দৰ্শনৰ যোগেদি গঢ় লৈছে। দ্বিতীয় ছেদত বুঢ়াগোহাঁয়ে আশোক হোটেলৰ দাঁতিৰ 'মৃত্যু গম্ভীৰ ক্লেদাক্ত' গলীৰ গণিকালয়ৰ চিত্ৰ আঁকিছে। ভাৰতৰ ৰাজধানীত মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' দেখি বুঢ়াগোহাঁয়ে মহাকালক স্মৰণ কৰিছে ।

হোমেন বৰগোহাঁয়ে আধুনিক নগৰীয়া সভ্যতাৰ স্বৰূপ প্ৰকাশ কৰিবলৈ 'সাপ' আৰু 'এজনী তিৰোতা' কবিতা ৰচনা কৰি 'মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' সৃষ্টি কৰাৰ দৰে; বুঢ়াগোহাঁয়ে ভাৰতৰ ৰাজধানীত 'মৃত্যু আৰু সৌন্দৰ্যৰ সমাহাৰ' দেখি, মহাকালক স্মৰণ কৰি আক্ষেপ কৰিছে। ৰাম গগৈ, হোমেন বৰগোহাঁই, লক্ষ্ম বুঢ়া-গোহাঁই আদি আহে ম বংশীয় চিন্তাশীল কলাকাৰসকলৰ যোগেদি প্ৰকাশ পোৱা মানৱতাবোধ আৰু জীৱনৰ গভীৰ উপলব্ধিত দৃষ্টিৰ যোগসূত্ৰ প্ৰবাহিত হৈছে ।

বুঢ়াগোহাঁইৰ কবিতাৰ তৃতীয় ছেদটোত জনতাৰ প্ৰতিনিধি সকলৰ নিৰাচনী অভিযানৰ দৃশ্য আছে। বুঢ়াগোহাঁয়ে কৈছে যে, জনতাৰ প্ৰতিনিধি সকলৰ বাবে নিৰ্বাচন হৈছে "এয়া যেন এটা ভাবি বেছুৰ খেয়ালী দামী টিকট"। কিন্তু, জনতাৰ বাবে নিৰ্ব্বাচন হৈছে জীৱনৰ নতুন সপোন ৰচাৰ প্ৰেৰণা। কিন্তু অস্থিৰ মনৰ জনতাৰ প্ৰতিনিধিয়ে জন-জীৱনৰ সপোন 'প্ৰহসন' কৰিছে। চতুৰ্থ ছেদটোত কবি শিল্পী বুঢ়াগোহাঁয়ে মহাকালৰ ওচৰত ভাৰতীয় জাতিৰ দুখ বেদনা নিবেদন কৰি কৈছে, 'কিয় জানো অশ্যাত কঙ্কালৰ অজ্ঞাত শৰণে ভোটৰ বাকচ চুৰা নকৰে।'

পঞ্চম ছেদটোত বুঢ়াগোহাঁয়ে বিশ্বৰ মানৱ সভ্যতা আৰু সংস্কৃতিৰ ক্ৰম গতি সুঁৱৰি আৰু আধুনিক সমাজৰ অধঃপতিত অৱস্থা দেখি আক্ষেপ কৰিলেও হতাশ হৈ পৰা নাই। মহাকালৰ গতিৰ বৈচিত্ৰ উপলব্ধি কৰি বুঢ়াগোহাঁয়ে কৈছে—

'নতুন আলহী আহিব ধৰাত।
এয়া মোৰ বিনীত উদবা
ন মানুহৰ আশাত।"

বুঢ়াগোহাঁয়ে স্পষ্টভাৱে কৈছে যে 'সময়ৰ বালুকা ৰাশিত' কিন্তু ভাৰতীয় জনতাৰ প্ৰতিনিধিসকলৰ 'পদচিহ্ন' নৈৰ যাব। নতুন পৰুষে এওঁলোকৰ তথা ভাৰতীয় জাতিৰ এইছোৱা কালৰ 'বুৰঞ্জীৰ মৰ্মন্তুদ গান' শুনি নশিকনি লৈ ভাৰতীয় কপৌ'ক নগৰীত আশ্ৰয় দিব।

ভাৰতৰ ৰাজধানীত 'ভাৰতীয় কপৌ'ৰে অশোক তলৰ অশোক হোটেলত সুহাৰ নাপালেও; কুৰুক্ষেত্ৰৰ শক্তিয়ে পুনঃ ধৰ্মৰাজ্য প্ৰতিষ্ঠা কৰিব। এয়ে বুঢ়াগোহাঁইৰ বিশ্বাস। লক্ষ বুঢ়াগোহাঁইৰ কবিতাৰ যোগেদি সাম্প্ৰতিক কালৰ ভাৰতৰ ৰাষ্ট্ৰীয় জীৱন আৰু জনগণৰ প্ৰতিনিধিসকলৰ যিধৰণ ছবি প্ৰকাশ পাইছে, তাৰ লগত জনতাৰ প্ৰতিনিধি হেমবৰুৱাৰ 'মন ময়ূৰী' কাব্যৰ 'বৈজয়ন্তী', 'এটা আবিষ্কাৰ', আৰু 'বৰ্ষা' কবিতাৰ ভাব সংযোগ কৰিলে বুঢ়াগোহাঁইৰ কবিতাৰ মানসিক ৰূপ সম্পূৰ্ণ হব।

হেম বৰুৱাৰ কবিতাৰ 'বৈজয়ন্তী' হৈছে বুঢ়াগোঁহাইৰ অশোক হোটেল। এই 'বৈজয়ন্তী'ত হেমবৰুৱাই 'এটা আবিষ্কাৰ' কৰি কৈছে,---

"মই কথা পাতোঁ
ৰাজনীতি আৰু বিপ্লৱী বেওনাৰ ।
ৰাজনীতি
নিপোটল গাভৰুৰ বুকুৰ আস্বাদ,
চকলাচকলকৈ অশৰীৰী হাতেৰে
সজাই থোৱা কেঁচা বিপ্লৱীৰ দৰে
মন ই উতলা কৰে ।"

হেম বৰুৱা আদি জনতাৰ প্ৰতিনিধিসকলৰ 'উতলা মনক' লক্ষ্য কৰি বুঢ়াগোঁহাঞি কৈছে যে, 'সিহঁতৰ বাবে' নিৰ্বাচন হৈছে অপ্সিহৰ মনৰ টোপনিত এটা সস্তীয়া ৰঙৰ সপোন ।' অপ্সিহৰ মনৰ সপোন 'বৈজয়ন্তী'ত অধিক অপ্সিহৰতালৈ যায় ।

হেম বৰুৱাৰ 'বৈজয়ন্তীৰ স্পষ্ট জাগৰণ'ৰ মাজত বুঢ়াগোঁহাঞে শুনিছে---'অখ্যাত কঙ্কালৰ অজ্ঞাত মৰণ' আৰু 'ভোটৰ বাকচ চুৰা কৰা' পাপ ।' মুঠতে দিল্লী চহৰৰ পৰা অসমীয়া কাব্যত দুটা ভিন্ন ভাব প্ৰবাহিত হৈছে ।

বুঢ়াগোঁহাইৰ 'হে সময় !' কবিতাৰ 'ভণ্টিহঁত হয় কুৰিতে বুঢ়ী,' কিন্তু হেমবৰুৱাৰ চনয়া, আইকণ অনামিকা আদি গাভৰুহঁত 'আশী বছৰতো' বুঢ়ী নহয় ।

লক্ষ বুঢ়াগোঁহাঞে দিল্লীত ভাৰতীয় জনগণৰ মৰ্মন্তুদ বাণী শুনি মহাকালৰ শক্তিক স্মৰণ কৰিছে । কিন্তু জনগণৰ প্ৰতিনিধিয়ে 'গাভৰুৰ নিপোটল বুকুৰ' দৰ্শনত মুগ্ধ হৈ থাকোঁতে ; আৰু চহৰৰ পদূলিয়ে পদূলিয়ে 'ভজা মাছৰ গোন্ধে বাঁই জাঁই কৰা' মন লৈ ঘূৰি ফুৰোঁতে মহানগৰীৰ জনগণৰ জীৱনৰ 'মৰ্মন্তুদ' ধ্বনি নুশুনিলে ।

'কবিতা হৈছে জীৱনৰ সমালোচনা' । তদুপৰি, কবি মানসৰ যোগেদি যি চিত্ৰ প্ৰকাশ পাই তাত থাকে ভাবৰ ঘণীভূত ৰূপ । সেয়ে, কবিতাৰ ক্ৰমগতি আৰু কোনো কবি শিল্পীৰ মানসিক চিত্ৰ বুজিবলৈ হলে পাঠকৰ কল্পনা শক্তি আৰু কবিৰ মনৰ চিত্ৰ গ্ৰহণ কৰিব পৰা ক্ষমতা প্ৰয়োজন । নহলে কবিতা বুজা টান ।

দিলীপ বৰুৱা

দিলীপ বৰুৱাৰ 'দৃষ্টি ঃ ক্লান্ত কাউৰীৰ' (১৯৫৮) আৰু 'সাত সাগৰৰ চাসেক্কী' (১৯৬৭) নামৰ কবিতা দুটাৰ মা'জদি প্ৰকাশিত সামগ্ৰিক

জীবন বোধ আৰু ৰসাস্বাদনৰ প্ৰবাহ বিচাৰ কৰিলে 'ক্লান্ত কাউৰীৰ' দৃষ্টিযুক্ত সৃষ্টি চেতনাৰ মাজতো বিশ্বৰ বিশালতাক উপলব্ধি কৰাৰ চেষ্টা দেখা যায়।

বৰুৱাৰ 'দৃষ্টি ঃ ক্লান্ত কাউৰীৰ কবিতাৰ প্ৰেৰণা নৱকান্ত বৰুৱাৰ 'কাউৰী' কবিতা। নৱকান্ত বৰুৱাই কাউৰী কবিতাত কৈছে যে 'ৰোগাক্লিষ্ট জীৱনৰ শংকা আশা আশ্ৰয় সন্ধান' কৰি 'কাউৰী' সকলে ঈশ্বৰৰ পৰিধি বিচাৰে। মহাকাশৰ বুকুত সৌন্দৰ্য অন্বেষণ কৰা 'অনন্তৰ নাভি অভিমুখী' (পদ্মনাভ) ভগৱানক বিচৰা কলাকাৰ সকল নৱবৰুৱাৰ কৃতজ্ঞ (কাউৰী) চৰাই।

দিলীপ বৰুৱাই নৱকান্ত বৰুৱাৰ 'কাউৰী' কবিতাৰ প্ৰত্যুত্তৰ স্বৰূপে লক্ষ্যহীৰা দাসৰ 'প্ৰাণ গঙ্গা' (১৯৫৮) কাব্য আৰু নৱকান্ত বৰুৱাৰ 'বোধিদ্ৰুমৰ খৰি' কবিতাৰ মাজতো প্ৰবেশ কৰি কৈছে—

"প্ৰাণ গঙ্গাৰ জোৱাৰ উঠিল
কিন্তু আজিও ফল্গু
লক্ষ্য কোটি নিৰ্জীৱ আকৃতি দিন
মহা আপক্ষাত।"

দিলীপ বৰুৱাই কৈছে যে চিত্ত শুদ্ধি নকৰাকৈ 'ফল্গুৰ পাৰৰ বোধিদ্ৰুম'ত নাইবা গঙ্গা স্নানত শান্তি পোৱা নাযায়। কলাকাৰে অন্তৰাত্মাৰ কালিমা ধুই নেপেলোৱালৈকে কলাৰ সাধনা কৰিলে কলাকাৰৰ হৃদয়ত বেদনাও দূৰ নহয়; নাইবা জাতিৰ প্ৰগতিও সাধন নহয়। বেদনা কাতৰ কবি সম্প্ৰদায়ে কাব্য-কলা আৰু জাতীয় জীৱনত যি দৃষ্টি নিক্ষেপ কৰিছে তাকে বৰুৱাই 'ক্লান্ত কাউৰীৰৰ' দৃষ্টি বুলি কৈছে।

মাধব কন্দলিৰ ৰামায়ণৰ অযোধ্যা কাণ্ডত কাউৰীৰ বিষয়ে এটা কাহিনী আছে। ৰাম আৰু সীতাই চিত্ৰকূট পৰ্ব্বতৰ অৰণ্যৰ মাজত থাকোঁতে এটা কাউৰীয়ে সীতাৰ স্তনত আঘাত কৰে। ৰামে কাউৰীটো বধ কৰিবলৈ শৰ নিক্ষেপ কৰাত কাউৰীটোৱে ত্ৰস্ত মান হৈ ৰামৰ চৰণত শৰণ লয়। তেতিয়া ৰামৰ অব্যৰ্থ শৰে কাউৰীটোৰ এটা চকু কণা কৰে। সেই দিনৰ পৰা কাউৰীয়ে সচকিতভাবে এটা চকুৰে এফলীয়াকৈ দৃষ্টিপাত কৰে। এয়ে ভয়াৰ্ত্ত কলুষ কামনা যুক্ত দৃষ্টি। নৱকান্ত বৰুৱাই আধ্যাত্মিক শক্তি সম্পন্ন সাহসী কলাকাৰ সকলক যি তিৰস্কাৰ কৰিছে তাৰেই প্ৰত্যুত্তৰ দিছে দিলীপ বৰুৱাই।

স্বাধীনতাৰ পৰৱৰ্ত্তী কালৰ কাব্য কলাৰ পবিত্ৰতা হৰণ কৰি তথা কথিত নতুন সমাজ ব্যৱস্থা গঢ়ি তুলিবলৈ প্ৰয়াস কৰা কৌৰৱ সকলক লক্ষ্য কৰি দিলীপ বৰুৱাই কৈছে—

"অক্ষৌহিণী সৈনিকেৰে আতুৰা নিদিবা
জীৱন উছন কৰি, নতুন পৃথিবী পতা
মহা জীৱনৰ সংজ্ঞা মনলৈ নানিবা।"

দেৱকান্ত বৰুৱাই 'পাপ কি না' বুলি মুকলি কৰি দিয়া দুৱাৰেদি প্ৰবেশ কৰা দুষ্কৃতিৰ বিৰুদ্ধে সৃষ্টি হোৱা ৰাম-ৰাৱণৰ যুদ্ধত অসমীয়া কাব্য সাহিত্যত যি পাপচক্ৰ সৃষ্টি হল, তাৰ পৰা জাতীয় জীৱনক উদ্ধাৰ কৰিব পৰা ৰামায়ণ ৰচনা হোৱা নাই বাবে জতীয় জীৱন তমসাচ্ছন্ন হৈছে।

দিলীপ বৰুৱাৰ 'সাত সাগৰৰ চানেকি' নামৰ কবিতাটোৰ ভাব আৰু কল্পনা অভিনৱ। সাম্প্ৰতিক কালত অধিক সংখ্যক নবীন কলাকাৰে খণ্ডিত দৃষ্টিৰে ক্ষোভ প্ৰকাশ কৰি জাতীয় জীৱন প্ৰতি-ক্ৰিয়াশীল কৰি পেলোৱাৰ পৰিপ্ৰেক্ষিতত ভূ-মণ্ডলক ব্যাপী থকা তিনি-ভাগ জল ৰাশিৰ বৈচিত্ৰময় ৰূপ সৃষ্টিৰ প্ৰয়াস নিঃসন্দেহে প্ৰগতি-বাদী চিন্তাৰ পৰিচায়ক। বৰুৱাই হিন্দুৰ চতুৰ্দ্দশ ভূৱন সপ্ত সাগৰ সপ্তস্বৰ আদি অধ্যাত্মবাদী চিন্তাৰ মাজেদি গতি কৰি, বাস্তৱবাদ দৃষ্টিৰে, প্ৰকৃতি আৰু মানৱৰ আধুনিক সভ্যতা সংস্কৃতিৰ স্বৰূপে বজাৰ চেষ্টা কৰিছে।

বিশ্ব-প্ৰকৃতিৰ নাৰীৰূপৰ আৰাধনা ভাৰতীয় দাশনিক চিন্তা জগতত নতুন নহয়। ত্ৰিগুণময়ী প্ৰকৃতিৰ গুণ আৰু কৰ্মৰ প্ৰবাহে বিশ্ব মানৱৰ সভ্যতা সংস্কৃতিৰ মাজেদি গতি কৰি মানৱ সমাজক নিয়ন্ত্ৰত কৰিছে। কবি বৰুৱাৰ এই বিশ্ব ৰূপৰ আৰাধনাত প্ৰেম সৌন্দৰ্য ভক্তি মিশ্ৰিত নোহোৱা বাবে কবি মানস ৰস সিক্ত হোৱা নাই। সাম্প্ৰতিক কালৰ প্ৰাচ্য পাশ্চাত্য আদৰ্শই নবীন কলাকাৰ সকলৰ হৃদয়ত সংশ্লেষাত্মক ৰূপ নোলোৱা বাবেও কবিতা সৰ্ব্বজনৰ বোধ গম্য হোৱা নাই। সেই কাৰণে কবি আৰু পাঠকৰ হৃদয়ৰ সাধাৰণীকৰণৰ যোগ সূত্ৰ নাই।

কবি বৰুৱাই সমালোচনাত্মক দৃষ্টিৰে সমসাময়িক কাব্য জগতত প্ৰবেশ কৰা বাবেও, মনৰ মাজতে উদয় হোৱা ক্ষোভ সৃষ্টিৰ

আনন্দৰ প্ৰবাহেৰে ধুই নিকা কৰিব নোৱাৰিলে। নিমল জ্ঞানে কৱ কাৰৰ হৃদয় ৰসলৈ ৰূপান্তৰিত কৰিব লাগিল সমালোচনাত্মক ভাব বাদ দি বিশ্বৰ প্ৰকৃতিৰ নিভৃত ৰহস্যত আত্মনিবেদন কৰিব লাগিব।

কলাকাৰৰ হৃদয় সৃষ্টিৰ মাজেদি সম্যকৰূপে বিকশিত হোৱাৰ পাছত সাত্বিক হৃদয় তমোগুণৰ সংঘৰ্ষত কলুষিত নহয়। অন্যথাই তমোগুণৰ আধিক্যই সত্বক গ্ৰাস কৰে। এয়ে প্ৰকৃতিৰ গুণ আৰু কৰ্মৰ ৰহস্য।

কবি বৰুৱাই বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ বিচাৰ কৰি আৰব সাগৰ লোহিত সাগৰৰ উপকূললৈ গতি কৰি মুহ্যমান ৰাষ্ট্ৰ সমূহৰ প্ৰতিক্ৰিয়াশীল ৰূপ দেখি কৈছে— "প্ৰসাধনে সেঁতা কৰা প্ৰৌঢ়া যেন আৰব সাগৰ জিদত উন্মাদ হৈ পৰিচয় দিয়ে যৌৱনৰ।"

বিশ্বৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত আৰব জগতে বলিষ্ঠ পদক্ষেপ কৰিব নোৱাৰি যোৱা কাতৰ হোৱা অৱস্থাৰ ইংগিত ইয়াতে আছে।

দিলীপ বৰুৱাৰ 'জিদত উন্মাদ হৈ পৰিচয় দিয়ে যৌৱনৰ' উক্তিত আব্দুল মালিকৰ 'বিজয়ী যৌৱনৰ' কবিতাৰো প্ৰত্যুত্তৰ আছে। বৰুৱা বাস্তৱ আৰু আদৰ্শৰ প্ৰতি সমানে সজাগ। সেয়ে 'বিজয়ী যৌৱনৰ' ধ্বজা বাহী মালিক আৰু বিজয়ী যৌৱনৰ সপোন দেখা সকলক বাস্তৱৰ উপলব্ধিৰ জ্ঞান গৰিমাৰ পাজলৈ যাবলৈ সোঁৱৰাই দিছে।

কবি বৰুৱাই চীন আৰু জাপানৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সাংস্কৃতিক প্ৰগতিৰ সৌন্দৰ্য সম্ভাৰক 'বিজয়ী যৌৱনৰ' শক্তি সৌন্দৰ্যৰ লগত বিজাই কৈছে যে প্ৰশান্ত মহাসাগৰৰ বুকুত উঠা অশান্ত উৰ্মি মালাই ভাৰত মহাসাগৰ তথা দক্ষিণপূব এচিয়াৰ দেশ সমূহত বিৰাট প্ৰতিক্ৰিয়া কৰিছে। ইয়াৰ ফলত ভাৰতবৰ্ষ আৰু অন্যান্য দেশ সমূহ লক্ষ্যভ্ৰষ্ট হৈছে। এচিয়াৰ ৰাজনীতি অৰ্থনীতি আৰু সাংস্কৃতিক জাগৰণ আৰু প্ৰশান্ত মহাসাগৰৰ বুকুৰেদি বৈ অহা আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ সামৰিক কাৰ্য্য কলাপে ভাৰত মহাসাগৰত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে তাকে বৰুৱাই 'প্ৰশান্ত প্ৰশস্ত স্তনা প্ৰাচুৰ্যৰ ভৰ' আৰু 'লক্ষ্য জ্ঞান অজ্ঞাৰত যাত্ৰী যেন অচিন দক্ষৰ' বুলি কৈছে।

বিশ্বৰ শক্তিশালী দেশসমূহৰ প্ৰতিযোগিতাৰ বলি হৈছে ভাৰত মহাসাগৰৰ উপকূলৰ দেশসমূহ।

বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক আনকি সাংস্কৃতিক ক্ষেত্ৰতো ভূমধ্য সাগৰৰ গুৰুত্ব অধিক। সেয়ে, পৃথিবীৰ শক্তিশালী দেশসমূহে আধিপত্য বিস্তাৰৰ চেষ্টা চলাই থকা বাবে ভূমধ্য সাগৰে সকলো দেশৰ লগত বন্ধুত্বৰ যোগাযোগ ৰক্ষা কৰি সজীৱ আৰু সৌন্দৰ্য্যযুক্ত হৈ আছে। ভূমধ্য সাগৰক কেন্দ্ৰ কৰি চলা নানান্ প্ৰতিযোগিতাই ভূমধ্য সাগৰৰ উপকূলৰ দেশ সমূহক যৌৱনৰ চাঞ্চল্য দিছে; কিন্তু জ্ঞানৰ গাম্ভীৰ্য্য দিয়া নাই।

বৰুৱাই কৈছে, বিস্কে উপসাগৰৰ উপকূলত থকা পৰ্তুগাল স্পেইন আৰু ফ্ৰান্সে সদায় তামসিক সুখাভিলাষী হৈ আফ্ৰিকাৰ প্ৰকৃতিক সম্পদৰ প্ৰতি বিশেষভাবে আকৃষ্ট হৈ থকা বাবে বিশ্বৰ সাংস্কৃতিক জীৱনত বিশেষ প্ৰভাব পেলাব পৰা নাই। মুছলমান ৰাষ্ট্ৰ স্পেইনৰ লগত আফ্ৰিকাৰ মুছলমান ৰাষ্ট্ৰ সমূহৰ সাংস্কৃতিক মিল থাকিলেও ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত উৰ্দ্ধগামী হোৱা নাই। এয়ে প্ৰতিক্ৰিয়াশীলতা।

আটলাণ্টিক মহাসাগৰৰ মাজত থকা বৃটিছ দ্বীপপুঞ্জ তথা ইংলণ্ডক কেন্দ্ৰ কৰি উচ্চ সাংস্কৃতিক জীৱন গঢ় লোৱা বাবে 'স্থূল ৰসিকতা'ৰ চোৰে ইংলণ্ডৰ সাংস্কৃতিক জীৱনৰ গভীৰতা বিশেষ হ্ৰাস কৰা নাই। আৰৱ লোহিত ভূমধ্য বিস্কে উপসাগৰক কেন্দ্ৰ কৰি সাংস্কৃতিক জীৱনত অৱসাদ, চাঞ্চল্য আৰু তামসিক ৰুচি গঢ়ি উঠিছে।

আটলাণ্টিক মহাসাগৰৰ বুকুত গঢ় লৈ উঠা সাংস্কৃতিক জীৱনৰ গভীৰতাই উত্তৰ সাগৰক স্পৰ্শ কৰা হেতুকে নৰৱে-চুইডেন-ৰুচিয়াৰ জাতীয় জীৱনত বিশেষ উদ্বেগ সৃষ্টি হোৱা নাই। সেয়ে, সাত্বিক ভাবে উত্তৰ সাগৰৰ উপকূলৰ দেশ সমূহত শান্তি শক্তি সৃষ্টি কৰা বাবে বিশ্বৰ ৰাজনৈতিক উত্থান পতন এই দেশ সমূহে ধৈৰ্য্য ধৰি হাঁহিমুখে চাব পাৰিছে। সাম্প্ৰতিক কালৰ বিশ্বমানৱৰ ক্ৰম গতিৰ বিচাৰত ইতিহাস দৰ্শন আৰু সাংস্কৃতিক জীৱনৰ যি সংশ্লেষাত্মক দৃষ্টি ভঙ্গী 'সাত সাগৰৰ চানেকী' কবিতাত প্ৰকাশ পাইছে, অসমীয়া কাব্য সাহিত্যত এই চিন্তাৰ তুলনা নাই।

কিন্তু কবি দিলীপ বৰুৱাই চিন্তা জগতত যিমান গভীৰ ভাবে প্ৰবেশ কৰিলে; সিমান বিশাল আবেগ, ভক্তি আৰু সৌন্দৰ্য্য স্পৃহাৰে

কবি মানস আলোড়িত নোহোৱা বাবে বৰুৱাৰ হৃদয়ত কাব্য প্ৰবাহ প্ৰবল গতিৰে ধাবমান নহ'ল। ইয়াৰ মূলতে হৈছে ভাৰতীয় অসমীয়া সাংস্কৃতিক জীৱনৰ ৰসধাৰাৰ প্ৰাণ গঙ্গাত বৰুৱাৰ কায়মনো বাক্যৰ একত্ৰিকৰণৰ অভাৱ।

ডক্তৰ দিলীপ বৰুৱাই তেওঁৰ কবিতাৰ সমালোচনাৰ প্ৰত্যুত্তৰ হিচাবে লিখা চিঠিখন প্ৰকাশ কৰা হ'ল।

Dr D K Barua M A (Benaras et Leeds) Ph D (Sheffield)
Professor and Head Date 24/10 73
Department of English
Dibrugarh University
Ref No

প্ৰিয় ভট্টাচাৰ্য্য,

আপোনাৰ কাৰ্ড খন পাবৰ বহুত দিন হ'ল। কিন্তু গোটা দুমাহ মই ডিব্ৰুগড়ৰ পৰা আঁতৰি থকাত উত্তৰ দিওঁতে পলম হ'ল। আপুনি আগবঢ়োৱা মোৰ কবিতাৰ সম্পৰ্কে মন্তব্য পঢ়ি বৰ সন্তোষ পালো। কবিতা দুটাৰ অভিপ্ৰায় আৰু উৎস সম্পৰ্কে আপোনাৰ অভিমত অতি সূক্ষ্ম আৰু মোৰ দৃষ্টিকোণৰ পৰা সত্য।

মই মোৰ কবিতাবোৰৰ এটা সংকলন উলিওৱাৰ কথা ভাবিছো। গতিকে আপোনাৰ হাতত মোৰ আগৰ কবিতা যদি দুই এটা আছে অনুগ্ৰহ কৰি মোলৈ পঠাব। আপোনাৰ বিষয়ে জানিবলৈও মোৰ আগ্ৰহ হৈছে। গতিকে সবিশেষ জনাব।

মোৰ সম্ভাষণ গ্ৰহণ কৰিব।

ইতি
দিলীপ বৰুৱা

পৰেশ মল্ল বৰুৱা

পৰেশ মল্ল বৰুৱাৰ প্ৰগতিবাদী চিন্তাৰ সোঁতৰ ক্ৰমগতিৰ এটা ৰূপ প্ৰকাশ পাইছে (১) 'এটা প্ৰাগৈতিহাসিক প্ৰাণী,' (২) 'এজাক বনৰীয়া ৰাজহাঁহ' (৩) 'কেৱল এটা শব্দ' (৪) 'দেৱকান্ত বৰুৱা' (১৯৬৬) আদি কবিতা সমূহত। অন্য এটা ৰূপ প্ৰকাশ পাইছে কুৰি শতিকাৰ চোভিয়েট' কবিতা নামৰ গ্ৰন্থৰ মাজেদি। সেয়ে

মল্ল বৰুৱাৰ মৌলিক চিন্তা আৰু অনুবাদৰ মাজেদি প্ৰকাশ পোৱা কবি প্ৰতিভাৰ বিচাৰ কৰিলে মল্ল বৰুৱাৰ জীৱনৰ উপলব্ধি বুজা যাব।

মল্ল বৰুৱাই মানৱ সভ্যতা আৰু জীৱ বিজ্ঞানৰ ক্ৰমবিকাশৰ মাজেদি গতি কৰি মানৱ সমাজৰ আধুনিক ৰুচিবোধ আৰু সাহিত্য সংস্কৃতিত দেখা দিয়া নগ্নতাৰ বাবে আক্ষেপ কৰিছে। মল্ল বৰুৱাই সামাজিক জীৱনৰ ৰুচীহীনতা দেখি উপলব্ধি কৰিছে যে বাস্তৱিকতে মানৱ সমাজে দৰ্শন বিজ্ঞানৰ আৰু শিল্পকলাৰ সাধনাৰ মাজেদি যি অভিজ্ঞতা সঞ্চয় কৰিলে তাৰ দ্বাৰা মানৱৰ জীৱনৰ অগ্ৰগতি লাভ কৰা নাই। মানৱ সমাজৰ সভ্যতা সংস্কৃতিৰ ইতিহাসৰ মাজেদি যি জ্ঞান প্ৰবাহিত হৈ আহিছে, সেই জ্ঞানৰ মাজেৰে মানৱ সমাজ ৰূপ নোপোৱা বাবে মল্ল বৰুৱাই মানৱক এটা 'প্ৰাগৈতিহাসিক প্ৰাণী' বুলি সিদ্ধান্ত কৰিছে এই উপলব্ধিয়ে হোভিয়েত ৰুছিয়াৰ কাব্য কলাৰ মাজত প্ৰবেশ কৰাত সহায়ক হৈছে।

মল্ল বৰুৱাই যি গভীৰ চিন্তাৰ মাজেদি নৃতত্ত্ব প্ৰত্নতত্ত্ব আৰু জীৱ বিজ্ঞান অধ্যয়নৰ মৌলিক চিন্তা কাব্যিক ৰূপ দিছে সমসাময়িক অসমীয়া কাব্য সাহিত্যত নতুন কবিসকলৰ এই উপলব্ধি নাই। বাস্তৱিকতে কবি শিল্পীসকলে গভীৰ জীৱনবোধৰ মাজেদি অধ্যয়ন পুষ্ট মনন; ঐতিহাসিক দৃষ্টিৰে সমাজক কটু সমালোচনা নকৰিলে সামাজিক মানদণ্ড ৰক্ষা হোৱা টান। মল্ল বৰুৱাই এই চেতনাৰ মাজেদি সত্য কথা প্ৰকাশ কৰি সমাজক সুন্দৰ হোৱাৰ পথ দেখুৱাইছে।

কবি মল্ল বৰুৱাই ব্যাপক আৰু গভীৰ অধ্যয়নৰ মাজেদি লাভ কৰা জ্ঞান আৰু আনন্দৰ দ্বাৰা চিন্তা জাগ্ৰত কৰি প্ৰবীণ কাব্যকাৰ সকলৰ গোষ্ঠীভুক্ত হৈ অসমৰ জাতীয় জীৱন আৰু কাব্যকলা অন্ধকাৰ মুক্ত কৰাৰ চেষ্টা কৰিছে।

সেয়ে হেম বৰুৱাৰ 'উৰা মাৰে বনৰীয়া হাঁহ জাক'; আৰু অস্ত্ৰোপচাৰ টেবুলত মাতৃমুখী নাৰীৰ চকু'ক লক্ষ্য কৰি 'এজাক বনৰীয়া ৰাজহাঁহ' কবিতা ৰচনা কৰি মল্ল বৰুৱাই কৈছে—

'ৰাজহাঁহ জাক উন্মনা
গিৰি শিখৰত বননিৰ উন্মাদনা।

অক্সোপচাৰৰ টেবুলখনত এৰি যোৱা
চপৰা চপৰ ডবৰা ডবৰ
গেণ্ডেজৰ তুলাবোৰ সামৰি থবৰ
সময় হোৱা নাই।"

সেইদৰে, নিৰ্মল প্ৰভা বৰদলৈ আৰু নীলিমা দত্ত আদিৰ দুপৰৰ ভয়ক লক্ষ্য কৰি কৈছে—

"বুকুত খামুচি ধৰে থুপুৰিছিল ৰোগৰ দৰে
দুপৰৰ উত্তপ্ত হিয়া।"

হেম বৰুৱাৰ কবি মানসৰ পৰা সৃষ্টি হোৱা 'বনৰীয়া হাঁহ জাকৰ' ডেউকাৰ কোবত যি শব্দ সৃষ্টি হৈছে সেই শব্দ হৈছে নীলমণি ফুকনৰ 'আৰু কি নৈ শব্দ' কাব্য। মহ্ম বৰুৱাই 'কেৱল এটা শব্দ' কবিতাত নীলমণি ফুকনক লক্ষ্য কৰি কৈছে—

"মই এটা শব্দৰ মাজত।"

সেইদৰে 'বনৰীয়া হাঁহজাকৰ' ডেউকাৰ শব্দ শুনি শুনি 'সৰঙ'ৰ ভিতৰত প্ৰবেশ কৰি নৈ দিনেশ গোস্বামীক 'সুৰঙৰ ভিতৰত' কবিতাত বিচাৰি পাই মহ্ম বৰুৱাই তেওঁৰ কাব্য তত্ত্ব আৰু জীৱনতত্ত্বৰ পৰ্যবেক্ষণ মূলক জ্ঞান পৰীক্ষাৰ দ্বাৰা ৰূপ দিছে। কবি মহ্ম বৰুৱাই মানুহক প্ৰাগৈতিহাসিক প্ৰাণী বুলি সম্পূৰ্ণৰূপে প্ৰমাণ কৰিছে।

হেম বৰুৱাৰ 'মন-ময়ূৰী' কাব্যত দিল্লী চহৰৰ পৰা হাঁহজাক' উৰি আহে ১৯৬৫ চনত। পৰৱৰ্ত্তী বছৰত দিনেশ গোস্বামীৰ 'শব্দময়ী অপ্সৰী ৰমণী' (নবযুগ ২৭ জুলাই) সুৰঙৰ ভিতৰত' (নবযুগ ১১ মে) নিৰ্মলপ্ৰভা বৰদলৈৰ 'দুপৰৰ ভয়' (আবাহনৰ শাৰদীয় সংখ্যা) নীলিমা দত্তৰ 'ভীতি' (অসমবাণী ৰঙালী বিহু সংখ্যা) কবিতাসমূহ প্ৰকাশ হয়।

মহ্ম বৰুৱাই জাতীয় জীৱনৰ বনৰীয়া স্বভাৱ দূৰ কৰিবৰ বাবে 'কেৱল এটা শব্দ' (নবযুগ ৬ জুলাই) আৰু 'এটা প্ৰাগৈতিহাসিক প্ৰাণী' (১৫ জুলাই আকাশ বাণী) ৰচনা কৰি বনৰীয়া হাঁহ জাকক ঘৰচীয়া কৰিবলৈ চেষ্টা কৰে। মহ্ম বৰুৱাই অসমীয়া জাতীয় জীৱন আৰু কাব্যকলাৰ স্তৰ প্ৰাগৈতিহাসিক যুগলৈ যোৱা দেখি ১৯৬৬ চনৰ ৰঙালী বিহুৰ দিনৰ পৰা এই চনৰ ১৫ জুলাইলৈ

গভীৰ ভাবে চিন্তা কৰি মানৱ সভ্যতাৰ ৰূপ বুজাবলৈ বিজ্ঞান দৰ্শন অধ্যয়ন কৰিছে।

অসমীয়া জাতীয় জীৱন আৰু কাব্য সাহিত্যত হেমবৰুৱাই যি গৰল সৃষ্টি কৰিলে লক্ষ বুতাগোঁহাঁয়েও ১৯৫৮ চনতে লক্ষ্য কৰিছে। মল্ল বৰুৱাই ১৯৬৬ চনত তাৰ প্ৰত্যুত্তৰ দিছে।

সাহসী সত্যান্বেষণকাৰী কবি মল্ল বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ এই গতিৰ বিষয়ে গভীৰ ভাবে চিন্তা কৰি দেৱকান্ত বৰুৱাকো (নৱযুগ ৩০ মাচ) পোনতে দোষী সাব্যস্ত কৰিছে।

দেৱকান্ত বৰুৱাই উকি মাৰি 'দূৰৰ দ্বীপৰ কোনো বন্দৰ বিচাৰি যোৱাৰ দৰে অৰ্থাৎ ভাৰতীয় সাহিত্য সংস্কৃতিৰ আদৰ্শ মষিমূৰ কৰি 'পাপ মাথো এই চুমাচুমি?' বুলি স্বৰ্গ বিচাৰি গৈ পাশ্চাত্যৰ 'দুৱাৰ মুকলি কৰি' ব্যগ্ৰতাৰ চকুপো টোকা আদৰ্শ সৃষ্টি কৰি অসমীয়া কাব্য সাহিত্যৰ ধাৰা গৰল যুক্ত কৰা ভাবক মল্ল বৰুৱাই সমালোচনা কৰিছে।

দেৱকান্ত বৰুৱাই সাগৰ চৰৰ্গৈ লক্ষ্যভ্ৰষ্ট হোৱা দেখা পাই মল্ল বৰুৱাই কৈছে—

"নিজ্জনতাত হেৰাল নাবিক
জোৱাৰত উটি যোৱা বন্দৰ বিচাৰি॥'

মল্ল বৰুৱাই ১৯৬৬ চনৰ ৩০ মাচৰ পৰা ১৫ জুলাইলৈ কালছোৱাৰ ভিতৰত অসমীয়া কাব্য সাহিত্যৰ যিটো সমালোচনা আগবঢ়াইছে; তাত অন্যান্য নতুন কবিয়ও যোগদান কৰিছে।

মল্লবৰুৱাই 'বছৰৰ কবিতা: ১৯৬৬' নামৰ গ্ৰন্থখনত কবিতাবোৰ সজাওঁতে চতুৰ্থ স্থানত 'দেৱকান্ত' কবিতাটো স্থান দিছে, যদিও এইটো প্ৰথমে ৰচনা কৰা। প্ৰাগৈতিহাসিক প্ৰাণীৰ বিচাৰ কৰি বনৰীয়া হাঁহ উৰাই দিয়া কবি হেম বৰুৱাক দ্বিতীয় স্থান দিছে। ইয়াতো মল্লবৰুৱাৰ মনোভাব সম্পূৰ্ণ ব্যক্ত হৈছে। মল্লবৰুৱাৰ দৃষ্টিত দেৱকান্ত বৰুৱাই প্ৰথম দোষী হলেও; অন্ততঃ সীমাহীন সৌন্দৰ্যৰ সোঁত কাব্যত প্ৰবাহিত কৰিছে। কিন্তু বনৰীয়া হাঁহৰ জাক উৰোৱা কবি হেমবৰুৱাৰ স্থূল আৱৰণৰ মাজেদি দৃষ্টিপাত কৰিব পৰা ক্ষমতা নাই। সেয়ে, মল্লবৰুৱাই দেৱবৰুৱাৰ অপৰাধ কিছু কমকৈ দেখুৱাইছে।

অসমীয়া কাব্য সাহিত্যত দেৱবৰুৱাৰ 'জীৱনৰ উদভ্ৰান্ত ছন্দৰ তালে' আৰু হেমবৰুৱাৰ 'মাজুৰ পোকৰ' 'অনিৰুদ্ধ স্বপ্ন আৰু তেজৰ জোৱাৰে' সৃষ্টি কৰা সংঘাটত সমাজ জীৱনৰ মঙ্গলকামী কাব্যকাৰ সকলে গভীৰভাবে সচেতন হব লগা হোৱা বাবে এই সুদীৰ্ঘ কালছোৱাত অসমীয়া কাব্য সাহিত্যত জ্ঞানৰ অগ্ৰগতি আৰু জীৱনৰ গম্ভীৰ অভিজ্ঞতা কাব্যত সঞ্চয় কৰা চেষ্টা ব্যাহত হৈছে।

অসমীয়া কাব্য সাহিত্য আৰু ভাৰতীয় জীৱনত সৃষ্টি হোৱা এই সংঘাতে ভাৰতীয় জাতিৰ স্বাধীনোত্তৰ কালৰ সংগ্ৰামী মনোভাৱ প্ৰতিহত কৰিছে। অসমীয়া কাব্য সাহিত্যত বৈষ্ণৱ যুগত মানৱৰ অন্তৰ শুদ্ধি কৰা অভিযান কাব্য সাহিত্যৰ মাজেদি জন সাধাৰণক স্পৰ্শ কৰা বাবে ওচৰৰ মুছলমান ৰাজ্যত দাঁতিত নৰনাৰায়ণ ৰজাৰ ৰাজ্য প্ৰতিষ্ঠা আছিল। সেইদৰে স্বাধীনতাৰ পূৰ্বকালত কাব্যকাৰ সকলৰ হৃদয়ৰ পবিত্ৰতাই জাতিৰ শক্তি জাগ্ৰত কৰিছিল।

ৰুছি শতিকাৰ ছোভিয়েট কবিতা

পৰেশ মল্লবৰুৱাৰ 'ৰুছি শতিকাৰ ছোভিয়েট কবিতা' নামৰ গ্ৰন্থ-খনত ৰুছিয়াৰ দুকুৰি বাৰজন কবিৰ এশ দহটা কবিতা আছে। সেই মল্লবৰুৱাই কমিউনিষ্ট শাসনৰ দেশ এখনৰ কবি-শিল্পীৰ চিন্তা, প্ৰেৰণা কল্পনা, সাৰৱতাবোধ আদি বুজাৰ বাবে আৰু ৰুছিয়াৰ জনসাধাৰণৰ সুখ-সমৃদ্ধিৰ সম্যক জ্ঞান আহৰণ কৰি ভাৰতীয় অসমীয়া সমাজ জীৱন আৰু কাব্যকলাৰ তুলনামূলক আলোচনা কৰিবৰ বাবে সমল সৃষ্টি কৰিছে। সেয়ে, গণতান্ত্ৰিক অধ্যাত্মবাদী চিন্তাই ভাৰতীয় সাহিত্যৰ প্ৰাণ স্বৰূপ হৈ অহা সময়ত বস্তুবাদী চিন্তাৰ দেশখনৰ কাব্য কলাৰ সামগ্ৰিক আলোচনা কৰাৰ বাবে মল্লবৰুৱাৰ অনুবাদ কৰ্ম্ম এটা অমূল্য সমল।

মল্লবৰুৱাই পাতনিত ৰুছিয়াৰ ৰাজনীতি আৰু কলাৰ সম্বন্ধ বিচাৰ কৰিছে যদিও, কমিউনিষ্ট শাসন (১৯১৭) প্ৰতিষ্ঠা হোৱাৰ সময়ৰ পৰা ৰাজনৈতিক দৰ্শন আৰু কলাৰ আকৃতি প্ৰকৃতি আৰু ৰুছিয়াৰ সমাজ জীৱন সম্বন্ধে বহলাই আলোচনা কৰা প্ৰয়োজন। তেতিয়াহে কবিসকলৰ প্ৰাণৰ বাতৰি আৰু ৰুছিয়ান জনমানসৰ

স্বৰূপ বুজা যাব। ইয়াৰ দ্বাৰাই কুৰি শতিকাৰ দশকতে অসমীয়া কাব্যকলাৰ আৰু অসমীয়া সমাজ জীৱনৰ স্বৰূপ আলোচনা কৰা সহজ হব।

বুৰ্জোৱা গণতান্ত্ৰিক শাসন ব্যৱস্থা আৰু ৰাজতন্ত্ৰৰ দিনৰ শাসন প্ৰণালী-বিলোপ কৰি বলচেভিক দলে ১৯১৭ চনত কমিউনিষ্ট শাসন প্ৰতিষ্ঠা কৰে। কিন্তু ৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলত সমষ্টি ভুক্ত কৃষি পাম আদি স্থাপন কৰি বুৰ্জোৱা ভাবাপন্ন চৰকাৰী আমোলা সকলক আৰু গণতান্ত্ৰিক চিন্তাধাৰাত বিশ্বাসী লোক সকলক মাৰ্ক্সীয় বস্তুবাদী আদৰ্শ গ্ৰহণ কৰাবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। (১৯৩৩-১৯৩৭) অৰ্থাৎ ৰুছিয়াৰ দ্বিতীয় পাচবছৰীয়া পৰিকল্পনা আৰম্ভ কৰা সময়ত গণতান্ত্ৰিক স্বাধীনতাত বিশ্বাসী লোকসকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হয়। এই কথা বুজাৰ বাবে ছোভিয়েট ৰুছিয়াৰ বৈদেশিক বিভাগে প্ৰকাশ কৰা 'আউটলাইন হিষ্টৰী অব ছোভিয়েট ৰুছিয়াৰ ইতিহাস' নামৰ গ্ৰন্থখনৰ উদ্ধৃতি প্ৰয়োজন।

সমষ্টি ভুক্ত কৃষিপাম সংগঠন কৰা বিষয়ত কৃতকাৰ্য হোৱাৰ কাৰণে স্থানীয় দলবোৰ বহুতো ডাঙৰ ভুল কৰিছিল। কাৰণ, তেওঁলোকে বল প্ৰয়োগ কৰি কৃষক সকলক সমষ্টি ভুক্ত কৃষি পামৰ অন্তভুক্ত কৰিবলৈ চেষ্টা কৰোঁতে কেন্দ্ৰীয় দল আৰু সমষ্টি ভুক্ত কৃষি পামৰ নিৰ্দেশ ভঙ্গ কৰিছিল। কোনো কোনো জিলাত দল আৰু কৰ্মীসকলে লেনিনৰ স্বেচ্ছামূলক সহযোগৰ নীতি উলংঘা কৰি মধ্যম স্তৰৰ কৃষক সকলক কুলক সকলৰ দৰে নাগৰিক স্বত্বৰ পৰা বঞ্চিত কৰিছিল।

দীঘলীয়া আলোচনা আৰু সহিষ্ণুতা পূৰ্ণযুক্তিৰে কৃষক সকলক সমষ্টি ভুক্ত পামৰ মাজলৈ আনিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে আমোলাতান্ত্ৰিক হুকুম জাৰি কৰি কৃষক সকলক বাধ্য কৰা হৈছিল। সমবায় সমিতি গঠন কৰাৰ পৰিবৰ্তে কমিউন গঠন কৰি ঘৰ পকীঘৰ, সৰু সৰু ঘৰচীয়া জন্তু, আনকি হাঁহ পাৰ আদি উপাদানৰ আহিলা আদিও সমাজীকৰণ কৰা হৈছিল। (৬)

১৯১৭ চনৰ পৰা ১৯৩৭ চনলৈ কুৰি বছৰ কাল ৰুছিয়াত কুলক সকলক নিধন কৰি আৰু উচ্চ-মধ্য-পৰ্যায়ৰ কৃষক সকলক কমিউন

(৬) Outline History o the U S S R Foreign Languages Publishing House Moscow 1960 P 299--300

আৰু সমষ্টিভুক্ত পামৰ মাজলৈ আনিবলৈ আৰু চৰকাৰৰ পূৰ্ব বিষয়া সকলক একনায়কত্ববাদী শাসনৰ কঠোৰতালৈ আনিবলৈ চেষ্টা কৰোঁতে ৰুছিয়াৰ সামাজিক জীৱনত যথেষ্ট অশান্তি হয়। তদুপৰি, পূৰ্বৰ শিল্পপতি আৰু বণিক শ্ৰেণীৰ লোককো ব্যক্তিগত ব্যৱসায় বিসৰ্জন দিবৰ্শ বাধ্য কৰোঁতে সুদীৰ্ঘ কাল ৰুছিয়াৰ জনমানস নিৰাপত্তাহীন অৱস্থাত থাকে।

মল্লবৰুৱাই ৰুছিয়াৰ যিসকল কবিৰ কবিতা অনুবাদ কৰিছে তেওঁলোকৰ জন্মকালৰ সীমা (১৮৬৮-১৯৩৭) মুঠতে দুকুৰিজন কবিৰ জন্ম (১৮১৬-১৯১৬) বিপ্লৱৰ পূৰ্বত, মাত্ৰ বাৰজন কবিৰ জন্ম বিপ্লৱৰ পাচত।

ৰুছিয়াত কমিউনিষ্ট চৰকাৰৰ প্ৰতিষ্ঠা হোৱাত সাহিত্য আৰু কলা সংগঠনৰ বাবে ১৯৩২ চনৰ ২৩ এপ্ৰিলৰ কমিউনিষ্ট দলৰ প্ৰস্তাৱমতে এটা সংগঠন স্থাপন কৰা হয়। ইয়াতেই মেক্সিম গৰ্কীয়ে সমাজবাদী বাস্তৱবাদ' সম্বন্ধে সূত্ৰ দাঙি ধৰে, আৰু ১৯৩৪ চনত ৰুছিয়াৰ লেখকসকলৰ প্ৰথম সভা বহে।

ৰুছিয়াৰ দ্বিতীয় পাঁচবছৰীয়া পৰিকল্পনা কাৰ্যকৰী কৰা অৱস্থাত সমাজ জীৱনত গণতান্ত্ৰিক স্বাধীনতা আৰু একনায়কত্ববাদী শাসনৰ সংঘৰ্ষৰ মাজেদি জন মানসত যি ভাব সৃষ্টি হৈছিল তাৰ কাব কবিতা সমূহৰ মাজেদি প্ৰকাশ পাইছে।

মল্লবৰুৱাই অনুবাদ কৰা কবিসকলৰ হয়তো সৰহ ভাগেই কুলক শ্ৰেণীৰ; যাইবা গণতান্ত্ৰিক চিন্তাধাৰাৰ আদৰ্শত বিশ্বাসী কবি। দেশত একনায়কত্ববাদী শাসনে কবিসকলৰ কবিতাৰ বিষয়-বস্তু আৰু সাহিত্য সৃষ্টিৰ উদ্দেশ্য সীমাবদ্ধ কৰি বিশ্বৰ ভাবধাৰাৰ পৰা ৰুদ্ধ কৰি সাহিত্যিক সকলক আঁতৰাই ৰাখে। সেয়ে, পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত প্ৰাক বিপ্লৱ যুগৰ কবিসকলৰ স্মৃতিত আৰু কবি মানসত এটা অশান্তিৰ ভাব প্ৰবাহিত হৈ আছে। ব্যক্তিগত সম্পত্তিৰ পৰা বঞ্চিত হোৱাত লেখকৰ স্বাধীনতা হৰণ হৈ যোৱাত লেখক সকলৰ সজীৱ প্ৰতিভা বিকাশ হোৱা নাই।

মল্লবৰুৱাই কৈছে যে, ষ্টেলিনৰ মৃত্যুৰ পাছত ১৯৫৩ চনতহে ৰুছ লেখক সকলে কিছু স্বাধীনতা লাভ কৰে। দেশত চৰকাৰে যেতিয়া পশ্চিমৰ গণতান্ত্ৰিক পুঁজিবাদী দেশসমূহৰ লগত যোগাযোগ ছিন্ন কৰিলে; আৰু ৰুছিয়াৰ ৰাজতন্ত্ৰৰ দিনৰ ঐতিহাসিক সম্পদ-ৰাজি শোষক বুৰ্জোৱা শ্ৰেণীৰ জীৱন কাহিনী বুলি অতীতৰ লগত

যোগসূত্র ছিঙি দিলে, তেতিয়া কবিসকলে কাব্যকলাৰ বাবে কি সমল বিচাৰি পাব ?

তদুপৰি, ৰাজতন্ত্ৰৰ দিনত ধৰ্মযাজক আৰু জমিদাৰ শ্ৰেণীৰ মাজত যি সাহিত্য তথা কাব্যকলা অধ্যাত্মবাদী দাৰ্শনিক তত্ত্বৰ মাজেদি প্ৰবাহিত হৈছিল, সেই আদৰ্শবো ত্যাগ কৰা হল ।

দেশৰ অতীত আৰু পশ্চিমৰ অন্যান্য দেশৰ লগত যোগসূত্ৰ ছিন্ন হল; কিন্তু কমিউনিষ্ট শাসনে কোনো আদৰ্শৰ দ্বাৰা দেশৰ কবি সকলক অনুপ্ৰাণিত কৰি শিল্পী হৃদয়ৰ সৃষ্টি প্ৰতিভা বিকাশৰ সুবিধা দিয়া নাই । সেয়ে, কবিসকলে সীমাৰ মাজতে অসীমৰ মাজলৈ যাব পৰা কাব্যৰ বিষয়বস্তু গ্ৰহণ কৰা নাই, নাইবা দুই এজনে প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয় কবিতাত স্থান দিলেও বস্তুবাদী জীৱন দৰ্শনে সংঘাত সৃষ্টি কৰিছে ।

এই প্ৰসঙ্গত মেক্সিম গৰ্কী আৰু টলষ্টয়ৰ সাক্ষাৎ প্ৰসঙ্গ আলোচনা প্ৰয়োজন । । টলষ্টয়ে গৰ্কীৰ লগত ঈশ্বৰৰ বিষয়ে আলোচনা কৰোঁতে কৈছে 'এজন অবিশ্বাসীয়ে ভাল পাব নোৱাৰে । তেওঁ আজি এজনৰ প্ৰেমত পৰে; আৰু এবছৰৰ অন্তত অন্য এজনক ভাল পায় । এনে মানুহৰ আত্মাই কেৱল ভ্ৰমণ কৰিহে থাকে, ই বন্ধ্যা । তুমি সদায় কৈছা সৌন্দৰ্য । সৌন্দৰ্য কি ? শীৰ্ষতম আৰু সম্পূৰ্ণ হৈছে—ঈশ্বৰ ।' টলষ্টয়ৰ উক্তিত গৰ্কীয়ে উত্তৰ নিদিলে যদিও শেষত স্বীকাৰ কৰিলে এই মানুহজন ঈশ্বৰৰ সদৃশ । (৭)

গৰ্কীয়ে টলষ্টয়ক শ্ৰদ্ধা কৰে কিন্তু তেওঁৰ জীৱন দৰ্শন গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে । টলষ্টয়ক ঈশ্বৰৰ সদৃশ বুলি স্বীকাৰ কৰিও গৰ্কীয় শেষত ঈশ্বৰক অস্বীকাৰ কৰি বস্তুবাদী দৰ্শনৰ জয় গান গাই; ৰুছিয়াৰ ৰাজতন্ত্ৰৰ দিনৰ সকলো আদৰ্শ বুৰ্জোৱাৰ সংস্কৃতি বুলি কয় ।

গৰ্কীয়ে পুনঃ কৈছে—'মানুহে যিয়েই নকৰক লাগে; প্ৰতিটো ক্ষুদ্ৰ বস্তুতেই আত্মাৰ অংশ আছে ।" (৮) সেয়ে দেখা যায়, এই সংশয়বাদী দৃষ্টিভঙ্গী যুক্ত এজন লোকে 'সমাজবাদী বাস্তৱতা' ৰ সূত্ৰ দি কাব্য-কলা নিয়ন্ত্ৰণ কৰা বাবে সৃজনী প্ৰতিভাৰ বিকাশ নাই ।

(৭) Maxim Gorky on Literature Selected Article -Page 348
(৮) উক্ত গ্ৰন্থ পৃষ্ঠা—২২ ।

ষ্টেলিন আৰু মেক্সিম গৰ্কীৰ মৃত্যুৰ পাচত 'সমাজতান্ত্ৰিক বাস্তৱবাদ'ৰ সূত্ৰ সংশোধন কৰা হয়। ১৯৬৮ চনত প্ৰকাশ কৰা 'কলা আৰু সমাজ' নামৰ গ্ৰন্থখনত বিভিন্ন লেখকে 'সমাজতান্ত্ৰিক বাস্তৱবাদ' সম্বন্ধে আলোচনা কৰে। ভি কুডিন নামে এজন লেখকে 'সমাজতান্ত্ৰিক বাস্তৱবাদৰ সাৰ' নামৰ প্ৰৱন্ধত কৈছে সমাজবাদী বাস্তৱবাদৰ এটা প্ৰধান লক্ষণ হৈছে যে, ইয়াৰ উত্তম গ্ৰন্থসমূহে বস্তুনিষ্ঠভাবে জীৱনতত্ত্ব ব্যাখ্যা কৰে।'

আই বুলিবোভাই এই গ্ৰন্থতে কৈছে যে, "বিংশ শতিকাৰ আদিতে সকলো কছ কলাকাৰৰ বিশ্বৰ মনোভাব লোৱা নাই; নাইবা 'সমাজতান্ত্ৰিক বাস্তৱবাদী' কৌশল গ্ৰহণ কৰা নাই।"

গৰ্কীৰ (১৯৩৬) আৰু ষ্টেলিনৰ মৃত্যুৰ পাচত (১৯৫৩) ৰুছিয়াৰ কাব্যকলা তথা অন্যান্য চিন্তাই বিশ্বৰ গণতান্ত্ৰিক দেশ সমূহৰ লগত ফেৰ মাৰিব লোৱা বাবে; সমাজ আৰু কলাৰ সম্বন্ধ বিচাৰ কৰি 'কলা আৰু সমাজ' নামৰ গ্ৰন্থখনত প্ৰাচ্য-পাশ্চাত্য কলাৰ গতিবিধি আলোচনা কৰি কবি শিল্পীক কিছু স্বাধীনতা দিয়ে। অৰ্থাৎ ৰুছিয়াত পুনঃ সংশোধনী চিন্তা আৰম্ভ হয়।

ৰাষ্ট্ৰই কঠোৰ ভাবে কলাকাৰ সকলৰ স্বাধীনতাত হস্তক্ষেপ কৰি কাব্যকলা তথা মন মানসৰ সৃজনী প্ৰতিভাক বিকাশ হব নিদিয়া বাবে কবি সকলৰ গভীৰ উপলব্ধি নাই। শিল্পী সকলৰ প্ৰাণ মুক্ত হৈ বিচৰণ নকৰা বাবে প্ৰায়বোৰ কবিতা চুটি হৈছে। গৰ্কীৰ 'শেন চৰাইৰ গীত' নামৰ কবিতাটোৰ বাহিৰে প্ৰায়বোৰ কবিতাৰ মাজেদি মুক্ত প্ৰাণৰ স্বচ্ছন্দ গতি প্ৰবাহিত হোৱা দেখা নাযায়। এয়া কবিসকলৰ অক্ষমতা নহয়, ৰাষ্ট্ৰৰ শাসন।

ৰুছিয়াৰ এই ৰাজনৈতিক পটভূমিত অসমীয়া কাব্যকাৰ সকলৰ চিন্তা আৰু উপলব্ধিৰ তুলনামূলক আলোচনা কৰিলেহে অসমীয়া জাতীয় জীৱনৰ সৃজনী প্ৰতিভাৰ বিকাশৰ স্বৰূপ বুজা যাব।

ৰুচিয়াৰ কমিউনিষ্ট চৰকাৰৰ সাহিত্য আৰু কলাৰ সংগঠনৰ নীতি প্ৰণেতা মেক্সিম গৰ্কী (১৮৬৮-১৯৩৬) আৰু অসমীয়া কাব্য সাহিত্যৰ যুগ প্ৰণেতা কবি লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৮—১৯৩৮) একে সময়তে দুখন বিভিন্ন দেশত বিভিন্ন পৰিস্থিতিত জন্ম গ্ৰহণ কৰে। গৰ্কীয়ে কমিউনিষ্ট বিপ্লবক আহ্বান জনাইছে;—

বেজবৰুৱাই ইংৰাজ চৰকাৰৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰাম সৃষ্টিত সহায় কৰিছে। ৰুচিয়াত হিংসাত্মক আন্দোলন বুৰ্জোৱা শাসনৰ বিৰুদ্ধে আৰু ভাৰতত সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে।

বেজবৰুৱাৰ 'কদম কলি' কাব্য (১৯১৩) প্ৰকাশ পোৱা সময়ত, দুকুৰি পাঁচ বছৰীয়া কবিজনে ভাৰতৰ অহিংসা আন্দোলনৰ শান্ত সমাহিত পৰিবেশত ভাৰতীয় আৰু অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক ৰসধাৰাৰ মাজেদি যি চিত্ত তৃপ্তি পাইছে, গৰ্কীয় 'শেন চৰাইৰ গীত' কবিতাত হিংসাত্মক আন্দোলনক আদৰণি জনাই সেই আত্মতৃপ্তি লাভ কৰা নাই।

গৰ্কীৰ কবিতাত শেন চৰাইৰ গীত'ৰ ধ্বনিয়ে পৃথিৱীৰ মুক্তিৰ বাবে সংগ্ৰামৰ বাণী প্ৰচাৰ কৰিছে। সেইদৰে বেজবৰুৱাই সমগ্ৰ পৃথিৱীক লক্ষ্য কৰি কৈছে—

"প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।"

❋ ❋ ❋

মৰু বুকে, শিল পমে, বিন্দুৰ পৰশে
প্ৰেম আখ্যা মহাশক্তি জগত প্ৰকাশে।'

মেক্সিম গৰ্কীয়ে কৈছে পৃথিৱীৰ মুক্তিৰ বাবে শেন আৰু সাপৰ যুদ্ধৰ দৰে সাহসী সংগ্ৰাম চলাব লাগিব। এই সংগ্ৰাম ৰক্তাক্ত হবও পাৰে। বেজবৰুৱাৰ হৃদয়ত ভাৰতৰ প্ৰেম আৰু শান্তিৰ বাণীৰ দ্বাৰা পৃথিৱী মুক্ত কৰাৰ সপোন আছে।

গৰ্কীয়ে 'উন্মত্ত প্ৰতাপেৰে' 'গৌৰৱ সঙ্গীত' গাই পৃথিৱী মুক্ত কৰাৰ কথা কৈছে যদিও, পৃথিৱীত শান্তিৰ বাণী বিতৰণৰ বাবে ঋষি টলষ্টয়ৰ দাশনিক চিন্তাৰ মাজেদি অন্যান্য কাব সকলক অনুপ্ৰাণিত কৰিব পৰা নাই। কিন্তু টলষ্টয়-গৰ্কী বিৰোধ কাব্যত ৰূপ পাইছে।

গৰ্কীয়ে কমিউনিষ্ট চৰকাৰৰ অনুগ্ৰহ লাভ কৰি গৌৰৱ বোধ কৰিছে, কিন্তু অন্যান্য বহু কবিয়ে গণতান্ত্ৰিক স্বাধীনতা হৰণ হোৱাত চকুলো টুকিছে। মল্ল বৰুৱাই কৈছে যে, এচেনিন, মায়াক ভস্কি আদি বহু কবিয়ে ব্যক্তিগত স্বাধীনতা হৰণ হোৱাত আত্ম-হত্যা কৰিছে। এই আত্মহত্যাকাৰী কবিসকলৰ প্ৰাণৰ বেদনাৰ ধ্বনি প্ৰায়বোৰ কবিতাত অনুৰণিত হৈ আছে। শুষ্ক সত্ত্ব ভাবেৰে

এই কবিতাবোৰ পঢ়িলে কবি সকলৰ হৃদয়ৰ বেদনা বুজা যায়।

উদাহৰণ স্বৰূপে, কবি কনষ্টান্তিন ছিমোনভে (১৯১৫) 'নিৰর্থক লোতক' আৰু 'প্ৰতীক্ষা কৰা মোৰ বাবে' কবিতাত দেশবাসী আৰু কলাকাৰ সকলক ধৈৰ্য্য ধৰি ৰাজনীতিৰ আদৰ্শ পৰিবৰ্ত্তনৰ ভবিষ্যৎ বাণী শুনাই জনমানসত স্বাধীনতা আগমনৰ ইঙ্গিত দিছে। কবি ছিমোনভে মৃত কলাকাৰ সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কমিউনিষ্ট শাসনৰ কঠোৰতা হ্ৰাস হোৱাৰ আশ্বাস দিছে।

কবি ছিমোনোভে 'নিৰথক লোতক' কবিতাত মৃত কবি সকলৰ পত্নী সকলক সমবেদনা জ্ঞাপন কৰি কৈছে—

'তেনেই অথলে যায় তাইৰ চকুলো ধাৰ'

* * *

তোমাৰ স্বামীৰ মৃত্যু হওঁতেৰ পাপৰাজি হল খণ্ডন।'

কবি ছিমোনোভে গৰ্কীৰ সমালোচনা কৰি কৈছে—

'কাপহ অৰু ভাগ্যবানে পাৰে মাখোন পাৰ
বিশ্বসেৰে লব ধ্বংস যাতনা, যদিওবা হৃদয় ৰিক্ত।'

বাস্তৱিকতে কবি ছিমোনেভে গৰ্কীৰ প্ৰতি যি সমালোচনা আগবঢ়াইছে তাৰ প্ৰমাণ বীৰ কবিতা 'শেন চৰাইৰ গীত' আৰু টলষ্টয়-গৰ্কীৰ আলোচনা। সেইদৰে ইয়েভগেনি দলমাতভ স্কিয়ে (১৯১৫) কৈছে- 'পুৰণি বন্ধুৰ সঙ্গতে যাচিছো প্ৰণাম'। বাৰ্দ্ধক্যত ভৰি দিয়া কবি জনাই নতুন প্ৰজন্মক লক্ষ্য কৰি কৈছে-- তৰুণ কণ্ঠই পালে দূৰৰ পৰিচিত আহ্বান।' এইজনা কবিয়েও দেশৰ জনগণক ভবিষ্যতৰ স্বাধীনতাৰ বাণী শুনাইছে।

কবি ভলাডিস্লাভ খোদাশ্বেভিকে (১৮৮৬-১৯৩৮) 'সময় আৰু ছন্দবন্ধ' আৰু 'স্তবক' নামৰ কবিতাত জন মানসৰ ভাব প্ৰকাশ কৰি কৈছে--

সঙ্কটে আমাৰ স্থিতি আমি গোত্ৰহীন'

* * *

নিজকে কৈ উঠো, মই যেন মূৰ্চ্ছাৰ কবলত।'

অ'লগা বাৰগলটচে (১৯১০) 'ভয়' কবিতাত কবি সম্প্ৰদায়ৰ মানসিক ভয় ব্যক্ত কৰি, গৰ্কী আদি শাসকৰ অনুগ্ৰহ লাভ কৰা কবিসকলক লক্ষ্য কৰি কৈছে—

"যদি হঁহে কোনোবাই নাকান্দোঁ বিষন্নতাত
অদূৰত প্ৰসন্ন সময়—
তেতিয়া বুজিব সিহঁতে স্বয়ংবৃত, বেদনাত
মোৰ বুকুৰ যতনা ভয়।"

এই গৰাকী কবিয়ে কৈছে যে, একশ্ৰেণীৰ কবিয়ে চৰকাৰৰ অনুগ্ৰহ পাই আনন্দিত হোৱাত তেওঁৰ দুঃখৰ কোনো প্ৰয়োজন নাই। যি সকল কবিয়ে এই বিপ্লৱক সমৰ্থন জনাইছে তেওঁলোকেও শেষত বেদনাত কষ্ট পায়। মুঠতে বৈপ্লৱিক দৃষ্টিভঙ্গী থকা শিল্পীয়ে একনায়কত্ববাদী শাসনৰ পক্ষপাতী নহয়।

গৰীৰ দৰে আৰু এবা কবিয়ে কমিউনিষ্ট বিপ্লৱক সমৰ্থন জনাই নতুন দিনৰ সপোন ৰচিছে। কবি নিকোলাই গ্ৰীবাচেভে (১৯১০) এই বিপ্লৱ আৰু পশ্চিমৰ অন্যান্য ৰাষ্ট্ৰৰ লগত হোৱা যুদ্ধৰ ক্ষতিৰ পৰা উদ্ধাৰ পাবলৈ উৎসাহিত কৰি কৈছে—

'এতিয়া সমস্ত ক্ষতিকে পাহৰি আমাৰ বেপৰোৱা গতি।'

❖ ❖ ❖

ধন্য কবি মানুহৰ ঘৰ সুখৰ স্পৰ্শত আনি অৱতীৰ্ণ।'
মুঠতে প্ৰায় অধিক সংখ্যক কবিয়ে এইদৰে দ্বিধা বিভক্ত হৈছে। কবি শিল্পী সকলে এইদৰে নিজৰ দেশৰ ৰাজনীতিৰ গতিবিধি লৈ ব্যস্ত হৈ থকাৰ বাবে বিশ্ব মানৱৰ ভাবলৈ উধাব পৰা নাই। সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত কবি সম্প্ৰদায়ৰ দুটা গোষ্ঠীত বিভক্ত হৈ যুদ্ধত অৱতীৰ্ণ হোৱাৰ দৰে, ৰুছ কবি সকলে, এইদৰে ৰাজনীতিৰ দৰ্শনক কেন্দ্ৰ কৰি দুটা ভাগত বিভক্ত হৈছে।

অসমীয়া কাব্য সাহিত্যত কবিসকলে ৰাজনৈতিক দৰ্শনক কেন্দ্ৰ কৰি সম্প্ৰদায়ভুক্ত হোৱা নাই। অসমীয়া কাব্য সাহিত্যৰ নতুন কবি সকলৰ বিষাদ হৈছে নাৰীৰ দেহৰ অতৃপ্ত কামনাৰ পৰা সম্ভূত। ৰুছ কবিসকলৰ দৰে এওঁলোকে ৰাজনৈতিক চিন্তাক কাব্যৰ মাজলৈ আনি জাতিক শক্তিশালী কৰিব পৰা নাই।

মন্নবৰুৱাই কৈছে "প্ৰকৃতাৰ্থত কবি শতিকাৰ ৰুছ কবিতাৰ ৰূপ প্ৰতিফলিত হয় প্ৰতীকবাদৰ মাজেৰে। ৰুছ প্ৰতীকী আন্দোলনে পূৰ্ণ যৌৱন পাইছিল (১৮৯০-১৯১০) চনৰ ভিতৰত" ৰুচিয়াৰ কাব্য সাহিত্যত এই প্ৰতীকবাদ সৃষ্টিৰ মূল কাৰণ কি? মন্নবৰুৱাই

কোৱাৰ দৰে ৰুছিয়াৰ সমাজ আৰু ৰাজনীতিৰ গতি লক্ষ্য কৰিলেই এই প্ৰতীক বাদৰ ৰহস্য বুজা যাব। তদুপৰি, অসমীয়া কাব্য সাহিত্যৰ অভিজ্ঞতাৰ পৰা বিচাৰ কৰিলেও এই কথা স্পষ্ট হব।

জাতীয় জীৱনৰ সন্ধিক্ষণত সাহসী আৰু সংগ্ৰামী কলাকাৰ সকলে জনতাক বিপ্লৱৰ পথত পৰিচালিত কৰিবৰ বাবে পোন পটীয়াকৈ মনোভাব ব্যক্ত কৰে আৰু উপদেশ দিয়ে। কিন্তু যেতিয়া কলাকাৰে জন-জীৱনৰ কৰ্মধাৰাত প্ৰবেশ কৰিব নোৱাৰে নাইবা যেতিয়া কোনো আদৰ্শ নাইবা ব্যক্তিক সমালোচনা কৰিব লগীয়া হয়, তেতিয়া কলাকাৰে প্ৰতীক ব্যৱহাৰ কৰে।

অসমীয়া কাব্য সাহিত্যত বেজবৰুৱা চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী আদি কবিসকলে জীৱনৰ অভিজ্ঞতা সমূহ পোনপটীয়াকৈ প্ৰকাশ কৰিছে। কিন্তু যতীন্দ্ৰ নাথ দুৱৰা, ৰঘুনাথ চৌধাৰী আদি প্ৰতীক বাদী কবি সকলে সাহসেৰে সমাজ জীৱনৰ সান্নিধ্যলৈ আহিব নোৱাৰা বাবে প্ৰতীকৰ সহায় লৈছে।

এই অভিজ্ঞতাৰ পৰা চালে দেখা যায় যে, ৰুছিয়াৰ কমিউনিষ্ট বিপ্লৱ চলি থকা অৱস্থাত আৰু একনায়কত্ববাদী শাসন প্ৰতিষ্ঠা হোৱাৰ পাচতো ৰাজনৈতিক আদৰ্শক কবিসকলে প্ৰতীকৰ মাজেৰে প্ৰকাশ কৰিছে। এইছোৱা কালত কমিউনিষ্ট বিপ্লৱী সকলে বিপ্লৱ বিৰোধী কবিসকলক আক্ৰমণ কৰা বাবে আৰু গণতান্ত্ৰিক ভাবাপন্ন লোকে বিপ্লৱ সমৰ্থন কাৰী কবিক আক্ৰমণ কৰা বাবে প্ৰতীকৰ ব্যৱহাৰ।

মেক্সিম গৰ্কীয়ে কমিউনিষ্ট বিপ্লৱ সমৰ্থন কৰি ৰাষ্ট্ৰীয় স্বীকৃতি পালে। গৰ্কীয়ে শেষ সাপৰ যুদ্ধৰ মাজেদি গণতান্ত্ৰিক আৰু কমিউনিষ্ট বিপ্লৱীৰ যুদ্ধক বাপ দিয়াৰ দৰে অন্যান্য কবি সকলেও প্ৰতীকৰ মাজেদি প্ৰত্যুত্তৰ দিছে। সাহিত্যত প্ৰায় এই ৰীতি দেখা যায়।

সাম্প্ৰতিক কালৰ ভাৰতৰ ৰাজনীতিত বিশেষকৈ পশ্চিমবঙ্গ আৰু কেৰেলাৰ একনায়কত্ববাদী শাসনৰ সমৰ্থন কাৰীসকলে সংবিধান ভঙ্গ কৰি; ব্যক্তিৰ বাক স্বাধীনতা, সংবাদ পত্ৰ আৰু আনকি শিক্ষানুষ্ঠান আৰু আইন সভাত ঘেৰাওৰ দ্বাৰা যি নিৰপত্তাহীন

অৱস্থা সৃষ্টি কৰিছে; তেনে অৱস্থাত কলাকাৰ সকলে প্ৰতীকৰ মাজেৰে মনোভাব ব্যক্ত কৰা স্বাভাৱিক।

ৰুছিয়াৰ কাব্য কলাৰ প্ৰতীক বাদৰ কৌশল আন্দ্ৰেইত ভজে-শ্বেন্স্কি-ৰ (১৯৬৩) কবিতাৰ মাজত বিচাৰ কৰিলে 'স্থাপত্য বিদ্যা-লয়ত অগ্নি' কবিতাত কমিউনিষ্ট বিপ্লৱকাৰীসকলে বিশ্ববিদ্যা-লয় আদি শিক্ষানুষ্ঠানবোৰ ধ্বংস কৰি পেলোৱাৰ এটা দৃশ্য দেখা যায়। গৱেষণা শিক্ষাৰ সম্প্ৰসাৰণ, পৰীক্ষা বন্ধ কৰি জাতি প্ৰগতিৰ পথত অগ্ৰসৰ নহয়। সাম্প্ৰতিক কালৰ ভাৰতত মাৰ্ক্সীয় দৰ্শনৰ নামত শিক্ষানুষ্ঠান আৰু পৰীক্ষা সমূহ ধ্বংস কৰা অনুৰাগ চিত্ৰ এই কবিতাত প্ৰকাশ পাইছে।

ৰাজনৈতিক পৰিবৰ্তনৰ নামত এক শ্ৰেণীৰ লোকে বুজোৱা সকলো গঢ় তোলা শিক্ষাগাৰ ব্যৱসায় বাণিজ্য, শিল্প প্ৰতিষ্ঠান সমূহ ধ্বংস কৰি প্ৰাচীন আদৰ্শ লুপ্ত কৰা চেষ্টাক বিদ্ৰূপ কৰি এই পংক্তি কৰিছে কৈছে —

> 'সকলোবোৰ পুৰি ছাই হ'ল,
> ঠিকেই,
> সকলোৱে এবাৰ বুকুভৰাই নিশ্বাস লোৱা
> শেষ জানো সকলো ?
> সকলো পাতনি আৰম্ভ হ'ল,
> এবাৰ বাচোন আমি যাওঁ কথাছবি চাওঁ।
> উপভোগ বিচাৰি।'

একুবি দুকুৰি বছৰ বয়সীয়া কবি পংক্তিয়ে সমাজতান্ত্ৰিক বাস্তৱতাৰ মাজতে এটা বিৰাট শূন্যতা উপলব্ধি কৰি এই কথা কৈছে।

ভাৰতত মুছলমান ৰাজত্ব আৰম্ভ হোৱা সময়তো বিদেশী হিন্দুৰ মঠ মন্দিৰ আদি ধৰ্মৰ অনুষ্ঠান আৰু শিক্ষা-সংস্কৃতিৰ কেন্দ্ৰ বিশ্ব-বিদ্যালয় বোৰ ধ্বংস কৰি দেশখনক অন্ধকাৰৰ মাজলৈ নিয়া হৈছিল।

সাম্প্ৰতিক কালতো ৰুছিয়া-চীনৰ পৰা অহা মাৰ্ক্সীয় চিন্তাধাৰাই ভাৰতৰ প্ৰাচীন ঐতিহ্যত আঘাত হানি ভাৰতৰ সনাতন আদৰ্শ ধ্বংস কৰাৰ পথ লৈছে। সেয়ে, 'স্থাপত্য বিদ্যালয়ত অগ্নি' কবিতা-টোত ভাৰতৰ অৱস্থা প্ৰতিফলিত হৈছে।

ৰুছিয়াৰ ৰাজনৈতিক পৰিবৰ্তন নাইবা প্ৰাচীন ঐতিহ্যৰ অনাদৰ

হোৱা সময়তো কবি শিল্পী সকলে হতাশ হৈ পৰা নাই। চৰকাৰৰ কঠোৰ নিয়ন্ত্ৰণৰ বাবে আধ্যাত্মবাদী চিন্তাক সম্পূৰ্ণ দাৰ্শনিক তত্ত্বৰ মাজেদি ৰূপ দি জীৱনৰ বিভিন্ন দিশ প্ৰকাশ কৰিব নোৱাৰিলেও, আন্না আখমাতোভাই (১৮৮৯-১৯৬৬) দেশবাসীক ভবিষ্যৎ বাণী শুনাই কৈছে —

'আত্মা যে অমৰ
এই কথা মোক কৈ গল কোনোবাই'
—নেমুগছবোৰ—

তত্ত্বজ্ঞ কবি আন্নাই কৈছে যে ৰাজনৈতিক হেঁচাই 'ধাত্তাবাহী নাইটিংগেল' তথা আত্মাক বোবা কৰি ৰাখিব নোৱাৰে। জাতিৰ জীৱনৰ বেদনা সমূহ সুৰ আৰু নাদাৰ ধ্বনিৰে' আন্নাই প্ৰকাশ কৰিব। আন্নাৰ প্ৰাণত অন্যান্য শিল্পী সকলৰ কণ্ঠৰো' ধ্বনিত হৈছে। শিল্পীসকলে প্ৰতীকৰ মাজেৰে 'কণ্ঠৰোল' ধ্বনিত কৰি কৈছে "এতিয়া যে উঠাৰ সময়, উঠাৰ সময়।"

বস্তুবাদী দৰ্শনৰ মাজত শান্তি নাপাই আন্নাই কৈছে—

"শুনি ৰত্তঁ ইঞ্জিনৰ ঘৰ ঘৰ ধ্বনি
তাত যে নাপাওঁ কোনো চিন্তাৰ সমল।"

কিন্তু আত্মাৰ গভীৰ উপলব্ধিত যৌৱন বিচাৰি পাইছে।

কবি আন্নাই 'বজ্ৰাহত উটি আছে' কবিতাত মেক্সিম গৰ্কীৰ শতবাৰ্ষিকী উৎসৱৰ প্ৰতি লক্ষ্য কৰি কৈছে—

"বাৰ্ষিকী উছবে জ্বলায় স্মৃতিৰ পোৱাল
প্ৰথম দিনৰ তোমাৰ প্ৰেমৰ অভিসাৰ
তুমি বিচ্ছিন্ন কৰিছা সমস্ত ইন্দ্ৰজাল
পানীৰ সোঁতৰ দৰে বয় সময় প্ৰবাহ।'

আন্নাই কৈছে যে, গৰ্কীয়ে যি সন্মান পাইছে সেয়ে মাথোন প্ৰথম কমিউনিষ্ট শাসনক অভিনন্দন জনোৱাৰ পুৰস্কাৰ। গৰ্কীয়ে কলাৰ ইন্দ্ৰজাল অৰ্থাৎ আধ্যাত্মবাদী আৰু গণতান্ত্ৰিক চিন্তা ৰুছিয়াৰ কলা জগতৰ পৰা দূৰ কৰিবৰ চেষ্টা কৰি বাধা দি ৰাখিব নোৱাৰে।

'নিঃসঙ্গতা' কবিতাত কবি আন্নাই আত্মহত্যা কৰা কবিসকলৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে, আৰু পৰৱৰ্তী কালত ৰুছিয়াৰ

কলা জগতত চিন্তাৰ পৰিবৰ্তন ঘটা দেখি আনন্দ প্ৰকাশ কৰিছে। সেয়ে আম্নাই কৈছে—

মইতো নাজানো, কোনে সেই খিৰকিখনি
খুলি দিলে মোৰ কবৰ তুল্য কোঠাত।'

কবি আম্নাই ৰুছিয়াৰ কলা জগতত বন্ধ খিৰকিখন খোলাৰ কথা কৈ প্ৰকৃততে সাম্প্ৰতিক কালৰ ৰুছিয়াত বিশ্ব সাহিত্যৰ ভাবধাৰা প্ৰবাহিত হব দিয়াৰ কথা কৈছে। 'নিঃসঙ্গ' ৰুছিয়াই বিশ্বৰ সঙ্গ-বিচাৰিছে সেয়ে আম্নাৰ 'নিঃসঙ্গতা'। আম্নাৰ মনোভাব বুজাৰ বাবে 'কলা আৰু সমাজ' (১৯৬৮) নামৰ গ্ৰন্থখনৰ এন্ পনছাৰেঙ্কোৰ 'বৰ্তমান যুগত ক্লাছিক কলা' নামৰ প্ৰবন্ধটোৰ উল্লেখ প্ৰয়োজন। এই প্ৰবন্ধত কোৱা হৈছে যে, সমাজ-তান্ত্ৰিক বাস্তৱবাদী চিন্তাধাৰাই ক্লাছিক সমূহৰ সৌন্দৰ্য আৰু সমাজ জীৱনৰ আধ্যাত্মিক শক্তি জাগ্ৰত কৰিব পৰা আদৰ্শ সমূহ গ্ৰহণ কৰে ; মাত্ৰ ব্যৱসায়ী দৃষ্টি ভঙ্গীৰে ক্লাছিক সমূহ প্ৰাধান্যতাৰ স্তৰ'ল নিয়া কথা সহ্য নকৰে।'

ৰুছিয়াৰ কলা জগতত বিশেষকৈ কমিউনিষ্ট শাসনৰ আঠৈ কুৰি বছৰৰ অন্তত বিশ্বৰ কলা জগতৰ ক্লাছিক সমূহৰ আদৰ্শ গ্ৰহণৰ চেষ্টাক আম্নাই 'কবৰৰ তুল্য কোঠাত' খিৰিকি খুলি দিয়া বুলি কৈছে।

কবি আম্নাই ভাৰতীয় দৰ্শনৰ দৃষ্টিভঙ্গীৰে কৈছে যে ৰাষ্ট্ৰীয় স্বীকৃতি নাপালেও ব্যৰ্থতাৰ চকুলো টুকি কাব্য কলা ৰুগীয়া নকৰে। বৰং 'ৰুছিয়াৰ পবিত্ৰ মাটি' সৰ্ব্বাঙ্গত সানি লৈ অন্তৰৰ বেদনা ৰুছিয়াৰ কাব্য জগতত প্ৰবাহিত হব দিয়াত আনন্দ প্ৰকাশ কৰি কৈছে—

ঈশ্বৰক জনোৱা প্ৰাৰ্থনা, কাৰণ আজিয়ে প্ৰথম বুলি
পাইছো তোমাৰ প্ৰিয়াক অকলে নিৰ্জনত,'
—দিনান্তত—

আম্নাৰ 'চেণ্ট পীটাৰ্ছ বাৰ্গ' (১৯১৩) কবিতাত কমিউনিষ্ট বিপ্লৱৰ প্ৰভাৱে তথা 'কুৰি শতিকাৰ বাস্তৱৰ প্ৰখৰ খোজে' ৰুছিয়াৰ সাংস্কৃতিক জীৱন অন্ধকাৰ কৰা দৃশ্য আঁকিছে। কবি আম্নাই একুৰি চাৰি বছৰ বয়সত যি অন্ধকাৰত প্ৰবেশ কৰিছিল, মৃত্যুৰ আগে আগে ৰুছিয়াৰ লৌহ বেষ্টনীয়ে সৃষ্টি কৰা অন্ধকাৰ আঁতৰি যোৱা ধৰাত আনন্দ পাইছে।

বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ভাৰতীয় জাতীয় জীৱনৰ স্বাধীনতা লাভৰ বাবে চলা আন্দোলন ইংৰাজ চৰকাৰে কঠোৰ দমন কৰিলেও, ইংৰাজী সাহিত্যৰ সংস্পৰ্শই ভাৰতীয় জাতিৰ আত্মা মুক্ত কৰি দিলে। মুছলমানৰ শাসন কালত ভাৰতীয় জাতীয় জীৱনত 'কবৰ তুল্য কোঠাত' খিৰিকী খোলা বিশেষ প্ৰয়োজন নাছিল। কিয়নো, মুছলমান শাসন কালত বৈদিক সংস্কৃতিক প্ৰদেশিক ভাষাৰ মাজেদি জনসাধাৰণৰ মাজলৈ প্ৰবাহিত কৰাত যি জাগৰণে ভাৰতীয় জাতিক জগাই দিলে; সেই জাগৰণে, ইংৰাজ শাসন কালত পাশ্চাত্যৰ নতুন চিন্তা ধাৰাক ভাৰতীয় আদৰ্শৰ মাজেৰে গ্ৰহণ কৰা হেতুকে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া কাব্য সাহিত্যই যিদৰে অগ্ৰসৰ হল, তাৰ তুলনাত ৰুছিয়াৰ কাব্য সাহিত্য এক শতিকা পাচ'ল গৈছে। ৰুছিয়াৰ বিভিন্ন কবিয়ে এই কথা কবিতাৰ মাজেৰে ব্যক্ত কৰি যি আন্দোলন সৃষ্টি কৰিলে সেই আন্দোলনৰ ফল স্বৰূপে গকী ষ্টেলিনৰ মৃত্যুৰ পাচত উদাৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰা হৈছে।

অসমীয়া সাহিত্যৰ বেজবৰুৱাৰ যুগত বেজবৰুৱাই মানব জাতিলৈ প্ৰেম নিবেদন কৰি; যি হাস্যৰসৰ প্ৰবাহ সৃষ্টি কৰিলে ৰুছিয়াৰ বস্তুবাদী সভ্যতাই আৰু শাসনৰ কঠোৰতাই সমাজ জীৱনৰ পৰা হাস্য ৰস দূৰ কৰিলে। ৰুছ জীৱনৰ হাঁহি অন্তৰ্দ্ধান হোৱাত ইলিয়া ইহৰেণ বাগে (১৮৯১) 'সেইদিন আহিব' কবিতাত কৈছে—'বিদায় ভাগ্যশীল চুমা মাইথৰ হাঁহি মুগ্ধ মোহিনী।' কবি ইলিয়াই ৰুছ জাতিৰ জীৱনৰ পৰা হাঁহিক বিদায় দিলেও পুনঃ দৃঢ়চিত্তে কৈছে—

সেইদিন আহিব: সমস্ত বেদনা আমাৰ
কেতবোৰ তাৰিখ হব, বুৰঞ্জীৰ পাতৰ।"

বস্তুবাদী দৰ্শনৰ যোগেদি সৃষ্টি হোৱা ৰাজনৈতিক পৰিবৰ্ত্তন ৰুছিয়াৰ কলা জগতৰ তথা জাতীয় জীৱনৰ পৰা হাঁহি দূৰ কৰাৰ দৰে; স্বাধীনতাৰ পৰবৰ্ত্তী কালত অসমীয়া কাব্য সাহিত্য আৰু জাতীয় জীৱনৰ পৰা হাঁহি দূৰ হৈছে।

মন্ত্ৰবৰুৱাই কৈছে "কবি সদায় আন্তৰ্জাতিক দেশ আৰু কালৰ বন্ধনৰ পৰা মুক্ত।" এই কথা সত্য; যদিহে কবিয়ে আত্ম সাক্ষাৎকাৰ হৈ কবিতা ৰচে। নহলে, বৰুৱাই কোৱাৰ দৰে কবিয়ে 'এটা প্ৰাগৈতিহাসিক প্ৰাণী'ৰ ভৰালৈ গৈ 'ৰক্তিম কামনা'ত বুৰ যাবে।

ৰুছ দেশীয় কবিয়ে একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰিব'লৈ সংকল্প লোৱা বাবে কবিসকলে কঠোৰ বাস্তৱতাৰ মাজতো জাতিক সাহসী বাণী শুনাইছে।

মল্লবৰুৱাই কোৱা 'কুৰি শতিকাৰ ছোভিয়েত কবিতা 'কুৰি শতিকাৰ ৰুছ জীৱন ধাৰাৰ দাপোণ', এই কথা সত্য। মল্ল বৰুৱাই আকৌ কৈছে "সাম্প্ৰতিক কাব্য মালাতো পুৰণি ৰুছ কবিতাৰ দৰেই প্ৰকৃতিৰ পদক্ষেপ আছে, তথাপিও কোনোকালেই ৰুছ কবিসকলে ৱৰ্ডছৱাৰ্থ বা শ্বেলীৰ দৰে দাৰ্শনিক ভাৱতত্ত্ব সৃষ্টি কৰিবলৈ লোৱা নাই।

মল্লবৰুৱাই অনুবাদ কৰা কবিতা সমূহৰ মাজেদি ৰুছ কবি সকলে সমূহীয়া ভাবে প্ৰতীকৰ মাজেদি ৰুছিয়াৰ জাতীয় জীৱনৰ যিখন চিত্ৰ আঁকিছে, তাতেই ৰুছ কবিসকলে প্ৰকৃতিক কেন্দ্ৰ কৰি পাশ্চাত্য সাহিত্যৰ কবি সকলৰ দৰে জীৱন দৰ্শন সৃষ্টি নকৰাৰ কাৰণ লুকাই আছে।

কবি শিল্পীয়ে প্ৰকৃতিক প্ৰাণভৰি ভাল পালেহে আৰু এই প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত পৰম সত্তা লুকাই থকা বুলি বিশ্বাস কৰিলেহে প্ৰকৃতিক লৈ দাৰ্শনিক ভাব সৃষ্টি কৰিব পাৰে। ৰুছ কবিসকলে এই আদৰ্শৰ দ্বাৰা আকৃষ্ট নোহোৱা নহয়। কিন্তু ৰাষ্ট্ৰীয় জীৱনত প্ৰতিক্ৰিয়াশীল অন্ধকাৰক জাতীয় জীৱনৰ আদৰ্শ বুলি গ্ৰহণ কৰিলে কলাকাৰে প্ৰকৃতিৰ মাজত শান্তি নাপায়।

তদুপৰি, গৰ্কী আৰু টলষ্টয়ৰ আলোচনাৰ মাজেদি গৰ্কীৰ চিন্তা ধাৰাৰ যি ৰূপ প্ৰকাশ পাইছে, তাত প্ৰকৃতি আৰু ঈশ্বৰক লৈ ভাবতত্ত্ব সৃষ্টি কৰাৰ আদৰ্শ নাই। গৰ্কীয়ে কলাৰ জগত নিয়ন্ত্ৰণ কৰি কলাকাৰ সকলক অধ্যাত্মবাদী চিন্তা সৃষ্টিত বাধা দিছে। সেয়ে, মল্লবৰুৱাই অনুবাদ কৰা কবিতা সমূহত উপভোগ্য প্ৰাকৃতিক দৃশ্য নাই।

উদাহৰণ স্বৰূপে নিকোলাই গুমিলেভে (১৮৮৬—১৯২১) 'প্ৰকৃতি' কবিতাত প্ৰকৃতিৰ কঠোৰ ৰূপ আৰু মানৱৰ ৰাজনীতিয়ে সৃষ্টি কৰা নিৰ্যাতনৰ কথা সুঁৱৰি কৈছে— 'তাতেই প্ৰকৃতি আমাৰ-আত্মিক নিৰ্যাতনৰ' কবিয়ে যেতিয়া মানবে সৃষ্টি কৰা কঠোৰ নিৰ্যাতনৰ কথা সুঁৱৰি প্ৰকৃতিলৈ দৃষ্টি পাত কৰে তেতিয়া দৰ্শন সৃষ্টি নহয়।

বৰিছ পাষ্টেৰনাকে (১৮৯০-১৯৬০) 'বসন্ত' কবিতাত প্ৰকৃতিৰ দৃশ্য উপভোগ কৰা নাই; মাত্ৰ 'শীতৰ নিশা' ৰ অন্তত অৰ্থাৎ শিল্পীৰ স্বাধীনতা হৰণৰ কাল শেষ হোৱাত 'বসন্ত' কালক অৰ্থাৎ ৰুছ জাতিৰ কলা তথা ৰাজনৈতিক জীৱনত পৰিবৰ্তন অহাৰ কথাক আদৰণি জনাইছে।

বুলাৎ অকুজাভাই (১৯২৪) কিন্তু শিল্পীৰ স্বাধীনতাক অপব্যৱহাৰ নকৰিবলৈ কৈছে। 'মুক্ত দুৱাৰৰ গীত' কবিতাত এই গৰাকী কবিয়ে ৰুছ কবিসকলক কৈছে যাতে বাস্তৱ আৰু কল্পনাৰ সমন্বয়ত ৰুছ জাতিৰ জীৱন জাগ্ৰত হয়; আৰু যেন শিল্পী সকলৰ 'প্ৰাণভৰা একাগ্ৰতা' থাকে।

সেইদৰে, নিকোলাই তিখোনভে (১৮৯৬) 'স্ৰোতস্বিনী' কবিতাত ৰুছিয়াৰ কোনো নদীৰ দৃশ্য অঁকা নাই; কেৱল সনাতন কাব্য-ধাৰাৰ নিৰবচ্ছিন্ন গতিৰ কথা উল্লেখ কৰি কৈছে যে কঠোৰ শাসনে ৰুছ জনসাধাৰণৰ হৃদয়ত প্ৰবাহিত প্ৰাণৰ মুক্তি স্পৃহা ৰুদ্ধ কৰিব পৰা নাই। বৰং সুদীৰ্ঘ কালৰ বৰফৰ মাজেদি ৰুছ কবি সকলৰ আত্মাই গতি কৰি জনসাধাৰণক স্পৰ্শ কৰিছে। কমিউনিষ্ট শাসনে কাব্য প্ৰতীক ধৰ্মী হবলৈ বাধ্য কৰাৰ ফলস্বৰূপে কবিতাই জনসাধাৰণৰ সংস্পৰ্শ হেৰুৱাই পেলালে। মাত্ৰ মুষ্টিমেয় একশ্ৰেণীৰ লোকৰ ভিতৰত কবিতাৰ অনুশীলন হল।

ৰুছ কবিতাৰ ধাৰা আলোচনা কৰা প্ৰসঙ্গত খৃষ্টোফাৰ কড-বেলৰ 'মায়া আৰু বাস্তৱ' (১৯৩৭) নামৰ গ্ৰন্থখনৰ উদ্ধৃতি প্ৰয়োজন। কডৱেল এ বুৰ্জোৱা আৰু সৰ্বহাৰাৰ কাব্যৰ তুলনামূলক আলোচনা কৰি কৈছে--"এইদৰে কবিয়ে অভিজ্ঞতাৰ দ্বাৰা বাধ্য হৈ সৰ্বজনৰ বোধৰ পৰা আঁতৰি আহি বিশেষ কাব্য ৰীতিৰ প্ৰয়োগত মনোনিবেশ কৰা হেতুকে কাব্যই সমাজ জীৱনৰ সেৱা কৰাৰ পৰিবৰ্তে এটা বিশেষ উদ্দেশ্য লৈ বিলাসী জনৰ সামগ্ৰী হৈ পৰে।' (৯)

কডৱেলে বুৰ্জোৱা দেশৰ কাব্য সাহিত্যৰ বিষয়ে যি মন্তব্য দিছিল; কুৰি শতিকাৰ ৰুছ দেশৰ কবিতাই নিয়মৰ মাজত শৃঙ্খলিত হৈ বুৰ্জোৱা সাহিত্যৰ ৰূপ লৈছে। ইয়াৰ মূলতে কবি সকলৰ বিলাসী স্বভাৱ নহয়, বৰং বিপ্লৱী স্পৃহাহে।

(৯) Christopher Caudwell Illusion and Reality, 1966 page 310

কিন্তু সাম্প্ৰতিক কালৰ নতুন অসমীয়া কবিতাই বিলাসী বুৰ্জোৱা সাহিত্যৰ প্ৰধান প্ৰেৰণাৰ স্বৰ্গী নাৰীক কেন্দ্ৰ কৰি লোৱা বাবে আৰু কবিসকলৰ অধিক সংখ্যকৰে হৃদয়ত ইন্দ্ৰিয় কাতৰতাই বিষাদ সৃষ্টি কৰা বাবে কবিতাই সৰ্বজনৰ পৰা আঁতৰি গৈ বিলাসী জনৰ সামগ্ৰী হৈ পৰিল।

একনায়কত্ববাদী শাসনৰ কঠোৰতা প্ৰতীকবাদৰ মাজেৰে কাব্যৰ সনাতন ভাব প্ৰবাহিত হৈ থাকিল; কিন্তু ভাৰতৰ গণতান্ত্ৰিক স্বাধীনতাই নতুন কবি সকলক অবাধ স্বাধীনতা দিয়াৰ কাৰণে কাব্যই সনাতন ৰীতি হেৰুৱাই পেলালে। ৰুছিয়াৰ সাহিত্যত কাব্যই সৰ্বজনৰ সমাদৰ লাভ নকৰিলেও ব্যৰ্থতা প্ৰকাশ কৰা নাই; কিন্তু অসমীয়া নতুন কবি সকলৰ বিষাদহে শুনা যায়।

ভাৰতীয় জীৱনত ৰামায়ণ আৰু মহাভাৰতৰ যুগৰ পৰা অৰণ্যক কেন্দ্ৰ কৰি চিন্তাধাৰা গঢ় লৈছে।

সেয়ে ভাৰতীয় সাহিত্যত প্ৰকৃতিয়ে যি বিশাল আৰু গভীৰ ৰূপে ৰামায়ণৰ 'অৰণ্য কাণ্ড' আৰু মহাভাৰতৰ 'বনপৰ্ব'ত প্ৰকাশ পালে, সেই বিশ্ব প্ৰকৃতিয়ে সাম্প্ৰতিক কালৰ সাহিত্যতো প্ৰেৰণা সৃষ্টি কৰিছে। কিন্তু ৰুছিয়াত তেনে কোনো মহাকাব্য নাই।

ভাৰতীয় জাতীয় জীৱনৰ ক্ৰমবিকাশ আৰু ৰুছিয়াৰ জাতীয় জীৱনৰ ক্ৰমবিকাশ বিচাৰ কৰি; কুৰি শতিকাৰ চোভিয়েট কবিতা আৰু কুৰি শতিকাৰ অসমীয়া কবিতা কাব্যৰ প্ৰভেদ বিচাৰ কৰিলে দেখা যায় যে, মহাকাব্য যুগৰ পৰা মুক্ত চিন্তাৰ মাজেদি ভাৰতীয় জীৱন গঢ় লৈছে। ভাৰতত বৈদিক যুগত সাহিত্য আৰু দৰ্শনৰ মাজেদি যি গভীৰতা সৃষ্টি হল, সেই গভীৰতা সাম্প্ৰতিক কালৰ নবীন ভাৰতীয় সাহিত্যত হ্ৰাস হলেও; সংস্কৃত সাহিত্যত গভীৰতা আছে। কিন্তু ৰুছিয়াত এই পৰিবেশ নাই।

সেয়ে, গিঅগ শবানিক'ভৰ (১৮৯৯) 'বসন্ত' কবিতাত শিপিনীৰ জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা কবিতাটোত অসমীয়া বিহুগীতৰ উলহ মালহ প্ৰকাশ পোৱা দেখা নাযায়। এই গৰাকী মহিলা কবিয়ে বসন্ত কালৰ শোভা দৰ্শন কৰি, ব্যৱহাৰিক জীৱনৰ লগত কল্পনা আৰু সৌন্দৰ্য সংযোগ কৰিব পৰা নাই। তদুপৰি, এই গৰাকী মহিলাই কৈছে—

"দোকানৰ ভাগকৰা কণ্ঠত যান্ত্ৰিক স্পন্দন।

❖ ❖ ❖

মন্নো এক শিপিনী বৃই বৃই লাগিছে ভাগৰ।"

কমিউনৰ জীৱনে নাৰী হৃদয় যন্ত্ৰত পৰিণত কৰা বাবে শিল্পীৰ হৃদয়ত সৃষ্টি প্ৰতিভাই পূৰ্ণ ৰূপ পোৱা নাই।

মহিলা কবি ফুলিনা দ্ৰুনিনাই (১৯২৫) খেতি পথাৰত 'ৰাই' শস্যৰ মাজত কৈছেঃ—

"এয়াতো নহয় সেই উৰ্বৰ কুটিৰঃ

যৌৱনো যে আমাৰ তাতে ভস্মীভূত।"

যুদ্ধৰ পৰিবেশত খেতি পথাৰত 'পথাৰত' নামৰ কবিতা ৰচনা কৰি এই গৰাকী মহিলা কবিয়ে গণতান্ত্ৰিক যুগৰ 'উৰ্বৰ কুটীৰ' আৰু যৌৱনৰ মাধুৰ্য স্মৰণ কৰি দুঃখ কৰিছে।

ভলডিমিৰ লুগোভস্কোই (১৯০১ ৫৭) 'নক্ষত্ৰ' কবিতাত আৰু নিকোলাই গুমিলেভে (১৮৮৬-১৯২১) 'বৃক্ষৰাজি' কবিতাত পৃথিবীৰ বুকুত বৃক্ষৰাজিৰ মাজত বিচৰণ কৰি নক্ষত্ৰলৈ দৃষ্টিপাত কৰি কৈছে—

'জীৱনৰ মহত্বৰ অমূল্য লভ্যৰ বৃক্ষৰাজিহে অনন্য প্ৰতিভূ

❖ ❖ ❖

তাৰকা পুঞ্জৰ অন্যতম সহোদৰা এই পৃথিবীত আমি।'

❖ ❖ ❖

যিখন দেশত মই আছিলোঁ, যিয়ে মুক্ত আৰু স্বাধীন।"

নিকোলাইৰ কবিতাত পৃথিবীৰ পৰা নক্ষত্ৰ ৰাজ্যলৈ গতি কৰাৰ কল্পনা আছে; কিন্তু ভলডিমিৰৰ কবিতাত পৃথিবীতে থাকি নক্ষত্ৰৰ 'বৌদ্ধিক প্ৰহৰী' হৈপৃথিবীত নক্ষত্ৰৰ ৰহস্য প্ৰকাশ কৰাৰ ইচ্ছা আছে।

মন্নবৰুৱাই অনুবাদ কৰা কবিতা সমূহৰ মাজেদি ৰুছিয়াৰ কৃষক, বনুৱাৰ জীৱনৰ নাইবা ৰুছ জাতিৰ লোক জীৱনৰ সাংস্কৃতিক ৰূপ প্ৰকাশ পোৱা নাই। কিন্তু অসমীয়া কাব্য সাহিত্যত বেজবৰুৱাৰ যুগৰ কাব্যত লোক জীৱনৰ মাজেদি সমাজতান্ত্ৰিক বাস্তৱবাদ প্ৰকাশ পাইছে। বুৰ্জোৱা কবিয়ে ব্যক্তিগত সম্পত্তিৰ মালিক হৈ সমাজতান্ত্ৰিক বাস্তৱ জীৱনৰ দৃশ্য আঁকিলে; কিন্তু ব্যক্তিগত সম্পত্তিহীন আৰু গণতান্ত্ৰিক স্বাধীনতা লাভ নকৰা কবিয়ে ৰুছিয়াৰ জন জীৱনৰ মাজত প্ৰবেশ কৰা নাই।

শিল্পীয়ে আবেগৰ মাজেদিহে বিশ্বৰ লগত ভাবৰ সংযোগ সাধন কৰে। শিল্পীৰ প্ৰজ্ঞাশক্তিৰ মাজেদি উদয় হোৱা জীৱন বোধত যি শৃংখলা থাকে ৰাজনীতিৰ নিৰ্দেশত সেই আবেগ আৰু জীৱন-বোধ লুপ্ত হৈ যায়। ভাৰতৰ স্বাধীনতাৰ যুঁজ সাৰ্থক কৰিবৰ বাবে অসমৰ কবিসকলে জন জীৱনৰ সমল সমূহ উদ্ধাৰ কৰিছে। কিন্তু, ৰুছিয়াত পোনতে বুৰ্জোৱাৰ শাসনৰ কালৰ কোনো সমল কলাৰ মাজলৈ ননা বাবে, ব্যক্তিগত সম্পত্তিৰ অধিকাৰ হেৰুৱা কবিসকলে জন সাধাৰণক জগাবৰ বাবে প্ৰেৰণা নাপালে।

জৰ্জ থমছনে 'মাৰ্ক্সবাদ আৰু কাব্য' (১৯৫৩) নামৰ গ্ৰন্থখনত কৈছে—'ছোভিয়েট ৰুছিয়াত দুটা ঘটনা ঘটিছে। প্ৰথমটো হৈছে—জনসাধাৰণে ইউৰোপৰ বুৰ্জোৱা সংস্কৃতিৰ ক্লাছিক সমূহ অৰ্থাৎ কাব্য, নাটক আৰু উপন্যাস সমূহৰ সাৰভাগ নিজৰ সংস্কৃতিৰ সাঁচত মাৰি গ্ৰহণ কৰিছে। লগতে নিজৰ সংস্কৃতিও উদ্ধাৰ কৰিছে।" (১০)

থমছনৰ উক্তিয়েও প্ৰমাণ কৰে যে গৰ্কী আৰু ষ্টেলিনৰ মৃত্যুৰ পাচত হে পাশ্চাত্যৰ বুৰ্জোৱা সংস্কৃতিৰ আৰু ৰুছিয়াৰ বুৰ্জোৱা শাসন কালৰ সংস্কৃতি উদ্ধাৰ কৰি জাতীয় জীৱন তথা কলা গতিশীল কৰাৰ চেষ্টা চলে। ইয়াকে চীনৰ কমিউনিষ্ট শাসনে সংশোধন বাদী অৰ্থাৎ পুঁজিবাদৰ পুনৰাগমন বুলি অভিহিত কৰিছে।

ভাৰতৰ বিদেশী শাসনৰ কালতে পাশ্চাত্যৰ বুৰ্জোৱা সংস্কৃতিৰ সমল সমূহ অসমৰ সংস্কৃতিৰ লগত সমন্বয় সাধন কৰি অসমৰ জাতীয় জীৱন শক্তিশালী কৰাৰ প্ৰচেষ্টা চলে। কিন্তু ৰুছিয়াত কমিউনিষ্টৰ শাসন প্ৰতিষ্ঠা হোৱাৰ পূৰ্বৰ সমল সমূহ বুৰ্জোৱাৰ সৃষ্টি বুলি গ্ৰহণ নকৰিলে। ৰুছিয়াৰ কাব্যকলা আৰু যুৱক কমিউনিষ্ট সকলক উদ্দেশ্য কৰি মহামতি লেনিনে কোৱা কথাখিনি উল্লেখযোগ্য। লেনিনে কৈছে—

"আমি খৰখেদাকৈ সকলো কথা সামৰি লোৱাৰ প্ৰয়োজন নাই; আমি বৰং প্ৰত্যেকজন ছাত্ৰৰ মন মৌলিক সত্যসমূহৰ জ্ঞানৰ দ্বাৰা সুস্থ কৰা উচিত। তোমালোকে সকলো কথাকে হজম কৰি গ্ৰহণ কৰা উচিত; আৰু সকলো কথা সমালোচনাৰ দৃষ্টিৰে চোৱা উচিত।" (১১)

(১০) George Thomson Marxism and poety Indian Editor, 193, page 75 77

(১১) Lenin , on Culture and Cultural Revolution page— 134

লেনিনে সমন্বয়াত্মক আৰু সমালোচনাত্মক দৃষ্টিভঙ্গীৰ কথা কলেও ; সুদীৰ্ঘ কাল ৰুছিয়াৰ ৰাজনীতি আৰু কলা জগতত বুৰ্জোৱা সংস্কৃতিৰ মূল্যবান কথাবোৰ গ্ৰহণ কৰাৰ চেষ্টা কৰা নাই। সেয়ে, ৰুছিয়াৰ কাব্য সাহিত্যত অতীত জীৱনৰ সংযোগ নাই ।

ৰাজনীতিৰ কঠোৰতাই আৰু ব্যক্তিগত সম্পত্তিৰ হৰণে ; কমিউনিষ্ট কৰ্মীসকলৰ স্বেচ্ছাচাৰী ব্যৱহাৰে শিল্পীসকলৰ কবি মানসত তিক্ততা সৃষ্টি কৰা বাবে কুলক আৰু জমিদাৰ শ্ৰেণীৰ কবি সকলে অন্তৰৰ পৰা কমিউনৰ জীৱন গ্ৰহণ কৰা নাই। সেই কাৰণে, ৰুছ জনগণৰ জীৱনৰ বিভিন্ন দিশ কাব্যত প্ৰকাশ পোৱা নাই।

ৰুছিয়াৰ সাহিত্য জগতত 'টলষ্টয় আৰু গৰ্কীৰ' তুলনামূলক আলোচনা কৰি 'মেক্সিম গৰ্কী' নামৰ প্ৰবন্ধত (১৯৩২) এনাটোলি লুনাচাৰ্স্কীয়ে কৈছে যে প্ৰকৃতি সম্বন্ধে টলষ্টয়ৰ দুটা মত। "টলষ্টয়ে ব্যক্তি হিচাবে প্ৰকৃতিক ভাল পায় যদিও ; আদৰ্শ হিচাবে নাইবা লেখক হিচাবে প্ৰকৃতিক ভাল নাপায়। টলষ্টয় প্ৰকৃতিৰ প্ৰতি কেৱল উদাসীনেই নহয়, বৰং ঘৃণাহে কৰে।" (১২)

টলষ্টয় গৰ্কীৰ জীৱনৰ মাজেৰে যিবিলাক বিসঙ্গতি দেখা যায় ; সেই বিসঙ্গতি সমূহ ৰুছিয়াই 'সংশোধনবাদী' চিন্তা গ্ৰহণ নকৰাকৈ একপদে প্ৰবাহিত হৈ আছে। ইয়াৰ ফলতো ৰুছিয়াৰ কবিতাই ৰুছ জাতিৰ জীৱনৰ গভীৰতা প্ৰকাশ কৰা নাই। ভাৰতীয় জীৱন দৰ্শনত এই দ্বন্দ্ব নাছিল কাৰণে, পাশ্চাত্যৰ সংস্পৰ্শই স্বাধীনতাৰ পূৰ্বকালত জাতীয় জীৱন ৰুগ্ন কৰা নাছিল ।

মল্লবৰুৱাই অনুবাদ কৰা কবিতা সমূহত ৰুছিয়াৰ জন জীৱনৰ মাত্ৰ এটা দিশ প্ৰকাশ পোৱা বুলি কোনো কোনো লোকে ভাবে। কুৰি শতিকাৰ দুকুৰি বাৰজন কবিৰ এশ দহটা কবিতাৰ মাজেদি ৰুছিয়াৰ জীৱনৰ ৰূপ প্ৰকাশ নোপোৱা বুলি ভাবিলে ; ডক্টৰ মহেশ্বৰ নেওগে সংকলন কৰা 'সঞ্চয়ন' নামৰ কাব্যগ্ৰন্থ খনৰ আধুনিক যুগৰ ভোলানাথ দাসৰ পৰা হোমেন বৰগোহাঁঞিলৈ তিনিকুৰি তিনিজন কবিৰ এশ আঠোটা কবিতাই অসমীয়া জাতীয় জীৱনৰ ৰূপ প্ৰকাশ নকৰে বুলি কব লাগিব ।

মল্লবৰুৱাৰ গ্ৰন্থখনত কবি সকলৰ জন্মকাল (১৮৬৮—১৯৩৭) ; ডক্টৰ নেওগে সংকলন কৰা 'সঞ্চয়ন' গ্ৰন্থখনৰ আধুনিক যুগৰ কবি সকলৰ জন্মকাল (১৮৫৮-১৯৩১) বিচাৰ কৰিলে কুৰি শতিকাৰ

(12) Anatoly Lunacharsky, on Literature and Art page 221

ছোভিয়েট কবিতা আৰু কুৰি শতিকাৰ অসমীয়া কবিতাই দুটা জাতিৰ প্ৰতিনিধিত্ব কৰা দেখা যায়। সেয়ে, ৰুছিয়াৰ কবিতাসমূহ ৰুছ জাতিৰ প্ৰতিনিধিত্ব নকৰে বুলি কোৱা শুদ্ধ নহয়।

মন্ত্ৰ বৰুৱাই অনুবাদ কৰা কবিতাসমূহত কুৰি শতিকাত ৰুছিয়াই সন্মুখীন হোৱা যুদ্ধ আৰু দেশ প্ৰেমমূলক কেইটামান কবিতা আছে। কিন্তু কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত ভাৰতীয় তথা অসমীয়া কবিসকলে জাতিৰ জীৱনত কোনো ভয়াবহ যুদ্ধৰ পৰিবেশৰ অভিজ্ঞতা লাভ নকৰাকৈয়ে, 'হৰণ পৰিণয়' আৰু বধকাব্যসমূহৰ যুদ্ধৰ দশাৰ মাজেদি গতি কৰি আৰু আহোম যুগৰ যুদ্ধৰ বৰ্ণনাৰ দ্বাৰা প্ৰাক স্বাধীনতাৰ যুগত নিজৰ জাতীয় জীৱনক উৎসাহ যোগাইছে তাৰ তুলনাত ৰুছিয়াৰ যুদ্ধৰ কবিতা শক্তিহীন।

ৰুছিয়াই জাৰৰ দিনৰ ইতিহাস তথা ৰাজতন্ত্ৰৰ দিনৰ সকলো কথা বাদ দি অতীতৰ লগত বিচ্ছিন্ন হৈ কেৱল কমিউনিষ্ট শাসনৰ কালছোৱাৰ অভিজ্ঞতাক কলাৰ মাজলৈ আনিলে হয়; কিন্তু অতীতক হেৰুৱাই ছিন্নমূল হ'ল। ব্যক্তি সমাজ আৰু ৰাষ্ট্ৰৰ জীৱনৰ প্ৰতিভি নিভৰ কৰে অতীত বৰ্ত্তমান আৰু ভৱিষ্যতৰ সমন্বয়ত। কলাকাৰে বিশ্বৰ চিন্তাধাৰাক নিজৰ দেশৰ ঐতিহ্যৰ মাজেদি অতীত বৰ্ত্তমানক ৰূপায়ণ কৰিহে ভৱিষ্যতৰ পথ মুকলি কৰে।

সেয়ে অসমীয়া সাহিত্যৰ বেজবৰুৱাৰ যুগতো আৰু বৈষ্ণৱ যুগতো কলাকাৰসকলে অতীতলৈ গতি কৰিছে। ৰুছিয়াৰ কলাকাৰসকলে নিজৰ দেশৰ ইতিহাস অধ্যয়ন কৰি আৰু বিশ্ব সাহিত্যৰ চিন্তাধাৰাৰ লগত নিজক মিলাব'ল সুযোগ নোপোৱা বাবে সংশোধনৰ পূৰ যুগত কাব্য কলাই শক্তিশালী হৈ বিশ্বমানৱৰ ভাব প্ৰকাশ কৰিব পৰা নাই।

অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক যুগত কবিসকলে ভাৰত, অসম আৰু বিশ্বৰ ভাবধাৰাৰে মানসিক পৰিপুষ্টি সাধন কৰি লৈ সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে যুঁজ কৰি, জাতীয় জীৱনৰ স্তৰ যিমান উদ্ধলৈ নিব পাৰিলে, ৰুছিয়াৰ সাম্প্ৰতিক কালৰ বিজ্ঞানৰ প্ৰগতি আৰু শিল্প-বাণিজ্যৰ সম্প্ৰসাৰণে কাব্যকলা তথা দাশনিক চিন্তা তাৰ আধালৈও নিয়া নাই।

কুৰি শতিকাৰ ৰুছিয়াৰ কবিতাই প্ৰতীকৰ মাজেদি গতি কৰা বাবে, আৰু কবিতা বিশেষ একশ্ৰেণীৰ লোকৰ মাজত সীমাবদ্ধ হৈ পৰাত; কবিসকলে কাব্যৰ মাধুৰ্য্যৰ দ্বাৰা ৰুছভাষা শক্তিশালী

কৰা চেষ্টা এৰি দিয়ে। ইয়াকে লক্ষ্য কৰি কবিতাৰ মাজেদি সমালোচনাৰ সৃষ্টি হয়।

নিকোলাই জাবো লোৎস্কিয়ে (১৯০৩-৫৮) 'কাব্য পাঠ' নামৰ কবিতাত ৰুছ কবিসকলক সমালোচনা কৰি কৈছে—

"আমাৰ এই সুমিষ্ট মহান ৰুছ ভাষা জানো
অৰ্থহীন বিহঙ্গৰ কল কল ৰাৱ ?
চিন্তাৰ পাৰ ভাঙি আহে পৰিধান যোগ্য কোনো
অৰ্থহীন শব্দৰ বোবা কাওঁ বাওঁ।"

❈ ❈ ❈

ৰুছ ভাষাৰ মাধুৰ্যৰ অমৃত স্ফুৰণ হৃদয়ৰ প্ৰেৰণা
প্ৰজ্ঞা আৰু সত্যৰ সন্ধানত বশ।"

কবি নিকোলাই সাম্প্ৰতিক কালৰ ৰুছ কবিতাৰ বিষয়ে যি উক্তি কৰিছে, সেই উক্তি স্বাধীনতাৰ পৰৱৰ্ত্তী নতুন অসমীয়া কবিৰ ক্ষেত্ৰতো প্ৰযোজ্য।

কবি জাবোলোৎস্কিৰ 'কাব্য পাঠ' কবিতাৰ প্ৰত্যুত্তৰ আছে নিকোলাই ৰাইলেন ক'ভৰ (১৯০৯) 'কবিতা' নামৰ কবিতাত। ৰাইলেন কোভে দুঃখ কৰি ৰুছ কবিসকলৰ বেদনা প্ৰকাশ কৰি কবিসকলৰ আৰু কবিতাৰ প্ৰাণ শক্তি হ্ৰাস হোৱাৰ কাৰণ দিছে।

নিকোলাই ৰাইলেন ক'ভে চৰকাৰৰ কঠোৰ শাসনৰ প্ৰতি লক্ষ্য কৰি কৈছে—

'আমাৰ কান্ধত নিয়তিৰ হাত অতি গাঢ়তৰ
ক্ষমাহীন দণ্ডিত ভস্মাগ্নিত আমি কোপানলত

❈ ❈ ❈

আমি যে বিক্ষত ৰুক্ষ, এইবাবে খং যাতে নুঠে তোমাৰ

❈ ❈ ❈

প্ৰাণেৰে প্ৰেমসিক্ত হলে উপচিব মনৰ পাৰ।'

—কবিতা—

ৰুছ কবিসকলৰ হৃদয়ৰ বেদনা আৰু কাব্যৰ প্ৰতি সঁহাৰি জনাই ভাছিলি ফীঅডৰোভে (১৯১৮) ৰুছিয়াৰ ৰাজনীতিৰ পৰিবৰ্ত্তন সুঁৱৰি বুৰ্জোৱাসকলৰ কৃতকৰ্মৰ বাবে এই অৱস্থা সৃষ্টি হোৱা বাবে কৈছে—

"দুযশ দিনৰ বেথা, নে
বংশ পৰম্পৰাৰ দোষ,
যাৰ অস্তিত্ব মোৰ কান্ধৰ ওপৰত ?"

কবি ভাছিলিয়ে কবি-শিল্পীসকলক ৰাজতন্ত্ৰৰ দিনৰ দোষৰ বাবে দণ্ড ভুগিব লগা হোৱা বুলি কৈছে। কিন্তু সেই বুলি সাম্প্ৰতিক কালৰ কবিসকলে কবিতা দুৰ্বোধ্য কৰা উচিত নহয়। ভাছিলিয়ে কৈছে—

"মই বুজোঁ তোমালোকৰ এইবোৰ সমস্যা
তথাপিও এনেদৰে সজোৱা উচিত
যাতে তাৰ অৰ্থ সকলোৰে বোধগম্য।"
—নিজৰ কবিতাৰ প্ৰতি—

ভাছিলি ফিওডৰোভে সহজ ভাষাৰ মাজেদি সৰ্বজনৰ হৃদয় স্পৰ্শ কৰাকৈ কাব্য ৰচনা কৰি বিপ্লৱ সৃষ্টি কৰিবলৈ আহ্বান জনাইছে। ভাছিলিয়ে কৈছে যে, বিশাল পৃথিবী' 'বিপুল উদাৰ।' সেয়ে, কছ কবিৰ হৃদয়ৰ বাণীয়ে পৃথিবীৰ মানুহৰ অন্তৰ স্পৰ্শ কৰিব। নিজৰ দেশতে' ইয়াৰ প্ৰতিক্ৰিয়া হব। ভাছিলিয়ে কৈছে—

'আগুৱাই যোৱা, আৰু সাহস লৈ
মানুহৰ মাজত কৰাহি আঘাত
আৰু উদাসীন সময়ত
দ্বিতীয় মনৰ দুৱাৰত পেলোৱা দৃষ্টি।'

কোনো দেশৰে কোনো কবি শিল্পীয়ে কঠোৰ শাসনৰ ওচৰত আত্ম সমৰ্পণ কৰি শিল্পসাধনা কৰিব নোৱাৰে। শিল্পীৰ সাধনা ব্যৰ্থ নহয়।

কবি ইয়েভগেনি ইয়েভ টুছেংকোৱে (১৯৩৩) 'এটি কবিতা' নামৰ কবিতাত কাব্য সুন্দৰীৰ মুক্তিৰ বাবে কঠোৰ শ্ৰম কৰিবলৈ কবি শিল্পীসকলক আহ্বান জনাইছে। একনায়কত্ববাদী শাসনৰ কঠোৰতাৰ পৰা জাতীয় জীৱন তথা কলাক মুক্ত কৰি কছ জাতিক উদ্ধাৰ কৰিব লাগিলে যৌথ পামৰ খেতি পথাৰত বিপ্লৱ সৃষ্টি কৰিব লাগিব। এই গৰাকী কবিয়ে কৈছে যে কবিসকলৰ যুটীয়া প্ৰচেষ্টাই কৃষকৰ মাজত পুনঃ বিপ্লৱ সৃষ্টি কৰিব।

মিখাইল দুডিনে (১৯১৬) 'আমি দুয়ো মিলি' কবিতাত মৃত বন্ধুৰ

সুঁৱৰি; সমসাময়িক জীৱনৰ 'দৃশ্য আৰু শব্দৰ অৰ্থহীনতাত' আক্ষেপ কৰি কৈছে---

"আনন্দ ঐশ্বৰ্য্যশালী পৃথিৱীতো নাই য জীৱন

❖ ❖ ❖

ৰাতিৰ দুৱাৰ বাহিৰে যে সকলোতে মাথোঁ নিষ্পেষণ ।"

চেটলিনে যদি বাক স্বাধীনতা আৰু সংবাদ পত্ৰৰ স্বাধীনতা দিছে তেন্তে কাব্যশিল্পীসকলৰ এই মনোবেদনা কিয় ? মানুহে বিবেক বিসৰ্জন দি তামসিক ঐশ্বৰ্য্যৰ মাজত শিল্পৰ প্ৰেৰণা বিচাৰি নাপায় ।

কবি বৰিছ পাষ্টেৰ নাকে (১৮৯০-১৯৬০) শোৱনী কোঠাত থাকি অসীমৰ মাজত বিচৰণ কৰি পাশ্চাত্যৰ ৰাজনৈতিক চিন্তা আৰু ধৰ্ম-সংস্কৃতিৰ মাজত শান্তি নাপালে; কিন্তু ভাৰতৰ গণতান্ত্ৰিক শাসন ব্যৱস্থা আৰু হিন্দু সংস্কৃতিৰ প্ৰাণ স্বৰূপে গঙ্গা নদীৰ সলিল ধাৰাত নতুন প্ৰভাত উদয় হোৱা বুলি তৰাণীৰ অতত্ৰ' গতি ব বিতাত পাষ্টেৰ নাকে কৈছে —

'ধৰ্মদূতৰ প্ৰথম মৰ্মবাণী শুকায়

আৰু গঙ্গাৰ বুকুত সাৰ পাই উঠে নতুন প্ৰভাত ।'

কবি পাষ্টেৰ নাকৰ বিশ্ব ইতিহাসৰ সম্যক পৰিচয় আছে ।

কবি শিল্পীৰ প্ৰধান কৰ্তব্য দেশৰ জনসাধাৰণক সেৱা কৰাহে, চৰকাৰক তোষামোদ কৰি কোনো কলাকাৰে কলাৰ সাধনা কৰিব নোৱাৰে । চৰকাৰৰ ৰূপ গণতান্ত্ৰিক, ফেছিষ্ট নাইবা কমিউনিষ্ট যিয়েই নহওক লাগে । তদুপৰি, কবি শিল্পীসকলৰ মুঠীয়া প্ৰচেষ্টাইহে দেশবাসীক তথা বিশ্ববাসীক ৰাজনীতিৰ অত্যাচাৰৰ পৰা মুক্ত কৰি ৰাখিব পাৰে । ৰাজনীতি সদায় ৰক্ষণশীল কিন্তু সাৰ্থক শিল্প সদায় প্ৰগতিবাদী । ৰুছিয়াৰ কবিসকলৰ আদৰ্শৰ ঐক্য আছে ।

প্ৰকৃতি প্ৰীতি, নাৰীৰ প্ৰেম, ঈশ্বৰ ভক্তি, দেশ প্ৰেম, মানৱতাবাদ আদি আদৰ্শ সমূহে শিল্প কলাৰ মাজেদি ব্যাপকতা আৰু গভীৰতা লাভ কৰিলেহে ব্যক্তি আৰু সমাজ জীৱন সুস্থ সবল হৈ গঢ়ি উঠে। ইয়াৰ বাবে লাগে মুক্ত সমাজ ব্যৱস্থা । মুক্ত সমাজতহে ৰোমাণ্টিক প্ৰেম সম্ভৱ হয় ।

ৰুছিয়াৰ কমিউন নাইবা যৌথপামত নাৰীয়ে কাম কৰি স্বাধীন-ভাৱে জীৱিকা নিৰ্বাহ কৰিলেও; কমিউন নাইবা যৌথপামৰ খতিয়ান লৈ দোকানত শাৰী পাতি বেছন সংগ্ৰহ কৰি, সততে গতানুগতিক

জীৱন যাপন কৰিব লগীয়া হোৱাত নাৰীৰ হৃদয়ত ৰোমাণ্টিক কল্পনা নাইবা প্ৰেমভাব নাজাগে ।

মল্লবৰুৱাই অনুবাদ কৰা কবিতাসমূহৰ ভিতৰত নাৰীক লৈ ৰচনা কৰা কেইটামান কবিতা আছে । স্তেপান শ্বিপাচেভে (১৮৯৯) প্ৰমৰ কবিতা' আৰু ৰাছগছ' নামৰ কবিতা দুটাত ৰাজনৈতিক কঠোৰতাক উপলব্ধি কৰি, নাৰীৰ হৃদয়তো বিশ্বাসৰ অভাৱ বিচাৰি পাইছে । ৰোমাণ্টিক প্ৰেম বুৰ্জোৱা সাহিত্যৰ আদৰ্শ ; সেয়ে, একমায়কত্ববাদী শাসনৰ প্ৰভাবাধীন নাৰীৰ হৃদয়ত 'মঙ্গ আৰু বিশ্বাসৰ স্থিতিৰে সজোৱা প্ৰেমৰ পথ' নাই । বুৰ্জোৱা সাহিত্যতো নাৰীৰ হৃদয় হীনতাৰ বৰ্ণনা আছে, কিন্তু ৰাজনৈতিক প্ৰভাৱে বুৰ্জোৱা সাহিত্যৰ নাৰীক ছলনাময়ী কৰা নাই। 'বৰফৰ স্তূপ' কবিতাতো নাৰীৰ প্ৰেমত ৰাজনীতিৰ ছা দেখিছে ।

কবি মিখাইল ইছাক ভাস্কিয়ে (১৯০০) 'য়ুক্ৰাইনৰ ছোৱালী দুজনী' কবিতাত হেমন্ত কালত প্ৰভাতত দুজনী ছোৱালীয়ে আকাশত বনৰীয়া হাঁহৰ গান শুনি জন্মভূমিৰ প্ৰেমত মুগ্ধ হোৱা দৃশ্য অঙ্কণ কৰিছে । ৰাতিপুৱা আকাশেদি উৰি যোৱা বনৰীয়া হাঁহৰ সঙ্গীতত ছোৱালী দুজনীয়ে বনভূমিৰ সৌন্দৰ্যৰ প্ৰতি হাঁহৰ গভীৰ প্ৰীতিৰ সুৰ শুনি বনৰীয়া হাঁহক প্ৰত্যুত্তৰ দিছে--

"আমাৰ মুগ্ধ ভূমিতকৈ এই ব্ৰহ্মাণ্ডত
কোনো স্থান নহয় আপোন ।'

এই কবিতাটো মল্ল বৰুৱাৰ অনুবাদ গ্ৰন্থখনৰ ভিতৰতে মানুহ আৰু প্ৰকৃতিৰ মিলন দেখুৱা কবিতাসমূহৰ ভিতৰত উত্তম কবিতা । যি সময়ত ৰুছিয়াৰ কবিসকলৰ অধিকাংশই প্ৰকৃতিৰ সৌন্দৰ্যৰ প্ৰতি উদাসীন হৈছে, আৰু যি সময়ত ৰাজনৈতিক প্ৰশ্নই কলাকাৰ আৰু ৰুছ জনসাধাৰণক অশান্তি দিছে ; সেইসময়ত কবি মিখাইলে প্ৰকৃতি আৰু নাৰীৰ হৃদয়ৰ সংযোগ সাধন কৰি ৰুছিয়াৰ জনসাধাৰণক দেশ প্ৰেমত উদ্বুদ্ধ কৰি অশান্তিৰ মাজত শান্তিৰ বাণী প্ৰচাৰ কৰিছে ।

ভিক্টৰ বোকভে (১৯১৪) 'সেইজনী গাভৰু' কবিতাত গভীৰ প্ৰশান্তিৰে পৰিপূৰ্ণ হৃদয়ৰ এজনী গাভৰুৰ সৰলতাৰে ওপচি পৰা কণ্ঠস্বৰ শুনি কাব্যিক প্ৰেৰণা লাভ কৰিছে। গাভৰুৱে কিন্তু কবিৰ আকৰ্ষণৰ বিষয়ে গম নাপায়।

অচিপ মান্দেলষ্টামৰ (১৮৯২-১৯৩৯) 'ট্ৰিষ্টিয়া' নামৰ কবিতাত নাৰীৰ শিপিনী জীৱনৰ চিত্ৰ আছে, কিন্তু তাতো পুৰুষৰ প্ৰতি নাৰীৰ সঁহাৰি নাই।

ইয়েভগেনি ইয়েভটু ছেংকোৰ (১৯১৩) 'প্ৰতীক্ষা' কবিতাত নাৰীৰ প্ৰেমৰ প্ৰতি আকাংক্ষা আছে, কিন্তু নাৰী হৃদয়ৰ সঁহাৰি পোৱাৰ ইংগিত নাই। মুঠতে বুৰ্জোৱা সাহিত্য আৰু সমাজৰ ৰোমাণ্টিক প্ৰেম বিৰহৰ প্ৰভাৱ ৰুছ সমাজ জীৱনত আৰু কাব্য কলাত নাই। ষ্টেপান শ্বিপাচেভে 'প্ৰেমৰ কবিতা' আৰু 'বাৰ্চগছ' কবিতাত প্ৰায় এই ভাবকেই ব্যক্ত কৰিছে। ৰোমাণ্টিক আবেগে কবিসকলৰ হৃদয়ত ক্ৰিয়া নকৰা বাবে প্ৰায়েই ৰ কৰিয়ে দীৰ্ঘ পৰ্যায়ৰ কবিতা ৰচনা কৰিব পৰা নাই। শিল্পীসকলে মুক্ত সমাজ জীৱনৰ আনন্দ নোপোৱা বাবে সৃজনী প্ৰতিভাৰ গতি প্ৰবাহিত হোৱা দেখা নাযায়।

মল্লবৰুৱাই অনুবাদ কৰা কবিতাসমূহৰ লেখকসকলৰ দুকুৰি জনৰ জন্ম ১৯১৭ চনৰ পূৰ্বত। তদুপৰি, হয়তো বাকী বাৰজনো পুঁজিপতি জমিদাৰ নাইবা কৃষক পৰিয়ালৰ লোক। 'ছোভিয়েট ৰুছিয়াৰ সমাজ আৰু ৰাষ্ট্ৰৰ গাঠনি' (১৯৪৯) নামৰ গ্ৰন্থখনৰ অষ্টম অধ্যায়ত কোৱা হৈছে যে, ৰুছিয়াৰ আটাইবোৰ সামাজিক সংগঠন কমিউনিষ্ট পাৰ্টিৰ নিৰ্দেশত চলে। তেনেহলে, ৰাষ্ট্ৰৰ জীৱনৰ সকলো স্তৰত একোটা আদৰ্শ চলি থাকিলে কবি শিল্পীয়ে বিশ্বৰ চিন্তাধাৰাৰ লগত সংযোগ ৰক্ষা কৰি, ৰুছ জনসাধাৰণৰ জীৱনৰ বিভিন্ন দিশ কাব্যৰ মাজলৈ আনিবলৈ প্ৰেৰণা নাপায়। সেয়ে, ৰোমাণ্টিক আবেগ নাৰীৰ প্ৰেমৰ যোগেদি কলাকাৰ সকলক প্ৰেৰণা যোগাব পৰা নাই। তদুপৰি, কৃষক বনুৱাৰ জীৱনত নাৰীয়ে কি প্ৰেৰণা সৃষ্টি কৰিছে কবিসকলে ৰূপ দিয়া নাই। কমিউনৰ জীৱনে পাৰিবাৰিক জীৱনৰ মাধুৰ্য ক্ৰমশঃ লুপ্ত কৰাত কাব্যত দাম্পত্য জীৱনৰ আকৰ্ষণীয় ৰূপ নাই।

মল্লবৰুৱাই অনুবাদ কৰা কবিতাসমূহত অৱশ্যে, যুদ্ধ আৰু সৈনিকৰ দৃশ্যযুক্ত কবিতাবোৰত নাৰীৰ প্ৰেমে সৈনিক সকলক প্ৰেৰণা যোগোৱা কথা আছে। ৰুছিয়াৰ সমাজ আৰু ৰাষ্ট্ৰীয় জীৱনত কৃষক বনুৱা আৰু সৈনিকক আগস্থান দিয়া হৈছে যদিও, মল্ল বৰুৱাৰ কাব্য গ্ৰন্থখনত কৃষক বনুৱাৰ জীৱনৰ চিত্ৰৰ তুলনাত সৈনিকৰ জীৱনৰ চিত্ৰ অধিক।

ইয়োছিফ উৎকিনৰ (১৯০৩—৪৪) 'যুদ্ধত যদিও তুমি আহত

হোৱা' কবিতাত নাৰীৰ হৃদয়ৰ প্ৰেমে আহত সেনাপতিক যি প্ৰেৰণা যোগাইছে তাত ৰুছিয়াৰ নাৰীৰ সতীত্ব, বাস্তৱবাদী চিন্তা আৰু গভীৰ দেশাত্মবোধ প্ৰকাশ পাইছে। যুদ্ধস্থলীত সৈন্যবাহিনী পৰিচালনা কৰা সেনাপতিক পত্নীয়ে কৈছে—

"মই যে নিশ্চিত সময়ে তোমাক কৰিব ৰক্ষা
দেহৰ সমস্ত ক্ষত নিশ্চিহ্ন হব, জিকিবা পৰীক্ষা
কিন্তু নিভাজ প্ৰেমৰ স্হিতি, হে প্ৰিয়তম চিৰন্তন অমৰ।'

❖ ❖ ❖

মহত্ত্বৰ আঘাতৰ উপশম আছে জয়ৰ ৰৰমাল্য দান,
কিন্তু ভীৰুৰ প্ৰতি আছে নিমম ঘৃণা তীব্ৰ বানে হানি।"

অসমীয়া জাতীয় জীৱনত কবচ কাপোৰ আৰু মূলা গাভৰুৰ বীৰত্বই অসমীয়া নাৰীক ৰুচিয়াৰে নাৰীৰ শাৰীলৈ নিছে। আলেকজেণ্ডাৰ কোভাঙ্কলেক্ষভৰ (১৯০০) 'মোৰ সান্নিধ্যত' কবিতাত যুদ্ধৰ অগ্ৰৱৰ্ত্তী অঞ্চলৰ এজন সৈনিকৰ হৃদয়ৰ বাণীয়ে পত্নীলৈ যি সাহসী বাত্তা পঠাইছে তাৰ দ্বাৰা সৈনিকৰ দাম্পত্য জীৱনৰ এটা দিশ প্ৰকাশ পাইছে। ইয়োছি উৎকিনৰ 'যুদ্ধত যদিও তুমি আহত হোৱা' আৰু 'মোৰ সান্নিধ্যত' কবিতা দুটা একেলগে অধ্যয়ন কৰিলে; ৰুছিয়াৰ সৈনিকৰ মনত দাম্পত্য জীৱনৰ আকৰ্ষণে দেশৰ হকে প্ৰাণ ত্যাগ কৰিবলৈ প্ৰেৰণা সৃষ্টি কৰা দেখা যায়। সেয়ে, দেখা যায় পাৰিবাৰিক জীৱনেহে ব্যক্তি জীৱনত শক্তি সৃষ্টি কৰে।

কনষ্টান্তিন জনশেৱন্ কিনৰ (১৯২৫) সৈনিকৰ গৃহ প্ৰত্যাৱৰ্ত্তন কবিতাত পাৰিবাৰিক জীৱনৰ আৰু নাৰীৰ হৃদয়ৰ গভীৰ প্ৰেমৰ দৃশ্য আছে। ক্লান্ত সৈনিকে ঘৰলৈ ঘূৰি আহি আত্মীয় স্বজন আৰু পত্নীৰ সান্নিধ্যত আনন্দ উপভোগ কৰি শৰীৰ আৰু মনৰ অৱসাদ দূৰ কৰিছে।

গ্ৰীষ্মৰ বুৰ্জোৱা সাহিত্যৰ কাহিনীক কেন্দ্ৰ কৰি ৰচনা কৰা 'এণ্টিগনে' কবিতাত জানিনা ভিস্তটাইতে (১৯২৮) ৰুছিয়াৰ সৈনক জীৱনৰ সমাজতান্ত্ৰিক বাস্তৱবাদী আদৰ্শৰ লগত খাপ খুৱাই নাৰী হৃদয়ৰ ৰূপ প্ৰকাশ কৰি দেখুৱাইছে যে, 'পুৰণি পৃথিৱীক নাৰীক চাই' লব পাৰি। ইয়াতো পাৰিবাৰিক জীৱনৰ স্হিতি আছে।

আলেকজেণ্ডাৰ বুকৰ (১৮৮০-১৯২১) 'প্ৰিয়তমা হোৱা ভীতি-হীন' কবিতাত ৰুছিয়াৰ নাৰীৰ জীৱন গতানুগতিক পৰিবেশত মাধুৰ্য্যহীন

হোৱা বাবে; ৰোমাণ্টিক জীৱনৰ 'মই মুক্তি প্ৰয়াসী' হৃদয়ৰ আনন্দ উপভোগ কৰি, সমাজ জীৱন সৌন্দৰ্যময় কৰিবলৈ আহ্বান জনোৱা হৈছে। যুদ্ধৰ সময়ত নাৰীয়ে পুৰুষৰ কৰ্তব্যৰ প্ৰতি সজাগ কৰি দিলেও; শান্তিপূৰ্ণ পৰিবেশত সমাজ জীৱনৰ পৰা ভীতি ভাব দূৰ কৰি কবি শিল্পীক প্ৰেৰণা দিব পৰা নাই।

বেলা আথমাদুল্লিনাই (১৯৩৭) 'চোদা পানীৰ যন্ত্ৰ' কবিতাত কৃষক নাৰীক সুঁৱৰি কৈছে---

'যেন কৃষক গাভৰুৰ মানবীয় সৌজন্য গভীৰ
পিয়াহৰ পানী যাচি পথিকৰ অঞ্জলিত।'

কিন্তু কৃষকৰ সাংস্কৃতিক জীৱনৰ নাইবা যৌথ পামৰ জীৱনে কৃষকৰ পাৰিবাৰিক জীৱন কেনেদৰে গঢ় দিছে তাৰ কোনো ইঙ্গিত নাই।

অসমীয়া কাব্য সাহিত্যত আনন্দচন্দ্ৰ আগৰৱালাই 'আমাৰ গাওঁ' কবিতা ৰচনা কৰি আৰু জুৰমন বৰাৰ দৰে কৃষক চৰিত্ৰ সৃষ্টি কৰি যি সমাজতান্ত্ৰিক বাস্তৱবাদী চিন্তা ৰূপ দিছে; নাইবা বেজবৰুৱাই বিহুক কেন্দ্ৰ কৰি গাৱঁলীয়া জীৱনৰ যি চিত্ৰ আঁকিছে ৰুছ কবিসকলে সেই আদৰ্শ সৃষ্টি কৰা নাই।

নাৰীক প্ৰেমিকা-পত্নী ৰূপত উলিওৱাৰ উপৰিও ৰুছ কবিসকলে নাৰীক মাতৃ ৰূপতো প্ৰকাশ কৰিছে। ছাৰগেই এছেলিনে (১৮৯৫-১৯২৫) কাইলৈ দিবা মোক জগাই' কবিতাত জননী আৰু জন্মভূমিক সুঁৱৰি কাব্যিক প্ৰেৰণা বিচাৰিছে। কিন্তু এই কবিতাই নলিনীবালা দেৱীৰ 'জন্মভূমি' কবিতাৰ সৌন্দৰ্যৰ ওচৰ চাপিব পৰা নাই। ভাৰতীয় দাৰ্শনিক চিন্তাই নলিনীবালা দেৱীক জননী আৰু জন্মভূমিক পূজা কৰিবলৈ যি প্ৰেৰণা দিছে, ৰুছিয়াৰ বস্তুবাদী দৰ্শনে ৰুছ কবিক সেই প্ৰেৰণা দিয়া নাই।

ইয়েভ গেনি ইয়েভ্‌টুছেংকোৰ (১৯৩৩) 'জন্মদিন' কবিতাত জননী আৰু জন্মভূমিক নাৰীৰ মাতৃৰ ৰূপত উলিয়াইছে। এই গৰাকী কবিয়ে সাম্প্ৰতিক কালৰ ৰুছিয়াৰ একনায়কত্ববাদী শাসনৰ বাবে জন্মভূমি ৰুছিয়াকে দোষাৰোপ কৰিছে। ৰুছিয়াৰ দৰিদ্ৰতাই জননী ৰুছিয়াক দুখ দিছে। সেয়ে এই গৰাকী কবিয়ে কৈছে-"তুমি তাক ঐশ্বৰ্যশালী আৰু বিখ্যাত ৰূপে নগঢ়িলা।' কবিয়ে জন্মভূমি ৰুছিয়াক আৰু ৰুছ জাতিক শ্ৰদ্ধা জনাই জন্মভূমি ৰুছিয়াক প্ৰাৰ্থনা কৰিছে--

"দিয়া তাক আৰু নোট বুকটো আৰু দিয়া মহীৰ পাত্ৰ তাত, এবাটি গাখীৰ দিয়া তাক আৰু চাই ৰোৱা তাৰ গতি।"

এই গৰাকী কবিয়ে কৈছে যে, ৰুছিয়াৰ অন্নবস্ত্ৰৰ সমস্যা সমাধান হলে আৰু ৰুছিয়াই মুক্ত মনেৰে বিশ্বৰ ভাব গ্ৰহণ কৰিলে মাত্ৰ ৰুছিয়াই সুখী পুত্ৰক পাব। অসমীয়া কাব্য সাহিত্যত কেশদা মহন্তই 'মাতা আই হিমাদ্ৰি শিখৰা' কবিতাত এই ভাবকে বহলভাবে ব্যাখ্যা কৰিছে।

ৰুছিয়াৰ কবিতাত নাৰীৰ প্ৰেমিকা পত্নী ভগিনী আৰু মাতৃৰূপ প্ৰকাশ পালেও, নলিনীবালা দেবীৰ 'নাৰী' কবিতাত নাৰীৰ সৃষ্টি শক্তিৰ যি বৈচিত্ৰময় ৰূপ প্ৰকাশ পাইছে; মল্লবৰুৱাৰ অনুবাদ গ্ৰন্থখনৰ নাৰী কেন্দ্ৰিক আঠাইবোৰ কবিতাই সমকক্ষ হব নোৱাৰে। প্ৰকৃততে, ৰুছিয়াৰ কবিসকলৰ কাব্যিক প্ৰতিভাৰ অভাৱত এইটো হোৱা নাই। ইয়াৰ মূলতে হৈছে বুৰ্জোৱা শ্ৰেণীৰ কাব্যৰ আদৰ্শৰ প্ৰতি ৰাষ্ট্ৰৰ বিৰূপ মনোভাব।

ৰাষ্ট্ৰৰ ৰাজনৈতিক আদৰ্শই কবি-শিল্পীসকলৰ চিন্তাধাৰাৰ পৰিধি সীমাবদ্ধ কৰি দিয়া সত্ত্বেও, ৰুছ কবিসকলে হিদবে দেশ-বাসীক সাহসী প্ৰেৰণা যোগাইছে; তাৰ তুলনাত অসমৰ ব্যৰ্থকাম কবি সকলৰ বিষাদৰ বিননি আৰু স্বাধীনতাৰ অপব্যৱহাৰত এফালে স্বৰ্গ প্ৰাপ্তিৰ সাধনা আৰু আনফালে নৰকগামী হোৱাৰ দুটা ভিন্ন দিশ দেখা যায়।

ৰাষ্ট্ৰীয় জীবনৰ কঠোৰতাই আৰু বস্তুবাদী আদৰ্শৰ প্ৰভাৱে শিল্পীৰ প্ৰাণৰ মুক্তি ৰুদ্ধ কৰাৰ পৰিপ্ৰেক্ষিতত কবি আলেকজেণ্ডাৰ ব্লকে (১৮৮০-১৯২১) 'মই মুক্তি প্ৰয়াসী' কবিতাত কৈছে— 'পৰমাত্মাৰ দৃষ্টি কিন্তু এতিয়াও স্থিৰ মোৰ ভাবত।' কিন্তু 'মানুহৰ মুখত উঠে মোৰ গৰিহণা উত্তাসি।' এই গৰাকী কবিয়ে আধ্যাত্ম-বাদী মুক্তি প্ৰয়াসী চিন্তা আৰু সমাজ জীবনৰ সমালোচনাক উপ-লক্ষ্য কৰি 'মই মুক্তি প্ৰয়াসী' কবিতা ৰচনা কৰি জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ আনন্দ প্ৰকাশ কৰিছে।

মাৰ্ক্সীয় দৰ্শনে ৰাজনীতি আৰু সমাজনীতি ৰূপ দিলেও শিল্পীৰ অন্তৰাত্মাক আচ্ছন্ন কৰিব পৰা নাই। সেয়ে ৰুছ জন-সাধাৰণৰ হৃদয়ত অধ্যাত্মবাদী চিন্তা প্ৰবাহিত কৰি ৰাখিবৰ বাবে

প্ৰয়াস কৰি 'ভলাডিশ্লাভ খোদাশেৱিচিকে (১৮৮৬-১৯৩৮) 'স্তৱক' কবিতাত কৈছে---

"কিয়ে এয়া সীহনিৰ্মিত ভিকহ শূন্য জীৱন,
য'ত মোৰ দৃষ্টি শূন্য সৃষ্টিৰ ।
এই পৃথিৱীত কালৈ মই কৰিম নিবেদন
স্নেহৰ পাত্ৰ মোৰ আত্মা আৰু সত্তাৰ দৃষ্টিৰ ।"

এই গৰাকী কবিয়ে আ'ক্ষেপ কৰি কৈছে যে, তীখাৰে নিৰ্মিত মহা-নগৰীৰ স্তৱক ৰচনা কৰি ব্যক্তিয়ে আত্মাক হেৰুৱাই শান্তি নাপায় ।

পুঁজিবাদী দেশসমূহত বিজ্ঞানৰ অগ্ৰগতিয়ে শিল্পৰ সম্প্ৰসাৰণৰ দ্বাৰা কম্পিউটাৰ যন্ত্ৰ উলিয়াই নাইবা বিজ্ঞানৰ আবিষ্কাৰৰ দ্বাৰা বিশ্বৰ মানৱ সমাজ অধিক সমস্যা যুক্ত কৰি তোলাৰ দৰে ; কছ দেশতো কম্পিউটাৰ যন্ত্ৰই নাইবা বিজ্ঞানৰ আবিষ্কাৰে একে সমস্যা সৃষ্টি কৰিছে । সেয়ে, বিশ্বৰ মানৱ সমাজ আৰু শিল্প-বিজ্ঞানৰ সম্প্ৰসাৰণৰ পৰা সৃষ্টি হোৱা সমস্যাসমূহ চিন্তা কৰি কবি পৰুইৰ শেৱৰকে (১৯২৪) 'বিশ্বৰ কম্পিউটাৰৰ কম আৰু নিশ্চয়তাৰ যন্ত্ৰ' নামৰ কবিতাত মানৱৰ অন্তৰাত্মাৰ অন্ধকাৰ দূৰ কৰি বিশ্বমানৱৰ কল্যাণ সাধন কৰিবলৈ আহ্বান জনাইছে ।

বিজ্ঞানে পানী বিশ্লেষণ কৰিবলৈ যি সূত্ৰ উলিয়াইছে, সেই সূত্ৰ প্ৰয়োগ কৰি নিআনিদ মাৰ্টিনেভে (১৯০৫) 'পানী' কবিতা ৰচনা কৰি কৈছে---

' আছে

বিপুল অস্তিত্ব, নাই মাথো প্ৰাণ ।

এই গৰাকী কবিয়ে বিজ্ঞানৰ সূত্ৰ প্ৰ'য়োগ কৰি পানীৰ প্ৰাণ নাই বুলি উক্তি কৰি ৰুছিয়াৰ জনমানসত প্ৰাণৰ পৰশ বিচাৰি নোপোৱা কথাহে ব্যক্ত কৰিছে ।

বিজ্ঞানৰ আবিষ্কাৰসমূহে পৃথিৱীৰ বুকুত নানান্ পৰিৱৰ্ত্তন ঘটাই শিল্প নগৰীসমূহত মানুহক মাটিৰ পৰশৰ পৰা আঁতৰাই নি অশান্তি সৃষ্টি কৰা বাবে আন্দ্ৰেই ভজনেশ্বনস্কিয়ে (১৯৩৩) শস্য শ্যামলা কৃষি প্ৰধান পৃথিৱীৰ কল্পনা কৰি মঙ্গল গ্ৰহৰ সেউজীয়া দৃশ্যৰ সপোন ৰচিছে । মুঠতে দেখা যায় বিজ্ঞানে 'মাটি' আৰু 'পানী' বিশ্লেষণ কৰি পৃথিৱীৰ বুকুত শিল্প সম্প্ৰসাৰণৰ দ্বাৰা পৰিৱৰ্ত্তন সাধন কৰা বাবে পুঁজিবাদী দেশৰ দৰে কমিউনিষ্ট

দেশতো জনসাধাৰণৰ জীৱন তিক্ততাৰে পৰিপূৰ্ণ।

সেয়ে আন্দ্রেই ভজ্নেস্নেন্স্কিয়েও আলেকজেণ্ডাৰ ব্লকৰ দৰে মহাকাশৰ মাজত মুক্তি বিচাৰিছে। প্ৰাকৃতিক বিজ্ঞানে ন ন পৰীক্ষাৰ দ্বাৰা মাটি আৰু পানীৰ উপৰিভাগত পৰিবৰ্তন সাধন কৰি, উদ্যোগ গঢ়ি তুলি, মানৱ সমাজৰ পৰা প্ৰকৃতিৰ শৰণ আঁতৰাই পেলোৱাত মানৱ সমাজৰ যি সমস্যা হৈছে তাকেই এই জুলখাকী কবিয়ে 'মাটি' আৰু 'পানী' কবিতাত ব্যক্ত কৰিছে। অসমীয়া কাব্য সাহিত্যত এনে কবিতা সৃষ্টি হোৱা নাই।

বিজ্ঞানৰ আবিষ্কাৰ আৰু শিল্পসম্প্রসাৰণৰ যোগেদি ৰুছিয়াৰ জাতীয় জীৱনলৈ যি পৰিবৰ্তন আহিল, সেই পৰিবৰ্তনত বনুৱাই যি বৰঙণি আগবঢ়াইছে তাৰ চিত্ৰ প্ৰকাশ পাইছে ভাছিলি কাজিনৰ (১৮৯৮) 'মেহনতকাৰীৰ মে মাহ' নামৰ কবিতাত। পুঁজিবাদী দেশৰ বনুৱাই অট্টালিকা নিৰ্মাণত যেনে ভাব প্ৰকাশ কৰে প্ৰায় তেনে ভাবেই বনুৱাৰ জীৱন বিষয়ক কবিতাটোত প্ৰকাশ পাইছে মেহনতকাৰীয়ে অট্টালিকা নিৰ্মাণ কৰি মজুৰি পাইছে। কিন্তু বনুৱাৰ মঙ্গলৰ বাবে চিন্তা কৰা ৰাষ্ট্ৰৰ বনুৱাই অট্টালিকা নিৰ্মাণ কৰি কমিউনিষ্ট সমাজৰ আদৰ্শৰ প্ৰতি অনুৰাগ দেখুৱা নাই।

কাৰীকৰী বিজ্ঞানে সৃষ্টি কৰা ৰহস্য পূৰ্ণ 'চো দা পানীৰ যন্ত্ৰ কবিতাত বেলা আখ মাদুলি নাই (১৯৩৭) চোদা পানীৰ যন্ত্ৰক কৃষক গাভৰুৰ লগত তুলনা কৰি এটা ৰোমাণ্টিক পৰিবেশ সৃষ্টি কৰিছে। বাস্তৱ আৰু আদৰ্শ জীৱনৰ প্ৰবাহিত ৰূপ সৃষ্টি কৰি মাদুলিনাই দেখুৱাইছে যে বিজ্ঞানে কবিতাৰ মৃত্যু সাধন নকৰে। অসমীয়া কাব্যকাৰসকলে বিজ্ঞানৰ আবিষ্কাৰসমূহত মানৱীয় আবেদন সংযোগ কৰি কলা আৰু বিজ্ঞানক একীভূত কৰা নাই।

একনায়কত্ববাদী শাসনে আৰু কলাৰ আদৰ্শই ৰুদ্ধ কবিসকলৰ প্ৰাণৰ গতি ৰুদ্ধ কৰা বাবে বিদ্রোহী কবি ইয়েভ গেনি ইয়েভ টুছেংকোই 'সীমাৰ বিপক্ষে' কবিতাত পাশ্চাত্যৰ গণতান্ত্রিক দেশসমূহৰ মুক্ত প্ৰাণৰ পৰ্বশত ৰূপ সাধনা কৰিবৰ বাবে ব্যাকুল হৈ কৈছে—

"আৰু
মই বিচাৰি ফুৰিছোঁ অভিনৱ কলাৰ নিদৰ্শন
যাৰ ৰূপ আৰু কাৰুকাৰ্য্য
মোৰ মনৰ দৰে পৰিবৰ্তনশীল।"

বুয়েনচ এয়াৰচ, নউয়ক, লণ্ডন, পেৰিচ আদি পাশ্চাত্যৰ বুৰ্জোৱা দেশসমূহত ভ্ৰমণ কৰবলৈ ইচ্ছা প্ৰকাশ কৰে; এই গৰাকী কবিয়ে ৰুছ জনসাধাৰণক শাসক শ্ৰেণীৰ প্ৰতিক্ৰিয়াশীল আদৰ্শৰ বিৰুদ্ধে যুঁজিবলৈ আহ্বান জনাইছে।

সাম্প্ৰতিক কালৰ পৃথিৱীত বিশ্বৰ জনসাধাৰণৰ চিন্তাধাৰাৰ পৰা বিচ্ছিন্ন হৈ কোনো ৰাজনৈতিক আদৰ্শ নাইবা সাংস্কৃতিক জীৱন সম্ভৱ নহয়। সেয়ে, বৰিছ পাষ্টেৰনাকে তৰালীৰ অন্তন্ত গতি' কবিতাত আৰু মাপাৰিতা আলিখেৰে (১৯১৫) অকণমান হাতী পোৱালিটো' কবিতাত ভাৰতক সংযোগ কৰি বুৰ্জোৱা দেশৰ সাংস্কৃতিক জীৱনৰ ছবি ৰুছিয়াৰ কাব্য জগতলৈ নিছে।

ৰক্ষণশীল শাসকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি শিল্পীয়ে ভবিষ্যৎ পুৰুষৰ প্ৰগতিৰ পথ দেখুৱায়। ইয়েভ গেনি ইয়েভ টুছেংকোই বুৰ্জোৱা দেশৰ মহান আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনাই জাতীয় জীৱনৰ পৰা 'মিথ্যাবাদ' দূৰ কৰিবলৈ 'মিথ্যাবাদ' কবিতা ৰচনা কৰিছে। এই গৰাকী কবিয়ে বিশ্বৰ চিন্তাধাৰাৰ প্ৰতিবিধিৰ জ্ঞান আহৰণ কৰি ৰুছিয়াৰ শিশুসকলৰ জীৱনৰ পৰা মিথ্যাবাদৰ প্ৰভাব দূৰ কৰিবলৈ পৰামৰ্শ দিছে। এয়ে হৈছে সমাজ জীৱন তথা ব্যক্তিৰ জীৱনত সত্য প্ৰতিষ্ঠাৰ সংগ্ৰাম।

ভাৰতীয় জীৱনৰ জ্ঞান যোগৰ আদৰ্শ গ্ৰহণ কৰি এই গৰাকী কবিয়ে কৈছে যে, 'জ্ঞান আহৰণত নাই কোনো ভয়াবহতা।' টুছেংকোৰ মতে আত্মবিশ্বাস যুক্ত জ্ঞানীয়ে সন্দেহযুক্ত হৈ জ্ঞান আহৰণত ব্ৰতী হৈ থাকিলে শত্ৰুৱে ব্যক্তি নাইবা সমাজৰ অপকাৰ কৰিব নোৱাৰে। নম্ৰ হৈ জ্ঞান আহৰণ কৰাৰ পাচত যি বিবেকৰ উদয় হয়, সেই বিবেকেই ব্যক্তি আৰু ৰাষ্ট্ৰক ভয়াবহতাৰ মাজৰ পৰা মুক্তি দিয়ে। ৰুছিয়াৰ নাগৰিকৰ হৃদয়ত শক্তি সঞ্চাৰ কৰিবলৈ গীতাৰ দৈৱী সম্পদ বিতৰণ কৰি টুছেংকোৱে কাব্য ৰচিছে।

বিজ্ঞান আৰু শিল্প বাণিজ্যৰ সম্প্ৰসাৰণে কি পুঁজিবাদী কি কমিউনিষ্ট সকলো দেশতে তামসিক শক্তিৰ প্ৰভাব বৃদ্ধি কৰিছে। প্ৰাকৃতিক বিজ্ঞানে বস্তু জগতৰ ৰহস্য ভেদ কৰি ব্যৱহাৰিক জীৱনৰ সম্পদ বৃদ্ধি কৰিলে যদিও, মানৱৰ অন্তৰাত্মাক এই সম্পদে গ্ৰাস কৰিলে। কিন্তু, বিজ্ঞান, দৰ্শন আৰু শিল্পকলাৰ

সমন্বয়ৰ মাজেদি চিত্তৰ প্ৰশান্তি লাভ কৰা দৈৱী শক্তিসম্পন্ন লোকে নিস্পৃহভাবে বিষয় সুখ উপভোগ কৰি শিল্প সৃষ্টি কৰে।

দৈৱী শক্তি আৰু আসুৰিক শক্তিৰ সংঘাত দেখি টুছেংকোই দঢ়তাৰে কৈছে—

"আৰু সিহঁতৰ হুকুমৰ ওপৰত বহুৱাবলৈ লাগে এটি দংশন
তাৰ বিনিময়ত সকলো ক্ষতিকে স্বীকাৰ কৰি সকলো যাতনা আহি
আমি গঢ়ো বিশ্বাসৰ শিল্প
দেৱতাৰ দৰে মানুহৰ আৰু মানুহ দেৱতাৰ।"

টুছেংকোৰ কবিতাসমূহৰ মাজেদি দৈৱী শক্তি আৰু আধুনিক শক্তিৰ যি স্পষ্ট চিত্ৰপ্ৰকাশ পাইছে তাৰ মাজেদি প্ৰকৃততে ৰুছিয়াৰ জনমানসৰ মুক্তি প্ৰয়াসী ভাব আৰু অধ্যাত্মবাদী চেতনা জাগ্ৰত হোৱা দেখা যায়।

বুজোৱা দেশৰ কলা সংস্কৃতিৰ প্ৰতি ৰুছিয়াত যি বিৰূপ মনোভাব সৃষ্টি হল, সেই একে মনোভাব চীন দেশতো সৃষ্টি হৈছে। উদাহৰণ স্বৰূপ, কমিকতাৰ ছোভিয়েট দেশ প্ৰকাশনীয়ে প্ৰকাশ কৰা

"চীনৰ সংস্কৃতি বিপ্লৱ" (১৯৬৮) নামৰ গ্ৰন্থখনত প্ৰকাশ পোৱা মাওছেতুঙৰ বাণীসমূহ অধ্যয়ন কৰিলে ৰুছিয়াৰ সংশোধনীবাদৰ পূৰ্বৰ ৰূপ দেখা যায়।

চীনৰ 'সংস্কৃতি বিপ্লৱ' নামৰ গ্ৰন্থখনৰ উল্লেখ আছে "ঐতিহাসিক ব্যক্তিসকলক যদি বিচাৰ কৰা যায়, তেনেহলে দেখা যাব যে পণ্ডিত্যৰ কাৰণে বিখ্যাত নাম কৰা লোক তেওঁলোকৰ মাজত নাই। এওঁলোকৰ এজনৰ চীনা বৰ্ণমালাৰ লগত পৰিচয়েই নাছিল, আৰু আনজনৰো পৰিচয় আছিল নিচেই সামান্য। কিন্তু চিয়া চিঙৰ ৰাজত্ব কালত ক্ষমতালৈ আহিল বুদ্ধিজীৱীসকল আৰু কোনো কামেই সুচাৰুৰূপে সম্পন্ন নহল। ৰাজকৰ্ম ভালদৰে নচলিল। ৰূপ ৰূপ কিতাপ পঢ়ি কোনেও ৰজা নহয়।' (১৩)

মাওছেটুঙে জ্ঞানৰ প্ৰতি তথা পাণ্ডিত্যৰ প্ৰতি যি মনোভাব ব্যক্ত কৰিছে, ৰুছিয়ায়ো প্ৰথমতে বুজোৱা দেশৰ জ্ঞানৰ প্ৰতি একেভাৱ গ্ৰহণ কৰা বাবে ৰুছিয়াৰ কলাকাৰসকলৰ বিপ্লৱ।

(১৩) এলছেজিউছিন: চীনৰ 'সংস্কৃতি বিপ্লৱ' পৃষ্ঠা ৩০—৩১

কৃষক বনুৱা সৈনিকে কৰ্ম কৰি কমিউনিষ্ট শাসনৰ দেশৰ মঙ্গল সাধন কৰিলেও, কলাৰ সাধনাৰ বাবে বুর্জোৱা আদৰ্শ পৰায়ণ জ্ঞানৰ সাধক বুদ্ধিজীৱীৰ প্ৰয়োজন। সৰ্ব্বহাৰাই দাৰ্শনিক চিন্তা কৰি ৰাষ্ট্ৰীয় জীৱন কলাৰ মাজলৈ আনিব নোৱাৰে। বুৰ্জোৱা ভাবাপন্ন দৈৱীশক্তিসম্পন্ন কলাকাৰেহে কৃষক--বনুৱা সৈনিকৰ কৰ্মক কলাত্মক ৰূপ দিব পাৰে।

কমিউনিষ্ট শাসকসকলে বুর্জোৱা আদৰ্শৰ নামত ৰুছিয়াৰ ইতিহাস আৰু প্ৰত্নতত্ত্ব অধ্যয়ন নকৰা বাবে স্থাপত্য বিদ্যালয়ত অগ্নি সংযোগ কৰি বুর্জোৱা আদৰ্শ ধ্বংস কৰিবলৈ চেষ্টা কৰা হেতুকে ইতিহাস আৰু প্ৰত্নতত্ত্বৰ জ্ঞান কাব্যৰ মাজেদি প্ৰবাহিত নহ'ল।

কমিউনিষ্ট শাসন কালৰ যুদ্ধক কেন্দ্ৰ কৰি গীত কবিতা ৰচনা হল যদিও, অসমীয়া কাব্য সাহিত্যৰ দৰে ঐতিহাসিক পটভূমি আৰু চৰিত্ৰক কেন্দ্ৰ কৰি কোনো কবিতা ৰচনা হোৱা নাই। অসমীয়া তথা ভাৰতীয় কলাকাৰসকলে ৰাজতন্ত্ৰৰ দিনৰ সাংস্কৃতিক সমল ব্যৱহাৰ কৰি অতীতক বৰ্ত্তমানৰ লগত সংযোগ কৰি স্বাধীনতাৰ সংগ্ৰামত কৃতকাৰ্য হল; কিন্তু কমিউনিষ্ট শাসনৰ কলা ৰাজতন্ত্ৰৰ লগত সংযোগবিহীন হোৱাত প্ৰাণহীন হ'ল।

মল্লবৰুৱাই অনুবাদ কৰা কাব্য গ্ৰন্থখনৰ মাজেদি মুক্তি প্ৰয়াসী ৰুছ জনগণৰ গাওঁলীয়া আৰু নগৰীয়া জীৱনৰ সম্যক ৰূপ প্ৰকাশ পোৱা নাই যদিও; ছাৰগেই এছেনিনৰ (১৮৯৫-১৯২৫) (১) হে শস্যভৰা প্ৰান্তৰ (২) 'ময়েই সেই সৰ্ব্বশেষ গ্ৰাম্য কবি' '(৩) 'বক্তব্য' (৪) 'কাইলৈ দিবা মোক জগাই (৫) 'কাছালভৰ কুকুৰলৈ' (৬) মাতৃলৈ চিঠি (৭) 'অন্তিম ছন্দ' কবিতা সমূহৰ মাজেদি কমিউনিষ্ট বিপ্লৱ প্ৰতিষ্ঠা হোৱা সময়লৈ গাৱঁলীয়া যুৱক কবি এজনে জীৱনৰ অভিজ্ঞতা ৰূপ দিয়া দেখা যায়।

শিল্পৰ সম্প্ৰসাৰণ গাঁৱলীয়া জীৱনৰ স্বাৱলম্বী জীৱন যাত্ৰাত বিসঙ্গতি সৃষ্টি কৰাত, যুৱক কবি এছেনিনে গাওঁৰ মধুৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগৰ স্মৃতিক সুৱঁৰি মহানগৰী মস্কোলৈ গতি কৰিলে। কিন্তু যুৱক কবিজনে মস্কোৰ জীৰ্ণ শীৰ্ণ পৰিবেশত গাঁৱলীয়া গাভৰু জাকক গণিকালয়ত দেখিবলৈ পাই সিদ্ধান্ত কৰিলে যে মহানগৰীৰ বুকুত গ্ৰাম্য জীৱনৰ সুখ শান্তি লোপ

কৰা বাবে নিশা মহানগৰীৰ ৰাস্তাত বিচৰণ কৰি এচেনিনে গাৱলীয়া জীৱনৰ উকথা খেৰি পজাকে শ্ৰেষ্ঠত্ব দিছে।

গ্ৰাম্য কবি এচেনিনে জননী আৰু জন্মভূমি ৰুছিয়াৰ লোক জীৱনৰ সমগ্ৰ কাব্য শিল্পৰ মাজেদি প্ৰবাহিত কৰি মস্কো চহৰলৈ গৈ অভিজাত শ্ৰেণীৰ অন্তঃসাৰ শূন্য জীৱন যাত্ৰা দেখিবলৈ পালে। তদুপৰি, পুজিবাদী শিল্প আৰু বাণিজ্যৰ সম্প্ৰসাৰণে দেশত গাও আৰু নগৰৰ অৰ্থনৈতিক বৈষম্য সৃষ্টি কৰি গ্ৰাম্য জীৱনৰ মাধুৰ্য গ্ৰাস কৰিবলৈ ধাবিত হোৱাত এচেনিন হতাশ হল। এই পুজিবাদী সভ্যতাই ৰুছিয়ালৈ কমিউনিষ্ট একনায়কত্ববাদী শাসনো আনিলে। সেয়ে, ৰুছিয়াৰ লোক সংস্কৃতি বিপন্ন হোৱাত আৰু শিল্পীৰ স্বাধীনতা লুপ্ত হোৱাৰ উপক্ৰম লক্ষ্য কৰি এই গৰাকী কবিয়ে ৰুছিয়াৰ গাওঁ আৰু নগৰৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বৈষম্য ঘণীভূত হোৱা বাবে নগৰৰ ট্ৰেজিক পৰিস্থিতিত কৃষি প্ৰধান ৰুছিয়াৰ গাওঁ সমূহৰ ধ্বংসৰ ছবি আঁকিছে।

এচেনিনে গ্ৰাম্য জীৱনৰ বেদনাৰ ছবি আঁকিলেও নাইবা নিজে নগৰীয়া জীৱনৰ সংঘাতৰ মাজত হেৰাই গলেও; তেওঁৰ বন্ধু কবি-সকলক উৎসাহৰ বাণী শুনাই ৰুছিয়াৰ গ্ৰাম্য জীৱনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ছবি আকিবলৈ আহ্বান জনাইছে। যুৱক কবি এচেনিনে কৈছে যে নগৰীয়া জীৱনত ক্ৰমশঃ শান্তি হেৰাই গৈছে। নগৰীয়া জীৱন যন্ত্ৰ সভ্যতাৰ বুকুত সোমাই পৰা বাবে এচেনিনে নগৰত খেৰী পজা আৰু ফুলনিৰ সপোন ৰচিছে।

বিজ্ঞান আৰু শিল্পৰ সম্প্ৰসাৰণে নগৰত সম্পদৰ যি দপ সৃষ্টি কৰিছে তাকে দেখি কবি ডেমিয়ান বেদনিয়ে (১৮৮৩-১৯৪৫) 'মুখ্য পথ' কবিতাত কৈছে—

"তথাপিও সেই অট্টালিকাবোৰ ঐশ্বৰ্যৰ নিৰৰ্থক স্তুপ,

চাতুৰ্য্যৰ হাতৰ ৰং মাথো ছলনাৰ ৰূপ।"

পুজিবাদী দেশেই হওক নাইবা কমিউনিষ্ট দেশেই হওক মানৱৰ আত্মহাৰাক গ্ৰাস কৰা বস্তুবাদী সভ্যতাই জনসাধাৰণৰ জীৱন শান্তিপূৰ্ণ নকৰে।

এই একে সুৰতে কবি এডৱাৰ্ড বাগ্ৰিট্স্কিয়ে (১৮৯৬-১৯৩৪) 'এটুকুৰা পুৰণি কৰ্কশ কাঠি' কবিতাত জন সাধাৰণৰ জীৱন ধাৰণৰ

মানদণ্ড উন্নত নোহোৱা বাবে আক্ষেপ কৰি কৈছে—'কাৰ বাবে আমি সজাইছোঁ এইবোৰ মসৃন মখমল।' জাৰৰ দিনত যিদৰে জনসাধাৰণে অন্নবস্ত্ৰৰ কষ্ট পাইছিল সেইদৰে কমিউনিষ্ট শাসন প্ৰতিষ্ঠা হোৱাৰ পাচতো জনসাধাৰণে 'এটুকুৰা পুৰণি ককশ ৰুটী' কামুৰিয়েই আছে। বনুৱাই 'মসৃন মখমল' তেয়াৰ কৰে, কিন্তু কমিউনিষ্ট দেশত বনুৱাই মখমল ব্যৱহাৰ নকৰে। অৱশ্যে, কমিউনিষ্ট শাসন প্ৰতিষ্ঠা হোৱাৰ সোতৰ বছৰৰ ভিতৰত এই উক্তি কৰা হৈছে।

মল্লবৰুৱাই অনুবাদ কৰা কাব্য গ্ৰন্থখনৰ 'এটুকুৰা পুৰণি ৰুটী' কবিতাত যিদৰে এডুৱাড বাগ্ৰিট্‌স্কিয়ে কমিউনিষ্ট বিপ্লৱৰ সোতৰ বছৰৰ ভিতৰত (১৯১৭--১৯৩৪) জনসাধাৰণৰ জীৱন নিবাহৰ একো পৰিবৰ্তন দেখা নাই, সেইদৰে জীৱিত কবি মোভেলা মাৎভেয়ে ভাই (১৯৩৪) 'বহিদণ্টিত বন্ধা কবিবোৰ' কবিতাত কৈছে—

'পুৰণি যেন জোতাৰ তলৰ ছামৰা সজ্জিত নতুন।'

❖ ❖ ❖

সমস্ত তোৰণ বাখিছে সজাই যেন ক্ষান্তিহীন প্ৰতিৰক্ষা একুৰি যোল বছৰীয়া এইজন কবিয়ে ৰুছিয়াৰ সমসাময়িক জীৱনৰ যি চিত্ৰ আঁকিছে তাৰ দ্বাৰা নিশ্চিতভাবে কব পাৰি যে, একনায়কত্ববাদী শাসনৰ পতন অনিবায্য।

মেক্সিমগৰ্কী আৰু ষ্টেলিনৰ আমোলত ৰুছ কবিসকলে বুৰ্জোৱা দেশৰ চিন্তাধাৰাৰ পৰা বিচ্ছিন্ন হলেও কমিউনিষ্ট শাসন প্ৰতিষ্ঠা হোৱাৰ পূৰ্বে পাশ্চাত্যৰ গণতান্ত্ৰিক দেশসমূহৰ সাহিত্য-সংস্কৃতিৰ প্ৰভাৱে ৰুছ জাতিৰ জনমানসত যি ক্ৰিয়া কৰিছিল, সেয়ে একনায়কত্ববাদী শাসনৰ লৌহ বেষ্টনীৰ মাজতো কাব্যকাৰসকলক বন্ধনৰ পৰা মুক্তি লাভ কৰিবলৈ প্ৰেৰণা যোগাইছে।

বিংশ শতিকাৰ প্ৰথমাদ্ধৰ অসমীয়া কাব্য সাহিত্যৰ মাজেদি গীতি কবিতাৰ যি সাঙ্গীতিক মাধুয প্ৰকাশ পাইছে, ৰুছিয়াৰ কবিতাত সেই সঙ্গীতৰ প্ৰবাহ প্ৰকাশ পোৱা নাই। ইয়াৰ মূলতে হৈছে কবিসকলৰ ওপৰত কঠোৰ বাস্তৱৰ হেছা। ৰুঢ় বাস্তৱ জীৱনে কবিসকলৰ হৃদয়ত স্পষ্টভাৱ সৃষ্টি কৰিছে যদিও, কলাকাৰ সকলৰ সৌন্দয স্পৃহাই সাঙ্গীতিক ৰূপ লোৱা নাই।

মন্ত্ৰবৰুৱাই ভাৰতীয় দাৰ্শনিক চিন্তাৰ মাজেদি আত্মতৃপ্ত হৈ কছিয়াৰ কবিতাৰ অনুবাদত ব্ৰতী হোৱা বাবে, কছ কবিসকলৰ প্ৰাণৰ বাতৰিয়ে মন্ত্ৰবৰুৱাৰ প্ৰশস্ত হৃদয়ত সম্যকভাবে ঢৌ তুলিছে। সেয়ে অসমীয়া কাব্য সাহিত্য আৰু জাতীয় জীৱনত শক্তিশালী কবিসকলৰ বৈপ্লৱিক স্পৃহাই গণতান্ত্ৰিক আদৰ্শ আৰু ভাৰতীয় সংস্কৃতি পুনঃ নতুন ৰূপত প্ৰকাশ কৰিব খোজা কবিসকলক প্ৰেৰণা দিব। কছিয়াৰ কবিসকলে বাস্তৱ অভিজ্ঞতাৰ পৰা বিশ্বমানৱলৈ যি আবেদন আগবঢ়াইছে, সেয়ে ভাৰতীয় অসমীয়া জাতিক নতুন দৃষ্টি দিব।

শুচিব্ৰতা ৰায়চৌধুৰী

স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া কাব্য সাহিত্যৰ মহিলা কবিসকলৰ আত্মোপলব্ধিৰ গভীৰতা আৰু সামাজিক চেতনাৰ মাজেদি জাগ্ৰত হোৱা প্ৰগতিবাদী চিন্তাৰ প্ৰবাহ বিচাৰি শুচিব্ৰতা ৰায়চৌধুৰীৰ 'অৱস্থিতি' কবিতা অধ্যয়ন কৰিলে ৰায়চৌধুৰীৰ হৃদয়ত সমাধিৰ আনন্দ দেখা যায়।

শুচিব্ৰতা ৰায়চৌধুৰীয়ে কৈছে যে ব্যক্তিয়ে গৃহতে থাকি দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ মাজেদি অন্তৰৰ গভীৰতাত প্ৰবেশ কৰিলে অন্তৰাত্মাই দেখা দিয়ে। ৰায়চৌধুৰীয়ে ষোড়শোপচাৰে ঈশ্বৰক পূজা কৰিলে কিন্তু ভগৱানৰ অৰ্চনাত ব্ৰতী হৈ থকা সময়ত দিব্য দৃষ্টি লাভ নকৰিলে। কবিৰ পূজা শেষ হোৱাতহে জ্ঞানৰ মাজেদি পৰম শক্তি লাভ কৰি ব্ৰহ্মক লাভ কৰিলে।

ব্যক্তিৰ জীৱনত বিষাদ আছে। তেতিয়া বিষাদৰ পৰা মুক্ত হবলৈ চেষ্টা কৰিলে হৃদয়ৰ পৰা অন্ধকাৰ দূৰ কৰিবলৈ পোহৰৰ প্ৰবেশ ঘটে। সেয়ে, পোহৰ প্ৰয়াসী ব্যক্তিয়ে পোনতে প্ৰকৃতিৰ ৰূপ ধ্যান কৰি পৰম পুৰুষক সাধনা কৰে। সাত্ত্বিকভাবে প্ৰকৃতিক ধ্যান কৰিলে পৰম পুৰুষে যোগমায়াৰ আবেষ্টনীৰ মাজৰ পৰা সাধকক দৰ্শন দিয়ে। তেতিয়া সাধকে বাহ্য-জগতৰ প্ৰতি উদাসীন হব পাৰে।

ৰায়চৌধুৰীয়ে যি মানসিক স্তৰত 'অৱস্থিতি' কবিতা ৰচনা কৰিছে, সেই মানসিক স্তৰ প্ৰাপ্ত হবলৈ সুদীৰ্ঘ কাল সমাধিৰ

মাজেদি গতি কৰিছে। সাধনা কালত মাজে মাজে ব্যৰ্থতাৰ ভাব আহিছে যদিও, অভ্যাস যোগৰ দ্বাৰা চিত্তৰ চাঞ্চল্য দূৰ কৰি গভীৰ উপলব্ধিৰ মাজেদি চিত্তৰ প্ৰশান্তি তথা ব্ৰহ্মক লাভ কৰিছে।

ৰায়চৌধুৰীৰ 'অৱস্থিতি' উপলব্ধিৰ প্ৰবাহ নলিনীবালা দেৱীৰ 'শেষ অৰ্ঘ্য' কবিতাৰ মাজেদি গতি কৰিছে যদিও, দুয়ো গৰাকী কবিৰ ভাবৰ বিভিন্নতা আছে। নলিনীবালা দেৱীৰ 'শেষ অৰ্ঘ্য' কবিতাৰ শেষত সম্পূৰ্ণ বিষাদ আঁতৰি যোৱা নাই। কিন্তু ৰায়চৌধুৰীৰ বিষাদ আঁতৰি গৈছে। নলিনীবালা দেৱীয়ে সন্ধিয়াৰ সুৰ' সাধনা কৰি পৰম পুৰুষৰ পূজাত 'শেষ অৰ্ঘ্য' নিবেদন কৰি শান্তি বিচাৰি পোৱাৰ দৰে, ৰায়চৌধুৰীয়েও শক্তি বিচাৰি পাইছে।

অম্বিকাগিৰী ৰায়চৌধুৰীয়ে পৰম শক্তি লাভৰ বাবে অপৰা প্ৰকৃতিৰ ৰূপ সাধনাত ব্ৰতী হৈ মনৰ সংশয় ছেদি যি শক্তি লাভ কৰিলে শুচিব্ৰতা ৰায়চৌধুৰীয়েও ভিন্ন পথেৰে গতি কৰি একেটা লক্ষ্যত উপনীত হৈছে।

কিন্তু ভগগিৰী ৰায়চৌধুৰীয়ে 'বহাগ' 'বেদনা' 'ইতিহাস' আৰু 'আজি এই নিশা ? গীত' কবিতাসমূহৰ মাজেদি সংশয়বাদী ভাব প্ৰকাশ কৰিছে। শিল্পীৰ জীৱনত সংশয়বাদী চিন্তাই ক্ৰিয়া কৰি থাকিলে কৰ্ম-জ্ঞান-ভক্তিৰ আদৰ্শই শিল্পীৰ প্ৰাণৰ বিস্তাৰ সাধন নকৰে। শিল্পীৰ প্ৰাণ সংশয়মুক্ত হ'ব'ল হলে তুমি-অৱস্থিতি' ভাবৰ গভীৰতাত প্ৰবেশ কৰিব লাগিব।

নিৰ্মলপ্ৰভা বৰদ'লয়ে 'চাৰমন' কবিতাত পৃথিৱী বৃক্ষৰ শাখা আবিষ্কাৰ কৰিবলৈ যিটো চৰাই উৰাই দিলে ; সেই চৰাইটিক 'চিটীৰ বন্ধু'ৰে ১৯৫৮ চনতে কবৰ দি'ল। বৰদলৈৰ হৃদয়ত ভাৰতীয় কপোতি'য় প্ৰাণ হেৰুৱাই পুনঃ জন্ম লাভ কৰি 'লাচিতৰ নাতি' হৈ 'মহাভাৰতৰ ভাগ্য' নিৰূপণ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হোৱা কাৰ্যই বৰদলৈৰ হৃদয়ত পোহৰৰ ক্ষীণ জ্যোতি বিতৰণ কৰিছে যদিও, মানসিক সংঘাত আঁতৰা নাই। সোঁৱ, 'দুপৰৰ ভয়' আৰু প্ৰেমৰ পৰশে বৰদলৈৰ অন্তৰাত্মা দ্বিধা বিভক্ত কৰিছে। শুচিব্ৰতা ৰায়চৌধুৰীৰ দৰে হৃদয়স্পন্দনৰ যোগেদি অন্তৰাত্মাৰ বাণী শুনিলেহে মহিলা কবিসকলে শক্তি বিলাব পাৰিব। নিজৰ 'অৱস্থিতি'ৰ সম্যক উপলব্ধি হলেহে বহিঃ জগতৰ ৰহস্যাই দৰ্শন দিয়ে।

মামণি গোস্বামী

সাম্প্ৰতিক কালৰ কাব্য-সাহিত্যত নাৰী হৃদয়ৰ প্ৰেম-বিৰহৰ ঢৌ আৰু বাস্তৱ জীৱনৰ অভিজ্ঞতাৰে পুষ্ট হোৱা কবি মানস প্ৰকাশ পাইছে মামণি গোস্বামীৰ 'চন্দন তোমালৈ' (১৯৬৬) কবিতাত। অসমীয়া কাব্য সাহিত্যত পুৰুষ কবিয়ে নাৰীক লৈ লিখা প্ৰেমৰ কবিতা আছে কিন্তু নাৰীয়ে পুৰুষকলৈ লিখা প্ৰেমৰ কবিতা নাই। সেয়ে, স্বাধীনতাৰ পৰৱৰ্তী কালত নাৰীয়ে মুক্ত মন লৈ আধুনিকা হৈ জীৱন প্ৰবাহত সাঁতুৰি যি অভিজ্ঞতা লাভ কৰে তাৰ মূল্য আছে।

মামণি গোস্বামীৰ হৃদয়ত প্ৰিয়জনৰ বিৰহে আঘাত হানিছে যদিও চন্দনৰ সুবাস নষ্ট হৈ যোৱা নাই। চন্দনৰ সুঘ্ৰাণে কৃষ্ণচূড়াৰ তেজৰঙী ৰূপত মিহলি হৈ বিৰহদগ্ধ হৃদয় শুদ্ধ কৰিলে। সেয়ে, গোস্বামীয়ে কৈছে—"আক্ষেপ নাই চন্দন।" ইয়াতেই বিৰহিণী নাৰী হৃদয়ৰ প্ৰেমৰ এটা দিশ প্ৰকাশ পাইছে।

কিন্তু লক্ষহীৰা দাসৰ 'প্ৰাণ গঙ্গা' কাব্যৰ 'অনাগত' কবিতাত "উদ্যত সৃষ্টিৰ স্বপ্ন" ধূলিসাৎ হোৱাত 'অনাগত'ৰ প্ৰতি যি ক্ষোভ প্ৰকাশ পাইছে তাত গঙ্গাৰ পূত সলিলৰ স্পৰ্শ নাই। চন্দনৰ সুবাসে বিৰহিনী নাৰীৰ হৃদয়ৰ প্ৰেমৰ এটা দিশ প্ৰকাশ কৰিছে আৰু বিৰহিণী নাৰীৰ মানসিক বেদনা প্ৰশমিত কৰিছে।

মামণি গোস্বামীয়ে প্ৰিয়জনক বৰকৈ দোষাৰোপ কৰা নাই। আধুনিক যুগৰ কাফেৰ আৰু হোটেলৰ সভ্যতাই গোস্বামীৰ প্ৰিয়জনক আৰু নিজকো ভুল পথে পৰিচালিত কৰিছে। আধুনিক বিলাসী জীৱনৰ বিভিন্ন দিশত দৃষ্টিপাত কৰি গোস্বামীয়ে উপলব্ধি কৰিছে যে মানুহ পাৰিপাৰ্শ্বিকতাৰ দাস। সেয়ে, কাকো অযথা দোষাৰোপ কৰি লাভ নাই।

শিল্পীয়ে সমাজ জীৱনৰ পৰা জ্ঞান আহৰণ কৰি আত্মোপলব্ধি লাভ কৰে। গোস্বামীয়ে প্ৰিয়জনৰ সংস্পৰ্শত আৰু আধুনিক জীৱনৰ গভীৰতাত প্ৰৱেশ কৰি সম্পূৰ্ণ চিত্তৰ স্থিৰতা নাপালেও উদাৰ দৃষ্টিৰ দ্বাৰা মাতৃৰ উপদেশ সুঁৱৰিছে। মাতৃৰ উপদেশ আৰু বাস্তৱ অভিজ্ঞতা বিজাই গোস্বামীয়ে সিদ্ধান্ত কৰিছে যে

তেওঁৰ প্ৰিয় জনেও আঁতৰি গৈ শান্তি নাপায়।

বেজবৰুৱাই 'বিধবাৰ বুকুফটা কাতৰ' বেদনা কাব্যৰ বিষয়বস্তু হিচাবে উল্লেখ কৰিছে। কিন্তু দাম্পত্য জীৱনৰ বন্ধনমুক্ত নাৰী আৰু পুৰুষৰ ৰোমাণ্টিক প্ৰেমে যে বিৰহ বেদনাৰ দ্বাৰা বৈধব্য জীৱনৰ বেদনা প্ৰকাশ কৰিব পাৰে সেই কালত বেজবৰুৱাই উপলব্ধি কৰা নাছিল।

নলিনীবালা দেৱীয়ে বৈধব্য জীৱনৰ বেদনা ভোগ কৰি পুত্ৰৰ মৃত্যুত 'পুতলী' নামৰ শোকৰ কবিতা ৰচনা কৰিছে। নলিনীবালা দেৱীয়ে স্বামী-বিৰহৰ বেদনা দূৰ কৰিলে একান্তভাৱে ব্ৰহ্মৰ সাধনাত আৰু জন্মভূমিৰ সাধনাত ব্ৰতী হৈ।

কিন্তু পাৰ্থিৱ জীৱনৰ সুখ আৰু আধুনিক বিলাসী জীৱনত গুৰুত্ব আৰোপ কৰা মামণি গোস্বামীয়ে হৃদয়ত যি বেদনা ভোগ কৰিলে সেই বেদনাৰ মাজত পোনপটীয়াকৈ ঈশ্বৰ ভক্তি প্ৰকাশ নাপালে যদিও, জীৱন ৰূপী কৃষ্ণচূড়াৰ ৰং সলনি হোৱাত বাস্তৱক উপলব্ধি কৰি মাতৃৰ হাক বচনৰ সত্যতা বুজি পালে। জীৱন ৰসে কাৰুণ্য মিশ্ৰিত স্মৃতিৰ যোগেদি পতি প্ৰেমৰ পথ ললে।

সেয়ে, মামণি গোস্বামীৰ চন্দন তোমালৈ কবিতাত প্ৰেমৰ মাজেদি স্বামীভক্তি আৰু মাতৃৰ ভক্তি প্ৰবাহিত হৈছে। গীতাৰ ভাষাৰে কবলৈ গলে তমোগুণৰ আতিশয্যত সত্বৰ উদ্ভৱ হয়। সত্বগুণৰ উদয় হলে জ্ঞানৰ উদ্রেক হয়, তেতিয়া চিত্তৰ বিকাশৰ যোগেদি আত্মাই শান্তি লাভ কৰি স্থিৰতাৰ পথলৈ আহে। মালোৰ ডক্তৰ ফণ্টাহে ভোগৰ অন্তত নিজৰ ভুল বুজি পোৱাৰ দৰে গোস্বামীয়ে বিলাসী জীৱনৰ অন্তত মাতৃৰ উপদেশ সুঁৱৰি অনুতপ্ত হৈছে। গোস্বামীৰ এই স্বীকাৰোক্তিয়ে অম্বিকাগিৰীয়ে প্ৰেমৰ চিন ৰূপে আঙুলি কাটি দিয়া স্মৃতি মনলৈ আনে।

মায়াশ্ৰী বৰকটকী

মায়াশ্ৰী বৰকটকীৰ 'এৰাতি' (১৯৫৮) নামৰ কবিতাটোৰ মাজেদি ব্ৰহ্ম-জীৱ আৰু জগতৰ সম্বন্ধ বিচাৰ কৰি, পাৰ্থিৱ জীৱনৰ কালছোৱাক আত্মাৰ অনন্ত যাত্ৰাৰ মাত্ৰ 'এৰাতি বুলি কোৱা হৈছে।

বৰকটকীয়ে প্ৰকৃতি আৰু মানৱ প্ৰাণৰ আত্মীয়তাৰ ধ্বনি ব্যক্ত কৰি কৈছে যে, প্ৰকৃতি আৰু সাংস্কৃতিক জীৱনৰ মিলনৰ মাজেদিহে

আত্মাই মুক্তি লাভ কৰে। প্ৰকৃতত্তে প্ৰকৃতিয়ে পৰ্ক্ষ্যক তথা জীৱাত্মাক নিজৰ মাজলৈ টানি আনে। কিন্তু পৰ্ক্ষ্যে তথা জীৱাত্মাই পুনঃ প্ৰকৃতিৰ পৰা মুক্ত হৈ গুচি যায়।

বৰকটকীয়ে কৈছে যে, জীৱাত্মাই প্ৰকৃতিৰ মায়াত বশ হৈ ৰাতিৰ অন্ধকাৰত প্ৰবেশ কৰে যদিও, পুনঃ বন্ধনমুক্ত হৈ গতি কৰে।

মায়াশ্ৰী বৰকটকীৰ চিন্তা শক্তি'য় হৃদয়ৰ গভীৰতম স্থানৰ পৰা ৰস সমৃদ্ধ হৈ প্ৰবাহিত নোহোৱা বাবে কবিতাটো দুৰ্চি হৈছে। সেয়ে, চিন্তা আৰু সৌন্দৰ্য স্পৃহাই সজীৱ কল্পনাক কেন্দ্ৰ কৰি বিকাশিত নোহোৱা বাবে সৰ্বসাধাৰণ পাঠকৰ বোধগম্য হোৱা টান।

মামণি গোস্বামীৰ 'চন্দন তোমালৈ' আৰু মায়াশ্ৰী বৰকটকীৰ 'এৰাতি' নামৰ কবিতা দুটা একেলগে অধ্যয়ন কৰিলে জীৱনৰ দুটা দিশৰ অভিজ্ঞতা লাভ কৰা যায়। সেয়ে, অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত ইয়াৰ গুৰুত্ব আছে।

মামণি গোস্বামীয়ে পাশ্চাত্যৰ বিলাসী জীৱনৰ আদৰ্শ গ্ৰহণ কৰি তিক্ত অভিজ্ঞতাৰ মাজেদি শেহত ভাৰতীয় জীৱন দৰ্শনৰ পথ বাছি লৈছে। কিন্তু মায়াশ্ৰী বৰকটকীয়ে প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত কবি ওমৰৰ আদৰ্শ লৈ সৰল জীৱন যাপন-কৰি অনন্ত যাত্ৰাত ধাবমান হোৱাৰ প্ৰয়াস কৰিছে।

মামণি গোস্বামীৰ অন্তৰাত্মাই আধুনিক বিলাসী জীৱনৰ তামসিক আদৰ্শ ত্যাগ কৰি বৰকটকীৰ জীৱনৰ আদৰ্শৰ মূল্যবোধ বুজাৰ চেষ্টা কৰিছে।

গুণাভিৰাম চৌধাৰী

স্বাধীনতাৰ পৰৱৰ্তী কালৰ কবি গুণাভিৰাম চৌধাৰীৰ (১) 'সন্ধ্যাৰাগ' (১৯৬৩) (২) 'সাগৰ বস্তি' (১৯৬৪) (৩) 'গহবৰ' (১৯৬৬) আদি কবিতা কেইটাৰ মাজেদি চৌধাৰীৰ চিন্তা জগতত প্ৰবেশ কৰিলে সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্য আৰু ভাৰতীয় জীৱনলৈ প্ৰবাহিত হোৱা সংঘাতৰ চিত্ৰ দেখা যায়।

চৌধাৰীয়ে 'সন্ধ্যাৰাগ' কবিতাত হেমন্ত কালৰ সন্ধিয়াৰ প্ৰাকৃতিক

দশ্যৰ মাজেদি কবিতাটো আৰম্ভ কৰি, গাওঁ নগৰৰ ব্যৱহাৰিক জীৱনৰ ছবি আঁকি, মাজনিশাৰ "উৰ্ব্বশী' ৰাতিৰ গহীন অন্ধকাৰৰ মায়াবী দেশৰ 'স্বপ্নিল চকু'ত শেষ কৰিছে। কবি চৌধাৰীয়ে সাম্প্ৰতিক কালৰ নগৰীয়া জীৱনৰ কদৰ্যময় ৰূপটোৰ মাজেদি আধুনিক মধ্যবিত্ত জীৱনৰ ক্ষয়িষ্ণু দিশ উদঙাই দেখুৱাই কৈছে যে, জাতিৰ জীৱনত 'সন্ধ্যাৰাগে' যি ভাৱৰ সৃষ্টি কৰি সমাজক বিপথগামী কৰিছে তাৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ উপায় 'সাগৰ বস্তি'।

ভাৰতীয়ৰ অসমীয়া জাতিয়ে 'সাগৰ বস্তি' তথা ব্ৰহ্ম সমুদ্ৰৰ অনন্ত জ্যোতিৰ আৰাধনা কৰিবলৈ পাহৰা বাবে সমাজ জীৱনৰ বিভিন্ন দিশ তামসিক শক্তিয়ে গ্ৰাস কৰিবৰ বাবে উদ্যত হৈছে। চৌধাৰীয়ে ভাবে বিশ্বৰ মানৱ জাতিয়ে মহাকাশৰ অনন্ত জ্যোতিৰ সাধনাত ব্ৰতী হলে পৃথিবীৰ অন্ধকাৰ দূৰ হব।

প্ৰাকৃতিক বিজ্ঞানৰ আবিষ্কাৰৰ বলত আৰু কাৰিকৰী বিদ্যাৰ কৌশল প্ৰয়োগ কৰি মানবে প্ৰকৃতিৰ পৰা বিদ্যুৎ শক্তি উলিয়াই পৃথিবীৰ উপবিভাগ পোহৰ কৰি 'উৰ্ব্বশী ৰাতি'ৰ সপোনত মগ্ন হল সঁচা; কিন্তু বাহ্যিক পোহৰে মানৱৰ অন্তৰাত্মা ঢাকি পেলালে। ভাৰতীয় দৰ্শনৰ ভাষাৰে কবলৈ গলে মানবে প্ৰকৃতিৰ মায়াজাল তথা ব্যৱহাৰিক জীৱনৰ সুখ সম্পদ পাই দৈৱী শক্তিৰ আৰাধনা পৰিহাৰ কৰিলে।

কবি চৌধাৰীয়ে স্হিতপ্ৰজ্ঞ দৃষ্টিৰে বিশ্বমানবৰ তথা ভাৰতীয় সমাজৰ জীৱন প্ৰবাহ লক্ষ্য কৰি কৈছে যে, ব্ৰহ্মাণ্ড ব্যাপী থকা অসীম জ্যোতিৰ আৰাধনা কৰিলেহে পৃথিবীৰ পৰা হিংসাৰ ভাব আঁতৰি যাব। বিশ্বৰ মানৱ জাতিয়ে অন্ধকাৰৰ পৰা উদ্ধাৰ পাব'ল হ'ল ভাৰতীয় দৰ্শনৰ মূল মুক্ত জীৱনৰ আনন্দক লৈ কাব্য-শিল্প নিৰ্মাণ কৰিব লাগিব। এয়ে চৌধাৰীৰ বিশ্বাস।

কবি চৌধাৰীয়ে 'গহ্বৰ' কবিতাত মানৱ সমাজ আৰু ভাৰতীয় জাতিৰ প্ৰতিক্ৰিয়াশীল বিবেকবিহীন চিন্তাধাৰাই মানৱতাবোধ দূৰীভূত কৰা বাবে আক্ষেপ কৰি কৈছে যে 'সূৰ্য কিন্তু নাহিল ঘূৰি।' যুগ যুগ ধৰি জ্ঞানীয়ে অনন্তৰ জ্যোতি বিলাই থকা সত্ত্বেও মানৱৰ অন্তৰত বিবেক সূৰ্য উদয় নহল।

কবি চৌধাৰীৰ এই আক্ষেপৰ অঁত বিচাৰি অসমীয়া কাব্য

সাহিত্যৰ নতুন কবি সকলৰ বিশেষকৈ দিনেশ গোস্বামীৰ 'হত্যা কাণ্ড' 'সুৰঙ্গৰ ভিতৰত' নীলমণি ফুকনৰ 'এটা মোক আজি ঈশ্বৰ লাগে' আদি গহ্বৰৰ অন্ধকাৰযুক্ত কবিতাসমূহ বিচাৰ।

প্ৰাচীন ভাৰতৰ আটাইবোৰ দাৰ্শনিক চিন্তাধাৰা মুক্তি কেন্দ্ৰিক। সেয়ে, অনাত্মাবাদী ভক্তিবিহীন ৰসহীন দশনে ভাৰতৰ সংস্কৃতিক প্ৰভাবান্বিত কৰিব নোৱাৰিলে। স্বাধীনতাৰ পৰৱৰ্তী কালত মুক্তি বিৰোধী বন্ধন কামী যি চিন্তাই অসীমৰ পথা ভাৰতবাসীক বিচ্ছিন্ন কৰিলে সেই চিন্তাই তামসিক পথেদি ভিন্ন ভিন্ন ভাবে গতি কৰিলে। সেয়ে তামসিক কলাৰ সাধনাৰ মাজেদি সৃষ্টি হোৱা 'এটা মোক আজি ঈশ্বৰ লাগে' কবিতাৰ সৃষ্টি।

চৌধাৰীয়ে নীলমণি ফুকন আদি কবি সম্প্ৰদায়ৰ হৃদয় গহ্বৰত বিবেক সূৰ্য উদয় নোহোৱা বাবে আক্ষেপ কৰাৰ দৰে; পৰেশ মল্ল বৰুৱায়ো 'এটা প্ৰাগৈতিহাসিক প্ৰাণী' কবিতাত গহ্বৰৰ ভিতৰলৈ গৈ এই কবি সম্প্ৰদায়ক উদ্ধাৰ কৰিবৰ বাবে চেষ্টা কৰিছে।

কবি চৌধাৰীয়ে "ছিন্ন পাল তৰী অন্ধকাৰ এই ৰাতি নিঃসঙ্গ নিঃসহায়" কবি সম্প্ৰদায়ৰ বেদনাৰ মূল কাৰণ নিৰ্ণয় কৰি সাগৰ বস্তি' আৰু সূযৰ আৰাধনাৰ অভাব বুলি স্থিৰ কৰিছে।

নীলমণি ফুকনে 'এটা মোক আজি ঈশ্বৰ লাগে' (১৯৫৮) কবিতাত যি তামসিক ভাবত প্ৰবেশ কৰিল সেই তামসিক ভাবেই হৃদয় গহ্বৰৰ পৰা সূৰ্যক আঁতৰাই পেলোৱাত 'আৰু কি নৈশব্দ' (১৯৬৮) কাব্যত সম্পূৰ্ণ ৰকমে অন্ধকাৰৰ বেদনাত চটফটাই আছে। ফুকনে ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্যৰ দৃশ্য চাই বেদনা উপলব্ধি কৰে, সেয়ে চৌধাৰীয়ে এই শ্ৰেণীৰ কবিৰ হৃদয় গহ্বৰলৈ সূৰ্য ঘূৰি নহা বুলি কৈছে।

ফুকনে দহবছৰ পূৰ্বে 'নৰকৰ কুৎসিৎ চিৎকাৰ' লৈ 'অনেক সাপৰ কৰুণাৰ' সৈতে নিশাৰ অন্ধকাৰৰ মাজেদি গতি কৰি শেহত কুৎচিৎ চিৎকাৰৰ মাজতে আত্মবিলোপ কৰিলে। তামসিক কলাৰ সাধকসকলৰ কলাৰ যোগেদি জাতীয় জীৱন ৰুগীয়া হোৱা বাবে চৌধাৰীয়ে আক্ষেপ কৰিলেও; হতাশ হৈ পৰা নাই। বৰং চৌধাৰীয়ে কৈছে "মই এতিয়াও এজন দাৰ্শনিকৰ দৰে নিৰ্বিকাৰ চিত্তে শুৰি ধৰি আছোঁ। এই উক্তিত ভাৰতীয় দৰ্শনৰ সনাতন সত্য ধ্বনিত হৈছে।

কবি চৌধাৰীয়ে কাব্যতত্ত্ব আৰু জীৱন তত্ত্বৰ গভীৰতাৰ মাজেদি বাস্তৱ আৰু আদৰ্শৰ সমতা ৰক্ষা কৰিব পৰা বাবে 'মই এক লক্ষ্য হীন' (১৯৬৩) কবিতাত সাম্প্ৰতিক কালৰ লক্ষ্যহীন স্মৃতিহীন পথিকৰ জীৱনৰ চিত্ৰ ঐক্যবদ্ধভাবে আঁকিব পাৰিছে।

কবি চৌধাৰীয়ে মধ্যবিত্ত চাকৰিয়াল এক শ্ৰেণীৰ জীৱনৰ গতানুগতিক দশ্যাৱলীৰ মাজেদি দেখুৱাইছে যে, হৃদয় গহবৰত বিবেক ৰূপী সূৰ্য্য উদয় হৈ অন্তৰ আলোকিত নকৰা বাবে এওঁ-লোকৰ মাধুৰ্যবিহীন জীৱনত সজীৱ স্মৃতি নাথাকে। মানৱৰ মন স্মৃতি আৰু মাধুৰ্যবিহীন হলে সাহিত্য সংস্কৃতিৰ প্ৰতি অনুৰাগ নোহোৱা হৈ যায়' সজীৱ স্মৃতি নহলে চিন্তা বিক্ষিপ্ত হয়, কল্পনাও মৌলিক নহয়।

সাম্প্ৰতিক কালৰ সমাজ জীৱনৰ কালিমাসমূহৰ মাজত জাতীয় জীৱন স্হবিৰ হোৱাৰ প্ৰতি লক্ষ্য কৰি অমলেন্দু গুহই 'তোমাল' কাব্যৰ 'মোৰ কবিতা' আৰু 'এখনি পোৰ্ট্ৰেট' নামৰ কবিতা দুটাত এই লক্ষ্যহীন জীৱন আৰু মধ্যবিত্ত শ্ৰেণীটোৰ নৈৰাশ্য বাদী ভাবক সমালোচনা কৰিছে। কিন্তু, স্বাধীনতাৰ পূৰ্ব কালৰ দৰে এওঁলোকে ব্যঙ্গাত্মক হাস্য ৰসৰ মাজেদি সমাজ জীৱনৰ দোষবোৰ উদঙাই দিব পৰা নাই।

নলিনীধৰ ভট্টাচাৰ্য

সাম্প্ৰতিক কালৰ অসমীয়া কাব্য সাহিত্য আৰু জাতিৰ জীৱন প্ৰবাহৰ আকৃতি প্ৰকৃতি বিচাৰ কৰি নলিনীধৰ ভট্টাচাৰ্যৰ কাব্য চিন্তা বিচাৰ। ভট্টাচাৰ্যই সুদীৰ্ঘ কাল কাব্য সাধনা কৰি সমসাময়িক সমাজ জীৱন আৰু দেশৰ অতীতৰ অভিজ্ঞতা কেনেদৰে প্ৰবাহিত কৰি প্ৰাণৰ বিস্তাৰ সাধন কৰিছে, বিচাৰ কৰিলেই ভট্টাচাৰ্যৰ কবিতা সমূহৰ মূল্যাঙ্কণ কৰা হব।

ভট্টাচাৰ্যৰ (১) 'মৎস্যগন্ধা' (১৯৫৮) (২) 'কল্লোল' (১৯৫৮); (৩) 'নৰকৰ চিঠি' (১৯৬৬) (৪) 'সূৰ্যশিখা' (১৯৬৩); (৫) 'ৰঙা চকু' (১৯৬৪); (৬) 'মৃত্যু স্পৰ্শ', (৭) 'হাঁয় কাল' (১৯৬৬) আদি কবিতা

সমূহৰ মাজেদি ভট্টাচাৰ্য্য কবি মানসৰ আৰু ব্যক্তিক জীৱনৰ আঠ বছৰৰ ৰূপ প্ৰকাশ পাইছে।

ভট্টাচাৰ্য্যৰ 'সন্ধ্যা সখা' কবিতাৰ প্ৰতি বিচাৰি লক্ষহীৰা দাসৰ 'প্ৰাণ গঙ্গা' (১৯৫৭ ডিচেম্বৰ) কাব্যৰ অনাগত' আৰু হে সুৰ নামৰ কবিতা দুটা অধ্যয়ন কৰিলে ভট্টাচাৰ্য্যৰ হৃদয়ত দাসৰ কাব্যই ক্ৰিয়া কৰা বুজা যায়। লক্ষহীৰা দাসে মৃত্যু কৰ্বলিত দ্বাৰ জীৱনৰ শান্তি জড়তা' দৰ কৰিবলৈ মহাকালৰ পৰা ইঙ্গিত পাই 'সময়ৰ তপস্যা' কৰিলে। ভট্টাচাৰ্য্যই দাসৰ প্ৰাণ গঙ্গাৰ' সোঁতত উঠি গৈ প্ৰাচীন কাহিনী আৰু আধুনিক জীৱনৰ মাজত যোগসূত্ৰ বিচাৰিব পাৰে।

বাল্মীকিয়ে তমসা নদীত স্নান কৰিব যাওঁতে ক্ৰৌঞ্চীৰ বিৰহ বেদনা শুনি কবিত্ব শক্তি লাভ কৰিলে। দাসে ক্ৰোধ আৰু বেদনা প্ৰকাশ কৰি 'আকাশ পিয়াসী হৈ নি সুৰ সৃষ্টি কৰিলে; সেই সুৰে ভট্টাচাৰ্য্যৰ হৃদয়ত হংসদূতেৰে মিলনৰ শান্তি বিচাৰিবলৈ প্ৰেৰণা যোগালে।

ভাৰতীয় কাব্য-সাহিত্যত হংসদূতে নায়ক নায়িকাৰ মিলন ঘটোৱাৰ উল্লেখ আছে। ভট্টাচাৰ্য্যই কৈছে—

"মই যেন এটি হংসদূত
উৰি উৰি কঢ়িয়াই পৃথিৱীৰ নাৰীৰ কান্দোন
আকাশক শুনাম এবাৰ।"

দাসে আকুল চিত্তৰ বাণী আকাশক শুনালে। সেই কাকুণ্যই ভট্টাচাৰ্য্যৰ হৃদয় আকাশত সহানুভূতিৰ সৃষ্টি কৰিলে। এয়ে দাস ভট্টাচাৰ্য্যৰ হৃদয়ৰ যোগসূত্ৰ।

গীতি কবিতা হৈছে শিল্পীৰ ব্যক্তিগত জীৱনৰ প্ৰকাশ। অৱশ্যে মহান শিল্পীৰ হৃদয়ত ব্যক্তিগত জীৱনৰ অভিজ্ঞতাই সামাজিক জীৱনৰ অভিজ্ঞতা ৰূপ দিয়ে। সেয়ে, গীতি কবিতাই কলাকাৰৰ মনো-বেদনা দূৰ কৰি চিত্তত শান্তি দিয়ে, যেতিয়া শিল্পীয়ে পবিত্ৰ হৃদয় লৈ পৰম শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰে। এই বিষয়ত অম্বিকাগিৰীয়ে জ্বলন্ত উদাহৰণ।

ভট্টাচাৰ্য্যৰ কবি মানস প্ৰাণ গঙ্গা' কাব্যৰ মাজেদি গতি কৰি

'য কাৰুণ্যময় ৰূপ পালে তাৰ ব'বে ভট্টাচাৰ্যই আধুনিক সভ্যতাক দোষাৰোপ কৰিছে। সমসাময়িক কবি মামণি গোস্বামীয়েও চন্দন তোমালৈ' কবিতাত প্ৰিয়জনক দোষ দিয়া নাই, আধুনিক বিলাসী সভ্যতাকহে দোষাৰোপ কৰিছে। ভট্টাচাৰ্যই কৈছে—

'সভ্যতাৰ বিষ এয়াঃ পান-পাত্ৰ তুলি লয়া সকলো পাহৰি।'

আধুনিক সভ্যতাই সমাজ জীৱনলৈ যি তিক্ত অভিজ্ঞতা আনিলে তাকে লক্ষ্য কৰি ভট্টাচাৰ্যই কৈছে—'নিকৰুণ ইতিহাস সভ্যতাৰ দেৱালত লিখা। ব্যক্তিয়ে নিজে ভুল কৰি সমাজ জীৱনলৈ যি শিকনি থৈ যায়, তাৰ মূল্য আছে। মানৱ সমাজত প্ৰেম-বিৰহ ভুল-ভ্ৰান্তি নাথাকিলে শিল্পী সাহিত্যিকে কি সমল লৈ শিল্পসাধনা কৰিব?

প্ৰাচীন ভাৰতীয় সাহিত্যলৈ চালে দেখা যায় যে, কোনোৱে ভক্তিভাবে ঈশ্বৰক সাধনা কৰি মুক্তি পাইছে। কোনোৱে বৈৰী ভাবে ঈশ্বৰক সাধনা কৰি মুক্তি পাইছে। কুন্তী মৎস্যগন্ধাই, যি ভুল কৰিলে তাৰ দ্বাৰাই ভাৰতীয় জাতি প্ৰগতিৰ পথত অগ্ৰসৰ হৈছে। 'প্ৰাণ গঙ্গা' কাব্যৰ ধ্বনিয়ে 'মৎস্য গন্ধা' (১৮৮০ শক আহাৰ), আৰু 'কল্লোল' (১৮৮০ শক আঘোণ) কবিতাৰ মাজেদি প্ৰবাহিত হোৱাত ভট্টাচাৰ্যৰ বিগলিত চিত্ত 'প্ৰেম আৰু জীৱনৰ সীমাহীন অক্ষয় সাগৰৰ' স্পৰ্শ বিচাৰি গৈছে।

ভট্টাচাৰ্যই কৈছে—

"বহুত লিখিলো চিঠি
মহীয়সী সোণপাহি
বহুত খবৰ দিলো
বতাহত মাথো গুচি গল।"

কিন্তু বতাহে ভট্টাচাৰ্যৰ হৃদয়ৰ সমুদ্ৰত যি 'কল্লোল' সৃষ্টি কৰিলে তাৰ প্ৰেৰণাত ভট্টাচাৰ্যই কবিতা ৰচনা কৰিছে। প্ৰাচীন সাহিত্য অধ্যয়নৰ মাজেদি পৰিপুষ্ট হোৱা ভট্টাচাৰ্যৰ কবি মানসত প্ৰাণ গঙ্গা'ৰ চৌৱে 'কল্লোল' সৃষ্টি কৰি সমসাময়িক জীৱনৰ ৰূপ প্ৰতিফলিত কৰিছে।

নিউটনৰ সূত্ৰমতে যদি এটা বস্তুই গতি আৰম্ভ কৰে, বাধা প্ৰাপ্ত নহয় মানে গতি কৰিয়েই থাকে। এই গতিৰ দ্বাৰা যি শক্তি সৃষ্টি হয়, সেয়ে প্ৰতিক্ৰিয়াও সৃষ্টি কৰে। জাতিৰ জীৱনত যিবোৰ ঘটনা ঘটে তাৰ দ্বাৰা ব্যক্তি বিশেষৰ সাময়িক অশান্তি হলেও জাতীয় জীৱন উপকৃত হয়। যতীন্দ্ৰনাথ দুৱৰাই নিজৰ অভিজ্ঞতাৰ দ্বাৰা অসমীয়া জাতিক কৈছে 'এই বাটে নাহিবা দুনাই।'

ভট্টাচাৰ্যৰ 'কল্লোল' কবিতাত সহানভূতি আশ্বাস আৰু কাৰুণ্য প্ৰকাশ পাইছে। সেই কাৰুণ্যৰ মাজেদি ভট্টাচাৰ্যই দাসৰ 'আকাশ পিয়াসী' কবিতাৰ 'উৰণীয়া মন উৰি গুচি যায় দূৰণিৰ সীমা ভেদি' উক্তিৰ প্ৰতি লক্ষ্য কৰি কৈছে—

"সোধা চৰাই জাকক সোধা।
বাট কেনি? সূৰ্য্যৰ চুমাত নচা
উতলা সাগৰ কেনি? এৰা, উতলা সাগৰ।'
প্ৰেম আৰু জীৱনৰ সীমাহীন অক্ষয় সাগৰ।'

দাসে 'হে সূৰ্য্য' কবিতাত সূৰ্য্যক স্তুতি কৰি কৈছে—

'পোহৰ প্ৰয়াসী ৰাহে চিত্ত
তমসা কৰাহে ম্লান।"

দাসৰ 'প্ৰাণ গঙ্গা' ৰ মাজেদি প্ৰবাহিত হোৱা সলিল ধাৰাই সূৰ্য্যৰ চুমাত নচা সীমাহীন সৌন্দৰ্য্যত বিলীন নহল। কাৰণ, গঙ্গাৰ সলিল ৰাশিত স্নান কৰি দাসে মনৰ ক্ষোভ ত্যাগ কৰিব নোৱাৰিলে। ভট্টাচাৰ্যৰ কবি মানসতো সেয়ে, গঙ্গাৰ ঢৌৰে স্পৰ্শহে কৰিলে, কিন্তু ঢৌৰ মাজত স্নান কৰি চিত্তৰ তৃপ্তি নাপালে। অম্বিকাগিৰীৰ 'তুমি' কাব্যত জীৱনৰ ভুল ক্ৰুটীৰ মাজেদি চিত্তৰ যি প্ৰশান্তি প্ৰবাহিত হৈছে তাত গঙ্গাৰ গভীৰতম জলৰাশিৰ শান্তি আছে। কাৰণ গভীৰ ভক্তিয়ে কবিৰ হৃদয় পবিত্ৰ কৰিছে।

ভট্টাচাৰ্যৰ 'নৰকৰ চিঠি' (১৮৮৮ শকঃ ফাগুন) 'মৎস্য গন্ধা' আৰু 'কল্লোল' কবিতা ৰচনা কৰাৰ আঠ বছৰৰ মূৰত ৰচিত কবি ভট্টাচাৰ্যই সহানুভূতিশীল হৈ প্ৰাণ গঙ্গা' কাব্যৰ কবিক আশ্বাস বাণী শুনালে যদিও ; দাসৰ মনৰ পৰা বেদনা দূৰ নোহোৱা বাবে মানসিক বেদনাক 'নৰকৰ চিঠি' কবিতাৰ দ্বাৰা প্ৰকাশ

কৰিছে। ভট্টাচাৰ্যৰ এই উক্তি বুজিবৰ বাবে দাসৰ 'আশ্বাস' (৯৬৬ চন, ১৫ জুলাই) কবিতা অধ্যয়ন কৰা প্ৰয়োজন। গঙ্গাৰ সলিল বাশিয়ে অন্তৰাত্মা পবিত্ৰ কৰিব নোৱাৰা বাবে ন বছৰৰ মূৰতো চিত্তৰ বিকাশ হোৱা নাই।

কবি ভট্টাচাৰ্যই 'প্ৰাণগঙ্গা' কাব্যৰ নাৰী হৃদয়ৰ বেদনাক লৈ যি সত্য সন্ধানত ব্ৰতী হৈছে সেই সত্য সন্ধানত ব্ৰতী পৰেশ মল্ল বৰুৱাই ইলিজী: মেঘৰ গভত জোনৰ মৃত্যু' (১৮৮৮ শক ফাগুন) কবিতাতো যৌৱনৰ ভুল ভ্ৰান্তিত পৰবৰ্ত্তী জীৱন 'শয্যাগত ৰোগী স্তব্ধ মৃত প্ৰায় হোৱা দেখিছে।'

'প্ৰাণ গঙ্গা কাব্যৰ ধ্বনিয়ে কবি আনন্দিৰাম দাসৰ হৃদয়তো সমধৰ্মী ক্ৰিয়া কৰাত আনন্দি দাসে 'ভাগিল ৰাগিয়ে লাগি' (১৮৮৮ শক: ফাগুন) কবিতাত কৈছে--

ফাগুনতে পোৱা শৰমৰ বাটি
পছোৱাৰ ধূলি ৰালি'

❖ ❖ ❖

"অ' তোমাৰ স্থ্যা তুয়ে তোমাকে পূৰিব
ৰিহা আচোলতে লাগি;
এইখন পৃথিবী এনেকৈ থাকিব
মৰমতে নাচি ৰাগি।"

নলিনীধৰ ভট্টাচাৰ্যই অসমীয়া জাতীয় জীৱনৰ গ্লানি আতৰাবৰ বাবে যি চিন্তাধাৰাৰ মাজেদি গতি কৰিছে, সেই চিন্তাধাৰাত গুণাভিৰাম চৌধাৰীয়েও যোগদান কৰি শহৰৰ কবিতা ৰচনা কৰিছে।

লক্ষহীৰা দাসৰ 'প্ৰাণ গঙ্গা' কাব্যৰ নাৰী হৃদয়ৰ বেদনা আৰু আধুনিক সভ্যতাৰ প্ৰতিক্ৰিয়াৰ প্ৰভাব মামণি গোস্বামীৰ 'চন্দন তোমালৈ' (১৮৮৮ শক: ফাগুন) কবিতাতো প্ৰকাশ পাইছে। অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত এই ক্ৰিয়া-প্ৰতিক্ৰিয়াই ব্যক্তি বিশেষৰ জীৱনৰ বিকাশ ঘটালেও; অসমীয়া জাতিয়ে এনে কাব্য সাধনাৰ মাজেদি বিশেষ শক্তি লাভ কৰা নাই। এটা ভুলে আন

এটা ভুল সৃষ্টি কৰিছে, এই কবি সম্প্ৰদায়ৰ আক্ৰোশমূলক কবিতা সমূহত।

পুৰুষ কবি সকলে এইদৰে সংঘবদ্ধ হৈ প্ৰাণগঙ্গা' কাব্যৰ বিষয়বস্তু বিচাৰ কৰা নাই। মাত্ৰ কবিৰ অন্তৰাত্মাক লৈহে ব্যস্ত হৈছে। আধুনিক সভ্যতাৰ দোষত প্ৰকৃততে স্বাধীন হৈ নাৰীহে অধিক কষ্ট পাইছে। অসমীয়া কাব্যৰ এই শ্ৰেণীৰ কলাকাৰ সকলে পুৰুষৰ প্ৰতি বিদ্ৰূপ কৰি ধূৰন্ধৰ প্ৰকৃতিৰ লোকসকলক সংযত কৰিবলৈ চেষ্টা নকৰা বাবে সমালোচনা একপক্ষীয় হৈছে। কবি কালিদাসে শকুন্তলাতকৈ দুষ্মন্তক'হে অধিক শাস্তি দিছে। শিল্পই জাতিৰ জীৱন উচ্চ পৰ্যায়লৈ নিব লাগিলে শিল্পীয়ে কামুক পুৰুষকহে নিৰ্মমভাবে আঘাত কৰিব লাগিব।

অসমীয়া কাব্য সাহিত্যৰ কলাকাৰ নলিনীধৰ ভট্টাচাৰ্য, পৰেশ মল্লবৰুৱা আনন্দিৰাম দাসে কেবল নাৰীকে দোষৰ ভাগী কৰি নাৰীৰ ওপৰত পুৰুষৰ পাশবিক অত্যাচাৰক সমৰ্থন জনাইছে। ভট্টাচাৰ্যই 'নৰকৰ চিঠি' কবিতাত সম্পূৰ্ণ আক্ৰোশমূলক ভাব লৈছে। কলাকাৰে জাতিৰ মঙ্গল সাধিব লাগিলে দোষ অনুযায়ী দণ্ডবিধান কৰিবলৈ শিকিব লাগিব।

ভট্টাচাৰ্যই পোনতে সভ্যতাৰ দোষ বুলি যি উদাৰতাৰে নাৰী হৃদয়ৰ বেদনা লক্ষ্য কৰিছিল; আঠ বছৰৰ মূৰত সেই উদাৰতা নোহোৱা হল। দাসে হংসদূত হৈ আকাশৰ পৰা পোহৰ বিচাৰি গতি কৰিলে যদিও হৃদয়ৰ সৌন্দৰ্য স্পৃহা নৰকৰ মাজত হেৰুৱাই পেলালে।

ভট্টাচাৰ্যয়ো পোনতে চিত্তৰ বিশালতা আৰু সৌন্দৰ্য স্পৃহা লাভ কৰিছিল যদিও, 'সূৰ্যশিখা' (১৯৬৩) আৰু 'ৰঙা চকু' (১৯৬৪) ৰচনা কৰা সময়ত 'প্ৰাণ গঙ্গা' কাব্যৰ ভিতৰত সোমাই থকা বাবে 'নৰকৰ চিঠি', 'মৃত্যু স্পৰ্শ', 'হায় কাল' (১৯৬৬) কবিতা ৰচনা কৰা সময়লৈ নৰকহে দৰ্শন কৰিলে। এয়ে তামসিক কলাৰ সাধনা।

১৯৫৮-১৯৬৬ চনলৈ ভট্টাচাৰ্যই কেৱল এটা ঠেক দৃষ্টিৰে গতি কৰি থকা বাবে হৃদয়ৰ পৰা সাত্বিক মনোভাব বিসৰ্জন দিলে' কথা গীতাৰ ভাষাৰে কবলৈ গলে 'কামৰ প্ৰতিঘাতে ক্ৰোধ

হয়, ক্রোধ হৈলে কায অকার্য বিবেক গুচে। তেবে শাস্ত্র আচার্যৰ উপদেশত ভ্ৰম হয়; তেবে পুৰুষৰ বুদ্ধিনাশ হয়। বুদ্ধিনাশ হৈলে মৃতক সম হয়।'

ভট্টাচাৰ্যই লক্ষহীৰা দাসৰ 'স্তব্ধ মৃতপ্ৰায়' ৰোগৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ নিজৰ অন্তৰৰ যি বেদনা প্ৰকাশ কৰিছে তাৰ মাজেদি ভট্টাচাৰ্যৰ নৰক বাস' প্ৰকাশ পাইছে। লক্ষহীৰা দাসৰ কাব্যত সন্দেহবাদৰ মাজেৰে হলেও ভাৰতীয় সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ পাইছে; কিন্তু ভট্টাচাৰ্যই ভাৰতীয় সংস্কৃতিৰ জ্ঞান লৈ তামসিক কলাৰ মাজেদি নৰকলৈ গতি কৰিছে। লক্ষহীৰা দাসৰ অন্তৰাত্মাই পোহৰ প্ৰয়াসী হৈ সাত্ত্বিক ভাৱৰ পথ লৈ'ছে। কিন্তু ভট্টাচাৰ্যই 'মৃত্যুস্পৰ্শ' উপলব্ধি কৰি 'হাহাকাৰ'ৰ বেদনাত আত্মাৰৰ পথ লৈছে।

হীৰেণ ভট্টাচাৰ্যঃ—

সাম্প্ৰতিক কালৰ কাব্যশিল্পীসকলৰ চিন্তাধাৰাৰ বিভিন্ন দিশ বিচাৰ কৰি, হীৰেণ ভট্টাচাৰ্যৰ বহাগ', কোনো এক বন্ধুৰ উক্তি'; 'আশ্ৰয়' (১৯৬৪) আৰু 'শোভা যাত্ৰাত নিহঁত জনৰ কবিতা' 'ধুমুহা' 'সপোন' আৰু 'সময়' (১৯৬৬) আদি কবিতাসমূহৰ ভাব ৰাজ্যত প্ৰৱেশ কৰিলে; কবি ভট্টাচাৰ্যই জীৱনৰ গভীৰ উপলব্ধিৰ মাজেদি তত্ত্বজ্ঞান লাভ কৰা দেখা নাযায়।

সাম্প্ৰতিক কালৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত মানসিক তৃপ্তি লাভ নকৰা কবি সম্প্ৰদায়ৰ কবি ভট্টাচাৰ্যই 'বহাগ' মাহৰ সৌন্দৰ্য উপভোগ কৰিবলৈ মনৰ খিৰিকীখন খুলি দিলে যদিও, 'বহাগ'ৰ সৌন্দৰ্যই ভট্টাচাৰ্যৰ হৃদয়ত ধৰা নিদিলে। কিয়নো প্ৰকৃতিৰ সৌন্দৰ্যৰ দ্বাৰা কবি মানস আলোকিত হবলৈ হলে কবিৰ চিত্তভূমি স্বচ্ছ হৈ থাকিব লাগিব। শিল্পীয়ে অন্তৰৰ কালিমা দূৰ কৰিবলৈ হলে প্ৰকৃতিক প্ৰাণভৰি ভাল পাব লাগিব। ভট্টাচাৰ্যই অসমীয়া কাব্য-সাহিত্যৰ প্ৰকৃতি বিষয়ক কবিতাসমূহৰ বিভিন্ন দিশ অধ্যয়ন কৰি তত্ত্বজ্ঞান লাভ কৰা হলে সুন্দৰৰ জ্যোতিয়ে কবি ভট্টাচাৰ্যৰ প্ৰাণৰ শান্তি বিধান কৰিলেহেঁতেন।

শিল্পীয়ে সাধনাৰ মাজেদি আত্মজ্ঞান লাভ কৰিলে আনন্দ মনেৰে দিনৰ পোহৰত জনতাৰ মাজত কৰ্মযোগত ব্ৰতী হয়

কিন্তু যদি হৃদয়ত সূৰ্য্য দেখা নিদিয়ে তেতিয়া শিল্পীয়ে তামসিক কলাৰ মাজেদি নিজান অন্ধকাৰত আশ্ৰয় লয়।

ভট্টাচাৰ্য্যই 'তাৰুণ্যৰ বেগৱতী নৈৰ উত্তাপ' বিচাৰি 'বহাগ মাহৰ পৰা কোনো প্ৰত্যুত্তৰ নাপালে। সেয়ে আঙ্কাৰ প্ৰয়াসী কবিসকলৰ প্ৰাণৰ বেদনাৰ প্ৰত্যুত্তৰ দি 'কোনো এক বন্ধুৰ উক্তি' কবিতা ৰচনা কৰিছে। সমাজ জীৱনৰ প্ৰগতি বিচৰা কবিসকলে সূৰ্য্যক আহ্বান কৰিছে; কিন্তু সমাজ জীৱনৰ প্ৰগতিৰ প্ৰতি উদাসীন কবিসকলে বাস্তৱ জীৱনৰ পৰা আঁতৰি গৈ ক্ষীণ অনুভূতিৰ মাজেদি আত্ম-প্ৰকাশ কৰিছে।

'বহাগ'ৰ প্ৰাকৃতিক সৌন্দৰ্য্যই ভট্টাচাৰ্য্যৰ হৃদয়ত কোনো ৰসানুভূতি সৃষ্টি নকৰা বাবে নিশাৰ সৌন্দৰ্য্যৰ মাজলৈ গতি কৰিলে। নিশাৰ সৌন্দৰ্য্যক কাব্যিক ৰূপ দিব লাগিলেও প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত আত্মবিলোপ কৰিব পাৰিব লাগিব। যিজন শিল্পীয়ে 'বহাগ' মাহৰ বিহুৰ উৎসাহ-মাদকতা উপভোগ কৰি শান্তি নেপায় সেইজন কবিয়ে 'আশ্ৰয়' বিচাৰি নীল আকাশৰ মাজলৈ গতি কৰিলে হৃদয় সৌন্দৰ্য্যৰে উৎফুল্ল নহয়। কবি মানসৰ সংস্কাৰ সাধন নহলে স্বৰ্গ-মৰ্ত্ত্য কতো কবিয়ে শান্তি নাপায়। ভট্টাচাৰ্য্যই পৃথিৱীৰ সৌন্দৰ্য্য অঙ্কণ কৰিবলৈ ব্যৰ্থ হোৱাৰ মূলতে হৈছে সাম্প্ৰতিক কালৰ মধ্যবিত্ত জীৱনৰ বিক্ষিপ্ত জীৱন ধাৰা।

ভট্টাচাৰ্য্যৰ মানসিক অৱস্থা বুজাৰ বাবে গুণাভিৰাম চৌধাৰীৰ 'মই এক লক্ষ্যহীন' আৰু 'কাউন্টাৰ' নামৰ কবিতা দুটাৰ মাজেদি প্ৰকাশ পোৱা মধ্যবিত্ত জীৱনৰ স্বৰূপ উদ্ধৃত কৰা প্ৰয়োজন। চৌধাৰীয়ে 'কাউন্টাৰ' কবিতাত কৈছে—

"আৰু মই
মোৰ বুদ্ধত্ব লাভৰ পথত সদায়ে এইদৰে বাধাগ্ৰস্ত হৈ এক ক্ষুধাৰ্ত্ত, ক্ষিপ্ত, বন্য পশুৰ দৰে জীৱনৰ অৰণ্যত গুজৰি গুমৰি উঠি
ভাগৰত লাল কাল দি
শেষত আকৌ শুই পৰোঁ;
আৰু স্বপ্ন দেখোঁ।"

গুণাভিৰাম চৌধাৰীয়ে যি স্বপ্নৰ কথা কৈছে হীৰেণ ভট্টাচাৰ্য্যই জীৱনৰ 'ধূমুহাত' সেই 'সপোন' দেখি 'সময়' কটাইছে।

ভট্টাচাযৰ অস্থিৰ মনে আশ্ৰয় বিচাৰি ঘূৰি ফুৰে যদিও; 'সপোনৰ' মাজত কেৱল 'শ্বাস বাণী, 'ভয়ালক্ষিপ্ত বাঘ' 'ৰক্তস্ৰাৱী হৃদয়ৰ সোণোৱালী ছাঁ'ই দেখা দি কবি মানসক অন্ধকাৰ কৰি ৰাখে। সেয়ে, ভট্টাচাযৰ কাব্য সম্প্ৰদায়ে হৃদয়ৰ বেদনাৰ কথা কৈ কৈ আশ্ৰয় বিচাৰি ফুৰে। নিত্যানন্দৰ 'আশ্ৰয়' কবিতাও সংস্কাৰ বিহীন হৃদয়ৰ মৃত্যুস্পৰ্শৰ অন্যৰূপ।

ভাৰতীয় সংস্কৃতিয়ে অসীম আনন্দ লাভৰ বাবে সাত্ত্বিক কলাৰ মাজেদি 'সাগৰ বাউৰ জ্যোতি বিচাৰি হৃদয়ত জ্যোতিকণা'ৰ ৰূপ সাধনা কৰিবলৈ নিৰ্দেশ দিছে। অসমীয়া কাব্য সাহিত্যৰ সাত্ত্বিক কলাকাৰসকলে প্ৰেপাহৰ বিচাৰি জাতীয় জীৱন আনন্দৰে পৰিপূৰ্ণ কৰাৰ চেষ্টা কৰিছে; কিন্তু অন্ধকাৰৰ কবিসকলে আন্ধাৰত নিজে মৃতপ্ৰায় হৈছে জাতিকো বোপাৰোপেণ্ড কৰিছে। এয়ে জাতীয় জীৱনৰ সাংস্কৃতিক সংঘাত।

হৃদয়ৰ অন্ধকাৰৰ মাজত বিমূঢ় হোৱা কবি ভট্টাচাযই 'শোভা যাত্ৰাত নিহত জনৰ কবিতা' নামৰ কবিতাটোত জাতীয় জীৱনৰ উদ্দেশ্য আৰু শোভাযাত্ৰাৰ প্ৰসংগৰ যোগসূত্ৰ ৰখা কবি বিপ্লৱী ভাব সৃষ্টি কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে।

ডিম্বেশ্বৰ নেওগঃ—

স্বাধীনতাৰ পৰৱৰ্তী কালৰ সপ্তদশকটো নতুন কবি সকলৰ কবি মানসৰ পৰা সৃষ্টি হোৱা বিভ্ৰান্তিয়ে ভাৰতীয় অসমীয়া জাতীয় জীৱন আৰু কাব্যশিল্পৰ প্ৰগতি ৰুদ্ধ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰবীণ কাব্যকাৰ ডিম্বেশ্বৰ নেওগৰ বাজ বাজ ভাৰত সঙ্গীত (১৯৬৬) কবিতাটো অতি গুৰুত্বপূৰ্ণ।

কবি নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জী' নামৰ গ্ৰন্থত 'অসমীয়া সাহিত্যৰ ভবিষ্যত সম্বন্ধে আলোচনা কৰি কৈছে যে 'সকলো জ্ঞান আৰু সকলো নেতৃত্বৰ দৰে সাহিত্যৰ জ্ঞান আৰু নেতৃত্বত অৱৰোহণ হব লাগিব, অৱৰোহণত নহব। উদাহৰণ দোহাৰিব লাগিলে, অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ একেটি লেখৰ কাহিনী বৈষ্ণৱ সাহিত্য; ই জনগণৰ সেৱাৰ উদ্দেশ্যে মাটিৰ ভেটিত থিয় হৈ উচ্চ আকাশ চুই স্বৰ্গ মৰ্ত্যৰ শুভ পৰিণয় ঘটাইছিল।'

নেওগে সোতৰ বছৰ বয়সৰ পৰা কাব্য শিল্পৰ সাধনা কৰি তিনিকুৰি ছয়-সাত বছৰত 'বাজ বাজ ভাৰত সঙ্গীত' কবিতা ৰচনা কৰি মৃত্যুৰ আগে আগে যি শক্তি প্ৰকাশ কৰিছে তাৰ মাজেদি সুদীৰ্ঘকালৰ জ্ঞান সাধনাৰ দ্বাৰা পৰিমাৰ্জিত হোৱা হৃদয়ৰ ব্ৰাহ্মীস্থিতি ৰূপ প্ৰকাশ পাইছে। মৃত্যুৰ আগমুহূৰ্তত কবি নেওগৰ হৃদয়ত জ্বলি থকা জ্ঞানৰ জ্যোতিয় সংশ্লেষাত্মক ৰূপ লৈ অসমীয়া কাব্য-শিল্পৰ অন্ধকাৰ দূৰ কৰিবলৈ যত্নশীল হৈছে।

স্বাধীনতাৰ পৰৱৰ্তী কালৰ নতুন কবি সকলৰ অধিক সংখ্যকৰ জন্ম পৰাধীন ভাৰতত। কিন্তু শিক্ষা-দীক্ষা লাভ কৰিলে স্বাধীন দেশৰ শিক্ষা অনুষ্ঠানত আৰু বিভাগৰ সময় বিচাৰি পালে সাম্প্ৰতি কালৰ সমাজত। বেজবৰুৱাৰ যুগৰ কবি সকলে এক্যৱদ্ধ আৰু সামাজিক চেতনাত আৰু ৰাজনীতিৰ ক্ষেত্ৰতো স্বদেশী আন্দোলনৰ মাজেদি অহিংসা আৰু সত্য অন্বেষণৰ বাবে যি প্ৰেৰণা পাইছিল সাম্প্ৰতিক কালৰ নতুন কবিয়ে সেই আদৰ্শ নাপালে।

সেয়ে, জাতীয়তাবাদী চিন্তাধাৰাই নতুন কবিসকলৰ প্ৰাণৰ গভীৰতাত স্পৰ্শ কৰা নাই। তাৰ ফলতে ভাৰতে স্বাধীনতাৰ পাচত পাকিস্থান আৰু চীনৰ লগত যুদ্ধত অৱতীৰ্ণ হল যদিও; দেশীয় সংস্কৃতিৰ সাধনাৰ মাজেদি প্ৰাণৰ বিশালতা লাভ নকৰা নতুন কবি সকলে স্বাধীনতাৰ মূল্য বুজি দেশবাসীক শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰেৰণা যোগাব নোৱাৰিলে।

১৯৬৫ চনত পাকিস্থানে ভাৰত আক্ৰমণ কৰি ভাৰতৰ শান্তি হৰণ কৰিবলৈ উদ্যত হোৱাৰ প্ৰতি লক্ষ্য কৰি; দেশপ্ৰেমত উদ্বুদ্ধ কবি নেওগে অসমৰ কবিসকলক জীৱনৰ উৎসাহ সঙ্গীত ৰচনা কৰি; ভাৰতবাসীক ঐক্যবদ্ধ ভাবে সংগ্ৰামত জপিয়াই পৰিবলৈ প্ৰেৰণা সৃষ্টি কৰিবলৈ আহ্বান জনাইছে।

কবি নেওগে জীৱনৰ আগভাগৰ পৰা ভাৰতীয় সংস্কৃতিৰ বিভিন্ন দিশত সাধনাত ব্ৰতী হৈ যি প্ৰেৰণাত এই আহ্বান জনাইছে; সেই আহ্বানে ভীৰু আত্মজ্ঞান বৰ্জিত কবিসকলৰ অন্তৰত ক্ৰিয়া নকৰে। প্ৰবীণ কলাকাৰ আৰু জ্ঞানীৰ প্ৰতি শ্ৰদ্ধা বিহীন কাব্যকাৰ সকলে দেশমাতৃকাক সাত্ত্বিক ভাবে সেৱা কৰিব নোৱাৰে।

নেওগে, জাতীয় জীৱনৰ সন্ধিক্ষণত নব্য ভাৰত গঢ়িবলৈ যি আদৰ্শৰ কথা উল্লেখ কৰি হিন্দু মুছলমানৰ সম্প্ৰীতিৰ প্ৰবাহ ৰূপ

দিচে তাৰ মাজেদি বাস্তৱবাদী কবিয়ে প্ৰগতিৰ পথ দেখুৱাইছে। কবি নেওগে অধ্যাত্ম জ্ঞানৰ অগ্ৰগতি সাধন কৰি থকা বাবে পাৰ্থিৱ বেদনা বিশেষ অহা নাই। যি সকল প্ৰবীণ কলাকাৰে সত্যৰ সাধনাত ব্ৰতী হৈ আছে তেওঁলোকে কৰ্ম-জ্ঞান-ভক্তিৰ প্ৰেৰণাত ব্যক্তিগত জীৱনৰ সুখ-দুঃখ বিস্মৃত হৈ থাকে। সেয়ে, ব্ৰহ্ম জ্যোতিয়ে হৃদয় আলোকিত কৰি থকা বাবে সোতৰ বছৰীয়া কবি জীৱনৰ অভিজ্ঞতাই প্ৰবাহিত হৈ তিনিকুৰি-ছয়-সাত বছৰত পৰিণত ৰূপ প্ৰকাশ পাইছে।

দুৰ্ভাগ্যৰ বিষয় ভাৰতৰ স্বাধীনতা যুঁজৰ যোদ্ধা-কাব্যকাৰ সকল স্বদেশ আৰ্তিৰে মাথ ধৰিছে, কিন্তু জাতিক নেতৃত্ব দিব পৰা কোনো কাব্য [illegible]।

নেওগৰ ভাৰত সঙ্গীত কবিতাৰ মাজেদি যি দেশাত্মবোধ প্ৰকাশ পাইছে, সেই জাতীয়তাবাদী আৰু মানৱতাবাদী ভাব প্ৰকাশ পাইছে লক্ষ্মীনাথ ফুকনৰ 'শান্তি প্ৰতিষ্ঠাৰ দিন' (১৯৬৬) কবিতাত। নেওগে ভাৰতৰ জাতি [illegible] মাজত বিশ্ব মানৱৰ ক্ষেত্ৰ বিচাৰি পাইছে। ফুকনেও কবিতাৰ দ্বাৰা বিশ্বমানৱৰ মাজত শান্তি প্ৰতিষ্ঠাৰ কল্পনা কৰিছে। দেশাত্মবোধ বিশ্বপ্ৰেমলৈ ৰূপান্তৰিত হৈছে।

অম্বিকাগিৰী, নলিনীবালা দেৱী প্ৰসন্নলাল চৌধুৰী আদি প্ৰবীণ কবিসকলে ভাৰত পাকিস্তান যুদ্ধৰ পৰিপ্ৰেক্ষিতত মানৱ প্ৰেমত উদ্বুদ্ধ হৈ বিশ্ব মানৱৰ আৰু ভাৰতৰ জয়-গান গাই দেখুৱাইছে যে কলাকাৰে নিজৰ জননী-জন্মভূমিৰ প্ৰেমত আত্ম নিবেদন কৰিহে বিশ্বমানৱক প্ৰেমেৰে সাৱটি লব পাৰে।

নেওগৰ ভাৰতসঙ্গীত কবিতাত কবি হৃদয়ত জ্ঞানৰ যি প্ৰবাহ প্ৰকাশিত হৈছে, তেনে শক্তিশালী জ্ঞান প্ৰবাহ প্ৰায় সমসাময়িক সকলো প্ৰবীণ কবিৰ হৃদয়ৰ মাজেদি প্ৰকাশ পাইছে যদিও; স্বাধীনতাৰ পূৰ্ব কালৰ কবি বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আনকি আনন্দ চন্দ্ৰ আগৰৱালায়ো মৃত্যুৰ আগ মুহূৰ্তলৈ হৃদয়ৰ এই শক্তি ৰক্ষা কৰিব পৰা নাই। নেওগৰ কাব্য সাধনাত জ্ঞানৰ আৰোহণ তথা প্ৰগতি আছে।

— x —